# ভাৰতৰ স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা

# ভাৰতৰ স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা

## (১৮২৬-১৯৪৭)

ড° ৰমেশ চন্দ্ৰ কলিত

উলুপী প্ৰকাশন
তেজপুৰ - ৭৮৪ ০০১

**A Study of the Role of the Assamese Students in the Struggle for Freedom of India**, 1826-1947, authored by Dr. Ramesh Chandra Kalita, M.A., Ph.D., Lecturer, Selection Grade, and Head, Department of History, Tezpur College, Tezpur and Published by Eshani Kalita, on behalf of M/s Ulopi Publications, Tezpur-784 001.

---

First edition, May, 1986

Revised and enlarged
Second edition, January, 2001

Price Rs.120/- (Rupees One Hundred Twenty only)

Printed at Seagull Industry, Tezpur

প্ৰকাশিকা ঃ ঈশানী কলিতা,
উলুপী প্ৰকাশন,
তেজপুৰ-৭৮৪০০১

স্বত্ব -লিখক

প্ৰথম প্ৰকাশ, মে ', ১৯৮৬

সংশোধিত আৰু পৰিবৰ্দ্ধিত
দ্বিতীয় প্ৰকাশ, জানুৱাৰী, ২০০১
ছপা ঃ চিগাল ইণ্ডাষ্ট্ৰী, তেজপুৰ
মূল্য ১২০/- (এশ বিশ টকা মাত্ৰ)।

কিতাপখনৰ যি কোনো অংশ বা সম্পূৰ্ণ কিতাপখনেই লিখক অথবা প্ৰকাশিকাৰ বিনা অনুমতিত জেৰ'কস্ অথবা ফটো কপিৰ মাধ্যমত প্ৰচাৰ বা অধিগ্ৰহণ কৰাতো নিষেধ কৰা হ'ল।

মা শ্ৰীযুতা উলুপী কলিতাৰ
পাদপদ্মত শ্ৰদ্ধাৰ্ঘ

# সূচীপত্ৰ


| | |
|---|---|
| অৱতৰণিকা ঃ দ্বিতীয় সংস্কৰণ | ক |
| লিখকৰ দুআষাৰ | খ |
| অসমৰ ছাত্ৰ আন্দোলনৰ পটভূমি | ১ |
| বিংশ শতিকাৰ প্ৰাৰম্ভিক কালছোৱাত অসমৰ ছাত্ৰ আন্দোলন | ১৭ |
| অসহযোগ আন্দোলনত অসমীয়া ছাত্ৰ | ৩৮ |
| আইন অমান্য আন্দোলনত অসমীয়া ছাত্ৰ | ৬২ |
| বিয়াল্লিশৰ আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা | ১০০ |
| সাম্ৰাজ্যবাদী কূট-কৌশলঃ সাম্প্ৰদায়িকতাবাদ আৰু দেশ বিভাজন | ১৪৮ |
| উপসংহাৰ | ২০১ |
| গ্ৰন্থপঞ্জী | ২০৯ |
| পৰিশিষ্ট | ২১৮ |

# অৱতৰণিকা ঃ দ্বিতীয় সংস্কৰণ

আজিৰপৰা ভালেমান বছৰৰ আগতেই গ্ৰন্থখন পাঠকৰ বাবে দুষ্প্ৰাপ্য হোৱাত ভালেমান বন্ধু-বান্ধৱৰ লগতে মোৰ পত্নী ড° জয়শ্ৰী কলিতা আৰু কন্যা দুজনী— ঈশানী আৰু শ্ৰাৱনীৰ – তাগিদাত প্ৰায় পোন্ধৰ বছৰৰ পিছত দ্বিতীয়বাৰৰ বাবে 'ভাৰতৰ স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা, ১৮২৬-১৯৪৭ শীৰ্ষক এই গ্ৰন্থখন পুনৰ সহৃদয় পাঠক-পাঠিকাৰ হাতত তুলি দিবলৈ পাই সন্তোষ পাইছোঁ। এই ক্ষেত্ৰত মোৰ অন্যতম সহপাঠী বন্ধু আৰু তেজপুৰ কলেজৰ গ্ৰন্থাগাৰিক শ্ৰীযুত অমূল্য শইকীয়াৰ নাম বিশেষভাৱে স্মৰণীয়।

গ্ৰন্থখনে সামৰি লোৱা বিষয়-বস্তুটোৰ ওপৰত তেতিয়ালৈ এইখনেই আছিল অসমীয়া ভাষাত ৰচিত আৰু আধুনিক যুগৰ অসমৰ ইতিহাসৰ প্ৰথম গ্ৰন্থ (Pioneer book), গতিকে প্ৰথম গ্ৰন্থ হিচাপে তাত কিছু ত্ৰুটি-বিচ্যুতি থৈ যোৱাটো আছিল স্বাভাৱিক । গ্ৰন্থখন লিখাৰ সূচনাও হৈছিল এক বিশেষ ঘটনাক্ৰমে। ১৯৭৭ চনৰ ডিচেম্বৰ নে ১৯৭৮ চনৰ জানুৱাৰী মাহ। গহপুৰৰ ছয়দুৱাৰ কলেজৰ কলেজ সপ্তাহৰ সামৰণী উৎসৱৰ মুকলি সভালৈ নিৰ্দিষ্ট বক্তাৰূপে আমন্ত্ৰিত হোৱাত লিখিত ভাষণৰূপে প্ৰথম অধ্যায়টো লিখি উলিয়াইছিলোঁ। ভাষণটি উক্ত সভাত পাঠ কৰি থাকোতে শ্ৰোতাসকলৰপৰা বিশেষকৈ সেই কলেজৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী আৰু গহপুৰ অঞ্চলৰ সমাজ সচেতন ব্যক্তিসকলৰ পৰা পোৱা উৎসাহে পৰৱৰ্তী সময়ত বাকীখিনি লিখি উলিয়াবলৈ প্ৰভূত অনুপ্ৰেৰণা যোগাইছিল। সেই লিখিত ভাষণটোৱেই যে সময়ত গ্ৰন্থৰ আকাৰ পাব তেতিয়া ভাবিব পৰা নাছিলোঁ। সেয়ে উক্ত সভাৰ উদ্যোক্তাসকলৰ প্ৰতি এতিয়াও শ্ৰদ্ধাত শিৰ নত হয়।

গ্ৰন্থখনে প্ৰকাশৰ পিছতে পাঠকৰপৰা বিশেষ সমাদৰ লাভ কৰিছিল, গৱেষকসকলৰ পৰাও। ভালেমান বিদ্বান লোকে এই বিষয়-বস্তুটোৰ ওপৰতেই গৱেষণা কৰি ডক্টেৰেট ডিগ্ৰীও লাভ কৰিছে। বৌদ্ধিক দিশৰ এইবিলাক নিতান্তই সুখ আৰু সন্তোষৰ কথা।

দ্বিতীয় সংস্কৰণত গ্ৰন্থখন বহুলভাৱে সংশোধিত আৰু পৰিবৰ্দ্ধিত কৰা হৈছে।

আশাকৰোঁ গ্ৰন্থখনে পূৰ্বৰ দৰে সহৃদয় পাঠক-পাঠিকাৰ সমাদৰ লাভ কৰিব।

বাইজৰ শুভানুধ্যায়ী

২১ জানুৱাৰী , ২০০১

ৰমেশ চন্দ্ৰ কলিতা,
মূৰব্বী অধ্যাপক, ইতিহাস বিভাগ,
তেজপুৰ কলেজ, তেজপুৰ, অসম

# লিখকৰ দু'আষাৰ

সংগঠিতই হওঁক কিম্বা অসংগঠিতই হওঁক ছাত্ৰসকল ৰাজনীতি নিৰপেক্ষ নহয়-এইটোৱেই হল কিতাপখনৰ মূল প্ৰতিপাদ্য বিষয় আৰু ইয়াকেই ইয়াত ঐতিহাসিকভাৱে প্ৰতিপন্ন কৰিবলৈ বিচৰা হৈছে। ছাত্ৰৰ ৰাজনীতি নাই, শিক্ষকৰ ৰাজনীতি নাই, শ্ৰমিক-কৰ্মচাৰীৰ ৰাজনীতি নাই, কৃষকৰ ৰাজনীতি নাই—এই ধৰণৰ মতাদৰ্শৰ আশ্ৰয় লৈ সমাজ বা দেশৰ প্ৰভুত্বকামী আৰু প্ৰভুত্বশালীসকলে নিজ স্বাৰ্থৰ অনুকূলে দেশ বা সমাজৰ একাংশ অসচেতন ছাত্ৰ-যুৱকক বিপথে পৰিচালিত কৰাৰ লগতে অশিক্ষা কুশিক্ষা অৰ্দ্ধশিক্ষাত পতিত সমাজৰ অসচেতন শ্ৰমজীৱী বিপুলাংশ লোকক তথাকথিত নিষ্কাম সমাজ সেৱাৰ আদৰ্শত মোহবিষ্ট কৰি বঞ্চনাৰ পথ নিষ্কণ্টক কৰে। আজি আমি সমাজ বিকাশৰ যি স্তৰত উপনীত হৈছোঁহি তাত ছাত্ৰ সমাজক অ-ৰাজনৈতিক মতাদৰ্শৰে মোহাবিষ্ট কৰি ৰখাৰ মূল উদ্দেশ্য হ'ল প্ৰগতিশীল ৰাজনৈতিক মতাদৰ্শ, চিন্তা-চৰ্চা আৰু সংগঠনৰপৰা আঁতৰাই ৰাখি প্ৰকাৰান্তৰে তেওঁলোকক দেশৰ পুঁজিপতি ভূস্বামীৰ পোছাকবিহীন পুলিচ বাহিনীৰূপে গঢ়ি তোলা। বুৰ্জোৱা ৰাজনীতিবিদ আৰু পুঁজিপতি ভূস্বামীৰ পদলেহনকাৰী দালাল পণ্ডিত বুদ্ধিজীৱীহঁতে এই দিশত সাফল্য লাভ যে কৰা নাই সেইটো নহয়। কিন্তু 'History moves dialectically',—সমাজ বিকাশত যুৱ-ছাত্ৰৰ ভূমিকাৰ তাৎপৰ্যও তাতেই। আজি বিশ্বৰ সমাজতান্ত্ৰিক দেশসমূহৰ ইতিহাস চৰ্চা কৰিলে দেখা যায় যে সেই দেশসমূহত সাম্ৰাজ্যবাদ, সামন্তবাদ, কুলক-ভূস্বামী-পুঁজিপতি আৰু সিহঁতৰ দালালসকলৰ শত চেষ্টাৰ বিপৰীতে হাজাৰ হাজাৰ ছাত্ৰ-যুৱকে শোষিত-নিপীড়িত লাঞ্ছিত লক্ষজনৰ কান্ধত কান্ধ মিলাই মানুহৰ দ্বাৰাই মানুহৰ ওপৰত চলা শোষণ বঞ্চনাৰ ইতিহাসৰ গতি স্তব্ধ কৰি দিবলৈ সক্ষম হৈছে। ফলত সেই বিলাক দেশত মানুহৰ জীৱন-মানৰ অভূতপূৰ্ব পৰিবৰ্তন সাধিত হৈছে। খাদ্যহীনতা, পুষ্টিহীনতা, নিৰক্ষৰতা, কৰ্মহীনতা, অপসংস্কৃতি আদি বুৰ্জোৱা সমাজৰ বাবে কুৰি গণ্ডা ব্যাধি আজি সমাজতান্ত্ৰিক দেশ সমূহৰপৰা সম্পূৰ্ণৰূপে বিতাড়িত হৈছে, হৈছে অন্তৰ্হিত। সমাজতান্ত্ৰিক দেশসমূহৰ আৰ্থ-সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক অগ্ৰগতিৰপৰা আমাৰ দেশৰ যুৱ-ছাত্ৰ সমাজে শিক্ষা আহৰণ কৰিব পাৰে, আৰু নিজৰ মনতে প্ৰশ্ন কৰি চাব পাৰে স্বাধীনতাৰ ৩৭ বছৰৰ পাছত কিয় ৬৩% লোক নিৰক্ষৰ, দেশত কৰ্মহীন লোকৰ সংখ্যা কিয় বাৰ-তেৰ কোটি, ৯০ লাখ ৯০ হাজাৰ লোকৰ দেশ কিউবাই মস্কো অলিম্পিকত (১৯৮০) ৮টা সোণৰ পদক পোৱাৰ সময়ত ৭০ কোটি লোকৰ দেশ আমাৰ ভাৰতবৰ্ষই কিয় লাভ কৰে মাত্ৰ এটা সোণৰ পদক? কেৰোণটো কত? ইয়াৰ বাবে দায়ী কোন?

সমাজ দেশ তথা ইতিহাসৰ স্ৰষ্টা হল কোনো ঐশ্বৰিক গুণসম্পন্ন মহান ব্যক্তি মহাপুৰুষ তথা নেতা—এই ভাবাদৰ্শৰ বিপৰীতে জনগণেই যে সমাজ দেশ তথা ইতিহাসৰ স্ৰষ্টা বা চালিকাশক্তি তাকে এই লিখনিৰ মাজেৰে প্ৰতিপন্ন কৰিবলৈ প্ৰয়াস কৰা হৈছে। বৃটিশ সাম্ৰাজ্যবাদ বিৰোধী ভাৰতীয় জনগণৰ উত্তাল গণবিক্ষোভ বা জনজাগৰণ আৰু পৰিশেষত ৰাজনৈতিক স্বাধীনতা লাভ কেৱল কোনো এজন বা কেইজনমান মুষ্টিমেয় ক্ষণজন্মা মহাপুৰুষ বা দুই এটি ৰাজনৈতিক

সংগঠনৰ কীৰ্তিস্তম্ভ—প্ৰচলিত এই প্ৰচাৰ, বিশ্বাস আৰু মোহদৃষ্টিৰ বিপৰীতে আমি স্বাধীনতা আন্দোলনৰ ইতিহাসত প্ৰত্যক্ষ কৰিছোঁ শোষিত লাঞ্ছিত নিপীড়িত লক্ষ লক্ষ লোকৰ লগতে বিভিন্ন ৰাজনৈতিক দল-সংগঠনৰ এক তেজস্বী ভূমিকা, য'ত নেকি দেশী-বিদেশী বিভিন্ন লোক আৰু সংগঠনৰ চল-চাতুৰী স্বত্বেও আমাৰ পৰপদানত দেশৰ ছাত্ৰসকলেও শাৰী পাতি থিয় দিছিল সেই সাম্ৰাজ্যবাদ বিধ্বংসী মহা অভিযানত। দেশে ৰাজনৈতিক স্বাধীনতা লাভ কৰাৰ লগে লগে ছাত্ৰসকলৰ জানো ৰাজনৈতিক কৰ্মকাণ্ডৰ চিন্তা-চৰ্চাৰ অন্ত পৰিব লাগে?

এইটো সৰ্বজন স্বীকৃত ঐতিহাসিক সত্য যে দেশত ক্ষমতা লাভৰ নিৰ্দ্দিষ্ট লক্ষ্য আগত ৰাখিয়েই ভাৰতীয় (জাতীয়) বুৰ্জোৱাই বৃটিশ সাম্ৰাজ্যবাদ বিৰোধী স্বাধীনতা আন্দোলনত দেশৰ অগণিত শোষিত-নিষ্পেষিত লোকক নেতৃত্ব দিছিল। স্বাধীনতা আন্দোলনৰ সেই গৌৰৱময় অথচ চাঞ্চল্যকৰ আৰু দুৰ্যোগপূৰ্ণ পৰ্যায়সমূহত বিপুলায়তন জনগণৰ অংশ গ্ৰহণৰ মূল চালিকাশক্তি আছিল শোষণ মুক্তিৰ এক তীব্ৰ আকাংখ্যা। জাতীয় বুৰ্জোৱাৰ সাম্ৰাজ্যবাদ বিৰোধী এই নেতৃত্ব নিশ্চয় প্ৰগতিশীলেই আছিল, কিন্তু নেতৃত্বৰ ভূমিকা সাম্ৰাজ্যবাদ বিৰোধীতাতেই সীমিত হৈ থকাত অৰ্থাৎ ইয়ঁতে দেশীয় সামন্তবাদৰ বিৰুদ্ধে বুৰ্জোৱা গণতান্ত্ৰিক আন্দোলনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অপৰাগ হোৱাত ভাৰতবৰ্ষত গণতান্ত্ৰিক আন্দোলনৰ নেতৃত্বত দেশীয় বুৰ্জোৱাই আংশিকভাৱেহে কৃতকাৰ্যতা লাভ কৰিলে। খটাং কথাত দেশীয় বুৰ্জোৱ নেতৃত্বত দেশৰ গণতান্ত্ৰিক আন্দোলন আধৰুৱাভাৱে সমাপ্ত হৈ থাকিল। বৃটিশ সাম্ৰাজ্যবাদৰ কবলৰপৰা দেশে স্বাধীনতা লাভ কৰাৰ লগে লগে এই শ্ৰেণীটোৱে বৃহৎ বৃহৎ দেশীয় জমিদাৰ ভূস্বামী আদি সামন্তীয় শ্ৰেণীৰ সৈতে ক্ষমতাৰ যৌথ অংশীদাৰৰূপে শাসকীয় শ্ৰেণীলৈ পৰিবৰ্তিত হয়। গতিকে দেখা যায় দেশৰ ৰাজনৈতিক স্বাধীনতাই এফালে দেশীয় বুৰ্জোৱা আৰু বৃহৎ বৃহৎ জমিদাৰ ভূস্বামীসকললৈ কঢ়িয়াই আনিলে ক্ষমতাৰ মছনদ, আনফালে জনতাৰ শোষণ মুক্তিৰ আকাংখ্যা হৈ থাকিল পূৰ্বৰ দৰেই সেই একেই আকাশ-কুসুম। স্বাধীনতাৰ পৰবৰ্তী কালৰ ইতিহাস তাৰ নিৰ্মম সাক্ষী। কিন্তু ইতিহাস কোনো কালেই স্থবিৰ নহয়। স্থবিৰ নহয় বাবেই আজিৰ পৰিস্থিতিত যুব-ছাত্ৰৰ দায়িত্বও অসীম। ভাৰতীয় জনগণৰ শোষণ মুক্তিৰ আধৰুৱা আৰু যথাৰ্থ সংগ্ৰামত অৱতীৰ্ণ হৈ তাক সাফল্যমণ্ডিত কৰাৰ অংশীদাৰ হ'বলৈ হ'লে আজিৰ যুব-ছাত্ৰই বাৰুকৈয়ে পূৰ্বসূৰীসকলৰ ভূমিকাৰ বস্তুনিষ্ঠ বিশ্লেষণৰ জৰিয়তে শিক্ষা আহৰণ কৰি আগবাঢ়িব লাগিব। ইতিহাস অতীতৰ ঘটনা প্ৰবাহৰ সংকলনেই নহয়, ই ভৱিষ্যতৰ পথ নিৰ্দ্দেশকো ।

বংশগত ইতিহাস (Dynastic history) প্ৰণেতা আৰু পাঠকৰ দৃষ্টিভংগীক ইয়াত প্ৰশ্ৰয় দিয়া হোৱা নাই, অৱশ্যে কৃতকাৰ্য্যতাৰ মাপকাঠি পাঠকৰ হাতত। দেশৰ চুকে কোণে নিচ্চুপ আৰু অৱহেলিত হৈ পৰি থকা অগণন স্বাধীনতা যো দ্ধাক শ্ৰদ্ধাৰে সুঁৱৰি সেয়ে আমি আমাৰ লিখাত তেওঁলোকৰ অৱদানক সন্মান জনাইছোঁ, বিশেষকৈ প্ৰগতিশীল ধাৰাটোৰ বাৰ্ত্তাবাহকসকলৰ কৰ্তব্যনিষ্ঠা আৰু ত্যাগৰ প্ৰতি।

বৃটিশ সাম্ৰাজ্যবাদ বিৰোধী ভাৰতীয় জনগণৰ শোষণ আৰু শাসন মুক্তিৰ সংগ্ৰামত অবিভক্ত অসমৰ ছাত্ৰসকলে কি ভূমিকা লৈছিল ইয়াত তাৰেই এক খতিয়ান দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে। সেইটো কৰোঁতে সৰ্বভাৰতীয় ঘটনা পৰম্পৰাৰ বিস্তৃত উল্লেখ পাৰ্য্যমানে এৰাই চলিবলৈ চেষ্টা কৰা হৈছে, কিন্তু অসমীয়া ছাত্ৰৰ ভূমিকাও যিহেতু ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ সৈতে নিবিড়ভাৱে সংপৃক্ত, সেয়ে ধাৰাবাহিকতাৰ প্ৰয়োজনত অহাখিনিৰ উল্লেখ কৰি যোৱা হৈছে, সম্ৰগ্ৰৰপৰা অংশক বিচ্ছিন্ন কৰি চোৱাৰ বা দেখুওঁৱাৰ প্ৰয়াস পোৱা হোৱা নাই।

কিতাপখনৰ সমূদায় লিখাখিনিয়েই খণ্ড খণ্ডকৈ প্ৰবন্ধাকাৰে প্ৰগতিশীল আলোচনী নতুন পৃথিৱীত প্ৰকাশিত হৈছিল। সামগ্ৰীকভাৱে ইয়াৰ ৰচনাকাল আছিল ১৯৭৮ চনৰপৰা ১৯৮২ চনৰ ভিতৰত। কিতাপ আকাৰে প্ৰকাশ কৰাৰ পূৰ্বে কোনো কোনো ঠাইত নতুন কথা দুই এটাৰ সংযোজন কৰা হৈছে। নতুন পৃথিৱীৰ সম্পাদনা সমিতিয়ে এই দীঘলীয়া প্ৰবন্ধমালা আলোচনী খনৰ মুঠ সাততা সংখ্যাত (১৯৭৯ চনৰপৰা ১৯৮৪ চনলৈ) প্ৰকাশ কৰাৰ গুৰুদায়িত্ব লৈ লিখকৰ প্ৰতি যিকণ স্নেহভৰা উৎসাহ-উদগনি যোগালে সিয়ে লিখকক তেওঁলোকৰ প্ৰতি সদায় কৃতজ্ঞতা পাশত আবদ্ধ ৰাখিলে। নতুন পৃথিৱীয়ে এই দায়িত্ব নললে বোধহয় প্ৰবন্ধমালা লিখি উলিওৱাৰ কথা দূৰতে থাওঁক আজি সেইখিনি কিতাপৰ আকাৰতো পাঠকৰ হাতত নপৰিলহেঁতেন।

প্ৰবন্ধখিনি লিখিবলৈ লোৱাৰপৰাই বৰ্তমানলৈ ভালেমান প্ৰখ্যাত শিক্ষাবিদ তথা বুদ্ধিজীৱী আৰু বন্ধু-বান্ধৱৰপৰা সহায়-পৰামৰ্শ, উৎসাহ-উদ্দীপনা পাইছোঁ। কৃতজ্ঞ ভাৱে স্মৰণ কৰা সেইসকল শ্ৰদ্ধেয় ব্যক্তি হল, অনিল ৰায়চৌধুৰী, ড° হীৰেন গোঁহাই, ড° অমলেন্দু গুহ, ড° অৰুণ চন্দ্ৰ ভূঞা, মোৰ পত্নী অধ্যাপিকা জয়শ্ৰী কলিতা, অধ্যাপক সুৰেশ কুমাৰ আৰ্য্য, অধ্যাপক ৰজত দত্ত, জগন্নাথ পাঠক, দধি মহন্ত, ৰমেশ শৰ্মা, হৰিদাস ডেকা, লক্ষ্মীপ্ৰসাদ চৌধুৰী, কৃষ্ণ শৰ্মা আদি।

মোৰ পত্নী অধ্যাপিকা শ্ৰীমতী জয়শ্ৰী কলিতা, বন্ধুবৰ অমূল্য শইকীয়া, ডা° ভগবান মিশ্ৰ, সত্যজিৎ তালুকদাৰ আদিয়ে কিতাপখন প্ৰকাশ কৰিবলৈ উৎসাহ-উদ্দীপনা যোগোৱাৰ লগতে প্ৰত্যেকেই নিজা ৰবীয়াকৈ লোৱা উদ্যোগ-অনুৰাগৰ বাবে লিখক আটাইৰে ওচৰত ঋণী।

কিতাপখনৰ পাণ্ডুলিপি কৰাত সহায় কৰি দিছে অনুজ প্ৰতিম শ্ৰীমানসকল - বীৰেন শৰ্মা, ভূপেন শৰ্মা, জইনুৰ আলী, আফটাব হুছেইন, হৰেন শৰ্মা আৰু মোৰ কণিষ্ঠ ভ্ৰাতা শ্ৰীমান হীৰেন কলিতাই (বাপা)। এই আটাইসকলৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

কিতাপখন প্ৰকাশ কৰি পাঠকৰ হাতত তুলি দিয়াৰ সৰ্বশেষ দায়িত্বকণ যথেষ্ট আগ্ৰহ আৰু সহৃদয়তাৰে গ্ৰহণ কৰাত নলবাৰীৰ সমন্বয় গ্ৰন্থালয়ৰ গৰাকী বন্ধুবৰ শ্ৰীজিতেন ডেকাৰ প্ৰতি কৃতজ্ঞতা যাচিছোঁ।

দক্ষিণ হাজাৰাপাৰ
তেজপুৰ-পৰ্বতীয়া পথ
তেজপুৰ (অসম)
৯ মে, ১৯৮৬

ৰমেশ কলিতা

১

# অসমৰ ছাত্ৰ আন্দোলনৰ পটভূমি

## (ঊনবিংশ শতিকা)

ঊনবিংশ শতিকাৰ দ্বিতীয় দশকত অসম বৃটিশ সাম্ৰাজ্যবাদীসকলৰ কবলত পৰে। মোৱামৰীয়া কৃষক বিদ্ৰোহে ( ১৭৬৯-১৮১০) সামন্তীয় আহোম শাসন ব্যৱস্থাৰ লাইখুটা লৰালেও প্ৰায় ছশ বছৰীয়া সামন্ত সমাজ ব্যৱস্থাৰ অন্ত পেলাব পৰা নাছিল। মোৱামৰীয়া বিদ্ৰোহৰ অব্যবহিত পিছৰ কালছোৱাত অসমৰ সামন্তীয় ৰাষ্ট্ৰ-ব্যৱস্থাত যি সংকটে দেখা দিছিল তাৰেই পূৰ্ণ সুযোগ লৈ বৃটিশ সাম্ৰাজ্যবাদীয়ে মান বিধ্বস্ত অসম তথা অসমীয়া প্ৰজাৰ ত্ৰাণকৰ্তাৰূপে অৱতাৰৰ ভাও লৈ অসমত ৰাজনৈতিক আধিপত্য স্থাপন কৰে।[১] আভ্যন্তৰীণ বিদ্ৰোহত জুৰুলা আৰু মানৰ আক্ৰমণত বিধ্বস্ত হোৱা আহোম সামন্ত শ্ৰেণীৰ এটা অংশই বৃটিশ সাম্ৰাজ্যবাদৰ এই আগমনক আদৰণি জনালেও পোণপটীয়াভাৱে ৰাজকীয় ক্ষমতাৰ অংশীদাৰী অংশটোৱে সততকাই এই নব্য শাসন ব্যৱস্থাৰ লগত আপোচ কৰিব পৰা নাছিল।[২] ফলস্বৰূপে বিক্ষুব্ধ এই দ্বিতীয় অংশটোৱে গমধৰ কোঁৱৰ, ধনঞ্জয় ওৰফে পিয়লি বৰগোহাঁঞি আদিৰ নেতৃত্বত বৃটিশ শাসন ভালদৰে থিত নৌলওতেই ১৮২৮ খৃ ত বিদ্ৰোহৰ সূচনা কৰে। ১৮২৯-৩০ খৃ ত খাচী-গাৰো আৰু ১৮৩০ খৃ ত খামতী-চিংফৌসকলে নব্য ৰাজনৈতিক-সাম্ৰাজ্যিক শক্তি বৃটিশৰ বিপক্ষে প্ৰতিৰোধ যুদ্ধ গঢ়ি তোলে। গদাধৰ সিংহ নামে আহোম ৰাজকুমাৰ এজনে খামতী-চিংফৌসকলৰ মাজত বৃটিশ বিৰোধী সমৰ-উদ্যমত যথেষ্ট দিহা-পৰামৰ্শ দিয়াৰ উপৰিও মান ৰজাৰ লগতো যোগ সূত্ৰ স্থাপন কৰিছিল।[৩]

আন বিক্ষুব্ধ আহোম ডা-ডাঙৰীয়াসকলেও পুনৰ এই সময়তেই জীউৰাম দুলীয়া বৰুৱা, হৰনাথ বৰগোহাঁঞি, ধনঞ্জয় পিয়লি ফুকন, ৰূপচন্দ্ৰ কোঁৱৰ, দেউৰাম দিহিঙীয়া ফুকন আদিৰ নেতৃত্বত বিদ্ৰোহৰ যোঁ-জা কৰিছিল। বৃটিশ পদানত চুবুৰীয়া ৰাজ্যসমূহৰ জনজাতীয়-সামন্তীয় শ্ৰেণীৰ সাহায্য বিদ্ৰোহৰ সফল পৰিসমাপ্তিৰ বাবে অপৰিহাৰ্য বোধ কৰি পিয়লি ফুকন, হৰনাথ বৰগোহাঁঞি আদিয়ে সেই সেই ৰাজ্যৰ জন- জাতীয়-সামন্তীয় শাসক শ্ৰেণীবোৰৰ লগত যোগাযোগ চলাইছিল।

অসমৰ হৃত স্বাধীনতা পুনৰুদ্ধাৰৰ কাৰণে আহোম সামন্ত শ্ৰেণীয়ে চলোৱা প্ৰধান আৰু সৰ্বশেষ চেষ্টাটো হ'ল—মণিৰাম দেৱান, পিয়লি বৰুৱা, মধু মালিক, দুটিৰাম বৰুৱা, বাহাদুৰ গাওঁবুঢ়া, ফৰমুদ আলি আৰু চাৰিং ৰজা কন্দৰ্পেশ্বৰ সিংহৰ নেতৃত্বত হোৱা বিদ্ৰোহটো। এই বিদ্ৰোহ আছিল ১৮৫৭-৫৮ খৃ.ৰ ভাৰতীয় মহাবিদ্ৰোহৰ অংশ স্বৰূপ। দেশীয় সামন্তীয় উৎপাদন ব্যৱস্থাৰ দুৰ্বলতা, তেতিয়াৰ সামন্ত শ্ৰেণীৰ মাজৰ অন্তৰ্দ্বন্দ্ব আৰু একাংশৰ বৃটিশ পক্ষাৱলম্বনে ' বিদেশী সাম্ৰাজ্যবাদী শাসনৰ আদিছোৱাৰ এই সাম্ৰাজ্যবাদ বিৰোধী আটাইবিলাক বিদ্ৰোহক ব্যৰ্থতাত পতিত কৰি তুলিছিল।

পৰাধীনতাৰ পঙ্কৰপৰা দেশক স্বাধীন কৰাৰ বাবে উত্থিত এই সামন্তীয় বিদ্ৰোহ-

বিপ্লৱৰ কালছোৱাৰ(১৮২৬-৫৮) অব্যৱহিত পিছৰ কালছোৱাত সাম্ৰাজ্যবাদী শোষণ লুণ্ঠনৰ বোজা প্ৰধানতঃ অসমৰ কৃষক জনগণৰ বাবে দুৰ্বিসহ হৈ পৰে। শাৰীৰিক শ্ৰম আৰু উৎপাদিত শস্যৰ মাধ্যমত খাজনা সংগ্ৰহৰ আহোম সামন্তীয় ব্যৱস্থাৰ সলনি সাম্ৰাজ্যবাদী শাসনৰ আৰম্ভণীৰেপৰাই টকা-পইচাৰ মাধ্যমত খাজনা আদায়ৰ ব্যৱস্থা প্ৰবৰ্তন কৰা হয়। বজাৰ সমাৰৰ সীমাবদ্ধতা আৰু পণ্য ক্ৰয়-বিক্ৰয়ৰ কোনো নিৰ্দিষ্ট প্ৰচলিত ব্যৱস্থা নথকাত আৰু লগতে মুদ্ৰা অৰ্থনীতিত অনভ্যস্ত জনগণৰ হাতত ৰাজহ দিয়াৰ বাবে প্ৰয়োজনীয় টকা- কড়িৰ অভাৱত অসমৰ কৃষকে মূলতঃ বহিৰাগত কায়া মহাজন আৰু অইন সুদখোৰ মহাজন শ্ৰেণীৰ ওপৰত সততে নিৰ্ভৰশীল হৈ পৰে। বৃটিশ শাসনৰ ওপৰত নিৰ্ভৰশীল এই শ্ৰেণীটোৱে বৃটিশৰ অসম আগমণৰ প্ৰায় লগে লগেই অসমত প্ৰবেশ কৰে আৰু চাহ বাগিছাৰ বনুৱাৰ খাদ্য সামগ্ৰীৰ লগতে আন প্ৰয়োজনীয় সামগ্ৰীৰ যোগান ধৰাৰ ব্যৱসায়িক কাৰ্য সম্পূৰ্ণৰূপে কৰায়ত্ত কৰে আৰু উৎপাদিত শস্যৰ বাবে কৃষকক আগতীয়া বজাৰ দৰত শস্যৰ দাম নিৰ্দ্ধাৰণ কৰি অগ্ৰিম টকা দিয়াৰ ব্যৱস্থা প্ৰৱৰ্তন কৰে। এই দৰে প্ৰকৃত বজাৰ মূল্যতকৈও কমতে আগতীয়াকৈ শস্যৰ দাম লবলৈ বাধ্য হোৱাত কৃষকসকল প্ৰাপ্য দামৰপৰা বঞ্চিত হোৱাৰ লগতে পাৰিবাৰিক জীৱনত প্ৰয়োজনীয় তথা আকস্মিক খৰচৰ বাবে ধন সঞ্চয় কৰাৰ পৰাও বঞ্চিত হৈছিল। আকৌ অতিৰিক্ত হাৰত সুদসহ ঋণ লৈ সময়মতে পৰিশোধ কৰিব নোৱাৰা কৃষকৰ ভূ-সম্পত্তি মহাজনে কাঢ়ি লৈছিল। অসমৰ কৃষকৰ ক্ৰমবৰ্দ্ধমান এই আৰ্থিক অৱনতিৰ বিষয়ে ৰবিনচনে লিখিছে,' "A very few indeed are able to pay their rents before the harvest; but the greater proportion are obliged to borrow money, and in most cases with an exorbitant usury, upon the credit on the crop, and repay it after harvest. Thus the great body of the cultivators are,in fact, mere servants of the merchant, who engages to pay their rent for them, whilst they in turn agree to surrender all the produce of their land to him, from whom also they receive what is necessary for the maintenance of their families, till the harvest. If the produce be more than the debts, the former keeps the surplus. If it be less, which is not unfrequently the case, the remainder is written as debt in his name,and he engages to pay it out of the produce of the next year. If on the other hand, he should be very unfortunate in his harvest, the poor cultivator's little all is sold by the merchant, and with his family he is turned out upon the cold unfeeling world, to beg his bread, or to parish."

আনহাতে বৃটিশ চৰকাৰে প্ৰায় বছৰে বছৰেই ভূমি ৰাজহৰ পৰিমাণ বৃদ্ধি কৰি লৈছিল। এই দুমুখীয়া শোষন লুণ্ঠনৰ ফলত অসমৰ কৃষক জনগণ জুৰুলা হৈ পৰে।

অসমীয়া প্ৰজাৰ দুখ-দুৰ্দশা বৰ্ণাই হৰিবিলাস আগৰৱালাই লিখিছিল,* "ৰায়তবিলাক বৰ দুখিয়া আছিল। প্ৰতি ঘৰৰ খাজনা বাৰ্ষিক ছ আনাৰপৰা এটকা দুবি অনাপৰ্যন্ত। তাকে দিব নোৱাৰাত দিনটো ৰদত বন্দিকে ৰাখে, গধুলি বেতেৰে কোবাই কাশমলাই জামিন লৈ এৰি দিয়ে। ৰায়তে ধান চাউল মাহ সৰিয়হ আদি উৎপন্ন বস্তু বেচি ধন ঘটাৰ সুবিধা একেবাৰেই নাছিল, বেপাৰি ৰাস্তা ঘাট নাও জাহাজ গাড়ি চলাচল একো নাছিল।"

এই পৰিস্থিতিত বৰ্দ্ধিত বৃটিশ ভূমি ৰাজহ ব্যৱস্থাৰ বিপক্ষে জিলাই জিলাই, অঞ্চলে অঞ্চলে, কৃষকসকলৰ প্ৰতিৰোধ সভা— ৰাইজ মেল— হ'বলৈ ধৰিলে। এই ৰাইজ মেলবোৰৰ সিদ্ধান্ত মৰ্মেই ফুলগুৰিৰ ধাঁৱা (১৮৬১), পাথৰুঘাটৰ প্ৰথম ৰণ (১৮৬৮), পাথৰুঘাটৰ দ্বিতীয় ৰণ (১৮৯৩-৯৪), ৰঙিয়াৰ কৃষক বিদ্ৰোহ (১৮৯৩-৯৪), লচিমাৰ আৰু সৰ্থেবাৰীৰ ধাঁৱা (১৮৯৩-৯৪) আদি সাম্ৰাজ্যবাদী শোষণ লুণ্ঠন বিৰোধী এলানি কৃষক বিদ্ৰোহৰ সূচনা হয়। সাম্ৰাজ্যবাদী শোষণ নিপীড়ন প্ৰতিহত কৰিবলৈ কৃষক জনগণে যি দুৰ্দমনীয় সংগ্ৰামী অভিলেখ স্থাপন কৰিলে ই অসমৰ ইতিহাসৰ এক গৌৰৱোজ্জ্বল ঘটনা।

স্বাধীনতা আন্দোলনত ছাত্ৰৰ ভূমিকা বিশ্লেষণ অসমৰ ইতিহাসৰ এই সংগ্ৰামী পটভূমিৰ আধাৰতহে সম্ভৱপৰ হ'ব পাৰে। এই ঐতিহাসিক পটভূমি ব্যতিৰেকে ছাত্ৰৰ ভূমিকাৰ আলোচনা বিশ্লেষণ বন্ধ্য শ্ৰমত পৰিণত হোৱাৰ আশংকা আছে।

পৰপদানত দেশখনত আদিৰেপৰাই বিদ্ৰোহ তথা সশস্ত্ৰ উত্থান আদি হৈ থকা অৱস্থাতো আপোচকামী সামন্তীয় শ্ৰেণীটোৱে বৃটিশ শাসনত আশ্ৰয় লৈ ৰাজভক্ত প্ৰজাৰূপে পৰিগণিত হয় আৰু লগে লগেই সাম্ৰাজ্যবাদী শাসনৰ উচ্ছিষ্ট ভোগত আত্মহাৰা হয়। শাসনৰ আদি ছোৱাত সদৰামিন, চিৰস্তদাৰ, মুন্সিপ আদি বৃটিশ প্ৰদত্ত চাকৰি-বাকৰিৰ সুফলবোৰ মুখ্যতঃ এইশ্ৰেণীটোৰ ভোগ-দখললৈ অহাত এওঁলোক এই শাসনৰ প্ৰশাংসাত গদ্ গদ্ হৈ পৰে। আনুষ্ঠানিক শিক্ষা-দীক্ষাৰ জৰিয়তে অৰ্হতা লাভ কৰা লোকক প্ৰশাসনিক কামত নিয়োগ কৰাটো পোনতে অৰ্থকৰী নোহোৱাত, অৰ্থাৎ তেনে অৰ্হতা সম্পন্ন লোকক আন ৰাজ্যৰপৰা আনি অধিক বানচ দি নিয়োগ কৰাৰ ইচ্ছুক নোহোৱাত সাম্ৰাজ্যবাদী শাসনকৰ্তাসকলে আপোচকাৰী আৰু সুযোগ সন্ধানী অসমৰ সামন্ত শ্ৰেণীৰ বিশ্বাসীলোকসকলক চৰকাৰী কাম-কাজত নিয়োগ কৰিবলৈ ধৰে।

বলি নাৰায়ণ বড়াই কৈছে,' "আসামৰ সদৰামিন মুন্সেফ আদিকে কৰি বৰ বিষয়াৰ কাম বিলাকত ইংৰাজী নাজানা অসমীয়া মানুহ নিযুক্ত হৈছিল, সৰুদলৰ নিমিত্তেই হওঁক বা ভেটি ভাৰৰ গুণেই হওঁক, অসমীয়া মানুহেই কিছুদিন আগলৈকে আসামৰ সকলো কামে কাজৰ অধিকাৰী আছিল।"

বুৰঞ্জীবিদ, সাহিত্যিক বেণুধৰ শৰ্মাই কৈছে;' "অসমৰ বৈৰী মানক খেদাই পৰাক্ৰমী ইংৰাজ সেনাই অসম দেশখন বেহ্যত কৰাৰ পাছত এই দেশৰ প্ৰকৃত শাসন ভাৰ আসামৰ মানুহৰ হাতত‌েই পৰিছিল। বঙ্গাদিনীয়া বকৰা ফুকনৰ বিষয়-বাব লৈ আমাৰ মানুহেই শোধৰ গৰাকী হৈছিল। য'ত যি এজন দুজন ইংৰাজ বিষয়া আছিল

তেওঁবিলাকেও নামতহে ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰতিনিধি হৈ আছিল। সেই হেতুকে তেতিয়াৰ ভা-ভাণ্ডৰীয়াসকলে পৰাধীন হৈও স্বাধীন জাতিৰ দৰে পূৰ্বৰ আচাৰ-ব্যৱহাৰ আৰু নীতি-নিয়মৰ সম্মান অটুট ৰাখিব পাৰিছিল। বৃটিশ আমোলৰ শাসন নিকপকপীয়া আৰু দিন খিলঞ্জী হৈ আহিবলৈ ধৰা অনুসৰি ইংৰাজ অধিপতি সকলৰ ক্ষমতা বাঢ়িবলৈ ধৰিলে আৰু ক্ৰমান্বয়ে ৰজা ঘৰীয়া বিষয়-বাসনা খোৱা আমাৰ মানুহৰ স্বেচ্ছাচাৰৰ ওপৰতো চিকুটটো-আচোঁৰটো পৰিল। তেতিয়াহে আমাৰ সম্ভ্ৰান্তপুৰুষসকলে লোকৰ অধীন বুলি বুজিব পাৰিলে।"

আকৌ এশ বছৰৰ আগৰ অসমীয়া সমাজ নামৰ প্ৰবন্ধত বেণুধৰ শৰ্মাই পুনৰ কৈছে;[৯] "ইংৰাজীৰে নিজৰ নামটো চহী কৰিব পৰা হলেই বংশগত ঐতিহ্য গুণত চিৰস্তদাৰ, মহৰী, উমেদাৰ, সাধনীদাৰ, মৌজাদাৰ, চৌধাৰী, পাটগিৰি আদি কাম পাব পাৰিছিল। গুৰি গছ থকা ভাল মানুহৰ ঘৰৰ ল'ৰাইহে চৰকাৰৰ ঘৰত দায়িত্বপূৰ্ণ ওখ খাপৰ বিষয় পাইছিল।" গুণাভি ৰাম বৰুৱাই লিখিছে;[১০] "অত্যাচাৰী মানৰ হাতৰপৰা দেশ লোৱাৰ পাছত দেশৰ কাম-কাজ সকলো পূৰ্বৰ দৰেই দেশীয় লোকৰ দ্বাৰাই হৈছিল।" বৃটিশ সাম্ৰাজ্যবাদীৰ লগত অসমৰ এই সামন্তীয় শ্ৰেণীটোৰ বিৰোধে দেখা দিলে তেতিয়া, যেতিয়া ১৮৪৩ খৃঃত চৰকাৰে বন্দী- বেটী ৰখাটো নিষিদ্ধ কৰে। কিন্তু বৃটিশ চৰকাৰে ইমান সহজেই এই শ্ৰেণীটোৰ সহযোগিতা হেৰুওৱাৰ পক্ষপাতী নাছিল, সেয়ে নিষ্কৰ ভূ-সম্পত্তি আৰু আজীৱন পেঞ্চন আদিৰ বিনিময়ত তেওঁলোকৰ ক্ষোভ প্ৰশমিত কৰে।[১১] অসমত ইতিমধ্যেই খুলি লোৱা চাহ বাগিছা সমূহত কম মজুৰিৰ বনুৱাৰ যোগান ধৰাৰ বাবেই বৃটিশ চৰকাৰে ১৮৪৩ খৃঃত অসমৰ অভিজাত শ্ৰেণীটোৰে দাস-দাসী ৰখাটো নিষিদ্ধ কৰে বুলি ভাবিবৰ যথেষ্ট থল আছে।

ইংৰাজসকল অসমৰ দেশাধিকাৰ হোৱাৰ পাছৰপৰাই অসমত বৃটিশৰ অনুগত আৰু চৰকাৰী বিষয়া শ্ৰেণীটোৰ মাজত লোনতে ইংৰাজী শিক্ষাৰ প্ৰতি ধাউতি বাঢ়ে, অৱশ্যে প্ৰকাশ্যভাৱে বিজাতীয় এই শিক্ষা গ্ৰহণত সামাজিক বাধা- নিষেধ যে নাথাকিছিল সেইটো নহয়। সেয়ে[১২] "যজ্ঞৰাম খাৰঘৰীয়া ফুকনে,পূৰ্ণানন্দ ছোট চাহাবে মনে মনে ইংৰাজী পঢ়িছিল। পৰমানন্দ ভড়ালীয়ে ঘৰলৈকে চাহাবক মতাই নি ইংৰাজী শিকিছিল। 'হেমকোষ'ৰ হেমচন্দ্ৰ বৰুৱাই পাদুৰীৰ তলে তলে মনে মনে ইংৰাজী শিকিছিল।" যজ্ঞৰামে কলিকতাৰপৰা ওভতি আহোতে লগতে এজন ইংৰাজ শিক্ষক লৈ আহিছিল।[১৩] গঙ্গাগোবিন্দ ফুকনে হিগছ (Higgs) চাহাবৰ বঙলাত ইংৰাজী পঢ়িবলৈ লৈছিল।[১৪] লক্ষ্মীনাথ বেজবৰুৱাই ভাণ্ডৰীয়া দীননাথ বেজবৰুৱাৰ সংক্ষিপ্ত জীৱন চৰিত্ৰত লিখিছে,[১৫] "প্ৰথমতে ইংৰাজী শিক্ষা আসামত প্ৰচলিত হোৱা ডোখৰ কালত যদিও তেওঁ ইংৰাজী শিক্ষাৰ বিৰোধী আছিল আৰু নাতিয়েক পূৰ্ণানন্দই লুকাই চুৰকৈ ইংৰাজী পঢ়িব লগীয়াত পৰিছিল;কিন্তু পিছত তেওঁ সেই শিক্ষাৰ উপকাৰিতা সম্পূৰ্ণৰূপে হৃদয়ঙ্গম কৰিব পাৰি, সকলোকে ইংৰাজী ভালকৈ পঢ়িবলৈ উৎসাহ দিছিল; আৰু নিজৰ পুতেকহঁতক "কলেজ"ত ইংৰাজী পঢ়িবলৈ কলিকতালৈ পঠিয়াইছিল।" আকৌ,[১৬] "ভাণ্ডৰীয়াই মুনচেফৰ কামত থাকোঁতে অলপ-অচৰপ ইংৰাজী শিকিছিল, আৰু নিজৰ নামটো ইংৰাজীত চহী কৰিব পাৰিছিল।"

লাহে লাহে ইংৰাজী শিক্ষা চৰকাৰী চাকৰিৰ যোগ্যতাৰ মাপকাঠী হিচাপে পৰিগণিত হোৱাত এই শিক্ষাৰ প্ৰতি অসমীয়া আভিজাত্য শ্ৰেণীৰ একাগ্ৰতা বাঢ়িবলৈ ধৰে। কিন্তু এই শ্ৰেণীটোৱে সাধাৰণ শ্ৰেণীৰ মানুহৰ তথা সমাজৰ নিম্ন শ্ৰেণীৰ মানুহৰ মাজত শিক্ষা বিস্তাৰৰ কথা দূৰতে থাওক তাৰ প্ৰচাৰতো কোনো ব্যগ্ৰতাই লোৱাটো পৰিলক্ষিত নহ'ল। নগাঁওৰ তদানীন্তন কলেক্টৰ কেপ্তেইন বাট্লাৰৰ মতে বৃটিশ শাসনৰ কেঁচুৱালি কালত অসমৰ আভিজাত্য শ্ৰেণীটো (ইংৰাজী) শিক্ষাৰ প্ৰতি আগ্ৰহান্বিত নাছিল। তেওঁ কৈছে,"[1] -"They (the respectable classes) show no desire whatever to see the rising generation educated or made wiser than themselves; in fact I believe if the the higher classes could prevent the Assamese youth being educated, they would not hesitate to do so.The supineness and indifference of the most influential men in the District, the mouzadars, can scarce be conceived, except by those in personal and constant intercourse with them.They seldom visit the schools, and when required to build or repair a school house, they deem it a kind of oppression which can only be over come by pointing out the probability of losing their mouzahs if they do not comply with the requisition. The motive which brings the boys to the schools is simply the prospect of getting government employment."(ভাবাৰ্থ– তেওঁলোকে (আভিজাত্য শ্ৰেণীটোৱে) উঠি অহা বংশধৰসকল শিক্ষিত তথা তেওঁলোকতকৈ বেছি জ্ঞানী হোৱাটোত অকণো আগ্ৰহান্বিত নহয়। মুঠতে মই ভাবো আভিজাত্য শ্ৰেণীটোৱে যদি অসমীয়া ডেকাসকলক শিক্ষিত হোৱাত বাধা দিব পাৰে তেনেহলে তেওঁলোকে সেইটো কৰিবলৈ কুণ্ঠাবোধ নকৰিব। জিলাখনৰ আটাইতকৈ প্ৰভাৱশালী লোক —মৌজাদাৰসকল— ইমান এলেহুৱা আৰু উদাসীন যে সেইটো কেৱল ব্যক্তিগতভাৱে আৰু সঘনে তেওঁলোকৰ সংস্পৰ্শলৈ অহা লোকেহে বুজিব পাৰিব। তেওঁলোকে দৈবাৎহে স্কুললৈ যায়, স্কুল ঘৰ নিৰ্মাণ বা মেৰামতি কৰাটো তেওঁলোকৰ বাবে এক প্ৰকাৰ অত্যাচাৰেই, কেৱল মৌজাদাৰীৰপৰা উচ্ছেদ কৰাৰ ভাবুকিতহে তেওঁলোকৰপৰা তেনে কাম আদায় কৰা হয়। আৰু যিখিনি ছাত্ৰ স্কুললৈ আহে, সিও চাকৰি-বাকৰি পোৱাৰ আশাতহে।)

১৮৩৮ খৃঃতে কেপ্তেইন বাট্লাৰে শিক্ষা সম্পৰ্কে দিয়া এই মন্তব্যটোৰ মিলাই তেওঁৰ অসম ভ্ৰমণ কালত (১৮৫৩ খৃঃ ত) অসমৰ শিক্ষাৰ অগ্ৰগতিৰ মাপকাঠী হিচাপে গণ্য কৰিছে। সি যি কি নহওক, বাট্লাৰৰ মন্তব্যৰ শেষৰ বাক্যটি পঢ়িলেই বোধগম্য হয় যে চৰকাৰী চাকৰিৰ আশাত স্কুললৈ অহা ছাত্ৰখিনি নিশ্চয় উচ্চ শ্ৰেণীৰ লোকৰ নাতি-পুতি আছিল। গতিকে সাধাৰণ শ্ৰেণীৰ লোকৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ বাবে তেওঁলোকে চেষ্টা নকৰাটোৱেই স্বাভাৱিক। আনহাতে বৃটিশ শাসকসকলৰ ফালৰপৰাও তেনে চেষ্টা চলিছিল বুলি ক'ব নোৱাৰি। ইঞ্জিনিয়াৰ বলি নাৰায়ণ বৰাই মত প্ৰকাশ

কৰা (১৮৮৭ খৃষ্ট)" উচ্চ শিক্ষা" নামে প্ৰবন্ধটিত তাৰ ভেটি আৰু বংশ মৰ্য্যাদাৰ ওপৰত ভিত্তি কৰি চৰকাৰী বিষয়-বাব দিয়াৰ ব্যৱস্থাকহে অসমত শিক্ষাৰ অনগ্ৰসৰতাৰ কাৰণ বুলিছে।[১৮]

অসমত ইংৰাজী শিক্ষাৰ বিস্তাৰ খুব ধীৰ গতিৰে হোৱাত বঙ্গদেশৰ স্কুল কলেজসমূহ অসমৰ তদানীন্তন সামন্তীয় তথা আভিজাত্য শ্ৰেণীটোৰ আদৰণীয় শিক্ষানুষ্ঠানত পৰিণত আৰু পৰিগণিত হয়। এই শ্ৰেণীৰ মাজত যে ইংৰাজী শিক্ষাৰ প্ৰতি আকৰ্ষণ বাঢ়িছিল সেইটো আনন্দৰাম ঢেকিয়াল ফুকনে মিলছ্‌লে দিয়া টোকাত প্ৰকাশ পাইছে। তেওঁ কৈছিল,-[১৯] " That the people, especially the higher classes , are still anxious to instruct their children in the knowledge of European Science and literature has been amply proved from the circumstances that several native gentlemen have already sent their youth to the Government Colleges in the Presidency for the express purpose of giving them an English education". (ভাবাৰ্থ- আমাৰ মানুহে বিশেষকৈ আভিজাত্য শ্ৰেণীৰলোকে যে নিজৰ ল'ৰাক ইয়োৰূপীয় জ্ঞান-বিজ্ঞানৰ আৰু সাহিত্য বিষয়ক শিক্ষা দিবলৈ ইচ্ছুক সেইটো ভালেমান দেশীয় ভদ্ৰলোকে নিজৰ ল'ৰাক ইতিমধ্যে শিক্ষা লাভাৰ্থে কলিকতাৰ চৰকাৰী কলেজলৈ পঠোৱাটোৱেই সহজে প্ৰতীয়মান কৰে।)

১৮৩৫ খৃষ্টত ৫৮ জন ছাত্ৰ লৈ গুৱাহাটীত অসমৰ প্ৰথম ইংৰাজী স্কুল স্থাপন কৰা হৈছিল। এই স্কুল স্থাপনৰ বাবে গুৱাহাটীৰ ৰাইজৰপৰাই ১৭৪০ টকা[২০] দান-বৰঙণি সংগ্ৰহ হোৱাটোৱে ইংৰাজী শিক্ষাৰ প্ৰতি অসমীয়া মানুহৰ আগ্ৰহৰ কথাই সূচায়। ১৮৩৮ চনত এই স্কুলৰ ছাত্ৰ সংখ্যা আছিল ১৫০ জন, ১৮৪০ চনত এই সংখ্যা হয়গৈ ৩৪০ জন।[২১] ১৮৪১ শিৱসাগৰত অসমৰ দ্বিতীয়খন ইংৰাজী স্কুল স্থাপিত হয়।[২২] স্কুলীয়া (ইংৰাজী) শিক্ষাৰ এই অগ্ৰগতিৰ লগে লগেই কলেজীয়া শিক্ষাৰ প্ৰয়োজন দেখা দিয়ে। দেশৰ ভিতৰতে কলেজীয়া শিক্ষাৰ ব্যৱস্থা নথকাত অসমীয়া ছাত্ৰই কলেজীয়া শিক্ষাৰ বাবে কলিকতালৈ যাবলৈ বাধ্য হৈছিল। ১৮৬৬ খৃষ্টত দেশৰ ভিতৰতে কলেজীয়া শিক্ষা দিয়াৰ বাবে গুৱাহাটীৰ ইংৰাজী স্কুলখনতে এফ.এ. শ্ৰেণী খোলা হয়। আৰু স্কুলখনো কলেজিয়েত নামেৰে জনাজাত হয়। কিন্তু খৰচৰ অনুপাতে ফল আশানুৰূপ নোহোৱাত ১৮৭৬ খৃষ্টৰপৰা চৰকাৰে এফ.এ. শ্ৰেণী উঠাই দিয়ে। লাহে লাহে আন আন জিলা সদৰতো ইংৰাজী স্কুল স্থাপিত হ'বলৈ ধৰে আৰু ১৮৯৯ খৃষ্টত ৮ খন চৰকাৰী আৰু ৫ খন বেচৰকাৰী স্কুল লৈ অসমত হাই স্কুলৰ সংখ্যা হয়গৈ মুঠতে ১৩ খন।[২৩]

আনহাতে ঊনবিংশ শতিকাত অসমত এখনো কলেজ স্থাপিত নোহোৱাটো উল্লেখনীয় কথা। গতিকে অসমৰ ছাত্ৰই কলেজীয়া শিক্ষাৰ অভাব মোচন কৰিছিল ১৯০১ লৈ প্ৰধানতঃ বঙ্গদেশৰ কলেজৰ ওপৰত নিৰ্ভৰ কৰি। ইংৰাজী শিক্ষা বিশেষকৈ, কলেজ পৰ্যায়ৰ, চৰকাৰী চাকৰি-বাকৰিৰ বাবে অপৰিহাৰ্য হোৱাত অসমীয়া ছাত্ৰৰ লক্ষ্য আছিল সেই শিক্ষা লৈ চৰকাৰৰ চাকৰি প্ৰাৰ্থী হোৱাতো। আকৌ অসমত কলেজৰ অভাৱত বঙ্গদেশৰ কলেজত পঢ়িবলৈ যোৱাৰ কাৰণে চৰকাৰে অসমীয়া ছাত্ৰৰ বাবে

বৃত্তি আদিৰ ব্যৱস্থা কৰে। ফলত বৃটিশ সাম্ৰাজ্যবাদী শাসনৰ প্ৰতি অসমীয়া ছাত্ৰৰ মনোভাৱ বিশ্লেষণাত্মক [critical) নহৈ সাধাৰণতঃ হৈ পৰিছিল আলোচনামী তথা সমৰ্থনসূচক [corroborative) ।

কলেজীয়া শিক্ষাৰ বাবে অসমৰপৰা কলিকতালৈ তথা বঙ্গদেশলৈ যোৱা সৰহ সংখ্যক—সমূদায় বুলিয়েই ক'ব পাৰি—ছাত্ৰ আছিল অসমৰ তদানীন্তন বৃটিশ শাসনৰ তলত চাকৰি-বাকৰি কৰি ধন্য হোৱা আহোম সামন্তীয় আৰু সম্ভ্ৰান্ত শ্ৰেণীৰ পো-নাতিসকল। কোম্পানীৰ মুক্ত বাণিজ্যৰ আদৰ্শ (পৰাধীন দেশত মুক্ত বাণিজ্য !) আৰু বিদ্যা,বৰুৱা তথা সামাজিক আদৱ-কায়দা আদিৰ আহৰণআৰু অনুশীলন তেওঁলোকৰো উন্নতিৰ চাবি-কাঠী বুলি ভাবিছিল। বৃটিশৰ লৌহ কঠিন আৰ্থ-ৰাজনৈতিক গাঁথনীৰ ভিতৰতে তেওঁলোকে দেখিছিল অসমৰ উন্নতি, পাইছিল স্বদেশ হিতৈষণাৰ অমোঘ মন্ত্ৰ।

ইংৰাজী শিক্ষাৰে শিক্ষিত অসমীয়া ছাত্ৰই কলিকতীয়া পৰিবেশত অতি সোনকালেই আবেদন-নিবেদনৰ ৰাজনীতিত অনুশীলনী আৰম্ভ কৰে। এই দিশত আগভাগ ললে কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ ছাত্ৰ মানিক চন্দ্ৰ বৰুৱা আৰু জগন্নাথ বৰুৱাই। তেওঁলোকে ১৮৭২ খৃঃৰ ২১ মে' তাৰিখে অসমীয়া ছাত্ৰৰ সাহিত্য সভাৰ তৰফৰপৰা নৱ-নিযুক্ত বৃটিশ ভাইছৰয় লৰ্ড নৰ্থব্ৰুকক এখন আবেদন পত্ৰ দিয়ে।[১৮] এই আবেদন পত্ৰৰ উদ্দেশ্য আছিল প্ৰাকৃতিক সম্পদেৰে চহকী অসমক ৰেল- লাইনেৰে বঙ্গৰ লগত সংলগ্ন কৰি দেশৰ সম্পদ সমূহ আহৰণ কৰাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক খাটনি ধৰা। লৰ্ড নৰ্থব্ৰুকক বৃটিশ-ভাৰত সাম্ৰাজ্যৰ ভাইচৰয়ৰ সিংহাসনলৈ সম্মানপূৰ্বক আৰু আন্তৰিকতাপূৰ্ণভাৱে আঁদৰণী জনাই তেওঁলোকে লিখিছিল ,[১৯] "When occupied with multifarious affairs of the more important provinces, we pray that Your Lordship will occasionally cast your eyes on the condition of the frontier province of Assam to which we belong and which bids fare with all her natural resources obtain a high position in competition with her sister provinces. And the most effectual means, we submit, of developing those resources would undoubtedly be to connect the province with Bengal by a railway line-a proposal already brought to your Lordships' consideration in England. (ভাবাৰ্থ- -অতি গুৰুত্বপূৰ্ণ প্ৰদেশসমূহৰ নানা ধৰণৰ কাম- কাজত ব্যস্ত থাকিলেও আন প্ৰদেশৰ তুলনাত প্ৰাকৃতিক সম্পদেৰে চহকী আমি বাস কৰা সীমান্তৱৰ্তী অসম দেশৰ প্ৰতি মাজে-সময়ে চকু দিবলৈ আপোনাক প্ৰাৰ্থনা জনালোঁ। আমি স্বীকাৰ কৰিছোঁ যে অসমৰ এই সম্পদসমূহ আয়ত্ব কৰাৰ আটাইতকৈ বেছি ফলপ্ৰসূ উপায় হ'ব এই দেশক বঙ্গৰ লগত ৰেল লাইনেৰে সংলগ্ন কৰাতো, যিটো প্ৰস্তাৱ ইংলণ্ডত ইতিমধ্যেই আপোনাৰ বিবেচনাধীনলৈ অনা হৈছিল।)

মানিক চন্দ্ৰ বৰুৱা আৰু জগন্নাথ বৰুৱাৰ লগতে এই কাৰ্যত আন দুজন ছাত্ৰ-

-ৰাধিকা ৰাম ঢেকিয়াল ফুকন[১৪] আৰু গঙ্গাগোবিন্দ ফুকনো—জড়িত আছিল। কিয়ন কলিকতীয়া অসমীয়া ছাত্ৰৰ সাহিত্য সভাৰ হে এই আবেদন পত্ৰ দিয়া হৈছিল আৰু অন্যতম প্ৰধান কৰ্মকৰ্তা আছিল গঙ্গা গোবিন্দ ফুকন।[১৫] গতিকে এই ক্ষেত্ৰত নিশ্চয় গঙ্গা গোবিন্দ ফুকনৰো দিহা-পৰামৰ্শ অপৰিহাৰ্য আছিল। প্ৰধানতঃ এই ছাত্ৰ কেইজনৰ উদ্যোগতেই ভাইচৰয়ক আবেদন পত্ৰ দিয়া হৈছিল।

বৃটিশ ভাইচৰয় লৰ্ড লিটনৰ শাসন কালত ইণ্ডিয়ান ছিভিল ছাৰ্ভিচ পৰীক্ষাৰ প্ৰাৰ্থীৰ বয়স একৈশ বছৰৰপৰা উনৈশ বছৰলৈ হ্ৰাস কৰা আৰু দেশীয় ভাষাৰ বাতৰি কাকতৰ ওপৰত নিয়ন্ত্ৰণ স্থাপনৰ উদ্দেশ্যে গৃহীত কৰা Press Act আদিক কেন্দ্ৰ কৰি বঙ্গদেশ তথা ভাৰতবৰ্ষত প্ৰবল জনমত গঢ়ি উঠে। কলিকতাৰ কলেজীয়া ছাত্ৰসকলৰ ওপৰতো ইয়াৰ যথেষ্ট ৰাজনৈতিক প্ৰভাব পৰে। তেতিয়াৰপৰাই সাধাৰণতঃ ছাত্ৰসকল ৰাজনীতিৰ প্ৰতি আকৃষ্ট হ'ব পৰা বুলিব পাৰি। গতিকে যিহেতু অসমীয়া ছাত্ৰৰো কলেজীয়া শিক্ষাৰ থলী কলিকতাই আছিল সেয়ে এই ৰাজনৈতিক প্ৰভাব নিশ্চয় অসমীয়া ছাত্ৰৰ ওপৰতো পৰাটো স্বাভাৱিক আছিল।

১৮৮৩ খৃঃৰ ১ লা মাৰ্চৰ দিনা কলিকতা বিশ্ববিদ্যালয়ৰ স্নাতকসকলৰ প্ৰতি এজ্যান অভেভিয়ান হিউমে দিয়া মুকলি চিঠিখনে যে অসমীয়া ছাত্ৰৰ ওপৰতো প্ৰভাব পেলাইছিল তাক অমিয় কুমাৰ দাসে চন্দ্ৰকুমাৰ আগৰৱালাৰ জীৱন বৃত্তান্ত উল্লেখ কৰিছে।[১৬] উক্ত চিঠিত হিউমে লিখিছিল,[১৭] "...Every nation secures precisely as good a government as it merits. If you, the picked men, the most highly educated of the nation, can not, scorning personal ease and selfish objects, make a resolute struggle to secure greater freedom for yourselves and your country, a more impertial administration, a larger share in the management of your own affairs, then we, your friends, are wrong and our adversaries right, then are Lord Ripon's noble aspirations for your good fruitless and visionary, then at present at any rate all hopes of progress are at an end, and India truly neither lacks nor deserves any better government than she enjoys. Only, if this be so, let us hear no more factious, peevish complaint that you are kept in leading string and treated like children, for you will have proved yourself such. Men know how to act. Let there be no more complaints of Englishmen being preferred to you in all important offices, for if you lack that public spirit, that highest form of altruistic devotion that leads men to subordinate private ease to the public weal, that patriotism that has made Englishmen what they are, then rightly are these preferred to you, rightly

and inevitably have they become your rulers. And rulers and task masters they must continue, let the yoke gall your shoulders never so sorely, until you realise and stand prepared to act upon the eternal truth that self-sacrifice and unselfishness are the only unfailing guides to freedom and happiness. (ভাৱাৰ্থ—প্ৰত্যেক দেশেই নিজৰ গুণানুসাৰে উপযুক্ত শাসন ব্যৱস্থাৰ অধিকাৰী হয়। যদি তোমালোকে দেশৰ আটাইতকৈ শিক্ষিত আৰু আগশাৰীৰ লোকখিনিয়ে ব্যক্তিগত সুখ-স্বাচ্ছন্দ্য আৰু স্বাৰ্থত্যাগ কৰি নিজৰ আৰু দেশৰ কাৰণে আৰু বেছি স্বাধীন আৰু বেছি ন্যায়পৰায়ণ শাসন পাবলৈ আৰু তাৰ দ্বাৰা নিজৰ কাম-কাজতেই ভাগ লবলৈ কঠোৰ সংগ্ৰাম নকৰা, তেনেহলে আমি তোমালোকৰ মিত্ৰখিনি মিছা আৰু আমাৰ প্ৰতিদ্বন্দ্বী তথা শত্ৰুসকল সঁচা, তেনেহলে তোমালোকৰ ভালৰ কাৰণে লৰ্ড ৰিপণৰ উচ্চাকাংক্ষা নিষ্ফল আৰু কাল্পনিক, তেনেহলে যিয়েই নহওঁক বৰ্তমান তোমালোকৰ উন্নতিৰ সকলো আশাই অস্তমিত আৰু ভাৰতবৰ্ষই এতিয়া সঁচাকৈয়ে ভাল শাসন নোপোৱাকৈ থকা নাই নতুবা পোৱাৰ যোগ্য নহয়। কেৱল যদি এইটোৱেই হয় তেনেহলে আমি যেন আৰু কেতিয়াও তোমালোকক সক ল'ৰা-ছোৱালীৰ দৰে বঞ্চিত ধৰি বাট বুলিবলৈ দিওঁ — এই বুলি কোনো কলহপ্ৰিয় আৰু ৰাজদ্ৰোহমূলক আপত্তি শুনিবলৈ নাপাওঁ। কিয়নো দহৰ উপকাৰ কৰিবলৈ যদি তোমালোকৰ মনোবলৰ অভাৱ হয়, যদি নিজৰ ব্যক্তিগত স্বাৰ্থ আৰু সুখ-স্বাচ্ছন্দ্যক কাটিকৰি থৈ দহৰ কাম কৰিবলৈ প্ৰেৰণাৰ অভাৱ হয়, তেনেহলে যি দেশাত্মবোধে ইংৰাজসকলক দহৰ কাম কৰিবলৈ উদ্গনি দিছে কৰ্ম প্ৰেৰণা দিছে সেই ইংৰাজলোক তোমালোকতকৈ শুদ্ধভাৱেই উপযুক্ত বিবেচিত হৈছে, আৰু সঠিক আৰু অপৰিহাৰ্য ভাৱেই তেওঁলোক তোমালোকৰ শাসক হৈছে। শাসক আৰু তত্ত্বাৱধায়ক তেওঁলোক হৈয়েই থাকিব। আত্মবলিদান আৰু নিস্বাৰ্থ কৰ্মপ্ৰেৰণা স্বাধীনতা আৰু সুখ-স্বাচ্ছন্দ্যৰ সন্ধান দিওঁতা বুলি এই চিৰন্তন সত্য আয়ত্ত কৰি কামৰ কাৰণে যেতিয়ালৈকে প্ৰস্তুত নোহোৱা তেতিয়ালৈকে পৰাধীনতাৰ গ্লানিয়ে তোমালোকক কষ্ট দিবই।)

১৮৮৫ খৃষ্টত এইজন এল্যান অক্টেভিয়ান হিউমৰ প্ৰযত্নতে ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভাৰ জন্ম হয়। প্ৰেছিডেন্সি চহৰ হিচাপে কলিকতাত ইয়াৰ প্ৰভাৱ যথেষ্ট আছিল। আমাৰ অসমৰপৰা উচ্চ শিক্ষাৰ্থে কলিকতাৰ কলেজত পঢ়িবলৈ যোৱা ছাত্ৰৰ ওপৰতো ইয়াৰ প্ৰভাৱ পৰিছিল আৰু সেই সকলৰ ভিতৰত চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আদি প্ৰধান আছিল।

এই সময়ছোৱাতে বিলাত ফেৰত অসমীয়া ইঞ্জিনিয়াৰ বলি নাৰায়ণ বৰাৰ সম্পাদনাত (নামত সম্পাদক আছিল হৰি নাৰায়ণ বৰা) ১৮৮৬ খৃষ্টৰ ডিচেম্বৰ মাহৰপৰা ১৮৮৭ খৃষ্টৰ মাৰ্চ মাহলৈ মৌ নামে আলোচনীখনৰ চাৰিটা সংখ্যা প্ৰকাশ পায়। মৌ আছিল ইংৰাজ ভক্ত আৰু কংগ্ৰেছ বিৰোধী। সেয়ে কলিকতাৰ বঙলা ভাষাৰ বাতৰি কাকতত প্ৰকাশিত চাহ বাগিচাৰ কুলিৰ যম-যাতনাৰ কাহিনীৰ বিপৰীতে বলি নাৰায়ণ বৰাই কুলিবিলাক অসম্ভৱ সুখত আছে বুলি লিখিছিল। বোধহয় এই কাৰণেই কংগ্ৰেছ

বিৰোধী Englishmen কাকতত মৌৰ উচ্চ প্ৰশংসাসূচক মন্তব্য ওলাইছিল।

এই অজুহাততেই মৌ আলোচনী ধ্বংস কৰিবলৈ কংগ্ৰেছী ৰাজনীতিত বাগিয়াল ছাত্ৰ লক্ষ্মীনাথ বেজবৰুৱা, কালিকান্ত বৰকাকতী,মথুৰা মোহন বৰুৱা আদিয়ে পত্ৰ যুদ্ধত অৱতীৰ্ণ হৈছিল।[৩০] বেজবৰুৱা তেতিয়া কলিকতাৰ ৫৩ নং কলেজ ষ্ট্ৰীটৰ বঙালী-অসমীয়াৰ সান-মিহলি মেছ এটাত আছিল। ওচৰতে প্ৰতাপ চন্দ্ৰ ছ্যাটাৰ্জী লেনত থকা অসমীয়া ছাত্ৰৰ মেছত কালীকান্তবৰকাকতীসহ সত্যনাথ বৰা, দেৱীচৰণ বৰুৱা, ঘনশ্যাম বৰুৱা, ৰাধাকান্ত সন্দিকৈ, গুণাভিৰাম বৰুৱা, গোপীনাথ বৰদলৈ, আদি ছাত্ৰসকল আছিল।

এওঁলোকে প্ৰতাপ চন্দ্ৰ ছ্যাটাৰ্জী লেনৰ এই মেছতে সভাৰ পিছত সভা পাতি মৌ নিধনৰ বাবে জল্পনা-কল্পনা কৰিছিল। ছাত্ৰসকলৰ আটাইখিনিয়ে কংগ্ৰেছী ৰাজনীতিত বিশ্বাসী তথা সেই ৰাজনীতিকসংস্থাৰ প্ৰতি সহানুভূতিশীল আছিল। বেজবৰুৱাই সেই ঘটনাৰ স্মৃতি চাৰণ কৰি লিখিছে ,[৩১] "আমি তেতিয়া বঙ্গদূত কাকতৰ বিদ্যাৰ খুন্দ খোৱা অসমীয়া ছাত্ৰৰ মোনা। আমাৰ মূৰ মেলি দিলে বিদ্যাৰ মাহ-সৰিয়হ ওলাই পৰে। নতুন কংগ্ৰেছৰ ৰাজনৈতিক মতৰ কমাৰশালে আমাৰ মন পুৰি ৰঙাকৈ থৈছিল। আমাৰ অচিনাকী আওবাটে 'মৌক'যোৱা দেখি আমি ৰিঙিৰি তুলা যেন হলোঁইক। আৰু আমি যেতিয়া দেখিলো যে কংগ্ৰেছ বিৰোধী ইংৰাজী "ইংলিছমেন" কাকতত 'মৌ'ৰ প্ৰশংসা ওলাল আমাক আৰু পায় কোনে।"

'মৌ' নিধনত আগভাগ লৈ 'মৌ'তে লিখনী বিক্ৰম চলাইছিল প্ৰধানতঃ ছাত্ৰ লক্ষ্মীনাথ বেজবৰুৱাই।[৩২] কংগ্ৰেছী ৰাজনীতিত যোগ দিয়া অসমীয়া ছাত্ৰৰ ভিতৰত বোধহয় লক্ষ্মীনাথ বেজবৰুৱা সমন্বিতে এই ছাত্ৰসকলেই আছিল প্ৰথম তথা বাটকটীয়া। আনকি ১৮৮৬ চনত কলিকতাত অনুষ্ঠিত কংগ্ৰেছ মহাসভাত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰি ছাত্ৰ দেৱীচৰণ বৰুৱাই তেতিয়াৰ বিচাৰ বিভাগৰ জুৰি [Jury) ব্যৱস্থাৰ বিৰুদ্ধে বিশেষকৈ অসমত ইয়াৰে সুবিধা লৈ চাহ বাগিছাৰ মালিকসকলে শ্ৰমিকসকলৰ ওপৰত চলোৱা নিৰ্যাতনৰ কটু সমালোচনা কৰি কৈছিল,[৩৩] "They (planters) are generally a class greatly wanting not only in culture but in that sense of fair-play (where natives of India are concerned) wrongly supposed to be inherent in all Briton and their verdict is not always in conformity with evidence or the dictates of justice; and in my opinion...and I speak from personal experience.. jury system has proved injurious to Assam and this very system is one of the reasons why our poor coolies are so oppressed in Assam."

তেতিয়া কংগ্ৰেছ বৃটিশ বিৰোধী নাছিল। ১৯৩০ চনতহে কংগ্ৰেছে পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ লয়। কংগ্ৰেছী ৰাজনীতিত বিশ্বাসী হলেও বেজবৰুৱাসহ সমকালীন আন অসমীয়া ছাত্ৰসকল মূলতঃ বৃটিশ বিদ্বেষী নাছিল। আনহাতে জন্মকপৰা ১৯২৯ চনলৈ কংগ্ৰেছৰো সাধাৰণ চৰিত্ৰ আছিল সংস্কাৰবাদী আৰু বৃটিশৰ প্ৰতি আনুগত্যসূচকহে।

গতিকে বৃটিশ ভক্ত বলি নাৰায়ণ বৰুৱা সম্পাদিত মৌৰ বিৰুদ্ধে কৰা লিখনি যুক্ত বেজবৰুৱা আৰু তেওঁৰ সমসাময়িক মতাদৰ্শৰ ছাত্ৰসকলৰ বাবে সাময়িক উত্তেজনা সৃষ্টিৰ হুযোগহে আছিল বুলি ভাব হয়। কিয়নো যিসকল ছাত্ৰই চাহ বাগিচাৰ কুলিৰ দুৰ্দশাৰ প্ৰকৃত ছবি ঢাকি ৰাখি চাহ মজদুৰবিলাক অময়া সুখত আছে বুলি লিখাৰ বাবে মৌ নিধনৰ বাবে ককালত টঙালি বান্ধি ওলাই আহিছিল, সেইসকল ছাত্ৰই যেতিয়া মৌৰ মৃত্যুৰ পাছত জোনাকী উলিয়াই সাহিত্য সেৱা কৰিবলৈ লৈছিল তেতিয়া কিন্তু কুলিৰ যম-যাতনাৰ কাহিনী লিখি প্ৰতিবাদ কৰি চাহ মজদুৰৰ প্ৰতি তেওঁলোকৰ দৰদী হিয়াৰ প্ৰমাণ দিয়া নাছিল। তেনে কৰিলে যেখোন নিজৰ গাতেই চিকুট পৰে।

পূৰ্বে উল্লেখ কৰি অহা কলিকতীয়া অসমীয়া ছাত্ৰৰ সাহিত্য সভাখন ভিমা-তেতালাকৈ ১৮৮৫ খৃঃলৈ চলি আছিল। গতিকে উচ্চ শিক্ষাৰ্থে কলিকতালৈ যোৱা ছাত্ৰসকলে পূৰ্বোক্ত সভাখনৰ আহিতে ১৮৮৮ খৃৰ ২৫ আগষ্টৰ দিনা ৬৭ নং মিৰ্জাপুৰ ষ্ট্ৰীটৰ অসমীয়া ছাত্ৰৰ মেছত অসমীয়া ভাষা উন্নতি সাধিনী সভা চমুকৈ অ.ভা উ.সা সভা নামেৰে এটি নতুন অনুষ্ঠানৰ সৃষ্টি কৰিলে। এই সভাৰ উদ্যোক্তাসকল আছিল প্ৰধানতঃ ৬৮ নং মিৰ্জাপুৰ ষ্ট্ৰীটত থকা অসমীয়া মেছৰ ছাত্ৰসকল;– ৰজনী কান্ত বৰদলৈ, বিনন্দ চন্দ্ৰ ফুকন, হেম চন্দ্ৰ গোস্বামী, ভাৱিকেশ্বৰ শৰ্মা, তীৰ্থ নাথ কাকতি, লক্ষ্মীপ্ৰসাদ বৰুৱা, বিষ্ণুপ্ৰসাদ আগৰৱালা,চন্দ্ৰ কুমাৰ আগৰৱালা, কৃষ্ণ কুমাৰ বৰুৱা, কনক লাল বৰুৱা, যজ্ঞেশ্বৰ শৰ্মা নেওঁগ, হৰকান্ত চৌধুৰী, চন্দ্ৰকমল বেজবৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা,লক্ষেশ্বৰ শৰ্মা, ঘণশ্যাম বৰুৱা, আৰু কমলনাথ চৌধুৰী আদি।[৩১]

মিৰ্জাপুৰ ষ্ট্ৰীটৰ অসমীয়া মেছৰ ছাত্ৰৰ উপৰিও আমহাৰ্ষ্ট ষ্ট্ৰীট , ৬২ নং সীতাৰাম ঘোষ ষ্ট্ৰীট , ভৱানীচৰণ দত্ত লেন আৰু প্ৰভাত চন্দ্ৰ ছ্যাটাৰ্জী লেনৰ অসমীয়া ছাত্ৰসকলেও অ ভা উ.সা সভাত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।[৩২] লক্ষ্মীনাথ বেজবৰুৱা, হেম চন্দ্ৰ গোস্বামী, কৃষ্ণপ্ৰসাদ গুপ্ত (আগৰৱালা), ৰমাকান্ত বৰকাকতি, কনকলাল বৰুৱা, ৰাধানাথ ফুকন, লক্ষেশ্বৰ শৰ্মা, চন্দ্ৰধৰ বৰুৱা, দেবেশ্বৰ চলিহা, যোগেন্দ্ৰনাথ বৰুৱা, জগৎ চন্দ্ৰ গোস্বামী,[৩৩] কমলা কান্ত বৰুৱা, মৌলবী চাইফুদ্দিন আহমদ আদিয়ে বিভিন্ন বিষয়-বাব লোৱাৰ উপৰিও প্ৰসন্ন কুমাৰ ঘোষ, লোহিত চন্দ্ৰ নায়ক, মৌলবী আব্ৰাৰ হোছেইন, বেণুধৰ ৰাজখোৱা, কমলা কান্ত শৰ্মা, লক্ষ্মীনাথ শৰ্মা, যোগকান্ত বেজবৰুৱা আদিয়ে সভাৰ সৌষ্ঠৱ বৃদ্ধি তথা অৱস্থা টনকিয়াল কৰাত সহায় কৰিছিল।[৩৪]

এই অ.ভা উ সা সভাৰ মুখপত্ৰ স্বৰূপেই ১৮৮৯ খৃৰ ১৩ জানুৱাৰীৰ দিনা জোনাকী আলোচনী প্ৰকাশ কৰা হয়। জোনাকীৰ যোগেদি সাহিত্য চৰ্চা কৰিবলৈ ওলোৱা ছাত্ৰসকলে ৰাজনীতি চৰ্চাৰপৰা পূৰাদমে আঁতৰি থকাৰ পোষকতা কৰিছিল। জোনাকীৰ উদ্দেশ্য সম্পৰ্কে ‘আত্মকথা ’ত লিখিছিল,[৩৫] “ৰাজনীতি আমাৰ ৰাজ্যৰ বাহিৰ। এই পৰাধীন দেশত ‘প্ৰজানীতি ’হে ধৰিব লগীয়া।”

জোনাকীৰ প্ৰথম সংখ্যাৰ এই‘ আত্মকথা ’ৰ লিখক আছিল আলোচনীখনৰ সম্পাদকচন্দ্ৰ কুমাৰ আগৰৱালা। আগৰৱালাই তেতিয়া কলিকতাৰ আৰ্মেনিয়ান ষ্ট্ৰীটৰ নিজা বাণিজ্যিক কুঠিত থাকি নিজৰ পৰিয়ালৰ বাণিজ্যিক আদান-প্ৰদানৰ তদাৰক কৰাৰ লগতে কলেজত অধ্যয়নো কৰিছিল।[৩৬] পৰপদানত দেশৰ নাগৰিকে সীমিত

সা-সুবিধাৰ গণ্ডীৰ ভিতৰতে বাণিজ্যৰ ক্ষেত্ৰত বিনা প্ৰতিদ্বন্দ্বিতাৰে বাণিজ্য চলাবলৈ হলে নিজৰ স্বাধীন ৰাজনৈতিক চিন্তা-চেতনা থাকিলেও তাক প্ৰকাশ কৰাটো বুদ্ধিমানৰ কাম নাছিল। তেনে কৰিলে অবাঞ্ছনীয় ঘটনাৰ সৃষ্টি হোৱাৰো আশংকা আছিল। তদানীন্তন পৰিস্থিতিত সাম্ৰাজ্যবাদী শক্তিৰ লগত সহযোগিতা অবিহনে বাণিজ্যত অগ্ৰগতি লাভ কৰাটো সম্ভৱপৰ নাছিল।

ব্যৱসায় বুদ্ধিত তীক্ষ্ণ চন্দ্ৰকুমাৰে সেয়ে ল'ৰা মতীয়া হৈও সময়ৰ শৰ সময়ত মৰাত কাৰ্পণ্য কৰা নাছিল। প্ৰসংগক্ৰমে এইখিনিতে উল্লেখ কৰিব পাৰি যে চন্দ্ৰকুমাৰৰ দেউতাক হৰিবিলাস আগৰৱালা তদানীন্তন অসমৰ এগৰাকী ধনী সদাগৰ আছিল। লক্ষ্মীনাথ বেজবৰুৱাই ছাৰ আশুতোষ চৌধুৰীয়ে বৰ্ধমানত অনুষ্ঠিত ' Bengal Provincial Conference'ত "A subject nation has no politics" বুলি দিয়া ভাষণৰ উল্লেখ কৰি ল'ৰা মতীয়া চন্দ্ৰকুমাৰৰ বুদ্ধিমত্তাৰ প্ৰশংসা কৰিছে এইদৰে," "আচৰিত কথা নহয় নে, প্ৰবীন ৰাজনীতিকৰ মুখৰপৰা ওলোৱাৰ অনেক কালৰ আগেয়েই, অলপ বয়সীয়া ছাত্ৰ জোনাকীৰ সম্পাদক শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাৰ ল'ৰা মুখৰপৰাও এই কথা ওলাইছিল?"

বেজবৰুৱাই বৃটিশৰ নাইট উপাধিৰে বিভূষিত যিজন আশুতোষ চৌধুৰীৰ ভাষণৰ উল্লেখ কৰিছে, তেওঁৱেই হ'ল বঙ্গৰ 'Landholder's Association'ৰ হৃৎপিণ্ড স্বৰূপ ছাৰ এ চৌধুৰী। আশুতোষ চৌধুৰীৰ মাটিগিৰীৰ সংগঠনৰ যি স্বাৰ্থ, ব্যৱসায়ী বুদ্ধিত পাৰ্গত চন্দ্ৰকুমাৰ আগৰৱালাৰো সেই একেই স্বাৰ্থ। তেহেলে সময়ৰ বা নবীন প্ৰবীনৰ ব্যৱধান যিয়েই নাথকক কিয়। ফলশ্ৰুতিত দেশত প্ৰজানীতি কৰাটো হৈ পৰিছিল নিজ শ্ৰেণী স্বাৰ্থৰ সেৱা কৰা আৰু আওঁপকীয়াভাৱে ৰজাঘৰীয়া ৰাজনীতি কৰি জনগণৰ সংগ্ৰামী চেতনা গঢ়ি উঠাত বাধা দিয়া বা তাক বিভ্ৰান্ত কৰি আওঁবাটে পৰিচালিত কৰা।

জোনাকীৰ যোগেদি সাহিত্য চৰ্চা কৰিবলৈ ওলোৱা কলিকতীয়া অসমীয়া ছাত্ৰসকলৰ দ্বাৰা পৰপদানত দেশ মাতৃকাৰ মুক্তি পিয়াসী বিদ্ৰোহী পুৰুষসকল— গমধৰ কোঁৱৰ, জীউৰাম দুলীয়া বৰুৱা আৰু ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰামৰ অসম মুলুকৰ মণিৰাম দেৱান, পিয়লি ফুকন, বাহাদুৰ গাওঁবুঢ়া আদি উপেক্ষিত হৈ থাকিল। মণিৰাম দেৱান, পিয়লি ফুকনৰ ফাঁচীৰ ৰছিদাল তেওঁলোকৰ চকুত তেতিয়াও জাহি আছিল। ১৮৬১ খৃষ্টৰ ফুলগুৰিৰ কৃষক বিদ্ৰোহকে আৰম্ভ কৰি ১৮৯৩-৯৪ খৃষ্টলৈ অসমত সংঘটিত হোৱা কৃষক বিদ্ৰোহ সমূহৰ কোনো তৎকালিন ঐতিহাসিক আলোচনা-বিবৰণ উচ্চ শিক্ষাত শিক্ষিত অসমীয়া ছাত্ৰসকলে নিলিখাটো তাৎপৰ্য্যপূৰ্ণ ঘটনা। প্ৰধানতঃ এই বিদ্ৰোহ-বিক্ষোভসমূহ সাম্ৰাজ্যবাদী শোষণ লুণ্ঠনৰ প্ৰতিবাদত সংঘটিত হৈছিল।

'কিন্তু যিহেতু অসমৰ সামন্তীয় শ্ৰেণীটো এই সাম্ৰাজ্যবাদী শোষণ লুণ্ঠনৰ অংশীদাৰ তথা সহযোগী আছিল সেয়ে সিহঁতে নিজৰ অধিকাৰ, সামাজিক প্ৰতিপত্তি আৰু মা-সম্পত্তি হেৰুওৱাৰ আশংকাত ভীত-সন্ত্ৰস্ত হৈ পৰিছিল। সেয়ে এই শ্ৰেণীটোৰ পৰাই ওলাই অহা ছাত্ৰসকলৰ দ্বাৰা সাম্ৰাজ্যবাদ বিৰোধী বিদ্ৰোহ বিক্ষোভ আদি উপেক্ষিত হোৱাটো আছিল স্বাভাৱিক। সাম্ৰাজ্যবাদী শোষণ লুণ্ঠনৰ যেঁচা তীব্ৰতৰ হোৱা আৰু

অৰ ফলতেই সংঘটিত হোৱা কৃষক বিদ্ৰোহ সমূহৰ কালছোৱা জোনাকী-বিজুলী আলোচনীৰো জন্মকৰ যুগ। বোধহয় এনে এটা বিশেষ ভূমিকা পালন কৰা বাবেই বঙ্গ চৰকাৰে জোনাকী আলোচনীক উচ্চ প্ৰশংসা কৰিছিল। জোনাকীৰ ষষ্ঠ ভাগৰ দশম সংখ্যাৰ 'আত্মকথা'ত কোৱা হৈছিল," "এনে কাল আছিল যেতিয়া মাননীয় বাংলা গৱৰ্ণমেণ্টেও আমাক উচ্চ শ্ৰেণীৰ মাহিলি কাকত বুলি বৰ মান-সৎকাৰ আদৰ-সাদৰ কৰিছিল।"

জোনাকী আলোচনী ওলোৱাৰ প্ৰায় আঢ়ৈ বছৰমান পাছত কলিকতীয়া অসমীয়া ছাত্ৰসকলৰ তৰফৰপৰা বিজুলী নামে আন এখন মাহেকীয়া আলোচনী উলিওৱা হৈছিল। প্ৰথম বছৰ (১৮৯১) বিজুলী সম্পাদনা কৰিছিল নীলকণ্ঠ বৰুৱা আৰু কৃষ্ণপ্ৰসাদ বৰুৱাই।" দ্বিতীয় বছৰৰ বিজুলীৰ সম্পাদক আছিল পদ্মনাথ গোহাঞিবৰুৱা। কলেজীয়া ছাত্ৰজীৱনৰ প্ৰথম বছৰতে (১৮৯০) পদ্মনাথ গোহাঞিবৰুৱা কংগ্ৰেছী ৰাজনীতিৰ প্ৰভাৱত পৰিছিল।

১৮৯০ খৃঃত ৰাজনৈতিক সিংহপুৰুষ ফিৰোজ ছাহ মেহটাৰ পৌৰোহিত্যত কলিকতাত বহা কংগ্ৰেছ অধিৱেশনত অসমীয়া ছাত্ৰৰে গঠিত কংগ্ৰেছ স্বেচ্ছাসেৱকৰ দল এটাৰ নিজেই নেতৃত্ব দিয়া বুলি পদ্মনাথ গোহাঞিবৰুৱাই উল্লেখ কৰিছে।" বোধহয় এই কাৰণেই ৰাজনৈতিক চিন্তা-চৰ্চাত জোনাকীত কৈ 'লয়েলিষ্ট'হলেও বিজুলী কিছু স্পষ্টবাদী আছিল। পদ্মনাথ গোহাঞিবৰুৱাই নিজেই সম্পাদকীয় স্তম্ভত আন আন সমস্যাৰ লগত জড়িত বিষয়ৰ ওপৰত লিখাৰ লগতে 'ৰাজনৈতিক প্ৰবন্ধ' আৰু 'আসামত ৰাজহৰ নতুন নিয়ম' সম্পৰ্কে দুটা প্ৰবন্ধ লিখিছিল। ৰাজনৈতিক প্ৰবন্ধত পদ্মনাথৰ বৃটিশৰ প্ৰতি থকা আনুগত্য তথা অকৃত্ৰিম ৰাজভক্তি দ্বিধাহীন ৰূপত প্ৰকাশ পাইছে। তেওঁ লিখিছে," "<u>আমাৰ পূৰ্বাৱস্থাৰে সৈতে যদি বৰ্তমান অৱস্থা তুলনা কৰি চোৱা যায়, তেন্তে আমি মুক্তকণ্ঠে স্বীকাৰ কৰিব লগাত পৰো যে সদাশয় ইংৰাজ গৱৰ্ণমেণ্টৰ তলত থাকি আমাৰ একোৰে অভাৱ নাই, আৰু গৱৰ্ণমেণ্টৰ গুৰিত অসন্তোষ প্ৰকাশ কৰিবলৈকো একো কাৰণ নাই।</u>" স্বদেশ প্ৰেমৰ কি উৎকৃষ্ট নিদৰ্শন !

এইদৰে দেখা যায় যে ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধৰপৰাই বিশেষকৈ সেই শতিকাৰ শেষ দশকলৈ কলিকতীয়া অসমীয়া ছাত্ৰসকলে ওপৰোক্ত ধৰণে ৰাজনৈতিক চিন্তা-চেতনাৰ পৰিচয় দিছিল। লগতে এইখিনি সময়তেই তেওঁলোক সৰ্বভাৰতীয় ৰাজনৈতিক চিন্তা-চৰ্চাৰো সান্নিধ্যলৈ আহে। ভাৰতীয় সামন্তীয় আৰু শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ ৰাজনৈতিক চিন্তা-চৰ্চাৰ বিকাশ হয় বৃটিশৰ প্ৰতি আনুগত্য প্ৰকাশৰ জৰিয়তে আৰু সাংবিধানিক পন্থাৰে, আৰু এই সময়ছোৱাতে ছাত্ৰসকলে ৰাজনৈতিক আলোচনা-বিলোচনা, চিন্তা-চৰ্চা তথা ৰাজনৈতিক আন্দোলনত যোগ দিয়াৰ যুক্তি-যুক্ততা সম্পৰ্কে যথেষ্ট বাক্-বিতণ্ডাৰ সৃষ্টি হয়।

কলিকতাৰ সেই সময়ৰ ৰাজনৈতিক বাতাবৰণত অসমীয়া ছাত্ৰসকল জড়িত হৈ পৰাতো বলি নাৰায়ণ বড়াই সমৰ্থন কৰা নাছিল। তেওঁ কৈছিল," "আজি কালিৰ ৰাজনীতি আন্দোলনত কলিকতাৰ ল'ৰাবোৰৰও গা উঠি পৰে।" গতিকে আন আন যুক্তিৰ লগতে ৰাজনৈতিক আন্দোলন আদিৰ পৰা অসমীয়া ছাত্ৰখিনিক আঁতৰাই

ৰখাৰ নিমিত্তে বড়া ভাণ্ডৰীয়াই অসমত কলেজ স্থাপনৰ পোষকতা কৰিছিল।" বঙ্গৰ তদানীন্তন ৰাজনীতিক আৰু বাগ্মীপুৰুষ সুৰেন্দ্ৰ নাথ বেনাৰ্জীয়ে ছাত্ৰসকলে ৰাজনীতিত যোগ দিয়াৰ হকে বলিষ্ঠ মত পোষণ কৰিছিল। আনকি যিসকলে এই মতৰ বিৰোধীতা কৰিছিল পিছত যে তেওঁলোকেও ছাত্ৰসকলে ৰাজনীতিত যোগ দিয়াৰ সাৰ্থকতা বুজি পাই তাৰ সপক্ষে মত দিছিল সেইটো বেনাৰ্জীয়ে উল্লেখ কৰিছে।" তেওঁ আৰু কৈছে ," "The unwisdom of excluding students from the discussion of political questions is being recognized. Some sort of politics, good or bad, they are bound to have; and if you will not teach them the right sort of politics and by discussion with them lead them to it, you must make up your mind for the widest vagaries among them,in a matter of vital concern to the student community" (ভাবাৰ্থ--ৰাজনৈতিক সমস্যাৱলীৰ আলোচনাৰপৰা ছাত্ৰসকলক আঁতৰাই ৰখা কাৰ্য্যটো অবিবেচক বুলি স্বীকৃত হৈ আহিব ধৰিছে। ভালেই হওঁক বা বেয়াই হওঁক, কোনো নহয় কোনো এবিধ ৰাজনীতি তেওঁলোকে ল'বই। তেওঁলোকক যদি শুদ্ধবিধ ৰাজনীতি নিশিকাই আৰু আলোচনাৰ মাধ্যমেদি তেওঁলোকক তেনে ৰাজনীতিলৈ নিনিয়ে, তেনেহলে আপোনালোকে ছাত্ৰ সমাজৰ বাবে গুৰুত্বপূৰ্ণ বিষয়তো তেওঁলোকৰ মাজত সৃষ্টি হ'ব পৰা বাহুল্য পৰিমাণ ব্যভিচাৰৰ বাবে নিজকে প্ৰস্তুত কৰি ৰাখিব লাগিব।)

সামৰণিত ক'ব পাৰি যে এই কলিকতীয়া অসমীয়া ছাত্ৰসকলেই ঊনবিংশ শতিকাৰ সামন্তীয় আৰু ক্ৰমবিকাশমান মধ্যবিত্ত শ্ৰেণীৰ ৰাজনৈতিক চিন্তা-চৰ্চাৰ প্ৰতিনিধিত্ব কৰাৰ লগতে বিংশ শতিকাৰ অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ৰাজনৈতিক চিন্তা-চৰ্চাৰ আঙ্গিক আৰু পৰিকাঠামো তথা আদৰ্শগত ভিত্তি সম্পৰ্কে আগলি বতৰা কঢ়িয়াই আনিছিল। ঊনবিংশ শতিকাৰ শেষ দশক কেইটাত কলিকতা আছিল অসমীয়া সামন্তীয় শ্ৰেণীৰ অৱশিষ্ট অংশ আৰু ইতিমধ্যে জন্ম লাভ কৰা আৰু বিকাশমান অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ৰাজনৈতিক চিন্তা-চৰ্চাৰ কঠিয়াতলী। কিয়নো পৰৱৰ্তী যুগৰ অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ৰাজনৈতিক ধ্যান-ধাৰণা কলিকতীয়া অসমীয়া ছাত্ৰসকলে প্ৰদৰ্শিত পথেৰেই পৰিচালিত হ'বলৈ ধৰিছিল। ঊনবিংশ শতিকাৰ শেষ দশক কেইটাতে—জোনাকী-বিজুলীৰ যুগতেই—অসমীয়া মধ্যবিত্তৰ বিকাশৰ লগে লগেই সংগ্ৰাম বিমুখ ৰাজনীতিৰ পূৰ্বাভাসে দেখা দিয়ে। ৰাজনৈতিকভাৱে পৰপদানত দেশৰ নাগৰিকৰ স্বাধীনতা স্পৃহা বোধহয় চূড়ান্ত ৰাজদ্ৰোহ পাপাচাৰ বুলি পৰিগণিত হৈছিল, নহলেনো সাম্ৰাজ্যবাদী শোষণ নিপীড়নৰ বিপক্ষে ঊনবিংশ শতিকাৰ স্বাধীনতা আন্দোলন আৰু কৃষক বিদ্ৰোহ সমূহে অসমীয়া ছাত্ৰৰ মনত সামান্যতমো আলোড়নৰ সৃষ্টি নকৰিলে?

## সূত্ৰ নিৰ্দেশ


১ Bhuyan,S.K., Anglo-Assamese Relations, pp.524-25, Barpujari,H.K., Assam:In the Days of the Company,p.13; Sarma,Benudhar, 1857 and Maniram Dewan, in Eastern Hori zon, vol.I,p.180; Guha,Amalendu, Planter-Raj to Swaraj, p.2; শৰ্মা, বেণুধৰ, মণিৰাম দেৱান, পৃ ৪১-৪২; কলিতা, বেণুধৰ, ফুলগুৰিৰ ধেঁৱা, পৃ.১৩

২ শৰ্মা, ১,পৃ.৬০

৩ Barpujari, op.cit.,pp.48-49

৪ ছাত্তাৰ, আব্দুছ, বাহাদুৰ গাওঁবুঢ়া, পৃ ১০-১১; শৰ্মা, ১, পৃ. ৬১-৬২,১৭৫-৭৬,৭৭,১৮৪

৫ Robinson,William, A Descriptive Account of Asam,p.218

৬ আগৰৱালা, হৰিবিলাস, হৰিবিলাস আগৰৱালা ডাঙৰীয়াৰ আত্মজীৱনী, পৃ.১৭

৭ বড়া, বলি নাৰায়ণ, উচ্চ শিক্ষা, হেম চন্দ্ৰ গোস্বামী সম্পাদিত, অসমীয়া সাহিত্যৰ চানেকী, ৩য় খণ্ড,পৃ ২৯৭; মৌ, সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত, পৃ.১১৩

৮ শৰ্মা, বেণুধৰ, অৰ্ঘ্যাৱলী. পৃ ১৬৯

৯ শৰ্মা, বেণুধৰ, দুৰ্ণৰি, পৃ.৬১-৬২

১০ বৰুৱা, গুণাভিৰাম, আসাম বুৰঞ্জী, পৃ.১৫৯

১১ শৰ্মা, ৮, পৃ ১৭১

১২ শৰ্মা, ৯ , পৃ ৬১, তালুকদাৰ, নন্দ, জীৱন স্মৰণ, পৃ ২

১৩ বৰুৱা, গুণাভিৰাম, আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ, পৃ ২০

১৪ শৰ্মা, বেণুধৰ, গঙ্গাগোবিন্দ ফুকন, পৃ ৭

১৫ বেজবৰুৱা গ্ৰন্থাৱলী, প্ৰথম খণ্ড,পৃ ১৩৭

১৬ ঐ, পৃ ১৩৯

১৭ Mills Report, p.27

১৮ গোস্বামী, হেম চন্দ্ৰ, উল্লেখিত গ্ৰন্থ, পৃ ২৯৭

১৯ Mills Report, Appendix-J,p.XIi

২০ তালুকদাৰ, নন্দ, সম্বাদ পত্ৰৰ ব'দ কাঁচলিত অসমীয়া সাহিত্য, পৃ ৪, ৩১

২১ ঐ, পৃ.৪

২২ ঐ, পৃ ৫

২৩ ঐ, পৃ ৫-৬

২৪ শৰ্মা, ৮, পৃ ১১৪-১৫;গোস্বামী, প্ৰফুল্লদত্ত, মাণিক চন্দ্ৰ বৰুৱা, পৃ. ৬; জীৱনী-সংগ্ৰহ,অসম প্ৰকাশন পৰিষদ, পৃ.৫৯; গোস্বামী, যতীন্দ্ৰনাথ, জগন্নাথ বৰুৱা, পৃ. ৩০;ফুকন, লক্ষ্মীনাথ , মহাত্মাৰপৰা ৰূপকোঁৱৰলৈ, পৃ ৫৪

২৫ শৰ্মা, ৮,পৃ.১১৫; গোস্বামী, যতীন্দ্ৰনাথ, উল্লেখিত গ্ৰন্থ, পৃ.৩১-৩২;গোস্বামী, প্ৰফুল্লদত্ত উল্লেখিত গ্ৰন্থ, পৃ.৭৮

২৬ গোস্বামী, যতীন্দ্ৰনাথ,উল্লেখিত গ্ৰন্থ,পৃ.৩০;জীৱনী-সংগ্ৰহ,পৃ.৩১

২৭ তালুকদাৰ,২০,পৃ.৪১, গোস্বামী, যতীন্দ্ৰনাথ,উল্লেখিত গ্ৰন্থ, পৃ.৩০; গোস্বামী, প্ৰফুল্লদত্ত, উল্লেখিত গ্ৰন্থ, পৃ.৬

২৮ জীৱনী-সংগ্ৰহ, পৃ.১৭৪

২৯ Mazumder, Ambika Charan, Indian National Evolution, p.47

৩০ তালুকদাৰ, ২০, পৃ ১০৮

৩১ বেজবৰুৱা গ্ৰন্থাৱলী, প্ৰথম খণ্ড, পৃ.৪৬

৩২ লক্ষ্মীনাথ বেজবৰুৱা, অসম প্ৰকাশন পৰিষদ, পৃ ৫৪-৬১

৩৩ হেৰম্বপ্ৰসাদ বৰুৱা, হৰিপ্ৰসাদ নেওগ, পৃ.৮৩

৩৪ শৰ্মা, ৮, পৃ ৩০-৩২

৩৫ ঐ, পৃ ২৩

৩৬ ঐ, পৃ ১৯-২০

৩৭ তালুকদাৰ, ২০,পৃ ৫৫ - ৫৬

৩৮ বেজবৰুৱা গ্ৰন্থাৱলী, প্ৰথম খণ্ড, পৃ ৪৭

৩৯ ঐ; জীৱনী-সংগ্ৰহ, পৃ. ১৭৬

৪০ ঐ, পৃ ১৭৩

৪১ বেজবৰুৱা গ্ৰন্থাৱলী, প্ৰথম খণ্ড, পৃ ৪৭

৪২ Benerjea, Surendranath, A Nation in Making, p.185

৪৩ তালুকদাৰ,২০, পৃ ১৩৩-৩৪

৪৪ ঐ, পৃ ১৩৮

৪৫ গোহাঁঞিবৰুৱা, পদ্মনাথ, মোৰ সোঁৱৰণী, পৃ.৩৫

৪৬ তালুকদাৰ, ২০, পৃ ১৪৮, গুৰুত্ব চিহ্ন এই লিখকৰ

৪৭ গোস্বামী সম্পাদিত, ৭,পৃ ৩০০; শৰ্মা সম্পাদিত, ৭, পৃ. ১১৬

৪৮ ঐ; গোস্বামী সম্পাদিত, ৭, পৃ ৩০০

৪৯ Banerjea, op.cit., p.136

৫০ Ibid., p.137

২

# বিংশ শতিকাৰ প্ৰাৰম্ভিক কালছোৱাত অসমৰ ছাত্ৰ আন্দোলন

বিংশ শতিকাৰ পহিলা বছৰটো অসমৰ শিক্ষাৰ ইতিহাসৰ এক বিশেষ আৰু পৰম উল্লেখনীয় বছৰ। সেই বছৰবেই (১৯০১) ২৭ মে' তাৰিখে গুৱাহাটী চহৰত কটন কলেজ স্থাপিত হয়।[1] অসমত কলেজ স্থাপনৰ প্ৰসংগটোক কেন্দ্ৰ কৰি বিগত শতিকাৰ শেষ বছৰ কেইটাত বেছ আলোড়ন আৰু বাদানুবাদৰ সৃষ্টি হৈছিল। এই দিশত ইণ্ডিনিয়াৰ বলি নাৰায়ন বড়াৰ বক্তব্য আমি পূৰ্বে উল্লেখ কৰি আহিছোঁ। ১৮৭৪ চনত বঙ্গদেশৰ পৰা আঁতৰাই আনি এজন চীফ কমিছনাৰৰ অধীনত অসমক পৃথক প্ৰশাসনিক মৰ্যদা প্ৰদান কৰা হয়। এই ব্যৱস্থাত ছিলেটক অসমৰ অন্তৰ্ভুক্ত কৰা হয়।

১৮৯২ চনত ছিলেট চহৰত প্ৰথম কলেজ স্থাপন কৰা হৈছিল, সেই কালৰপৰা এইখনেই আছিল অসমৰ প্ৰথম কলেজ। কিন্তু সেয়া হলেও ব্ৰহ্মপুত্ৰ উপত্যকাত কলেজীয়া শিক্ষানুষ্ঠানৰ অভাৱ দূৰ হোৱা নাছিল। গতিকে ব্ৰহ্মপুত্ৰ উপত্যকাত কলেজ স্থাপনৰ বাবে সময়ে সময়ে চৰকাৰৰ ওচৰত দাবী কৰি অহা হৈছিল! কলিকতাত অসমীয়া ছাত্ৰই সন্মুখীন হোৱা অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখিয়েই কিছু শিক্ষিত লোকে অসমৰ তদানীন্তন চীফ্ কমিছনাৰ ছাৰ ষ্টুৱাৰ্ট বেইলীৰ ওচৰত গুৱাহাটীৰ ইংৰাজী স্কুলখনত পুনৰ কলেজৰ 'F.A' শ্ৰেণী খোলাৰ বাবে আবেদন জনাইছিল।[2]

১৮৯৫ চনত "সদানন্দ দুৱৰা" ছদ্মনামত জ্ঞানদাভিৰাম বৰুৱাই অসমত কলেজ স্থাপন কৰা-নকৰা সম্পৰ্কীয় বিষয়টোৰ ওপৰত লিখা চিঠি এখন কালিৰাম বৰুৱাৰ "Assam" কাকতত প্ৰকাশ হৈছিল।[3] অসমত কলেজ নালাগে বুলি আন কোনোবা এজনে দিয়া চিঠি এখনো ১৮৯৫ চনৰ ২২ জুলাই তাৰিখৰ সংখ্যা "Assam" কাকতত প্ৰকাশ পাইছিল। পত্ৰ লিখকে লিখিছিল,[4]

"কলেজ লাগে নে নালাগে

সম্পাদক ডাঙৰীয়া,

আমাৰ প্ৰথম চীফ্ কমিছনাৰ কিটিং চাহাবে গুৱাহাটীত থকা কলেজ বিভাগ তুলি দিয়াৰ দিন ধৰি অসমীয়া মানুহে দেশত এটা কলেজ লাগে বুলি অনেক দোহায় শৰণ দিছিল আৰু কাওঁ-বাওঁ কৰিছিল। শ্ৰীযুত ইলিয়ট চাহাব চীফ্ কমিছনাৰ হৈ অহোতে অসমৰ মানুহে তেওঁক কলেজ এটা পাতি দিবলৈ অনুৰোধ কৰে। কিন্তু দয়াশীল দূৰদৰ্শী চীফ্ কমিছনাৰে বাইজৰ সেই প্ৰাৰ্থনা নামঞ্জুৰ কৰি অসমীয়া ল'ৰাই কলিকতাত পঢ়াৰ নিমিত্তে বৃত্তি স্থাপন কৰে। এই কথা অসমৰ প্ৰাণী মাত্ৰেই বুজ পায়। বৃত্তি স্থাপন কৰিবৰ আজি প্ৰায় ১৪ বছৰ হ'ল, এতিয়া আপোনাৰ 'আসাম' ওলাবৰ পৰা আকৌ মানুহে কলেজ লাগে বুলি চিঞৰ-বাখৰ কৰিবলৈ ধৰিছে। আপুনিও ৰাইজৰ কথাকে শলাগি বুলিছে আৰু ইংৰাজী অসমীয়া দুয়ো ভাগতে সেই বিষয় আন্দোলন কৰিছে।

এই বিষয় অনেক লেখকৰ চিঠিও আপোনাৰ বহুমূলীয়া কাকতত প্ৰকাশ কৰিছে আৰু আপোনাৰ ডিব্ৰুগড়ীয়া সহযোগীজনেও আপোনাৰ কথাকে শলাগিছে। ইয়াৰ পৰা বুজা যায় যে অসমীয়া মানুহে অসমত এটা কলেজ হলে বৰ ভাল পাব। কিন্তু দুৰ্ভাগ্য গুণেই হওক বা মূঢ়তাৰ গুণেই হওক ময় (মূলত যেনেদৰে আছে) কথাটোৰ ধাতু ভালকৈ ধৰিব পৰা নাই।... কলেজ খোজা বিলাকৰ অভিপ্ৰায় বা কি তাকো ময় ভালকৈ কব নোৱাৰোঁ। যদি সিবিলাকে কেৱল আসামৰ গৌৰৱ বঢ়াবলৈহে কলেজ খোলে তেনেহলে আৰ ক'বলগীয়া কথা তাকৰ কিয়নো ইমানখন দেশত এটা কলেজ নথকা কথাটো অৱশ্যে লাজৰ কথা আৰু এই লাজ গুচাবলৈ আমাৰ যত্ন কৰাও যুগুত হয়। মোৰ বিবেচনা মতে আসামত কলেজ পাতি দিলে আমাৰ পক্ষে সম্প্ৰতি কিছু বেয়াহে হ'ব। কলেজ পাতিলে হয় গুৱাহাটী নহয় শিৱসাগৰ বা আন কোনো জিলাত পাতিব লাগিব। বিবেচনা কৰা কলেজ জানিবা গুৱাহাটীতে পাতি দিলে। পাচে তাত পঢ়িবলৈ ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, নগাওঁ ইত্যাদি ঠাইৰ পৰা ল'ৰা আহি গুৱাহাটীতে থাকিবলৈ লাগিব। গুৱাহাটীত থকা খৰচো কম নহয়। কলিকতাত থাকিবলৈ আমাৰ ল'ৰাক ২০ টকাকৈ বৃত্তি দিয়ে। গুৱাহাটীতো আজি কালি ২০ টকাৰ কমে এজন ল'ৰা যে পঢ়িবলৈ পাৰিব এনে বোধ নহয়। পাচে যদি কলিকতা, গুৱাহাটী উভয় ঠাইতে একে খৰচ হয় তেনেহলেনো আমাৰ ল'ৰা কলিকতালৈ নপঠাই গুৱাহাটীলৈ কিয় পঠাম? গুৱাহাটীত ৪ বছৰ পঢ়ি যি শিকিব কলিকতাত ১ বছৰ পঢ়িয়েই সেইখিনি জ্ঞান পাব। কলিকতাত থকাৰ কি গুণ তাক মই বিশেষ কৰি লেখিবৰ একো প্ৰয়োজন নাই। কাৰণ সকলোৱে জানে। এই বিষয় মোৰ আৰু কিছুমান কথা আছে কিন্তু এইবাৰ পত্ৰ দীঘল হোৱা গতিকে ইয়াতে সামৰিলো। আহে বাৰলৈ পুখবাৰ আপোনাৰ ওচৰ চাপিম।

—কলেজ নালাগে।"

অসমত কলেজ স্থাপন সম্পৰ্কে কলিকতীয়া অসমীয়া ছাত্ৰসকলে আব্দুল মজিদ চাহাবৰ (পিছত কলিকতা হাইকোৰ্টৰ জজ্) ঘৰত গোট খাই বিতংভাৱে আলোচনা কৰিছিল। অসমত কলেজ স্থাপনৰ সপক্ষে প্ৰস্তাৱক আছিল বেণুধৰ ৰাজখোৱা, সমৰ্থক দেবেশ্বৰ চলিহা। নানা ধৰণৰ যুক্তি দৰ্শাই আব্দুল মজিদ চাহাবে প্ৰস্তাৱৰ বিৰোধীতা কৰিছিল। অসমত কলেজ স্থাপনৰ পৰিবৰ্তে কলিকতাত অসমীয়া ছাত্ৰৰ বাবে হোষ্টেল স্থাপনৰহে তেওঁ পোষকতা কৰিছিল। উপস্থিত কিছু ছাত্ৰইও তেওঁক সমৰ্থন দিছিল।* ছাৰ হেন্ৰী কটন অসমৰ চীফ্ কমিছনাৰ নিযুক্ত হোৱাত আব্দুল মজিদ চাহাবৰ ঘৰতে বৈঠক পাতি কলিকতীয়া অসমীয়া ছাত্ৰসকলে তেওঁক অভিনন্দন জনাইছিল।* বোধহয় এই অভিনন্দনৰ অভিপ্ৰায় আছিল কটন চাহাবৰ বদান্যতাৰ আলমত অসমত এখন কলেজ স্থাপন কৰাতো। পৰৱৰ্তী কালৰ ঘটনা-পৰিঘটনাই দেখুৱাইছে যে কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰসকলৰ এই অভিপ্ৰায় অথলে যোৱা নাছিল।

সি যি কি নহওক, পূৰ্বৰ দৰে মজিদ চাহাব অসমত কলেজ স্থাপনৰ বিৰোধী আছিল, বোধহয় এই দিশত মজিদ চাহাবৰ পৰামৰ্শ - দৃষ্টিভঙ্গী কটন চাহাবেো পাখেয় হৈছিল। ফলত কটনে ছাত্ৰসকলৰ সেই আশাত চেঁচা পানী ঢালি সাময়িকভাৱে তাক

ভুবাকাদশালে পৰিবৰ্ত্তিত কৰিলে;[৭] " I am not anxious to give any encouragement to the feeling of provincialism which I find to be unfortunately too rife in the Assam Valley districts and rather impress upon the educated Assamese of the present generation that they cannot be independent of Bengal in their language or association. They are as dependent on Bengal as Welshmen are dependent on English. And I attribute the slowness of its progress in large measure to the unwise feeling by the Assamese among themselves of a policy of national exclusiveness."

কটন চাহাবৰ দৃষ্টিত ধৰা পৰা অসমীয়াসকলৰ এই তথাকথিত প্ৰাদেশিকতাৰ বা জাতীয় সংৰক্ষণশীলতাৰ তত্ত্ব যে অমূলক আছিল সেইটো অসম আৰু অসমীয়াৰ প্ৰতি কৰা কটন চাহাবৰ পৰৱৰ্তী কালৰ কৰ্মপন্থাই প্ৰমাণ কৰাৰ বাবে যথেষ্ট, যদিও তেওঁ প্ৰথমতে সাম্ৰাজ্যবাদী ভেদ নীতিৰ সংকীৰ্ণতাৰে অসমত শিক্ষাৰ অগ্ৰগতিত অন্তৰায়ৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল। সি যি কি নহওক, কটন চাহাবেও তেতিয়া আব্দুল মজিদ চাহাবৰ দৰে কলিকতাত অসমীয়া ছাত্ৰৰ বাবে হোষ্টেল স্থাপনৰহে পোষকতা কৰিছিল।[৮]

অসমত কলেজ স্থাপনৰ বাবে শিৱসাগৰৰপৰা দিয়া সমৰ্থনৰ গুৰি বঠা ধৰিছিল ফণিধৰ চলিহাই। কলেজ স্থাপন সম্পৰ্কে মিউনিচিপাল স্কুলত আহূত এখন ৰাজহুৱা সভাত গঙ্গাগোবিন্দ ফুকনে সভাপতিত্ব কৰিছিল। ফণিধৰ চলিহা আৰু বেণুধৰ ৰাজখোৱাকে আদি কৰি সভাত উপস্থিত থকা সকলো মানুহেই কলেজ স্থাপনৰ প্ৰতি সমৰ্থন দিয়াত কলেজ স্থাপনৰ বিৰোধী স্বয়ং সভাপতি ফুকন ভাণ্ডাৰীয়াই তৎমূহূৰ্তেই সভাপতিৰ আসন এৰি সভাস্থলী ত্যাগ কৰে।[৯]

কটন আৰু মজিদ চাহাব আদিৰ দৰে ফুকনেও অসমত কলেজ স্থাপনৰ পৰিৱৰ্তে কলিকতাত অসমীয়া ছাত্ৰৰ বাবে হোষ্টেল স্থাপনত জোৰ দিছিল।[১০] বেণুধৰ ৰাজখোৱাই লিখিছে যে "মিঃ আব্দুল মজিদ, মিঃ জি জি. ফুকন, মিঃ জি.বৰুৱা আদি লোকে কলিকতাত হোষ্টেল স্থাপনৰ পক্ষে মত দিছিল।"[১১] জ্ঞানদাভিৰাম বৰুৱাই লিখিছিল,[১২] "অসমত যেতিয়া প্ৰথম কলেজ (কটন কলেজ) স্থাপন কৰাৰ বিষয়ে নানা কথা-বতৰা আৰু আলোচনা হৈ আছিল চাৰ হেনৰি কটনেও তেতিয়া এই বিষয়ে ইতস্ততঃ কৰি আছিল। ই হ'ল ১৯০০ চনৰ কথা। "অসম গেজেট"ৰ কোনো এক সংখ্যাত অইন নানা বিষয়ৰ লগতে মিঃ কটনে লিখিছিল "ওৱেলছ যেনেকৈ ইংলণ্ডৰ অধীন অসমো তেনেকৈ বঙ্গদেশৰ বহুখিনি অধীন।" এইদৰে লেখাৰ পিছতেই কলিকতাত থকা অসমীয়া প্ৰবাসীসকলে অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ অধিবেশনত এখন সভাত মোক সভাপতি পাতি অসমত এখন কলেজ লাগে বুলি চৰকাৰক টানি ধৰিছিল।"

১৮৯৯ চনৰ ২৮ মাৰ্চত মানিক চন্দ্ৰ বৰুৱাই অসমৰ নৱ নিযুক্ত চীফ কমিছনাৰ কটন চাহাবৰ ওচৰত অসমত কলেজ স্থাপনৰ বাবে অনুৰোধ জনাই এখন আবেদন

দাখিল কৰিছিল। উক্ত আবেদনত তেওঁ লিখিছিল, "Assam is the only province which has not got a college. Indeed, it has not a high institution worth the name. A college at Gauhati with a European principal will be better appreciated by the students than similar private institutions (owned by native gentlemen) to which they generally resort." অসমত কলেজ স্থাপনৰ বাবে চৰকাৰ যদি অত্যন্ত ইচ্ছুক নহয় তেনেহলে কলিকতাত অসমীয়া ছাত্ৰৰ বাবে হোষ্টেল স্থাপন কৰাটোকে তেওঁ পছন্দ কৰিছিল।

এইদৰে দেখা যায় অসমত কলেজ স্থাপনৰ প্ৰশ্নটোক কেন্দ্ৰ কৰি সাম্ৰাজ্যবাদী চৰকাৰে লোৱা দৃষ্টিভঙ্গীৰ বিপৰীতে অসমীয়া মধ্যবিত্ত শ্ৰেণীয়ে এটি স্থিৰ সিদ্ধান্তত উপনীত হ'ব পৰা নাছিল। পৰোক্ষভাৱে কলেজ স্থাপনৰ প্ৰশ্নৰ গইনা লৈ প্ৰাদেশিক তাৰ ভেদ নীতি সিঁচি দি অসমক শিক্ষাৰ ক্ষেত্ৰত অনাগ্ৰসৰ কৰি ৰখা সাম্ৰাজ্যবাদী অভিসন্ধিৰ জু অসমীয়া মধ্যবিত্তই পোৱা নাছিল। এই ক্ষেত্ৰত দেখা দিয়া অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ মাজৰ দোদুল্যমানতাও উল্লেখনীয়। অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ মাজতেই গঢ়ি উঠা পাৰস্পৰিক দ্বন্দ্ব-বিৰোধ অসমৰ স্বাৰ্থৰ বিৰুদ্ধবাদীসকলৰ অভিসন্ধি পূৰণৰ বাবেও আছিল অনুকূল।

অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ পাৰস্পৰিক দ্বন্দ্ব-বিৰোধ আৰু দুৰ্বলতা সত্ত্বেও অৱশেষত ১৯০০ চনত অসমে এখন কলেজ পালে। ইয়াতে এইটো উল্লেখ কৰিব পাৰি যে ১৮৯৭-১৯০২ ভিতৰত অসমত শিক্ষানুষ্ঠানৰ সংখ্যা ২,৮০০ ৰ পৰা৩,৫৩৪ লৈ আৰু ছাত্ৰ সংখ্যা ৮৩,৬৩৮ ৰ পৰা ১,০৩,৫৪১ লৈ বৃদ্ধি পাইছিল। আনহাতে সেই একে সময়ছোৱাত মাধ্যমিক পৰ্যায়ত ইংৰাজী শিক্ষা পোৱা ছাত্ৰ সংখ্যা ৭,৯৬৭ ৰ পৰা ১০,৭৩৪ লৈ বৃদ্ধি পাইছিল।

ফাৰ্ষ্ট আৰ্টছ পৰীক্ষাত [First Arts Examinations) কটন কলেজৰ অসমীয়া ছাত্ৰৰ কৃতকাৰ্যতা দেখি তদানীন্তন অধ্যক্ষ ষ্টুৱাৰ্ট চাহাবে তবধ মানিছিল। তেওঁ কৈছিল, Assamese students have passed the F.A. Examinations in such large numbers and in such high divisions as were never dreamt of by the most sanguine Assamese leaders when the college was first started."

পূৰ্বসূৰী ছাত্ৰসকলৰ দৰে ইংৰাজী তথা কলেজীয়া শিক্ষাত শিক্ষিত অসমীয়া ছাত্ৰসকলৰো প্ৰধান লক্ষ্য আছিল চৰকাৰী চাকৰী প্ৰাপ্তি অৰ্থাৎ আমোলা হোৱাৰ আকাংক্ষা। অসমৰ ৰাজনৈতিক ইতিহাসত লিখা হৈছে, "...the primary motive of the Assamese youths for English education was the prospect of better jobs under the government." আনকি ১৯১৩ চনত বাণীকান্ত কাকতিয়ে কটন কলেজৰপৰা আই.এ.পৰীক্ষাত কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰি কৃতকাৰ্য হোৱাত অসমীয়া মধ্যবিত্ত শ্ৰেণীয়ে "বাণীকান্ত ফাণ্ড"(Banikanta Fund) নামে পুঁজি খুলি বাণীকান্তক আই.চি.এছ. হোৱাৰ

ব্যৱস্থা কৰিছিল। এই দিশত আগভাগ লৈছিল যোৰহাটৰ বাইজে।[১৮]

সি দি কি নহওক,১৯৩০ চনৰ ১০ অক্টোবৰ তাৰিখে যোৰহাটত জগন্নাথ বৰুৱা কলেজ প্ৰতিষ্ঠা কৰা হয়। এইখনেই অসমৰ প্ৰথম বেচৰকাৰী কলেজ আৰু কটন কলেজ সহ ইতিপূৰ্বে অসমৰ অংশভূক্ত হোৱা ছিলেটৰ মুৰাৰী চাঁদ কলেজক লৈ অসমৰ তৃতীয়খন কলেজ। পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈৰ মতে জগন্নাথ বৰুৱা কলেজ প্ৰতিষ্ঠা কৰা কালছোৱাত চৰকাৰ বেচৰকাৰী কলেজ পতাৰ ঘোৰ বিৰোধী আছিল।[১৯] যোৰহাটত জগন্নাথ বৰুৱা কলেজ স্থাপন হোৱাৰ পিছত ছিলেট জিলাৰ হাবিগঞ্জত আন এখন বেচৰকাৰী কলেজ প্ৰতিষ্ঠা কৰা হয়। সাম্ৰাজ্যবাদী বৃটিশ শাসনকৰ্তাসকলে কিন্তু কলেজীয়া শিক্ষানুষ্ঠানৰ এই সম্প্ৰসাৰণক শুভ দৃষ্টিৰে চোৱাৰ পৰিবৰ্তে আতঙ্কিতহে হৈ পৰিছিল। চৰকাৰৰ শিক্ষা সম্পৰ্কীয় পঞ্চ বাৰ্ষিক প্ৰতিবেদনত যোৰহাট আৰু হাবিগঞ্জত বেচৰকাৰী কলেজ প্ৰতিষ্ঠা কৰা কাৰ্যক দয়াৰ সাগৰ বৃটিশ চৰকাৰে বিভীষিকা তথা ভয়ৰ উৎস (threat) বুলি উল্লেখ কৰিছিল।[২০]

জন্মৰেপৰা ১৯২০ চনলৈ প্ৰধানতঃ ভাৰতীয় জাতীয় কংগ্ৰেছৰ নীতি আছিল বৃটিশ সাম্ৰাজ্যবাদী শাসন ব্যৱস্থাৰ প্ৰতি আনুগত্য তথা সমৰ্থনসূচক। কিন্তু তথাপিও কুৰি শতিকাৰ প্ৰথম দশকত আন্তৰ্ৰাষ্ট্ৰীয় ৰাজনীতিৰ পট পৰিবৰ্তনে ভাৰতীয় জাতীয়তাবাদী আন্দোলনতো কিছু প্ৰভাৱ পেলাইছিল। ১৯০৪ চনৰ ৰুছ-জাপান যুদ্ধত ক্ষুদ্ৰ জাপানৰ হাতত বৃহৎ ৰুছ দেশ বিষমভাৱে পৰাভূত হয়। এছিয়া মহাদেশীয় শক্তি এটাৰ—জাপানৰ— এই সাফল্যত ভাৰতীয় জাতীয়তাবাদীসকলে উৎসাহিত বোধ কৰি লাহে লাহে তেওঁলোকেও জাতীয় স্বাধীনতা আন্দোলনত এক অগ্ৰণী ভূমিকা লবলৈ ধৰে।

আভ্যন্তৰীন দিশত বৰলাট লৰ্ড কাৰ্জনৰ বঙ্গ-ব্যৱচ্ছেদ আঁচনিয়ে বঙ্গদেশত এক উত্তপ্ত ৰাজনৈতিক বাতাবৰণৰ সৃষ্টি কৰিছিল। আপাততঃ এজন মাত্ৰ ছুৰলীয়া লাটৰ অধীনত বঙ্গদেশৰ দৰে বৃহৎ প্ৰদেশ এখনৰ প্ৰশাসনিক কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাতো অসুবিধাজনক হৈ পৰাৰ অজুহাততেই বৰলাট লৰ্ড কাৰ্জনে বঙ্গ-ব্যৱচ্ছেদৰ ব্যৱস্থা কৰিছিল। এই আঁচনি মৰ্মে বঙ্গদেশৰপৰা চট্টগ্ৰাম, ঢাকা আৰু ময়মনসিং— এই তিনিটা সংমণ্ডল আঁতৰাই আনি অসমৰ লগত সংযুক্ত কৰি "পূৰ্ববঙ্গ আৰু অসম" নামেৰে এখন প্ৰদেশ গঠন কৰাৰ প্ৰস্তাৱ কৰা হয়। ইয়াৰ ৰাজধানী হ'ব ঢাকা।

১৯০৩ চনত অসমৰ মুঠ মাটিকালি আছিল ৫৬,২৪৩ বৰ্গ মাইল আৰু মুঠ জনসংখ্যা আছিল ৬১,২৬,৩৪৩ জন আৰু তাৰে মাত্ৰ ১৩,৪৯,৭৮৪ জন অসমীয়া ভাষীলোকৰ বিপৰীতে বাংলা ভাষীলোকৰ সংখ্যা আছিল ২৯,৪৮,১৮৩।[২১] অসমৰ লগত কাৰ্জনৰ আঁচনি মৰ্মে বঙ্গৰ উপৰোক্ত সংমণ্ডলসমূহ সংযুক্ত কৰাৰ প্ৰস্তাৱ কাৰ্যকৰী কৰিলে এই নতুন প্ৰদেশৰ মুঠ জনসংখ্যা ১,৭৬,০১,৯৮৯ জনলৈ বৃদ্ধি হোৱাতো প্ৰায় খাটাং হৈ পৰিল।

গতিকে বঙ্গভঙ্গ আঁচনিয়ে বঙ্গদেশতকৈও অসমতহে বিপদ সৃষ্টি বা বৃদ্ধি কৰিছিল, কিয়নো এই আঁচনিৰ ৰূপায়নে পুনৰ গঠিত অসমত বাংলাভাষীৰ সংখ্যা পূৰ্বতকৈও

অধিক বৃদ্ধি কৰাৰ বাস্তৱ পৰিস্থিতিৰ সৃষ্টি কৰিছিল। ইতিমধ্যেই অসমত বিশেষকৈ অসমীয়া ভাষীসকলৰ মনত বঙালী ভাষাৰ প্ৰতি ভীতি এটি বৰ্তি আছিলেই। অন্য ভাল যে অসমে নহয় বঙ্গদেশে আৰম্ভ কৰা আৰু নেতৃত্ব দিয়া আন্দোলন এটিৰ বাবেহে অসমৰ অসমীয়া ভাষীসকল আৰু লগতে অন্যান্যসকল সেই বিপদৰপৰা ৰক্ষা পৰিছিল।

সি যি কি নহওক, এই আঁচনিৰ বিপক্ষে বঙ্গদেশত এক ভীষণ গণ আন্দোলনৰ সূচনা হৈছিল। ৰাম গোপালে লিখিছে,[২২] "Now began in Bengal a massive movement, the like of which had not been witnessed in India before". ১৯০৩ চনৰপৰা ১৯০৫ চনলৈ বঙ্গত এই আঁচনিৰ বিপক্ষে প্ৰায় ২০০০ খন ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল।[২৩]

অসমতো ইয়াৰ বিৰুদ্ধে কিছু প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। জগন্নাথ বৰুৱা আৰু মানিক চন্দ্ৰ বৰুৱাই নতুন প্ৰশাসনিক গাঁঠনিত অসমৰ স্বাৰ্থ ৰক্ষাৰ বাবে আবেদন জনাইছিল।[২৪] কাৰ্জনৰ বঙ্গভঙ্গ আঁচনিৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰে অসমৰ পুনৰ গঠন সম্পৰ্কে অসমৰ তদানীন্তন ৰাজনৈতিক অনুষ্ঠান " আসাম এচোছিয়েচন"ৰ মতামত বিচাৰিছিল আৰু সেই মৰ্মে ১৯০৪ চনৰ ১৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত সভাত সিদ্ধান্ত হৈছিল যে অগত্যা যদি অসমৰ পুনৰ গঠন কৰিবই লাগে তেনেহলে বঙ্গদেশৰ অন্তৰ্ভুক্ত হৈ থকা কেইখনমান নিৰ্দিষ্ট জিলাহে অসমৰ সৈতে সংযুক্ত কৰিব লাগে।

এই ৰাজনৈতিক সংগঠনৰ ফালৰপৰা স্পষ্টকৈ কোৱা হৈছিল [২৫] যে– " .. if territorial redistribution is necessary at all for the efficient form of government in Assam and to lighten the excessive burden of Bengal Government it may be better effected by annexing Rangpur, Kuch Behar, Jalpaiguri, and some parts of Bogra district to Assam, as the inhabitants of those places are identical in race, religion, and language with those of Lower Assam, which is contiguous to them "

ইয়াৰ ওপৰিও যোৰহাট সাৰ্বজনিক সভাৰ সভাপতি ৰূপে ৰায় জগন্নাথ বৰুৱা বাহাদুৰে ১৯০৪ চনৰ ১০ ফেব্ৰুৱাৰী তাৰিখে চৰকাৰলৈ লিখা পত্ৰত কৈছিল [২৬] যে " .. all the inferior appointments in Assam proper should be entirely reserved to the Assamese, and at least about 75 per cent. of the superior appointments be likewise reserved to the Assamese."

আনহাতে আসাম এচোছিয়েচনৰ তদানীন্তন সাধাৰণ সম্পাদক মানিক চন্দ্ৰ বৰুৱাইও ২৭ ফেব্ৰুৱাৰীত চৰকাৰলৈ লিখা পত্ৰত চৰকাৰী চাকৰি- বাকৰীত অসমীয়া লোকৰ বাবে নুন্যতম ৮০ শতাংশ সংৰক্ষণ কৰাৰ দাবী জনোৱাৰ লগতে এই নতুন ৰাজ্য পুনৰ গঠন ব্যৱস্থাই অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি সৃষ্টি কৰিব পৰা বিপদৰ কথা উনুকিয়াই দি তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনাইছিল।[২৭]

কাৰ্জনে ২০ ফেব্ৰুৱাৰীত ময়মনসিংহত ভাষণ দিওতে "বাংলা ভাষাই অসমীয়া ভাষাক গ্ৰাস কৰিব"[৫৮] বুলি দিয়া ভাষণৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি মানিক চন্দ্ৰ বৰুৱাই অন্যান্য কথাৰ লগতে কৈছিল,[৫৯] " .. we would, therefore, implore our benign ruler to adopt adequate and timely means for our safety, so that we may live as a nation, speaking our own language and doing our work in the province.If the Assamese could remain as a nation from the earliest period of the British Rule down to the year 1874, i.e , for nearly half a century, when the province was under the Lieutenant-Governor of Bengal, surely they can, with better reason, stand so now; the only encouragement and support they require is the fostering care, attention, and help from the paternal Government "

কিন্তু চৰকাৰে জগন্নাথ বৰুৱা বা মানিক চন্দ্ৰ বৰুৱাৰ অভিযোগ-অনুযোগৰ প্ৰতি কাণসাৰ নকৰি ১৯০৫ চনৰপৰা কাৰ্জনৰ আঁচনি কাৰ্যকৰী কৰে। সেই মৰ্মে জে বি ফুলাৰক নতুন প্ৰদেশ পূৰ্ববঙ্গ আৰু অসমৰ দুৰলীয়া লাট নিয়োগ কৰে। এই দুৰলীয়া লাট জে বি ফুলাৰে অসমৰ জনসাধাৰণক এই বুলি আশ্বাস দিছিল যে শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰক বৃত্তি আৰু চাকৰীৰ ক্ষেত্ৰত চৰকাৰী দপ্তৰ বিলাকত অসমীয়া চাকৰী প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়া হ'ব।[৬০] কিন্তু তথাপিও ধুবুৰী, গৌৰীপুৰ, গুৱাহাটী, ডিব্ৰুগড়, গোৱালপাৰা আৰু সুৰমা উপত্যকাৰ ছিলেট, হাবিগঞ্জ, মৌলবী বজাৰ আদি ঠাইত প্ৰতিবাদ সভা, বিক্ষোভ আদি অনুষ্ঠিত হৈছিল।[৬১] বঙ্গভঙ্গ আঁচনিৰ কাৰ্যকৰীকৰণক কেন্দ্ৰ কৰি আৰম্ভ হোৱা আন্দোলনে অচিৰেই স্বদেশী আন্দোলনৰ ৰূপ পৰিগ্ৰহ কৰে। স্বদেশী আন্দোলনৰ মূল লক্ষ্যও হ'ল বিদেশী অৰ্থাৎ বৃটিশ পণ্য সামগ্ৰীৰ বিপৰীতে দেশজাত সামগ্ৰী ব্যৱহাৰ, বৃটিশ সৃষ্ট আৰু নিয়ন্ত্ৰিত স্কুল-কলেজ বৰ্জন কৰি জাতীয় বিদ্যালয়ত জাতীয় শিক্ষা গ্ৰহণ কৰাতো।

বঙ্গ- ব্যৱচ্ছেদক কেন্দ্ৰ কৰি স্বদেশী আন্দোলন আৰম্ভ হলেও ভাৰতবৰ্ষত স্বদেশী সামগ্ৰী ব্যৱহাৰৰ প্ৰথম প্ৰবক্তা হ'ল পুণাৰ গোপালৰাও দেশমুখ। লোকহিতবাদী নামে পৰিচিত এই ব্যক্তিজনে ১৮৪৯ চনতে বিদেশী সামগ্ৰীৰ পৰিবৰ্তে দেশজাত সামগ্ৰী ব্যৱহাৰৰ কথা প্ৰচাৰ কৰিছিল।[৬২] বঙ্গত স্বদেশী আন্দোলনৰ প্ৰথম প্ৰবক্তা হ'ল ১৮৬৭ চনতে হিন্দু (জাতীয়) মেলাৰ প্ৰতিষ্ঠা কৰোতা নবগোপাল মিত্ৰ।[৬৩] কিন্তু মহাৰাষ্ট্ৰত গোপালৰাও দেশমুখ কিম্বা বঙ্গদেশত নবগোপাল মিত্ৰৰ নেতৃত্বত স্বদেশী আন্দোলনে ৰাজনৈতিক ৰূপ পৰিগ্ৰহ কৰা নাছিল, কেৱল বঙ্গভঙ্গ আঁচনিৰ বিৰুদ্ধে সংগঠিত আন্দোলনৰ সময়তহে স্বদেশী আন্দোলনে ৰাজনৈতিক ৰূপ লৈছিল। ১৯০৫ চনৰপৰা বঙ্গত আৰম্ভ হোৱা স্বদেশী আন্দোলনৰ মূল লক্ষ্য আছিল ইংল্যাণ্ডৰ বিৰুদ্ধে বিশেষকৈ মানচেষ্টাৰৰ কাপোৰৰ কল সমূহত উৎপাদিত সামগ্ৰী আৰু অন্য বৃটিশ পণ্য বৰ্জনৰ লগতে সেই দেশৰ বিৰুদ্ধে অৰ্থনৈতিক অৱৰোধৰ দিশত উপনীত হোৱাতো।

১৯০৫ চনৰ ১৭ জুলাইত সুৰেন্দ্ৰনাথ বেনাৰ্জীৰ পৌৰাহিত্যত ৰিপন কলেজ

প্ৰাৰম্ভত বঙ্গ ৰাজহুতা সভাত গৃহীত এক প্ৰস্তাৱৰ জৰিয়তে বঙ্গভঙ্গ আঁচনি বন্ধ নকৰা পৰ্যন্ত বিদেশী পণ্য বৰ্জন কৰিবলৈ জনসাধাৰণক আহ্বান জনোৱা হৈছিল। বঙ্গৰ ছাত্ৰসকল এই আন্দোলনত ইমান সক্ৰিয় হৈ পৰিছিল যে তেওঁলোকে আনকি বিদেশত প্ৰস্তুত কৰা কাগজত প্ৰশ্নোত্তৰ কৰিবলৈও অমান্তি হৈছিল। ৰায় গোপালে উল্লেখ কৰিছে যে বিদেশী বৰ্জন আৰু স্বদেশী গ্ৰহণৰ ক্ষেত্ৰত ছাত্ৰসকলেই আছিল প্ৰথম। মহাৰাষ্ট্ৰৰ কোহলাপুৰৰ ৰাজাৰাম হাইস্কুলৰ মেট্ৰিক পৰীক্ষাৰ্থীসকলে বিদেশত প্ৰস্তুত কৰা কাগজত প্ৰশ্নোত্তৰ কৰাৰ বিৰোধীতা কৰি স্বদেশত প্ৰস্তুত কৰা কাগজ দিবলৈ দাবী কৰে। ফলত ৫০ ছাত্ৰই বেত্ৰাঘাতৰ সন্মুখীন হয়। আমৰাওতীতো কোলহাপুৰৰ ঘটনাৰ পুণৰাবৃত্তি হোৱাত শিক্ষাধিকাৰে কিছু ছাত্ৰক ‘ৰাষ্টিকেট’ কৰে। পুণাতো ছাত্ৰসকলে স্বদেশী কাগজ যোগানৰ দাবী পূৰণত সফল হয়। জাতীয় শিক্ষাৰ প্ৰতিও ছাত্ৰসকলৰ ধাউতি বঢ়াত অকল পূৰ্ববঙ্গতে ২৪ খন জাতীয় হাইস্কুল স্থাপিত হৈছিল।

অসমৰ তেজপুৰ আৰু বৰপেটাৰ ছাত্ৰসকলে দোকানীসকলৰ লগ হৈ দেশজাত সামগ্ৰী প্ৰচলনৰ বাবে প্ৰচাৰ চলাইছিল। বিপিন চন্দ্ৰ পালৰ আহ্বানক্ৰমে ৪০ জন ছাত্ৰই চৰকাৰী স্কুল বৰ্জন কৰে। চৰকাৰী স্কুল বৰ্জন কৰা ছাত্ৰৰ কাৰণে দেশৰ বিভিন্ন ঠাইত জাতীয় স্কুল স্থাপিত হবলৈ ধৰে। আন্দোলনত ছাত্ৰসকলৰ সহযোগিতা নিষেধ কৰি চৰকাৰে জাৰি কৰা অনুজ্ঞা পত্ৰৰ প্ৰতিবাদ কৰেও অসম আৰু পূৰ্ববঙ্গৰ বিভিন্ন ঠাইত জাতীয় স্কুল স্থাপন কৰা হয়।

এই জাতীয় শিক্ষানুষ্ঠান সমূহ সততে ৰাজনৈতিক আন্দোলনৰ বাণী প্ৰচাৰৰ ঘাই ঘাটি হিচাপে ব্যৱহাৰ কৰা হৈছিল। চৰকাৰী স্বীকাৰোক্তি মতেই জনা যায়
"Students and children formed the bulk of the audience at anti-partition meetings and were organised into noisy processions that paraded the streets of moffusil town shouting Bande Mataram and interfering with trade."

চৰকাৰী অনুজ্ঞা পত্ৰ আৰু নিষেধাজ্ঞাৰ জৰিয়তে ছাত্ৰসকলক আন্দোলনত অংশ গ্ৰহণ কৰাৰ পৰা বিৰত কৰিব নোৱাৰি চৰকাৰে জিলা প্ৰশাসক সকলক ছাত্ৰক আন্দোলনৰপৰা বিৰত কৰিব নোৱাৰা শিক্ষানুষ্ঠানৰ ওপৰত কঠোৰ ব্যৱস্থা লবলৈ নিৰ্দেশ জাৰি কৰে। আনকি পৰিচালনা সমিতি আৰু শিক্ষকৰ ওপৰতো শাস্তি মূলক ব্যৱস্থা লোৱা হৈছিল। দুৰ্জীয়া লাট ফুলাৰে শিক্ষানুষ্ঠান বৰ্জন কৰাৰ অপৰাধত ৩০০ জন ছাত্ৰক স্কুলৰপৰা বহিষ্কাৰ কৰিছিল।

কিন্তু এই সময়ছোৱাতো অসমীয়া মধ্যবিত্ত শ্ৰেণীটো বৃটিশ সাম্ৰাজ্যবাদৰ প্ৰতি অত্যন্ত অনুগত হৈ থকাত ব্ৰহ্মপুত্ৰ উপত্যকাত আন্দোলনৰ তীব্ৰতা সুৰমা উপত্যকা আৰু বঙ্গতকৈ তুলনামূলকভাৱে আছিল অত্যন্ত নগণ্য। অম্বিকাগিৰী ৰায়চৌধুৰীৰ মতে " “১৯০৫ চনৰ এই বঙ্গভঙ্গ আন্দোলনটোৱে গুৱাহাটীৰ বাহিৰে অসমৰ আন কোনো ঠাইকে স্পৰ্শ কৰা নাছিল।... তেতিয়া আমি স্কুলীয়া ছাত্ৰ। এই আন্দোলনৰ বিদেশী বৰ্জন আৰু স্বদেশী গ্ৰহণৰ বিষয়টোৱেই সক্ৰিয়ভাৱে আমি গুৱাহাটীয়া ছাত্ৰ কেইজনমানৰ অন্তৰ চুইছিল পাণবজাৰৰ আসাম তেলী ট্ৰেডিং কোম্পানীৰ মেনেজাৰ

"গোবিন্দ লাহিড়ীৰ ভৱিষ্যতে। আমি তেওঁৰ পৰামৰ্শতেই দলবান্ধি গুৱাহাটী নগৰত বাটে-বাটে স্বদেশী গ্ৰহণৰ মন্ত্ৰ প্ৰচাৰ কৰা, কলিকতাৰ বঙ্গলক্ষ্মী কটন মিলৰ কেন্দ্ৰৰ পিচিনা মোজা ধুতি কাপোৰ বিলাক ঘৰে ঘৰে বিক্ৰী কৰা আৰু লগে লগে আজন্ম অভ্যস্ত অসমীয়া বাই-ভনী আইসকলক নিজ বৃত্তি সূতা কটা আৰু তাঁত বোৱা কাম কৰিবলৈ আৰু বঙালী বাই-ভনীসকলক সূতা কটা আৰু কাপোৰ বোৱা শিকিবলৈ অনুৰোধ কৰি ভুৱা কামত উৎসাহেৰে লাগি গলো।"

এই সময়ছোৱাতে ছাত্ৰসকলে নিধিৰাম দাসক কেপ্টেইন চেক্ৰেটাৰী পাতি 'সেৱা সংঘ' নামে এক অনুষ্ঠান খুলিছিল। এই সেৱা সংঘৰ সদস্যভুক্ত ছাত্ৰসকল আছিল,- নিধিৰাম দাস, বিষ্ণুৰাম মেধি, ত্ৰিগুণা বৰুৱা, পীতাম্বৰ চক্ৰবৰ্তী, বালেক লহকৰ, কুমুদ বৰা, বিনন্দ বৰুৱা, ৰক্তিম বৰা, পুষ্প উজীৰ, গণেশ দাসগুপ্ত, ধীৰেশ্বৰ ভট্টাচাৰ্য আৰু অম্বিকাগিৰী। এওঁলোকে সেৱা সংঘতে মনপুতি লাগি অসমৰ পৰা বৃটিশ শাসন উচ্ছেদ কৰি দেশ স্বাধীন কৰাত ব্ৰতী হৈছিল।"

এইটোৱে সূচায় যে অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ মনত উদয় হোৱাৰ আগতেই ছাত্ৰসকলৰ মনতহে দেশ মাতৃকাৰ স্বাধীনতাৰ প্ৰতি ইচ্ছা-আকাংক্ষা তথা উদ্যম জাগি উঠিছিল। অম্বিকাগিৰীয়ে ৰচনা কৰা বিপ্লৱী নাটক বন্দিনী ভাৰত গুৱাহাটীৰ গৱৰ্ণমেণ্ট স্কুলত শ্ৰীপঞ্চমী পূজা উপলক্ষে ৰক্তিম, ত্ৰিগুণা, পীতাম্বৰ, বিনন্দ, বালেক আৰু নিজকে নিজে মঞ্চস্থ কৰি যথেষ্ট আলোড়ণৰ সৃষ্টি কৰিছিল। অভিনয় সমাপ্ত হোৱাৰ লগে লগে নাটকৰ কিছু অংশ পুলিচে হস্তগত কৰে।"

বঙ্গভঙ্গ আন্দোলনৰ সময়ত বঙ্গত স্কুল-কলেজীয়া ছাত্ৰৰ মাজত অনুশীলন সমিতি নামে এক এনাৰ্কিষ্ট দলৰ সংগঠন গঢ়ি উঠে। বাৰীন্দ্ৰ ঘোষ, উল্লাষকৰ দত্ত, প্ৰফুল্ল চাকী, ক্ষুদিৰাম বসু, বীৰেন্দ্ৰ নাথ ঘোষ, নৰেন্দ্ৰ নাথ বক্সী আদি এনাৰ্কিষ্ট তথা সন্ত্ৰাসবাদী দলৰ কৰ্মকৰ্তা আছিল। গোবিন্দ লাহিড়ীয়ে অম্বিকাগিৰীক বঙ্গীয় ছাত্ৰ সকলৰ আৰ্হি- আদৰ্শত অসমতো সন্ত্ৰাসবাদী দল খুলিবলৈ পৰামৰ্শ দিছিল। অম্বিকাগিৰীও এই দিশত উৎসাহী আছিল।

কিন্তু সেৱক সংঘৰ কেপ্টেইন নিধিৰাম দাসে এই দিশত বাধা প্ৰদান কৰিলে। তেওঁ ক'লে," "ঐ অম্বিক / বাটোৰ বেচু কটিত ঘুঁহি মোৰ্বা অলছাহ্, তহাতো মোৰ্বি। আমাক মাৰ্বি। কেনেখনো তেনে কাম নকৰ্বি।" কিন্তু বিনন্দ, ত্ৰিগুণা, ৰক্তিম, পীতাম্বৰ, বালেক আৰু অম্বিকাগিৰীয়ে পণ লাগি "অসমৰ পৰা বৃটিছক উচ্ছেদ" কৰিবলৈ, অসমক পূৰ্ববঙ্গৰ লগত সাঙুৰি দিয়াৰ বিৰুদ্ধে স্বাধীনভাৱে এনাৰ্কিষ্ট দল গঠন কৰাৰ কামত লাগি যায়।" কেশৱ নাৰায়ণ দত্তই কৈছে," "Ambikagiri Roychoudhury, Bishnuram Medhi, Triguna Barua,Raktim Bora and some other youngmen then, seem to have come under the spell of anarchism for sometime".

অসমীয়া ছাত্ৰৰ দ্বাৰা গঠিত এই এনাৰ্কিষ্ট দলৰ উদ্যোগত দীঘলী পুখুৰী পাৰৰ ইংৰাজ চাহাব-মেমসকলৰ প্ৰমোদ গৃহ "আনন্দ বাংলা"টো অগ্নি সংযোগ কৰি ধ্বংস কৰা হয়।" এই কাৰ্যৰ বাবে প্ৰয়োজন হলে আদালতত উক্ত এনাৰ্কিষ্ট সকলৰ পক্ষ

সমৰ্থন কৰিবলৈ নবীন চন্দ্ৰ বৰদলৈ আৰু উপেন্দ্ৰ নাথ সেনে আশ্বাস দিছিল। দলটোক পুলিচৰ হাতৰপৰা ৰক্ষা কৰিবৰ বাবে বিনন্দ, ৰতিম, ত্ৰিগুণা আৰু পীতাম্বৰৰ ওপৰত চোৰাংচোৱাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। সি যি কি নহওক, এই এনাৰ্কিষ্ট দল গঠনত প্ৰধান ভূমিকা লোৱাত অম্বিকাগিৰীৰ ওপৰত পুলিচৰ ৰোষ দৃষ্টি পৰে আৰু ফলত তেওঁ ৰৰপেটাত অন্তৰীণ হৈ থাকিবলগীয়া হয়।

১৯০৬ চনত অম্বিকাগিৰীয়ে পূৰ্ববঙ্গ আৰু অসমৰ দুৰ্দ্দলীয়া লাট বেমফিল্ড ফুলাৰৰ প্ৰাণ নাশ কৰিবলৈ শ্বিলং - গুৱাহাটী পথত যোৱাবাটৰ ওচৰত ডিনামাইট বহুৱাইছিল। সদানন্দ চলিহাই উল্লেখ কৰিছে " যে অম্বিকাগিৰী সেই সময়ত বঙ্গৰ 'অনুশীলন সমিতি'ৰ সদস্যভুক্ত হৈছিল আৰু লগতে "বাৰীন ঘোষক ৰাজনৈতিক গুৰু হিচাপে"গ্ৰহণ কৰিছিল। ফুলাৰক হত্যা কৰিবলৈ কৰা চেষ্টাৰ সময়ত অম্বিকাগিৰীৰ সহযোগী আছিল সুৰেন্দ্ৰ দাসগুপ্ত নামৰ এজন বঙালী সন্ত্ৰাসবাদী। কিন্তু অম্বিকাগিৰীহঁতৰ এই চেষ্টা ব্যৰ্থ হোৱাত দাসগুপ্ত বোলাজন পুলিচৰ হাতত ধৰা পৰে আৰু অম্বিকাগিৰীয়ে ভালেমান দিনলৈ "দীঘাই কলিতা"ৰূপে লোকৰ ঘৰত কাম-বন কৰি ফুৰা দিন হাজিৰা কৰা মানুহৰ দৰে অনাই-বনাই আত্মগোপন কৰি কটাইছিল।

সি যি কি নহওক, বঙ্গভঙ্গ আন্দোলনৰ কালছোৱাত বঙ্গদেশত স্কুল-কলেজ সমূহ বিদ্ৰোহী সংগঠনৰ কেন্দ্ৰত পৰিণত হৈছিল। ৰাম গোপালে কৈছে, " The secondary English schools and in a lesser degree the colleges of Bengal were regarded by the revolutionaries as their most fruitful recruiting centres " তেওঁলোকে মুখ্যতঃ বৃটিশ শাসনকৰ্তাসকলক হত্যা কৰি দেশৰ স্বাধীনতা লাভৰ পথ নিষ্কণ্টক কৰিব বিচাৰিছিল। এই আদৰ্শকে অসমত অম্বিকাগিৰীয়েও অনুসৰণ কৰিছিল।

অকল দেশৰ ভিতৰতেই নহয় আনকি শ্যামজী কৃষ্ণ ভাৰ্মা নামে এজন বিদ্ৰোহীৰ চেষ্টাত ইংল্যাণ্ডত ভাৰতীয় ছাত্ৰ কিছুমানক লৈ "মিত্ৰমেলা"ৰ দৰে বিদ্ৰোহী ছাত্ৰ সংগঠন গঢ়ি তোলাও সেই সময়ত সম্ভৱ হৈ উঠিছিল। ১৯০১ চনত ৰাণী ভিক্টোৰিয়াৰ মৃত্যুত শোক প্ৰকাশ কৰা আৰু ৰজা এডৱাৰ্ডৰ প্ৰতি আনুগত্য প্ৰকাশ কৰাটো উচিত নে অনুচিত হ'ব সেই লৈ আলোচনা কৰিবলৈ আহ্বান কৰা মিত্ৰ- মেলাৰ সভা এখনত কলেজীয়া ছাত্ৰ বিনায়ক দামোদৰ চাভাৰকাৰে বীৰত্বব্যঞ্জক ভাষাত সকলোকে স্তম্ভিত কৰি কৈছিল, 'England's Queen or King is the Queen or King of our enemies. To declare our allegiance to such a Queen or King is not allegiance It will be the bible of Slavery "

লণ্ডনস্থ ভাৰতীয় ছাত্ৰসকলৰ কাৰ্য- কলাপত বৃটেইনৰ ৰাজনীতিবিদ আৰু বাতৰি কাকতৰ মালিক আৰু লগতে সাংবাদিকসকল শঙ্কিত হৈ পৰিছিল। ***Standard*** কাকতে লিখিছিল," It is beyond question that not a few of the highly intelligent Indians in our Universities and reading for the Bar are striving their utmost by such means, particularly to accustom the minds of young rising generation to the

idea of an armed revolt."

ছাত্ৰসকলৰ এই আন্দোলনমুখী ৰাজনীতিৰ প্ৰতি অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ যে কোনো সমৰ্থন তথা সহানুভূতি নাছিল সেইটো লক্ষ্মীনাথ বেজবৰুৱা [২৮] আৰু পদ্মনাথ গোহাঞিবৰুৱা [২৯] আদিৰ লিখনীত প্ৰকাশ পাইছে। লক্ষ্মীনাথ বেজবৰুৱাই 'বন্দে মাতৰম' গীতৰ ৰচক বঙ্কিম চন্দ্ৰ চেটাৰ্জীক "বেকাঁ চন্দ্ৰ " বুলি উপলুঙা কৰিছিল।[৩০] অৱশ্যে এইটো ঠিক যে সুস্থ ৰাজনৈতিক মতাদৰ্শ অবিহনে কেৱল সন্ত্ৰাসবাদেৰে পৰাধীন দেশৰ মুক্তি সম্ভৱ নহয়। কিন্তু তথাপিও অসমত যিসকল ছাত্ৰই দেশমাতৃকাৰ বন্ধন মুক্তিৰ আন্দোলনত আগভাগ লৈছিল সেইসকল ছাত্ৰ মধ্যবিত্ত শ্ৰেণীৰ সহানুভূতিৰপৰা বঞ্চিত হোৱাটো তাৎপৰ্যপূৰ্ণ ঘটনা।

১৯০৭ চনত চুৰাটত নৰমপন্থী আৰু চৰমপন্থীসকলৰ মাজত কংগ্ৰেছৰ বিভাজন সম্পাদিত হয়। বাল গঙ্গাধৰ তিলক আছিল চৰমপন্থীসকলৰ নেতা। নৰমপন্থীসকলৰ অন্যতম নেতা গোপালকৃষ্ণ গোখলে ছাত্ৰসকলে ৰাজনীতিত অংশ গ্ৰহণ কৰাটোৰ বিৰোধিতা কৰিছিল। তেওঁ কৈছিল,[৩১] " The active participation of students in political agitation really tends to lower the dignity and the responsible character of public life and impair its true effectiveness."

১৯০৬ চনত কলিকতা কংগ্ৰেছৰ সভাপতি দাদাভাই নৌৰজীয়ে ছাত্ৰসকলক ৰাজনৈতিক শিক্ষাৰপৰা বঞ্চিত কৰাৰ বাবে আক্ষেপ কৰাৰ বিষয়ে ৰাম গোপালে এইদৰে উল্লেখ কৰিছে,[৩২] " He said the children at school or college were not told anything about India's economic condition. How this condition had deteriorated under British rule should form part of the national education. The text books conspicuously missed lessons on patriotism "

বঙ্গভঙ্গ আন্দোলনৰ সময়ছোৱাত সৰ্বভাৰতীয় ছাত্ৰসকলৰ ৰাজনৈতিক চিন্তা-চৰ্চাৰ লগত সংগতি ৰাখিয়েই অসমতো ছাত্ৰসকলে পৰপদানত দেশমাতৃকাৰ মুক্তি পিয়াসী সংগ্ৰামত লিপ্ত হৈ পৰিছিল। বঙ্গভঙ্গ আন্দোলনৰ সময়তেই (সংখ্যাত তাকৰ হলেও) অসমীয়া ছাত্ৰৰ এটা সংগঠিত দলে পূৰ্বসূৰী ছাত্ৰসকলৰ আপোচ কামী ৰাজনীতিৰ বিপৰীতে আপোচবিহীন আৰু সংগ্ৰামমুখী ৰাজনৈতিক ভাবমূৰ্তি এটা পোন প্ৰথমবাৰৰ বাবে অসমীয়া ছাত্ৰৰ আগত দাঙি ধৰিছিল। এইসকল ছাত্ৰই স্বাধীনতা আন্দোলনৰ পৰৱৰ্তী স্তৰসমূহত ছাত্ৰসকলৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি আন্দোলনৰ গণভিত্তি প্ৰস্তুত কৰা আৰু তাৰ পৰিসৰ বৃদ্ধি কৰাত সহায় কৰিছিল। আন্দোলনৰ পৰৱৰ্তী কালৰ নেতৃত্বও আহিছিল সেই পূৰ্বসূৰী ছাত্ৰনেতাসকলৰ মাজৰপৰাই ।

১৯১১ চনত বৃটিশ চৰকাৰে বঙ্গভঙ্গ আঁচনি ৰদ কৰি পূৰ্বৰ অৱস্থা বাহাল ৰখাত ইয়াক কেন্দ্ৰ কৰি আৰম্ভ হোৱা আন্দোলনৰ সফল পৰিসমাপ্তি ঘটে যদিও ভাৰতৰ স্বাধীনতা আন্দোলনে ইয়াৰ পিছৰপৰাহি এটা সুসংহত ৰূপ লাভ কৰে। অৱশ্যে প্ৰথম বিশ্ব যুদ্ধৰ সময়ত বৃটিশ সাম্ৰাজ্যবাদক ধন জনেৰে সহায় দি ভাৰতবৰ্ষৰ বাবে

ঔপনিবেশিক স্বায়ত্ত শাসন (Dominion Status) লাভৰ বাবেহে কংগ্ৰেছী নেতৃবৃন্দ আগ্ৰহশীল আছিল। এই সময়ছোৱাত ভাৰতীয় জাতীয় কংগ্ৰেছৰ বুৰ্জোৱা নেতৃবৃন্দ বৃটিশৰ উদাৰনীতিবাদ আৰু ন্যায়পৰায়নতাৰ প্ৰতি অত্যন্ত আস্থাশীল হৈ পৰিছিল আৰু নিজৰ শ্ৰেণী-স্বাৰ্থৰ অনুকূলে ঔপনিবেশিক স্বায়ত্ত শাসন বিচাৰি শাসকৰ সমতুল হোৱাৰ অলীক সোপান দেখিছিল।

যুদ্ধকালিন এই সময়ছোৱাতে, ১৯১৬ চনত, অসম ছাত্ৰ সন্মিলন গঠিত হয়। প্ৰাদেশিক ভিত্তিত গঠিত হোৱা এইখনেই হ'ল ভাৰতবৰ্ষৰ ভিতৰতে দ্বিতীয় ছাত্ৰ সন্মিলন। প্ৰথমখন হ'ল ১৯০৬ চনত সংগঠিত বিহাৰী ছাত্ৰ সন্মিলন।[illegible] গতিকে "ভাৰতবৰ্ষৰ ভিতৰত প্ৰথম ৰাজ্যিক (প্ৰাদেশিক) ভেটিত সন্মিলিত সকলো ছাত্ৰৰে এটি অনুষ্ঠান গঢ়ি উঠে প্ৰথম অসমতে" বুলি কৰা ৰজনীকান্ত গোস্বামীৰ[illegible] দাবী সঁচা নহয়। সন্মিলনৰ উদ্যোক্তাসকলে ইয়াক প্ৰথমতে ছাত্ৰৰ সাহিত্য সন্মিলন হিচাপে সংগঠন কৰাৰ চেষ্টা কৰিছিল।

১৯১৫ চনত বৰ্দ্ধমানত অনুষ্ঠিত হোৱা বঙ্গীয় সাহিত্য সন্মিলনৰ অষ্টম অধিৱেশনত চন্দ্ৰনাথ শৰ্মা, সৰ্বেশ্বৰ শৰ্মা কটকী, হৰমোহন দাস আদি অসমীয়া ছাত্ৰই যোগদান কৰে। এই সন্মিলনে অসমতো এক অনুষ্ঠান গঢ়াৰ বাবে তেওঁলোকক অনুপ্ৰেৰণা যোগায়। এই ছাত্ৰকেইজনে ধীৰেশ্বৰ ভট্টাচাৰ্য, গণেশ চন্দ্ৰ হাজৰিকা, জ্ঞাননাথ বৰা আদি ছাত্ৰৰ লগ হৈ ১৯১৬ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা "আসাম এডুকেচনেল কনফাৰেঞ্চ" উপলক্ষে সমবেত হোৱা শিক্ষাবিদ সকলৰ পৰামৰ্শ সাপেক্ষে অসমত এখন ছাত্ৰ সন্মিলন গঠন কৰে তেতিয়াৰ কাৰ্জন হলত এখন সভা আহ্বান কৰে। এই সভাৰ উদ্যোক্তাসকলে তদানীন্তন অসম উপত্যকাৰ শিক্ষা বিভাগৰ পৰিদৰ্শক স্মল চাহাবৰ সহানুভূতি লাভ কৰিছিল। সভাত সন্মিলন গঠন সম্পৰ্কে কিন্তু খাটাং সিদ্ধান্ত নহ'ল।[illegible] গুৱাহাটীৰ মুখিয়াল লোকসকলেও এনে এটা প্ৰচেষ্টাত সহৃদয়তা স্থাপন কৰিব পৰা নাছিল।

ইয়াৰ পাছত গুৱাহাটীৰ এ এছ.এল. ক্লাবৰ উদ্যোগত কটন কলেজৰ জ্যেষ্ঠ ছাত্ৰসকলক লৈ অনুষ্ঠিত হোৱা সভাত সন্মিলন গঠন কৰা সম্পৰ্কে জুকিয়াই চাই প্ৰতিবেদন দাখিল কৰিবলৈ এটি সমিতি গঠন কৰি দিয়ে। সমিতিৰ সদস্যসকল আছিল,-চন্দ্ৰনাথ শৰ্মা, জ্ঞাননাথ বৰা, সৰ্বেশ্বৰ শৰ্মা কটকী, সোনাপতি দেৱশৰ্মা, ধীৰেশ্বৰ ভট্টাচাৰ্য, ক্ষেত্ৰধৰ বৰগোহাঁই, পদ্মধৰ চলিহা, হেৰম্ব প্ৰসাদ বৰুৱা, চন্দ্ৰকান্ত সন্দিকৈ, হেৰাছতউল্লা আৰু দৈৱচন্দ্ৰ তালুকদাৰ আদি।[illegible]

কলিকতাৰ এ.এছ.এল.ক্লাবৰ সদস্যসকলে ইতিমধ্যে বিহাৰী ছাত্ৰ সন্মিলনৰ অনুপ্ৰেৰণা লাভ কৰি অসমতো প্ৰাদেশিক ভিত্তিত ছাত্ৰ সন্মিলন গঠনত উৎসাহী হৈ পৰিছিল। অম্বিকানাথ বৰা, বাণীকান্ত কাকতি, লক্ষ্মীনাথ দাস, কৃষ্ণকান্ত সন্দিকৈ আৰু ৰাজেন্দ্ৰনাথ বৰুৱা আদি কলিকতীয়া ছাত্ৰসকলৰ উৎসাহ- উদ্দীপনা পাই গুৱাহাটীৰ এ.এছ.এল. ক্লাবৰ সদস্যসকলে চন্দ্ৰনাথ শৰ্মাক সম্পাদক নিযুক্ত কৰি প্ৰস্তাৱিত "অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলন"ৰ প্ৰথম অধিৱেশন গুৱাহাটীত পাতিবলৈ সিদ্ধান্ত লয়।[illegible]

অসম ছাত্ৰ সন্মিলনৰ উৎপত্তি সম্পৰ্কে পদ্মধৰ চলিহাই লিখিছে,** "কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰসকলৰ মনত খেলালে যে অসমৰ ছাত্ৰসকলৰ এটি অনুষ্ঠান লাগে। নবীন বৰদলৈ ভাওৰীয়াৰ কলিকতাৰ হেৰিচন ৰ'ডৰ বহাত এখন চাহৰ মেলা পতা হ'ল। তাতে স্থিৰ হ'ল অসমীয়া ছাত্ৰৰ এখন সন্মিলন গঠন কৰিবলৈ। তাৰ ভাৰ দিলে মোৰ ওপৰত। মই কলিকতাত থাকি সংগঠন কৰাটো সম্ভৱপৰ নহব বুলি সেইতাৰ ইচ্ছাৰ বিৰুদ্ধে কলিকতাৰ পৰা অসমলৈ আহি গুৱাহাটীৰ আৰ্ল ল' কলেজত নাম লগাই অসমৰ সকলো শিক্ষানুষ্ঠানৰ লগত যোগাযোগ কৰিলোঁ। এদিন কাৰ্জন হলত (এতিয়া নবীন বৰদলৈ হল) একতা সভাৰ অধিবেশনত পোন প্ৰথম অসমীয়া হেড মাষ্টৰ বায়েশ্বৰ বৰুৱা ভাওৰীয়াৰ সভাপতিত্বত অসমৰ শিক্ষাবিদ আৰু ছাত্ৰ - ছাত্ৰীসকলৰ এখন বিৰাট সভা পাতি গুৱাহাটীতে "অসম ছাত্ৰ সাহিত্য সন্মিলন" সোনকালে পাতিবলৈ স্থিৰ কৰা হ'ল। তাৰ অভ্যৰ্থনা সমিতিৰ সভাপতি হ'ল চন্দ্ৰনাথ শৰ্মা আৰু প্ৰধান সম্পাদক মই।"

অসম ছাত্ৰ সন্মিলনৰ জন্ম সম্পৰ্কে সাহিত্যিক দণ্ডিনাথ কলিতাই লিখিছে,** "১৯১৬ চনৰ ডিচেম্বৰত "আসাম এচোচিয়েশ্যন" গুৱাহাটীত বহাৰ কথা হ'লত, তাৰ নিমিত্তে দিনে - ৰাতিয়ে পৰিশ্ৰম কৰোঁতে আকৌ চন্দ্ৰনাথৰ সাহিত্য সন্মিলনৰ কথা মনত পৰিল, কিন্তু তাত যে প্ৰবীণ সাহিত্যিক সকলে পোন পটিয়ে যোগ নিদিয়ে, সেইটো তেওঁ ভালকৈ জানিছিল। সেই কাৰণে ছাত্ৰৰ ভিতৰতে এই সন্মিলন পাতিবলৈ তেওঁ সংকল্প কৰিলে। চন্দ্ৰনাথে তেওঁৰ দুই এজন বিশিষ্ট বন্ধুৰ লগত পৰামৰ্শ কৰি গুৱাহাটীৰ একতা সভাত এই বিষয়ে প্ৰস্তাৱ তুলিলে। প্ৰস্তাৱটো সকলো সমজুৱাই সাদৰেৰে গ্ৰহণ কৰিলে। তেতিয়া সেই কথা গুৱাহাটী আৰু কলিকতাৰ ছাত্ৰসকলক জনোৱা হ'ল আৰু সকলোৱে তাক সমৰ্থন কৰিলে। এইদৰে সকলো ফালৰ পৰা সহানুভূতি পাই একতা সভাৰ অধিবেশনতে আসাম এচোচিয়েশ্যনৰ মণ্ডপত ১৯১৬ চনৰ ২৫ ডিচেম্বৰ দিনা "অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলন"ৰ প্ৰথম প্ৰতিষ্ঠা হয়। এই সন্মিলনৰ সভাপতি আছিল সাহিত্যাকাশৰ উজ্জ্বলতম নক্ষত্ৰ শ্ৰদ্ধাস্পদ শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ভাওৰীয়া আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি হৈছিল চন্দ্ৰনাথ শৰ্মা।"আকৌ "অসমীয়া ছাত্ৰৰ সাহিত্য সন্মিলন" নামেৰে অনুষ্ঠিত হৈছিল যদিও ছাত্ৰৰ কাৰ্য অকল সাহিত্যতে আবদ্ধ নাথাকি বহুমুখী হোৱা উচিত ভাবি 'সাহিত্য' শব্দটি বাদ দিয়া হয়। মূল সভাৰ সভাপতি লক্ষ্মীনাথ বেজবৰুৱাইও সেইটো সমৰ্থন কৰাৰ লগতে তেওঁৰ লিখিত অভিভাষণতো "আসাম ছাত্ৰ সন্মিলন"বুলি লিখিছিল।**

সি যি কি নহওক, অসম ছাত্ৰ সন্মিলনৰ সংগঠনত দুখন প্ৰান্তীয় অনুষ্ঠানৰ প্ৰভাৱ তথা অনুপ্ৰেৰণা আছিল, তাৰে এখন হ'ল বঙ্গীয় সাহিত্য সন্মিলন আৰু আনখন বিহাৰী ছাত্ৰ সন্মিলন। অসম ছাত্ৰ সন্মিলনৰ নিয়মাৱলীখন বিহাৰী ছাত্ৰ সন্মিলনীৰ আহিতে ৰচনা কৰি প্ৰথম অধিৱেশনতে গৃহীত কৰা হৈছিল। ঊনবিংশ শতিকাৰ শেষ ভাগত কলিকতীয়া অসমীয়া ছাত্ৰসকলে যেনেকৈ সাহিত্য সাধনাৰ উদ্দেশ্যে অ.ভা.উ. সা.সভাৰ সৃষ্টি কৰিছিল ঠিক একেই উদ্দেশ্যেৰেই বিংশ শতিকাৰ দ্বিতীয় দশকতো অসমীয়া ছাত্ৰসকলে সাহিত্য চৰ্চা তথা সাধনাকে মুখ্য উদ্দেশ্য কৰি অসম ছাত্ৰ

*সন্মিলনৰ সংগঠন গঢ়ি তুলিছিল।*

*দেশৰ স্বাধীনতাৰ প্ৰতি এই সংগঠক ছাত্ৰসকল উদাসীন আছিল বুলি প্ৰতীয়মান হয়। প্ৰায় বৃটিশ ভক্ত ব্যক্তিসকলেই এই অনুষ্ঠানৰ নেতৃত্বত থাকি গুৰি ধৰাত ৰাজনৈতিক চিন্তা-চৰ্চা তথা আলোচনা-বিলোচনা ইয়াৰ নিয়মীয়া কাৰ্যসূচীৰ বহিৰ্ভূত বুলি পৰিগণিত হৈছিল। প্ৰথম অধিৱেশনতেই অভ্যৰ্থনা সমিতিৰ সভাপতি চন্দ্ৰনাথ শৰ্মাই কৈছিল,[৬] "প্ৰকৃত কামৰ (substantial work) সম্বন্ধেও অসমীয়া ছাত্ৰৰ কৰিবলৈ বহুত আছে। তাৰ অনেকাংশ ছাত্ৰৰ পৰা নহলে আনৰপৰা সহজে হোৱা টান, বৰঞ্চ নোহোৱাই সম্ভৱ। তেনে কামৰ ভিতৰত পুৰণি পুথি সংগ্ৰহেই এটা প্ৰধান। গৱৰ্ণমেণ্ট বাহাদুৰৰ অনুগ্ৰহত ধোৱা চাওত আলাক্ষুৰে থোৱা আৰু ডেকুৰা বহুত মূল্যবান পুৰণি পুথি সংগ্ৰহ হৈছে, কিন্তু তেনে দহ গুণ পুৰণি অমূল্য গ্ৰন্থ এতিয়াও আন্ধাৰতে পৰি নষ্ট হ'ব লাগিছে।. অসমীয়া বৰগীত, দেহবিচাৰৰ গীত, গৰখীয়া গীত, আইনাম, বিয়ানাম, ধাইনামবোৰ সংগ্ৰহ কৰি প্ৰকাশ কৰিলে আমাৰ সাহিত্যত নতুন সৃষ্টি হ'ব অতি উপাদেয় গ্ৰন্থ হ'ব। গতিকে অসমীয়া ছাত্ৰৰ যদি অসমীয়া ভাষাৰ প্ৰতি বিশেষ কিবা কৰ্তব্য আছে, সি এই জাতীয় বস্তুখিনি সংগ্ৰহ কৰি ৰক্ষা কৰা। ইয়াৰ বাহিৰে অসমৰ ইতিহাস আৰু প্ৰত্নতত্ত্বৰ বিষয়ে ছাত্ৰসকলে ইচ্ছা কৰিলে যথেষ্ট কৰিবলৈ আছে।"*

**এইদৰে দেখা যায় অসম ছাত্ৰ সন্মিলনৰ সংগঠনৰ অন্তৰালত আছিল দেশৰ অতীত গৌৰৱ উদ্ধাৰ, তাৰ প্ৰচাৰ, আৰু সাহিত্য প্ৰীতি, চৰ্চা আৰু ভাষা প্ৰেম।*

*তেনে হোৱাৰো এটি ঐতিহাসিক কাৰণ আছিল। বৃটিশে অসম লোৱাৰ প্ৰায় ৮/১০ বছৰৰ ভিতৰতে সেই চৰকাৰে অসমৰ পঢ়াশালি আৰু আইন-আদালতৰপৰা অসমীয়া ভাষা আঁতৰাই সকলোতে ১৮৩৬ চনৰপৰা কাৰ্যকৰী হোৱাকৈ বাংলা ভাষা প্ৰৱৰ্তন কৰি অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ বাবে এক ভীষণ সংকটৰ সৃষ্টি কৰিছিল। এই ব্যৱস্থা ১৮৭৩ চনলৈ অপৰিবৰ্তিত আছিল। সেই সময়তে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি মৰকুটীয়া অৱস্থা প্ৰাপ্ত হয় আৰু তেতিয়াই অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি চিৰদিনৰ বাবে লুপ্ত হোৱাৰ আশংকাই দেখা দিছিল আৰু এই ভীতিয়ে অসমীয়া মানুহক আজিকোপতি জুৰুলা কৰি আহিছে।*

*এই ভীতিৰ কাৰণেই আনকি ঊনবিংশ শতিকাৰ শেহছোৱা আৰু বিংশ শতিকাৰ দোকমোকালিতে অসমত যি জাতীয়তাবাদী মতাদৰ্শ গঢ়ি উঠিবলৈ লৈছিল সি ভাষিক জাতীয়তাবাদ ৰূপেহে আত্ম প্ৰকাশ কৰিছিল। দাৰ্শনিক পণ্ডিত ভবানন্দ দত্তই সেই তাহানিতেই কৈ গৈছে যে অসমৰ ভাষা সমস্যাটো ইমান জটিল আৰু বিপদাপন্ন আছিল যে বাণীকান্ত কাকতিৰ দৰে পণ্ডিতে তেওঁৰ জীৱন জোৰা সাধনাক কেৱল অসমীয়া ভাষাৰ স্বকীয়তা স্থাপন কৰোতেই নিপাত কৰিলে। তেখেতৰ কথাৰে ক'বলৈ হলে,[১১] "... এক কথাত ভাষাৰ সমস্যা ইমান তীব্ৰ আছিল যে অসমীয়া পণ্ডিতসকলে সাহিত্য, কলা, দৰ্শন আদিৰ তত্ত্বমূলক চিন্তা কৰাটো প্ৰায় বিলাসিতাৰ নিচিনা আছিল। অসমীয়াৰ জাতীয় অস্তিত্বৰ লগত এই ভাষা সমস্যাটো এনেভাৱে জৰিত যে ডাঃ কাকতীয়ে ইয়াৰ অৰ্থে নিজৰ সৰ্বশক্তি নিয়োগ কৰি ইয়াক পূৰ্ণ প্ৰতিষ্ঠা দান কৰে। এইবোৰ সমস্যাতেই ইমান দিনে অসমীয়াৰ শক্তি আজিলৈকে নিয়োজিন (মূলৰ দৰে) হৈ আহিছে। আৰু*

সেই কাৰণে সৰ্বভাৰতীয় ক্ষেত্ৰত আৰু আন্তৰ্জাতিক ক্ষেত্ৰত যিবোৰ ভাৱধাৰাৰ উথল-মাথল সেইবোৰত অসমীয়াৰ ধী শক্তিয়ে অৰ্জিলে নিজক একাগ্ৰভাৱে নিয়োজিত কৰিব পৰা নাই।"

সেয়ে স্বাভাৱিকতে অসম ছাত্ৰ সন্মিলনয়েও সেই দিশতেই বহুলাংশে মনোনিবেশ কৰিবলৈ বাধ্য হৈছিল যেন লাগে আৰু সেইটো হৈছিলো। সন্মিলনৰ প্ৰস্তাৱ আৰু কাৰ্য বিৱৰণীৰ ওপৰত চকু ফুৰাই বিশ্বনাৰায়ণ শাস্ত্ৰীয়ে মন্তব্য কৰিছে," "প্ৰথম অধিবেশনৰ পৰা চতুৰ্দশ অধিবেশনলৈকে অসম ছাত্ৰ সন্মিলনে গ্ৰহণ কৰা প্ৰস্তাৱ সমূহ আৰু অধিবেশনৰ কাৰ্য বিৱৰণীত এবাৰ চকু ফুৰালে নিঃসন্দেহে বুজা যায় যে অসমীয়া সাহিত্য সম্পদশালী কৰিবলৈ ছাত্ৰ সন্মিলনে সমূহীয়াভাৱে চেষ্টা কৰাৰ লগতে সন্মিলনে ব্যক্তিগত প্ৰচেষ্টাতো উদ্গনি দিছিল।"সন্মিলনৰ এজন আগশাৰীৰ কৰ্মকৰ্তাই এই সন্মিলনৰ জৰিয়তে অসমীয়া সাহিত্যলৈ দিয়া বহুমূলীয়া অৱদানৰ কথা উল্লেখ কৰাৰ লগতে লিখিছে "যে ছাত্ৰ সন্মিলনত "তেতিয়া কোনো ৰাজনৈতিক দলাদলি বা অসূয়া-অপ্ৰীতি একো নাছিল।" কেশৱ নাৰায়ণ দত্তই মন্তব্য কৰিছে,"

" The students' conference was not however a political association and politics was none of its business "

অসম ছাত্ৰ সন্মিলনৰ প্ৰথম গুৱাহাটী অধিৱেশনৰ সভাপতি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ অভিভাষণত ছাত্ৰসকল ঈশ্বৰ বিশ্বাসী অৰ্থাৎ ভাৰৎ চিন্তাত নিবিষ্ট আৰু নৈতিক চৰিত্ৰ গঠনত ব্ৰতী হোৱাটোত জোৰ দিছিল। বঙ্গদেশৰ স্কুল-কলেজৰ দৰে অসমীয়া ছাত্ৰসকল যাতে বিদ্ৰোহাত্মক ৰাজনীতিৰ সংশ্ৰৱলৈ নাহে তাৰ বাবে তেওঁ সতৰ্কবাণী শুনাইছিল। বৈদিক যুগীয়া শিক্ষা ব্যৱস্থাৰ ঠাইত বৃটিশে প্ৰৱৰ্তন কৰা পাশ্চাত্যৰ শিক্ষা ব্যৱস্থাকে বেজবৰুৱাই কলিকতীয়া ছাত্ৰসকলৰ মাজত দেখা দিয়া বিদ্ৰোহাত্মক ৰাজনীতিৰ বাবে দোষাৰোপ কৰিছে। দেশমাতৃকাৰ মুক্তি পিয়াসী ভাৰতীয় ছাত্ৰৰ স্বাধীনতা স্পৃহাক হেয় প্ৰতিপন্ন তথা তুচ্ছ তাচ্ছিল্য কৰাৰ অন্তৰালত যে বেজবৰুৱাৰ অন্তৰৰ অন্তস্থলীত বৃটিশৰ প্ৰতি ৰাজভক্তি খুন্দখাই আছিল সেইটো পৰিস্ফুট হৈ পৰিছে।

ছাত্ৰসকলৰ স্বাধীনতা স্পৃহা বেজবৰুৱাৰ দৰে এজন আগশাৰীৰ স্বদেশানুৰাগী সাহিত্যিকৰ মনন-চিন্তনত হৈ পৰিছিল "ৰাজবিদ্ৰোহ","ডকাইতি," "নৰ-হত্যা", "সৰ্বনশীয়া পাপ "। তেওঁ কৈছিল," "সকলোৱে দেখিছে যে বঙ্গদেশৰ স্কুল-কলেজৰ কিছুমান ছাত্ৰৰ ভিতৰত ৰাজবিদ্ৰোহ, ডকাইতি, নৰহত্যা ইত্যাদি ভীষণ চিন্তা আৰু কাৰ্যই ঠাই লৈছে। ঈশ্বৰক ধন্যবাদ যে আমাৰ অসমত আমাৰ অসমীয়া ছাত্ৰসকলৰ ভিতৰত সেই সৰ্বনশীয়া পাপ প্ৰৱেশ কৰা নাই। স্কুল-কলেজৰ ঈশ্বৰ বিবৰ্জিত শিক্ষাৰেই একৰকম ফল বুলি মোৰ মনে ধৰে। হিন্দুৰ ঘৰৰ, হিন্দু সমাজৰ সাত্ত্বিক শিক্ষাক, যি শিক্ষাই উঠোঁতে ঈশ্বৰক, বহোঁতে ঈশ্বৰক, শোওঁতে ঈশ্বৰক, খাওঁতে ঈশ্বৰক সোঁৱৰায়, যি শিক্ষাই পুৰণি বৈবাস্বত মনুৰ দিনৰে পৰা এতিয়ালৈকে হিন্দুৰ জীৱনৰ বীঘ বানি বৈ আহিছে তেনে শিক্ষাক সৰুৰে পৰা ডেকাসকলে মামৰে ধৰা পুৰণি আৰু বৰ্তমান কালৰ অনুপযোগী তামাদি বুলি ভাবি তাৰ পৰা আঁতৰ হৈ পৰিছে আৰু তেনে শিক্ষা পোৱা ককা, বুঢ়ী আই, দেউতাই, আইক ভীমকলৰ মধুনা নাইবা প্ৰেতমাহাৰ্ষ ককন অৰ্থাৎ বুঢ়ী

আইৰ লেটাগুটি বুলি মনৰ ভিতৰতে বা মুখ ফুটাই ভাবিছে আৰু ভাৱি পাশ্চাত্য শিক্ষাত শিক্ষিত হৈ পাশ্চাত্য সমাজ আৰু সভ্যতাকে নিখুঁত বুলি ধৰি লৈ—অথচ এবাৰো অকণোকে নেভাবে যে সকলো প্ৰকাৰে সেই শিক্ষা, সেই সভ্যতা আৰু দেশৰ ৰাজনীতি সাত্বিক প্ৰকৃতিৰ ভাৰতবাসীৰ আৰু যাইকে হিন্দুৰ প্ৰকৃতিৰে সৈতে মিলিবলে নিমিলে আৰু হিন্দুস্থানত সেই য়ুৰোপীয় ওক গছৰ পুলি বাঢ়িবলে নেবাঢ়ে।"

ছাত্ৰসকলক ৰাজনীতিৰ পৰা আঁতৰাই ৰাখিবলৈ যি বেজবৰুৱাই নিজে পৰোক্ষভাৱে বৃটিশৰ ৰাজভক্ত প্ৰজাৰ ৰাজনীতি কৰা নাছিলনে? গোপাল কৃষ্ণ গোখলেৰ অনুপ্ৰেৰণা আৰু নিৰ্দেশত গঠিত 'Servant of India Society'য়ে ৰাজনীতি কৰাৰ লগে লগে সমাজ সংস্কাৰৰ কামতো নিবিষ্ট হৈ পৰিছিল। ৰাজনীতি বাদ দি 'Servant of India Society'ৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ অসমীয়া ছাত্ৰসকলেও সমাজ সংস্কাৰমূলক কামত ব্ৰতী হোৱাটো বেজবৰুৱাই বাঞ্ছা কৰিছিল।" তেওঁ কৈছিল," "মহাত্মা গোখলেৰ "চাৰ্ভেণ্ট অৱ ইণ্ডিয়া চচাইটি"ৰ আহিত আপোনাসকলে, পলিটিক্সৰ কামলৈকো নগৈ, অন্ততঃ চাৰ্ভেণ্ট অৱ অসম চচাইটি এখন স্থাপন কৰি অসমীয়া গাঁৱলীয়া আৰু নগৰীয়া মানুহৰ ভালৰ নিমিত্তে যত্ন কৰিব নোৱাৰেনে?"

তৃতীয় অধিৱেশনৰ সভাপতি পদ্মনাথ গোহাঞিবৰুৱাই মহাত্মা গোখলেৰ দ্বাৰা প্ৰতিষ্ঠিত 'চাৰ্ভেণ্ট অৱ ইণ্ডিয়া চচাইটি' সন্মিলনৰ আহিঁ হোৱাটো বাঞ্ছনীয় বুলি উল্লেখ কৰিছিল।" গতিকে প্ৰাদেশিক ভিত্তিত সংগঠিত অসমৰ প্ৰথম ছাত্ৰ সংগঠন হলেও অসম ছাত্ৰ সন্মিলনক আৰু ইয়াৰ ভৱিষ্যতে অসমীয়া ছাত্ৰসকলক ৰাজনৈতিক আন্দোলনৰ কথা বাদেই ৰাজনৈতিক বিষয়ৰ আলোচনা- বিলোচনাৰ পৰাও নিৰাপদ দূৰত্বত ৰখাৰ বাবে অহৰহ চেষ্টা চলিছিল। সামগ্ৰিকভাৱে অসমীয়া মধ্যবিত্ত শ্ৰেণীটো এতিয়াও বৃটিশৰ প্ৰতি অনুৰক্ত হৈ থকাত সেই মধ্যবিত্ত শ্ৰেণীৰে পোষ্যপুত্ৰ অসম ছাত্ৰ সন্মিলনত ৰাজনীতি চৰ্চা কৰাটো নিষিদ্ধ হোৱাটো আছিল স্বাভাৱিক। প্ৰধানতঃ অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ আৰ্থ-সামাজিক ভিত্তিয়েই আছিল ছাত্ৰ সন্মিলনৰো আৰ্থ-সামাজিক ভিত্তি, নেতৃত্বও আহিছিল সেই শ্ৰেণীৰ পৰাই। ছাত্ৰ সন্মিলনৰ নিয়মাৱলীতো ছাত্ৰসকলে ৰাজনৈতিক বিষয়ৰ ওপৰত আলোচনা-বিলোচনা কৰাতো নিষেধ কৰা হৈছিল। নিয়মাৱলীৰ দুই নম্বৰ ধাৰাৰ দুই নম্বৰ উপধাৰত স্পষ্টকৈ কোৱা হৈছিল,"

"2. This Conference shall have nothing to do with any political propaganda or with political movement of any kind,. "

১৯২৭ চনৰ পৰা ১৯৩২ চনলৈ অসম ছাত্ৰ সন্মিলনৰ সম্পাদকৰ দায়িত্ব বহন কৰা ছাত্ৰ নেতা ৰজনীকান্ত গোস্বামীয়ে লিখিছে," "সন্মিলনীৰ নিয়মাৱলীৰ মতে সন্মিলনীয়ে ৰাজনৈতিক বিষয়ৰ আলোচনা কৰিব নোৱাৰিছিল যদিও আৰু এই নিয়ম পৰিবৰ্তনৰ বাবে প্ৰত্যেক বছৰেই বছেৰেকীয়া অধিৱেশনত তীব্ৰ সমালোচনা আদি হৈছিল যদিও, অৰাজনৈতিক অনুষ্ঠান হিচাপে চৰকাৰৰ পৰা বাধা নোপোৱাকৈ গঠনমূলক কামসমূহ ছাত্ৰ সন্মিলনীৰ কৰণীয় কাম হিচাপে কৰি যি থকাটোৱেই সন্মিলিত প্ৰতিনিধিবৰ্গই সাব্যস্ত কৰিছিল। অধিক সংখ্যক প্ৰতিনিধি স্বৰাজ অৱাপন্ন আছিল যদিও ১৯৩০ চনলৈকে অসম ছাত্ৰ সন্মিলনীয়ে ৰাজনৈতিক বিষয় আলোচনা কৰিব নোৱাৰা নিয়ম

অপৰিৱৰ্তিত ৰাখিছিল, কাৰণ ছাত্ৰ সন্মিলনীৰ শাখা সভাসমূহ হৈছিল অধিক সংখ্যক চৰকাৰী স্কুল- কলেজৰ ছাত্ৰসকলৰ দ্বাৰা গঠিত।"

দধি মহন্তৰ মতে "১৯১৬ চনৰপৰা চলিত অসম ছাত্ৰ সন্মিলন তেতিয়ালৈকে (১৯৩৬) প্ৰধানতঃ সাংস্কৃতিক হিচাপেহে আছিল বুলিলেও বেছি কোৱা নহয়। জাতীয় আন্দোলনৰ লগত ইয়াৰ কোনো প্ৰত্যক্ষ সম্পৰ্ক নাছিল।" তেতিয়া ছাত্ৰ সন্মিলনীৰ শাখা সভা অসমৰ চুকে কোণে প্ৰায় দুশমান আছিল আৰু সকলো শাখা সভাৰপৰা প্ৰতিনিধিয়ে বছৰেকীয়া অধিৱেশনত যোগ দিছিল।"

নিয়মাৱলীৰ বিৰোধীতা কৰি অসম ছাত্ৰ সন্মিলনৰ তৃতীয় ডিব্ৰুগড় অধিৱেশনৰ (ডিচেম্বৰ, ১৯১৮) সভাপতি সাহিত্যাচাৰ্য পদ্মনাথ গোহাঞিবৰুৱাই উদাহৰণসহ দেখুৱাই দিছিল যে ছাত্ৰসকলে ৰাজনীতি কৰিব লাগে," "অসম ছাত্ৰ সন্মেলনৰ নিয়মে দঢ়াই কৈছে যে সমাজত ৰাজনৈতিক বিষয়ক আলোচনা কৰিব নাপায়।... ছাত্ৰ জীৱনত ৰাজনৈতিকশিক্ষা লাভ নোহোৱাত অনন্তঃ অৰ আত্মসম্ৰাহী হ'ব নোৱাৰাত যে পিছৰ বুঢ়া শালিকা দেশ হিতৈষীয়ে ৰাজনৈতিক মাত ল'ব লগাত পৰে আৰু তাৰ ফলত সেই গুৰুতৰ বিষয়ে কেৰ ভাঙি কথা ক'ব নাজানি অনেকে অনেক বিধৰ প্ৰমাদ ঘটায়, এই কথা কোনে নাজানে? পিছে, ৰাজনীতি শিক্ষা কৰিলে ছাত্ৰ ধৰ্ম নষ্ট যোৱা নীতি প্ৰাচ্য নে পাশ্চাত্য। পাশ্চাত্য ৰাজনৈতিক পুৰুষৰ জীৱনী আলোচনা কৰি চালে জনা যায় যে সেইটো পাশ্চাত্য নীতি নহয়। হোৱা হলে সৰহ ক'ব নালাগে তাহানি ২৫ বছৰত মিঃ পিট চাহাবে বৃটিছৰজাৰ প্ৰধান মন্ত্ৰীৰ আসন লোৱা আৰু আজি মিঃ মন্টেগু চাহাবে ৩৭ বছৰত ভাৰতমন্ত্ৰীৰ বিষয় পোৱাটো সম্ভৱপৰ নহলহেঁতেন। আপোনাসকলে অৱশ্যে ক'ব পাৰে যে আপোনাসকলৰ দেশনেতা পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰ নিচিনা অসাধাৰণ ৰাজনৈতিক পুৰুষ উপজিছিল আৰু তেওঁ নিচেই ডেকাকালতে আহোমৰাজৰ প্ৰধান মন্ত্ৰীৰ বাব লৈ ৰাজনীতিৰ অসামান্য প্ৰতিভা প্ৰকাশ কৰিছিল। সেইটো সঁচা, কিন্তু বুঢ়াগোহাঁই ডাঙৰীয়াৰ কথা সুকীয়া। তেওঁ স্কুল কলেজ নেদেখা ছাত্ৰ। পুৰুষানুক্ৰমে ৰাজকীয় বিষয় বাব ভোগ কৰা অসম দেশৰ ৰীতিয়ে ল'ৰাকালতে তেওঁক ৰাজনীতি শিকিবলৈ সুবিধা দিছিল। কিন্তু 'বিদ্যালয় শিক্ষাৰ্থীদলত নামভুক্ত' মিঃ পিট চাহাবে স্কুল-কলেজত ৰাজনীতি শিকিছিল কাৰণেহে ছাত্ৰজীৱন পাৰ হোৱা মাত্ৰকে ৰাজনৈতিক শিক্ষাৰ মহলত যশস্যাৰে সৈতে উত্তীৰ্ণ হৈ ততালিকে জিলিকি উঠিব পাৰিছিল। মিঃ মন্টেগুৰ সহপাঠী ভাৰতীয় ছাত্ৰৰ মুখে শুনা যায় যে আণ্ডাৰ গ্ৰেজুৱেট কালতে তেওঁ ৰাজনৈতিক ক্ষেত্ৰত নামি দোপতদোপে উধাৱলৈ ধৰে।" লগতে তেওঁ আশা কৰিছিল যে "ভাৰতৰ স্কুল-কলেজীয়া ছাত্ৰকো ৰাজনৈতিক শিক্ষা দিয়াৰ ব্যৱস্থা দি এই দেশৰ ৰাজনৈতিক প্ৰমাদ গুচোৱা হ'ব। কাৰণ ছাত্ৰ জীৱন কঠিয়াতলী, তাত ৰাজনীতিৰ সঁচ নিসিচিলে সংসাৰ পথাৰত ৰুবলৈ সেই জাতৰ কঠিয়া ক'ৰ পৰা হ'ব? নহয় দেখিতো পৰৰ পথাৰৰ পৰা তাৰ লেতেৰি চপাই উৱাল বাঙ্কোতা ভাৰত সন্তানে ৰাজনৈতিক আন্দোলনত সততে প্ৰমাদ ঘটায়।"

বঙ্গীয় ছাত্ৰসকলৰ ৰাজনৈতিক কাৰ্য-কলাপক বেজবৰুৱাৰ দৰে গোহাঞিবৰুৱাইও গৰিহণা দিছে। তেওঁ সেইবিলাকক ৰাজদ্ৰোহ, ডকাইতি, পাপকাৰ্য

বুলি উল্লেখ কৰিছে।[৭]

ছাত্ৰসকলে বাৰু কি ধৰণৰ নতুবা কোন পক্ষৰ ৰাজনীতি কৰাতো গোঁহাঞিবৰুৱাই পছন্দ কৰিছিল? ছাত্ৰসকলৰ সন্মুখত তেওঁ যি ৰাজনৈতিক আৰ্দশৰ আঁৰিয়া ধৰিছিল সি আছিল আগে গুৰিয়ে ৰাজভক্ত প্ৰজাৰ ৰাজনীতিৰ আহি-আৰ্দশ তথা ভাৱোচ্ছ্বাস। তেওঁ কৈছিল,[৮] "ব্ৰহ্মাণ্ডৰ পতি যেনে ঈশ্বৰ, তেওঁৰ আহিৰেই তেওঁৰে সৃষ্ট ভূমণ্ডৰ পতি – ভূপতি। ঈশ্বৰ ভক্তি আৰু ঈশ্বৰ বিশ্বাসত যি দৰে চৰিত্ৰ সংগঠিত আৰু সংৰক্ষিত হয়, ৰাজভক্তি আৰু ৰাজবিশ্বাসতো সেইদৰে চৰিত্ৰ গঠিত আৰু ৰক্ষিত হয়। এই ৰাজভক্তি অসমীয়া ছাত্ৰ লৈ নতুন ভাৱ, নতুন কথা, নতুন ক্ৰিয়া নহয়; অসমীয়া ছাত্ৰই আজন্ম সেই গুণৰ গৰাকী হৈ আহিছে। সৰহ নহয়, এটা শতাব্দীও পূৰা হোৱা নাই, চাৰি কুৰিমান বছৰৰ আগতে মাথোন অসমীয়া ছাত্ৰৰ পিতৃ পুৰুষে ৰাজভক্তিৰ পৰাকাষ্ঠা দেখুৱাই গৈছে। "ৰজাৰ হৈ জীৱন আৰু ৰজাৰ হৈ মৰণ"—এনে ওখ ভাৱৰ গৰাকী ৰাজভক্ত প্ৰজা পৃথিৱীত অসমীয়াৰ সমনীয়া নাছিল বুলিলে বঢ়াই কোৱা নহয়। সেই অসমীয়া পিতৃ পুৰুষৰ, সেই অসমীয়া ৰাজভক্ত প্ৰজাৰ সতি- সন্তানৰ পক্ষে ৰাজভক্তি যে স্বভাৱত পৰিণত হোৱা এটা মহৎ গুণ, তাক কোৱা বাহুল্য মাথোন। এতেকে ছাত্ৰৰ সম্মিলিত শক্তিয়ে, নেদেখা ভাগত ঈশ্বৰ আৰু দেখা ভাগত ৰজা– এই দুই মহাশাসন শক্তিৰ অধীনে গন্তব্য বাটত সংযতভাৱে বাট পালে সংসাৰৰ অপায় অমঙ্গলে যে ভয় নাথাকে তাত সন্দেহ নাই।"

ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত যেতিয়া ছাত্ৰসকলে স্বাধীনতা আন্দোলনত জঁপিয়াই পৰিছিল, যি সময়ত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত " ... students have become self-appointed Home Rule missionaries"[৯] সেই সময়তে অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ আগশাৰীৰ মেলুৱে পদ্মনাথ গোঁহাঞিবৰুৱাই বুজাবলৈ চেষ্টা কৰিছিল ৰাজভক্তি অসমীয়া প্ৰজা আৰু তাৰ লগতে ছাত্ৰৰ বাপতি সাহোন।

---

সূত্ৰ নিৰ্দেশ

১ প্ৰফুল্ল দত্ত গোস্বামী, মানিক চন্দ্ৰ বৰুৱা, পৃ ৩২
২ H.K.Barpujari,ed., Political History of Assam, vol.I,p.116
৩ সবিতা সভা প্ৰকাশিত, জীৱনী-মালা, পৃ. ৫০; প্ৰফুল্লদত্ত গোস্বামী, প্ৰাগোক্ত গ্ৰন্থ, পৃ ৩০-৩১
৪ সবিতা সভা প্ৰকাশিত, প্ৰাগোক্ত গ্ৰন্থ, পৃ ৩০-৩১; প্ৰফুল্লদত্ত গোস্বামী, প্ৰাগোক্ত গ্ৰন্থ, পৃ ২৭-২৮
৫ বেণুধৰ ৰাজখোৱা, মোৰ জীৱন দাপোন, পৃ ১০৪, ২০৫
৬ ঐ
৭ লক্ষ্মীনাথ বেজবৰুৱা, অসম প্ৰকাশন পৰিষদ, পৃ.৬০
৮ প্ৰফুল্লদত্ত গোস্বামী, উল্লেখিত গ্ৰন্থ, পৃ ৩০-৩১
৯ বেণুধৰ ৰাজখোৱা, উল্লেখিত গ্ৰন্থ, পৃ.২০০; প্ৰফুল্লদত্ত গোস্বামী, উল্লেখিত গ্ৰন্থ, পৃ. ২৯

১০ বেণুধৰ ৰাজখোৱা, উল্লেখিত গ্ৰন্থ, পৃ. ২০১
১১ ঐ,পৃ২০২
১২ সবিতা সভা প্ৰকাশিত , উল্লেখিত গ্ৰন্থ, পৃ.৪৯-৫০; প্ৰফুল্লদত্ত গোস্বামী, উল্লেখিত গ্ৰন্থ,পৃ.৩০
১৩ Barpujari,ed.,op.cit.,pp.117-18;প্ৰফুল্লদত্ত গোস্বামী, উল্লেখিত গ্ৰন্থ, পৃ.৩১
১৪ Barpujari,ed., op.cit.p.118
১৫ Ibid.,p.119
১৬ Ibid.
১৭ Ibid.,p.120
১৮ দুৰ্গেশ্বৰ শৰ্মা, জীৱনী-চয়ন, প্ৰথম খণ্ড, পৃ. ৮৩; জীৱনী-সংগ্ৰহ, পৃ ২৮৯-৯০
১৯ আব্দুছ ছাত্তাৰ, কৃষ্ণকান্ত সন্দিকৈ, পৃ ৮৭
২০ ঐ, পৃ. ৮৮
২১ Report on Bengal and Assam, p.270
২২ Ram Gopal, How India Struggled for Freedom, p 144
২৩ Ibid.,p.141; Barpujari, ed op cit ,p 183
২৪ Ibid ,p.181
২৫ Report on Bengal and Assam,p 36
২৬ Ibid ,p 38
২৭ Ibid.,pp 40- 41
২৮ Ibid., p.255
২৯ Ibid.,p 41
৩০ Barpujari, ed., op cit , pp 182-83
৩১ Ibid.,p.184
৩২ Ram Gopal, op cit ,p.150, Bipan Chandra, Rise and Growth of Economic Nationalism in India, p.123
৩৩ Ibid.
৩৪ Ram Gopal, op.cit , pp 151-53
৩৫ Ibid.,pp.159-60
৩৬ Ibid.,p.153
৩৭ Barpujari,ed , op cit ,p 187
৩৮ Ibid.,p.189
৩৯ Ibid.,pp 187-89
৪০ Ram Gopal, op.cit.,p.154
৪১ অম্বিকাগিৰী ৰায়চৌধুৰী, মোৰ জীৱন ধুমুহাৰ এছাটি, পৃ ১৭
৪২ ঐ, পৃ. ১৮-১৯

৪৩ ঐ, পৃ ২০
৪৪ সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত, অম্বিকাগিৰী ৰায়চৌধুৰী ৰচনাৱলী, পৃ.৬৫৯
৪৫ ৰায়চৌধুৰী, উল্লেখিত গ্ৰন্থ, পৃ.২১
৪৬ K.N.Dutt, Landmarks of the Freedom Struggle in Assam,p.48
৪৭ ৰায়চৌধুৰী, উল্লেখিত গ্ৰন্থ, পৃ ২২ ; অম্বিকাগিৰী ৰায়চৌধুৰী স্মৃতিগ্ৰন্থ, অসম সাহিত্য সভা, পৃ.২৪০
৪৮ ৰায়চৌধুৰী, উল্লেখিত গ্ৰন্থ, পৃ. ২৫
৪৯ ঐ, পৃ ২৪
৫০ ঐ, পৃ. ২৯
৫১ Banikanta Kakati, "Ambikagiri Roychoudhury", Assam Quarterly,Bhaben Barua,ed.,vol.iv, nos 2-3, 1967, June & Sept ,p 99;অম্বিকাগিৰী ৰায়চৌধুৰী স্মৃতি-গ্ৰন্থ, পৃ.৮০-৮১
৫২ যোগেশ দাস আৰু অন্যান্যৰ দ্বাৰা সম্পাদিত , অম্বিকাগিৰী ৰায়চৌধুৰী, পৃ ১৫০
৫৩ ঐ
৫৪ ঐ, পৃ. ১৫০-৫১
৫৫ Ram Gopal, op.cit.,p.188
৫৬ Ibid.,pp 184-85
৫৭ Ibid.p.186
৫৮ অতুল চন্দ্ৰ হাজৰিকা সম্পাদিত, ভাষণমালা, পৃ. ১-২৭
৫৯ ঐ, পৃ ৩৫-৫৪
৬০ বেজবৰুৱা গ্ৰন্থাৱলী, দ্বিতীয় খণ্ড, পৃ ১২৮১
৬১ Ram Gopal, op cit.,p 194
৬২ Ibid.,p.169
৬৩ Mrinal Kumar Basu, "Regional Patriotism: A Study in Bihar Politics (1907-12) ", The Indian Historical Review, vol iii,no 2,p.288, পদ্মধৰ চলিহা, জীৱন বীণাৰ সুৰ, পৃ. ১৪
৬৪ সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত, ত্যাগবীৰ হেম বৰুৱা স্মৃতিগ্ৰন্থ, পৃ. ১৩১
৬৫ অতুল চন্দ্ৰ হাজৰিকা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ. ২৭৬-৭৭
৬৬ ঐ, পৃ ২৭৭
৬৭ ঐ, পৃ. ২৭৭-৭৮
৬৮ পদ্মধৰ চলিহা, উল্লেখিত গ্ৰন্থ, পৃ. ১৩
৬৯ দণ্ডিনাথ কলিতা, কৰ্মবীৰ চন্দ্ৰনাথ, পৃ ৩৭-৩৮
৭০ অতুল চন্দ্ৰ হাজৰিকা সম্পাদিত, উল্লেখিত গ্ৰন্থ , ভূমিকা, পৃ .(১২)
৭৪ পদ্মধৰ চলিহা, উল্লেখিত গ্ৰন্থ, পৃ. ১৪

৭৫ K.N.Dutt, p.50
৭৬ অতুল চন্দ্ৰ হাজৰিকা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১৫-১৬
৭৭ ঐ, পৃ.২৫
৭৮ ঐ
৭৯ ঐ, পৃ. ৪০
৮০ Rules of The Assam Students' Conference,p.(1)
৮১ সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ. ১৩৫
৮২ চিদানন্দ শইকীয়া সম্পাদিত, ধীৰেন দত্ত স্মৃতি গ্ৰন্থ, পৃ. ১২৭
৮৩ সত্যেন্দ্ৰ নাথ শৰ্মা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ. ১৩৫
৮৪ অতুল চন্দ্ৰ হাজৰিকা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ. ৪৯-৫০
৮৫ ঐ
৮৬ ঐ, পৃ. ৫১
৮৭ ঐ, পৃ. ৫২-৫৩
৮৮ Ram Gopal, op.cit.,p.249

৩

# অসহযোগ আন্দোলনত অসমীয়া ছাত্ৰ

১৯১৬ চনত সংগঠিত অসম ছাত্ৰ সন্মিলনৰ অন্যতম্ সংগঠক, ছাত্ৰ কৰ্মী চন্দ্ৰনাথ শৰ্মা স্কুলীয়া ছাত্ৰাৱস্থাতে কংগ্ৰেছৰ ৰাজনৈতিক ভাবাদৰ্শৰ দ্বাৰা প্ৰভাবান্বিত হৈছিল। “স্কুলীয়া ছাত্ৰ হলেও প্ৰায় স্বদেশী আন্দোলনৰ সময়ৰে পৰা চন্দ্ৰনাথে অলপ-অচৰপ ৰাজনীতিৰ ভূ-ৰাখিছিল।”[১] এই সময়তেই তেওঁ কংগ্ৰেছ চৰমপন্থী- নৰমপন্থীসকলৰ (যথা,- দাদাভাই নৌৰজী, গোপাল কৃষ্ণ গোখলে, বাল গঙ্গাধৰ তিলক) লিখনী আৰু বক্তৃতা সমূহ অধ্যয়ন কৰিছিল। কিন্তু স্বদেশী আন্দোলনৰ সময়ত হেড্ মাষ্টৰৰপৰা অহা বাধা-নিষেধ আৰু পদ্মনাথ গোহাঞিবৰুৱাৰ “বুদ্ধি- পৰামৰ্শ ” মৰ্মে চন্দ্ৰনাথ শৰ্মাই সহপাঠী দণ্ডিনাথ কলিতা সমন্বিতে ৰাজনৈতিক সভাৰ লগত সংস্পৰ্শ ত্যাগ কৰিছিল।[২] কিন্তু কলেজীয়া ছাত্ৰাৱস্থাতে চন্দ্ৰনাথ পুনৰ সক্ৰিয় ৰাজনীতিলৈ ঘূৰি আহে আৰু কংগ্ৰেছী ৰাজনীতিৰ সম্ভেদ ৰখাৰ লগতে তদানীন্তন অসমৰ একমাত্ৰ ৰাজনৈতিক অনুষ্ঠান আসাম এছোচিয়েচনৰ কৰ্মীত পৰিণত হয়।

তেতিয়া অসমীয়া ছাত্ৰৰ ৰাজনৈতিক ক্ষেত্ৰত কৰ্ম-প্ৰেৰণাৰ আদৰ্শ সংগঠন আছিল আসাম এছোচিয়েচন। আপাততঃ ৰাজনৈতিকভাৱে আসাম এছোচিয়েচন বৃটিশৰ এক অনুগত ৰাজনৈতিক অনুষ্ঠান আছিল। সাহিত্যিক দণ্ডিনাথ কলিতাই লিখিছে,[৩] “চন্দ্ৰনাথে গৱৰ্ণমেণ্টৰ সহযোগত দেশৰ কল্যাণ সাধন কৰাৰ সপক্ষেহে আছিল আৰু আৱশ্যক বুজি কেতিয়াবা স্বতন্ত্ৰভাৱে, কেতিয়াবা এছোছিয়েছনৰ জৰীয়তে নানা বেমেজালিৰ কথা গৱৰ্ণমেণ্টৰ গোচৰলৈ আনিছিল।”কলেজীয়া ছাত্ৰাৱস্থাতে পূৰ্ণচন্দ্ৰ শৰ্মা আদি ছাত্ৰইয়ো নবীন চন্দ্ৰ বৰদলৈ, চন্দ্ৰনাথ শৰ্মা আদিৰ সান্নিধ্যলৈ আহি ৰাজনীতিৰ ফালে আকৃষ্ট হৈছিল।

পূৰ্ণ চন্দ্ৰ শৰ্মাই কৈছে,[৪] “চন্দ্ৰনাথ শৰ্মা নিজে গোখলেৰ গুণমুগ্ধ আৰু প্ৰায়েই তেওঁৰ কথা কয়। মযো ˝গোখলেৰ ভাষণবিলাক পঢ়ি কিছুমান কথা মুখস্থ কৰিছিলো।”গোপাল কৃষ্ণ গোখলে নৰম তথা উদাৰপন্থী লোক আছিল আৰু তেওঁৰ ৰাজনৈতিক মনন-চিন্তনত দেশৰ স্বাধীনতাৰ কোনো উন্মেষ নাছিল। আনকি বৰলাট কাৰ্জনৰ বঙ্গভঙ্গ আঁচনিক কেন্দ্ৰ কৰি বঙ্গত গা কৰি উঠা উগ্ৰপন্থী আন্দোলনৰ প্ৰতি লক্ষ্য ৰাখি ১৯০৫ চনতে গোখলেই কৈছিল,[৫] “We have to remember that British rule, inspite of its inevitable drawbacks as a foreign rule, has been on the whole a great instrument of progress for our people Its continuance means the continuance of that peace and order which it alone can ensure in our country and with which our best interests, among them, those of

our growing nationality, are bound up". আনকি তেওঁৰ মতে দেশৰ স্বাধীনতাৰ চিন্তা বা কৰ্তব্য আছিল পাগলৰ প্ৰলাপ,* "Only mad men outside lunatic asylums could think or talk of independence". ১৯০৯ চনত ছাত্ৰসকলৰ সভা এখনত তেওঁ বৃটিশৰ প্ৰতি আনুগত্যসূচক বক্তৃতা দি কৈছিল,* "Our old public life was based on a frank and loyal acceptance of British rule due to a recognition of the fact that it alone could secure to the country the peace and order which were necessary for slowly evolving a nation out of the heterogeneous elements of which India was composed and for ensuring to it a steady advance in different directions"

আমি পূৰ্বে উল্লেখ কৰি অহা অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ অন্যতম প্ৰধান আৰু নেতৃত্বশালী লোক লক্ষ্মীনাথ বেজবৰুৱা আৰু পদ্মনাথ গোঁহাঞিবৰুৱা আদি গোখলেৰ আদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল আৰু তেওঁলোকেও গোখলেৰ আদৰ্শৰে অসমীয়া ছাত্ৰসকলক বৃটিশৰ অনুগত প্ৰজাত পৰিণত কৰাৰ চেষ্টা- পুৰুষাৰ্থ কৰিছিল। এই কালৰপৰা বেজবৰুৱা আৰু গোঁহাঞিবৰুৱাৰ মাধ্যমত অসমীয়া ছাত্ৰসকলৰ ওপৰত সৰ্বভাৰতীয় ৰাজনৈতিক নেতা গোখলে আদিৰ যি প্ৰভাৱ পৰিছিল সি সংস্কাৰবাদী আৰু আনুগত্যসূচক আছিল। সেই সময়ত এইটো আছিল ভাৰতীয় বুৰ্জোৱাৰে ৰাজনৈতিক চৰিত্ৰ আৰু ইচ্ছা-আকাংখা। "Good government is no substitute for self government "— কথাষাৰ ভাৰতীয় ৰাজনীতিত মহাত্মা গান্ধীৰ আবিৰ্ভাৱৰ আগলৈ ভাৰতীয় বুৰ্জোৱা শ্ৰেণীয়ে হৃদয়ংগম কৰিব পৰা নাছিল। গতিকে নিজৰ লগতে ছাত্ৰসকলকো সততে বৃটিশৰ প্ৰতি অনুগত প্ৰজাত পৰিণত কৰিবলৈ বিচৰা হৈছিল। কেৱল শাসন কাৰ্যত অংশ গ্ৰহণ কৰিব পৰাটোৱেই আছিল উদাৰপন্থীসকলৰ প্ৰথম আৰু প্ৰধান লক্ষ্য, দেশৰ স্বাধীনতা গৌণ। অসমত মধ্যবিত্ত শ্ৰেণীৰ একমাত্ৰ ৰাজনৈতিক সংগঠন-অনুষ্ঠান আসাম এছোচিয়েচনও নীতিগতভাৱে সাম্ৰাজ্যবাদী শাসক-শোষকৰ শুভানুধ্যায়ী অনুষ্ঠানত পৰিণত হৈছিল। আসাম এছোচিয়েচনৰ জন্ম কাহিনী আৰু বৃটিশৰ প্ৰতি ৰাজনৈতিক আনুগত্য আছিল একেটা মুদ্ৰাৰে দুটা পিঠি।

১৯১৮ চনত প্ৰথম বিশ্ব যুদ্ধৰ সামৰণি পৰাৰ লগে লগে বিশ্বৰ আন্তৰ্ৰাষ্ট্ৰীয় ৰাজনীতিৰ লগতে ভাৰতবৰ্ষৰ আভ্যন্তৰীণ ৰাজনীতিৰ সমীকৰণতো কিছু কিছু নতুন ঘটনা প্ৰবাহৰ সৃষ্টি হয়। ১৯১৪ চনত আৰম্ভ হোৱা সাম্ৰাজ্যবাদী এই বিশ্ব মহাৰণত ভাৰতে ১৩ লাখ ২ হাজাৰ সৈন্যৰ যোগান ধৰাৰ ওপৰিও ১০ কোটি পাউণ্ড ষ্টাৰ্লিং দান আৰু ৭ কোটি ৩০ লাখ পাউণ্ড ষ্টাৰ্লিং ঋণ হিচাপে বৃটিশ সমৰায়োজনত ইন্ধন যোগায়। তদুপৰি যুদ্ধাস্ত্ৰ ক্ৰয় কৰিও ভাৰতে ৮ কোটি পাউণ্ড ষ্টাৰ্লিঙৰ ব্যয় ভাৰ পাতি লৈছিল।*

বৃটিশৰ যুদ্ধ পুঁজিৰ বাবে অসমত নবীন চন্দ্ৰ বৰদলৈ, তৰুণ ৰাম ফুকন আদিয়ে জনসাধাৰণৰপৰা চাঁদা আদায় কৰাটো এতিয়া এক ইতিহাসৰ তথ্যত পৰিণত হৈছে। বৃটিশ সাম্ৰাজ্যবাদীইঁতৰ তথাকথিত ন্যায় পৰায়ণতা আৰু উদাৰনীতিবাদৰ প্ৰতি মোহান্ধ ভাৰতীয় জাতীয় বীৰপুংগৱসৱে বিশ্ব বজাৰ পুনৰ বণ্টনৰ বাবে সৃষ্টি কৰা এই

সমৰায়োজনৰ প্ৰকৃত চৰিত্ৰ অনুধাৱন কৰিব নোৱাৰি 'a war to end war' or 'a war to make the world safe for democracy' জাতীয় সাম্ৰাজ্যবাদী ৰাজনৈতিক চাতুৰীত বিনা বাক্য ব্যয়ে মূৰ গুজি দিছিল। ফলত বৃটিছৰ ইতিহাসৰ দ্ৰুত উত্তৰণ ঘটিল।

সাম্ৰাজ্যবাদী সমৰোদ্যমত বৃটিশ ৰাজশক্তিক সাহায্য দি কৃতাৰ্থ মনা ভাৰতীয় বুৰ্জোৱা শ্ৰেণীয়ে যুদ্ধ সমাপ্তিৰ পিছত ভাৰতবৰ্ষৰ বাবে সীমিত পৰিসৰৰ এক শাসন সংস্কাৰ লাভ কৰাৰ সম্ভাৱনাই দেখা দিছিল। এই শাসন সংস্কাৰৰ সীমিত গণ্ডীৰ পৰাও যেতিয়া অসমক বঞ্চিত কৰাৰ পৰিকল্পনা কৰা হ'ল তেতিয়া অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ আত্ম-সচেতনতা বৃদ্ধি পালে অথবা তেওঁলোকে নিজৰ সম্বিত ঘূৰাই পালে আৰু অসমক শাসন সংস্কাৰভুক্ত কৰিবলৈ আসাম এছোচিয়েচনৰ ফালৰপৰা অত্যন্ত তৎপৰতাৰে কামত অগ্ৰসৰ হোৱা দেখা গ'ল। আসাম এছোচিয়েচনৰ কৰ্মকৰ্তা বিশেষকৈ চন্দ্ৰনাথ শৰ্মা, নবীন চন্দ্ৰ বৰদলৈ আদিয়ে অহোপুৰুষাৰ্থ কৰিবলৈ ধৰিলে, যাতে ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশৰ লগতে অসমো শাসন সংস্কাৰৰ অন্তৰ্ভুক্ত হয়। সেই উদ্দেশ্যেৰে আসাম এছোচিয়েচনৰ প্ৰতিনিধি হিচাপে নবীন চন্দ্ৰ বৰদলৈ আৰু প্ৰসন্ন কুমাৰ বৰুৱাক লণ্ডনলৈ পঠিয়ালে, বৃটিশ সংসদৰ ওচৰত আৰ্জি পেচ্ কৰিবলৈ।

এই প্ৰতিনিধি দুজনৰ ভ্ৰমণৰ খৰছ গোটাবলৈ চন্দ্ৰনাথ শৰ্মাই প্ৰায় এককভাৱেই চাঁদা সংগ্ৰহত নামি পৰিছিল। ছাত্ৰসকলেও এই অভিযানত চাঁদা আদি দিছিল বুলি জনা যায়। পূৰ্ণ চন্দ্ৰ শৰ্মাই লিখিছে * যে তেওঁলোকৰ দৰে "ছাত্ৰসকলে ২/১ টকাকৈ বৰঙনি দিব লগা হৈছিল।" সি যি কি নহওক, আসাম এছোচিয়েচনৰ চেষ্টা-পুৰুষাৰ্থৰ ফলতেই অসম শাসন সংস্কাৰ ভুক্ত হ'ল, কিন্তু মহাৰণৰ সমাপ্তিৰ পিছতে কংগ্ৰেছ নেতৃবৃন্দই ভাৰতবৰ্ষৰ বাবে ঔপনিৱেশিক স্বায়ত্ব শাসন পোৱাৰ যি আশা কৰিছিল বৃটিশে তাত চেঁচা পানী ঢালিলে। মহাৰণত সাম্ৰাজ্যবাদী বৃটিশক ধন-জন দি সহায় কৰিও শেষত ভাৰতীয় জাতীয় বুৰ্জোৱাই ঔপনিৱেশিক স্বায়ত্ব শাসনৰ বিপৰীতে পালে দমনমূলক ৰাওলাট আইন। ১৯১৯ চনৰ শাসন সংস্কাৰ কংগ্ৰেছে সাদৰেৰে গ্ৰহণ কৰিছিল যদিও ৰাওলাট আইন, জালিয়ানবালাবাগৰ নৰসংহাৰ আৰু ৰাজ্য বহিৰ্ভূত খিলাফটৰ প্ৰশ্নই কংগ্ৰেছৰ নেতৃবৃন্দৰ মাজত যথেষ্ট তিক্ততা, আলোড়ন আৰু অসন্তুষ্টিৰ সৃষ্টি কৰিছিল।

বিশ্ব যুদ্ধ আৰম্ভ হোৱাৰ প্ৰায় লগে লগেই বৃটিশ-ভাৰত চৰকাৰে ১৯১৪ চনত দেশত "ভাৰত ৰক্ষা আইন" (Defence of India Rules) প্ৰৱৰ্তন কৰি প্ৰয়োগ কৰিছিল আৰু লগতে আশ্বাস দিছিল যে যুদ্ধৰ সামৰণি পৰাৰ লগে লগে তাক প্ৰত্যাহাৰ কৰিব। কিন্তু চৰকাৰে সেই প্ৰতিশ্ৰুতি পালন কৰাৰ পৰিবৰ্তে যুদ্ধ সমাপ্তিৰ পিছত ৰাওলাট আইনৰ মাধ্যমত তাতকৈও আৰু অধিক কঠোৰ আইন প্ৰণয়ন কৰি প্ৰয়োগ কৰিলে। আনহাতে সেই আইনৰ প্ৰতিবাদ কৰে ১৯১৯ চনৰ ১৩ এপ্ৰিল তাৰিখে পাঞ্জাবৰ জালিয়ানৱালাবাগত সমবেত হোৱা নিৰস্ত্ৰ জনসাধাৰণৰ ওপৰত নিৰ্বিচাৰে গুলি বৰ্ষণ কৰি প্ৰায় ৩৭৮ জন লোকক খিতাতে হত্যা কৰিলে আৰু অসংখ্য লোকক চিৰদিনলৈ পঙ্গু কৰি দেশৰ ৰাজনৈতিক ইচ্ছা-আকাংখা আৰু আন্দোলনৰ প্ৰতি চৰকাৰৰ

অসহিষ্ণুতা প্ৰকাশ কৰিলে।

উপৰি ৰাজ্যবহিৰ্ভূত ৰাজনৈতিক ঘটনা এটিয়েও দেশত ৰাজনৈতিক পৰিস্থিতি অধিক উত্তেজনাপূৰ্ণ কৰি তুলিছিল। সেইটো হ'ল তুৰস্কৰ ৰাষ্ট্ৰীয় অখণ্ডতাৰ প্ৰতি সৃষ্টি কৰা ভাবুকি আৰু সেই দেশৰ ৰাষ্ট্ৰ প্ৰধান–খলিফাৰ–পদ মৰ্যদাৰ প্ৰতি দেখুওৱা অৱজ্ঞা আৰু অশালীন ব্যৱহাৰ। বৃটিশ আৰু মিত্ৰ শক্তিয়ে ১৯১৯ চনৰ ভাৰ্চাই শান্তি চুক্তিৰ মাধ্যমত তুৰস্কৰ খলিফাৰ পদমৰ্যদা আৰু তেওঁৰ ৰাজ্যৰ ৰাষ্ট্ৰীয় অখণ্ডতাৰ প্ৰতি পূৰ্বৰ প্ৰতিশ্ৰুতি ভংগ কৰি দুয়োটা দিশতে ক্ষতিকাৰক কাৰ্যব্যৱস্থা লোৱাত বিশ্বৰ ইছলাম ধৰ্মাৱলম্বী লোকৰ মাজত বৃটিশৰ বিৰুদ্ধে ব্যাপক উত্তেজনাৰ সৃষ্টি হয়।

ভাৰতবৰ্ষতো ইছলাম ধৰ্মাৱলম্বী লোকৰ মাজত তেনে অসন্তুষ্টৰ সৃষ্টি হৈছিল। তুৰস্কৰ ৰাষ্ট্ৰীয় অখণ্ডতা আৰু খলিফাৰ পদ মৰ্যদাৰ ক্ষতি সাধন হোৱাত অৰ প্ৰতিকাৰ কৰিবলৈ ভাৰতবৰ্ষত কেন্দ্ৰীয় খিলাফট সমিতি গঠিত হয় আৰু সেই সভাত গান্ধী, মতিলাল নেহেৰু আৰু মদন মোহন মালব্য উপস্থিত আছিল আৰু পিছত ১৯২০ চনৰ জানুৱাৰী মাহত দিল্লীত অনুষ্ঠিত হোৱা কেন্দ্ৰীয় খিলাফট সমিতিৰ সভাত গান্ধীৰ উপস্থিতি -ত আৰু পৰামৰ্শ মতে গোটেই বৃটিশ-ভাৰত চৰকাৰৰ সৈতে অসহযোগ আন্দোলনৰ কাৰ্যসূচী গৃহীত হয়।[১০]

ইয়াৰ পিছত কংগ্ৰেছৰ বিশেষ কলিকতা অধিৱেশনতো (১৯২০) খিলাফটৰ সমৰ্থনত চৰকাৰৰ সৈতে অসহযোগৰ প্ৰস্তাৱ গৃহীত কৰা হয় আৰু পিছত সেই বছৰৰে ডিচেম্বৰ মাহত নাগপুৰত অনুষ্ঠিত হোৱা কংগ্ৰেছৰ পূৰ্ণ পৰ্যায়ৰ অধিৱেশনত সেই প্ৰস্তাৱৰ প্ৰতি অনুমোদন জনোৱা হয়। নাগপুৰত অনুষ্ঠিত হোৱা কংগ্ৰেছৰ বাৰ্ষিক অধিৱেশনৰ সময়তে নাগপুৰতে গোটেই প্ৰথমবাৰৰ বাবে নিখিল ভাৰত ছাত্ৰ সন্মিলনৰ অধিৱেশনো অনুষ্ঠিত হৈছিল। তাত ছাত্ৰ সন্মিলনেও কেন্দ্ৰীয় খিলাফট সমিতি আৰু কংগ্ৰেছৰ সমৰ্থনত অসহযোগৰ প্ৰস্তাৱ লৈ খিলাফট আৰু কংগ্ৰেছৰ ৰাজনৈতিক আন্দোলনৰ অংশীদাৰ হোৱাৰ দায়িত্ব গ্ৰহণ কৰে।[১১]

অসম ছাত্ৰ সন্মিলনেও অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ অসমীয়া ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়।[১২] উল্লেখনীয় কথা যে ১৯১৯ চনৰ অক্টোবৰ মাহত বিজ্ঞানাচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়ৰ পৌৰোহিত্যত তেজপুৰত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনৰ চতুৰ্থ অধিৱেশনত স্বদেশী বস্ত্ৰ গ্ৰহণৰ প্ৰস্তাৱ গৃহীত হয়।[১৩] অসমত ৰাজহুৱা সংগঠন, ৰাজনৈতিক অনুষ্ঠান নতুবা ছাত্ৰসকলৰ কাললৈকে এইটোৱে আছিল বোধহয় স্বদেশী বিষয়-বস্তুৰ ওপৰত লোৱা প্ৰথম প্ৰস্তাৱ। ইয়াৰ পিছৰ বছৰত নাগপুৰ কংগ্ৰেছৰ সময়তে তেজপুৰত অনুষ্ঠিত আসাম এছোচিয়েচনেও কলিকতা কংগ্ৰেছৰ বিশেষ অধিৱেশনত গৃহীত অসহযোগৰ প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনায়। আৰু তেজপুৰ অধিৱেশনতেই আসাম এছোচিয়েচনৰ কৰ্ম-কৰ্তাসকলে অসমত কংগ্ৰেছৰ প্ৰাদেশিক সংগঠন গঢ়ি তোলাৰ বিষয়ে গুণা-গঁঠা কৰে, অৰ্থাৎ এই অধিৱেশনৰ সময়তেই অসমত প্ৰাদেশিক কংগ্ৰেছ গঠনৰ পূৰ্বাভাসে দেখা দিয়ে। অক্লান্ত কংগ্ৰেছ কৰ্মী কৃষ্ণ শৰ্মাই লিখিছে,[১৪] "কংগ্ৰেছ ভাবাপন্ন তৰুণ অসমে অসমীয়াৰ কাঠফুলা তুল্য পুৰণি আবেদন নিবেদন, অনুনয় বিনয়ৰ মুখপত্ৰ অসম এছোছিয়েছনক ব্ৰহ্মপুত্ৰৰ সোঁতত

উঠাই দিলে।"অৱশ্যে শৰ্মাই কোৱাৰ দৰে অসমত তেতিয়াই কংগ্ৰেছৰ সংগঠন গঢ়ি উঠা নাছিল। অসহযোগ আন্দোলনৰ জৰপকৰ মাজতেই ১৯২১ চনৰ জুন মাহতহে অসম প্ৰাদেশিক কংগ্ৰেছ সমিতি গঠিত হয়।

সি যি কি নহওক, নাগপুৰত অনুষ্ঠিত নিখিল ভাৰত ছাত্ৰ সন্মিলনত গুৱাহাটীৰ কটন কলেজত আৰু কলিকতাৰ কলেজত অধ্যয়নৰত কেবাজনো অসমীয়া ছাত্ৰই যোগদান কৰিছিল।[১৫] আৰো আগতে কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰ প্ৰফুল্ল চন্দ্ৰ বৰুৱা আৰু লক্ষ্মীধৰ শৰ্মাই ১৯২০ চনৰ ছেপ্তেম্বৰ মাহত কলিকতাত অনুষ্ঠিত কংগ্ৰেছৰ বিশেষ অধিৱেশনত যোগ দিছিল।[১৬] এই সম্পৰ্কত নবীন চন্দ্ৰ বৰদলৈয়ে লিখিছে,[১৭] "অসমৰ কেই জনমান ছাত্ৰই নাগপুৰত বহা অখিল ভাৰত ছাত্ৰ সন্মিলন আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিৱেশনত যোগ দিছিল। অসমলৈ ওভতি আহি তেওঁলোকে গুৱাহাটীৰ কটন কলেজ বৰ্জনৰ আন্দোলন প্ৰথমতে আৰম্ভ কৰি ইয়াৰ পাতনি মেলে।"

নাগপুৰত অনুষ্ঠিত নিখিল ভাৰত ছাত্ৰ সন্মিলনত যোগদান কৰা ছাত্ৰৰ দলটোত আছিল উমেশ চন্দ্ৰ দাস, বিদ্যাধৰ শৰ্মা, দিবাৰাম তালুকদাৰ আদি।[১৮] বেণুধৰ শৰ্মাই উল্লেখ কৰা মতে [১৯] বিদ্যাধৰ শৰ্মাই নাগপুৰত অনুষ্ঠিত নিখিল ভাৰত কংগ্ৰেছ অধিৱেশনতো যোগদান কৰিছিল। সেই সময়ত অসম ছাত্ৰ সন্মিলনৰ সম্পাদক আছিল গুৱাহাটীৰ আৰ্ল ল'কলেজৰ ছাত্ৰ হেম চন্দ্ৰ বৰুৱা। নিখিল ভাৰত ছাত্ৰ সন্মিলনৰ নাগপুৰ অধিৱেশনত গৃহীত অসহযোগৰ প্ৰস্তাৱৰ প্ৰতি হেম চন্দ্ৰ বৰুৱাই পোনতে সমৰ্থন জনোৱা নাছিল। আনকি তেওঁ সেই পৰিস্থিতিত কিংকৰ্তব্য বিমূঢ় অৱস্থাত পৰিছিল। অৱশ্যে আজৰি পৰত তেওঁ কংগ্ৰেছৰ প্ৰতি প্ৰয়োজনীয় আৰু নিজৰ কৰণীয় কামখিনি কৰি গৈছিল। বৰুৱাই লিখিছে,[২০] "ছাত্ৰসকল প্ৰথমে যেতিয়া কলেজ বৰ্জন কৰি ওলাই আহে তেতিয়া মই ল' কলেজত পঢ়ি আছিলোঁ। তেতিয়া মই মোৰ বন্ধুসকলক কলেজ নেৰোঁ বুলি কৈছিলোঁ যদিও মই কলেজ এৰা নাছিলোঁ তথাপি মই এই বছৰ গৰমৰ বন্ধত তেজপুৰৰ হলেশ্বৰ মৌজাত কংগ্ৰেছৰ কাম কৰিছিলোঁ। বন্ধ শেষ হোৱাত আকৌ কলেজলৈ গৈ পঢ়িবলৈ লাগিলোঁ। কলেজ বৰ্জন আন্দোলনটোৱে ল'কলেজক লৰাব পৰা নাছিল।"

হেম চন্দ্ৰ বৰুৱাৰ ল' কলেজৰ সহপাঠী আছিল মহেশ্বৰ বৰুৱা আৰু সিদ্ধিনাথ শৰ্মা।[২১] পিছৰ দিনে মহেশ্বৰ বৰুৱাই কলেজ বৰ্জন কৰি আন্দোলনত যোগ দিছিল যদিও সিদ্ধিনাথ শৰ্মাই তেনে কৰা নাছিল। ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ আলোচনা প্ৰসঙ্গত তীৰ্থনাথ শৰ্মাই উল্লেখ কৰিছে যে আইন কলেজৰ অধিক ছাত্ৰই চৰকাৰী চাকৰী প্ৰাৰ্থী হৈ থকাত আন্দোলনৰ প্ৰতি তেওঁলোক উদাসীন আছিল।[২২] অৰ্থাৎ চৰকাৰী চাকৰীৰ আশাই আইন কলেজৰ ছাত্ৰক আন্দোলনৰ পৰা আঁতৰাই ৰাখিছিল। অসহযোগ আন্দোলনৰ সময়ত আইন কলেজৰ ছাত্ৰসকলৰ ক্ষেত্ৰত সেইটোৱেই ঘটিছিল বুলি ভাবিবৰ যথেষ্ট অৱকাশ আছে।

সি যি কি নহওক, ১৯২১ চনৰ ছেপ্তেম্বৰৰ শেষৰ পিনেহে হেম বৰুৱাই কলেজ ত্যাগ কৰি অসহযোগ আন্দোলনত যোগ দিয়াৰ সিদ্ধান্ত লয়।[২৩] নাগপুৰত অনুষ্ঠিত

নিখিল ভাৰত ছাত্ৰ সন্মিলনত যোগদান কৰা অসমৰ অন্যতম ছাত্ৰ বিদ্যাধৰ শৰ্মাই গুৱাহাটীত কলেজ বৰ্জন কৰা সম্পৰ্কে লিখিছে,[৮] "সেইদিনা ১৯২১ চনৰ ২ জানুৱাৰী ছাত্ৰসকলে কাৰ্জন হলত সভা পাতিলে। সভাপতি দেশভক্ত তৰুণ ৰাম ফুকনে। তেওঁ কলেজ বৰ্জনৰ বিৰুদ্ধে বক্তৃতা দিলে। তথাপি মই কলেজ ত্যাগ কৰাৰ কথা ঘোষণা কৰিলোঁ। পিছতেই শ্ৰী তৰুণ ভট্টাচাৰ্য্য আৰু পিছত শ্ৰীৰেন্দ্ৰনাথ বৰঠাকুৰে কলেজ এৰিলে। অসমত আমি তিনিজনেই সৰ্বপ্ৰথম কলেজ ত্যাগী ছাত্ৰ। সভা ভাঙিল। আমি নিঠৰুৱা হলোঁ। ইয়াৰ ৪ৰ্থ দিনা কমবীৰ নবীন চন্দ্ৰ বৰদলৈ আহি গুৱাহাটী পালেহি। পথুলি নতশীলত ফুলৰ ওচৰত লগ পাই মোক জাবি দিলে কলেজ বৰ্জন কৰা বেয়া হ'ল বুলি, তাৰ পিছত এদিন পুৱা চন্দ্ৰনাথ শৰ্মাদেৱ মোছলৈ আহি কলে, "ভয় নাই, আহা, কোনো নাহে যদি তুমিয়ে মযে কাম কৰিম।" এনেতে কলিকতাত কলেজ বৰ্জনৰ ধুম উঠিল। তাৰ হেন্দোলদোলে গুৱাহাটী কপাঁলে। পাছত কটন কলেজৰ ছাত্ৰই কলেজ বৰ্জন কৰিলে। খলে খলে ছাত্ৰৰ সভা হ'বলৈ ধৰিলে। চন্দ্ৰনাথ শৰ্মাৰ নেতৃত্বত কেবাখলো সভা হ'ল।"

১৯২০ চনৰ কংগ্ৰেছৰ বিশেষ কলিকতা অধিৱেশনত অসমীয়া ছাত্ৰ প্ৰফুল্ল চন্দ্ৰ বৰুৱা আৰু লক্ষ্মীধৰ শৰ্মাই যোগদান কৰা কথাটো আমি ইতিপূৰ্বে উল্লেখ কৰি আহিছোঁ। নাগপুৰ কংগ্ৰেছ আৰু নাগপুৰত অনুষ্ঠিত নিখিল ভাৰত ছাত্ৰ সন্মিলনত গৃহীত অসহযোগ প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাই, " I cannot continue my studies in an institution managed by the hands besmeared with the bloods of my Punjabi brethren" বুলি লিখি ১৯২১ চনৰ জানুৱাৰী মাহতে প্ৰফুল্ল চন্দ্ৰ বৰুৱাই বিপন কলেজৰ অধ্যক্ষক কলেজ বৰ্জনৰ জাননী দিছিল। বৰুৱাই আৰু লিখিছে,[৮] "১৯২১ চনৰ অসহযোগ আন্দোলনত কলিকতাৰ সকলো ছাত্ৰৰ ভিতৰত মযেই সৰ্বপ্ৰথম কলেজ বৰ্জন কৰোঁ। সম্ভৱ ভাৰতবৰ্ষৰ আন ক'তো তেতিয়ালৈকে কোনো ছাত্ৰই কলেজ বৰ্জন কৰা নাছিল... মই কলেজ বৰ্জন কৰাৰ পিছদিনা লক্ষ্মীধৰ শৰ্মা আৰু শিৱপ্ৰসাদ আগৰৱালায়ো কলেজ বৰ্জন কৰে। তৃতীয় দিনা গোটেই কলিকতাৰ ছাত্ৰই কলেজ বৰ্জন কৰি অসহযোগ আন্দোলনক তীব্ৰতৰ কৰি তোলে। গুৱাহাটীতো কটন কলেজৰ ছাত্ৰসকলে ঘৰে ঘৰে গৈ তৰুণ ৰাম ফুকন, নবীন চন্দ্ৰ বৰদলৈ আদি নেতা সকলক উলিয়াই আনি কাৰ্জন হলত বিৰাট সভা পাতি অসমতো অসহযোগ আন্দোলনৰ সূত্ৰপাত কৰাৰ বাতৰি আমি কলিকতাতে পাই অতি উল্লাসিত হওঁ।"

সেই সময়ত ষ্কটিছ চাৰ্চ কলেজৰ দুজন অসমীয়া ছাত্ৰই কলেজ বৰ্জন কৰা নাছিল। তাৰে এজন হ'ল সম্ভৱতঃ ভাগৱতী প্ৰসাদ বৰুৱা। তেওঁ কলেজ বৰ্জন কৰাৰ বিৰোধিতা কৰি বেণুধৰ শৰ্মালৈ লিখিছিল,[৮] "পৰাধীন ছাত্ৰৰ ৰাজনীতি নাই। মহাত্মাৰ আদৰ্শ কেইজনে পালন কৰিব; অজ্ঞতাই দেশাত্মবোধৰ প্ৰতিবন্ধক। অজ্ঞতা নুগুচিলে প্ৰাণহীন স্বাধীনতা বিড়ম্বনা মাথোন।" মহাৰাষ্ট্ৰৰ বাল গঙ্গাধৰ তিলকে আলেমান বছৰৰ আগতে কৈ গৈছে যে 'স্বৰাজ তেওঁৰ জন্মস্বত্ব আৰু তাক তেওঁ পাবই লাগিব।' অসমত কিন্তু সেই জোনাকীৰ আৱভুৱীপৰাই অদ্যাপৰিমিত আৰু আৰো আলেমান বছৰৰ পিছলৈ একাংশ মধ্যবিত্ত শ্ৰেণীৰ লোকৰ মনত দাসত্বই জন্মস্বত্ব ৰূপে পৰিগণিত হৈ

আছিছিল।

অৱশ্যে পৰাধীনতাৰ পঙ্কত জন্মা ভাগৱতী প্ৰসাদ বৰুৱাই দাসত্বৰ পুতি গন্ধময় পৰিৱেশত কদৰ্য জীৱন যাত্ৰাৰ কথা মৰ্মে মৰ্মে উপলব্ধি নকৰাকৈ থকা নাছিল। বেণুধৰ শৰ্মালৈ লিখা আন এখন চিঠিত বৰুৱাই এই সত্য উপলব্ধিৰ কথা প্ৰকাশ কৰিছে,[৪৭] "আজীৱন পৰাধীনতাৰ 'হাৰাপানী'ত ভাওৰ-দীঘল হৈ আছিলোঁ। বহুত দিনৰপৰাই গাত লোৰ শিকলিৰ জৰৰ উমান পাই আছিলোঁ, আজি তাৰ ভাৰ অপমানৰ ভিতৰত ভীষণ গধুৰ হৈ উঠিছে। অপ্ৰকাশতেই সকলো বেদনা। নেদেখা শিকলিৰ যন্ত্ৰণা কমাবৰে গঢ়া পোতাশালৰ শিকলিৰে কৰাতকৈ অকথনীয় ৰূপে বেছি। দেহাত অধীনতাৰ নাগ-পাশলৈ, তাক সেই বুলি মানিব নোৱাৰা অসৱলতাই আচল আৰু চৰম পৰাধীনতা। এই জেলখানাত পৰিলে বতোঁ।"

পৰাধীনতাৰ গ্লানিৰ কথা যিমানেই উপলব্ধি নকৰক কিয় ভাগৱতী প্ৰসাদ বৰুৱা আৰু তেওঁৰ স্কটিছ চাৰ্চ কলেজৰ সহপাঠীজনে শ্ৰেণীগত অৱস্থানৰ ফালৰপৰাই আন্দোলনত যোগদান কৰাত পৰাঙ্মুখ হৈছিল। পৰাধীন ছাত্ৰৰ ৰাজনীতি নাই— বৰুৱাৰ এই মন্তব্য প্ৰসঙ্গক্ৰমে আমি ইতিপূৰ্বে যথাস্থানত উল্লেখ কৰি অহা চন্দ্ৰ কুমাৰ আগৰৱালা আৰু ছাৰ আশুতোষ চৌধুৰীৰ মন্তব্যৰ সমপৰ্যয়ৰ।

সি যি কিনহওক,ছাত্ৰ দুজনৰ এই দৃষ্টিভঙ্গীৰ বাবে তেওঁলোকক যাতে কলিকতাৰ ছাত্ৰ সমাজে জুই-পানী আলাগ কৰে তাকে অনুৰোধ কৰি প্ৰফুল্ল চন্দ্ৰ বৰুৱাই বাতৰি কাকতলৈ চিঠি লিখিছিল,[৪৮] "While all the students of the colleges of Calcutta struck college at the call of the Congress and Mahatma Gandhi, two students of Scottish Church College did not join the strike and remained in their classes They were none but one a son of the First minister of Assam and the other a son of a newly made Rai Saheb It is therefore an appeal to the entire community of students of Calcutta to boycott these two students and condemn their actions." এই কাৰ্যই প্ৰফুল্ল চন্দ্ৰ বৰুৱাইতৰ দৰে একাংশ ছাত্ৰৰ আন্দোলন আৰু সেই অৰ্থতেই স্বাধীনতাৰ প্ৰতি থকা সমৰ্থন আৰু নিষ্ঠাৰ বিষয়ে অৱহিত কৰে যদিও ই নিশ্চয় গান্ধীবাদী- গণতান্ত্ৰিক আন্দোলনৰ সম্পূৰ্ণ পৰিপন্থী আছিল।

স্কুল-কলেজ বৰ্জন কৰাৰ ক্ষেত্ৰত কলেজীয়া ছাত্ৰসকলৰ কাৰ্য স্কুলীয়া ছাত্ৰসকলৰ বাবে আদৰ্শনীয় আৰু অনুকৰণীয় হোৱাটো পৰিলক্ষিত হৈছিল। স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত স্কুল বৰ্জনৰ প্ৰশ্নটো কলেজীয়া ছাত্ৰৰ কাৰ্যৰ ওপৰত বহুলাংশে নিৰ্ভৰ কৰিছিল। পূৰ্ণ চন্দ্ৰ শৰ্মাই এই বিষয়ে লিখিছে,[৪৯] "আমি কলেজৰ উচ্চতম শ্ৰেণীৰ ছাত্ৰ আৰু আমালৈকে কলেজৰ বা স্কুলবিলাকৰ ছাত্ৰসকলে লক্ষ্য কৰি আছে। ছাত্ৰই যদি অসহযোগ আন্দোলন নকৰে, বুঢ়াবিলাকে দেশৰ স্বাধীনতা আনিব পাৰিবনে?"

"অসমৰ একমাত্ৰ কলেজ কটন কলেজত অসহযোগ আন্দোলনে বা বলাবাল

ধৰিলে। কলিকতা আদি ঠাইত কলেজীয়া শিক্ষা লৈ থকা অসমীয়া ছাত্ৰসকলে গুৱাহাটী পোৱাত কটন কলেজৰ ছাত্ৰসকলেও আন্দোলনত জঁপিয়াই পৰাৰ উদগ্ৰ কৰ্ম-তৎপৰতা দেখুৱাব ধৰিলে। অসমত অসহযোগ আন্দোলনৰ পুৰোধা চন্দ্ৰনাথ শৰ্মায়ো কটন কলেজৰ ছাত্ৰসকলৰ দ্বাৰা কলেজ বৰ্জনৰ ওপৰতে এই প্ৰদেশত অসহযোগ আন্দোলনৰ কৃতকাৰ্যতা সম্পূৰ্ণ নিৰ্ভৰ কৰিছিল বুলি বিশ্বাস কৰিছিল, আৰু সেয়ে নবীন-তৰুণৰ দ্বিধাগ্ৰস্ততাক আওকাণ কৰি প্ৰথমৰ পৰাই ছাত্ৰসকলক আন্দোলনত নমাবলৈ দিনে-ৰাতিয়ে অহোপুৰুষাৰ্থ কৰি ফুৰিছিল। ছাত্ৰসকল যে ৰাজনৈতিক আন্দোলনৰ অগ্ৰণী গণ বাহিনী তাক অন্ততঃ সেই সময়ৰ অসমত অকল দূৰদৰ্শী চন্দ্ৰনাথ শৰ্মাইহে উপলব্ধি কৰিবলৈ সক্ষম হৈছিল।

পদ্মনাথ বৰঠাকুৰে কটনিয়ান সকলে কলেজ বৰ্জন কৰা সম্পৰ্কে এইদৰে লিখিছে,[৩০] "প্ৰৱসুৱা ছাত্ৰবিলাকে শিক্ষানুষ্ঠান বৰ্জন কৰি গুৱাহাটী পোৱাৰ লগে লগে বিদ্যাধৰ শৰ্মা, তৰুণ ভট্টাচাৰ্য, বেদ বৰঠাকুৰ, জগদীশ মেধি, শুকদেৱ গোস্বামী, গুপ্ত বৰুৱা আদি ছাত্ৰৰ নেতৃত্বত অসমৰ একমাত্ৰ শিক্ষানুষ্ঠান কটন কলেজৰ ছাত্ৰসকলেও ধৰ্মঘট কৰি ওলাই আহিল।"এই সম্পৰ্কত শশী শৰ্মাইও লিখিছে,[৩১] "১৯২১ চনত কলিকতাৰ কলেজত পঢ়ি থকা অসমীয়া ছাত্ৰসকলে কলেজ বৰ্জন কৰি আহি অসহযোগ আন্দোলনত যোগ দিবলৈ সকলোকে আহ্বান জনাইছিল।"

অসমত অসহযোগ আন্দোলনৰ ক্ষেত্ৰ প্ৰস্তুত কৰাত কংগ্ৰেছ আৰু ছাত্ৰ সংগঠন উভয় দিশতেই চন্দ্ৰনাথ শৰ্মা আছিল একমেৱ দ্বিতীয়ম্ নেতা। তথাকথিত প্ৰবীন ৰাজনীতিকৰ বাধা-নিষেধ, ককৰ্থনা আৰু দ্বিধাগ্ৰস্ততাক আওকাণ কৰি চন্দ্ৰনাথে যি সাংগঠনিক দক্ষতা আৰু ৰাজনৈতিক বিচক্ষণতাৰে আন্দোলনৰ গুৰি ধৰিছিল সিয়ে নবীন-তৰুণৰ ব্যক্তিত্বক অভাৱনীয় ৰূপে নিষ্প্ৰভ কৰি তুলিছে। ১৯২১ চনৰ ২ জানুৱাৰী তাৰিখে তেওঁ কটন কলেজৰ ছাত্ৰাবাসৰ ছাত্ৰ সভা এখনত ছাত্ৰসকলক অসহযোগ আন্দোলনত যোগদান কৰিবলৈ আহ্বান জনাই ভাষণ দিয়ে। ৩ তাৰিখে কাৰ্জন হলত অনুষ্ঠিত ছাত্ৰ সভাত তৰুণ ৰাম ফুকন, গৌৰীকান্ত তালুকদাৰ আৰু নিধিৰাম দাসে ছাত্ৰৰ দ্বাৰা স্কুল-কলেজ বৰ্জনৰ বিৰোধীতা কৰি " নিৰুৎসাহকাৰী বক্তৃতা"দিয়াত চন্দ্ৰনাথে ৪ তাৰিখে আকৌ সভা পাতি ছাত্ৰসকলক আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিবলৈ উদাত্ত আহ্বান জনাইছিল। ফলত ৬০/৭০ জনমান ছাত্ৰই কলেজ বৰ্জন কৰাৰ সিদ্ধান্ত লৈছিল যদিও নবীন চন্দ্ৰ বৰদলৈয়ে ভয়ানক ভয় খুওৱাত নিৰুৎসাহ হৈ কেৱল ১০/১২ জন ছাত্ৰইহে কলেজ বৰ্জন কৰিলে বুলি চন্দ্ৰনাথে লিখিছে।[৩২]

প্ৰাক্তন সাংসদ হেম বৰুৱাই লিখিছে যে কাৰ্জন হলত অনুষ্ঠিত ছাত্ৰ সভাত চন্দ্ৰনাথ শৰ্মা, অম্বিকাগিৰী ৰায়চৌধুৰী আৰু নবীন চন্দ্ৰ বৰদলৈয়ে কটন কলেজৰ ছাত্ৰসকলক কলেজ বৰ্জন কৰি আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ উদাত্ত আহ্বান জনাইছিল।[৩৩] কাৰ্জন হলৰ সভাত নবীন চন্দ্ৰ বৰদলৈ উপস্থিত নাছিল যেন লাগে, কিয়নো চন্দ্ৰনাথ শৰ্মাই তেওঁৰ ডায়েৰীত সেই সভাৰ বিষয়ে লিখোঁতে নবীন চন্দ্ৰ বৰদলৈৰ নামোল্লেখ কৰা নাই। ইতিপূৰ্বে উল্লেখ কৰি অহা বিদ্যাধৰ শৰ্মাৰ ডায়েৰীতো এই বিষয়ে কোনো উল্লেখ নাই, বৰং বৰদলৈ কাৰ্জন হলৰ সভাৰ পিছতহে বাহিৰৰপৰা

তেওঁতি আহি গুৱাহাটী পোৱা আৰু কলেজ বৰ্জনৰ সিদ্ধান্তৰ বাবে ধমক দিয়া কথাৰো উল্লেখ আছে। আনহাতে চন্দ্ৰনাথ শৰ্মাই ৪ জানুৱাৰীৰ ডায়েৰীত কটনৰ পৰা তেওঁ পাই মাত্ৰ ১০/১২ জনমান ছাত্ৰইহে কলেজ বৰ্জন কৰাৰ কথা লিখিছে। অসমৰ ৰাজনৈতিক ইতিহাসতো* তৰুণ ৰাম ফুকন, কুলধৰ চলিহা আৰু নবীন চন্দ্ৰ বৰদলৈ ছাত্ৰৰ দ্বাৰা কলেজ বৰ্জনৰ পক্ষপাতী নাছিল বুলি লিখিছে। পণ্ডিতে ইয়ে প্ৰমাণ কৰে যে হেম বৰুৱাই উল্লেখ কৰা মতে নবীন চন্দ্ৰ বৰদলৈ কাৰ্যত হলৰ সেই নিৰ্দিষ্ট সভাখনত উপস্থিত নাছিল আৰু ছাত্ৰসকলক কলেজ বৰ্জন কৰি অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ পৰামৰ্শও দিয়া নাছিল, বৰং তাৰ ওলোটাহে কৰিছিল।

কটন কলেজৰ ছাত্ৰসকলে কলেজ বৰ্জন কৰা সম্পৰ্কে ডাঃ কনক চন্দ্ৰ বৰুৱাই অতীত স্মৃতি ৰোমন্থন কৰি লিখিছে,* "১৯২১ চনৰ ২০ লৈ ২১ জানুৱাৰীত ছাত্ৰাবাসৰ ছাত্ৰসকলৰ এখন সভা অনুষ্ঠিত হৈছিল। সভাপতি হ'ল গুণানন্দ বৰুৱা। এখেত তেতিয়া ৪ৰ্থ বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ। সেই সভাত বহুত ছাত্ৰই উত্তেজনাপূৰ্ণ, মৰ্মস্পৰ্শী বক্তৃতা দিছিল। ৰুদ্ধ অনুভূতি, চিন্তাৰ যেন পাৰ ভাঙি গ'ল। সভাত সিদ্ধান্ত হ'ল কটন কলেজৰ সকলো ছাত্ৰই নাগপুৰৰ সদৌ ভাৰত ছাত্ৰ সন্মিলনৰ প্ৰস্তাৱ অনুসাৰে কলেজৰপৰা নাম তুলি লৈ অসহযোগ আন্দোলনত যোগ দিব। ইয়াৰ বিৰোধীতা এজনো ছাত্ৰই নকৰিলে। কোনোবা ছাত্ৰই বিৰোধীতা কৰিব পাৰে বুলি ভাবি আমি কলেজৰ দুৱাৰ মুখত পিকেটিং আৰম্ভ কৰিলোঁ।"

কলেজ বৰ্জনৰ বাবে আদিৰেপৰাই ছাত্ৰসকলক চন্দ্ৰনাথ শৰ্মাই উদগনি দিয়াৰ উপৰিও অম্বিকাগিৰী ৰায়চৌধুৰী, ত্ৰিগুণা চৰণ বৰুৱা, মহিবুদ্দিন আহমেদ আদিয়েও মাজে সময়ে দিহা-পৰামৰ্শ দিছিল। আনকি ফুকন, বৰদলৈ, চলিহা—এই ত্ৰিমূৰ্তিৰ বিৰোধীতা স্বত্বেও বিষ্ণু ৰাম মেধি, ৰোহিনী কুমাৰ চৌধুৰী আৰু কামাখ্যা ৰাম বৰুৱাই তৎকালেই ছাত্ৰসকলে কলেজ বৰ্জন কৰাৰ পোষকতা কৰিছিল।* অমিয় কুমাৰ দাসৰ মতে কটন কলেজৰ ছাত্ৰ সভাৰ সাধাৰণ সম্পাদক তিলক চন্দ্ৰ শৰ্মাৰ নেতৃত্বত তেজপুৰীয়া ছাত্ৰখিনিয়ে কলেজৰ জাননী ফলকত জাননী দি কলেজ বৰ্জন কৰিছিল। আন ১৫০ জন ছাত্ৰয়ো তেওঁলোকক অনুসৰণ কৰি কলেজ বৰ্জন কৰিছিল বুলি দাসে উল্লেখ কৰিছে। কলেজ বৰ্জন কৰা তেজপুৰীয়া দলটোত আছিল, কুমুদ চন্দ্ৰ শৰ্মা, দক্ষৰাম বৰুৱা, বগীৰাম শইকীয়া, জয়ৰাম শইকীয়া, কালীৰাম হাজৰিকা, ৰমাকান্ত শৰ্মা আৰু ফটিক চন্দ্ৰ শৰ্মা আদি।*

বিজয় চন্দ্ৰ ভাগৱতীয়ে স্কুল বৰ্জন কৰিছিল। তেওঁ লিখিছে,* "১৯২০ চনত (?) তেজপুৰৰ বহুতো পঢ়া-শুনাত নাম কৰা ছাত্ৰই স্কুল-কলেজ বৰ্জন কৰি আহি আন্দোলনত যোগ দিছিল। স্বৰ্গীয় হেম চন্দ্ৰ বৰুৱা, স্বৰ্গীয় লক্ষ্মীধৰ শৰ্মা, স্বৰ্গীয় কুমুদ শৰ্মা, স্বৰ্গীয় নবীন বৰুৱা, স্বৰ্গীয় জয়নাথ বৰা, শ্ৰীবগীৰাম শইকীয়া, শ্ৰীকালীৰাম হাজৰিকা, শ্ৰী ফটিক শৰ্মা, তিলক শৰ্মা, শ্ৰীকুমুদ শৰ্মা, দক্ষৰাম বৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা প্ৰমুখ্যে কেবাজনেও কলেজ এৰি আন্দোলনত যোগ দিছিল।"

অসম ছাত্ৰ সন্মিলনৰ সাধাৰণ সম্পাদক হেম চন্দ্ৰ বৰুৱা আন্দোলনৰ আদি ছোৱাত নিষ্ক্ৰিয় হৈ থকা কথাটো উল্লেখ কৰি অহা হৈছে। আন্দোলনৰ সময়ত তেওঁ

গুৱাহাটীৰ আৰ্ল ল'কলেজত অধ্যয়ন কৰি আছিল। ঘৰুৱা আৰ্থিক অনাটনে[illegible]ম চন্দ্ৰ বৰুৱাৰ এই নিষ্ক্ৰিয়তাৰ কাৰণ আছিল। তেওঁ নিজেই সেই অনাটনৰ কথা অমিয় কুমাৰ দাসৰ আগত প্ৰকাশ কৰিছিল, "দুখৰ লগত যুজ কৰোতেই ইমান দিন [illegible]। কোনোমতে এতিয়া ল' কলেজৰ দ্বিতীয় বছৰ পাইছোঁহি অহা বছৰলৈ ফাইনেল। এই সময়ত কলেজ এৰি দি ঘৰখনক দাৰিদ্ৰ্যৰ(মূলত যেনে আছে)পৰা উদ্ধাৰ কৰিম কেনেকৈ?"

১৯২১ চনৰ ৩০ ছেপ্তেম্বৰৰ দিনাখন তৰুণ ৰাম ফুকনৰ ঘৰৰ সমুখত হোৱা সভাৰ পিছতহে ঘৰলৈ গৈ তেওঁ আন্দোলনত অংশ গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছিল। তেওঁ লিখিছে, "কলেজ এৰি অসহযোগ আন্দোলনত যোগ দিয়াৰ স্থিৰ কৰিলোঁ। তেজপুৰ কেম্পত উপস্থিত হোৱাত বন্ধুসকলে ৰং পালে। তেজপুৰ জিলা কংগ্ৰেছ কমিটিৰ তেতিয়াৰ সভাপতি শ্ৰীযুত অমিয় কুমাৰ দাসে কলে, 'আহিলি তই। সভা-সমিতিত বক্তৃতা দিব নালাগে। আমাৰ গ্ৰেপ্তাৰৰ পিছত তই তেজপুৰ কংগ্ৰেছৰ ভাৰ ল'ব লাগিব।' "

ওপৰত উল্লেখ কৰি অহা ছাত্ৰসকলৰ উপৰিও পূৰ্ণ চন্দ্ৰ শৰ্মা, ৰামেশ্বৰ ভট্টআচাৰ্য্য, কবি চন্দ্ৰ মহন্ত, অক্ষয় কুমাৰ দাস, বিশ্বনাথ দাস, জগমোহন শৰ্মা, কেশবানন্দ ভট্টআচাৰ্য্য, ৰবীন্দ্ৰ নাথ বৰদলৈ, হৰেন্দ্ৰ কুমাৰ ৰায়, ৰহিমুদ্দিন আহম্মদ, যজ্ঞোৰাম বৰা," জাহিৰুদ্দিন " অম্বিকা কুমাৰ বৰুৱা, শিৱ প্ৰসাদ বৰুৱা, দুৰ্গাধৰ বৰুৱা,". আদি ছাত্ৰই কটন কলেজ বৰ্জন কৰি অসহযোগ আন্দোলনত জপিয়াই পৰিছিল। পুলিচ ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি ড° গুহই লিখিছে," "Students of the Cotton College decided in favour of the boycott call on 17 January and actually went on strike for an indefinite period with effect from 20 January 1921 " ড° লক্ষ্মী দেৱীয়েও একে সুৰতে লিখিছে," যে ১৯২১ চনৰ ১৭ জানুৱাৰী তাৰিখে কটন কলেজৰ এচাম ছাত্ৰই অসহযোগৰ সংকল্প গ্ৰহণ কৰে আৰু ধৰ্মঘটৰ সিদ্ধান্ত গ্ৰহণ কৰি এই আন্দোলনত জপিয়াই পৰে।

১৯২০-২২ চনৰ অসহযোগ আন্দোলনৰ সময়ত কলেজ বৰ্জন কৰি আন্দোলনত ব্ৰতী হৈ পৰা ছাত্ৰসকলৰ ভিতৰত অন্যতম আছিল অমিয় কুমাৰ দাস। তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ তৃতীয় বাৰ্ষিক আইনৰ ছাত্ৰ আছিল। অসহযোগত অংশ গ্ৰহণৰ বাবে দিয়া "আহ্বানত তেওঁ উতলা হৈছিল আৰু তেতিয়াই কলেজ বাদ দি আন্দোলনত সোমাই পৰিছিল।" গুৱাহাটীৰ ভুৱনেশ্বৰ বৰুৱা" আৰু শিৱসাগৰৰ বিমল কান্ত বৰুৱাই চৰকাৰী কলেজ " বৰ্জন কৰি কংগ্ৰেছৰ কামত ব্ৰতী হৈছিল। কলিকতাৰ কলেজত পঢ়ি থকা যোগেন্দ্ৰনাথ নাথ, হৰেন্দ্ৰ কুমাৰ সিংহ, গৌৰীকান্ত চক্ৰৱৰ্তী, গিৰীন্দ্ৰ কুমাৰ নাথ, সুৰেন্দ্ৰ মোহন সেনগুপ্ত আৰু গুৱাহাটীৰ কলেজত পঢ়ি থকা সুৰেন্দ্ৰ মোহন দাস, মনিকান্ত দাস, উমেশ চন্দ্ৰ শৰণীয়া, আমেদ আলি, ডাঃ ঘণশ্যাম দাস, ধৰজেন্দ্ৰ নাৰায়ণ মেধি আদি লোৱালপৰীয়া ছাত্ৰসকলে কলেজ ত্যাগ কৰি আন্দোলনত অংশ গ্ৰহণ কৰাৰ লগতে কংগ্ৰেছী ৰাজনীতিত সোমাই পৰে।"

কলেজীয়া ছাত্ৰসকলে কলেজ বৰ্জন কৰি আন্দোলনত আগভাগ তথা নেতৃত্ব লোৱাত অসমৰ মধ্যবিত্ত শ্ৰেণীৰ একাংশ তথাকথিত নেতা বিব্ৰত হৈ পৰিছিল। কলেজ

বৰ্জন কৰি ছাত্ৰসকলে অসমত যি আলোড়নৰ সৃষ্টি কৰিছিল সেই পটভূমিত নবীন চন্দ্ৰ বৰদলৈৰ ভূমিকাৰ বিষয়ে গোপীনাথ বৰদলৈয়ে লিখিছে,[৫০] "ইফালে কটন কলেজৰ ছাত্ৰবিলাকে ফেব্ৰুৱাৰী মাহত (হ'ব পায়) দল বান্ধি কলেজৰপৰা বাহিৰ হ'ল, আৰু যদিও কেইজনমান দৃঢ় সঙ্কল্প ডেকাৰ বাদে বাকীবিলাকে পুনৰায় কলেজত সোমালগৈ ই সাময়িকভাৱে এনে এটা হুলস্থূলৰ সৃষ্টি কৰিলে যে দেশৰ মত কোনকালে ভাল খাইছে তাক বুজিবলৈ নেতা সকলৰ বাকী নেথাকিল। দায়িত্বশীল নেতা বৰদলৈ ডাঙৰীয়াই দেখা পোৱা দেশৰ এই দায়িত্বহীন আৰু অসংযত ভাব বন্ধ কৰিবলৈ লাগিব বুলি দৃঢ় সঙ্কল্প লৈ আন্দোলনত আত্মাহুতি দিলে।"

ইয়াত গোপীনাথ বৰদলৈয়ে ছাত্ৰসকলে কলেজ বৰ্জন কৰি আন্দোলনত অংশ গ্ৰহণ কৰা কাৰ্য্যক "দায়িত্বহীন" আৰু "অসংযত" বুলি অভিহিত কৰিছে আৰু তাকে কৰিবলৈ গৈ ৰজাঘৰীয়া ওকালতি কৰিছে। যি সময়ত প্ৰবীন নেতাসকলে, যথা– নবীন চন্দ্ৰ বৰদলৈ, তৰুণ ৰাম ফুকন আদিয়ে প্ৰথমৰপৰা আন্দোলনৰ নেতৃত্ব দিব লাগিছিল সেই সময়ত তেওঁলোকৰ অনৈতিহাসিক নিষ্ক্ৰিয়তাকে অনুসৰণ নকৰি ছাত্ৰসকলেই আন্দোলনৰ সূচনা কৰাত ছাত্ৰৰ কাৰ্যক দায়িত্বহীন, অসংযত আদি অপাঙ্কতেয় মন্তব্য কৰাতো অতি চাৰলগীয়া কথা। সি যি কি নহওক, নবীন সকলৰ কাৰ্যই যেনিবা প্ৰবীণসকলৰ গা লৰালে। "নেতাসকলৰো দায়িত্ব বাঢ়িল– ডেকাদল যেতিয়া ওলাল আন্দোলনৰ শৃঙ্খলা, সংগঠন আৰু অসম জুৰি প্ৰচাৰৰ কাৰণে নেতাসকল চিন্তান্বিত হৈ পৰিল।"[৫১]

গতিকে দেখা যায় যে অসমত ছাত্ৰসকলে আন্দোলন আৰম্ভ কৰাৰ পিছতহে নবীন চন্দ্ৰ বৰদলৈ, তৰুণ ৰাম ফুকন, কুলধৰ চলিহা আদি নেতাসকলে আন্দোলনত অংশ গ্ৰহণ কৰিছিল। ভাৰতীয় বুৰ্জোৱা শ্ৰেণীৰ নেতৃত্বত চলা এই আন্দোলনত অসমীয়া বৰ বৰ নেতাসকলৰ আদিছোৱাৰ দ্বিধাবোধ তাৎপৰ্যপূৰ্ণ কথা। ডাঃ কনক চন্দ্ৰ বৰুৱাই এই সম্পৰ্কে লিখিছে[৫২], "অসমত মহাত্মা গান্ধীৰ প্ৰকৃত অসহযোগ আন্দোলন কটন কলেজৰ চৌহদৰপৰা আৰম্ভ হয়। কটন কলেজৰ ছাত্ৰই এই আন্দোলনৰ সূত্ৰপাত কৰে। তাৰ আগতে, নেতাসকলে বিশেষ একো কৰিব পৰা নাছিল।" প্ৰবীন ৰাজনীতিবিদ দেৱেশ্বৰ শৰ্মাইয়ো লিখিছে,[৫৩] "অসমত অসহযোগ আন্দোলনৰ সক্ৰিয় অগ্ৰদূত হিচাপে কটন কলেজৰপৰা পঢ়া এৰি ছাত্ৰ কেইজনমান ওলাইছিল। ছাত্ৰ শক্তিয়েহে অসমৰ মুক্তি যুদ্ধত সৰ্বতোপ্ৰকাৰে সাহপিত আৰু শক্তি সামৰ্থ যোগাইছিল।" ৰাজনৈতিকভাৱে সচেতন আছিল বাবেই ছাত্ৰ শক্তিয়েৰে স্বাধীনতাৰ বাবে আৰম্ভ হোৱা আন্দোলনত আত্মাহুতি দিবলৈ পাৰিছিল। অৱশ্যে কতুৱে অভিভাৱকে সেই সময়ত "ছাত্ৰসকলক বুজালে যে ছাত্ৰই পঢ়াৰ বাহিৰে ৰাজনীতিত যোগ দিয়া অনুচিত"[৫৪] কিন্তু দেশৰ মুক্তি পিয়াসী ছাত্ৰসকলৰপৰা এনে বিধৰ আপত্তবাক্যই সহাঁৰি নাপালে। ছাত্ৰই ৰাজনীতিত অংশ লৈ স্বাধীনতা ৰণত আগৰণুৱা হৈ জপিয়াই পৰিল। আন্দোলনকাৰী ছাত্ৰসকলৰ কাৰণে জাতীয় পুঁজি গঠনৰ ব্যৱস্থা কৰা হ'ল। সেই পুঁজিলৈ গোপীনাথ বৰদলৈয়ে ২৫০ টকা আৰু চন্দ্ৰনাথ শৰ্মাই নিজৰ সমস্ত মূল্যবান সম্পত্তি দান কৰে।[৫৫] কলেজ বৰ্জন কৰা ছাত্ৰসকলৰ সুবিধাৰ বাবে ডাঃ হৰিকৃষ্ণ

দাসে তেওঁৰ ঘৰতে শিবিৰ পাতি প্ৰকাৰ ব্যৱস্থা কৰি দিছিল। কলেজৰ ছাত্ৰসকলে কলেজ বৰ্জন কৰাতে তেওঁলোকৰ কৰ্তব্য শেষ হোৱা বুলি নাভাবি দেশৰ বিভিন্ন অঞ্চলত অসহযোগৰ আঁচনি আৰু বাণী প্ৰচাৰ কৰি আন্দোলন তীব্ৰতৰ কৰাৰ বাবে কংগ্ৰেছ সংগঠন গঢ়ি তোলাৰ কামত জড়িত আৰু ব্যস্ত হৈ পৰিল। কলেজ বৰ্জন কৰি ডাঃ হৰিকৃষ্ণ দাসৰ ঘৰত আশ্ৰয় লোৱাৰ পাছত নেতাসকলৰ পৰা-মৰ্শ মৰ্মে ছাত্ৰসকলে নিজ নিজ অঞ্চলত আন্দোলনৰ কামত ব্যস্ত হৈ পৰিল। তাৰ পিছত তেওঁলোকে স্থানীয় লোকৰ সহযোগত "প্ৰত্যেক ঠাইতে একোটি কংগ্ৰেছ কাৰ্যালয় পাতি ললে আৰু গাঁৱে ভূঞে কংগ্ৰেছ আৰু মহাত্মাৰ অসহযোগ আন্দোলনৰ বিষয়ে প্ৰচাৰ কৰিবলৈ ধৰিলে।"

লাহে লাহে কলেজীয়া ছাত্ৰসকলৰ কলেজ বৰ্জনৰ আদৰ্শকে লৈ স্কুলীয়া ছাত্ৰসকলেও অসমৰ বিভিন্ন ঠাইত স্কুল বৰ্জন কৰি আন্দোলনৰ গতি ক্ষীপ্ৰতৰ কৰি তুলিলে।১৯২১ চনৰ আদিতে মঙ্গলদৈত স্কুলীয়া ছাত্ৰসকলে স্কুল বৰ্জন কৰিলে আৰু তেওঁলোকৰ কাৰণে জাতীয় স্কুল স্থাপন কৰা হ'ল। মঙ্গলদৈত স্কুল বৰ্জন কৰা ছাত্ৰসকলৰ ভিতৰত ৰজনী কান্ত বৰুৱা, সীতানাথ বৰুৱা, শান্তিৰাম বৰা, পদ্ম ভাগৱতী, ধৰ্মকান্ত ডেকা, ভৰলু ডেকা, যুজেশ্বৰ ডেকা, ভূমিধৰ ডেকা, ভোগৰাম ডেকা, বাণীকান্ত ডেকা, চম্পাৰাম শৰ্মা আদি প্ৰধান আছিল। "ভৰলু ডেকা মঙ্গলদৈ হাই স্কুলৰ কেপ্তেইন আছিল। তেঁৱেই প্ৰথম ল'ৰাবিলাকক স্কুল এৰি আন্দোলনত সক্ৰিয়ভাৱে কাম কৰিবলৈ লৈ আহে।" টঙ্কেশ্বৰ শৰ্মাৰ মতে মহকুমাৰ সকলো স্কুলৰ ছাত্ৰই তেতিয়া স্কুল বৰ্জন কৰিছিল। তেজপুৰত ৰত্নেশ্বৰ ৰায়, মদন চন্দ্ৰ শইকীয়া, গুণাভি ৰাম শৰ্মা, চেনীৰাম দাস, নবীন চন্দ্ৰ ভট্টাচাৰ্য, ৰবিচন্দ্ৰ হাজৰিকা, লম্বোদৰ কলিতা, ফুলেশ্বৰ বৰা, বিজয় চন্দ্ৰ ভাগৱতী আদি ছাত্ৰই স্কুল বৰ্জন কৰিছিল।

গুৱাহাটীত বাণীকিঙ্কৰ গোস্বামী, কান্তিধৰ মেধি, কনকলাল নাথ, মহেশ্বৰ দাস, দেৱপাল দাস, প্ৰমোদ চন্দ্ৰ চৌধুৰী, ৰঙিয়া অঞ্চলত প্ৰাণেশ্বৰ শৰ্মা, গোলাপ চন্দ্ৰ শৰ্মাদলৈ, তৰুণীকান্ত শৰ্মা, নলবাৰী অঞ্চলত অমৃত চন্দ্ৰ শৰ্মা, ৰজনীকান্ত ভট্টাচাৰ্য, ধৰ্মকান্ত শৰ্মা, মহীধৰ শৰ্মা, লক্ষ্মীকান্ত শৰ্মা, প্ৰভাত চন্দ্ৰ শৰ্মা, ঘনশ্যাম গোস্বামী, ধনেশ্বৰ গোস্বামী, বিশ্বনাথ শৰ্মা, ৰামেশ্বৰ লাল মন্থৰা আদি ছাত্ৰই স্কুল বৰ্জন কৰি আন্দোলনত অংশ গ্ৰহণ কৰিছিল।ৰঙিয়া অঞ্চলত আন্দোলনৰ তীব্ৰতা সম্পৰ্কে কামিনী মোহন শৰ্মাই এইদৰে লিখিছে, "এই আন্দোলন গাওঁ অঞ্চলত বিয়পি পৰে। মধুকুছি, বাহাৰঘাট, ঘগ্ৰাপাৰ, গৰিয়াকোঠ, মুক্তাপুৰ, কৰৰা, দোবোক, গুইয়া, বাৰাংহাটি, কণিহা, জয়ন্তীপুৰ, বৰথলা, দেহাৰকুছি, পুঠিমাৰী আৰু সুন্দৰিশাল আদি ঠাইত সভা-সমিতি পাতি "বিলাতী" কাপোৰ দাহ কৰে। গাওঁ সমূহৰপৰা দলে দলে ছাত্ৰ-যুৱকে গান্ধী টুপি পিন্ধি হাতত জাতীয় পতকা লৈ স্বাধীনতা যুঁজলৈ ওলাই আহে।"গোৱালপাৰাত পি.আৰ. গৱৰ্ণমেণ্ট হাই স্কুলৰ সমূহ ছাত্ৰই ১৯২১ চনৰ মাৰ্চ মাহৰ ১ তাৰিখে স্কুল বৰ্জন কৰি আন্দোলনত অংশ গ্ৰহণ কৰে। চন্দ্ৰনাথ শৰ্মাই ১৯২১ চনৰ ফেব্ৰুৱাৰী মাহত গোৱালপাৰা ভ্ৰমণ কৰি বিভিন্ন সভাত ছাত্ৰসকলকো আন্দোলনত জপিয়াই পৰিবলৈ দিয়া আহ্বানৰ পৰিপ্ৰেক্ষিতত্তেই গোৱালপাৰাত ছাত্ৰসকলে স্কুল বৰ্জন কৰি অসহযোগত

সহযোগ কৰি ইতিহাস ৰচনা কৰিছিল। চন্দ্ৰনাথ শৰ্মাই লিখিছে, "প্ৰায় ৪০০০ মানুহৰ Mass meeting কৰি বক্তৃতা দিয়া হয়। বঙ্গালীৰ ভিতৰত ৭৫ বছৰীয়া বুঢ়াও যোগ দিয়ে। বিতোপন response পোৱা হয়।" আকৌ ১ মাৰ্চৰ ডায়েৰীত তেওঁ লিখিছে, "৬৪ জন স্কুল এৰি আহি মোক দেখা কৰে।" যোৰহাটতো স্কুলীয়া ছাত্ৰসকলে স্কুল বৰ্জন কৰিছিল। এই সময়ত যোৰহাটৰ ডেপুটী কমিছনাৰ ফ্ৰীল্ চাহাবে চৰকাৰী হাইস্কুলৰ তিনিজন ছাত্ৰক বেত দিয়াত স্কুলৰ সকলো ছাত্ৰই স্কুল বৰ্জন কৰে। ফেব্ৰুৱাৰী মাহৰ মাজভাগত চন্দ্ৰনাথ শৰ্মাই যোৰহাটত সভা পাতি অসহযোগৰ বাণী প্ৰচাৰ কৰে। ১৫ ফেব্ৰুৱাৰীত চন্দ্ৰনাথে ছাত্ৰসভাত বক্তৃতা দিয়ে আৰু বহুত ছাত্ৰই স্কুল বৰ্জন কৰে। চন্দ্ৰনাথৰ যোৰহাট ভ্ৰমণৰ কালছোৱাতে কটন কলেজ বৰ্জন কৰি আন্দোলনত নমা ছাত্ৰ বিদ্যাধৰ শৰ্মাক সভাপতি হিচাপে লৈ যোৰহাটত এখন কংগ্ৰেছ সমিতি গঠন কৰা হয়। তাৰ সম্পাদক আছিল হেম শৰ্মা। স্কুল বৰ্জন কৰা বহু ছাত্ৰই তেওঁলোকৰ লগ লাগিছিলহি। বিদ্যাধৰ শৰ্মাই লিখিছে, "স্কুলৰপৰা ওলাই অহা ছাত্ৰ শ্ৰীদেবেন্দ্ৰ নাথ চক্ৰবৰ্তী, দেবেন্দ্ৰনাথ ঠাকুৰ, শশীধৰ মলিয়া, কমল বৰুৱা, চন্দ্ৰকান্ত বৰুৱা, কেহোৰাম, দুৰ্গ বৰুৱা প্ৰভৃতি বহুত আমাৰ লগ লাগিলহি।" যোৰহাটত চন্দ্ৰনাথৰ ভাষণে কি ধৰণে ক্ৰিয়া কৰিছিল তাক শশী শৰ্মাই এইদৰে বৰ্ণাইছে, মানুহে "তিনি চাৰি দিন একেৰাহে যোৰহাটত এওঁৰ ভাষণ শুনিলে। ছাত্ৰসকলৰ মন-প্ৰাণ চন্দ্ৰনাথ শৰ্মাৰ ভাষণে উতলা কৰি তুলিলে। লগে লগে দলে দলে শিক্ষানুষ্ঠান ত্যাগ কৰি ছাত্ৰসকল ওলাই আন্দোলনত জপিযাই পৰিল।" ইয়াৰ আগতে ডিব্ৰুগড়ৰ ছাত্ৰ সভাত চন্দ্ৰনাথৰ ভাষণ শুনি জৰ্জ স্কুলৰ ৫০ জন ছাত্ৰই স্কুল বৰ্জন কৰিছিল। জিলা গেজেটিয়াৰত লিখা হৈছে, "Many students of Jorhat and Sibsagar left school or college for good"

১৭/১১/২১ তাৰিখে উত্তৰ লক্ষীমপুৰৰ চৰকাৰী হাই স্কুল প্ৰাঙ্গনত হোৱা ৰাজহুৱা সভাৰ পাছৰ পৰাই সেই স্কুলত ধৰ্মঘট আৰম্ভ হৈছিল। ১৯২০ চনৰ অক্টোবৰ মাহত গঠিত উত্তৰ লক্ষীমপুৰৰ প্ৰথমখন জিলা কংগ্ৰেছ সমিতিত কলেজ বৰ্জন কৰা ছাত্ৰ মহম্মদ উল-হক বৰুৱা আৰু আন এজন ছাত্ৰ নেতা ৰজনীকান্ত খাৰঘৰীয়া সদস্যভূক্ত হৈছিল। ১৯২১ চনত পুনৰ গঠিত জিলা কংগ্ৰেছ সমিতিত উক্ত হক বৰুৱা খিলাফট শাখাৰ সম্পাদক নিযুক্ত হৈছিল আৰু লগতে অন্য সাতজন ছাত্ৰনেতাক জিলা সমিতিৰ সদস্যভূক্ত কৰা হৈছিল। তেওঁলোক হ'ল,--সাংগঠনিক সম্পাদক সিদ্ধেশ্বৰ গগৈ, মেৰাজুদ্দিন আহমদ, তীৰ্থেশ্বৰ হাজৰিকা, লক্ষীনাথ শৰ্মাবৰুৱা, কেশৱ চন্দ্ৰ গোহাঁই, নগেন্দ্ৰনাথ শইকীয়া, ঠানুৰাম তাম্বুলি ফুকন, ৰজনীকান্ত খাৰঘৰীয়া আৰু মীনকান্ত গোস্বামী। পণ্ডিত কনক চন্দ্ৰ শৰ্মাক সভাপতি হিচাপে লৈ গঠিত নগাওঁ জিলা কংগ্ৰেছতো কলেজ বৰ্জন কৰা ছাত্ৰসকলে সদস্যভূক্ত হৈ কংগ্ৰেছ সমিতিক শক্তি দান কৰিছিল। পূৰ্ণ চন্দ্ৰ শৰ্মা সহ সম্পাদক আৰু স্বেচ্ছাসেৱক বাহিনীৰ নায়ক নিযুক্ত হৈছিল আৰু আত্মা সিং ছেত্ৰী, ইছলাম খাঁ, মেহবুব আলি, সুধাংশু বন্দোপাধ্যায় আদি ছাত্ৰ নেতা কাৰ্যনিৰ্বাহকৰ সদস্যভূক্ত হৈছিল। নগাওঁ জিলাতো বহু স্কুলীয়া ছাত্ৰই স্কুল বৰ্জন কৰি আন্দোলনৰ কাৰ্যত জড়িত হৈ পৰিছিল বুলি পূৰ্ণ চন্দ্ৰ শৰ্মাই উল্লেখ কৰিছে।

১৯২১ চনৰ ২৮ জানুৱাৰীত নগাওঁ চিভিল হাস্পাতালৰ পথাৰত অনুষ্ঠিত সভাত কলেজীয়া ছাত্ৰৰ ওপৰিও দুশ মান স্কুলীয়া ছাত্ৰ উপস্থিত আছিল।

অন্যান্য জিলা অঞ্চলৰ দৰে নগাওঁ জিলাতো পূৰ্বে উল্লেখ কৰি অহা কটন কলেজ বৰ্জন কৰি অহা ছাত্ৰসকলেই আন্দোলন আৰম্ভ কৰে। কলেজ বৰ্জন কৰি আন্দোলনত অংশ গ্ৰহণ কৰা নগাওঁৰ ছাত্ৰসকলৰ ভিতৰত ফুল সিং ছেত্ৰী, মেহবুব আলি, নৰেন্দ্ৰনাথ হাজৰিকা, ইছলাম খাঁ, সুধাংশু বন্দোপাধ্যায়, মোহন চন্দ্ৰ গুহ আদিও আছিল। "শেৱালী" কবি ৰূপে খ্যাত ৰত্নকান্ত বৰকাকতীয়ে কলিকতাৰপৰা কলেজ বৰ্জন কৰি আহি আন্দোলনৰ কৰ্মকৰ্তাসকলৰ লগত যোগাযোগ ৰাখি কৰ্মীসকলক উৎসাহিত কৰিছিল।

১৯২১ চনৰ মাৰ্চ মাহত চন্দ্ৰনাথ শৰ্মাই নগাওঁত সভাপাতি আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ জনসাধাৰণক আহ্বান জনাইছিল। তেওঁৰ ভাষণত মুগ্ধ হৈ সাৰদাকান্ত বৰদলৈ, চন্দ্ৰকান্ত বৰকাকতী, লক্ষ্মীকান্ত বৰকাকতী, ডম্বৰুধৰ হাজৰিকা, ভগীৰথ হাজৰিকা, ড. হংস নাথ, সুৰেন্দ্ৰ সিং, যুগল হাজৰিকা, যোগেন্দ্ৰ নাথ নাথ, আব্দুল মন্নাফ, ধনবৰ পাটৰ, মহেন্দ্ৰনাথ হাজৰিকা আদি বহু ছাত্ৰই স্কুল বৰ্জন কৰি আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ ওলাই আহিছিল। হাইলাকান্দি মহকুমাতো ছাত্ৰসকলে স্কুল বৰ্জন কৰি আন্দোলনত ভাগ লৈছিল।

অসহযোগ আন্দোলনৰ পৰিচালনাৰ দায়িত্ব দিয়া হৈছিল মহাত্মা গান্ধীক আৰু আন্দোলনত অহিংসা পন্থা অৱলম্বন কৰিলে ভাৰতবৰ্ষই এবছৰৰ ভিতৰতে স্বাধীনতা (স্বৰাজ) লাভ কৰিব বুলি গান্ধী আৰু তেওঁৰ অনুগামীসকলে বিশ্বাস আৰু প্ৰচাৰ কৰিছিল। কিন্তু এই সকলো আশ্বাস আৰু প্ৰচাৰ ফুটুকাৰ ফেন বুলি প্ৰমাণিত হ'ল। উত্তৰ প্ৰদেশৰ জনতাই হিংসা পন্থাৰে পুলিচী অত্যাচাৰ-নিৰ্যাতনৰ প্ৰত্যুত্তৰ দিয়াত মহাত্মা গান্ধীয়ে, নেতা কৰ্মী আৰু অংশগ্ৰহণকাৰী সকলোকে স্তম্ভিত কৰি হঠাতে আন্দোলন স্থগিত কৰিলে।

১৯২২ চনৰ ৫ ফেব্ৰুৱাৰী তাৰিখে উত্তৰ প্ৰদেশৰ কিছুমান বিদ্ৰোহী কৃষকে পুলিচী নিৰ্যাতনত অতীষ্ট হৈ চৌৰী-চৌৰাৰ পুলিচ থানাটো কেইবাজনো পুলিচ কৰ্মচাৰীসহ পুৰি পেলালে। আন্দোলন স্থগিত ৰখাৰ অজুহাত আছিল সেইটোৱেই মাত্ৰ। অসহযোগ আন্দোলনৰ সময়ত কৃষক তথা ছাত্ৰসকলৰ সংগ্ৰামী ভূমিকা আৰু লগতে আন্দোলনৰ তীব্ৰতাত ভাৰতীয় জাতীয় বুৰ্জোৱাৰ পোষ্যপুত্ৰ আৰু বৃটিশৰ বিশ্বস্ত সহচৰ মহাত্মা গান্ধী সচকিত আৰু শঙ্কিত হৈ পৰিছিল। তাতে আকৌ ৰুচ দেশত সংঘটিত হোৱা ১৯১৭ চনৰ সমাজতান্ত্ৰিক বিপ্লৱৰ পৰিণতিয়ে ভাৰতীয় জাতীয় বুৰ্জোৱা শ্ৰেণীৰ লগতে বৃটিশ সাম্ৰাজ্যবাদৰো চকুৰ টোপনি হৰি নিছিল। দেশৰ বিভিন্ন অঞ্চলত গঢ়ি উঠা কৃষক বিদ্ৰোহে এই আশঙ্কা আৰু বেছি ঘনীভূত কৰি তুলিছিল। খাজনা বন্ধ আন্দোলনে এফালে কৃষক-জমিদাৰৰ সম্পৰ্কৰ অৱনতি ঘটোৱাৰ লগতে আনফালে আন্দোলনৰ নেতৃত্বও বুৰ্জোৱা শ্ৰেণীৰ হাতৰপৰা ওলাই যোৱাৰ সম্ভাৱনা অধিক কৰি তুলিছিল। সেয়ে চৌৰী-চৌৰাত সংঘটিত এটা সামান্য হত্যাকাণ্ডৰ নীচক অজুহাত লৈ ভাৰতীয় জনগণৰ স্বাধীনতাৰ দৰে বৃহৎ স্বাৰ্থৰ পৰিপূৰণৰ বিপৰীতে মহাত্মা গান্ধীয়ে হঠাতে

আন্দোলন প্ৰত্যাহাৰৰ কথা ঘোষণা কৰে। অসহযোগৰ সামৰণি পৰিল, দেশে এবছৰৰ ভিতৰতে স্বাধীনতা নাপালে।

গান্ধীৰ এই কাৰ্যই দেশৰ বিভিন্ন অঞ্চলত কংগ্ৰেছৰ নেতা, কৰ্মকৰ্তা আৰু আন্দোলনত অংশ গ্ৰহণকাৰী জনতাৰ মাজত ভীষণ ক্ষোভ আৰু অসন্তুষ্টিৰ জন্ম দিলে। অসমত অসহযোগ আন্দোলনৰ নেতা আৰু সংগঠক চন্দ্ৰনাথ শৰ্মা ইতিমধ্যে যক্ষ্মা ৰোগত আক্ৰান্ত হৈ আন্দোলনৰপৰা আঁতৰি পৰিবলৈ বাধ্য হৈছিল। মহাত্মা গান্ধীয়ে আন্দোলন স্থগিত কৰাৰ সময়ত তেওঁ পুৰীত গৈ তাৰ তিলোত্তমাশ্ৰমত শয্যাগত হৈ বিশ্ৰাম লৈ আছিল। আন্দোলন স্থগিত কৰাৰ খবৰ পাই তেওঁ অত্যান্ত মৰ্মাহত আৰু ক্ষোভিত হৈ পৰে আৰু তেওঁৰ মানসিক অৱস্থা জনাই তেওঁৰ বন্ধু দুৰ্গানাথ বৰুৱালৈ ১৯২২ চনৰ ২২ ফেব্ৰুৱাৰী তাৰিখে ৰাতিয়েই লিখিলে,[৩] "ময়ো সেই খবৰ পাই আনন্দ পোৱাৰ পূৰ্বে বৰ্দলীত কংগ্ৰেছ কাৰ্যকৰী সভাৰ প্ৰস্তাববিলাক পাই স্তম্ভিত হৈছোঁ। অৱশ্যে এই সিদ্ধান্ত আকস্মিক ৰকমে হোৱা নাই। যোৱা নৱেম্বৰৰ পৰা মহাত্মা গান্ধিৰ (মূলৰ দৰে)'ধৰ্মৰোগ'(Religious mania) হৈছে। তেতিয়াৰে পৰাই মই কংগ্ৰেছৰ বৰ্তমান কাৰ্য্য সন্দেহ আৰু ভয়ৰ চকুৰে চাই আহিছোঁ। বৰ্দলীৰ প্ৰস্তাববিলাকে আমাৰ জাতীয় গ্লানি আৰু অপযশ আনিলে। মহাত্মা গান্ধিয়েও স্বীকাৰ কৰিছে যে সেই প্ৰস্তাববোৰ ৰাজনীতি হিচাপে অজ্ঞতা আৰু যুক্তিহীনতাৰ পৰিচায়ক, কিন্তু ধৰ্মৰ বিবেচনাত যুক্তিযুক্ত ( politically unwise and unsound but religiously sound) ভাৰতৰ জাতীয় মহাসভা ৰাজনৈতিক সভাৰূপে সভ্য জগতৰ ওচৰত পৰিচিত। আৰু এই ৰাজনৈতিক সভা ক্ষেত্ৰত থিয় হৈ স্বাধীনতা লাভৰ কাৰণে ভাৰতবাসীয়ে উপযুক্ত আৰু ন্যায্য ভাৱে চেষ্টা কৰিছে বুলিয়েই জগতৰ সভ্য জাতিবিলাকে এই সভাৰ বৰ্তমান কাৰ্যপ্ৰণালী আৰু তাৰ ফললৈ সুক্ষ্মভাৱে লক্ষ্য কৰি আছে। গতিকে এনে এখন জাতীয় মহাসভাই হঠাৎ ৰাজনীতি মতে অযুক্তিকৰ ( politically unsound and unwise) কাম এটা কৰি সভ্য জগতত আজি ভাৰতক কিৰূপে পৰিচিত কৰিব অক ভাবি চাব লগীয়া।" আমি মাত্ৰ সামান্য উদ্ধৃতি দিয়া তেখেতৰ ডাঙেঘান দীঘলীয়া উক্ত চিঠিখনত চন্দ্ৰনাথ শৰ্মাই নিজৰ ক্ষোভ প্ৰকাশ কৰোতে বিচক্ষণ ৰাজনীতিকৰ দৃষ্টিভংগীৰে যথেষ্ট যুক্তিৰ অৱতাৰণা কৰিছে। দ'ৰাচলতে ক'ব পাৰি চন্দ্ৰনাথ শৰ্মাৰ এই চিঠিখনে সেই সময়ত গান্ধীৰ সিদ্ধান্তৰ প্ৰতি অসন্তুষ্ট সকলো স্বাধীনতাকামী ভাৰতবাসীৰে অন্তৰৰ মৰ্মবেদনা প্ৰকাশ কৰিছিল।

সি যি কি নহওক, অসমত অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰা ছাত্ৰসকলে গাওঁ অঞ্চলত কংগ্ৰেছ সংগঠন গঢ়ি তোলা, তিলক স্বৰাজ ভঁৰাললৈ চাঁদা সংগ্ৰহ কৰা, মাদক দ্ৰব্য বৰ্জনৰ বাবে প্ৰচাৰ কৰা আৰু তেনে দ্ৰব্য বিক্ৰি কৰা দোকান-পোহাৰত পিকেটিং কৰা, বৃটিশে গঢ়ি তোলা স্কুল-কলেজ ত্যাগ কৰি জাতীয় স্কুল খোলাৰ উপৰিও তাত পঢ়া-শুনা কৰাৰ ব্যৱস্থা কৰা আৰু আনকি উকিলসকলে যাতে আদালত ত্যাগ কৰে তাৰো কাৰ্যপন্থা লোৱাত বিশেষ অৰিহণা আগবঢ়াইছিল। এই কিলাকৰ উপৰিও বিদেশী সামগ্ৰী বৰ্জন কৰি দেশজাত সামগ্ৰী গ্ৰহণৰ বাবে প্ৰচাৰ তথা আঁচনি অসমত ছাত্ৰসকলেই কাৰ্যত পৰিণত কৰিছিল। খুব সম্ভৱ কামৰূপৰ বৰো, বাক্সা

আৰু দৰঙৰ মঙ্গলদৈ অঞ্চলত ছাত্ৰসকলৰ সহযোগতেই "খাজনা বন্ধ"ৰ দৰে ব্যাপক আৰু অৰ্থনৈতিকভাৱে শক্তিশালী গণ আন্দোলনৰ ভিত্তিও তৈয়াৰ কৰা হৈছিল।

স্কুল-কলেজ বৰ্জন কৰা ছাত্ৰসকলৰ ৰাজনৈতিক আন্দোলন আৰু প্ৰচাৰ কাৰ্যৰ সহায়ক হিচাপে দেশৰ বিভিন্ন ঠাইত জাতীয় স্কুল স্থাপন কৰা হৈছিল। আন্দোলনৰ ফলস্বৰূপে সমগ্ৰ বৃটিশ ভাৰতত কলেজীয়া ছাত্ৰৰ সংখ্যা ১৯১৯-২০ চনত ৫২,৪৮২ জনৰপৰা ১৯২১-২২ চনত ৪৫,৯৩৩ জনলৈ আৰু স্কুলীয়া ছাত্ৰৰ সংখ্যা সেই একে সময়ছোৱাত ১২,৮১,৮১০ জনৰপৰা ১২,৩৯,৫২৪ জনলৈ হ্ৰাস পাইছিল। অসমৰ ৰাজনৈতিক ইতিহাসত উল্লেখ কৰা মতে " অসমত স্কুল-কলেজ বৰ্জন আন্দোলনে "attained a certain measure of suceess in January, but the effect rapidly wore off and at most institutions the attendance was only temporarily affected."

১৯২১-২২ চনত স্কুলৰ ছাত্ৰ সংখ্যা প্ৰায় সাত শতাংশলৈ হ্ৰাস পাইছিল। আন্দোলনৰ তীব্ৰতা বৃদ্ধি পোৱা আৰু তাৰ দ্ৰুত অগ্ৰগতি আৰু সম্প্ৰসাৰণৰ সময়ত কলেজ বৰ্জন কৰা ছাত্ৰৰ সংখ্যা ৯ ৰপৰা ১০ শতাংশৰ ভিতৰত আছিল আৰু ইয়াৰে ৩৩ শতাংশই পুনৰ কলেজত নাম লগাইছিলগৈ। চৰকাৰী হিচাপ মতে ১৬ ফেব্ৰুৱাৰীলৈ অসমত কলেজ বৰ্জন কৰা ছাত্ৰৰ সংখ্যা আছিল ৩৮ জন।

জাতীয় স্কুল স্থাপনৰ ক্ষেত্ৰত গুৱাহাটীয়ে আগভাগ লৈছিল। ১৯২১ চনৰ ফেব্ৰুৱাৰী মাহত ৰোহিনী কুমাৰ চৌধুৰীৰ ভৰলুমুখৰ বাসভৱনৰ চৌহদতে প্ৰথম জাতীয় স্কুল স্থাপিত হৈছিল। হেড্ মাষ্টৰ আছিল গোপীনাথ বৰদলৈ। পিছত স্কুলখন উজান বজাৰৰ অসম ক্লাবত "তিলক সোঁৱৰণী স্কুল"নামে বহুওঁৱা হৈছিল। নলবাৰীত ৬০ জন ছাত্ৰই গৰ্ডন স্কুল বৰ্জন কৰি জাতীয় বিদ্যাপীঠ গঠন কৰি তাত শিক্ষা গ্ৰহণ কৰিবলৈ লৈছিল। হেড্ মাষ্টৰ আছিল দেবেন্দ্ৰ নাথ উজীৰ। পলাশবাৰী, বৰপেটা, বৰনগৰ আদি ঠাইতো জাতীয় স্কুল স্থাপনৰ চেষ্টা চলিছিল। তেজপুৰৰ হাজাৰা পুখুৰীৰ পাৰত চন্দ্ৰ কুমাৰ নাথৰ বাস গৃহত জাতীয় স্কুল স্থাপন কৰা হৈছিল। পাথৰুঘাটতো জাতীয় স্কুল স্থাপন কৰা হৈছিল। চতিয়াৰ জাতীয় স্কুলত প্ৰায় এশজন ছাত্ৰ আছিল। এই সময়তেই ভুবন চন্দ্ৰ গগৈয়ে বকতাত এখন কাৰিকৰী স্কুল আৰু কমলানন্দ ভট্টাচাৰ্য আৰু কনক চন্দ্ৰ শৰ্মাই যথাক্ৰমে নগাঁও আৰু ৰহাত একোখনকৈ জাতীয় স্কুল স্থাপন কৰিছিল। যোৰহাটত অসমীয়া থিয়েটাৰ হলত কৃষ্ণকান্ত ভট্টাচাৰ্যৰ চেষ্টাত জাতীয় স্কুল এখনে প্ৰতিষ্ঠা লাভ কৰিছিল।

জাতীয় স্কুলত পঢ়াৰ লগে লগে ছাত্ৰসকলে কংগ্ৰেছৰ তথা আন্দোলনৰ বিভিন্ন কামত লিপ্ত থাকিব লাগিছিল। বিজয় চন্দ্ৰ ভাগৱতীয়ে লিখিছে," "চতিয়াৰ কেম্পত থাকোঁতে আমাৰ কাম আছিল মদ আৰু কানিৰ দোকানত পিকেটিং কৰা, সূতা কটা, তিলক স্বৰাজ ভঁৰালৈ চাঁদা সংগ্ৰহ কৰা।" তেতিয়া গুৱাহাটীৰ লতাশীলত থকা কংগ্ৰেছ কাৰ্যালয়ৰপৰা প্ৰকাশিত কংগ্ৰেছ না মৰ প্ৰচাৰ পত্ৰিকাখন বিতৰণ কৰিছিল তেতিয়াৰ স্কুলীয়া ছাত্ৰ লক্ষীধৰ বৰা আদিয়ে। জগদীশ চন্দ্ৰ মেধিয়ে লিখিছে," "যিসকল ছাত্ৰই স্কুল এৰে তেওঁলোকৰ কাম হৈছিল কংগ্ৰেছৰ সভ্য ভৰ্তি কৰা আৰু

লোকমান্য পুঁজিলৈ ধন সংগ্ৰহ কৰা।"

মঙ্গলদৈত স্থাপিত জাতীয় স্কুলৰ ছাত্ৰসকলে কৰা ৰাজনৈতিক আন্দোলনৰ বিষয়ে বিস্তৃত বিৱৰণ দিছে প্ৰফুল্ল চন্দ্ৰ বৰুৱাই, "জাতীয় স্কুল চলোৱা আৰু আন্দোলনৰ কাম একেলগে চলাবলৈ যি সুন্দৰ, সুচাৰু কাৰ্যসূচী কুমুদ ৰাম বৰাদেৱে যুগুত কৰিছিল তাতকৈ উৎকৃষ্ট ব্যৱস্থা আজিও মোৰ চকুত পৰা নাই। ক্লাছ vii ৰ পৰা ক্লাছ x লৈকে ছাত্ৰসকলে নিৰ্দ্দিষ্ট শিক্ষকৰ নেতৃত্বত নিৰ্দ্দিষ্ট দলত বিভক্ত হৈ প্ৰতি শুকুৰবাৰে নিশা খাই-বৈ গৰুৰ গাড়ীৰে গাৱঁলৈ বুলি যাত্ৰা কৰিব লাগে। পিচদিনা পুৱা নিৰ্দ্ধাৰিত স্থানত উপস্থিত হৈ শনিবাৰ আৰু ৰবিবাৰৰ দিনটোত স্থানীয় ৰাইজৰ লগত আলাপ-আলোচনা, সভা-সমিতি আদি পাতি শেষ কৰি নিশালৈ পুনৰ সেই গৰুৰ গাড়ীৰেই খাই-বৈ মঙ্গলদৈ টাউন অভিমুখে ফিৰিব লাগে। সোমবাৰৰপৰা আকৌ সম্পূৰ্ণ স্কুল কৰোঁহক। এইয়ে আছিল সেই সময়ৰ প্ৰতি সপ্তাহৰ নিয়ম। ক্লাছ vi ৰ তলৰ সৰু সৰু ছাত্ৰসকলে অৱশ্যে সদায় ক্লাছ কৰিব লাগিছিল।"

স্বেচ্ছাসেৱকৰ দল গঠন কৰিবলৈ নিৰ্দেশ অহাত, বৰুৱাই লিখিছে[১২] "আমি ক্লাছ vii ৰপৰা ক্লাছ x লৈ সকলো ছাত্ৰকে স্বেচ্ছাসেৱকৰ দলত ভৰ্তি কৰাৰ উপৰিও গাঁৱে গাঁৱে স্বেচ্চাসেৱকৰ দল গঠন কৰিবলৈ ধৰিলোঁ।"

ইয়াৰ পাছত কৰ্মপন্থাৰ আৰু পৰিবৰ্তন হয়। বৰুৱাই লিখিছে, "স্থিৰ কৰা হ'ল যে class vii ৰপৰা class x লৰাই এবছৰৰ কাৰণে পঢ়া স্থগিত ৰাখি আন্দোলনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিব লাগিব। অন্যান্য সকল ওপৰ শ্ৰেণীৰ ছাত্ৰসকলক লৈ নিৰ্দ্দিষ্ট দলত বিভক্ত হৈ নিৰ্দ্দিষ্ট মৌজাত প্ৰতি মাহৰ পহিলা তাৰিখৰপৰা একেৰাহে ২৫ তাৰিখলৈকে ঘৰে ঘৰে গৈ মাদকতা নিবাৰণ, সাম্প্ৰদায়িক ঐক্য, অস্পৃশ্যতা বৰ্জন, বিদেশী বৰ্জন, চৰকাৰৰ লগত অসহযোগ আৰু নিজে সূতা কাটি কাপোৰ বৈ পিন্ধাৰ বাবে প্ৰচাৰ কৰাৰ লগতে কংগ্ৰেছ মহাসভাৰো চাৰি অনীয়া সভ্য ভৰ্তি কৰা কাম কৰিবলৈকো ব্যৱস্থা লোৱা হ'ল।"

গৌৰীপুৰ হাইস্কুলৰ ছাত্ৰ ধৰ্মকান্ত শৰ্মাই স্কুল বৰ্জন কৰি কামৰূপৰ ধৰ্মপুৰ আৰু ক্ষেত্ৰী-ধৰ্মপুৰ মৌজাত কংগ্ৰেছৰ সভ্য ভৰ্তিৰ কাম কৰিছিল। ১৯২১ চনৰ ২৬ জানুৱাৰীত পলাশবাৰীত অনুষ্ঠিত ৰাজহুৱা সভাত পূৰ্ণ চন্দ্ৰ শৰ্মা আদি ৬০ জনীয়া ছাত্ৰৰ দল এটাই গুৱাহাটীৰপৰা খোজ কাঢ়ি গৈ উপস্থিত হৈছিল। জগমোহন শৰ্মা, কেশৱানন্দ ভট্টাচাৰ্য, যজ্ঞোৰাম বৰা, মেহবুব আলি, হৰেন্দ্ৰনাথ ৰায় আৰু পূৰ্ণ চন্দ্ৰ শৰ্মা আদি কলেজ ত্যাগী ছাত্ৰই নগাওঁ জিলাৰ বাৰপূজীয়া, চৰাইবাহী, জালুগুটি, মৰিগাওঁ, বঘৰা, কুমৈ, ভকতগাওঁ, ধৰমতুল, নখোলা, মনহা, কমলপুৰ, শিয়ালডুবি, মায়ং, হিলেখুন্দা, কাজলীচুক, লোণমাটি, গোমোঠাগাওঁ, উৰিয়াগাওঁ, পুৰণিগুদাম, ৰূপহী, চামগুৰি, ৰঙাগড়া, মিছা, কুৱঁৰীটোল, শিলঘাট, জখলাবন্ধা, কুঠৰী আৰু বাগৰীত সভাপাতি কানি, ভাং, মদৰ অপকাৰিতা, বিদেশী বৰ্জন আৰু স্বৰাজ লাভৰ বিষয়ে প্ৰচাৰ কৰিছিল। মঙ্গলদৈৰ দৰে পাঠশালাৰ জাতীয় স্কুলখনো পিচলৈ স্বেচ্ছাসেৱকৰ শিবিৰত পৰিণত হৈছিল।

গোৱালপাৰাত স্থাপিত জাতীয় স্কুলত প্ৰায় ২৫০/৩০০ জনমান ছাত্ৰই চৰকাৰী

স্কুল ত্যাগ কৰি ভৰ্তি হৈছিল। "চৰকাৰী স্কুলৰ কেৰিকুলামৰ উপৰিও গান্ধী টুপী পিন্ধা, খাদী ব্যৱহাৰ কৰা, সূঁতা কটা, ৰাজনীতি চৰ্চা কৰা ইত্যাদিও জাতীয় বিদ্যালয়ৰ আৱশ্যকীয় কাৰ্য্যাৱলীৰ ভিতৰত আছিল।"[৯৮]

অসহযোগ আন্দোলনৰ ৰাজনৈতিক লক্ষ্য সাধনত কৃতকাৰ্য হ'ব নোৱাৰিলেও অসমত মাদক দ্ৰব্য বৰ্জনৰ ক্ষেত্ৰত অভাৱনীয় সাফল্য লাভ কৰা হৈছিল। বিশেষকৈ কানি বৰ্জনৰ ক্ষেত্ৰত অসমত এই সময়ছোৱাত এক যুগমীয়া সংস্কাৰ সাধিত হয়। এই আন্দোলনৰ সময়ত বিশেষকৈ ছাত্ৰসকলৰ প্ৰচাৰ আৰু পিকেটিংৰ ফলত অসমত কানিৰ প্ৰচলন প্ৰায় পঞ্চাশ শতাংশ হ্ৰাস পাইছিল।[৯৯] অসহযোগৰ ৰাজনৈতিক আদৰ্শ সাধনতকৈ মাদকতা বৰ্জনৰ ক্ষেত্ৰত যি ব্যাপক কাৰ্যপন্থা গ্ৰহণ কৰি সাফল্য অৰ্জন কৰা হৈছিল সেই ফালৰপৰা চাই অসমত অসহযোগ আন্দোলনক মাদকতা বৰ্জন বা নিবাৰণ আন্দোলন ( Temperance movement) বুলি সহজেই আখ্যা দিব পাৰি। অসমৰ ৰাজনৈতিক ইতিহাসতো সেইদৰেই আখ্যায়িত কৰা হৈছে,[১০০] " The temperance movement was vigorously pursued everywhere."

ভাৰতৰ জাতীয় কংগ্ৰেছৰ দ্বাৰা পৰিচালিত এই প্ৰথমটো দেশজোৰা অসহযোগ আন্দোলনত অসমৰ ছাত্ৰ শক্তিয়েহে আগভাগ লৈ ইয়াক জীৱনী শক্তি প্ৰদান কৰিছিল। অসমত ছাত্ৰসকলেই কংগ্ৰেছৰ বৰভেটি স্থাপন কৰিছিল, প্ৰাদেশিক কংগ্ৰেছ, জিলা কংগ্ৰেছ, আৰু মৌজা কংগ্ৰেছৰ শাখা সমূহ ছাত্ৰসকলৰ চেষ্টা আৰু সক্ৰিয় সহযোগতেই গঢ়ি উঠাতো সম্ভৱ হৈ উঠিছিল।[১০০(ক)] বিদ্যাধৰ শৰ্মাৰ দিনপঞ্জীত পোৱা মতে অসমৰ প্ৰথমটো কংগ্ৰেছ সমিতি আঞ্চলিক হলেও সেইটো ছাত্ৰসকলৰ দ্বাৰাই সংগঠিত হৈছিল। যি সকল উকিলে ওকালতি বৰ্জন কৰি স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰাৰ কথা আমি পাওঁ অধিক ক্ষেত্ৰত তেওঁলোকেও ছাত্ৰসকলৰ অনুৰোধ-অনুযোগ আৰু বাধ্য- বাধকতাতহে তেনে কৰিছিল। অৱশ্যে চন্দ্ৰনাথ শৰ্মাৰ ভূমিকা আছিল একক আৰু আদৰ্শনীয়। ছাত্ৰসকলে আগভাগলৈ আন্দোলন নকৰাহেঁতেন হয়তো অসমৰ বেলিকা অসহযোগ আন্দোলনৰ ইতিহাসো লিখিত নহ'লহেঁতেন।

অসহযোগ আন্দোলনৰ পূৰ্ণ পয়োভৰৰ সময়ত গুৱাহাটীত অসম ছাত্ৰ সন্মিলনৰ ষষ্ঠ অধিৱেশন (এপ্ৰিল,১৯২১) বহিছিল। এই অধিৱেশনত পৌৰাহিত্য কৰিছিল কটন কলেজৰ দৰ্শনৰ অধ্যাপক আৰ আৰ. টমাছে। বৃটিশৰ বিপক্ষে কৰা আন্দোলনৰ ভৰপকৰ সময়ত বৃটিশ ভক্ত এজনক অসম ছাত্ৰ সন্মিলনৰ গুৰুত্বপূৰ্ণ অধিৱেশন এখনৰ সভাপতিৰ আসনলৈ নিৰ্বাচিত কৰি অনাটো ভাবি চাব লগীয়া কথা। সভাপতিৰ আসনৰপৰা দিয়া তেওঁৰ ভাষণো আছিল সাম্ৰাজ্যবাদী স্বাৰ্থৰ সম্পূৰ্ণ পৰিপুৰক।

তেওঁ তেওঁৰ অভিভাষণৰ জৰিয়তে ছাত্ৰসকলক ৰাজনৈতিক আন্দোলনৰ সংগঠক -বাহক নহ'ই অধ্যয়নত ব্ৰতী হবলৈ সকৰুণ বিননি তুলিছিল। তেওঁ কৈছিল,[১০১] "মই আপোনালোকক সোঁৱৰাই দিব খোজো যে আপোনালোক ছাত্ৰ। ছাত্ৰৰ কৰ্তব্যই আপোনালোকৰপৰা এইটো বিচাৰে যে আপোনালোকে ছাত্ৰৰ নিচিনাকৈ ভাবিব,ছাত্ৰৰ নিচিনাকৈ অনুভৱ কৰিব আৰু সেইদৰে কৰ্তব্য পথত আগবাঢ়িব। আপোনালোকক

কৰ্তব্যৰপৰা আঁতৰাই নিবলৈ যথেষ্ট প্ৰলোভন আৰু আকৰ্ষণ উপস্থিত হৈছিলহি। আপোনালোকৰ যিসকলে সেই প্ৰলোভন বা প্ৰৱঞ্চনাত নপৰি নিজৰ কৰ্তব্যত স্থিৰ হৈ থাকিব পাৰিছে মই তেওঁলোকক ভাল বুলি কব খোজোঁ কিয়নো তেওঁলোকে জানিয়েই বা নজনাকৈয়ে এই মহৎ সত্য অনুভৱ কৰিছে বা যিজনে যি কাম হাতত লয় সেই কাম নানা বাধা-বিঘিনিৰ মাজেৰেও সম্পন্ন কৰিছে জগতৰ উপকাৰ কৰিব পাৰে। নিজৰ কৰ্তব্যৰ পথত প্ৰৱঞ্চনা বা প্ৰলোভনৰ দ্বাৰাই নিজক প্ৰভাৱিত হবলৈ দিয়া মানে নিজৰ মঙ্গলক আৰু বহু দূৰলৈ আঁতৰাই নিয়া। মনত ৰাখিব যে এনেকুৱা কিছুমান কাম আছে যিবোৰ আপোনালোকে ছাত্ৰ জীৱনৰ পিছত প্ৰকৃতৰূপে আৰু সুচলে কৰিব পাৰিব কিন্তু যেতিয়ালৈকে ছাত্ৰ হৈ থাকে তেতিয়ালৈ কে নোৱাৰে। আপোনালোকে এই কথা সুমৰণ কৰি নিজৰ কৰ্তব্যৰপৰা বিচলিত নহব। আপোনালোকে বৰ্তমানে এটা ডাঙৰ কৰ্তব্য কৰি আছে। কাৰণ ছাত্ৰ হিচাপে আপোনালোকৰ যি কৰ্তব্য আছে ই আন সকলোবোৰ কৰ্তব্যৰ নিমিত্তেও অতি দৰকাৰী আৰু এই কৰ্তব্যৰ সম্পাদন নহলে আনবোৰ কৰ্তব্য সম্পাদন কৰিব নোৱাৰি।"

ইয়াৰ কিছু পিছতে তেওঁ চৰকাৰৰ প্ৰতি ছাত্ৰসকলৰ পোনপটীয়া সমৰ্থন দাবী কৰিছে ,[১০২] "যি গৱৰ্ণমেণ্টে আমাৰ বহুতক বৃত্তি দি লিখা-পঢ়াৰ সুযোগ কৰি দিছে আৰু যি বৃত্তি নহলে আমাৰ বহুতে, বিশেষকৈ আমাৰ নিম্ন শ্ৰেণীৰ লোকে শিক্ষা লাভ কৰিব নোৱাৰিলেহেঁতেন সেই গৱৰ্ণমেণ্ট আমাৰ ধন্যবাদৰ পাত্ৰ।"

গণতন্ত্ৰৰ অপব্যাখ্যা দি তেওঁ ছাত্ৰসকলৰ মাজত ৰাজনৈতিক বিভ্ৰান্তি আৰু বৃটিশৰ প্ৰতি একাংশ ছাত্ৰৰ আনুগত্য গাঢ় কৰিবলৈও কুণ্ঠাবোধ কৰা নাছিল। 'India is not fit for self government'সাম্ৰাজ্যবাদী বৃটিশ শাসনকৰ্তাসকলৰ এই আপ্তবাক্যকে সাৰোগত কৰি সভাপতিৰ আসনৰপৰা অধ্যাপক টমাছেও কৈছিল,[১০৩] "গণতন্ত্ৰ মানে যদি সৰ্বসাধাৰণ মানুহৰ শাসন বুজায় আৰু ই যদি সংখ্যাৰ ওপৰত প্ৰতিষ্ঠিত হয় তেনেহলে কেতিয়াবা এনেকুৱা হৈও উঠিব পাৰে যে উপযুক্ত মানুহকো কেতিয়াবা আঁতৰত পেলাই থৈ সকলো কাম এনেকুৱা কিছুমান লোকে হাতত লব যিসকলৰ গাত নেতৃত্বৰ গুণ নাই; গতিকে তেওঁলোকে সমগ্ৰ দেশকে বিপদৰ সাগৰত বুৰাই, শেষত নিজৰ ধ্বংস মাতি আনিব।"

এই বক্তব্যৰ মাধ্যমত অধ্যাপক টমাছে ভাৰতবৰ্ষত সাম্ৰাজ্যবাদী বৃটিশৰ শাসন ব্যৱস্থা অব্যাহতভাৱে টিকাই ৰখাৰ এক পাণ্ডিত্যাভিমানী অভিসন্ধি কৰিছিল। এইবিলাকৰ জৰিয়তে তেওঁ ভাৰতীয়লোকৰ স্বাধীনতা স্পৃহা আৰু গণতান্ত্ৰিক শাসন বিধিৰ প্ৰতি থকা আনুগত্য আৰু উচ্চাকাংক্ষাকো হেয়জ্ঞান কৰিবলৈ প্ৰয়াস পাইছিল। জাৰ্মানীয়ে অইন জাতি তথা দেশক দাসত্ব শৃঙ্খলত আবদ্ধ কৰিবলৈ বিচৰা কাৰ্যক তেওঁ নীচ মনোবৃত্তিৰ পৰিচায়ক বুলি কৈছে[১০৪] যদিও তেওঁ কিন্তু বৃটিশ সাম্ৰাজ্যবাদীহঁতে ভাৰতবৰ্ষকে আদি কৰি বিশ্বৰ বহু ৰাষ্ট্ৰক পদদলিত কৰি ৰখা কাৰ্যক তেওঁৰ ভাৰুকত কৌশলেৰে উহ্য ৰাখিছে।

অসম ছাত্ৰ সন্মিলনৰ এই ষষ্ঠ বা বিশেষ অধিবেশনৰ সময়ত সন্মিলনৰ সাধাৰণ সম্পাদক হেম চন্দ্ৰ বৰুৱাই অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰি

কাৰ্যনিৰ্বাহকৰ প্ৰায় সকলো সদস্যৰে সৈতে কাৰাবৰণ কৰা বুলি মোহন চন্দ্ৰ মহন্তই উল্লেখ কৰিছে। গতিকে সন্মিলনৰ সহকাৰী সম্পাদক দৈৱ চন্দ্ৰ তালুকদাৰ, শুকদেৱ গোস্বামী আদিৰ চেষ্টাত এই বিশেষ অধিৱেশন অনুষ্ঠিত হৈছিল।[১০৫] কিন্তু আমি পোৱা তথ্য মতে হেম চন্দ্ৰ বৰুৱাই ১৯২১ চনৰ ৩০ ছেপ্তেম্বৰৰ আগতে আইন কলেজ বৰ্জন কৰি আন্দোলনত অংশ গ্ৰহণ কৰা নাছিল। এই অধিৱেশন বহিছিল হেম চন্দ্ৰ বৰুৱাই কলেজ বৰ্জন কৰি আন্দোলনত অংশ গ্ৰহণ কৰাৰ কেবা মাহো আগতে, ১৯২১ চনৰ এপ্ৰিল মাহত।

গতিকে তেওঁ জেলত থাকিব লগীয়া হোৱা বাবে অধিৱেশন দৈৱ চন্দ্ৰ তালুকদাৰ আদিৰ চেষ্টাত অনুষ্ঠিত হৈছিল বুলি কলেই প্ৰকৃততে কি ঘটিছিল তাৰ উমান পোৱা নাযায়। বোধহয় এই সময়ছোৱাত আন্দোলনত অংশ গ্ৰহণ কৰা নকৰা সম্পৰ্কে ছাত্ৰ সন্মিলনৰ কৰ্মকৰ্তাসকলৰ মাজত ৰাজনৈতিক মতবিৰোধে দেখা দিছিল, আৰু হেম চন্দ্ৰ বৰুৱাই তেতিয়ালৈ আন্দোলনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ নকৰিলেও তাৰ প্ৰতি সহানুভূতিশীল আছিল। কিয়নো তেওঁৰ স্বীকাৰোক্তি মতে ঘৰুৱা দৰিদ্ৰতাৰ বাবেহে তেওঁ আন্দোলনত সক্ৰিয়ভাৱে যোগ দিয়া নাছিল, কোনো ৰাজনৈতিক মতবিৰোধৰ বাবে নহয়। অসম ছাত্ৰ সন্মিলনৰ অন্যতম আদি সংগঠক আৰু ষষ্ঠ অধিৱেশনৰ সময়ত সন্মিলনৰ সহকাৰী সম্পাদক দৈৱ চন্দ্ৰ তালুকদাৰে অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰিছিল নে নাই সেইটো আমাৰ দৃষ্টি গোচৰ হোৱা নাই। বোধহয় আন্দোলনত অংশ গ্ৰহণ নকৰা বাবেই সন্মিলনৰ ষষ্ঠ অধিৱেশন অনুষ্ঠিত কৰাৰ সুবিধাকণ তেওঁ পাইছিল। অসম ছাত্ৰ সন্মিলনৰ তথাকথিত অৰাজনৈতিক (?) চৰিত্ৰ অক্ষুণ্ণ ৰখাৰ বাবে চেষ্টা নচলিছিল বুলিও ন দি ক'ব নোৱাৰি। আনহাতে সন্মিলনৰ উক্ত অধিৱেশনত সম্পাদকীয় ভাষণ পাঠ কৰিছিল দৈৱ চন্দ্ৰ তালুকদাৰে আৰু তাত তেওঁ সভাপতিৰ অভিভাষণৰ এটি পূৰ্বভাস দিয়া যেন বোধহয়। ছাত্ৰ সন্মিলনৰ এজন আগশাৰাৰীৰ কৰ্মকৰ্তা হৈয়ো তেওঁ তদানীন্তন জ্বলন্ত ৰাজনৈতিক আন্দোলনৰ বাতাৱৰণক উপেক্ষা কৰিয়েই সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিছিল,[১০৬] "আমাৰ সাহিত্যৰ চৰ্চা, ভাষাত ৰাপ, আৰু ছাত্ৰৰ হিচাপে উন্নতি কৰা, আমাৰ নৈতিক বল, মানসিক, শাৰীৰিক আৰু আধ্যাত্মিক শক্তি বঢ়োৱা"আদি বিষয়-বস্তুৰ ওপৰতে তেওঁৰ বক্তব্য কেন্দ্ৰীভূত কৰি ৰাখিছিল।

গতিকে সামগ্ৰীকভাৱে অসমৰ ছাত্ৰসকলে আন্দোলনৰ প্ৰথম ভাগত সন্মিলনেও আন্দোলনত অংশ গ্ৰহণৰ পোষকতা কৰিলেও বোধহয়, ৰাজনৈতিক মত বিৰোধৰ বাবেই, আনুষ্ঠানিকভাৱে অসম ছাত্ৰ সন্মিলন আন্দোলনৰ প্ৰতি সহানুভূতিশীল নাছিল। অৱশ্যে অধিক তথ্যৰ সহায়ত এই বিষয়ত আলোকপাত কৰাৰ সম্ভাৱনা একেবাৰে নুই কৰিব নোৱাৰি। তথাপিও সন্মিলনৰ সদস্যসকলে আন্দোলনত অংশ গ্ৰহণ কৰি এফালে দেশৰ স্বাধীনতা স্পৃহাৰ প্ৰতি আৰু আনফালে বৃটিশ সাম্ৰাজ্যবাদৰ প্ৰতি দেখুওৱা আপোচবিহীন সংগ্ৰামী চেতনাই অসমৰ জনসাধাৰণৰ মনত আশাৰ সঞ্চাৰ কৰিছিল। অসহযোগ আন্দোলনত ছাত্ৰসকলৰ অংশ গ্ৰহণৰ গুৰুত্ব আৰু তাৎপৰ্যও তাতেই।

## সূত্ৰ নিৰ্দেশ


১ দণ্ডিনাথ কলিতা, কৰ্মবীৰ চন্দ্ৰনাথ, পৃ.১৮

২ ঐ, পৃ ১৪

৩ ঐ, পৃ ৯০

৪ পূৰ্ণ চন্দ্ৰ শৰ্মা, মোৰ অতীতৰ সোঁৱৰণী আৰু নগাওঁ জিলাত মুক্তি সংগ্ৰাম, প্ৰথম খণ্ড, পৃ ৪৩

৫ Sankar Ghose, The Renaissance to Militant Nationalism in India, p 195

৬ Ibid ,p 196

৭ Ibid , p 195

৮ সদানন্দ চলিহা, ভাৰত-বুৰঞ্জী, পৃ ৩৫৩

৯ পূৰ্ণ চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৪৩

১০ Tara Chand, History of the Freedom Movement in India,vol iii,p 417

১১ Ramesh Chandra Majumdar, History of the Freedom Movement in India, vol iii, p 92, A C Bhuyan, ed , et al , Political History of Assam, vol ii p 17

১২ সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত, ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা স্মৃতিগ্ৰন্থ, পৃ ১১২

১৩ ঐ, পৃ ১১১, অতুল চন্দ্ৰ হাজৰিকা সম্পাদিত, ভাষণমালা, পৃ ২৮২ ; K N Dutt,Landmarks of the Freedom Struggle in Assam, p 51

১৪ কৃষ্ণ শৰ্মা, কৃষ্ণ শৰ্মাৰ ডায়েৰী, পৃ ৭৭

১৫ সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ৪

১৬ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যৰ দ্বাৰা সম্পাদিত, ভাৰতৰ মুক্তি যুঁজত অসম, পৃ ২৮৩

১৭ ঐ, পৃ ১৮

১৮ A C Bhuyan, ed , et al , op cit , p 17, fn

১৯ বেণুধৰ শৰ্মা, কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত , পৃ ১৫ পাদটীকা

২০ সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ৪৫

২১ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যসকলৰ দ্বাৰা সম্পাদিত গ্ৰন্থ, পৃ ৩০১

২২ ঐ, পৃ ২১৮

২৩ ঐ, পৃ ৫, ৪৭

২৪ বেণুধৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ২৯৫ , গুৰুত্ব চিহ্ন লিখকৰ

২৫ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যসকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ২৮৫-৮৬ ,গুৰুত্ব চিহ্ন লিখকৰ

২৬ বেণুধৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ১৪২ , গুৰুত্ব চিহ্ন লিখকৰ

২৭ ঐ, পৃ ১৪৫

২৮ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যসকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ২৮৬

২৯ পূৰ্ণ চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৬১

৩০ পদ্মনাথ বৰঠাকুৰ, স্বাধীনতা ৰণৰ সংস্পৰ্শত, পৃ ৩

৩১ শশী শৰ্মা, সময়ে যাক পাহৰি যাব, পৃ ৭১
৩২ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সম্পাদিত, কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা স্মৃতিগ্ৰন্থ, পৃ ২১৬
৩৩ "Our national Struggle and Cotton College", Hem Barua,in Anandeswar Sarma, ed , Cotton College Dia mond Jubilee volume, p.58
৩৪ A C Bhuyan, ed , et. al , op cit , p 17
৩৫ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যসকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ৫
৩৬ A C Bhuyan, ed , et al , op cit ,pp 17-18
৩৭ Ibid , pp 18-19
৩৮ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যসকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ.১৩-১৪
৩৯ সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ৪৬
৪০ ঐ, পৃ ৫
৪১ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যসকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ৩০০-৩০১ ,পূৰ্ণ চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৬৭
৪২ সত্যনাথ বৰুৱা সম্পাদিত, ভাৰতৰ মুক্তি সংগ্ৰামত মঙলদৈ, পৃ ১৮
৪৩ বেণুধৰ শৰ্মা, উল্লেখিত গ্ৰন্থ , পৃ ২২
৪৪ Amalendu Guha, Planter Raj to Swaraj, p 124
৪৫ তৰুণ স্মৃতি , অসম সাহিত্য সভা, পৃ ৫১
৪৬ সমীন কলিতা, লোকনায়ক অমিয় কুমাৰ, পৃ ২১
৪৭ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সম্পাদিত , উল্লেখিত গ্ৰন্থ, পৃ ২১৮
৪৮ বেণুধৰ শৰ্মা , উল্লেখিত গ্ৰন্থ, পৃ ২২
৪৯ খগেন্দ্ৰনাথ নাথ, স্বাধীনতা সংগ্ৰামত গোৱালপাৰাৰ অৱদান, পৃ ২
৫০ মহাদেৱ শৰ্মা, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, পৃ ৩২
৫১ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যসকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ৩০১
৫২ ঐ, পৃ ৪
৫৩ দেশভক্ত ফুকন স্মৃতিমাল্য, অসম সাহিত্য সভা, পৃ ৮৩
৫৪ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যসকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ৫
৫৫ A C Bhuyan, ed , et al , op.cit , p 18
৫৬ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যসকলৰ দ্বাৰ সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ৫,১২৪,১৬৪
৫৭ ঐ, পৃ ৬
৫৮ সত্যনাথ বৰুৱা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১৪
৫৯ ঐ, পৃ ১৮-১৯
৬০ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যসকলৰ দ্বাৰা সম্পাদিত , উল্লেখিত গ্ৰন্থ, পৃ ৩৬১
৬১ ঐ, পৃ ১৩-১৪

৬২ ঐ, পৃ ১৬৪
৬৩ "মুক্তি যুদ্ধৰ অতীত কাহিনী আৰু বৰ্ডিয়াৰ অৱদান", কামিনী মোহন শৰ্মা, অসম সাহিত্য সভা স্মৃতিগ্ৰন্থ, ৪০তম বৰ্ডিয়া অধিৱেশন, পৃ. ৭৩
৬৪ শশী শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ. ৩২, ৭১-৭২, ৮৫, ৯৫, ১৪৪-৪৫
৬৫ কামিনী মোহন শৰ্মা, উল্লেখিত স্মৃতিগ্ৰন্থ, পৃ. ৭৩
৬৬ খগেন্দ্ৰনাথ নাথ, উল্লেখিত গ্ৰন্থ, পৃ. ৩
৬৭ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ. ২২৩
৬৮ কৃষ্ণ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ. ৮০
৬৮ (ক) গুৰুত্ব চিহ্ন লিখকৰ
৬৯ বেণুধৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ২৯৬
৭০ শশী শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ১৯৬
৭১ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ. ২২১
৭২ Assam District Gazatteers, Sibsagar District, Govt of Assam,p.71
৭৩ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যসকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ৩৫২-৫৩
৭৪ পূৰ্ণ চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৮৮
৭৫ ঐ, পৃ. ৭০
৭৬ ঐ, পৃ ৭২ , ৮২
৭৭ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যসকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ৩০৩
৭৮ পূৰ্ণ চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৮১
৭৯ ঐ, পৃ. ৮৬
৮০ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যসকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ৩৭৬
৮১ দণ্ডিনাথ কলিতা, উল্লেখিত গ্ৰন্থ, পৃ ৯৩-৯৪
৮২ Tara Chand, op cit , p 494
৮৩ A C Bhuyan, ed , et al., op.cit.,pp 21-22
৮৪ Ibid , p 22
৮৫ Guha, op.cit , p.124
৮৬ A.C.Bhuyan, ed., et al., op.cit.,pp.23-25
৮৭ Ibid , p 24; কৃষ্ণ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ. ৮০
৮৮ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যসকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১৪
৮৯ ঐ, পৃ ১৬৪
৯০ ঐ, পৃ ২৬৮
৯১ ঐ, পৃ ২৮৭-৮৮
৯২ ঐ, পৃ ২৮৮
৯৩ ঐ, পৃ ২৮৮-৮৯
৯৪ ঐ, পৃ. ৩৪৫
৯৫ পূৰ্ণ চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ. ৬৯

৯৬ হৰেন্দ্ৰনাথ বৰঠাকুৰ আৰু অন্যান্যসকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ. ৩০৩

৯৭ ঐ, পৃ. ৩৬১

৯৮ ধনেন্দ্ৰনাথ নাথ, উল্লেখিত গ্ৰন্থ, পৃ. ৫

৯৯ সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ৫৫

১০০ A.C.Bhuyan, ed , et. al., op cit , p 37

১০০ (ক) তথ্য চিহ্ন নিৰ্ধাৰক

১০১ অতুল চন্দ্ৰ হাজৰিকা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ৮৬-৮৭

১০২ ঐ, পৃ:৯১-৯২

১০৩ ঐ, পৃ. ৯৫

১০৪ ঐ, পৃ. ৯৭

১০৫ ঐ, পৃ ২৮৪

১০৬ ঐ, তথ্য চিহ্ন নিৰ্ধাৰক

৪

# আইন অমান্য আন্দোলনত অসমীয়া ছাত্ৰ

চৌৰী-চৌৰাৰ ঘটনাৰ অজুহাত লৈ মহাত্মা গান্ধীয়ে হঠাতে অসহযোগ আন্দোলন স্থগিত ৰখাত দেশত কংগ্ৰেছকে আদি কৰি বিভিন্ন ৰাজনৈতিক মহলত বিশেষকৈ ছাত্ৰ-যুৱকৰ মাজত যথেষ্ট অসন্তুষ্টিয়ে দেখা দিছিল। ৰাজনৈতিক অস্ত্ৰ হিচাপে মহাত্মা গান্ধীৰ দ্বাৰা নিৰ্দেশিত অহিংসা পন্থাৰ প্ৰতি বহুতৰে মোহ ভঙ্গ হৈছিল আৰু নেতৃত্বৰ এনে বিশ্বাসঘাটকতাৰ প্ৰতি বিৰাগভাজন হৈ বিভিন্ন মহলে স্বাধীনতা সংগ্ৰামৰ বাবে বিকল্প পন্থাৰ সন্ধানত ব্ৰতী হৈছিল। আন কিছুমানে আকৌ গান্ধীৰ সংস্কাৰবাদত মোহ গৈ খাদী আদিৰ কামত ব্যস্ত হৈ পৰিছিল। স্বাধীনতা অৰ্জনত গান্ধী পন্থাৰ প্ৰতি বিশ্বাস হেৰুওৱাসকলে বিকল্প পথৰ সন্ধান কৰি এফালে বৈপ্লৱিক সন্ত্ৰাসবাদ (Revolutionary terrorism) আৰু আনফালে মাৰ্ক্সবাদ আৰু সমাজবাদৰ প্ৰতি অনুৰক্ত-আকৰ্ষিত হৈ পৰিছিল।

মাৰ্ক্সবাদ আৰু সমাজবাদৰ প্ৰতি আকৰ্ষিত হোৱাত বিশেষকৈ বিশ্ব ইতিহাসৰ আটাইতকৈ চমকপ্ৰদ আৰু গুৰুত্বপূৰ্ণ ঘটনা ১৯১৭ চনত ৰুচ দেশত সংঘটিত হোৱা মহান সমাজতান্ত্ৰিক (অক্তোবৰ) বিপ্লৱে প্ৰভূত সহায় কৰিছিল। অৰ্থনৈতিক আৰু সামাজিক ভাৱে শোষিত আৰু নিপীড়িত আৰু সাম্ৰাজ্যবাদৰ দ্বাৰা পদানত বিশ্বৰ কোটি কোটি মানুহৰ বাবে সমাজবাদৰ বিপৰীতে পৰিত্ৰাণৰ কোনো বিকল্প পথ নাছিল। সেয়ে সমাজবাদী আদৰ্শৰে পৰিচালিত ৰুচ দেশৰ সেই বিপ্লৱে মুক্তি পিয়াসী লোকৰ মনত নৱ- জন্মৰ আশাৰ সঞ্চাৰ কৰিছিল। বেছিকৈ আকৰ্ষিত হৈছিল বিশ্বৰ বিভিন্ন দেশৰ ছাত্ৰ- যুৱকসকল। তদানীন্তন ৰাজনৈতিক পৰিস্থিতিত ভাৰতবৰ্ষতো সেইটোৱেই ঘটিছিল। ধৰণী গোস্বামীয়ে কৈছে,[1] " The disillusioned youth and students who had joined the non-cooperation movement now began to veer towards the Socialist ideology" এফালে বৃটিশ সাম্ৰাজ্যবাদৰ প্ৰতি পদলেহনকাৰীসকলৰ প্ৰতাপ আৰু আনফালে ভাৰতবৰ্ষৰ স্থবিৰ, পুৰাতন আৰু ৰক্ষণশীল ৰাজনৈতিক চিন্তা-চৰ্চা আৰু পৰিমণ্ডলত এই ঘটনা আছিল যথাৰ্থভাৱেই বৈপ্লৱিক আৰু আলোড়নকাৰী।

কেন্দ্ৰীয় খিলাফট সমিতি আৰু কংগ্ৰেছৰ নেতৃত্বত যুটীয়াভাৱে পৰিচালিত অসহযোগ আন্দোলনৰ প্ৰায় পূৰ্বাহ্ণৰপৰাই ভাৰতীয় ৰাজনীতিত ৰুচ বিপ্লৱ আৰু তাৰ লগতে মাৰ্ক্সবাদৰ প্ৰভাৱ পৰিবলৈ ধৰে আৰু এই সময়ছোৱাৰপৰাই সাম্যবাদী আন্দোলনৰ প্ৰাৰম্ভিক কাম-কাজৰ সূচনা হয়। জাৰতন্ত্ৰৰ অৱসান ঘটোৱা আৰু সাম্ৰাজ্যবাদৰ মহামৰণ পন কৰি সংগঠিত হোৱা ৰুচ বিপ্লৱে স্বাধীনতাকামী ভাৰতীলোকৰ মনতো প্ৰেৰণাৰ উদ্ৰেক কৰিছিল।

অসহযোগৰ অব্যৱহিত পিছৰ কালছোৱাত বিশেষকৈ বংগভংগ তথা স্বদেশী আন্দোলনৰ সময়তে (১৯০৫-১১) আত্ম প্ৰকাশ কৰা সন্ত্ৰাসবাদীসকলৰ মনতো সাম্যবাদী দৰ্শনে নতুন দিগন্তৰ উন্মোচন কৰিলে। ভাৰতবৰ্ষ তথা বিশ্ব ৰাজনীতিৰ এনে এটা দ্ৰুত পৰিৱৰ্তনশীল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ১৯১৯ চনত তৃতীয় আন্তৰ্জাতিকে প্ৰাচ্যত জাতীয়তাবাদী আন্দোলনসমূহৰ প্ৰতি সমৰ্থন দিয়াৰ সিদ্ধান্ত লয়।' ১৯২০ চনত কমিণ্টাৰ্নৰ তৃতীয় মহাসন্মিলনত লেনিনে কৈছিল,* " British India is at the head of these countries , and there revolution is maturing in proportion to the growth of the industrial and railway proletariat on the one hand and to the increase in the brutal terrorism of the British- who are more frequently resorting to massacres (Amritsar), public floggings, etc. on the other".

আকৌ ১৯২০ চনৰ ছেপ্তেম্বৰ মাহত মস্কোত অনুষ্ঠিত প্ৰথম বিশ্ব মহাসন্মিলনত গৃহীত কমিউনিষ্ট আন্তৰ্জাতিকৰ আঁচনিত কোৱা হৈছিল '" Tendencies like Gandhism in India, thoroughly imbued with religious conception, idealize the most backward and economically most reactionary forms of social life, see the solution of the social problem not in proletarian socialism, but in a reversion of these backward forms, preach passivity and repudiate the class struggle, and in the process of the development of the revolution become transform into an openly reactionary force Gandhism is more and more becoming an ideology against mass revolution. It must be strongly combated by communism "

প্ৰথম বিশ্ব যুদ্ধৰ অব্যৱহিত পিছৰ কালছোৱাত বিশ্বৰ ভালেমান ঔপনিবেশিক আৰু অৰ্দ্ধ-ঔপনিবেশিক দেশত কমিউনিষ্ট সংগঠন আৰু আন্দোলনৰ সৃষ্টি আৰু প্ৰসাৰ ঘটিছিল, তাৰ ভিতৰত প্ৰধান আছিল তুৰস্ক (১৯২০), ইৰাণ (১৯২০), ইজিপ্ত (১৯২০), চীন (১৯২১), আৰু ভিয়েতনাম (১৯৩০)।* ভাৰতবৰ্ষতো কমিউনিষ্ট পাৰ্টিৰ সংগঠন গঢ়ি তোলাৰ চেষ্টা চলিছিল। এই সময়ছোৱাত প্ৰবাসী ভাৰতীয় ছাত্ৰসকলৰ মাজতো সেই দিশত চিন্তা-চৰ্চা আৰম্ভ হৈছিল। ইয়াতে উল্লেখ কৰিব পাৰি যে বীৰেন্দ্ৰনাথ চট্টোপাধ্যায়ে ৰুচ দেশৰ কমিউনিষ্ট তথা অক্টোবৰ বিপ্লৱৰ প্ৰথম শ্ৰেণীৰ নেতাসকলৰ সৈতে ১৯১৭ চনতে সম্পৰ্ক স্থাপন কৰিছিল, আৰু সেই দিশত তেঁৱেই আছিল প্ৰথমজন ভাৰতীয়লোক।* আৰু সমাজতান্ত্ৰিক ৰুচ দেশৰ তাচখণ্ডতেই ১৯২০ চনৰ ১৭ অক্টোবৰ তাৰিখে নিম্ন লিখিত ব্যক্তিসকলক লৈ ভাৰতৰ কমিউনিষ্ট পাৰ্টি গঠন কৰা হৈছিল; এম.এন.ৰয়, এভলিন্ ট্ৰেণ্ট-ৰয়,এ.এন.মুখাৰ্জী, ৰোজা ফিটিংগ', মহম্মদ আলি (আহমদ হাছান), মহম্মদ ছফিক ছিদ্দিকী, আৰু আচাৰ্য (এম. প্ৰতিবাদী ভয়ঙ্কৰ)।' এই তথ্যৰ ভিত্তিত ক'ব পাৰি যে David N.Drube য়ে কোৱাৰ দৰে ১৯২১ চনত ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ সংগঠন গঢ়ি উঠাতো সঁচা নহয়। আনহাতে লগে লগেই সদস্যভুক্ত নহলেও ৰফিক আহমদে কোৱা মতে ১৯২০চনত তাচখণ্ডত ভাৰতীয় প্ৰবাসী

ছাত্ৰসকলৰ দ্বাৰা ভাৰতৰ কমিউনিষ্ট পাৰ্টি গঠন হোৱাতো ঘটাঃ।[৮]

ভাৰতবৰ্ষত সাম্যবাদী আন্দোলন তথা সংগঠন আৰু কমিউনিষ্ট আন্তৰ্জাতিকৰ মধ্যমণি আছিল মানবেন্দ্ৰনাথ ৰয়, তেওঁৰ প্ৰকৃত নাম আছিল নৰেন্দ্ৰনাথ ভট্টাচাৰ্য। তেওঁ ১৯২১-২৩ ৰ কালছোৱাত ইয়োৰোপৰ বিভিন্ন ঠাইৰপৰা *The Vanguard* আৰু *The Masses of India* প্ৰকাশ কৰি তাৰে কিছু সংখ্যা ভাৰতবৰ্ষলৈ পঠিয়াইছিল। সম- সাময়িকভাৱে শ্ৰীপদ অমৃত ডাঙ্গেই বোম্বাইৰপৰা ইংৰাজীত *Socialist* আৰু কলিকতাৰ পৰা মজফ্ফৰ আহমেদে বাংলাত লাঙলবাণী প্ৰকাশ কৰিছিল।[৯] মানবেন্দ্ৰনাথ ৰায়কে ধৰি ভাৰতবৰ্ষত সাম্যবাদী আন্দোলনৰ সংগঠকসকলৰ ভিতৰত শ্ৰীপদ অমৃত ডাঙ্গে, মজফ্ফৰ আহমদ, নলিনী গুপ্ত, অৱনী মুখাৰ্জী, ৰফিক আহমদ, চৌকত ওচমানী আদি উল্লেখযোগ্য আছিল।

আনহাতে সন্ত্ৰাসবাদী সংগঠন গঢ়ি তোলাৰো যতি পৰা নাছিল। গান্ধীৰ আদৰ্শৰ বিপৰীতে ছাত্ৰসকলে বঙ্গদেশ আৰু উত্তৰ প্ৰদেশত সন্ত্ৰাসবাদী সংস্থা গঠন কৰি তুলিছিল।১৯২২ চনৰ এপ্ৰিল মাহত চট্টগ্ৰামত অনুষ্ঠিত বঙ্গীয় প্ৰাদেশিক সন্মিলনৰ বাৰ্ষিক সভাত বঙ্গৰ বিভিন্ন অঞ্চলৰ বিদ্ৰোহীসকলে মিলিত হোৱাৰ সুবিধা পাইছিল। আনন্দ বজাৰ পত্ৰিকা, প্ৰৱৰ্তক, সাৰথী আদি বাতৰি কাকত আৰু সাময়িকীয়ে প্ৰকাশ্যভাৱেই সন্ত্ৰাসবাদীসকলক উৎসাহিত কৰিছিল। প্ৰায় সম-সাময়িকভাৱেই বঙ্গৰ বিভিন্ন অঞ্চলত অনুশীলন সমিতি আৰু যুগান্তৰ সমিতিৰ শাখা পুনৰ সংগঠিত হ'বলৈ ধৰে।[১০]

এই সংগঠন সমূহত যুৱক শক্তিয়ে বিশেষকৈ ছাত্ৰসকলে আগভাগ লৈছিল। উত্তৰ প্ৰদেশত ১৯২৪ চনত Hindustan Republican Association ৰ সংগঠন গঢ়ি উঠিছিল কেৱল ছাত্ৰসকলৰ চেষ্টা আৰু উদ্যোগতেই। ভগত সিং, শুকদেৱ, বিজয় কুমাৰ সিন্‌হা, শিৱ ভাৰ্মা, চন্দ্ৰ শেখৰ আজাদ আদি বৈপ্লৱিক সমাজবাদীসকলৰ চেষ্টাত উক্ত সংগঠনটো অচিৰেই Hindustan Socialist Republican (Army) Association ৰ নাম ভূমিকাত পুনৰ সংগঠিত হৈ উত্তৰ প্ৰদেশ,পঞ্জাব আদি অঞ্চলত পৰিব্যপ্ত হৈ পৰিছিল।

এই এছোচিয়েচনৰেই প্ৰকাশ্য সংগঠন নওজোৱান ভাৰত সভা'ই ১৯২৮ চনত কংগ্ৰেছৰ বিপ্লৱৰ সৌৰৱণীত পতা উৎসৱ সভাত আনকি কংগ্ৰেছৰ উগ্ৰপন্থীসকলেও যোগদান কৰিছিল।[১১] হিন্দুস্থান ছোচিয়েলিষ্ট ৰিপাব্লিকান এছোচিয়েচনৰ লক্ষ্য, উদ্দেশ্য, কাৰ্য্যসূচী আৰু সংগঠনৰ ব্যাপকতা সম্পৰ্কে ভাৰত চৰকাৰৰ টোকা এটাত কোৱা হৈছিল;[১২] "Probably the most persistent terrorist organisation outside Bengal is the Hindustan Republican Association, subsequently styled as the Hindustan Socialist Republican Association or Army. This was originally started, after the failure of Gandhiji's first mass civil disobedience campaign, by two Bengalis in the U.P. The rules of the Association stated that ' the object of the Association shall be to establish a federated Republic of the United States of India

by an organized and armed revolution; Each Provincial organisation was to have its various departments and each was to concentrate on crimes of violence with a view to collect money and arms; for the enforcement of discipline assasination was made permissible. This Association has since its inception been very loosely knit; at times it has almost ceased to exist, but it has frequently come to notice subsequently and has even been established in Madras. It functioned in Bihar, U P., Punjab and Delhi "

হিন্দুস্থান ছোচিয়েলিষ্ট ৰিপাব্লিকান এছোচিয়েচনৰ সংগঠনৰ ক্ষেত্ৰত মানবেন্দ্ৰনাথ ৰয়ৰ সহযোগী শচীন্দ্ৰ সান্যাল আৰু ৰাম প্ৰসাদ বিছমীলৰ অৱদান আছিল লেখত লবলগীয়া।[১৫] গতিকে দেখা যায় কংগ্ৰেছৰ অসহযোগ আন্দোলনৰ প্ৰত্যাহাৰৰ পিছতো স্বাধীনতা সংগ্ৰামৰ যতি পৰা নাছিল।

এই সময়ছোৱাত কংগ্ৰেছতো লাহে লাহে বামপন্থী চিন্তাধাৰাই ক্ৰিয়া কৰিবলৈ ধৰে। জৱহৰলাল নেহেৰু আৰু সুভাষ চন্দ্ৰ বসুৰ নেতৃত্বত কংগ্ৰেছৰ ভিতৰতে কংগ্ৰেছ বামপন্থীসকলক লৈ **Independence League** গঠিত হৈছিল। জৱহৰলাল নেহেৰুৱে ইয়োৰোপত কৰা ২১ মাহ জোৰা ভ্ৰমণ কালত কমিউনিষ্ট, সমাজবাদী, বিপ্লৱী আদি সাম্ৰাজ্যবাদ বিৰোধী ৰাজনৈতিক গোষ্ঠী সমূহৰ সংস্পৰ্শলৈ আহে, ব্ৰুচেলছত অনুষ্ঠিত বিশ্বৰ নিপীড়িত জাতিসমূহৰ সভাত কংগ্ৰেছৰ প্ৰতিনিধি হিচাপে যোগদান কৰে। এই সময়তেই তেওঁ সাম্যবাদী বিপ্লৱ বিধৌত বিশ্বৰ প্ৰথম সমাজবাদী ৰাষ্ট্ৰ ছোভিয়েত সমাজতান্ত্ৰিক দেশ ভ্ৰমণ কৰি সমাজ বিজ্ঞানৰ নতুন কাৰ্যকৰী অভিজ্ঞতা অৰ্জন কৰিলে আৰু তাৰেই ভিত্তিত লিখিলে,[১৬] "Soviet Russia, despite certain unpleasant aspects, attracted me greatly, and seemed to hold forth a message of hope to the world "

১৯৩০ চনত সেই দেশৰ দ্বাৰা নিমন্ত্ৰিত হৈ ৰবীন্দ্ৰনাথ ঠাকুৰেও সমাজতান্ত্ৰিক ৰুচ দেশ ভ্ৰমণ কৰি তাত অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, শৈক্ষিক, আৰু জনস্বাস্থ্য বিষয়ক সকলো দিশতে ৰাষ্ট্ৰ পুনৰ গঠনৰ আহিঁ-আঁচনিৰ সফল ৰূপায়নত লাভ কৰা সাফল্য দেখি বিস্ময়-বিমুগ্ধ অন্তৰেৰে লিখি তাক ধাৰাবাহিকভাৱে প্ৰকাশ কৰিছিল। তৎকালিনভাৱে বঙ্গদেশৰ পৰা প্ৰকাশিত বাংলা আলোচনী প্ৰবাসীত খণ্ড খণ্ডকৈ প্ৰকাশিত ৰবীন্দ্ৰনাথৰ সেই বিস্ময়াভিভূত অভিজ্ঞতা সম্বলিত লিখনিসমূহ চিঠি আকাৰে প্ৰকাশ পোৱাত সেইবোৰে বঙ্গদেশ তথা ভাৰতবৰ্ষত তীব্ৰ আলোড়নৰ সৃষ্টি কৰিছিল। কঠোৰ অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক শোষণ নিৰ্যাতনৰ পৰা পৰিত্ৰাণৰ বাবে উৰাউল ভাৰতীয় লোকে তাৰ মাজতেই বিচাৰি পাইছিল নিজৰ মুক্তিৰ সোপান বাস্তৱায়িত হোৱাৰ এক মহিয়সী আদৰ্শ।

ৰাচিয়া ভ্ৰমণ কালত লাভ কৰা প্ৰত্যক্ষ অভিজ্ঞতা বিবৃত কৰি তৃতীয় পত্ৰখনত ৰবীন্দ্ৰনাথে লিখিছিল,[১৭] "আপাতত রাশিয়ায় এসেছি – না এলে এ জন্মের তীর্থদর্শন অত্যন্ত অসমাপ্ত থাকত। এখানে এরা যা কাণ্ড করছে তার ভালোমন্দ বিচার করবার পূর্বে সর্বপ্রথমেই মনে হয়, কী অসম্ভব সাহস। . পশ্চিম-মহাদেশে বিজ্ঞানের জাদুবলে

দুঃসাধ্য সাধন করে, দেখে মনে মনে তারিফ করি। কিন্তু এখানে যে প্রকাণ্ড ব্যাপার চলছে সেটা দেখে আমি সব চেয়ে বেশি বিস্মিত হয়েছি। শুধু যদি একটা ভীষণ ভাঙচুরের কাণ্ড হত তাতে তেমন আশ্চর্য হতুম না; কেননা, নাস্তানাবুদ করবার শক্তি এদের যথেষ্ট আছে। কিন্তু দেখতে পাচ্ছি, বহুদূরব্যাপী একটা ক্ষেত্র নিয়ে এরা একটা নূতন জগৎ গড়ে তুলতে কোমর বেঁধে লেগে গেছে। দেরি সইছে না, কেননা জগৎ জুড়ে এদের প্রতিকূলতা, সবাই এদের বিরোধী—যত শীঘ্র পারে এদের খাড়া হয়ে দাঁড়াতে হবে— হাতে হাতে প্রমাণ করে দিতে হবে, এরা যেটা চাচ্ছে সেটা ভুল নয়, ফাঁকি নয়। হাজার বছরের বিরুদ্ধে দশ-পনেরো বছর জিতবে বলে পণ করেছে। অন্য দেশের তুলনায় এদের অর্থের জোর অতি সামান্য, প্রতিজ্ঞাৰ জোর দুর্ধর্ষ।

যাদের হাতে ধন, যাদের হাতে ক্ষমতা, তাদের হাত থেকে নির্ধন ও অক্ষমেরা এই রাশিয়াতেই অসহ্য যন্ত্রণা বহন করেছে। দুই পক্ষের মধ্যে একান্ত অসাম্য অবশেষে প্রলয়ের মধ্যে দিয়ে এই রাশিয়াতেই প্রতিকার সাধনের চেষ্টায় প্রবৃত্ত।

এদের এখানকার বিপ্লবের বাণীও বিশ্ববাণী। আজ পৃথিবীতে অন্তত এই একটা দেশের লোক স্বাজাতিক স্বার্থের উপরেও সমস্ত মানুষের স্বার্থের কথা চিন্তা করছে। এ বাণী চিরদিন টিকবে কি না কেউ বলতে পারে না। কিন্তু স্বজাতির সমস্যা সমস্ত মানুষের সমস্যার অন্তর্গত, এই কথাটা বর্তমান যুগের অন্তর্নিহিত কথা। একে স্বীকার করতেই হবে।"

ৰুচ দেশত সংঘটিত এই পৰিবৰ্তনৰ তুলনাত ভাৰতবৰ্ষৰ মানুহৰ দুখ-যন্ত্ৰণা, শোষণ-নিৰ্যাতন দেখি মৰ্মাহত অন্তৰেৰে সেতে মানৱিক কবি ৰবীন্দ্ৰনাথে লিখিছে," -

"..এরা মানুষ হয়ে উঠেছে এই কটা বছরেই।

"নিজের দেশের চাষীদের মজুরদের কথা মনে পড়ল। মনে হল আরব্য উপন্যাসের জাদুকরের কীর্তি। বছর-দশেক আগেই এরা ঠিক আমাদেরই দেশের জনমজুরদের মতোই নিরক্ষর নিঃসহায় নিরন্ন ছিল, তাদেরই মতো অন্ধ সংস্কার এবং মূঢ় ধার্মিকতা। দুঃখে বিপদে এরা দেবতার দ্বারে মাথা খুঁড়েছে; পরলোকের ভয়ে পাণ্ডা-পুরুতদের হাতে এদের বুদ্ধি ছিল বাঁধা, আর ইহলোকের ভয়ে রাজপুরুষ মহাজন ও জমিদারের হাতে; যারা এদের জুতোপেটা করত তাদের সেই জুতো সাফ করা এদের কাজ ছিল। হাজার বছর থেকে এদের প্রথা পদ্ধতি বদল হয় নি, যানবাহন চরকা-ঘানি সমস্ত প্রপিতামহের আমলের, হালের হাতিয়ারে হাত লাগাতে বললে বেঁকে বসত। আমাদের দেশের ত্রিশ কোটির পিঠের উপরে যেমন চেপে বসেছে ভূতকালের ভূত, চেপে ধরেছে তাদের দুই চোখ— এদেরও ঠিক তেমনি ছিল। কটা বছরের মধ্যে এই মূঢ়তার অক্ষমতার পাহাড় নড়িয়ে দিলে যে কী করে সে কথা এই হতভাগ্য ভারতবাসীকে যেমন একান্ত বিস্মিত করেছে এমন আর কাকে করবে বলো। অথচ যে সময়ের মধ্যে এই পরিবর্তন চলছিল সে সময়ে এ দেশে আমাদের দেশের বহু-প্রশংসিত 'ল অ্যাণ্ড অর্ডার' ছিল না।"

আলোচিত সময়ছোৱাত ভাৰতবৰ্ষৰ অৰ্থনৈতিক অৱস্থাৰো যথেষ্ট অৱনতি ঘটে। প্ৰথম বিশ্ব যুদ্ধৰ সময়ৰপৰাই ভাৰতৰ অৰ্থনীতিৰ এই অৱনতি আৰম্ভ হ'বলৈ ধৰে।

*কৃষি আৰু উদ্যোগ উভয় দিশতেই আৰ্থিক অৱনতিৰ চিত্ৰ আছিল অত্যন্ত ভয়াবহ। দেশৰ মুঠ জনসংখ্যাৰ ৭৪ শতাংশ আছিল কৃষক আৰু এই অংশটোৱেই গুৰুতৰ ধৰণৰ দুৰ্ভিক্ষত ভুগিছিল।*[১৮] *ড তাৰা চাঁদে লিখিছে,*[১৯] " The immediate cause of aggravation was the fall in the world prices of raw products which India exported. In 1926-27 the exports fetched 20 percent less than in 1925-26. India was obliged to pay higher prices for the manufactured goods which were imported. The tendency continued in the following year. In 1925-26 the exports were valued at Rs.385 crores, in 1926-27 Rs.309 crores and in 1929-30 Rs.311 crores. The decline in the earnings of agricultural products of cotton, jute, seeds, cereals, etc., hit the people of the villages hard. It depressed their standard of living."

*শিল্প শ্ৰমিকসকলৰ বিষয়ে ১৯২৮-২৯ চনৰ চৰকাৰী প্ৰতিবেদনতেই কোৱা হৈছিল,*[২০] "The industrial life of India was far more disturbed than during the preceding years." *১৯২৯-৩০ চনত বিশ্বজুৰি দেখা দিয়া পুঁজিবাদী সংকটে ভাৰতবৰ্ষতো প্ৰভাৱ পেলাইছিল। খাদ্য সামগ্ৰীৰ লগতে নিত্য-ব্যৱহাৰ্য বস্তু-বাহানীৰ দাম আকাশলংঘী হৈছিল, টকাৰ ক্ৰয় ক্ষমতা দ্ৰুতভাৱে হ্ৰাস পাইছিল আৰু দেশৰ বিভিন্ন ঠাইত শৰীৰ ঢাকিব নোৱাৰি পিন্ধা কাপোৰৰ অভাৱত অনেক গাভৰু - বোৱাৰীয়ে আত্মহত্যাৰ পথ বাছি লৈছিল।*

*এই দ্ৰুত অৱক্ষীয়মান আৰ্থিক অৱস্থাৰ সৈতে কেৱল মাৰ্কিন যুক্তৰাষ্ট্ৰৰ গৃহ যুদ্ধৰ (১৮৬১-৬৫) অব্যৱহিত পিছৰ কালছোৱাত সেই দেশৰেই দক্ষিণ অঞ্চলৰ দেশসমূহত দেখা দিয়া অৱস্থাৰ লগতহে তুলনা কৰিব পাৰি, তাৰ মানুহে তেতিয়া গৃহ যুদ্ধৰ আগৰ অৱস্থাৰ সৈতে পিছৰ অৱস্থাৰ তুলনা কৰি ক'বলৈ লৈছিল;* " Before the war I went to market with the money in my pocket, and brought back my purchases in a basket, now I take the money in the basket, and bring the things home in my pocket "[২১] *প্ৰথম বিশ্ব যুদ্ধৰ অব্যৱহিত পিছৰ কালছোৱাত জাৰ্মানীত দেখা দিয়া এই ধৰণৰ অৱক্ষীয়মান অৰ্থনৈতিক অৱস্থাই হিটলাৰৰ নেতৃত্বত নেটীবাদৰ জন্ম দি মানৱ সভ্যতালৈকে চৰম বিপদ মাতি আনিছিল।*

*ভাৰতবৰ্ষত অৱশ্যে এই অৱস্থাই আনহাতে ৰাজনৈতিক আন্দোলন আৰু দ্ৰুত পৰিবৰ্তনশীল ঘটনা-পৰিঘটনাৰ সৃষ্টি কৰিছিল। উল্লেখ কৰিব পাৰি যে অৰ্থনৈতিক বিপৰ্যয় তথা অৱনতিৰ এনে এটা সময়তে বৃটিশ গৃহ চৰকাৰে ছাৰ জন চাইমনৰ নেতৃত্বত সংবিহিত আয়োগ গঠন কৰি ভাৰতবৰ্ষলৈ পঠিওৱাৰ ব্যৱস্থা কৰে। ১৯১৯ চনৰ ভাৰত শাসন বিধিত কোৱা হৈছিল যে এই আইন বলবৎ হোৱাৰ সম্পূৰ্ণ দহ বছৰৰ পিছত ভাৰতবৰ্ষৰ শাসন ক্ষেত্ৰত কিমানখিনি অগ্ৰগতি লাভ কৰা হৈছে আৰু অনুসন্ধান কৰি সেই সময়ৰ পিছত আৰু অধিক সংস্কাৰ সাধন কৰিবলৈ পুনৰ এটি নতুন আয়োগ গঠন কৰা হ'ব। কিন্তু তদানীন্তন ভাৰতবৰ্ষৰ উত্তপ্ত ৰাজনৈতিক বাতাৱৰণলৈ চাই বৃটিশ গৃহ চৰকাৰে নিৰ্ধাৰিত সময়তকৈ দুবছৰ আগতেই সেই প্ৰস্তাৱিত আয়োগ*

গঠনৰ ঘোষণা কৰিলে ১৯২৭ চনৰ ৮ ছেপ্তেম্বৰ তাৰিখে। সভাপতিকে আদি কৰি আয়োগৰ ৭ জন সদস্যই বৃটিশ লোক হোৱাত ভাৰতীয় ৰাজনৈতিক নেতাসকলে এই আয়োগে ভাৰত ভ্ৰমণ কৰিলে বয়কট কৰাৰ সিদ্ধান্ত লয়।

গতিকে কংগ্ৰেছকে আদি কৰি ভাৰতীয় জাতীয়তাবাদী ৰাজনৈতিক দলসমূহে পূৰ্বৰ সিদ্ধান্ত অনুসৰি ১৯২৮- ২৯ চনত সংবিধিহিত আয়োগে (Simon Commission) ভাৰত ভ্ৰমণ কৰোঁতে তাক বৰ্জন কৰে। আয়োগে ভ্ৰমণ কৰা ঠাই সমূহত বিপুল জনতাই 'Simon go back' ধ্বনি তুলি বিক্ষোভ প্ৰদৰ্শন কৰিছিল। লাহোৰত তেনেকৈ বিক্ষোভ প্ৰদৰ্শন কৰি লালা লাজপত ৰায় পুলিচৰ অত্যাচাৰত আহত হৈ শেষত হাস্পাতালত প্ৰাণ ত্যাগ কৰিছিল। এই ঘটনাই সমগ্ৰ ভাৰতবৰ্ষত ৰাজনৈতিক কৰ্মতৎপৰতা তথা অস্থিৰতা আৰু বৃদ্ধি কৰিছিল। ৰাম গোপালে কৈছে,[১২] এই সময়তে, "A militant youth organisation, the Naujawan Bharat Sabha, was formed at Lahore to propagate socialist ideas, preach direct action against the British, and make recruitment for a terrorist party." এছ.কে.মিটালে জনোৱা মতে লক্ষণ স্বৰূপ ত্ৰিপাঠী নামে এজন ছাত্ৰই মিৰাটত এটি ***Youth League*** সংগঠন কৰি লালা লাজপত ৰায়ৰ হত্যাৰ প্ৰতিশোধ লোৱাৰ ব্যৱস্থা কৰিছিল।[১৩] সাম্যবাদী মতাদৰ্শৰ প্ৰচাৰ আৰু তাৰেই আহিত সাম্যবাদী সংগঠন গঢ়ি তোলাৰ প্ৰৱণতাও এই সময়ছোৱাত বৃদ্ধি পাইছিল, হয়তো তাৰেই ফলশ্ৰুতিত ভাৰতবৰ্ষত "the flood-tide of communism was at its height "[১৪]

ৰাজনৈতিক ঘটনা প্ৰৱাহৰ এনে এটা পৰিৱেশতেই ১৯২৮ চনৰ ডিচেম্বৰ মাহত মতিলাল নেহেৰুৰ সভাপতিত্বত কলিকতাত কংগ্ৰেছৰ অধিৱেশন অনুষ্ঠিত হৈছিল। মাদ্ৰাজ কংগ্ৰেছৰ (১৯২৭) প্ৰায় পূৰ্বৰে পৰাই দেশৰ ৰাজনৈতিক বা- বতাহ কোন ফালে বলিবলৈ লৈছিল তাক গান্ধীয়ে উপলব্ধি কৰিব পাৰিছিল। মাদ্ৰাজ কংগ্ৰেছত গৃহীত পূৰ্ণ স্বৰাজৰ প্ৰস্তাৱৰ প্ৰতি জনতাৰ বিপুল সমৰ্থনত গান্ধী সচকিত হৈ পৰিছিল আৰু সেয়ে তেওঁ কলিকতা কংগ্ৰেছৰ সময়ত আপোচ সূত্ৰ এটা উদ্ভাৱন কৰি পৰামৰ্শ আগবঢ়ালে এই বুলি যে ছাইমন কমিছনৰ বিকল্প হিচাপে গঠিত মতিলাল নেহেৰু সমিতিয়ে দাখিল কৰা প্ৰতিবেদন গ্ৰহণ কৰি বৃটিশ চৰকাৰৰ ওচৰত এবছৰৰ ভিতৰতে ভাৰতবৰ্ষৰ বাবে ঔপনিৱেশিক স্বায়ত্ব শাসন দিবলৈ দাবী কৰিব লাগে আৰু তেওঁলোকে সেই দাবী মানি নললে তেওঁ এবছৰৰ সময় উকলি যোৱাৰ লগে লগে দেশত স্বাধীনতা আন্দোলনৰ নেতৃত্ব দিব। জৱহৰলাল নেহেৰু আৰু সুভাষ চন্দ্ৰ বসুৰ নেতৃত্বত কংগ্ৰেছৰ যুৱ শক্তিয়ে গান্ধীৰ প্ৰস্তাৱত সংশোধনী আনিলে এই বুলি যে পূৰ্ণ স্বৰাজৰ বাদে তেওঁলোকক একোৱেই সন্তুষ্ট কৰিব নোৱাৰে। সংখ্যাধিক্য ভোটত নেহেৰু- বসুৰ সংশোধনী প্ৰস্তাৱ বাতিল হ'ল, কিন্তু পূৰ্ণ স্বাধীনতাৰ ধ্বনি মাৰ নগ'ল।

এই বিষয়ে সুভাষ চন্দ্ৰ বসুয়ে কোৱা কথাখিনি তাৎপৰ্যপূৰ্ণ,[১৫] "*The amendment was lost by 973 votes to 1350- but the vote could hardly be called a free one, as the followers of the Mahatma made it a question of confidence and gave out that if the Mahatma was defeated, he would retire from the Congress. Many people therefore voted*

*for his resolution, not out of conviction, but because they did not want to be a party to forcing the Mahatma out of the Congress."*

পিছলৈ এফালে মহাত্মাৰ বৃটিশ সাম্ৰাজ্যবাদৰ প্ৰতি আপোচকামী মনোভাৱ আৰু আনফালে অৱদমিত ভাৰতীয় জনতাৰ আৰ্থিক অৱনতিৰ লগতে পুলিচী নিৰ্যাতনৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ-যুৱক-কৃষকৰ অদমনীয় স্বাধীনতা স্পৃহাই গুপ্ত হত্যা আৰু সন্ত্ৰাসবাদী আন্দোলন অধিক জোৰদাৰ কৰি তুলিছিল। লাহোৰত চাইমন কমিচনৰ বিপক্ষে বিক্ষোভকাৰীসকলৰ ওপৰত কৰা পুলিচী নিৰ্যাতনৰ নায়ক আছিল পুলিচ উপাধ্যক্ষ চ'ণ্ডৰ। সেই হত্যাকাণ্ডৰ প্ৰতিশোধ লবলৈ হিন্দুস্থান চোচিয়েলিষ্ট ৰিপাব্লিকান এছোচিয়েচনে ভগত সিঙৰ নেতৃত্বত চ'ণ্ডৰক হত্যা কৰাৰ আঁচনি প্ৰস্তুত কৰি তাক বাস্তৱায়িত কৰে।

ইয়াৰ পাছত ১৯২৯ চনৰ এপ্ৰিল মাহত ভগত সিং আৰু বটুকেশ্বৰ দত্তই কেন্দ্ৰীয় বিধান পৰিষদত পৰিষদে 'Trade Disputes Bill' খনৰ ওপৰত আলোচনা কৰি থাকোতেই ওপৰা-উপৰিকৈ দুটা বোমা নিক্ষেপ কৰে। এই বিলখনেৰে ভাৰতীয় শিল্প শ্ৰমিকৰ আন্দোলন কৰাৰ অধিকাৰ বাতিল কৰিবলৈ বিচৰা হৈছিল। সি যি কি নহওক, ভগত সিং আৰু বটুকেশ্বৰ দত্তক পুলিচে গ্ৰেপ্তাৰ কৰে আৰু লগে লগে লাহোৰ, পঞ্জাব, উত্তৰ প্ৰদেশ, বিহাৰ আদি বিভিন্ন প্ৰদেশত ভীষণ ধৰ-পাকৰ আৰু পুলিচী নিৰ্যাতন আৰম্ভ কৰে। চ'ণ্ডৰৰ হত্যাক কেন্দ্ৰ কৰি প্ৰায় ১৩ জন যুৱকক গ্ৰেপ্তাৰ কৰি লাহোৰ ষড়যন্ত্ৰ মামলা (Lahore Conspiracy Case) ৰুজু কৰিলে। লাহোৰ কাৰাগাৰত বিচাৰাধীন কয়দীসকলৰ ওপৰত অকথ্য নিৰ্যাতন জাপি দিয়াত প্ৰতিবাদ কৰি তেওঁলোকে আমৰণ অনশন কৰিবলৈ বাধ্য হয়। সুদীৰ্ঘ ৬৩ দিন আমৰণ অনশন কৰাৰ পাছত কয়দীসকলৰ অন্যতম ব্যক্তি যতীন্দ্ৰ নাথ দাসে প্ৰাণত্যাগ কৰে।১৯৩১ চনৰ ২৩ মাৰ্চত ভগত সিং,ৰাজগুৰু আৰু শুকদেৱক ফাঁচী কাঠত তুলিলে আৰু বাকী ৭ জনক যাৱজ্জীৱন দেশান্তৰিত কৰিলে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে নিজৰ সুদীৰ্ঘ ৰাজনৈতিক কৰ্ম পৰিক্ৰমা আৰু জীৱনকালত অনশনক বাৰম্বাৰ ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা প্ৰবীন ৰাজনীতিক মহাত্মা গান্ধীয়ে লাহোৰ ষড়যন্ত্ৰ মামলাৰ বিচাৰাধীন কয়দীসকলৰ আমৰণ অনশন ধৰ্মঘটৰ প্ৰতি কোনো ধৰণৰ সহানুভূতি প্ৰদৰ্শন কৰা নাছিল। আনকি যতীন্দ্ৰ নাথ দাসে দেশৰ কাৰণে কৰা মহত্তম আৰু সৰ্বশেষ আত্মোৎসৰ্গৰ প্ৰতি কোনো অনুকম্পা দেখুওৱা নাই অথবা তেওঁৰ অজস্ৰ লিখনীৰ মাজতো কতো এষাৰ সহানুভূতিৰ কথাও লিখা নাই বুলি জনা গৈছে।

যতীন্দ্ৰ নাথ দাসে বৃটিশৰ লৌহ কাৰাগাৰত আমৰণ অনশন কৰি স্বাধীনতাৰ বেদীত আত্মাহুতি দিয়া কাৰ্যই দেশৰ যুৱ-ছাত্ৰসকলৰ মাজত ভীষণ আলোড়নৰ সৃষ্টি কৰিছিল। তেওঁৰ আত্মত্যাগৰ আদৰ্শই অসমীয়া ছাত্ৰসকলৰ মাজত কি অভিঘাত সৃষ্টি কৰিছিল তাক অমিয় কুমাৰ দাসে উল্লেখ কৰিছে এইদৰে, " তেওঁলোকৰো প্ৰাণলৈ ত্যাগৰ উদ্দীপনা আহিল। বিশেষকৈ কাশী বিশ্ববিদ্যালয়ত পঢ়ি থকা অসমীয়া ছাত্ৰসকলে মোগলশৰাই ষ্টেশ্যনত আৰু কলিকতাত পঢ়ি থকা অসমীয়া ছাত্ৰসকলে লাহোৰৰ জেলৰপৰা অনা যতীন দাসৰ শৱযাত্ৰা দেখাত তেওঁলোকৰ প্ৰাণলৈ ত্যাগৰ

নতুন উদ্দীপনা আহিল।”

স্বাধীনতাৰ প্ৰতি প্ৰবল উচ্চাকাংক্ষা আৰু ইতিমধ্যে সংঘটিত পুলিচী নিৰ্যাতনৰ প্ৰতিবাদকল্পে ১৯২৮-২৯ চনত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত যুৱ-ছাত্ৰসকলৰ মাজত অসংখ্য সংগঠন গঢ়ি উঠিছিল। এছ.কে.মিত্ৰাই লিখিছে, “By 1928 the whole of Northern India was honey-combed by youth and student organisations.” ড° ৰমেশ চন্দ্ৰ মজুমদাৰে উল্লেখ কৰিছে যে কলিকতা, পুণা, আহমেদাবাদ, লাহোৰ, নাগপুৰ, আমৰাওতী আৰু মাদ্ৰাজৰ বিভিন্ন ঠাইত যুৱ-ছাত্ৰ সংগঠনৰ জৰিয়তে সভা-সমিতি আদি আহুত হবলৈ ধৰিলে।১৯২৯ চনৰ ডিচেম্বৰ মাহত লাহোৰত পণ্ডিত মদন মোহন মালব্যৰ পৌৰোহিত্যত নিখিল ভাৰত ছাত্ৰ সন্মিলন অনুষ্ঠিত হৈছিল।

অসমতো সৰ্বভাৰতীয় ৰাজনৈতিক ঘটনা-পৰিঘটনাৰ অৱধাৰিত প্ৰভাৱ পৰিছিল। ১৯২৯ চনত গোলাঘাটত সদৌ অসম যুৱক সংঘ স্থাপিত হয়। সেই একে বছৰতে উত্তৰ কামৰূপৰ পুঠিমাৰী অঞ্চলত কলিকতা বিশ্ববিদ্যালয়ৰ দৰ্শনৰ ছাত্ৰ শৰৎ চন্দ্ৰ গোস্বামীৰ চেষ্টাত পুঠিমাৰী কেন্দ্ৰীয় ছাত্ৰ সন্মিলন নামে এক ছাত্ৰানুষ্ঠান গঢ়ি উঠে। ইতিপূৰ্বে অসহযোগ আন্দোলনৰ অব্যৱহিত পিছৰ সময়ছোৱাত দেহাৰকুছি-বাহাৰঘাটক কেন্দ্ৰ কৰি কংগ্ৰেছৰ কৰ্ম-আঁচনিৰ অংশৰূপে ৰাজনৈতিক কাম-কাজ কৰিবলৈ কামৰূপ যুৱক সংঘ নামে এটি সংগঠন গঢ়ি তোলা হৈছিল। ১৯৩০-৩৫ ভিতৰত সংগঠিত বৰ্ণিয়া-নলবাৰী গাঁৱলীয়া ছাত্ৰ সন্মিলন ৰ সংগঠনেও বিশেষকৈ উত্তৰ কামৰূপত ছাত্ৰসকলৰ মাজত ৰাজনৈতিক কাম-কাজ কৰাৰ সুযোগ-সুবিধা উলিয়াই দিছিল। এই ছাত্ৰ সংগঠনৰ সৈতে জড়িত ছাত্ৰ নেতাসকল আছিল, ৰজত শৰ্মা, গৌৰী শঙ্কৰ ভট্টাচাৰ্য, কামিনী মোহন শৰ্মা,চক্ৰেশ্বৰ ভট্টাচাৰ্য আদি।

এই সময়তেই উত্তৰ প্ৰদেশৰ মিৰাটত সংগঠিত ছাত্ৰ সংস্থাৰ সম্পাদক জনে স্বাধীনতা সংগ্ৰামত আত্মাহুতি দিবলৈ ছাত্ৰসকলক আহ্বান জনাই প্ৰচাৰ কৰা এখন গোহাৰি পত্ৰত কৈছিল, “Youngmen. Rise to the occasion India has lost one of her noblest and bravest sons. Her heart is still burning at the loss of that great hero-JATINDRA DAS. The brave martyr has sacrificed his life, inch by inch , at the altar of mother India's freedom. Let not the blood of the martyr go in vain and the fire of patriotism lighted by his long sufferings and sacrifice queel down. We should respond to the call of the country and come to the colle[illegible] pure khaddar on 23rd instant as decided by you and join the students' union in a compact body.”

১৯২৯ চনৰ ২২ অক্টোবৰ তাৰিখে মিৰাটত ৰাধা মোহন গাৰ্গ নামে এজন লোকৰ বাস ভৱনত নও জোৱান ভাৰত সভাৰ শাখা এটা গঠন কৰি নিম্ন লিখিত লক্ষ্য সমূহত উপনীত হবলৈ সিদ্ধান্ত লোৱা হৈছিল;

“(1) to establish a free republic of workers and peasants in India;
(2) to inspire yougnmen with the spirit of patriotism and sacrifice

to the end that India might become full-fledged national entity;

(3) to cut off every connection with those bodies which propagate communalism or favour communal representation;

(4) to organise the peasants and workers;

(5) to take interest in every anti-communal, economic, social or political movement leading to the ultimate goal of a free republic of workers and peasants in India."

গতিকে দেখা যায় সকলোৱে,—ছাত্ৰ,যুৱক,কৃষক,শ্ৰমিক,বুদ্ধিজীৱী-ৰাজনীতিক—দেশৰ স্বাধীনতা প্ৰাপ্তিৰ বাবে অত্যন্ত আগ্ৰহান্বিত হৈ পৰিছিল। সকলোৱে ৰাজনৈতিকভাৱে এই ক্ষেত্ৰত সক্ৰিয় হৈ উঠিছিল। কোনোৱেই আপোচৰ পক্ষপাতী নাছিল, উত্তপ্ত পৰিৱেশ, অস্থিৰ পৰিস্থিতি, দাবীও এটাই—দেশৰ স্বাধীনতা। এনে এটা উত্তপ্ত ৰাজনৈতিক পৰিৱেশতে জৱহৰলাল নেহেৰুৰ পৌৰোহিত্যত ১৯২৯ চনৰ ডিচেম্বৰ মাহত লাহোৰত কংগ্ৰেছ অধিৱেশন বহিল। মহাত্মা গান্ধীয়ে বৃটিশ চৰকাৰৰ পৰা এবছৰৰ ভিতৰতে ঔপনিৱেশিক স্বায়ত্ব শাসন পোৱাৰ যি দুৰান্ত আশা কৰি আনকো আশ্বাস দিছিল, সেইটো বাস্তৱত ফলৱতী নহ'ল। এবছৰৰ সময় উকলিল, বৃটিশ চৰকাৰে ভাৰতৰ ৰাজনৈতিক প্ৰশ্ন মীমাংসা কৰাৰ কোনো চেষ্টাই নকৰিলে। গান্ধীৰ জল্পনা-কল্পনা সকলো অথলে গ'ল, তেওঁ এইবাৰ অলৰেয়ে শ'লঠেকত পৰিল। কেৱল লাহোৰ কংগ্ৰেছহে গান্ধীক এই বিপদৰ পৰা ৰক্ষা কৰিলে। জৱহৰলাল নেহেৰুৰ পৌৰোহিত্যত অনুষ্ঠিত লাহোৰ কংগ্ৰেছে পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ লৈ পুনৰ আন্দোলন মুখী ৰাজনীতিৰ আৰম্ভণী কৰিলে। গান্ধীয়ে নিজেই কৈছিল চালক নেহেৰু যদিও ব্ৰেকদাল কিন্তু তেওঁৰ হাতত্তেই আছে, গতিকে আন্দোলন কিমান সফল হ'ব সেইটো সন্দেহাতীত আছিল।

১৯২৯ চনৰ ডিচেম্বৰৰ শেহৰ পিনে এদিনাখন মাজনিশা কংগ্ৰেছ সভাপতি জৱহৰলাল নেহেৰুৱে লাহোৰত ৰাবী নদীৰ পাৰত কংগ্ৰেছৰ পতকা উত্তোলন কৰি স্বাধীনতাৰ কথা ঘোষণা কৰিলে। লাহোৰ কংগ্ৰেছত, পূৰ্বে কলিকতা কংগ্ৰেছত দি অহা প্ৰতিশ্ৰুতিৰ প্ৰতি শ্ৰদ্ধা দৰ্শাই, মহাত্মা গান্ধীয়ে এইবাৰ পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ উত্থাপন কৰিলে,** " The Congress therefore in pursuance of the resolution passed at its session at Calcutta last year declares that the word Swaraj in article 1 of the Congress Constitution shall mean Complete Independence."

পূৰ্বে উল্লেখ কৰি অহা হৈছে যে ইয়োৰোপ ভ্ৰমণৰ সময়ৰ পৰাই জৱহৰলাল নেহেৰুৱে নিজকে সমাজবাদী বুলি পৰিচয় দিবলৈ লৈছিল আৰু অৱেই আগাহতে কংগ্ৰেছৰ ভিতৰতে এটা বামপন্থী গোষ্ঠীৰ সৃষ্টি কৰি উপদলীয় ৰাজনীতিৰ ক্ষেত্ৰ প্ৰস্তুত কৰিছিল। দেখা যায় এই বিলাক গান্ধীৰ ৰাজনৈতিক মতাদৰ্শৰ সম্পূৰ্ণ বিপৰীতে পৰিচালিত হৈছিল আৰু ঘটনাক্ৰমে তেওঁ গান্ধীৰ ৰাজনৈতিক দৰ্শন আৰু কাৰ্য পদ্ধতিৰ প্ৰতি আস্থা হেৰুৱাইছিল। কিন্তু বল্লভভাই পেটেলৰ দৰে শক্তিশালী লোকৰ প্ৰাৰ্থীৰ বিপৰীতে গান্ধীৰ নেতৃত্ব আৰু সমৰ্থনত লাহোৰ কংগ্ৰেছৰ সভাপতিৰূপে নিৰ্বাচিত হোৱাৰ পিছৰ পৰাই পুনৰ তেওঁ গান্ধীৰ অনুগত ভৃত্যত পৰিণত হ'ল। জৱহৰলাল নেহেৰুক

লাহোৰ কংগ্ৰেছৰ সভাপতি ৰূপে নিৰ্বাচিত কৰাত গান্ধীৰ ভূমিকা সম্পৰ্কে এজন প্ৰখ্যাত সাংবাদিকে কৈছিল, " ... the effect of Gandhi's decision was to identify the Nehru family with the nation".

আকৌ কংগ্ৰেছৰ বামপন্থী শিবিৰ এৰি গান্ধীৰ মতাদৰ্শৰ প্ৰতি হঠাতে অনুৰক্ত হৈ পৰা নেহেৰু সম্পৰ্কত ঐতিহাসিক অমলেশ ত্ৰিপাঠীয়ে কৈছে, "He realized pretty early that power over the Congress organisation (and thus over free India one day) would come if he toed Gandhi's centrist line, may be a wee bit to the left, for Gandhi alone could keep the rightists ( and future rivals) under control. On the other hand, ever since the Brussels conference, he had been drawn to international socialism, and, albeit never accepting its dogmas, realized that an up-surge of leftist forces was bound to take place in the course of the freedom struggle, and it would be wise to align with them Soon Gandhi needed him to keep such forces in check and a relationship of political interdependence strengthened that of father-son and master-disciple." ড° ৰমেশ চন্দ্ৰ মজুমদাৰে কৈছে, "But somehow or other Gandhi won him over, and after he accepted the Presidentship of the Congress he became a consistant and unfailing supporter of Gandhi "

সি যি কি নহওক, দেশাত পূৰ্ণ স্বৰাজ তথা আইন অমান্য আন্দোলনৰ প্ৰতি সমৰ্থন দিলেও গান্ধীৰ ভূমিকা আছিল এই সময়তো যথেষ্ট সন্দেহজনক। নেহেৰুক প্ৰভাবিত কৰি তেওঁ এফালে কংগ্ৰেছৰ ভিতৰতে গঢ়ি উঠিবলৈ লোৱা বামপন্থী গোষ্ঠীটোক নিশকতীয়া আৰু আনফালে কংগ্ৰেছ কাৰ্যকৰী সমিতিত নিজৰ একাধিপত্য স্থাপন কৰিছিল। ড° মজুমদাৰৰ ভাষাত," "By winning over Jawaharlal he had considerably weakened the Left-wing of the Congress which alone dared raised its voice against him A farther step in the same direction was taken by him when he deliberately excluded all the Left-wingers , including Srinivasa Iyangar and Subhas Bose , from the new working committee. There was a strong feeling in the All India Congress Committee that at least these two should be retained , but Gandhi proved adamant. He declared that he wanted a committee that would be completely of one mind , i.e., his mind. However , advisable this ideal might be in an Executive Body like the Cabinet , it was hardly appropriate to a deliberative body , at least to the extent to which Gandhi carried it. The hands of the All India Congress Committee were forced as Gandhi wanted that his list should be voted as a whole. He practically made it a question of confidence , and as the All India Congress Committee was unwilling or unable to sacrifice his leadership it had to accept his demand."

লাহোৰ কংগ্ৰেছৰ পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱৰ পৰিপ্ৰেক্ষিতত ল'বলগীয়া আন্দোলনৰ কাৰ্যসূচী সম্পৰ্কে কবি ৰবীন্দ্ৰনাথ ঠাকুৰে কৰা এটি প্ৰশ্নৰ উত্তৰত গান্ধীয়ে কৈছিল,[১১] " I am furiously thinking night and day and I do not yet see any light coming out of the surrounding darkness." অৰ্থাৎ লাহোৰ কংগ্ৰেছৰ প্ৰস্তাৱে গান্ধীক অন্ধকাৰতহে নিক্ষেপ কৰিছিল। কেৱল লোণ সত্যাগ্ৰহৰ আঁচনিহে তেওঁক সেই অন্ধকাৰৰ পৰা পৰিত্ৰাণ কৰিছিল। ১৯৩০ চনৰ ২ মাৰ্চত তেওঁ বৃটিশ ৰাজপ্ৰতিনিধিলৈ এঘাৰ দফীয়া দাবী সম্বলিত দীঘলীয়া চিঠি এখনৰ মাধ্যমত লোণ সত্যাগ্ৰহৰ বিষয়ে অৱগত কৰায়, আৰু এই চিঠিৰ মাধ্যমতেই তেওঁ উত্থাপিত দাবীসমূহৰ আশু সমাধানৰ কামনা কৰে। ঐতিহাসিক ড° ঈশ্বৰী প্ৰসাদৰ মতে ,[১২]
"For a lay man, who is not a saint, the eleven points and the letter are in clear contradiction of the Lahore Resolution "

সি যি কি নহওক, লাহোৰ কংগ্ৰেছে গ্ৰহণ কৰা পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হোৱা স্বাধীনতা আন্দোলনৰ এই সৰ্বভাৰতীয় ৰাজনৈতিক পটভূমিত অসমীয়া ছাত্ৰসকলৰ ভূমিকা সম্পৰ্কে আলোচনা আগবঢ়াই নিয়াটোৱেই হ'ল আমাৰ উদ্দেশ্য। আমি পূৰ্বে উল্লেখ কৰি আহিছোঁ যে অসমত অসহযোগ আন্দোলনৰ পুৰোধা চন্দ্ৰনাথ শৰ্মাই ধৰ্ম আৰু ৰাজনীতি দুয়োটাকে একাকাৰ কৰি মহাত্মা গান্ধীয়ে অসহযোগ আন্দোলন স্থগিত ৰখাৰ বাবে তেওঁক গুৰুতৰভাৱে দোষাৰোপ কৰিছিল। কিন্তু সেই বছৰতে (২২ জুলাই ১৯২২) মৃত্যুয়ে তেওঁক ৰাজনৈতিক তথা ইহ জগতৰ পৰাই আঁতৰাই নিয়াত অসমত সম্পূৰ্ণ গান্ধীবাদী সংগঠনৰ ঠাইত বিকল্প ৰাজনৈতিক সংগঠনে তৎকালিনভাৱে মূৰ দাঙি উঠিবলৈ নাপালে। গান্ধীৰ দ্বাৰা অসহযোগ আন্দোলন প্ৰত্যাহাৰ কৰাত তেওঁ যি তীব্ৰ ক্ষোভৰ অগনিত জ্বলিছিল অলপ চাই ক'ব পাৰি হয়তো তেওঁৰ চেষ্টাত অসমতো ভেকা শক্তিয়ে বিশেষতঃ ছাত্ৰসকলে সেই সময়ত অইন প্ৰদেশৰ দৰে বিকল্প সংগঠন গঢ়ি তুলিলেহেতেন।

অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰা নকৰা সম্পৰ্কে অসম ছাত্ৰ সন্মিলনৰ কৰ্ম কৰ্তাসকলৰ মাজত যি মত বিৰোধৰ সৃষ্টি হৈছিল সেই বিষয়ে পূৰ্বে কিছু আভাস দি অহা হৈছে। এই দিশত অসম ছাত্ৰ সন্মিলনৰ কৰ্মকৰ্তা তথা সভ্যসকলৰ মাজত গঢ়ি উঠা মনোমালিন্যৰ কথা দণ্ডিনাথ কলিতাইও উল্লেখ কৰিছে।[১৩] যেই হওক, অসম ছাত্ৰ সন্মিলনৰ ১৯২২ চনৰ ডিচেম্বৰত গুৱাহাটীত অনুষ্ঠিত হোৱা সপ্তম অধিৱেশনৰ পৰা ১৯২৭চনৰ ডিচেম্বৰত পুনৰ গুৱাহাটীত অনুষ্ঠিত দ্বাদশ অধিৱেশনলৈ – এই আটাইকেইখন অধিৱেশনতে পৌৰাহিত্য কৰা সভাপতিসকলৰ অভিভাষণ সমূহত চকু ফুৰালে এনেহে লাগে যেন তেওঁলোক প্ৰত্যেকেই আছিল একোজন ধৰ্ম গুৰু বা যাজক। সভাপতিসকল আছিল যথাক্ৰমে,– প্ৰত্নতাত্ত্বিক পণ্ডিত হেম চন্দ্ৰ গোস্বামী, দীনবন্ধু চি.এফ্. এন্দ্ৰুজ, কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, ছাৰ দেৱপ্ৰসাদ সৰ্বাধিকাৰী, ৰেভাৰেণ্ড জে.এম.এম. নিকলছ ৰয় আৰু শেষৰজন অধ্যাপক চালাউদ্দিন খোদাবক্স।

তেওঁলোকে কেৱল পৰম্পৰাগতভাৱে চলি অহা দৃষ্টিভংগীতে ঈশ্বৰ বিশ্বাস, নৈতিকতা, ছাত্ৰৰ কৰ্তব্য, শিক্ষা ব্যৱস্থা আদি বিষয়-বস্তুৰ ওপৰতে তেওঁলোৰ ভাষণ

সমূহ কেন্দ্ৰীভূত কৰি ৰাখিছিল। ভাৰতীয় স্কুল-কলেজৰ ছাত্ৰসকলৰ কথা দূৰতে থাওক অসমৰ ছাত্ৰসকলেই বিগত অসহযোগ আন্দোলনত জপিয়াই পৰি আন্দোলনৰ সম্প্ৰসাৰণত যি অৰিহণা যোগাইছিল সেই বিষয়ে তেওঁলোকৰ এজনেও ক'তো কোনো কথাই উল্লেখ নকৰিলে। ৰাজনৈতিকভাৱে ছাত্ৰসকল নিৰামিষাহাৰী– এই মনোভাৱেই অভিভাষণ কেইখনত পৰিপুষ্টি লাভ কৰিছে। পৰপদানত দেশমাতৃকাৰ স্বাধীনতাৰ বাবে অসহযোগৰ অব্যৱহিত পিছৰ কালছোৱাত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত ছাত্ৰসকলৰ দ্বাৰা সংঘটিত কাৰ্যাৱলীৰ কোনো উল্লেখ নথকাটোও অতি তাৎপৰ্যৰ কথা। দেশৰ স্বাধীনতাৰ কাৰণে ছাত্ৰসকলৰ কৰণীয় কৰ্তব্যৰ বিষয়ে কোনো এজন সভাপতিয়েই এষাৰো বক্তব্য ৰাখিবলৈ অৱকাশ পোৱা নাছিল।

এই খিনিতে উল্লেখ কৰিব পাৰি যে সভাপতিসকলৰ ভিতৰত পণ্ডিত হেম চন্দ্ৰ গোস্বামী কংগ্ৰেছৰ গোপন সমৰ্থক আৰু নবীন চন্দ্ৰ বৰদলৈ আৰু এস্থুজ চাহাব প্ৰকাশ্য কৰ্মী,সংগঠক তথা নেতা আছিল। অসম ছাত্ৰ সন্মিলনৰ শিৱসাগৰ অধিৱেশনৰ (১০-১১ অক্টোবৰ, ১৯২৪) সভাপতি বৰদলৈ আওবীয়া তেতিয়াও গুৱাহাটীত কংগ্ৰেছৰ অধিৱেশন পাতি ঋণগ্ৰস্ত হোৱা নাছিল যে তেওঁ সেই কাৰণেই ছাত্ৰসকলক স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ কোনো কথাই ক'বলৈ অপাৰগ।

সি যি কি নহওক, অসহযোগ আন্দোলনৰ পিছৰ কালছোৱাত অসমত কংগ্ৰেছৰ সাংগঠনিক স্থিতি আছিল অত্যন্ত নিষ্প্ৰভ আৰু প্ৰায় কংগ্ৰেছৰ স্থলাভিষিক্ত হৈ "অসম ছাত্ৰ সন্মিলনীয়ে অ-ৰাজনৈতিক অনুষ্ঠান হিচাপে স্বদেশী প্ৰচলন, অস্পৃশ্যতা নিবাৰণ, মাদকতা বৰ্জন আদি কাম হাতত লৈ গান্ধীজী পৰিচালিত নীতিৰ গঠনমূলক কামখিনি অসমত কংগ্ৰেছৰ পৰিপূৰক হিচাপে কৰি গৈছিল।" ৰাজনৈতিক সংগঠন এটাৰ গঠনমূলক কামখিনি কৰোঁতে অসম ছাত্ৰ সন্মিলনৰ অ-ৰাজনৈতিক চৰিত্ৰ অক্ষুণ্ণ ৰৈছিল বুলি আমাৰ মনে নধৰে। গঠনমূলক হলেও কামবিলাক কংগ্ৰেছৰ আঁচনি নিসৃত আছিল, গতিকে এইবিলাক ৰাজনৈতিক কামেই আছিল।

ৰজনীকান্ত গোস্বামীয়ে লিখিছে, "অধিক সংখ্যাক প্ৰতিনিধিয়ে স্বৰাজ ভাৱাপন্ন আছিল যদিও ১৯৩০ চনলৈকে অসম ছাত্ৰ সন্মিলনীয়ে ৰাজনৈতিক বিষয় আলোচনা কৰিব নোৱাৰা নিয়ম অপৰিবৰ্তিত ৰাখিছিল, কাৰণ ছাত্ৰ সন্মিলনীৰ শাখা সভাসমূহ হৈছিল অধিক সংখ্যাক চৰকাৰী স্কুল-কলেজৰ ছাত্ৰসকলৰ দ্বাৰা গঠিত।" এই প্ৰসঙ্গত তীৰ্থনাথ শৰ্মাই লিখা কথাখিনিৰো উল্লেখ কৰাতো বিধেয় হ'ব, তেওঁ কৈছে, "এই সন্মিলনে পোনতে প্ৰত্যক্ষভাৱে ৰাজনীতিৰ লগত নিজকে সনাপোতকা নকৰিছিল। ১৯২৮ চনত তেজপুৰত দেশভক্ত ফুকনৰ সভাপতিত্বত বহা বাৰ্ষিক অধিৱেশনতে কৰবালে গলে সন্মিলনৰ ৰাজনীতি পৰিহাৰৰ ঐতিহ্য ভঙ্গ হ'ল। ৰাজনীতি সম্পৰ্কীয় দুটা প্ৰস্তাৱ এই সন্মিলনে সেই অধিৱেশনতে গ্ৰহণ কৰিছিল।"

তৰুণ ৰাম ফুকনৰ সভাপতিত্বত বহা অসম ছাত্ৰ সন্মিলনৰ ১৯২৮ চনৰ অধিৱেশন সম্পৰ্কে ৰজনীকান্ত গোস্বামীয়ে লিখিছে, "অসম ছাত্ৰ সন্মিলন তেতিয়া এটা শক্তিশালী-সবল কংগ্ৰেছ সহযোগী অনুষ্ঠান হিচাপে জনপ্ৰিয় হৈ উঠিছিল। কিন্তু সভাৰ নিয়মাৱলীৰ মূলনীতি আছিল যে সন্মিলনীয়ে ৰাজনীতি বিষয়ক আলোচনা বা

কাৰ্য-পদ্ধতি হাতত ল'ব নোৱাৰিব। এই প্ৰবন্ধৰ লেখক আছিল তেতিয়াৰ সন্মিলনৰ সম্পাদক। সেই বছৰ বৃটিশ পাৰ্লিয়েমেণ্টে ছাইমন চাহাবৰ অধ্যক্ষতাত ভাৰত শাসন পদ্ধতি কিভাৱে কিমানখিনি সংস্কাৰ কৰা উচিত পৰীক্ষা কৰি চাই ৰিপোৰ্ট দিবলৈ এটা কমিছন গঠন কৰি ভাৰতলৈ পঠিয়াইছিল। তাত কোনো ভাৰতীয় লোককেই লোৱা হোৱা নাছিল। কংগ্ৰেছে এই কমিছনৰ ঘোৰ প্ৰতিবাদ কৰিছিল। .. ছাত্ৰ সন্মিলনৰ বিষয় বাছনি সভাত ছাইমন কমিছন বয়কোট কৰাৰ বিষয়ে এটা প্ৰস্তাৱ উত্থাপিত হয় আৰু অধিক ভোটত ই অগ্ৰাহ্য হয়। ফুকনে মুকলি অধিৱেশনৰ প্ৰথম পুৱাতে মোক মতাই নি কয় যে ছাইমন কমিছন বয়কোট প্ৰস্তাৱ গৃহীত নহলে মুকলি অধিৱেশনত তেখেতে সভাপতিত্ব নকৰে।" পিছত যেনিবা বিষয় বাছনি সভাই ছাইমন কমিছনত এজনো ভাৰতীয় ৰাজনীতিকক নোলোৱা বাবে দুখ প্ৰকাশ কৰি এটা প্ৰস্তাৱ লৈছিল। ফুকনৰ মতে " ই আছিল 'কণা হাঁহক পতান দিয়া' বিধৰ।

গতিকে দেখা যায় আইন অমান্য আন্দোলনৰ পূৰ্বাহ্ণতো অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ মতাদৰ্শ পুষ্ট অসম ছাত্ৰ সন্মিলনৰ মাজত বৃটিশ সাম্ৰাজ্যবাদ বিৰোধী ৰাজনৈতিক আন্দোলন- সংঘটিত অংশ গ্ৰহণ কৰা নকৰা সম্পৰ্কে অসহযোগৰ সময়তে আৰম্ভ হোৱা দ্বন্দ্ব-বিৰোধৰ অন্ত পৰা নাছিল, আৰু বোধহয় চন্দ্ৰনাথ শৰ্মাৰ দৰে বলিষ্ঠ নেতৃত্বৰ অভাৱেও তেনে এটা অৱস্থা অব্যাহত থকাত সহায় কৰিছিল। অৰ্থাৎ বিংশ শতিকাৰ প্ৰায় তৃতীয় দশকৰ শেষলৈকে অসমীয়া মধ্যবিত্তই দেশৰ স্বাধীনতাৰ প্ৰশ্নৰ সদৰ্থক দিশটোৰ সৈতে সম্পূৰ্ণৰূপে একাত্মবোধ কৰিব পৰা নাছিল। এই দুদোল্যমান অৱস্থাই এফালে মধ্যবিত্ত শ্ৰেণীৰ বৃটিশৰ প্ৰতি থকা আনুগত্যৰ কথা সদৰি কৰাৰ লগতে আনফালে 'চল চাই কঠিয়া পাৰাৰ' সুবিধাবাদী চৰিত্ৰকেই উন্মোচিত কৰিছে যেন লাগে।

তথাপিও সন্মিলনৰ উল্লেখিত তেজপুৰ অধিৱেশনৰ (২৭-২৮ অক্টোবৰ,১৯২৮) সভাপতিৰ আসনৰপৰা ফুকনে কিন্তু এক সুচতুৰ ৰাজনীতিকৰ মন উতলা কৰা অভিভাষণেৰে ছাত্ৰসকলক ৰাজনৈতিক আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ যুক্তিসহকাৰে আৰু উদাত্ত কণ্ঠেৰে আহ্বান জনাইছিল। তেওঁ কৈছিল," "দেশৰ ভৱিষ্যৎ যেতিয়া ছাত্ৰৰ ওপৰতেই নিৰ্ভৰ কৰে, তেওঁবিলাকক বিদেশী শাসনতন্ত্ৰৰ বৃত্তিভোগী গুৰুৰ হাতত সঁপি দি অভিভাৱক বা দেশবাসী নিশ্চিন্ত হৈ থকা উচিত নহ'ব। দেশৰ কাৰ্য্যৰ লগত , দেশবাসীৰ সুখ দুখৰ পৰা বিচ্ছিন্ন ছাত্ৰক কলেজৰ মেৰঘৰত সুমুৱাই অধ্যয়নৰ পৰম পৰিতোষ অটুট ৰাখিব পাৰে কিন্তু শিক্ষা তেনেই অসম্পূৰ্ণ থাকিব; বিদ্যাৰ বিপুল বৈভৱত, জ্ঞান লাভৰ অক্ষয় আনন্দত্ বঞ্চিত হ'ব।

"পৰ্বতৰ হিয়া ভাগি ওলোৱা নিৰ্ম্মল নিজৰাটিক মণি লগাৰ ভয়ত ভাঁঠিকে বান্ধ দিও যেনেকৈ ধৰি ৰাখিব নোৱাৰি, ছাত্ৰৰ উদাৰ সৰল হিয়াৰ একাগ্ৰ জাতীয় ভাবকো লিখা-পঢ়াৰ অন্তৰায় হ'ব বুলি ভাবি বিধি-নিষেধৰ নিকপ্‌কপীয়া বান্ধেৰে ধৰি ৰখা অসম্ভৱ। যিমানেই ৰোধ কৰিবৰ চেষ্টা কৰিব সিমানেই তাৰ পৰিমাণ বাঢ়িব, লগত অপ্ৰতিহত শক্তিৰ বলত বান্ধ ভাগি ওচৰৰ গাওঁ-ভূঁই উটুৱাই নিয়াৰ বিশেষ সম্ভাৱনা থাকিব আৰু প্ৰাণ নাশৰো যথেষ্ট কাৰণ হ'ব। সেই দেখি গতিৰোধ নকৰি

পতি নিৰ্দেশ কৰাই বুদ্ধিমানৰ কাৰ্য্য হ'ব।. বৰ্তমান পৃথিৱীব্যাপী যি নৱ-জাগৰণৰ উদ্ভৱ হৈছে, জাতীয়তাৰ যি প্ৰবল সোঁত বৈছে, যাৰ পৰা ছাত্ৰক আঁতৰাই ৰাখিবলৈ চেষ্টা কৰা, তাৰ বিপৰীতে সাঁতুৰিবলৈ উপদেশ দিয়া আৰু ক্ষুদ্ৰ স্বাৰ্থৰ কাৰণে ছাত্ৰৰ আৰু দেশৰ অহিত চিন্তা একেই কথা। ছাত্ৰই ৰাজনীতি শিকা বেয়া বুলিলে সাহিত্য, তাইকে ইতিহাস শিকোৱা স্কুল-কলেজৰ পৰা তুলি দিয়া উচিত হ'ব। অতীত আৰু বৰ্তমানৰ ৰাজনীতি আলোচনা কৰা ছাত্ৰ মাত্ৰৰেই অৱশ্য কৰ্তব্য বুলি মই ভাৰি ক'ব পাৰোঁ। ৰাজনীতিৰ ওপৰতেই দেশৰ কল্যাণ-অকল্যাণ নিৰ্ভৰ কৰে। বিশেষতঃ পৰাধীন দেশৰ কাৰণে ৰাজনীতিয়েই জীৱন-মৰণৰ সেতু, মুক্তিৰ উপায়। উঠোঁতে - বহোঁতে, খাওঁতে - বওঁতে, সপোনে- সচিতে ৰাজনীতিৰ গুণাগুণ বিচাৰ নকৰিলে আমাৰ চলিব - ফুৰিবৰ উপায় নাথাকে। সেই দেখিয়েই দেশ - বিদেশৰ, অতীত - বৰ্তমানৰ ৰাজনীতি ছাত্ৰাৱস্থাতেই আলোচনা কৰি আয়ত্ত নকৰিলে নিজৰ কল্যাণ, দেশৰ কল্যাণ কৰা অসম্ভৱ, কিন্তু তৰ্ক স্থলত ক'ব পাৰি যে ৰাজনীতি শিক্ষা আৰু আলোচনা কৰা এক কথা আৰু ৰাজনৈতিক আন্দোলনত যোগ দিয়া বেলেগ কথা। ক'ব পাৰি স্কুল - কলেজত ৰাজনীতি অলপৰে শিকোৱা হ'ব ধৰিছে, সেই শিক্ষা শেষ নৌহওঁতে ৰাজনৈতিক আন্দোলনত যোগ দিবলৈ উদগাই দি শিক্ষাৰ অন্ত কৰিলে ' অল্পবিদ্যা ভয়ঙ্কৰী'এই শাস্ত্ৰবচনৰ উচিত প্ৰমাণ পাব, অল্পজ্ঞান ছাত্ৰ ৰাজনৈতিক ইষ্ট কাৰ্য্যৰ সহায় নহৈ অন্তৰায় হ'ব। উত্তৰত কওঁ – কাৰ্য্য বিচ্ছিন্ন শিক্ষা ফলৱতী হ'ব নোৱাৰে।"

ভাৰতীয় ছাত্ৰসকলৰ ওপৰতহে ৰাজনৈতিক আন্দোলনত অংশ গ্ৰহণ কৰাৰ ক্ষেত্ৰত বাধা-নিষেধ আৰোপিত কৰা হৈ আহিছে, এই ব্যৱস্থা কি ভাৰতবৰ্ষ পৰাধীন বাবেই নেকি ? যদি সেইটোৱেই হয় তেনেহলে দেশৰ ছাত্ৰসকলে ৰাজনীতিত অংশ গ্ৰহণ কৰাৰ আৰু এটি অতিৰিক্ত যুক্তি হ'ল এই পৰাধীনতাৰ পৰা দেশ মাতৃক মুক্ত কৰাতো। সভাপতি ফুকনে কৈছে," "ভাৰতবৰ্ষত বাজে আন কোনো দেশতেই ছাত্ৰই ৰাজনৈতিক আন্দোলনত যোগ দিয়াৰ নিষেধ শুনা নাই। আজি ভাৰত পৰাধীন বুলিয়েই এই নিষেধ নেকি?" ছাত্ৰসকল সাধাৰণতে আদৰ্শবান। অন্যায় - অৱমাননা, শোষণ-নিপীড়ণ জৰ্জৰিত সমাজ ভাঙি এখন নতুন সমাজ গঢ়াৰ পণ তেওঁলোকে কৰিব পাৰে। নতুন সৃষ্টিৰ প্ৰতি অদম্য ইচ্ছা আকাংখা পুঞ্জীভূত হৈ থকা ছাত্ৰসকলৰ প্ৰতি সেয়ে তেওঁ কৈছিল," "বুঢ়াৰ প্ৰাণ কৃপণৰ ধন। তাক নিজেও ভোগ কৰিব নোৱাৰে, পৰক দিবও নোৱাৰে। কিন্তু ডেকাৰ মন অলপতে তুষ্ট নহয়, কাৰণ হৃদয়ৰ আশা অতি বলৱতী। পুৰণিক অকাতৰে ধ্বংস কৰিব পাৰে, কাৰণ ভাঙি গঢ়িবৰ সামৰ্থ্য ডেকাৰ অসীম।"

ছাত্ৰসকলে অধ্যয়নৰ ওপৰিও বিভিন্ন কামত ব্যস্ত থাকে আৰু তেনেবোৰ কামত ব্যস্ত থাকিলে তেওঁলোকৰ অধ্যয়নত ব্যাঘাত হৈছে বুলি কোৱা নহয়; অথচ তেনে কামত ছাত্ৰৰ অধ্যয়নৰ উপযোগী যথেষ্ট সময় অপচয় বা অতিবাহিত হয়। গতিকে ৰাজনীতি অথবা ৰাজনৈতিক আন্দোলনত যোগ দিলে ছাত্ৰসকলৰ অধ্যয়নত অন্তৰায়ৰ সৃষ্টি হ'ব বুলি কোৱাতো অযুক্তিকৰ। বৰং তেওঁলোকে বিজ্ঞ আৰু সচেতন ব্যক্তিৰ সান্নিধ্যত সমাজ তথা দেশৰ হিতকাৰী ৰাজনীতিৰ বিষয়ে খবৰ লৈ মাবি ৰাজনৈতিক মতাদৰ্শৰ লগতে সেই বিষয়ত ব্যৱহাৰিক দিশৰো কিছু প্ৰত্যক্ষ জ্ঞান আহৰণ কৰিলে অলেই

হয়। তেতিয়া সেইসকলৰ পৰা সমাজে সমস্ত ভাল উপকাৰ পাব পাৰে, অন্যথা সমাজখন লেমটৌৱেৰেই ভৰি পৰিব। আৰু শুদ্ধ ভাল ৰাজনৈতিক মতাদর্শৰ অবিহনে তেওঁলোকে সমাজৰ ক্ষতিকাৰক বিষয়ত ভূমিকা আহৰণ কৰি অপায়-অমঙ্গল, দুষ্কৃতি-ব্যভিচাৰৰ সৃষ্টি কৰিব আৰু তাৰ দ্বাৰা নিজেও ডুবিব আৰু সমাজখনকো ডুবাব।

সেই কাৰণেই বোধহয় সুৰেন্দ্ৰনাথ বেনাৰ্জীয়ে ছাত্ৰসকলক সময় মতে শুদ্ধ বিধ ৰাজনীতিৰে পৰিপক্ক কৰি ভৱিষ্যতৰ বাবে প্ৰস্তুত কৰি লবলৈ পৰামৰ্শ দিছিল। সেই বিষয়ে আমি অন্যত্ৰ উল্লেখ কৰি আহিছোঁ। সভাপতি ফুকনেও প্ৰায় একে স্বৰেই আৰু একে সুৰতেই কৈছে," "ফুটবল খেলি শদিয়াৰপৰা ধুবুৰীলৈ আহি লৈ থাকোঁতে যদি পঢ়াৰ ব্যাঘাত নহয়, এখন্তেক দেশসেৱা কৰোঁতে ছাত্ৰ জীৱন ব্যৰ্থ হ'ব বুলি কঢ়াই কলেও মানি লোৱা উচিত নহ'ব। দোল-দুৰ্গোৎসৱ আদি ধৰ্মানুষ্ঠানত যোগ দিয়াত যদি ছাত্ৰৰ কৰ্তব্য ব্যাঘাত নহয়, কংগ্ৰেছ আদি স্বদেশী মহানুষ্ঠানত যোগ দিলেও ছাত্ৰ-জীৱন নিষ্ফল হ'ব নোৱাৰে বুলি স্থিৰ বিশ্বাস কৰি ল'ব লাগিব। কলেজৰ নিয়ম মানিও অন্যায় আদেশৰ দুৰ্বাৰ প্ৰতিবাদ নিৰ্ভয় চিত্তে কৰা ছাত্ৰৰ একান্ত কৰ্তব্য বুলি ধৰি ল'ব লাগিব।"

ছাত্ৰ সন্মিলনৰ গোলাঘাটত অনুষ্ঠিত চতুৰ্দশ অধিৱেশনতো (১৯২৯) সভাপতি কৃষ্ণকান্ত সন্দিকৈয়েও তেওঁৰ অভিভাষণত ছাত্ৰসকলে ৰাজনীতি কৰা তথা ৰাজনৈতিক আন্দোলনত অংশ গ্ৰহণ কৰাৰ পক্ষ সমৰ্থন কৰি কৈছিল," ". দেশত যিবিলাক ৰাজনৈতিক আৰু সামাজিক আন্দোলন হৈছে, তাৰপৰা কলেজৰ ছাত্ৰক একেবাৰেই আঁতৰাই ৰাখিব নোৱাৰি। ৰাজনৈতিক আন্দোলনৰ ধুমধামত ছাত্ৰই সম্পূৰ্ণভাৱে যোগ দি অৱশ্যে পঢ়া- শুনা কৰিব নোৱাৰে; কিন্তু আজি কালি ভাৰতৰ অনেক ঠাইত ছাত্ৰক আন্দোলনৰ অলপ সংস্ৰৱত অহা দেখিলেই কৰ্তৃপক্ষ চক্‌খাই উঠে আৰু অপমানজনক সৰ্তেৰে ছাত্ৰক বশ কৰিব খোজে। ইয়াৰ ফলত দুয়ো পক্ষৰ সংঘৰ্ষ অৱশ্যম্ভাৱী। শৃংখলাৰ নামত জাতীয় মৰ্যাদা আৰু আত্মসন্মান ত্যাগ কৰা উচিত নহয়। এই দুটা বস্তুৰ ব্যতিক্ৰম হলে কোনো উচ্চ আদৰ্শ টিকিব নোৱাৰে আৰু উচ্চ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত নহলে ছাত্ৰ-জীৱন বিশুদ্ধ আৰু মহৎ হ'ব নোৱাৰে। ছাত্ৰ-জীৱনৰেপৰা মনত দাস ভাব পুহিবলৈ আৰম্ভ কৰিলে ভাৰতৰ জাতীয় ভৱিষ্যত কি হ'ব আক কল্পনা কৰিবও নোৱাৰি।"

ছাত্ৰসকলৰ দ্বাৰা ৰাজনৈতিক আন্দোলনত অংশ গ্ৰহণৰ কথা দোহাৰি তেওঁ সামৰণি মন্তব্যত কৈছে," " যেতিয়া আমি এই সন্মেলন পাতোঁ তেতিয়া আমাৰ উদ্দেশ্য আপোনালোকৰ বৰ্তমান উদ্দেশ্যতকৈ অলপ সংকীৰ্ণ আছিল। তেতিয়া আমি এই সন্মিলনৰপৰা ৰাজনীতি বাদ দিছিলোঁ। অসমৰ ছাত্ৰসকলে, বিশেষকৈ কলেজৰ ছাত্ৰসকলে ৰাজনীতি আলোচনা কৰিব খুজিছে, সেইটো তেওঁবিলাকৰ উদাৰ আৰু নিৰ্ভীক ভাৱৰ পৰিচায়ক। মই ক'ব খোজা নাই -পঢ়া- শুনা ক্ষতি কৰি ৰাজনৈতিক আন্দোলনত লাগিব লাগে। কিন্তু মোৰ কোৱাৰ উদ্দেশ্য এই যে দেশত যিবিলাক ৰাজনৈতিক আন্দোলন হৈছে আৰু ৰাজনৈতিক ভাব হৈছে, তাৰপৰা ছাত্ৰ-সমাজ, বিশেষকৈ কলেজৰ ছাত্ৰ-সমাজ, বিচ্ছিন্ন হৈ থাকিব নোৱাৰে।"

সন্দিকৈয়ে ইয়োৰোপৰ বিভিন্ন বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি ভালে কেইবছৰ কটাইছিল। ইয়োৰোপৰ বিভিন্ন দেশৰ ছাত্ৰসকলৰ ৰাজনৈতিক কাৰ্য-কলাপৰ বিষয়ে সঞ্চিত অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি তেওঁ ছাত্ৰসকলক উদ্দেশ্য কৰি সেই বিষয়ে কৈছিল, "... তাত বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে সমাজনীতি আৰু ৰাষ্ট্ৰনীতি অবাধে আৰু অনবৰত আলোচনা কৰে। যদি তেওঁবিলাকক কোনোবাই কয় যে তেওঁলোকে পঢ়া-শুনা নকৰি, ছাত্ৰৰ কৰ্ত্তব্য নকৰি, কেৱলেই ৰাজনীতি বা সমাজনীতি আলোচনাত যোগ দিছে, তেনেহলে তেওঁলোকে ক'ব তোমালোকে কোৱাঁ যে আমি ছাত্ৰ, সেইদেখি ৰাজনীতি আলোচনাত যোগ দিব নেলাগে কিন্তু যেতিয়া যুদ্ধ হয় তেতিয়া আমাক যুদ্ধ কৰিবলৈ মাতা কিয়?" ছাত্ৰসকলে ৰাজনীতি কৰা অথবা আন্দোলনত অংশ গ্ৰহণ কৰা সম্পৰ্কে তৰুণ ৰাম ফুকন আৰু কৃষ্ণকান্ত সন্দিকৈয়ে দিয় পৰামৰ্শ- অভিমত খুব সময়োপযোগী আছিল আৰু সেইবিলাকৰ সাৰ্থকতা আৰু প্ৰাসঙ্গিকতা এতিয়াও নুই কৰিব নোৱাৰি।

১৯২২ চনৰপৰা ১৯২৯ চনৰ ভিতৰত হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিৱেশন সমূহত কেইবাজনো অসমীয়া ছাত্ৰই যোগদান কৰিছিল। তাৰ ভিতৰত ১৯২৬ চনত পাণ্ডুত অনুষ্ঠিত হোৱা কংগ্ৰেছ অধিৱেশনত হৰেন্দ্ৰনাথ বৰুৱা সমন্বিতে কটন কলেজৰ কিছুমান ছাত্ৰই "কতৃপক্ষৰ অগোচৰে স্বেচ্ছাসেৱকৰ কাম কৰিছিল।" গুৱাহাটীৰ আৰ্ল ল' কলেজৰ ছাত্ৰ লক্ষ্মীধৰ বৰাইও স্বেচ্ছাসেৱকৰ লিষ্টি ভুক্ত হৈ কংগ্ৰেছ অধিৱেশনত যোগ দিছিল। ১৯২৯ চনৰ লাহোৰ কংগ্ৰেছলৈ অসমীয়া প্ৰতিনিধি দল টোৰ লগত মহেন্দ্ৰ মোহন চৌধুৰী, পবিত্ৰনাথ শৰ্মা আদি কটন কলেজৰ কিছুমান ছাত্ৰও গৈছিল।

নবীন চন্দ্ৰ বৰদলৈ, তৰুণ ৰাম ফুকন, ৰোহিনী কুমাৰ চৌধুৰী, কুলধৰ চলিহা, গোপীনাথ বৰদলৈ আদি কংগ্ৰেছৰ প্ৰবীন নেতাসকলে আইন অমান্য আন্দোলনৰ প্ৰাক্ মূহূৰ্ত্তত মূৰ পোলোকা মৰাত বিষ্ণুৰাম মেধিৰ ঘৰত আন্দোলন সম্পৰ্কে আলোচনা কৰিবলৈ অনুষ্ঠিত হোৱা কংগ্ৰেছৰ এখন সভাত দুজন স্কুলীয়া ছাত্ৰই যোগদান কৰিছিল, তেওঁলোক আছিল– দেৱকান্ত বৰুৱা আৰু অশ্বিনীকান্ত বৰকাকতী। সভাত পূৰ্বৰ দৰে অসমতো আন্দোলন কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। ১৯৩০ চনৰ মাৰ্চ মাহত মহাত্মা গান্ধীয়ে লোণ আইন ভঙ্গ কৰাৰ অভিপ্ৰায়েৰে দাণ্ডীলৈ কৰা যাত্ৰাত কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰ লীলাধৰ বৰুৱাইও যোগ দিছিল।

১৯২৪ চনৰপৰা ১৯২৮ চনৰ ভিতৰত গোৱালপাৰা জিলাৰ গোৱালপাৰা, অভয়াপুৰী আদি ঠাইত তৰুণ সংঘৰ সংগঠন গঢ়ি তোলা হৈছিল আৰু প্ৰায় লগে লগেই জিলাৰ বিভিন্ন ঠাইত ইয়াৰ শাখা-প্ৰশাখা বিয়পি পৰিছিল। এই সংগঠন গঢ়ি তোলাত আগভাগ লৈছিল বঙ্গৰ অনুশীলন সমিতিৰ সদস্য আৰু ধুবুৰীৰ হিৰণ্য কুমাৰ বসু, পুলকেশ দে আৰু প্ৰতুল গাঙ্গুলী আৰু বৰ্তমানৰ বাংলাদেশৰ বিপ্লৱী পি.চি. চক্ৰৱৰ্তী আদিয়ে। খগেন্দ্ৰনাথ নাথে লিখিছে, "তেতিয়া তৰুণ সংঘৰ জৰিয়তে সশস্ত্ৰ বিপ্লৱৰ সূচনা কৰাৰ কথা আমি ভাবিছিলোঁ। কংগ্ৰেছী নেতাসকলেও এই সংগঠনৰ ভু পাইছিল। ১৯২৮ চনৰ নৱেম্বৰ মাহত গোৱালপাৰাৰ যুৱক সংঘই ছাইমন কমিছন বয়কোট কৰাৰ সিদ্ধান্ত লৈছিল। পিছৰ বছৰত অনুষ্ঠিত যুৱ অভিৱৰ্তনত পৌৰাহিত্য

কৰিছিল বঙ্গৰ বিপ্লৱী নেতা প্ৰতুল চন্দ্ৰ গাঙ্গুলীয়ে।

১৯২৯ চনত গোলাঘাটত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনৰ চতুৰ্দশ অধিৱেশনৰ সময়ত শঙ্কৰ বৰুৱাৰ যত্নত সদৌ অসম যুৱক সংঘ সংগঠিত হয়। তৰুণ ৰাম ফুকন সভাপতি আৰু শঙ্কৰ বৰুৱা দেবেন্দ্ৰ নাথ শৰ্মা আৰু ৰাধিকাৰাম দাস সংঘৰ যুটীয়া সম্পাদক নিযুক্ত হয়। বিজয় চন্দ্ৰ ভাগৱতী, মহেন্দ্ৰ মোহন চৌধুৰী, গিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী, দেবেন্দ্ৰনাথ চৌধুৰী আদি কটন কলেজৰ বহু ছাত্ৰ সদৌ অসম যুৱক সংঘৰ সভ্য ভৰ্তি হৈছিল।

১৯৩০ চনৰ স্বাধীনতা আন্দোলনত অংশ গ্ৰহণৰ বাবে যুৱক সংঘৰফালৰ পৰা সক্ৰিয় কাৰ্যব্যৱস্থা লোৱা হৈছিল। গুৱাহাটীত কটন কলেজৰ বহু ছাত্ৰৰ উপস্থিতিত যুৱক সংঘৰ সভা পাতি আন্দোলন গাওঁ অঞ্চলত সক্ৰিয় কৰি তোলাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছিল।

১৯২৮ চনৰ ৩ ফেব্ৰুৱাৰীত সংবিহিত আয়োগে(Simon Commission) ভাৰত ভূমিত উপনীত হোৱাত সমগ্ৰ দেশতে হৰতাল পালন কৰা হৈছিল। অসমৰ ধুবুৰী, শিৱসাগৰ আৰু কৰিমগঞ্জত ছাত্ৰসকলে সংবিহিত আয়োগৰ প্ৰতিবাদ কৰি স্কুল বৰ্জন কৰিছিল। ১৯২৯ চনৰ ২ জানুৱাৰীৰপৰা ১১ জানুৱাৰীলৈ সংবিহিত আয়োগে অসম ভ্ৰমণ কৰিছিল। আয়োগৰ দ্বাৰা অসম ভ্ৰমণ আৰু স্বাধীনতা সংগ্ৰামীয়ে কৰা তাৰ প্ৰতিবাদ সম্পৰ্কত অমলেন্দু গুহই লিখিছে, "Although boycotted by the Congress and other nationalists, nowhere in the province did the Commission meet with any hostile demonstration. Nor was it wel comed "

লাহোৰ কংগ্ৰেছৰ নিৰ্দেশ অনুযায়ী সমগ্ৰ দেশতে ১৯৩০ চনৰ ২৬ জানুৱাৰীৰ দিনটোত কংগ্ৰেছৰ পতকা উত্তোলন কৰি স্বাধীনতাৰ সংকল্প লোৱা হৈছিল। অসমত সদৌ অসম যুৱক সংঘ আৰু ছাত্ৰসকলৰ উদ্যোগত পতকা উত্তোলন কাৰ্য সমাধা কৰা হৈছিল। সংঘৰ উদ্যোগত গুৱাহাটীৰ জুবিলি উদ্যানত অনুষ্ঠিত পতকা উত্তোলন উৎসৱত অসম কংগ্ৰেছৰ সভাপতি তৰুণ ৰাম ফুকন, নবীন চন্দ্ৰ বৰদলৈ, সিদ্ধিনাথ শৰ্মা আদিয়েই অংশ গ্ৰহণ কৰিছিল। পতকা উত্তোলন কৰিছিল তৰুণ ৰাম ফুকনেই। জুবিলি উদ্যানত এই পতকা উত্তোলন কাৰ্যোপলক্ষে কটন কলেজৰ কিছুমান ছাত্ৰই ছাত্ৰাবাসৰ জাননী ফলকবোৰত "জুবিলী পাৰ্কত পুৱা ৯ বজাত পতাকা উত্তোলন কৰা হ'ব আৰু পূৰ্ণ স্বৰাজ স্থাপন কৰাৰ সংকল্প গ্ৰহণ কৰা হ'ব। সকলো ছাত্ৰই যোগ দিব লাগে" বুলি জাননী দিছিল।

কটন কলেজৰ তদানীন্তন অধ্যক্ষ টমছন চাহাবেও ছাত্ৰসকলৰ মাজত যাতে ৰাজনৈতিক কাৰ্য- কলাপ বৃদ্ধি নাপায় তাৰ ব্যৱস্থা হিচাপে জাননী দি ঘোষণা কৰিছিল, " কোনো ছাত্ৰই চৰকাৰ বিৰোধী কোনো কাৰ্যক্ৰমত যোগ দিব নোৱাৰিব। দিলে সমুচিত ফল পাব।" তথাপিও '২৫ জানুৱাৰীৰ দিনা গধুলি বেলিৰাম দাসকে মুখ্য কৰি কেইজনমান ছাত্ৰই কোঠাই কোঠাই ঘূৰি পিছদিনা পুৱা জুবিলী উদ্যানলৈ যাবলৈ ছাত্ৰসকলক অনুৰোধ কৰি ফুৰিছিল।... ইপিনে এই অনুষ্ঠানৰ উদ্যোক্তা

নেতাসকলে কলেজীয়া ছাত্ৰৰ সৰহীয়া যোগদানৰ ওপৰতেই সাফল্যৰ কাৰণে বাইকে ভাৰসা কৰিছিল।' সেই একে দিনাই আবেলি কাৰ্জন হলত তৰুণ ৰাম ফুকনৰ পৌৰাহিত্যত অনুষ্ঠিত ৰাজহুৱা সভাত বহু ছাত্ৰই যোগদান কৰিছিল।"

কিন্তু ইয়াৰ পিছতে অসম কংগ্ৰেছত এক গুৰুতৰ সংকটে দেখা দিছিল আৰু সেই বিষয়ে আমি পূৰ্বে কিছু উল্লেখ কৰি আহিছোঁ। পূৰ্বে উল্লেখ কৰি অহা কংগ্ৰেছৰ প্ৰধান প্ৰধান নেতা সকলে লাহোৰ কংগ্ৰেছৰ প্ৰস্তাৱ মৰ্মে কাউঞ্চিল বৰ্জন কৰি আইন অমান্য আন্দোলনৰ নেতৃত্ব দিয়া নতুবা তাত অংশ গ্ৰহণ কৰাৰ বিৰোধী হৈ পৰিছিল, আৰু তেওঁলোকে মূৰ পোলোকা মাৰিলে, ফলত অসমত কংগ্ৰেছ নেতা বিহীন সংগঠনত পৰিণত হ'ল।" কেশৱ নাৰায়ণ দত্তৰ মতে," "A feeling of frustration had at this time ruled the Cor.jress organisation in Assam,.." তৰুণ ৰাম ফুকন, গোপীনাথ বৰদলৈ আৰু ৰোহিণী কুমাৰ চৌধুৰীয়ে আনকি এই সময়তেই ভাৰতীয় জাতীয় কংগ্ৰেছৰ পৰাও ইস্তফা দি সংকট আৰু ঘণীভূত কৰি তুলিছিল।" এই সম্পৰ্কত অসমৰ ৰাজনৈতিক ইতিহাসত লিখা হৈছে," "What survived of the Congress in Assam now was a body without a head, and that too on the eve of the Civil Disobedience Movement."

গতিকে আন্দোলনৰ প্ৰাক্ মুহূৰ্তত অসম কংগ্ৰেছৰ এই অৱস্থাই অসমত আইন অমান্য আন্দোলনৰ দায়িত্ব আৰু নেতৃত্ব অৰ্পণ কৰিলে অসমৰ ডেকা শক্তিৰ ওপৰত। অমিয় কুমাৰ দাসে লিখিছে," "পাণ্ডু কংগ্ৰেছৰ অধিৱেশনৰ বাবে নেতাসকল আৰ্থিক ক্ষতিগ্ৰস্ত হ'বলগীয়া হোৱাত তেওঁলোকে পুনৰ মুক্তি আন্দোলনৰ দায়িত্ব লবলৈ অসমৰ্থ হোৱাত ইয়াৰ দায়িত্ব ল'বলগীয়া হ'ল ডেকাদলে।" গতিকে ১৯২১-২২ চনৰ ছাত্ৰনেতাসকল, যথা, অমিয় কুমাৰ দাস, হেম চন্দ্ৰ বৰুৱাই ছাত্ৰসকলৰ সহযোগত অসমত আইন অমান্য আন্দোলন সক্ৰিয় কৰি তুলিবলৈ আগবাঢ়ি আহিল। তেওঁলোকৰ নেতা হ'ল কংগ্ৰেছৰ নতুন সভাপতি বিষ্ণুৰাম মেধি।

গতিকে এইবাৰো অসমত স্বাধীনতা আন্দোলনৰ নেতা তথা সংগঠক হৈ পৰিল ছাত্ৰসকল। অমিয় কুমাৰ দাসৰ ভাষাত," "১৯৩০ চনত অসম ছাত্ৰ সন্মিলনৰ বহুতো কৰ্মী আহি আন্দোলনত যোগ দিলে আৰু সেই সময়ত ছাত্ৰসকল আন্দোলনত নলগা হলে নতুনকৈ গঢ়ি উঠা অসম কংগ্ৰেছৰ পক্ষে জাতীয় আন্দোলন ইমান প্ৰবল ভাৱে চলাবলৈ টান হ'লহেঁতেন তাত কোনো সন্দেহ নাই।"এই বিষয়ে পুষ্পলতা দাসে কোৱা কথাখিনিও বিশেষ উল্লেখনীয়," "১৯৩০ চনৰ আন্দোলনত ছাত্ৰশক্তিৰ অৱিহণা লেখত ল'বলগীয়া" আছিল।

সি যি কি নহওক, লোণ আইন ভংগক কেন্দ্ৰ কৰি ১৯৩০ চনৰ মাৰ্চত আনুষ্ঠানিকভাৱে আইন অমান্য আন্দোলন আৰম্ভ কৰা হয়। সেই বছৰৰে মাৰ্চ মাহৰ ১২ তাৰিখে গান্ধীয়ে তেওঁৰ ৭৮ জন অনুগামীক লৈ সবৰমতী আশ্ৰমৰপৰা প্ৰায় ২৪১ মাইল দূৰত্বত থকা দাণ্ডীলৈ লোণ আইন ভংগ কৰিবলৈ যাত্ৰা আৰম্ভ কৰে, আৰু ৫ এপ্ৰিল তাৰিখে দাণ্ডীত উপস্থিত হোৱাৰ পাচত ৬ তাৰিখে লোণ আইন ভংগ কৰে।" এইদৰে কংগ্ৰেছ তথা গান্ধীৰ নেতৃত্বত বৃটিশৰ বিৰুদ্ধে স্বাধীনতা আন্দোলনৰ দ্বিতীয়টো

পৰ্বাৰ সূচনা হয়।

দেশৰ আসন্ন স্বাধীনতা আন্দোলনত ছাত্ৰসকলৰ কৰ্তব্য সম্পৰ্কে গুজৰাট বিদ্যাপীঠৰ ছাত্ৰসকলৰ প্ৰতি ভাষণ দিওঁতে গান্ধীয়ে তেওঁৰ চিৰাচৰিত স্বাৰ্থক ভঙ্গীৰে কৈছিল,"[৩] "I would like to see the *snataks* of the Vidyapith in the front in any struggle for swaraj... I do not know what form civil disobedience is to take, but I am desperately in search of an effective formula." সেই একেখন বিদ্যাপীঠতে অনুষ্ঠিত **National Educational Conference** ত ভাষণ দিওঁতে ছাত্ৰসকলক উদ্দেশ্য কৰি তেওঁ পুনৰ কৈছিল,"[৪] "All those studying in national institutions and connected with them must do all the things that the country has to do, and must go through the same discipline as the country has to go through for the attainment of swaraj, so that they may be ready to offer themselves willing sacrifices when the time comes Literary training, scholarly research and linguistic pursuits, study of English and Sanskrit and fine arts, had better take a back seat All our national schools ought to be converted into factories of our national ammunition, namely, constructive work "

এই খিনিতে প্ৰসঙ্গক্ৰমে আৰু এটি কথা উল্লেখ কৰিব পাৰি, আৰু সেইটো হ'ল অহিংসা আন্দোলনৰ মাধ্যমত অতি কম সময়ৰ ভিতৰতে স্বাধীনতা প্ৰাপ্তিৰ আশ্বাস। গান্ধীয়ে অসহযোগ আন্দোলনৰ সময়ত কোৱাৰ দৰে এইবাৰো অহিংসা নীতিৰে আন্দোলন কৰিলে কেই মাহ মানৰ ভিতৰতেই স্বাধীনতা লাভ কৰাটো সম্ভৱ হ'ব বুলি ৯ জানুৱাৰী তাৰিখৰ ***Young India*** ত কৈছিল,"[৫] "Granted a perfectly non-violent atmosphere and a fulfilled constructive programme, I would undertake to lead the mass civil disobedience struggle to a successful issue in the space of few months."—অৰ্থাৎ অহিংসা পন্থাৰে কৰা স্বাধীনতা আন্দোলনত দেশৰ অন্যান্য অংশৰ লোকৰ লগতে ছাত্ৰসকলকো অংশ গ্ৰহণ কৰিবলৈ তেওঁ আন্তৰিকতাৰে আহ্বান জনাইছিল।

গান্ধীয়ে লোণ আইন ভঙ্গ কৰিবলৈ দাণ্ডীলৈ যাত্ৰা কৰা দিনটোতে অভয়াপুৰীত স্বেচ্ছাসেৱকৰ দল এটিয়ে শোভাযাত্ৰা কৰি 'লোণ আইন ভঙ্গ আৰু আইন অমান্য আন্দোলনৰ তাৎপৰ্য ব্যাখ্যা কৰি ঘূৰি ফুৰিছিল। দলটোৱে যেতিয়া শোভাযাত্ৰা কৰি অভয়াপুৰী স্কুল পাৰ হয় তেতিয়া সেই স্কুলৰ ছাত্ৰসকলে স্বতঃস্ফূৰ্তভাৱে স্কুল এৰি আহি শোভাযাত্ৰাত যোগদান কৰিছিল।"[৬]

১৪ এপ্ৰিল তাৰিখে কংগ্ৰেছ সভাপতি জৱহৰলাল নেহেৰুক বৃটিশ-ভাৰত চৰকাৰে গ্ৰেপ্তাৰ কৰাৰ প্ৰতিবাদত অসমতো স্কুলীয়া ছাত্ৰসকলে স্কুল বৰ্জন কৰি দলে দলে শোভাযাত্ৰা কৰি আহি ৰাজহুৱা সভাত যোগদান কৰিছিল।"[৭] ৫ মে' তাৰিখে যেতিয়া গান্ধীকো গ্ৰেপ্তাৰ কৰিলে তেতিয়া সমগ্ৰ দেশতে আন্দোলনেও এটি নতুন গতিবেগ লাভ কৰিলে। গান্ধীৰ গ্ৰেপ্তাৰক কেন্দ্ৰ কৰি অসমৰ ছাত্ৰসকলেও স্কুল-কলেজ বৰ্জন

কৰি ৰাজপথলৈ ওলাই আহিল। ৬ অৰিখৰপৰা ১৫ অৰিখৰ ভিতৰত উত্তৰ লখীমপুৰ, ডিব্ৰুগড়, গোলাঘাট, শিৱসাগৰ, নাজিৰা, যোৰহাট, নগাওঁ, তেজপুৰ, গুৱাহাটী, নলবাৰী, পলাশবাৰী আৰু ধুবুৰীত স্কুলীয়া ছাত্ৰসকলে স্কুল বৰ্জন কৰি আন্দোলনৰ অংশীদাৰত পৰিণত হল।"

এই সময়ছোৱাতেই কোচবিহাৰত এজন অসমীয়া ছাত্ৰই আন্দোলনৰ ঘম-ঘণ্টা লগাইছিল। তেৱেঁই হ'ল কোচবিহাৰৰ ভিক্টোৰিয়া কলেজৰ ছাত্ৰ বিষ্ণুপ্ৰসাদ ৰাভা। সমসাময়িক ৰাজনৈতিক আন্দোলনৰ বা-বতাহে তেওঁৰ গা-মন উতলা কৰি তুলিছিল আৰু তেওঁ কোচবিহাৰ ৰাজ্যৰ ৰাজভৱনৰ চৌহদৰ দুৱাৰ মুখত বৃটিশ সাম্ৰাজ্যবাদী আৰু ভাৰতীয় জমিদাৰ-পুঁজিপতি - মহাজন শ্ৰেণীৰ প্ৰতীক স্বৰূপ ৰিজেণ্ট হাউচিনছন আৰু দেৱান খাস্তাগীৰ বিৰুদ্ধে এটা বাংলা কবিতা লিখি এখন পোষ্টাৰ আঁৰিলে,"—

"ৰাজ্যে আছে দুইটি পাঠা,<br>
একটি কালো একটি সাদা,<br>
ৰাজ্যেৰ যদি মঙ্গল চাও<br>
দুইটি পাঠাই বলি দাও।"

ছাত্ৰৰাভাৰএই কৰ্ম-কাণ্ডৰ মাজেদি তেওঁৰ শ্ৰেণী চেতনা আৰু সংগ্ৰামৰ প্ৰতি থকা সাম্যবাদী চিন্তাধাৰাৰ উমান পাব পাৰি। বোধহয় সাম্যবাদী চিন্তাধাৰাৰ প্ৰতি আকৰ্ষিত হোৱা বিষ্ণুপ্ৰসাদ ৰাভাই আছিল প্ৰথম অসমীয়া ছাত্ৰ। বিষ্ণুপ্ৰসাদ ৰাভাই ৰাজনৈতিক স্বাধীনতাৰ লগতে অৰ্থনৈতিক মুক্তিৰ কথাও চিন্তা কৰিছিল। সেয়ে তেওঁৰ দৃষ্টিত বৃটিশ সাম্ৰাজ্যবাদী আৰু দেশীয় পুঁজিপতি - জমিদাৰ- মহাজন শ্ৰেণীৰ শোষণ নিৰ্যাতন একে পৰ্যায়ৰেই আছিল আৰু তাৰ পৰা শোষিত -নিপীড়িত জনগণৰ মুক্তিৰ প্ৰয়োজনতেই নিজৰ ৰাজনৈতিক কৰ্ম পৰিক্ৰমাৰ সন্ধান কৰি তাৰ লগত একাত্মবোধ কৰিছিল। মূলতঃ মাৰ্ক্সীয় দৰ্শনৰ আধাৰত পৰিচালিত ৰাজনৈতিক স্বাধীনতা আৰু অৰ্থনৈতিক মুক্তিৰ স্পৃহা আছিল তেওঁৰ ৰাজনৈতিক কৰ্ম প্ৰেৰণাৰ উৎস।

কোচবিহাৰত সংঘটিত এই ঘটনাৰ পিছত ৰাভা তেজপুৰলৈ গুচি আহে আৰু আহিয়েই ইয়াতো সোনতে ছাত্ৰসকলৰ মাজতেই আন্দোলনৰ ঘম-ঘণ্টা লগাই দিলে। তেজপুৰৰ ছাত্ৰসকলক স্বাধীনতা আন্দোলনত নেতৃত্ব দিয়াত ৰাভাৰ অৱদান সম্পৰ্কে তিলক দাসে লিখিছে," " স্বাধীনতা আন্দোলনৰ বা' তেতিয়া তেজপুৰতো লাগিছে। তেজপুৰৰ ছাত্ৰসকলক লৈয়ে স্বাধীনতাৰ বাবে অনুপ্ৰেৰণা যোগাবলৈ এটি সমদল যাত্ৰাৰ তেওঁ পৰিকল্পনা কৰিলে। মহাত্মাৰ গ্ৰেপ্তাৰত তেতিয়া ৰাইজ, ছাত্ৰ সকলো অসন্তুষ্ট।

" হাইস্কুলৰ তেতিয়া শ্ৰেণী আৰম্ভ হৈছে। শিক্ষক ছাত্ৰ পঠন-লিখনত ব্যস্ত। বিষ্ণুপ্ৰসাদে চৰকাৰী হাইস্কুলৰ দুৱাৰ মুখত থিয় হৈ তেওঁৰ স্বাভাৱিক গলগলীয়া কণ্ঠৰেৰে ধৰ্মঘট কৰি স্কুলৰপৰা ওলাই আহিবলৈ আহ্বান দিলে।... ছাত্ৰসকলে তেওঁৰ আহ্বানত সহাঁৰি দি মহাত্মা গান্ধীৰ জয়, ভাৰত মাতাৰ জয়ধ্বনি কৰি শ্ৰেণীৰপৰা ওলাই গ'ল আৰু লগে লগে দীঘল সমদল যাত্ৰা আৰম্ভ হ'ল। ছাত্ৰৰ লগতে আন মানুহো আহি বাটে বাটে যোগ দি শাৰী দীঘলীয়া কৰি তুলিলে। জয়ধ্বনিত তেজপুৰ টাউন ধ্বনিত প্ৰতিধ্বনিত হৈ উঠিল।"

এই সময়ত গোলাঘাটতো ছাত্ৰ সংগঠন গঢ়ি উঠিছিল আৰু ছাত্ৰসকলে আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ উন্মাউল হৈ পৰিছিল। শঙ্কৰ বৰুৱা, ভোলা বৰুৱা আদি কংগ্ৰেছী নেতাসকলৰ প্ৰভাৱত অহা আৰু তেওঁলোকৰেই বুদ্ধি পৰামৰ্শ মৰ্মে ছাত্ৰসকলে এই সময়ৰ আন্দোলনৰ কাৰ্যসূচীত সক্ৰিয় ভূমিকা লৈছিল। যদু শইকীয়াই লিখিছে,[৯] "গোলাঘাটৰ ছাত্ৰসকলে এই উৎসাহ আৰু উদ্দীপনাৰ মাজেদি প্ৰতিষ্ঠা কৰিলে গোলাঘাট ছাত্ৰ একতা সভা আৰু এই সভাৰ কৰ্মীসকলে স্থাপন কৰিলে 'গোলাঘাট ইউনিয়ন লাইব্ৰেৰী '। এই লাইব্ৰেৰীয়েই অচিৰে হৈ পৰিল দেশপ্ৰেমিক ছাত্ৰ-যুৱক আৰু মুক্তি যুঁজাৰু সকলৰ আলোচনা-বিলোচনাৰ কেন্দ্ৰস্থল। "মই তেতিয়া গৱৰ্ণমেন্ট হাইস্কুলৰ নৱম মানৰ ছাত্ৰ আৰু অসম ছাত্ৰ সন্মিলনৰ এজন কৰ্মী। প্ৰতিদিন আবেলি আমি সেই লাইব্ৰেৰীত গোট খাওঁ। মাজে মাজে তেতিয়াৰ স্বাধীনতা আন্দোলনৰ সক্ৰিয় নেতা শঙ্কৰ বৰুৱা, ভোলা বৰুৱা, কনক দাস আদি কংগ্ৰেছ নেতাসকল আমাৰ লাইব্ৰেৰীলৈ আহে আৰু আলোচনাত আগ ভাগ লয়।"

গান্ধীৰ গ্ৰেপ্তাৰক কেন্দ্ৰ কৰি গোলাঘাটতো ছাত্ৰ আন্দোলন হ'ল। যদু শইকীয়াই লিখিছে,[১০] "আমিও শ্ৰেণী বৰ্জন কৰি স্কুল ধৰ্মঘট কৰিলোঁ। তেতিয়া গোলাঘাট মহকুমাত হাইস্কুল দুটাহে আছিল, গোলাঘাট আৰু দেৰগাওঁ। দেৰগাওঁতো ধৰ্মঘট হল, স্কুলত ধৰ্মঘট হোৱাৰ লগে লগে দলে দলে পুলিচ আহি স্কুল কম্পাউণ্ড ভৰি পৰিল। কিছুমান ছাত্ৰক গ্ৰেপ্তাৰ কৰিলে আৰু পিচত এৰি দিলে। আমি দূৰৈৰ পৰা দেখো, গান্ধী টুপি পিন্ধা ল'ৰা এটাই ছাত্ৰবিলাকৰ মাজত থাকি ধৰ্মঘট পালন কৰি যাবলৈ সাহসেৰে উদ্গনি দি ফুৰিছে। সেইয়া হ'ল ধীৰেন দত্ত।" ছাত্ৰ নহলেও গোলাঘাটত ছাত্ৰ আন্দোলন তথা সংগঠনৰ কেন্দ্ৰীয় ব্যক্তি আছিল ধীৰেন দত্ত।[১১]

গান্ধীৰ গ্ৰেপ্তাৰক কেন্দ্ৰ কৰি সংগঠিত আৰু সংঘটিত হোৱা ছাত্ৰ আন্দোলনৰ পৰা ছাত্ৰসকলক আঁতৰাই ৰখাৰো এক পৰিকল্পিত চেষ্টা চলোৱা হৈছিল। বিশেষকৈ গুৱাহাটীত তৰুণ ৰাম ফুকন আৰু ৰোহিনী কুমাৰ চৌধুৰীয়ে ছাত্ৰসকলক আন্দোলন বিমুখ কৰাৰ চেষ্টা কৰিছিল, ছাত্ৰসকলেও প্ৰায় সঁহাৰি দিছিলেই, কিন্তু কানিংহাম চাৰ্কুলাৰে অসমত ১৯৩০-৩৪ চনৰ আইন অমান্য আন্দোলনৰ মোৰ সম্পূৰ্ণৰূপে সলাই দিলে। ১৯১২-১৯৩১ ৰ কালছোৱাত জন ৰিচাৰ্ড কানিংহাম (John Richard Cunningham) আছিল অসমৰ শিক্ষাধিকাৰ (Director of Public Instruction-D.P I.)।

বৃটিশ চৰকাৰে অসহযোগ আন্দোলনত অসমৰ ছাত্ৰ সকলৰ ভূমিকাৰ পৰা শিক্ষা লৈ থৈছিল আৰু এতিয়া ১৯৩০ চনৰ ২৬ জানুৱাৰীত পতকা উত্তোলন আৰু স্বাধীনতাৰ সংকল্প গ্ৰহণৰ কাৰ্যসূচী, ১৪ এপ্ৰিলত নেহেৰু আৰু ৫ মে'ত গান্ধীৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদত প্ৰায় স্বতঃস্ফূৰ্ত ভাৱে সংঘটিত আন্দোলনত ছাত্ৰ-যুৱকৰ অংশ গ্ৰহণে চৰকাৰক শঙ্কিত-সচকিত কৰি তুলিছিল। সেয়ে নতুনকৈ আৰম্ভ হোৱা দেশৰ স্বাধীনতা আন্দোলনত ছাত্ৰ-যুৱকৰ সহযোগিতাৰ পৰালি পেলাবলৈ চৰকাৰৰ নিৰ্দেশত অসমৰ শিক্ষাধিকাৰ জন ৰিচাৰ্ড কানিংহামে ১৯ মে তাৰিখে ৰাজনৈতিক আন্দোলনত ছাত্ৰসকলৰ অংশ গ্ৰহণ নিষেধ কৰি এখন অধিসূচনা (Circular) জাৰি কৰে।[১২] কানিংহামে জাৰি কৰা

বাবে অসমৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত ইয়াক তেওঁৰ নাম অনুসাৰে কানিংহাম চাৰ্কুলাৰ ৰূপে জনা যায়। ইয়াৰ পিছত দুবাৰো এই চাৰ্কুলাৰৰ সংশোধনী কৰা হয়, প্ৰথমবাৰ ২৩ মে'ত আৰু দ্বিতীয়বাৰ ২৫ জুনত (১৯৩০)। "এই দুৰ পত্ৰগুনৰ মূল মৰ্ম আছিল এই যে অভিভাৱকসকলে তেওঁলোকৰ ল' ৰা-ছোৱালীয়ে কংগ্ৰেছৰ দ্বাৰা সংগঠিত ৰাজনৈতিক আন্দোলন আৰু চৰকাৰ বিৰোধী বিক্ষোভ, শোভাযাত্ৰা, সভা-সমিতি আদিত অংশ গ্ৰহণ নকৰিব বা যোগ নিদিব বুলি লিখি দিলেহে তেনে অভিভাৱকৰ ল' ৰা-ছোৱালীক গ্ৰীষ্ম বন্ধ খোলাৰ পিছত পুনৰ চৰকাৰী স্কুল-কলেজত নাম ভৰ্তি কৰিবলৈ অনুমতি দিয়া হ'ব।" এইদৰে শিক্ষাধিকাৰৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ ৰাজনৈতিক অধিকাৰ হৰণৰ এই অভিসন্ধিয়ে অসমৰ ছাত্ৰসকলক অপাততঃ আন্দোলনত জঁপিয়াই পৰিবলৈ পৰোক্ষ অথচ তৎকালিনভাৱে আহ্বানহে জনালে।

ছাত্ৰসকলৰ মাজত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিক্ৰিয়া সম্পৰ্কে তীৰ্থনাথ শৰ্মাৰ মন্তব্য হ'ল, " "১৯২১চনৰ অসহযোগ আন্দোলনৰ প্ৰবীন নেতাসকলে তেতিয়াও আলেখ-লেখ চাই আছিল। তেখেতসকলে গোচাই দা-ধৰোৱাৰ নীতি লৈ খেল খেলিছিল। ইপিনে খেনো চৰি যাওঁ যেন হৈছিল। স্কুল-কলেজ বন্ধ, আইন আদালত যথা পূৰ্বং চলি আছিল। গান্ধীজীৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদত হোৱা হৰতালৰ বাহিৰে অসমত আইন অমান্যৰ একো উম-ঘামেই শুনা নগৈছিল। এনে সময়তে অসম চৰকাৰেই যেনিবা উমাই থকা জুই কুৰা খোচৰি জ্বলাই দিলে।" কৃষ্ণ শৰ্মাই লিখিছে," "১৯৩০ চনৰ আন্দোলনত এই কানিংহাম চাৰ্কুলাৰে ছাত্ৰ-ছাত্ৰীৰ হতুৱাই চৰকাৰে আইন অমান্য আন্দোলন কৰোৱালে। ১৯৩০ চনত অসমত আইন অমান্য আন্দোলন কৃতকাৰ্য হোৱাৰ কাৰণে কানিংহাম চাৰ্কুলাৰক ধন্যবাদ নিদি নোৱাৰি। 'Out of evil cometh good.'-বেয়াৰ পৰাও কেতিয়াবা ভাল হয়।"

এই বিষয়ে মহেন্দ্ৰ চন্দ্ৰ পাঠকে লিখিছে," "১৯৩০ চনতো আইন অমান্য আন্দোলনত ছাত্ৰসকল জঁপিয়াই পৰে। অসমত বৃটিশ চৰকাৰৰ উপদেষ্টা সকলে ভাবিলে যে চল কৰি ছাত্ৰসকলক ৰাজনীতিৰপৰা বা দেশৰ স্বাধীনতা যুদ্ধৰপৰা দূৰত ৰাখিব পাৰিলে অন্ততঃ অসমত আইন অমান্য আন্দোলন সেৰেঙা পৰিব।"

গতিকে প্ৰয়োগ কৰিলে কানিংহাম চাৰ্কুলাৰ। পিচে হিতে বিপৰীত হ'ল বুলি প্ৰমাণ কৰিলে। অক্ষয় কুমাৰ দাসেও একেই সুৰতে লিখিছে " যে কানিংহাম চাৰ্কুলাৰ জাৰি হোৱাত ছাত্ৰ আৰু অভিভাৱক আটায়ে অক সম্মান হানিকৰ বুলিহে ললে আৰু প্ৰায় সকলোৱেই অৰ প্ৰতিবাদ কৰিয়েই আইন অমান্য আন্দোলনত নামি পৰিল। অমিয় কুমাৰ দাসৰ মন্তব্য হ'ল," "এইখন চাৰ্কুলাৰে জানিবা ছাত্ৰ জাগৰণত ইন্ধন যোগালে।"

অমিয় কুমাৰ দাস আৰু হেম চন্দ্ৰ বৰুৱাই ছাত্ৰসকলক আন্দোলনত নমাবলৈ চেষ্টা চলাই আছিল, কানিংহাম চাৰ্কুলাৰ আহিল ভালেই হ'ল পৰিশ্ৰমৰ পিলে কিছু ৰাহি হ'ল। জুলাই মাহৰ ১ তাৰিখে কাৰ্জন হলত অনুষ্ঠিত ৰাজহুৱা সভাত হেম চন্দ্ৰ বৰুৱাই ছাত্ৰ আৰু যুৱকসকলক স্বাধীনতা আন্দোলনত সহযোগ কৰিবলৈ উদাত্ত কণ্ঠে আহ্বান জনাইছিল। তেওঁৰ আহ্বান মতে বিজয় চন্দ্ৰ ভাগৱতী, বেনি ৰাম দাস,

চন্দ্ৰ কুমাৰ চাকুলো, গিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী, ভৱানী প্ৰসাদ বৰুৱা, বিজেন্দ্ৰ নাথ ভূঞা, ৰবীন কাকতি, নগেন্দ্ৰ নাথ গগৈ, দেবেন চৌধুৰী, জিতেন্দ্ৰ মল্ল বৰুৱা, গিৰিজা চৌধুৰী, নগেন্দ্ৰনাথ শৰ্মা, সুৰেন্দ্ৰনাথ শৰ্মা, তীৰ্থনাথ শৰ্মা আদিয়ে কলেজ বৰ্জন কৰি আন্দোলনত যোগদান কৰে।এওঁলোকৰ উপৰিও কটন কলেজৰ আৰু ভালেমান ছাত্ৰই কলেজ বৰ্জন কৰি আন্দোলনলৈ ওলাই আহে।[১০০]

এই বছৰতে মাধৱ চন্দ্ৰ বেজবৰুৱাইয়ো কটন কলেজ বৰ্জন কৰি আন্দোলনত যোগ দি ছাত্ৰসকলৰ শোভাযাত্ৰা আদিৰ নেতৃত্ব দিছিল।[১০১] সদৌ অসম যুৱক সংঘৰ যুটীয়া সম্পাদক ৰাধিকা ৰাম দাসেও কলেজ বৰ্জন কৰি আন্দোলনত যোগ দিছিল।[১০২] কানিংহাম চাৰ্কুলাৰ আৰু তাক কেন্দ্ৰ কৰি সংঘটিত হোৱা আন্দোলন সম্পৰ্কে লক্ষীধৰ বৰাই লিখিছে,[১০৩] " ছাত্ৰ সমাজৰ মাজত এই আত্ম সম্মান হানিকৰ চাৰ্কুলাৰৰ বিৰুদ্ধে আন্দোলন গঢ়ি উঠে। অসমৰ বিভিন্ন অঞ্চলত ছাত্ৰসকলে আন্দোলন কৰিলেই। এই অৱস্থাত গুৱাহাটীৰ স্কুল-কলেজ গ্ৰীষ্মবন্ধৰ পিছত খোলে। ছাত্ৰসকল গুৱাহাটী পালেহি। গুৱাহাটীৰ হৰি সভাত জুলাই মাহৰ শেষৰ পিনে ছাত্ৰ সন্মিলনৰ অধিৱেশন বহিল - শ্ৰীযুত অমিয় কুমাৰ দাস ডাঙৰীয়াৰ সভাপতিত্বত। ছাত্ৰসকলৰ মাজত যথেষ্ট তৰ্ক-বিতৰ্ক চলিল। মনত আছে, সন্মিলনৰ সম্পাদক ৰজনীকান্ত গোস্বামী আৰু শ্ৰীনৰ নাৰায়ণ গোস্বামীৰ কথা। চাৰ্কুলাৰৰ চৰ্ত নামানিবলৈ আৰু উক্ত চাৰ্কুলাৰ প্ৰত্যাহাৰ কৰিবলৈ দাবী জনাই প্ৰস্তাৱ ললে। ছাত্ৰসকলেই আগৰণুৱা হৈ ওলাল ১৯২১ চনৰ দৰেই।"

আইন অমান্য আন্দোলনৰ অগ্ৰগতিৰ লগে লগে আৰু তাক অধিক ক্ৰিয়াশীল আৰু প্ৰাণচঞ্চল কৰি তোলাৰ উদ্দেশ্যে হেম চন্দ্ৰ বৰুৱা আৰু অমিয় কুমাৰ দাসে অসম ছাত্ৰ সন্মিলনৰ তদানীন্তন সম্পাদক ৰজনী কান্ত গোস্বামীক সন্মিলনক স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে জৰিত কৰাবলৈ বুজনি দিছিল। তাৰেই আলম লৈ গোস্বামীয়ে লিখিছে,[১০৪] "তেখেতসকলৰ দেশপ্ৰীতি আৰু একাগ্ৰতাই মোক ব্যক্তিগত অভাৱ অভিযোগৰ কথা নাভাবি দেশৰ প্ৰতি কৰ্তব্যৰ বিষয় ভাবিবলৈ বাধ্য কৰালে। মই কলো যে কংগ্ৰেছত যোগ দিয়াৰ বিষয় লৈ ছাত্ৰ সন্মিলনৰ বিশেষ অধিৱেশন পতা মোৰ ক্ষমতাৰ অতীত। কিন্তু মই কুখ্যাত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কল্পে সন্মিলনৰ বিশেষ অধিৱেশন পতাৰ স্থিৰ কৰিছোঁ আৰু অমিয় কুমাৰ দাসকে সভাপতি নিৰ্বাচিতকৰাম বুলি ভাবিছোঁ।"

অৱশেষত ২১ জুলাই তাৰিখে অমিয় কুমাৰ দাসৰ পৌৰাহিত্যত গুৱাহাটীৰ হৰিসভাত অসম ছাত্ৰ সন্মিলনৰ বিশেষ অধিৱেশন অনুষ্ঠিত হ'ল। সভাপতিৰ আসনৰপৰা ছাত্ৰসকলক উদ্দেশ্য কৰি অমিয় কুমাৰ দাসে এটি উদ্দীপনাময়ী ভাষণ দি কৈছিল,[১০৫] "কানিংহাম চাহাব বৃটিশ সাম্ৰাজ্যবাদৰ পুতলা। তেওঁৰ বিৰুদ্ধে ছাত্ৰৰ সংগ্ৰাম নহয়। ছাত্ৰসকলৰ সংগ্ৰাম হ'ব লাগিব বৃটিশ সাম্ৰাজ্যবাদক ভাৰতবৰ্ষৰ পৰা আঁতৰাবৰ কাৰণে। যেতিয়ালৈকে ভাৰতবৰ্ষৰপৰা বৃটিছ সাম্ৰাজ্যবাদৰ উচ্ছেদ সাধন নহয়, তেতিয়ালৈকে এক কানিংহাম নহয়, হেজাৰ হেজাৰ কানিংহামৰ সৃষ্টি হ'ব। গতিকে ছাত্ৰসকলৰ মূলমন্ত্ৰ হ'ব লাগিব সাম্ৰাজ্যবাদৰ সম্পূৰ্ণ উচ্ছেদ সাধন।" মহেন্দ্ৰ মোহন চৌধুৰীয়ে উল্লেখ কৰিছে [১০৬] যে " সভাপতি হিচাপে স্বৰ্গীয় দাসৰ উদ্দাম

আহ্বানত ছাত্ৰৰ অন্তৰত এটা নতুন প্ৰেৰণা জাগিছিল আৰু স্বাধীনতা সংগ্ৰামত যোগ দিবৰ কাৰণে তীব্ৰ আকাংক্ষা প্ৰকাশ কৰিছিলে।"

অসম ছাত্ৰ সন্মিলনৰ এই বিশেষ অধিৱেশনে ছাত্ৰসকলৰ মাজত সৃষ্টি কৰা প্ৰস্তাৱ সম্পৰ্কে কৰা ৰজনীকান্ত গোস্বামীৰ বক্তব্যখিনি[১০৭]এই ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ, " সেই সন্মিলনীলৈ সকলো ঠাইৰে প্ৰতিনিধিবৰ্গ উপস্থিত হ'ল আৰু তাত সম্পাদকৰ বিশেষ অধিৱেশন পতাৰ ক্ষমতা, ৰাজনৈতিক বিষয়ক প্ৰস্তাৱ আলোচনা কৰাৰ বৈধতা আদি নানা প্ৰস্তাৱ উত্থাপন হ'ল যদিও অলপ কেইজনমানৰ বাহিৰে সকলো প্ৰতিনিধিৰ সমৰ্থনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰে ছাত্ৰসকলে চৰকাৰী স্কুল-কলেজ এৰি আহিব লাগে বুলি প্ৰস্তাৱ গৃহীত হ'ল।"

তাৰ পিছৰ পৰিস্থিতি সম্পৰ্কে গোস্বামীয়ে কৈছে,[১০৮] "প্ৰস্তাৱ গৃহীত হোৱাৰ পিছ দিনাই কটন কলেজৰ ছাত্ৰসকলে কলেজ বৰ্জন কৰিলে। দুই এজনে যাবলৈ ইচ্ছা কৰিছিলে যদিও এৰি অহা ছাত্ৰসকলে পিকেটিং আৰম্ভ কৰিলে। পিকেটিং কৰা ছাত্ৰসকলৰ ওপৰত যেতিয়া চৰকাৰে পুলিচৰ হতুৱাই লাঠি চালনা আদি দমন নীতি মূলক কাৰ্য্য লবলৈ ধৰিলে তেতিয়া গুৱাহাটীৰ সম্ভ্ৰান্ত ঘৰৰ বয়সস্থ মহিলা আহি পিকেটিং কৰা ছাত্ৰ সকলৰ ওচৰত থিয় হয়। অগত্যা প্ৰিন্সিপাল ব্ৰাউন চাহাবে অনিৰ্দ্দিষ্ট কাললৈ কলেজ বন্ধ কৰি দিয়াৰ ব্যৱস্থা হাতত ললে। তেতিয়া অ্যাগৱীৰ হেম বৰুৱা, অমিয় কুমাৰ দাস, ভুৱনেশ্বৰ বৰুৱা আদি নেতৃবৃন্দই এই কলেজ ত্যাগ কৰা ছাত্ৰসকলৰ দ্বাৰাই অসমত আইন অমান্য আন্দোলনৰ ব্যৱস্থা কৰিবলৈ অসমৰ বিভিন্ন অঞ্চললৈ ছাত্ৰসকলক পঠিয়াই দিলে। এই ছাত্ৰসকল গৈ গাঁৱে ভূঞে সোমাই স্কুলৰ ছাত্ৰ আৰু গাঁৱৰ ডেকা সকলক আন্দোলনত যোগ দি আইন অমান্য কৰিবলৈ আলোড়ন চলালে। ফলত অসমৰ সকলো ঠাইতে আইন অমান্য আন্দোলনৰ জুই জ্বলি উঠিল।"

সন্মিলনৰ এই বিশেষ অধিৱেশনতেই আন্দোলন সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে বিষ্ণুপ্ৰাসাদ মেধিক সভাপতি আৰু বিজয় চন্দ্ৰ ভাগৱতীক সম্পাদক হিচাপে লৈ এখন ' কাউন্সিল অব একচন 'গঠন কৰি লোৱা হৈছিল।[১০৯]

কানিংহাম চাৰ্কুলাৰৰ বিপক্ষে হোৱা আন্দোলনৰ সময়ত মহেন্দ্ৰ মোহন চৌধুৰী কটন কলেজৰ চতুৰ্থ বাৰ্ষিকৰ ছাত্ৰ আছিল। তেও লগে লগে কলেজ বৰ্জন কৰি আন্দোলনত অংশ গ্ৰহণ কৰা নাছিল যদিও ১৯৩১ চনত অসম ছাত্ৰ সন্মিলনৰ সম্পাদক নিৰ্বাচিত হোৱাৰ পিছৰ পৰাই হেম চন্দ্ৰ বৰুৱা আৰু অমিয় কুমাৰ দাসৰ লগত ছাত্ৰসকলে কিভাৱে জাতীয় আন্দোলনত সহায় কৰিব পাৰে সেই বিষয়ে আলোচনা কৰিছিল।[১১০] চৌধুৰীয়ে ছাত্ৰ সন্মিলনৰ ৰাজনৈতিক ভূমিকা সম্পৰ্কে লিখিছে,[১১১] "১৯৩০ চনৰপৰা কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰিব লগা হোৱাত এই অনুষ্ঠানে ৰাজনৈতিক ৰূপ ধাৰণ কৰে। তাৰ পিছতো মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা স্বাধীনতাৰ সংগ্ৰামত এই সন্মিলনে ৰাজনৈতিক ভূমিকা গ্ৰহণ কৰিছিল।" মহেন্দ্ৰ মোহন চৌধুৰী, হৰেন্দ্ৰনাথ বৰুৱা আৰু কটন কলেজৰ এদল ছাত্ৰ নেতাই ১৯৩১ চনৰ কৰাচী কংগ্ৰেছতো যোগদান কৰিছিল।[১১২]

আইন অমান্য আন্দোলনৰ সময়ত কলেজ বৰ্জন কৰি আন্দোলনত যোগদান

কৰা কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰসকলৰ ভিতৰত প্ৰধান আছিল নীলাধৰ বৰুৱা আৰু নাৰায়ণ ভট্টাচাৰ্য। গুৱাহাটীৰ আৰ্ল ল' কলেজ বৰ্জন কৰি আন্দোলনত ভাগ লোৱা সকল আছিল ৰজনীকান্ত গোস্বামী, ৰাধিকাৰাম দাস আৰু নৰনাৰায়ণ গোস্বামী।[১১৩]

কলেজ বৰ্জন কৰা ছাত্ৰসকলে নবীন চন্দ্ৰ বৰদলৈৰ কেউটায়ান এলেয়ে পৰি থকা ঘৰত শিবিৰ পাতি তাৰ পৰাই আন্দোলনৰ কাম চলাইছিল।[১১৪]

অসম ছাত্ৰ সন্মিলনৰ বিশেষ অধিৱেশনৰ পিছত গুৱাহাটীৰ কীৰ্তিৰাম বৰুৱা, কৃষ্ণ ভট্টাচাৰ্য, উত্তৰ গুৱাহাটীৰ অতুল শৰ্মা, চামতাৰ লক্ষ্মী বৰ্মণ, বজালীৰ পৰ্বতৰাম শৰ্মা, কৰৰাৰ ৰমা শৰ্মা, হেকেৰাৰ উপেন দাস, ভিমুৰ চন্দ্ৰেশ্বৰ ভট্টাচাৰ্য, লক্ষ্মী ডেকা আদি স্কুলীয়া ছাত্ৰই স্কুল ত্যাগ কৰি উজান বজাৰৰ শিবিৰত সোমাইছিলহি।[১১৫] কলেজীয়া ছাত্ৰসকলে শিবিৰত এলেয়ে কাল অতিবাহিত নকৰি শীঘ্ৰে আন্দোলন বিয়পাবলৈ অসমৰ বিভিন্ন ঠাইত অতি ব্যস্ত হৈ পৰিলগৈ। তেলে সকলৰ ভিতৰত বিজয় চন্দ্ৰ ভাগৱতীয়ে তেজপুৰত, ৰবীন কাকতীয়ে শিৱসাগৰত, নৰনাৰায়ণ গোস্বামীয়ে বজালীত, বেলিৰাম দাস আৰু দেবেন চৌধুৰীয়ে পলাশবাৰীত আৰু ৰামপুৰত, ৰজনীকান্ত গোস্বামীয়ে ৰঙিয়া, নলবাৰীত , তীৰ্থনাথ শৰ্মাই কৰৰা, চেণ্ডি, ৰঙিয়া, বকো, আৰু কনক নাথে ধোপধৰাত,[১১৬] মহেন্দ্ৰ মোহন চৌধুৰীয়ে দেবেন্দ্ৰ নাথ শৰ্মাৰ লগত প্ৰথমে নলবাৰী, পিছত গোলোক চন্দ্ৰ পাঠকৰ লগত দক্ষিণ কামৰূপৰ বিভিন্ন অঞ্চলত, বিশেষকৈ পলাশবাৰী, বকো, চমৰীয়া আৰু নগৰবেৰাত আন্দোলনৰ সংগঠনৰ কামত লাগিছিলগৈ।[১১৭]

নৰনাৰায়ণ গোস্বামী, নাৰায়ণ ভট্টাচাৰ্য আৰু সুৰেণ শৰ্মাই টিহু অঞ্চলত সংগঠনৰ কামত ব্যস্ত আছিল। বেলিৰাম দাস, দেবেন্দ্ৰ নাথ চৌধুৰীয়ে ৰাধিকাৰাম দাসৰ লগত কুকুৰমাৰা আৰু ছয়গাঁৱতো আন্দোলনৰ কাম কৰিছিল।[১১৮] গতিকে দেখা যায় কানিংহাম চাৰ্কুলাৰৰ কাৰণে অসমত কংগ্ৰেছৰ বাবে আইন অমান্য আন্দোলন চলাবলৈ অত্যন্ত সুচল হৈ পৰিছিল। কানিংহাম চাৰ্কুলাৰৰ পৰিপ্ৰেক্ষিতত অসমত কংগ্ৰেছৰ দ্বাৰা চলোৱা আইন অমান্য আন্দোলনৰ বিষয়ে ৰোহিণী কুমাৰ চৌধুৰীয়ে অসম বিধান পৰিষদত কৈছিল,[১১৯] " The Congress in Assam Valley Division, as far as I know, was poor of funds. They were unable to provide for volunteers. But the Cunningham Circular enabled them to find some volunteer's to help the Congress movement."

কংগ্ৰেছ আন্দোলনৰ সংগঠক তথা স্বেচ্ছাসেৱকসকলে দেশৰ বিভিন্ন অঞ্চলত বিশেষকৈ গাৱঁলীয়া অঞ্চলত ছাত্ৰ- যুৱক আৰু একাংশ কৃষকৰূপৰা যথেষ্ট সহাঁৰি পাইছিল। ১৯২৯-৩০ চনৰ অৰ্থনৈতিক সংকটে অসমৰ জনসাধাৰণৰ অৱস্থাও অত্যন্ত ভয়াবহ কৰি তুলিছিল। গুহই উল্লেখ কৰিছে [১২০] যে " In temporarily settled areas of Assam, the commulative arears of land revenue went on mounting from year to year as follows:

Land Revenues in Arrears (Accumulated) Rs.in Lacs

| On 1 July: | 1928 | 1929 | 1930 | 1931 | 1932 | 1933 |
|---|---|---|---|---|---|---|
| | 2 | x | 7 | 21 | 36 | 37 |

এনে এটা আৰ্থিক সংকটৰ সময়ত অসমৰ জনসাধাৰণে আন্দোলনত অনায়াসেই সহাঁৰি জনাইছিল। কেশৱ নাৰায়ণ দত্তই অসমত বিশ্বৰ অৰ্থনৈতিক ঘটনা-পৰিঘটনাৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া, চৰকাৰী অহমিকা জোৰ- জুলুম আৰু দূৰ দৃষ্টিহীনতা আৰু তেতিয়াৰ আইন অমান্য আন্দোলনত তাৰ তৎকালিন প্ৰভাৱ সম্পৰ্কে আৰু বেছি গভীৰ অন্তৰ দৃষ্টিৰে আৰু তীক্ষ্ণ সমালোচনাৰে সৈতে লিখিছে,[১২১] " The wheel of repression was set rolloing by the agents of the Government and arrest and imprisonment, beating and lathi-cherging of men and women and attachment and confiscation of property of the villagers for failure to pay the land revenue even though on grounds of extreme poverty brought about by the economic depression of the time, became the order of the day The Congress report on the movement says that 99 per cent of the volunteers particularly in this movement came from the villages and few college students and not many men from the the middle class actively joined in the movement."

সি যি কি নহওক , কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰে অসমৰ জিলাই জিলাই, অঞ্চলে অঞ্চলে ছাত্ৰসকলে স্কুল বৰ্জন কৰাৰ লগে লগে কোনো কোনো ঠাইত অভিভাৱকৰ ফালৰ পৰাও প্ৰতিবাদ সভা আদি অনুষ্ঠিত হ'বলৈ ধৰিলে। কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত যোৰহাটৰ ছাত্ৰসকলে আগষ্ট মাহৰ প্ৰথম সপ্তাহতে সভা-সমিতি পাতি শোভাযাত্ৰা উলিয়াইছিল। এখন প্ৰতিবাদী সভাত হৰিনাৰায়ণ বৰুৱাই সভাপতিত্ব কৰিছিল।[১২২] আন্দোলন কৰাৰ অপৰাধত চৰকাৰে যোৰহাটৰ সৰ্বেশ্বৰ বৰদলৈ নামৰ এজন ছাত্ৰক তিনিমাহ সশ্ৰম কাৰদণ্ড দিছিল।[১২৩]

শিৱসাগৰ হাইস্কুলত পিকেটিং কৰাৰ অপৰাধত হৰেন কটকী, হৰেন শৰ্মা, দুৰ্গেশ্বৰ বৰদলৈ, সুৰেন্দ্ৰনাথ বৰুৱা-এই চাৰিজন ছাত্ৰক তিনিমাহকৈ সশ্ৰম কাৰাদণ্ড দিছিল। ৪ আগষ্টৰ দিনা জাঁজীত কুলৰাম মুক্তিয়াৰৰ সভাপতিত্বত বহা সভাত ছাত্ৰসকলে কানিংহাম চাৰ্কুলাৰৰ চৰ্ত মানি লৈ স্কুললৈ নোযোৱাৰ সিদ্ধান্ত লয়।[১২৪] ১৪ জুলাইত পিকেটিংৰ তীব্ৰতাৰ বাবে বৰপেটাৰ হাইস্কুল খুলিব নোৱাৰিলে। ১৭ জুলাইত নগাওঁ হাইস্কুলো খুলিব পৰা নাছিল। তেজপুৰৰ এখন প্ৰতিবাদী সভাত সভাপতিত্ব কৰিছিল পদ্মনাথ গোহাঁইবৰুৱাই। তেখেতে "তেজপুৰ ৰাজনৈতিক আন্দোলনৰপৰা মুক্ত আছে দেখি তেজপুৰত পতা কানিংহাম চাৰ্কুলাৰখন তুলি লব লাগে" বুলি চৰকাৰৰ ওচৰত দাবী জনাইছিল।[১২৫]

তেজপুৰত লীলাধৰ বৰুৱা আৰু বেদানন্দ শৰ্মাই নেতৃত্ব দিয়া স্কুলীয়া ছাত্ৰসকলৰ শোভাযাত্ৰাত পুলিচে লাঠি চালনা কৰিছিল বুলি জনা যায়,[১২৬] গতিকে গোহাঁইবৰুৱাই তেজপুৰত ৰাজনৈতিক আন্দোলন নোহোৱা বুলি কোৱাটো সত্যৰ

অপলাপ মাত্ৰ। বোধহয় তেওঁ বৃটিশ ভক্ত আছিল বাবেই তেনেদৰে কৈছিল।

আইন অমান্য আন্দোলনৰ আগকেণৰাই বৰপেটাত থকা ছাত্ৰ সংঘ নামে বৰপেটীয়া ছাত্ৰ সংস্থাটোৱে "বৰপেটাৰ ছাত্ৰসকলৰ মাজত স্বাধীনতাৰ আকাংক্ষা, দেশ সেৱাৰ অনুপ্ৰেৰণা আৰু বৃটিশ চৰকাৰৰ প্ৰতি ঘৃণা-হিংসাৰ জুই বিয়পোৱাত ইন্ধন যোগাইছিল।"[127] গৱৰ্ণমেণ্ট হাইস্কুলৰ ১৫ বছৰ বয়সীয়া ছাত্ৰ মহেন্দ্ৰ চন্দ্ৰ পাঠকে (দাস-খত) লিখি চৰকাৰী স্কুলত নপঢ়াৰ সিদ্ধান্ত লৈ আইন অমান্য আন্দোলনত অংশ গ্ৰহণ কৰি জেল হাজোতলৈ গৈছিল।[128]

১৯৩০ চনৰ পহিলা আগষ্টৰপৰা গুৱাহাটীত কলেজিয়েট হাইস্কুলত লাহে লাহে পিকেটিং কৰাটো আৰম্ভ হৈছিল। পিকেটিং কৰা স্কুলীয়া ছাত্ৰসকলৰ ভিতৰত আছিল পদ্মচন্দ্ৰ গগৈ, অম্বিকা চৰণ বৰ্মা, যজ্ঞেশ চন্দ্ৰ দাস, কালি চৰণ দাস, অতুল চন্দ্ৰ শৰ্মা, কনকেশ্বৰ গোস্বামী, বিনয় তালুকদাৰ, বিমলা ভট্টাচাৰ্য, ললিত দত্ত, নগেন্দ্ৰ নাথ, পদ্ম কাকতী, নৰেন্দ্ৰ নাথ শৰ্মা, হৰেশ্বৰ গোস্বামী, জগন্নাথ বৰদলৈ, সৰ্বানন্দ মেধি আদি। নলবাৰীত পিকেটিং কৰি পিছত সতীশ চন্দ্ৰ কাকতী গুৱাহাটীৰ ছাত্ৰসকলৰ লগ হৈছিল হি।[129] নগাঁৱত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত ছাত্ৰ আন্দোলনৰ নেতৃত্ব দিছিল দেৱকান্ত বৰুৱা প্ৰমুখ্যে কেইজনমান ছাত্ৰই।[130] উল্লেখ কৰিব পাৰি যে ১৯৩০চনৰ ১৩ এপ্ৰিলত জালিয়ানৱালাবাগৰ হত্যাকাণ্ডৰ সময়ত নগাঁওত দেৱকান্ত বৰুৱা, অশ্বিনী বৰকাকতী, বৰ্দ্ধকান্ত মহন্ত আদি ( মেট্ৰিক পৰীক্ষা দিয়া) ছাত্ৰৰ উদ্যোগত জুবিলি পথাৰত সভাপাতি পূৰ্ণ স্বৰাজৰ দাবী তোলা হৈছিল।[131]

কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত মঙ্গলদৈতো ছাত্ৰসকলে শক্তিশালী আন্দোলন গঢ়ি তুলিছিল।[132] নলবাৰীত কানিংহাম চাৰ্কুলাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰা হৈছিল ছাত্ৰসকলৰ ফালৰ পৰা। সুৰেন্দ্ৰনাথ দাসে সপ্তম শ্ৰেণীৰপৰা স্কুল বৰ্জন কৰি আন্দোলনত লাগিছিল।[133] কানিংহাম চাৰ্কুলাৰৰ বিৰুদ্ধে তথা ১৯৩০ চনৰ আইন অমান্য আন্দোলনত অংশ গ্ৰহণ কৰা নলবাৰীৰ কনক চন্দ্ৰ বৰ্মণ, হৰি চৰণ পাঠক, প্ৰভাত চন্দ্ৰ গোস্বামী, গোলাপ মালী, ঘনশ্যাম গোস্বামী, ধনেশ্বৰ গোস্বামী, সৰস্বতী কুমাৰ মজুমদাৰ, বিশ্বনাথ শৰ্মা, সোমনাথ কলিতা, পীতাম্বৰ বৰ্মণ, প্ৰসন্ন শৰ্মা, ৰামচন্দ্ৰ শৰ্মা আদি ছাত্ৰক নেতৃত্ব দিছিল মহীধৰ শৰ্মা নামে অন্য এজন ছাত্ৰই।[134]

গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত ছাত্ৰসকলে পিকেটিং, সভা-সমিতি, বিক্ষোভ, শোভাযাত্ৰা আদি সংগঠিত কৰিছিল। "চাৰ্কুলাৰ অমান্য কৰিবলৈ স্কুল সমূহৰ সমুখত প্ৰবল পিকেটিং কৰা হৈছিল।" এই দিশত তৰুণ সংঘৰ সদস্যসকলৰ অৰিহণা লেখত ল'বলগীয়া আছিল।[135] হাইলাকান্দি মহকুমাতো ননী গোপাল চৌধুৰী, অপূৰ্ব কুমাৰ বিশ্বাস, গুৰুপ্ৰসন্ন ৰায় আদি ছাত্ৰসকলে আন্দোলনত অংশ গ্ৰহণ কৰিছিল।[136] ১৯৩১ চনত বৃটিশ ভাইচ্‌ৰয় অসমলৈ আহোঁতে চিলামৰাত ৪ জনলৰাবীত ছাত্ৰসকলে তেওঁৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰিছিল।[137]

স্কুল-কলেজ বৰ্জন কৰা ছাত্ৰৰ সঠিক সংখ্যা পোৱাটো কঠিন। এই ক্ষেত্ৰত কেৱল চৰকাৰী তথ্যৰ ওপৰতেই নিৰ্ভৰ কৰিব লগীয়া হৈছে। চৰকাৰী তথ্য একেবাৰে নিভুল বুলি ক'ব নোৱাৰি। তথাপিও ১৯৩০ চনৰ পহিলা ছেপ্তেম্বৰৰ ভিতৰত অসমৰ

সমূহ চৰকাৰী স্কুলৰ ৮৫ শতাংশ ছাত্ৰই কাৰ্লাইল চাৰ্কুলাৰৰ চৰ্ত মানি লৈ পঢ়া-শুনা কৰি আছিল। ড° গুহই উল্লেখ কৰা[৯৮] আন এটা চৰকাৰী হিচাপ মতে ঐ বছৰৰ আগতে স্কুলত নামভুক্ত ১৫,১৮৬ জন ছাত্ৰৰ ভিতৰত আন্দোলনৰ বাবে মুঠতে ৩,১১৭ জন ছাত্ৰই স্কুল বৰ্জন কৰিছিল।

অসহযোগ আন্দোলনৰ সময়ৰ দৰে ১৯৩০ ৰ আইন অমান্য আন্দোলনৰ সময়তো স্কুল বৰ্জন কৰি আন্দোলনত যোগদান কৰা ছাত্ৰ তথা কাৰ্লাইল চাৰ্কুলাৰৰ চৰ্ত মানি পঢ়িবলৈ অমান্তি হোৱা ছাত্ৰসকলৰ সুবিধাৰ বাবে বিভিন্ন অঞ্চলত ৰাইজৰ উদ্যোগত বেচৰকাৰী শিক্ষানুষ্ঠান স্থাপন কৰা হৈছিল। তেনে শিক্ষানুষ্ঠানৰ ভিতৰত গুৱাহাটীত কামৰূপ একাডেমী, বৰপেটাত বৰপেটা বিদ্যাপীঠ, তেজপুৰত তেজপুৰ একাডেমী, শিৱসাগৰত শিৱসাগৰ বিদ্যাপীঠ আৰু ডিব্ৰুগড়ত স্থাপন কৰা স্কুলেই প্ৰধান আছিল।[৯৯]

গোপীনাথ বৰদলৈ, গৌৰীকান্ত তালুকদাৰ, ৰায়বাহাদুৰ কালিচৰণ সেন আদিৰ যত্নৰ ফলত গুৱাহাটীত বৰ্তমানৰ ৰূপশ্ৰী চিনেমা হলতেই প্ৰথমতে কামৰূপ একাডেমী স্কুল স্থাপিত হয় যদিও পিছত তাক চেনীকুঠীলৈ তুলি নিয়া হৈছিল।[১০০] ছাত্ৰসকলে অকল কাৰ্লাইল চাৰ্কুলাৰৰ প্ৰতিবাদ কৰিয়েই ক্ষান্ত থকা নাছিল, তেওঁলোকে লগতে কংগ্ৰেছৰ নীতি আৰু আদৰ্শ মানি লৈ স্বেচ্ছাসেৱক ভুক্ত হৈছিল আৰু স্বেচ্ছাসেৱক সংগ্ৰহ কৰি আইন অমান্য আন্দোলনৰ সংগঠন তথা প্ৰসাৰত আত্ম নিয়োগ কৰিছিল আৰু ছাত্ৰসকলৰ যত্নতেই প্ৰধানতঃ কাৰ্লাইল চাৰ্কুলাৰৰ প্ৰতিবাদ আন্দোলন কংগ্ৰেছৰ আইন অমান্য আন্দোলনৰ সৈতে একাকাৰ হৈ পৰিছিল। কেশৱ নাৰায়ণ দত্তই লিখিছে,[১০১] " The 1930 movement in Assam was however more or less a student movement. . The students' movement merged in the Civil Disobedience Movement and hundreds of students participated in hartals, strikes and picketings and courted arrest and imprisonment both in 1930 and 1932."

গৌৰীশঙ্কৰ ভট্টাচাৰ্যই লিখিছে,[১০২] "১৯৩০-৩২ চনত হোৱা অসমৰ আন্দোলনটো মূলতঃ ছাত্ৰ আৰু যুৱকসকলৰ আন্দোলন আছিল।" ধৰ্মকান্ত শৰ্মা[১০৩] আৰু ৰজনীকান্ত গোস্বামীয়েও[১০৪] লিখিছে যে ১৯৩০-৩২ চনৰ আইন অমান্য আন্দোলনৰ গুৰিত আছিল অসম ছাত্ৰ সন্মিলন বা ছাত্ৰ শক্তি।

এই আন্দোলনৰ সময়ত নেতাসকলে আনকি হিংসাত্মক বিপ্লৱৰ কথাও প্ৰচাৰ কৰিছিল। বিশেষকৈ দৰঙৰ বিশ্বনাথত যুৱকসকলৰ সভা এখনত যুৱক এজনে শ্ৰোতাসকলক এই বুলি সঁকিয়াই দিছিল[১০৫] যে "এতিয়া আমি গান্ধীৰ নিৰ্দেশ মানি অহিংসা পন্থা লৈছোঁ কিন্তু এনে দিনো আহিব পাৰে যেতিয়া আমি তেনে নীতি সমৰ্থন নকৰিম।" একেদৰে বায়ত সভাত লক্ষ্মীধৰ শৰ্মা আৰু মহাদেৱ শৰ্মাই প্ৰয়োজন হলে স্বাধীনতা অৰ্জনত হিংসা পন্থাও প্ৰয়োগ কৰিব লগীয়া হ'ব পাৰে বুলি কৈছিল। লক্ষ্মীধৰ শৰ্মাই স্বাধীনতা অৰ্জনত গান্ধীৰ অহিংসা পন্থা ব্যৰ্থ হলে উদ্দেশ্য সাধনৰ বাবে তেওঁ হিংসা পন্থা সুপাৰিশ কৰিবলৈ কুণ্ঠাবোধ নকৰিব বুলি দৃঢ়ভাৱে কৈছিল। মহাদেৱ

শৰ্মাই ভগৎ সিং আৰু তেওঁৰ সতীৰ্থসকলৰ হত্যাকাৰী চৰকাৰটো ধ্বংস কৰাটো প্ৰত্যেকজন ভাৰতীয়ৰে কৰ্তব্য হোৱাতো কামনা কৰিছিল।[১০৬]

১৯৩১ চনত গুৱাহাটীৰ বিভিন্ন ঠাইত ভালেমান ছাত্ৰসভা অনুষ্ঠিত হৈছিল। এইবোৰ ছাত্ৰসভাত প্ৰায়েই সভাপতিত্ব কৰিছিল হেম চন্দ্ৰ বৰুৱাই। তেখেতে ছাত্ৰসকলক দেশীয় আৰু আন্তৰাষ্ট্ৰীয় ৰাজনৈতিক অৱস্থা সম্পৰ্কে অৱগত কৰাৰ লগতে বহু বিপ্লৱৰ আদৰ্শ আৰু সমাজবাদৰ তাত্ত্বিক বিষয়েও আলোচনা আগবঢ়াই "ছাত্ৰসকলৰ মাজত নৱ জাগৰণ অনাত যত্ন কৰিছিল।"[১০৭] অসমত এই আন্দোলনৰ সময়ত কচ বিপ্লৱ আৰু সমাজবাদৰ কথা কোৱা বা সেই বিষয়ে ভাষণ দিয়া কংগ্ৰেছী ব্যক্তিসকলৰ ভিতৰত বোধহয় হেম চন্দ্ৰ বৰুৱাই আছিল প্ৰথম আৰু আগবঢ়ুৱা।

১৯৩১ চনৰ ২৩ মাৰ্চত বৃটিশ চৰকাৰে ভগৎ সিং, শুকদেৱ, ৰাজগুৰুক ফাঁচী দিয়াত অসমতো ছাত্ৰসকলে প্ৰতিবাদ সভা, শোভাযাত্ৰা আদি কৰিছিল। গোৱালপাৰাৰ গৌৰীপুৰত অনুষ্ঠিত এখন সভাত অনিল কুমাৰ মুখাৰ্জীয়ে কৈছিল যে দেশে পূৰ্ণ স্বৰাজ পাবলৈ হলে ভগৎ সিং, শুকদেৱ, ৰাজগুৰুৰ দৰে হাজাৰ হাজাৰ লোক ছহীদ হ'ব লাগিব।[১০৮]

কানিংহাম চাৰ্কুলাৰৰ বিৰুদ্ধে চলা ছাত্ৰ বিক্ষোভ আৰু আইন অমান্য আন্দোলনৰ সম-সাময়িকভাৱে অসমত কেইজনমান ছাত্ৰ-যুৱকৰ উদ্যোগত এটি সন্ত্ৰাসবাদী গোট গঢ়ি উঠাৰ সন্ধেদ পোৱা যায়। এই গোটটোৰ সংগঠক ছাত্ৰ-যুৱকসকল আছিল খগেশ্বৰ শৰ্মা, ৰাজেন কলিতা, উপেন নবীশ, কৃষ্ণ চৌধুৰী, কৃষ্ণ চন্দ্ৰ ভট্টাচাৰ্য, দেৱপাল দাস, প্ৰফুল্ল বিশ্বাস, লোহিত দাস, হংসনাথ মেধি, মনিশঙ্কৰ বসুমতাৰী আদি। কথা হ'ল ইয়াৰে কেবাজনেও—বিশেষকৈ ৰাজেন কলিতা,উপেন নবীশ আদিয়ে—প্ৰথমতে গান্ধী পন্থাৰে ফাঁচী বজাৰত এই সময়ছোৱাতেই মদ, ভাঙৰ আৰু বিলাতী কাপোৰৰ দোকানত পিকেটিং কৰি গ্ৰেপ্তাৰ বৰণ কৰিছিল আৰু তাৰ বাবে জেললৈয়ো যাব লগীয়া হৈছিল।[১০৯]

জেলৰপৰা ওলোৱাৰ পিছত এওঁলোকে ভালেমান মদ, ভাং আৰু কানিৰ দোকান অগ্নি সংযোগ কৰি পুৰি পেলাই পোনতে গান্ধী পন্থাৰ প্ৰতি অনাস্থা প্ৰকাশ কৰে আৰু তাতেই উৎসাহিত হৈ পূৰ্ণ পৰ্যায়ৰ সন্ত্ৰাসবাদী সংগঠন গঢ়ি তোলাৰ দিশত অগ্ৰসৰ হয়। তেওঁলোকৰ প্ৰস্তাৱিত আঁচনি মতে তেতিয়াৰ অসমৰ বাৰখন জিলাৰ বাৰজন জিলাধিপতিক হত্যা কৰিবলৈ বাৰটা ৰিভলভাৰ সংগ্ৰহৰ বাবে কাম আৰম্ভ কৰিলে। পোনতে হাত ঠিক কৰিবলৈ দেৱেন দাস নামে দলৰে এজনে ছটা পিষ্টল নিজৰ কমাৰ শালতে গঢ়ি দিছিল।[১১০]

ত াত সাফল্য অৰ্জন কৰাৰ পিছত আৰম্ভ হ'ল অত্যাধুনিক পিষ্টল সংগ্ৰহৰ অভিযান। টকাও যোগাৰ কৰিলে এহেজাৰমান, পিষ্টল কিনিবলৈ। আনহাতে মনিশঙ্কৰ বোলাজনে মিলিটাৰীৰপৰা পেঞ্চন লৈ ঘৰতে থকা তেওঁৰ ককাদেউতাক (মাকৰ দেউতাক) ৰপৰা গুলিসহ ব্যক্তিগত ৰিভলভাৰটো সৰকালে। তথাপিও নাটনি। এইবাৰ ধুবুৰীৰ বিভীষণ বোলা এজনে ৰিভলভাৰ সংগ্ৰহ কৰি দিম বোলাত তাকেই বিশ্বাস কৰি ৰাজেন কলিতা আৰু খগেশ্বৰ শৰ্মা ধুবুৰীলৈ গৈ বিভীষণৰ ষড়যন্ত্ৰৰ বলি হৈ পুলিচৰ

হাতত ধৰা পৰে আৰু বিচাৰত দুয়োৰে দুবছৰকৈ সশ্ৰম কাৰাদণ্ড হয়। শুদ্ধ ৰাজনৈতিক মতাদৰ্শৰে সংগঠিত নহলে কেৱল মাত্ৰ সন্ত্ৰাসবাদত আস্থা ৰাখিয়েই কামত অগ্ৰসৰ হলে এই ধৰণৰ বিশ্বাসঘাটকতাই সন্ত্ৰাসবাদীসকলক সকলো দেশতে সকলো সময়তে বিপদত পলোই অহাতো পৰিলক্ষিত হৈছে। ৰাজেন কলিতাইতৰো অৱস্থা তেনেকুৱাই হ'ল। ৰাজেন কলিতা জেইলতেই যক্ষ্মা ৰোগত আক্ৰান্ত হয় আৰু জেইলৰপৰা মুক্তি পোৱাৰ পিছত সেই ৰোগতেই তেওঁৰ মৃত্যু হয় আৰু ৰাজেনৰ মৃত্যুৰ লগে লগে এই গোটটোৰো অৱসান ঘটে।[১৫১]

কংগ্ৰেছৰ নেতৃত্বত দ্বিতীয়বাৰৰ এই স্বাধীনতা আন্দোলন লোণ আইন ভঙ্গ কৰাৰ জৰিয়তে আৰম্ভ কৰা হৈছিল, কিন্তু যিহেতু অসমত লোণ প্ৰস্তুত কৰি প্ৰচলিত লোণ আইন ভঙ্গ কৰাৰ বাবে কোনো বাস্তৱ পৰিৱেশ নাছিল সেয়ে ইয়াত মাদকতা বৰ্জন কাৰ্যসূচী ৰূপায়ণত গুৰুত্ব দিয়া হৈছিল। লোণ আইন ভঙ্গ কৰাৰ বাস্তৱ পৰিৱেশ নথকাত অসমত প্ৰধানতঃ আইন অমান্য আন্দোলন কেন্দ্ৰীভূত হৈছিল কানিৰ দোকান, মদৰ মহল, বিদেশী বস্ত্ৰৰ দোকান আদিত পিকেটিং কৰা কাৰ্যত। আইন অমান্য আন্দোলনৰ সময়ত অসম প্ৰাদেশিক কংগ্ৰেছৰ সম্পাদক আছিল মহম্মদ তৈয়াবুল্লা, তেওঁ লিখিছে[১৫২] যে গান্ধীৰ অনুমতি সাপেক্ষে অসমত আইন অমান্য আন্দোলন বিদেশী বস্ত্ৰ আৰু মাদকতা বৰ্জনতে সীমিত আছিল; " In view of the fact that there was no sea,no salt mine or even pits,in Assam, and salt Saytagraha was not,therefore,feasible,the 1921 programme of picketing of opium and liquor mahals and foreign cloth, was renewed,with the approval of Mahatma Gandhi,throughtout the province."

গডিকে তেওঁৰ মতে[১৫৩] অসমত লোণ সত্যাগ্ৰহ আন্দোলন নহৈ হৈছিল কানি সত্যাগ্ৰহ আন্দোলন, "Opium satyagraha formed the main plank Picketing of Government opium and liquor mahals and of foreign cloth became the order of the day The Assam satyagraha like the non-co-operation and civil disobedience satyagraha of 1921, was essentially an opium satagraha once again "

যিহেতু আন্দোলনত অংশ গ্ৰহণ কৰা স্বেচ্ছাসেৱক সকল প্ৰধানতঃ আছিল ছাত্ৰ-যুৱক সেয়ে মদৰ মহল আৰু কানিৰ দোকান আৰু বস্ত্ৰৰ দোকানত পিকেটিং কৰাৰ দায়িত্বও পৰিছিল তেওঁলোকৰ ওপৰতেই। কানিংহাম চাৰ্কুলাৰৰ বিপক্ষে স্কুলত পিকেটিং কৰাৰ লগে লগে ছাত্ৰসকলে সমান্তৰালভাৱে কংগ্ৰেছৰ আঁচনি মৰ্মে উল্লেখিত সামগ্ৰীৰ দোকান-মহল আদিতো পিকেটিং কৰিছিল। লক্ষ্মীধৰ বৰাই লিখিছে,[১৫৪] "শিক্ষানুষ্ঠান সমূহতে মাত্ৰ পিকেটিং চলিলে মূল উদ্দেশ্য সাধন নহব দেখি বিদেশী কাপোৰৰ দোকান মদ-ভাণ্ডৰ দোকানতো পিকেটিং কৰাৰ বন্দবস্ত হ'ল।"

নগাওঁৰ ফুলগুৰি, চামগুৰি, চাপানলা, কামপুৰ, যমুনামুখ, আমছৈ আদি অঞ্চলৰ কানিৰ দোকানসমূহত পিকেটিং কৰাৰ অপৰাধত বহু স্বেচ্ছাসেৱকক গ্ৰেপ্তাৰ কৰা হৈছিল। গ্ৰেপ্তাৰ হোৱা স্বেচ্ছাসেৱকসকলৰ ভিতৰত দেৱকান্ত বৰুৱা আৰু

অশ্বিনীকান্ত বৰকাকতীও আছিল।[১৫৪] কামপুৰ, চাপৰমুখ আৰু বাৰপূজীয়াত কানি নিবাৰণ সম্পৰ্কে চন্দ্ৰপ্ৰভা শইকীয়ানীয়েও উল্লেখ কৰিছে। তেওঁ লিখিছে,[১৫৫] " কামপুৰত বিপুল জনসমাগমনত কানিয়াসকলে কানি পট্‌তাবোৰ দম কৰি দিলেহি আৰু সেই বোৰ বস্ত্ৰ যজ্ঞৰ দৰে জুই লগাই পোৰা হ'ল।"

গুৱাহাটীৰ ফাঁচী বজাৰত গিৰীন্দ্ৰ নাথ চৌধুৰী, উপেন্দ্ৰনাথ নবীশ, ভৱানীপ্ৰসাদ বৰুৱা, ৰবীন কাকতী, সুনীল মজুমদাৰ, ভৱানী চৰণ ডেকা, নবীন কলিতা, ৰনেন ভট্টাচাৰ্য, যতীন শৰ্মা, প্ৰিয় শৰ্মা, মোহিনী মোহন শৰ্মা, কমল ঠাকুৰীয়া, কীৰ্তিনাথ দাস আদিয়ে পিকেটিং কৰি গ্ৰেপ্তাৰ বৰণ কৰিছিল।[১৫৭] গুৱাহাটীত সতীশ চন্দ্ৰ কাকতী, লক্ষেশ্বৰ শৰ্মা, চক্ৰেশ্বৰ শৰ্মা, ঘণকান্ত দেৱ গোস্বামী আদিয়েও পিকেটিং কৰি গ্ৰেপ্তাৰ বৰণ কৰিছিল।[১৫৮]

বৰপেটাত শইহ শইহ ছাত্ৰ আৰু ডেকা ল'ৰাই তেতিয়া বিদেশী কাপোৰৰ দোকানত পিকেটিং কৰি গ্ৰেপ্তাৰ বৰণ কৰিছিল।[১৫৯] লোহাৰঘাট, পলাশবাৰী, ছয়গাওঁ, নলবাৰী, বৰমা, আদি ঠাইত কানি আৰু বস্ত্ৰ দোকানতো পিকেটিং কৰা হৈছিল। এই বিলাক ঠাইতো ভালেমান স্বেচ্ছাসেৱকে গ্ৰেপ্তাৰ বৰণ কৰিব লগা হৈছিল।[১৬০] এই সম্পৰ্কে ৰাধিকাৰাম দাসে লিখিছে[১৬১] যে তেওঁ বেলিৰাম দাস আৰু দেৱেন্দ্ৰ চন্দ্ৰ চৌধুৰীৰ লগ লাগি দক্ষিণ কামৰূপৰ ৰামপুৰ, কুকুৰমাৰা অঞ্চলত বহুতো কানীয়াৰ পট্‌তা পুৰি পেলাইছিল।

১৯৩০-৩২ চনৰ আন্দোলনৰ সময়ত ছাত্ৰসকলে কিছুমান ঠাইত সভা আদি অনুষ্ঠিত কৰিবলৈ জাননী দিয়াৰ লগতে আন্দোলনকাৰী স্বেচ্ছাসেৱকৰ খোৱা-লোৱাৰ বাবে মুষ্টি ভিক্ষাৰে ৰহদ পাতিও সংগ্ৰহ কৰি দিছিল। জখলাবন্ধা-কলিয়াবৰ অঞ্চলত ছাত্ৰৰ তেনে কাৰ্যৰ বিষয়ে উল্লেখ কৰিছে পূৰ্ণ চন্দ্ৰ শৰ্মাই। সেই ছাত্ৰসকলৰ ভিতৰত প্ৰধান আছিল,– তুৱাকান্ত মহন্ত, উপেন্দ্ৰ চন্দ্ৰ চৌধুৰী, জয়ৰাম বৰা, বুদ্ধিন্দ্ৰ মহন্ত, পুৰুষোত্তম গোস্বামী, দামোদৰ গোস্বামী, পদ্মকান্ত গোস্বামী, বিষ্ণুৰাম শৰ্মা, শিৱ শৰ্মা বৰঠাকুৰ, উপেন্দ্ৰনাথ শৰ্মা, সৰ্বেশ্বৰ পঞ্চানন, যতীন্দ্ৰ বন্দোপাধ্যায় আদি।[১৬২]

১৯৩০-৩২ ৰ আন্দোলনৰ সময়ত কংগ্ৰেছ স্বেচ্ছাসেৱক তথা যুৱ-ছাত্ৰৰ পিকেটিংৰ ফলত অসমত কানিৰ প্ৰচলন বহুলাংশে হ্ৰাস পাইছিল। ১৯২৫-২৬ চনত তেতিয়াৰ অসমৰ পাৰ্বত্য অঞ্চল বাদ দি সমতল অঞ্চলত মুঠতে ৯০,০০০ জন পঞ্জীভূক্ত কানীয়া আছিল।[১৬৩] ১৯২৫-২৬ ৰ বছৰটোত অসমত ৭৫৫ ৫ মোন কানি বিক্ৰিৰ পৰিবৰ্তে আন্দোলনৰ ফলত ১৯৩৪-৩৫ ত বিক্ৰী হোৱা কানিৰ পৰিমান ২৫২ মোনলৈ নামি আহিছিল।[১৬৪] আকৌ ১৯৩০ ৰ বছৰটোত অসম চৰকাৰে ১৭ লাখ টকাৰ আবকাৰী শুল্কৰপৰা বঞ্চিত হৈছিল।[১৬৫]

গতিকে আমাৰ বোধেৰে, ৰাজনৈতিকভাৱে, ১৯৩০-৩৪ চনৰ আইন অমান্য আন্দোলন পূৰ্ণোদ্যমে সাম্ৰাজ্যবাদ বিৰোধী নহৈ হৈ পৰিছিল সংস্কাৰবাদী। ইয়াকো মাদকতা বৰ্জন আন্দোলন বুলিহে ক'ব পাৰি। আনহাতে সংস্কাৰবাদী আন্দোলন তথা প্ৰচাৰে মূলতঃ ৰাজনৈতিক উত্তেজনা প্ৰশমিত কৰি আন্দোলনৰ ৰাজনৈতিকায়নত মন্থৰতাৰ সৃষ্টি [illegible] । সৰ্বভাৰতীয় ক্ষেত্ৰত ৰাজনৈতিক উত্তেজনা প্ৰশমিত কৰাৰ

অন্য এপাট অস্ত্ৰ আছিল গান্ধীৰ দ্বাৰা আৰম্ভ কৰা হৰিজন সেৱা।

মাদকতা বৰ্জনৰ সামাজিক প্ৰয়োজনীয়তা উলাই নকৰাকৈয়ো ক'ব পাৰি যে ই যেনেকৈ ৰাজনৈতিক আন্দোলনৰ গতি ব্যাহত কৰিছিল ঠিক তেনেকৈ হৰিজন সেৱা (আঁচনি) আন্দোলনেও ৰাজনৈতিক আন্দোলনৰ গতি মন্থৰ কৰি উদ্দেশ্য সাধনত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছিল। সামাজিক সংস্কাৰ আৰু স্বাধীনতাৰ সংগ্ৰাম সমপৰ্যায়ৰ নহয়। পিছৰটোৰ অবিহনে প্ৰথমটো, ৰাজনৈতিক দিশত, আপোচকামী হবলৈ বাধ্য। জনসমৰ্থিত এইবাৰৰ স্বাধীনতা আন্দোলনো বিপুল জন সমৰ্থন স্বত্বেও ব্যৰ্থতাত পৰ্যবসিত হৈছিল। গান্ধীৰ নিৰ্দেশক্ৰমে কংগ্ৰেছে আনুষ্ঠানিকভাৱে আইন অমান্য আন্দোলন স্থগিত ৰাখিলে ১৯৩৪ চনৰ মে' মাহত। কংগ্ৰেছৰ নেতৃত্বত আৰম্ভ হোৱা এই দ্বিতীয়বাৰৰ স্বাধীনতা আন্দোলনৰ এনে ধৰণেই পৰিসমাপ্তি ঘটিছিল। কিন্তু লগতে এই আন্দোলনৰ পৰাই দেশৰ জনসাধাৰণে পৰৱৰ্তী আন্দোলনৰ শিক্ষা আহৰণ কৰি তাৰ বাবে বিৰতিৰ সময়ছোৱাত আঁচনি প্ৰস্তুত কৰিছিল।

---

## সূত্ৰ নিৰ্দেশ

১ Dharani Goswami, "Impact of the October Revolution", in October Revolution and India's Independence, Ali Ashraf & G A Syomin, ed , p 66

২ M R.Masani, The Communist Party of India, p 9

৩ Ibid , pp 9-10

৪ Ibid., p 10

৫ Anil Rajimwale, United front Some Historical Experiences and Problems , p 30

৬ G.Adhikari,ed , Documents of the History of the Communist Party of India, Vol.I ,1917-1922, p 79

৭ Ibid , p 231

৮ Satyabrata Raichoudhury, Leftist Movement in India, 1917-47, p.63

৯ Adhikari , ed., op.cit.,pp.237-39

১০ Masani, op cit., p 12

১১ Ramesh Chandra Majumdar, History of the Freedom Move ment in India ,Vol III, pp.402-03

১২ S.K.Mittal, "The Role of the Meerut College in the Free dom Struggle of India", Social Scientist, vol.7 , No. 4, 1978, p.41

১৩ Majumdar, op.cit., p.405

১৪ Ibid

১৫ Jawaharlal Nehru, An Autobiography, p.166
১৬ ৰবীন্দ্ৰনাথ ঠাকুৰ, ৰাশিয়াৰ চিঠি, পৃ. ১৬-১৮
১৭ ঐ, পৃ. ৩০-৩১
১৮ Tara Chand, History of the Freedom Movement in India, Vol.IV, p. 82
১৯ Ibid. , p.83
২০ Ibid.
২১ quoted in E.Lipson, Europe in the 19th & 20th Centuries, p.380
২২ Ram Gopal, How India Struggled for Freedom, p 352
২৩ Mittal, op.cit.,p.42
২৪ Tara Chand, op.cit., p.84
২৫ Majumdar, op.cit , p.261, emphasis added
২৬ Ibid., pp.262-63, Ram Gopal, op.cit., pp 353-54
২৭ Majumdar, op.cit., p.263
২৮ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যসকলৰ দ্বাৰা সম্পাদিত, ভাৰতৰ মুক্তি যুঁজত অসম, পৃ ২৭-২৮
২৯ Mittal, op cit , p 41
৩০ Majumdar, op cit , p 263
৩১ গৌৰীশঙ্কৰ ভট্টাচাৰ্য, সবিনয় নিবেদন, পৃ. ৯২০
৩২ ঐ, পৃ. ২০৪-০৬ , কামিনী মোহন শৰ্মা সৈতে লিখকৰ সাক্ষাৎকাৰ
৩৩ ঐ
৩৪ Mittal, op cit , p 43
৩৫ Ibid
৩৬ Pattabhi Sitaramayya, History of the Indian National Congress,Vol.I , p 357, Tara Chand, op cit ,p.123
৩৭ Durga Das, India From Curzon to Nehru and After, p.134
৩৮ Amales Tripathi, "Nehru- Myth and Reality", in The States man,15th August, 1989
৩৯ Majumdar, op cit., p.264
৪০ Ibid , pp.271-72
৪১ D G Tendulkar, Mahatma:Life of Mohandas Karamchand Gandhi, Vol.III, p.5, emphasis added.
৪২ quoted in Majumdar, op.cit., p 276
৪৩ ফণীনাথ কলিতা, কৰ্মবীৰ চন্দ্ৰনাথ, পৃ. ১৩৫
৪৪ সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত, ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা স্মৃতিগ্ৰন্থ, পৃ ১৩৪
৪৫ ঐ, পৃ.১৩৪
৪৬ হৰেন্দ্ৰনাথ বৰুৱা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ. ২২৩
৪৭ তৰুণ ৰাম ফুকন, অসম প্ৰকাশন পৰিষদ, পৃ. ৪২-৪৩

৪৮ ঐ পৃ ১৩৫

৪৯ অতুল চন্দ্ৰ হাজৰিকা সম্পাদিত, অৰ্ঘমালা, পৃ.২২১-২২

৫০ ঐ, পৃ ২২৩, গুৰুত্ব চিহ্ন এই লিখকৰ

৫১ ঐ, পৃ. ২২৪

৫২ ঐ, পৃ ২২৬

৫৩ ঐ, পৃ ২৩৬

৫৪ ঐ, পৃ ২৩৮

৫৫ ঐ

৫৬ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্য সকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১১৩

৫৭ ঐ, পৃ ১৬৭

৫৮ ঐ, পৃ ৭৮, ২৫৯ আৰু তৰুণ ৰাম ফুকন, উল্লেখিত গ্ৰন্থ, পৃ ১৭

৫৯ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্য সকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১৭০

৬০ ঐ, পৃ ২৮,১০৯,১৬৯, ২১৮; সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১১৬

৬১ খগেন্দ্ৰনাথ নাথ, স্বাধীনতা সংগ্ৰামত মোৰাজপাৰাৰ অবদান, পৃ ২৯

৬২ ঐ, পৃ ৩১

৬৩ A C Bhuyan, ed , et al , Political History of Assam, Vol II, p 123

৬৪ খগেন্দ্ৰনাথ, উল্লেখিত গ্ৰন্থ, পৃ ৪৪

৬৫ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্য সকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১৬৯,৩১১

৬৬ ঐ

৬৭ A C Bhuyan, ed , et al , op cit ,p.123

৬৮ Amalendu Guha, Planetr Raj to Swaraj, p 164

৬৯ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্য সকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১৬৮,২১৩

৭০ ঐ, পৃ ২১২

৭১ ঐ

৭২ ঐ,'পৃ ২৫৯

৭৩ ঐ, পৃ ২৪, A C Bhuyan, ed , et al., op.cit., p 144, A Guha,op cit , p 171; K N Dutt, Landmarks of the freedom Struggle in Assam,p.72

৭৪ Ibid

৭৫ A C Bhuyan, ed , et al., op.cit , p.144; হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যসকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ. ১৬৯ ; তৰুণ ৰাম ফুকন, পৃ ৭৫

৭৬ A.C.Bhuyan, ed et al , op.cit., p 144

৭৭ সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ৫১

৭৮ ঐ, পৃ ৫৮

৭৯ ঐ, পৃ. ২১
৮০ Tendulkar, op.cit , pp.24-31
৮১ Ibid., pp.2-3
৮২ Ibid., p.3
৮৩ Ibid , pp.1-2, emphasis added.
৮৪ খগেন্দ্ৰনাথ, উল্লেখিত গ্ৰন্থ, পৃ ৪৯
৮৫ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্য সকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ২৮; A C Bhuyan, ed , et. al , op cit.,pp 49-50
৮৬ A Guha, op cit., p 172
৮৭ গকুল চন্দ্ৰ ডেকা, "বিষ্ণুপ্ৰসাদ ৰাভা ঃ জীৱন ছিলিঙণি "অসম বাণী, ১৯ জুন,১৯৭০; তিলক দাস, বিষ্ণুৰাভা ঃএতিয়া কিমান ৰাতি, পৃ ৩২
৮৮ ঐ, পৃ ৩০-৩১
৮৯ চিদানন্দ শইকীয়া সম্পাদিত , ধীৰেন দত্ত স্মৃতি গ্ৰন্থ, পৃ ৯৭-৯৮
৯০ ঐ, পৃ ৯৯
৯১ ঐ, পৃ ১০০
৯২ Assam Secretariat Records, Confidential File No 315 C 1930
৯৩ Ibid.
৯৪ Ibid
৯৫ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্য সকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ২১৫
৯৬ কৃষ্ণ শৰ্মা, কৃষ্ণ শৰ্মাৰ ডায়েৰী, পৃ ১৮০
৯৭ মহেন্দ্ৰ চন্দ্ৰ পাঠক, মনত পৰে ১৯৩০ চনলৈ, অগ্ৰদূত, শাৰদীয় বিশেষ সংখ্যা, ১৯৭৮
৯৮ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্য সকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১২৭
৯৯ ঐ, পৃ ২৯
১০০ ঐ, পৃ ১৭১, ২১৭ , সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১১৭
১০১ Hem Baruah, "Our National Struggle and Cotton College", in Anandeswar Sarmah, ed , Cotton College Diamond Jubilee Volume, 1962, p 59
১০২ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্য সকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ৩১২
১০৩ ঐ, পৃ ১৭০
১০৪ তৰুণ ৰাম ফুকন, পৃ ৪৫
১০৫ সমীন কলিতা, লোক নায়ক অমিয় কুমাৰ, পৃ ২৩
১০৬ ঐ, পৃ ২৪
১০৭ সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১৩৭-৩৮
১০৮ ঐ ·
১০৯ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্য সকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ

৩৮

১১০ ঐ, পৃ ৭৮ - ৭৯

১১১ তৰুণ ৰাম ফুকন, পৃ ১৫

১১২ ঐ, পৃ ১০০

১১৩ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্য সকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ২১৮

১১৪ ঐ

১১৫ ঐ, পৃ ২২৪

১১৬ ঐ, পৃ ২২৮

১১৭ ঐ, পৃ ৮০ - ৮১

১১৮ ঐ, পৃ ৩৮

১১৯ A Guha, op cit , pp 73-74

১২০ Ibid , p 177

১২১ Dutt, op cit , pp 73-74

১২২ কৃষ্ণ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ১৭৭

১২৩ ঐ, পৃ ১৭৯

১২৪ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্য সকলৰ দ্বাৰা সমপোদিত, উল্লেখিত গ্ৰন্থ, পৃ ৩১

১২৫ ঐ, পৃ ৩০-৩১

১২৬ ঐ, পৃ ১০২

১২৭ মহেন্দ্ৰ চন্দ্ৰ পাঠক, উল্লেখিত প্ৰবন্ধ

১২৮ ঐ

১২৯ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্য সকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১৭২

১৩০ ঐ, পৃ ৩৭২ , সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১১৭

১৩১ মোৰ অতীতৰ সোঁৱৰণী আৰু নগাঁও জিলাত মুক্তি সংগ্ৰাম, প্ৰথম খণ্ড, পৃ ১৮৫

১৩২ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্য সকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ৩৬৫

১৩৩ শশী শৰ্মা, সময়ে যাক পাহৰি যাব,পৃ ৫০

১৩৪ ঐ, পৃ ৭৪

১৩৫ খগেন্দ্ৰনাথ, উল্লেখিত গ্ৰন্থ, পৃ ৪৯-৫০

১৩৬ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্য সকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ৩৭৬-৭৭

১৩৭ A C Bhuyan, ed , et al , op cit ,p 176

১৩৮ A Guha, op cit ,pp 173-74

১৩৯ A C Bhuyan, ed , et al , op cit , p 160

১৪০ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্য সকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১৮১ ,হৰিদাস ডেকা, জীৱন আৰু সংগ্ৰাম, পৃ.১১, হৰিদাস ডেকাই লিখিছে, ১৯৩০ চনৰ জুলাই মাহ মাহত কানিংহাম চাৰ্কুলাৰ অমান্য কৰি স্কুল

এৰি অহা ছাত্ৰসকলৰ পঢ়া- শুনাৰ সুবিধাৰ্থে গুৱাহাটীত কামৰূপ একাডেমী নামৰ হাইস্কুল এটা প্ৰতিষ্ঠা কৰা হ'ল। স্কুলটো খোলা হ'ল টকৌবাৰীৰ ৰামৰূপ সিংহৰ ভাড়া ঘৰত। প্ৰথম হেডমাষ্টৰ হ'ল কংগ্ৰেছ কৰ্মী ধীৰেন্দ্ৰ নাথ শৰ্মা।

১৪১ Dutt, op cit , pp 74-75

১৪২ তৰুণ ৰাম ফুকন, পৃ ৭৫

১৪৩ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্য সকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ৩৪৭

১৪৪ সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত, উল্লেখিত গ্ৰন্থ,পৃ ১৩৯

১৪৫ Dutt, op cit.,p.77

১৪৬ Ibid.,p.78

১৪৭ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্য সকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ. ৪৬-৪৭

১৪৮ Dutt, op.cit , p.72

১৪৯ গৌৰীশঙ্কৰ ভট্টাচাৰ্য, উল্লেখিত গ্ৰন্থ, পৃ ৩৩২ , হৰিদাস ডেকা, উল্লেখিত গ্ৰন্থ, পৃ.১২

১৫০ ঐ, পৃ ১৩-১৪ , গৌৰীশঙ্কৰ ভট্টাচাৰ্য, উল্লেখিত গ্ৰন্থ, পৃ ৩৩৩-৩৪

১৫১ ঐ, পৃ ৩৩৩-৩৫ , ডেকা, উল্লেখিত গ্ৰন্থ, পৃ. ১৫-১৮

১৫২ M Tayebulla, Between the Symbol and the Idol at Last, p.56

১৫৩ Ibid.,pp 91-92

১৫৪ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্য সকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১৭২

১৫৫ ঐ, পৃ ৩৪-৩৬

১৫৬ ঐ, পৃ ১৪২

১৫৭ ঐ, পৃ ৩৭-৩৮, ১৭২

১৫৮ ঐ, পৃ. ১৭৩

১৫৯ ঐ, পৃ ১৪৪

১৬০ ঐ, পৃ. ১৭৩

১৬১ ঐ, পৃ ৩১৩

১৬২ পূৰ্ণ চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ১৯৩

১৬৩ A Guha, op.cit ,p 195

১৬৪ Tayebulla, op cit ,p 56

১৬৫ A C.Bhuyan,ed et al , op.cit., p 163

৫

# বিয়াল্লিশৰ আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা

১৯৩৪ চনৰ ২০ মে' তাৰিখে কংগ্ৰেছৰ দ্বাৰা আইন অমান্য আন্দোলন স্থগিতকৰণ কাৰ্য ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত এক বিস্ময়কৰ ঘটনা। ১৯৩৩ চনৰ ৮ মে' তাৰিখে গান্ধীয়ে জেলৰ পৰাই ঘোষণা কৰে যে তেওঁ হৰিজন সেৱাত আত্মনিয়োগ কৰাৰ বাবে নিজকে প্ৰস্তুত কৰাৰ বাবে ২১ দিনীয়া অনশন ব্ৰত লবলৈ সিদ্ধান্ত কৰিছে। সেয়ে তেওঁ এমাহ বা ছয় সপ্তাহৰ বাবে আইন অমান্য আন্দোলন স্থগিত ৰাখিবলৈ কংগ্ৰেছ সভাপতিক পৰামৰ্শ দিয়ে। এই বিষয়ে তেওঁ যুক্তি দৰ্শাই এই বুলি কৈছিল' যে " The whole purpose of the fast will be frustrated if I allowed my brain to be occupied by any extraneous matter, that is, any matter outside the Harijan work

" I cannot help saying that secrecy that has attended the movement is fatal to its success

" There can be no doubt that fear has seized the common mass

" The movement of Civil Disobedience does not depend so much upon the quantity as on the quality of men and women taking part in it

" during these three weeks all civil registers be in a state of terrible suspense It would be better if the President of the Congress , Bapuji Madhavrao Aney, were to officially declare suspension for one full month or even six weeks "

এই কাৰ্যৰ জৰিয়তে গান্ধীয়ে দেশ দেখকৈ প্ৰথমতে স্বাধীনতা আন্দোলনৰ কাৰ্যসূচীৰ বাস্তৱায়নতকৈ তেওঁৰ প্ৰস্তাৱিত একৈশ দিনীয়া অনশনক অত্যাধিক প্ৰাধান্য দি ৰাজনৈতিক উত্তেজনা প্ৰশমিত কৰি স্বাধীনতা লাভৰ ক্ষেত্ৰত সাম্ৰাজ্যবাদী শাসকৰ লগত আপোচৰ বাতাৱৰণ তৈয়াৰ কৰিছিল; দ্বিতীয়তে, স্বাধীনতা আন্দোলনত বিপুল জনগণৰ সক্ৰিয় অংশ গ্ৰহণে আৰু তাৰেই মাধ্যমত গঢ়ি উঠা জনসাধাৰণৰ ৰাজনৈতিকায়ানে গান্ধীক আতঙ্কিত কৰি তুলিছিল। গতিকে গণ আন্দোলনৰ পথ পৰিহাৰ কৰাতো হে পৰিছিল গান্ধীৰ বাবে এক মুখ্য কৰ্তব্য আৰু দায়িত্ব। গান্ধীৰ পৰামৰ্শ মৰ্মে কংগ্ৰেছৰ ভাৰপ্ৰাপ্ত সভাপতিয়ে প্ৰথমে ছয় সপ্তাহৰ বাবে আৰু পিছত আকৌ ছয় সপ্তাহৰ বাবে সেই কাৰ্য অব্যাহত ৰাখি শেষত আন্দোলনৰেই যতি পেলাইছিল।

১৯৩৩ চনৰ জুলাই মাহত, দেশৰ ৰাজনৈতিক ঘটনাৱলীৰ পুনৰ বিশ্লেষণৰ

বাবে পুণাত কংগ্ৰেছী নেতাসকলৰ এখন সভা অনুষ্ঠিত হৈছিল। সভাত চৰ্তবিহীনভাৱে আইন অমান্য আন্দোলন প্ৰত্যাহাৰ কৰা আৰু ব্যক্তিগত সত্যাগ্ৰহ আৰম্ভ কৰাৰ পোষকতা কৰি অনা প্ৰস্তাব কেইটা গোপনতেই সাকচ কৰা হৈছিল। কিন্তু সভাৰ নিৰ্দেশক্ৰমে গান্ধীয়ে বৃটিশ ৰাজপ্ৰতিনিধিৰ লগত "শান্তি প্ৰতিষ্ঠাৰ সূত্ৰ উদ্ভাৱন"ৰ বাবে চেষ্টা কৰিবলৈ গৈ সাক্ষাতকাৰ নোপোৱাত "জাতীয় সন্মান অক্ষুণ্ণ" ৰখাৰ বাবে আন্দোলন চলোৱাটো অপৰিহাৰ্য হৈ পৰে। কিন্তু এইবাৰ গণ আন্দোলনৰ পথ পৰিহাৰ কৰাৰ পোষকতা কৰা হ'ল। কংগ্ৰেছৰ নিজৰ অনুমোদিত ঐতিহাসিক পট্টভি সীতাৰামায়াই লিখিছে, "Mass civil Disobedience was, however, suspended and all who were able and willing were advised to offer Individual Civil Disobedience. Under the orders of the Acting President, all Congress organisations and war Councils ceased to function in view of the suspension of mass Satyagraha."

গান্ধীৰ দ্বাৰা আইন অমান্য আন্দোলনৰ স্থগিতকৰণৰ বিষয়ে ক'বলৈ গৈ ঐতিহাসিক ড° ৰমেশ চন্দ্ৰ মজুমদাৰে লিখিছে, "After plunging the whole country in a terrible welter of chaos and sufferings, the leader of the Campaign suddenly cries halt and surrenders Simply because his mind was bent upon another campaign of an altogether different kind One may well wonder whether even a 'saint' has the right to play drakes and ducks with the lives and fortunes of his countrymen in such an irresponsible manner"

এই সম্পৰ্কে সুভাষ চন্দ্ৰ বসু আৰু বল্লভভাই পেটেলে মন্তব্য কৰিছিল এই বুলি যে "The latest action of Mr Gandhi in suspending Civil Disobedience is a confession of failure We are clearly of the opinion that Mr Gandhi as a political leader has failed The time has come for a new principle, with a new method for which a new leader is essential" বসু আৰু পেটেলৰ এই মন্তব্যই আমাক আমি পূৰ্বে উল্লেখ কৰি অহা অসহযোগ আন্দোলন স্থগিত কৰাৰ পৰিপ্ৰেক্ষিতত চন্দ্ৰনাথ শৰ্মাই গান্ধীৰ নেতৃত্বৰ প্ৰতি কৰা কটু সমালোচনাৰ কথাকেই পুনৰ সোঁৱৰাই দিছে।

পূৰ্বে উল্লেখ কৰি অহা হৈছে যে অসহযোগৰ সম- সাময়িক কালৰ পৰাই ভাৰতীয় ৰাজনীতিত মাৰ্ক্সীয় দৰ্শনৰ আধাৰত সাম্যবাদী দল- সংগঠন গঢ়ি উঠিবলৈ লৈছিল। এতিয়া সেই একেই আদৰ্শৰ ভিত্তিতে সমাজবাদী দল গঠনৰ চেষ্টা চলোৱা হৈছিল আইন অমান্য আন্দোলনৰ সম-সাময়িক কালছোৱাত। এই বিলাকে যথাৰ্থভাৱে সূচায় যে গান্ধীৰ নেতৃত্বৰ প্ৰতি নতুবা তেওঁৰ অহিংসা পন্থাৰ প্ৰতি কংগ্ৰেছৰ ভিতৰতেই একাংশৰ আস্থা নাছিল। ফলশ্ৰুতিত ১৯৩৪ চনত কংগ্ৰেছৰ ভিতৰতে সমাজবাদী দল এটাৰ সংগঠন সম্ভৱ হৈ উঠে। ই এক উল্লেখনীয় ঐতিহাসিক ঘটনা।

আচাৰ্য নৰেন্দ্ৰ দেৱৰ সভাপতিত্বত মে' মাহৰ ১৭ তাৰিখে পাটনাত কংগ্ৰেছ সমাজবাদী দলৰ প্ৰথম সৰ্বভাৰতীয় অধিবেশন অনুষ্ঠিত হয়। কংগ্ৰেছৰ সাংগঠনিক

*পৰিমণ্ডলৰ ভিতৰতে গঢ়ি উঠা কংগ্ৰেছ সমাজবাদী দলে প্ৰকাৰান্তৰে কংগ্ৰেছৰ ভিতৰত জ্বলেমান বহুৰৰ আগৰপৰাই চলি অহা তীব্ৰ আভ্যন্তৰীণ দ্বন্দ্বকেই মুকলিকৈ প্ৰকাশ কৰিছিল। গতিকে স্বাধীনতা আন্দোলনৰ ৰাজনৈতিক প্ৰপ্ৰঞ্চটোৰ সৈতে আৰ্থ-সামাজিক দিশত সাম্যবাদ অথবা সমাজবাদ যে অপৰিহাৰ্যভাৱে সংপৃক্ত হৈ আছিল এই ঘটনা-পৰিঘটনাই তাকেই স্পষ্ট আৰু দ্বিধাহীনভাৱে উদঙাই দিছিল। এসময়ত এজ্যান অক্তেভিয়ান হিউমে সাম্ৰাজ্যবাদী স্বাৰ্থৰ পৰিপূৰককাপে গঢ়ি তোলা কংগ্ৰেছে দেশৰ স্বাধীনতা আন্দোলনৰ নেতৃত্ব লবলৈ ওলাই অহাৰ লগে লগে ই এই সংগঠন ভাৰতীয় জনগণৰ প্ৰায় সকলো শ্ৰেণীৰ লোকৰেই সাম্ৰাজ্যবাদ বিৰোধী এক উমৈহতীয়া ৰাজনৈতিক মঞ্চত পৰিণত হৈ পৰিবলৈ লৈছিল, গতিকে কংগ্ৰেছ অৱধাৰিত আৰু সম-সাময়িকভাৱে সেই শ্ৰেণীসমূহৰ আদৰ্শগত দ্বন্দ্ব-সংঘাতৰ মঞ্চলৈয়ো পৰিবৰ্তিত হৈছিল। দ্বন্দ্ব-সংঘাতসমূহৰ কিছুমান আছিল আপোচকামী আৰু আন কিছুমান বৈৰীমূলক। দেশৰ বিভিন্ন অঞ্চলৰ জাতীয় বুৰ্জোৱাৰ নেতৃত্ব অৱশ্যে কংগ্ৰেছৰ ভিতৰত প্ৰায় সকলো সময়তেই অক্ষুণ্ণ আৰু অব্যাহত হৈ ৰৈছিল। আঞ্চলিক বুৰ্জোৱাৰ মাজত দ্বন্দ্ব-সংঘাট থাকিলেও কংগ্ৰেছৰ ভিতৰত বুৰ্জোৱা নেতৃত্বৰ বিপদ সেয়ে বৰ বেছি তীব্ৰ হোৱা নাছিল আৰু সেয়ে মাজে সময়ে কংগ্ৰেছৰ ভিতৰতে উপদলীয় ৰাজনৈতিক দল-উপদল,ঘটনা-পৰিঘটনাৰ সৃষ্টি হলেও কেন্দ্ৰীয় নেতৃত্ব সদায়েই অক্ষুণ্ণ থাকিছিল।*

*কংগ্ৰেছ সংগঠনৰ ভিতৰতে সমাজবাদী চিন্তাধাৰাৰ বিকাশ আৰু সেই দিশত উপদলীয় ৰাজনৈতিক সংগঠন গঢ়ি উঠাৰ বিষয়ে ড° অৰুমগামে লিখিছে,'* " The mighty upheaval of 1930-32 unleashed the socialist trend inside the Congress as a new force The Congressmen of Socialist persuasion, organised groups, first in the Province of Bihar (1931) later in the Nasik Central Prison (1932-33), and then in the Provinces of Bombay and the United Provinces (1933-34) " *নাছিক চেণ্ট্ৰেল জেইলত সমাজবাদী দল গঠন সম্পৰ্কে আলোচনা কৰি কৰ্মপন্থা হাতত লোৱাসকলৰ ভিতৰত প্ৰধান আছিল জয়প্ৰকাশ নাৰায়ণ, মিনু মাছানী, অচ্যুত পট্টবৰ্দ্ধন, অশোক মেহতা, এন.জি. গোৰে, এছ.এম যোশী, আৰু অধ্যাপক এন এন দন্তৱালা।" সাম্যবাদীয়েই হওক বা সমাজবাদীয়েই হওক কোনো ৰাজনৈতিক সংগঠন তথা আদৰ্শৰ প্ৰতিতেই গান্ধীৰ আদিৰে পৰাই কোনো সহানুভূতি নাছিল।*

*১৯৩৪ চনৰ ১৭ আৰিখে ৰাজীৰপৰা বাতৰিকাকতলৈ দিয়া এটি বিবৃতিত প্ৰায় ব্যঙ্গাত্মক সুৰতেই তেওঁ কৈছিল,'* " I have welcomed the formation of socialist group. Many of them are respected and self-sacrificing co-workers With all this, I have fundamental differences with them on the programme published in their authorized pamphlets But I would not, by reason of the moral pressure I may be able to exert, suppress the spread of ideas propounded in their literature. I may not interfere with the free expression of those ideas, however distasteful some of them to me "

*সমাজবাদী চিন্তাধাৰা আৰু সেই আদৰ্শৰ প্ৰতি অনুৰক্ত কৰ্মীসকলৰ প্ৰতি গান্ধীৰ বিৰোধ ইমানেই তীব্ৰ আৰু গভীৰ আছিল যে সমাজবাদীসকলে কংগ্ৰেছত প্ৰধান্য লাভ কৰিলে তেওঁ আশংকি কংগ্ৰেছ সংগঠনৰপৰাই আঁতৰি অহাৰ পোষকতা কৰিছিল। উপৰিউক্ত বিবৃতিটোতেই তেওঁ কৈছিল,"* *" If they gain ascendancy in the Congress,as they well may,I cannot remain in the Congress For,to be in active opposition should be unthinkable. Though identified with many organisations during a long period of public service,I have never accepted that position."*

*সমাজবাদৰ কথা বাদেই গণতন্ত্ৰৰ প্ৰতি নতুবা গ্ৰাম্য স্বৰাজৰ প্ৰতি গান্ধীৰ ধাৰণা কি হ'ব পাৰে ইয়াৰপৰাই অনুমান কৰিব পাৰি। গান্ধীৰ মতে গণতন্ত্ৰ হ'ল তেওঁ যিটো কৰিব বা ক'ব তাক বাকী সকলে বিনা বাক্যব্যয়ে মানি লোৱাটো বা সমৰ্থন কৰাটো। সমাজবাদীসকলে তেওঁৰ নেতৃত্বত একেই ৰাজনৈতিক সংগঠন কংগ্ৰেছৰ ভিতৰত থাকিব পাৰিব বা থাকিলে তেওঁৰ আপত্তি নাই অথচ সেই সমাজবাদীসকলেই যদি নেতৃত্বলৈ আহে বা সংগঠনত আধিপত্য স্থাপনত সফল হয় তেনেহলে সেই সংগঠনত তেওঁ নাথাকে বা থাকিবলৈ অপাৰগ। গণতন্ত্ৰৰ মূল ভেটিয়েই হ'ল বিৰোধী পক্ষৰ মতামতৰ প্ৰতি সহিষ্ণুতা প্ৰকাশ আৰু সন্মান প্ৰদৰ্শন। অলপ সূক্ষ্মভাৱে লক্ষ্য কৰিলে দেখা যায় যে গান্ধীয়ে কংগ্ৰেছৰ ভিতৰত বাৰম্বাৰ আভ্যন্তৰীণ গণতন্ত্ৰৰ পৰম্পৰা ক্ৰমাৎ য়ে নিশেষ কৰি আনিছিল। কংগ্ৰেছৰ সভাপতিৰ বাবে প্ৰাৰ্থীত্ব নিৰ্বাচন, কাৰ্যকৰী সমিতিৰ সদস্য নিৰ্বাচন, আন্দোলনৰ কাৰ্যসূচী নিৰ্দ্ধাৰণ, আন্দোলন স্থগিত কৰণ আদি ভালেমান ক্ষেত্ৰত গান্ধীৰ এই একক আৰু স্বৈৰতান্ত্ৰিক ৰাজনৈতিক চৰিত্ৰ ইতিমধ্যে পৰিলক্ষিত আৰু পৰিস্ফুট হৈ পৰিছে।*

*সমাজবাদৰ প্ৰতি কংগ্ৰেছ সেৱী আৰু কৰ্মকৰ্তাসকলৰ ভালেমানৰ মাজত দেখা দিয়া আসক্তি আৰু আকৰ্ষণে গান্ধীক সততে বিৰক্ত আৰু অসহিষ্ণু কৰি তুলিছিল। সেই একেই মাহতে তেওঁ একেখিনি কথাকেই দোহাৰি বল্লভভাই পেটেললৈ লিখিছিল,"* " There is a growing and vital difference of outlook between many Congressmen and myself... I can not work in opposition when there are some fundamental differences between the Congress intelligentsia and me. Ever since my entry into public life I have never acted in that manner..." *গতিকে দেখা যায় কংগ্ৰেছ সমাজবাদীসকলৰ সংগঠন আৰু তাৰ লগে লগে কংগ্ৰেছৰ ভিতৰত সমাজবাদীসকলৰ ভূমিকা গান্ধীৰ বাবে অত্যন্ত অসহনীয় হৈ পৰিছিল। ই একালে একক নেতৃত্ব আৰু স্বৈৰতান্ত্ৰিক প্ৰৱণতাৰেই অভিব্যক্তি আৰু আনফালে বৃহৎ বুৰ্জোৱা আৰু ভূস্বামীৰ স্বাৰ্থৰ পৰিপূৰক আছিল।*

*সি যি কি নহওক, সমাজবাদী সকলৰ সংগঠন তথা সমাজবাদী আদৰ্শৰ বিষয়ে গান্ধীৰ মনোভাব যিয়েই নহওক লাগে, সমাজবাদী শক্তিৰ* (social forces) *জন্ম আৰু বিকাশৰ ক্ষেত্ৰত সামাজিক শক্তিসমূহে কাৰো হকা-বাধা নামানে, অৰ্থাৎ ইতিহাসৰ অগ্ৰগতিক বাধা দিয়াৰ শক্তি কাৰো নাই। ইয়াত ব্যক্তি বিশেষৰ ইচ্ছা-*

অশিক্ষা, ভাল খোৱা লোৱাৰ প্ৰশ্নটো লৌখ। ঐতিহাসিক ড° ৰমেশ চন্দ্ৰ মজুমদাৰৰ কথা এষাৰ[১২] এই খিনিতে বেছ প্ৰণিধানযোগ্য যেন পাওঁ; " The emergence of a socialist left-wing in the Congress,clearly noticeable in the Congress session of 1934,was a sure indication of the resurgence of the radical or left-wing forces in the country, this was accompanied by a phenomanal awakening among the peasantry and the students' and to some extent, among the workers.. The students' movement also, which had gone through many ups and downs in the past,was centralised under the leadership of the All India Students' Federation . The Communist Party of India, a small group which had been declared illegal by the British Government, instructed its members to join the Congress Socialist Party and thereby use the public platform of the Congress Socialist Party, in order to push forward its own organisation and objective It did succeed in extending its influence among a section of the students and factory workers "

আমি পূৰ্বে উল্লেখ কৰি আহিছোঁ যে জৱাহৰলাল নেহেৰুৱে নিজৰ বৰীয়াকে কংগ্ৰেছৰ ভিতৰতে (১৯২৭ চনৰ মাদ্ৰাজ কংগ্ৰেছৰ সময়ৰপৰা) এটা সমাজবাদী ভাবমূৰ্তি গঢ়ি তুলিছিল। সেইজন্য নেহেৰুৱেই Whither India নামৰ এটি প্ৰবন্ধত সামাজিক আৰু অৰ্থনৈতিক সমতাৰ পোষকতা কৰি সকলো প্ৰকাৰৰ শ্ৰেণীস্বাৰ্থ (class privileges) আৰু ন্যস্তস্বাৰ্থ (vested interests) ৰ অৱসান হোৱাটো বিচাৰিছিল।[১৩] ১৯৩৩ চনৰ ১৮ ডিচেম্বৰ তাৰিখৰ প্ৰেছ টোকা এটিতো নেহেৰুৱে কৈছিল,[১৪] "I do believe that fundamentally the choice before the world today is one between some form of communism and some form of Fascism, and I am all for the former, that is communism .There is no middle road between Fascism and communism One has to choose between the two and I choose the communist ideal In regard to the methods and approach to this ideal, I may not agree with everything that the orthodox communists have done I think that these methods will have to adapt themselves to changing conditions and may vary in different countries But I do think that the basic ideology of communism and its scientific interpretation of history is sound "

এই বিলাকৰপৰা আকৌ দেখা যায় সাম্যবাদ বা সমাজবাদী দৃষ্টিভঙ্গীৰ কাষৰপৰা গান্ধী আৰু নেহেৰু পুনৰ প্ৰায় বিপৰীত মেৰুত অৱস্থান কৰিছিল আৰু সমাজবাদী মতাদৰ্শকে লৈ দুয়োজনে লুকা-ভাকু খেলিছিল। আনকি নেহেৰুৱে কংগ্ৰেছৰ সভাপতি হিচাপে ওৱাৰ্কিং কমিটিত তিনিজন সমাজবাদীক— জয়প্ৰকাশ নাৰায়ণ,

আচাৰ্য নৰেন্দ্ৰদেৱৰ আৰু অচ্যুত পট্টৱৰ্দ্ধন–সদস্যভুক্ত কৰি লৈছিল।[*] কিন্তু সেই এইক্ষেত্ৰত নেহৰুৱে '*A Survey of Congress Politics*, 1936-39'ত লিখিছিল,[*] "The Socialist group, instead of being crusaders for a new idea, became to some extent a sect seeking power and creating opposition among those who did not fall in line with them...The Kishan Sabha frequently functioned as a permanent opposition to the local Congress Committee...In the last, we had members of the Congress Socialist Party in the Working Committee. They continued to remain members of the executive of the C S.P. and often they spoke in different voices. This seems to me to be undesirable . . Soon after my return from Europe in November 1, I was asked about the Congress Presidentship Indeed, so far as Gandhiji was concerned, he expressed his wish repeatedly in my presence that he would like a socialist as President he mentioned Acharya Narendra Deva's name But, for the reasons I have indicated above, I did not take the idea of a socialist being President at this stage."

নিজকে সমাজবাদী বুলি জাহিৰ কৰা নেহেৰুৰ এই মন্তব্য আছিল এফালে অত্যন্ত দুৰ্ভাগ্যপূৰ্ণ আৰু আনফালে তাৎপৰ্যপূৰ্ণ। এই সময়খিনি আছিল গুৰুত্বপূৰ্ণ এই কাৰণেই যে ভাৰতীয় বুৰ্জোৱাই আশা কৰিছিল যে ইয়োৰোপত ফেচীবাদৰ আগ্ৰাসনৰ লগে লগে বৃটেইনে সিহঁতৰ সৈতে এটি মোকাবিলালৈ আহি আপোচৰ মাধ্যমেৰে ক্ষমতাৰ সম্পূৰ্ণ হস্তান্তৰ নকৰিলেও অন্ততঃ সেই ক্ষমতাৰ এক বলিষ্ঠ অংশীদাৰ ৰূপে তেওঁলোকক স্বীকৃতি দিব। তেনে এটি অৱস্থাত হয়তো কংগ্ৰেছৰ সভাপতি জনেই হ'ব ৰাজনৈতিকভাৱে গুৰুত্বপূৰ্ণ লোক তথা নেতা, কাজেই নেহেৰু থাকোতেই অন্য সমাজবাদী এজন কংগ্ৰেছৰ সভাপতি হয় কেনেকৈ? নেহেৰুৰ ৰাজনৈতিক উচ্চাভিলাষ আৰু ক্ষমতাৰ প্ৰতি তীব্ৰ আকৰ্ষণেই সমাজবাদী এজনে কংগ্ৰেছৰ সভাপতি হোৱাটোত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছিল। আদৰ্শতকৈ ক্ষমতাৰ প্ৰতি লোভ আৰু ব্যক্তিস্বাৰ্থই কংগ্ৰেছৰ সভাপতিৰ প্ৰাৰ্থী নিৰ্বাচনত অগ্ৰাধিকাৰ পাই আহিছিল আৰু সিয়ে সাংগঠনিক আৰু দেশীয় স্বাৰ্থৰো ক্ষতি সাধন কৰিছিল।

আনহাতে সমাজবাদক কেন্দ্ৰ কৰি নেহেৰু আৰু গান্ধীয়ে বেলেগ বেলেগ সময়ত বেলেগ বেলেগ স্থিতি লৈ অকল কংগ্ৰেছীসকলৰ মাজতেই নহয় সমাজবাদীসকলৰ মাজতো বিভ্ৰান্তিৰ সৃষ্টি কৰিছিল। ইতিপূৰ্বে উল্লেখ কৰি আহিছোঁ যে কংগ্ৰেছত সমাজবাদীসকলে প্ৰাধান্য লাভ কৰিলে গান্ধীয়ে কংগ্ৰেছ সংগঠনৰ পৰাই আঁতৰি যোৱাৰ ভাবুকি দিছিল, আৰু এতিয়া সেইজন গান্ধীয়েই সমাজবাদী এজনক কংগ্ৰেছৰ সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ আসনত বহুৱাবলৈ প্ৰস্তাৱ কৰিছে (নেহেৰুৰ অভিমতে) সেইটো ভাবিলেই আচৰিত লাগে আৰু তেওঁক ৰাজনৈতিক ভেল্কীবাজী যেনহে লাগে। এইখিনিয়ে প্ৰমাণ কৰে সমাজবাদ সম্পৰ্কে গান্ধী আৰু নেহেৰুৰ মাজত কোনো দ্বন্দ্ব- বিৰোধ নাছিল, একেটা বিন্দুত থাকিয়েই দুয়োজনে সমাজবাদৰ আৰু লগতে সমাজবাদী-

সাম্যবাদীসকলৰ বিৰোধীতা কৰি গৈছিল। নেহেৰুৰ ভাষাত ৰাজনীতিক সকল হ'ল 'a peculiar species of opportunists',[১৭] বোধহয় কথাষাৰ তেওঁৰ ক্ষেত্ৰতো সমানেই প্ৰযোজ্য। ভাৰতীয় জাতীয় বুৰ্জোৱা শ্ৰেণীৰ নেতা নেহেৰুৱে ৰাজনৈতিকভাৱে সমাজবাদী অৱমূৰ্তি এটি সৃষ্টি কৰি দেশৰ যথাৰ্থ সমাজবাদীসকলকো কংগ্ৰেছ সংগঠনৰ নিয়ন্ত্ৰণৰ ভিতৰতেই ৰাখি নিজৰ ৰাজনৈতিক অভিলাষ পূৰণ কৰাৰ সুযোগৰ সন্ধানত আছিল।

নেহেৰুৰ ভাষাতেই আকৌ দেশৰ স্বাধীনতা আন্দোলন আছিল এক বুৰ্জোৱা স্বাধীনতা আন্দোলন,[১৮] " It should be remembered that the nationalist movement in India, like all nationalist movements, was essentailly a bourgeois movement "

ছাত্ৰ-যুৱক,শ্ৰমিক-কৃষক আদি বিপুলায়তন জনসমষ্টিৰ মাজত সমাজবাদী আদৰ্শৰে গঢ়ি উঠা সংগঠনৰ প্ৰসাৰেও নেহেৰুৰ দৰে জাতীয় বুৰ্জোৱাৰ নেতাসকলক সমাজবাদী অৱমূৰ্তি লবলৈ লালায়িত কৰিছিল যেন লাগে। নেহেৰুৰ ক্ষেত্ৰত সমাজবাদী আদৰ্শ যথাৰ্থ হোৱাহেঁতেন তেওঁ ১৯৩৯ চনত নৰেন্দ্ৰ দেৱে কংগ্ৰেছৰ সভাপতিৰ আসনত বহাতো পছন্দ কৰিলেহেঁতেন। আনহাতে গান্ধীয়ে বোধহয় তেওঁৰ বিৰোধী তথা সমাজবাদী শিবিৰত বিভাজন আনিবলৈকেই সুভাষ চন্দ্ৰ বসুৰ বিপৰীতে সমাজবাদী লোক আচাৰ্য নৰেন্দ্ৰ দেৱক কংগ্ৰেছৰ সভাপতিৰ পদ-প্ৰাৰ্থী ৰূপে থিয় কৰোৱাৰ অভিসন্ধি কৰিছিল। অৱশ্যে কথা যিয়েই নহওক এতিয়ালৈকে ৰাজনৈতিক সিদ্ধান্তৰ ক্ষেত্ৰত গান্ধীৰ ইচ্ছাৰ বিপৰীতে, অন্ততঃ লোক দৰ্শিতভাৱে হলেও, এইটোৱেই আছিল নেহেৰুৰ প্ৰথম বিজয়।

কংগ্ৰেছ সমাজবাদী আৰু জাতীয় বুৰ্জোৱাৰ মাজত কংগ্ৰেছৰ ভিতৰতেই চলি থকা দ্বন্দ্ব-সংঘাতৰ বিষয়ে ৰজনী পাম দত্তই বহু বছৰ পূৰ্বেই উল্লেখ কৰি গৈছে,[১৯] " In 1934,a group of younger left nationalist elements, who had come partially under the influence of Marxist ideas in this period formed the Congress Socialist Party, the special character of the Congress Socialist Party was that its membership was made conditional on membership of the National Congress, the party thus constituted a wing within the Congress and discouraged mass membership, the objective effect of this programmatic and constitutional basis (whatever the intention of the progressive elements among its founders) inevitably represented an attempt to subordinate the independence of the working class movement to the control and discipline of the existing dominant leadership of the National Congress which meant in practice of the bourgeoisie "

তথাপিও ক'ব পাৰি, আইন অমান্য আন্দোলনৰ সম-সাময়িকভাৱে কংগ্ৰেছ সংগঠনৰ ভিতৰতেই পোনপটীয়াকৈ সমাজবাদী দল এটি গঢ়ি উঠাটো আছিল ভাৰতবৰ্ষৰ ৰাজনৈতিক ইতিহাসৰ এক উল্লেখনীয় আৰু গুৰুত্বপূৰ্ণ ঘটনা। জাতীয় বুৰ্জোৱাৰ নেতৃত্বত কংগ্ৰেছে আইন অমান্য আন্দোলন স্থগিত কৰিবলৈ গুণা-গঁথা

কৰিবলৈ লোৱাৰ সময়তেই এই ৰাজনৈতিক সংগঠনৰ উৎপত্তি বাৰুকৈয়ে তাৎপৰ্যপূৰ্ণ ঘটনা। জয়প্ৰকাশ নাৰায়ণে লিখিছে," "... the All India Congress Committee was meeting at the same time to call a halt to the programme of Civil Disobedience and to launch out on parliamentary activities It was in the fitness of things that the left-wing also should organise its forces to prevent this drift to the Right."

কংগ্ৰেছ সমাজবাদী দলৰ আশু ৰাজনৈতিক কাৰ্যসূচী আৰু আদৰ্শ ১৯৩৬ চনত মিৰাটত অনুষ্ঠিত দ্বিতীয় সৰ্বভাৰতীয় সন্মিলনত গৃহীত হৈছিল। সমাজবাদী দলৰ ইতিহাসত 'মিৰাট থিচিচ' (Meerut Thesis) বুলি খ্যাত এই ৰাজনৈতিক দলিলত ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য আৰু স্বাধীনতা আন্দোলনত ইয়াৰ ভূমিকা কি হ'ব সেই সম্পৰ্কে ঘোষণা কৰা হৈছিল ১১ "The immediate task before us is to develop the national movement into a real anti-imperialist movement- a movement aiming at freedom from the foreign power and the native system of exploitation For this it is necessary to wean the anti-imperialist elements in the Congress away from its present bourgeois leadership and to bring them under the leadership of revolutionary socialism. This task can be accomplished only if there is within the Congress an organised body of Marxian socialists...

" It follows that the party's own programme must be a Marxist one, otherwise, the party will fail to fulfill its task and leadership Marxism alone can guide the anti-imperialist forces to their ultimate destiny Party members must, therefore, fully understand the technique of revolution, the theory and practice of its class struggle, the nature of the state and the processes leading the socialist society "

মাৰ্ক্সীয় আদৰ্শত কংগ্ৰেছ সমাজবাদী দল গঠন হোৱাৰ ওপৰিও আইন অমান্য আন্দোলনৰ অব্যৱহিত পিছৰ কালছোৱাৰ ৰাজনৈতিক মঞ্চত ভাৰতীয় জনগণৰ ব্যাপক ৰাজনৈতিক আৰু অৰ্থনৈতিক স্বাৰ্থ জড়িত আৰু কেইটামান যুগান্তকাৰী ঘটনা ঘটিছিল। এই আটাইবিলাকৰে সৃষ্টি হৈছিল বিশেষকৈ বিংশ শতিকাৰ প্ৰায় আৰম্ভণীৰে পৰা চলি অহা দেশীয় আৰু আন্তৰ্জাতিক ক্ষেত্ৰৰ ঘটনা প্ৰবাহৰ অভিঘাত-প্ৰতিঘাতৰ পৰিণতি স্বৰূপে। ভাৰতবৰ্ষৰ ৰাজনৈতিক মঞ্চৰ সেই উল্লেখনীয় ঘটনা সমূহ হ'ল; বৃটিশ সংসদত গৃহীত ১৯৩৫ চনৰ ভাৰত শাসন বিধি (India Act of 1935), নিখিল ভাৰত কৃষক সভাৰ সংগঠন (১৯৩৬) আৰু নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ (১৯৩৬) সংগঠন গঢ়ি উঠাটো।

উত্তৰ প্ৰদেশৰ ছাত্ৰ ফেডাৰেচনৰ উদ্যোগত ১৯৩৬ চনৰ আগষ্ট মাহত লক্ষ্ণৌত নিখিল ভাৰত ছাত্ৰ সন্মিলন অনুষ্ঠিত হয়। মহম্মদ আলি জিন্নাই পৌৰোহিত্য কৰা এই সন্মিলন মুকলি কৰিছিল জবাহৰলাল নেহেৰুৱে। মুঠতে দুশ দহটা স্থানীয় আৰু

এঘাৰটা প্ৰাদেশিক ছাত্ৰ সংগঠনক প্ৰতিনিধিত্ব কৰা সৰ্বমুঠ ৯৮৬ জন প্ৰতিনিধিয়ে এই সন্মিলনতেই ভাৰতীয় ছাত্ৰৰ দেশজোৰা ছাত্ৰ সংগঠন নিখিল ভাৰত ছাত্ৰ ফেডাৰেচন (All India Students' Federation) গঢ়ি তোলে।[২২]

এই সন্মিলনত সমবেত হোৱা ছাত্ৰ প্ৰতিনিধিসকলৰ মাজত ৰাজনৈতিক বিষয়ত অংশ গ্ৰহণ কৰা নকৰা সম্পৰ্কে তুমুল বাক্-বিতণ্ডাৰ সৃষ্টি হৈছিল। অভ্যৰ্থনা সমিতিৰ সভাপতি প্ৰেম ভাৰ্গৱৰ আদৰণি ভাষণৰ ওপৰত নিৰ্ভৰ কৰিয়েই ক'ব পাৰি যে এক মহৎ ৰাজনৈতিক উদ্দেশ্য আগত ৰাখিয়েই এই ছাত্ৰ সংগঠন গঢ়ি তোলাৰ কাৰ্যসূচী হাতত লোৱা হৈছিল। তেওঁ দ্ব্যৰ্থহীন ভাষাত কৈছিল,[২৩] " While any deep political colouring need not be an inevitable characteristic of our movement, I for one cannot understand how the rapidly changing conditions of our country we can keep altogether away from it unless, of course, the sole purpose of our education institutions is merely to produce "chorus boys" of British Imperialism "

সন্মিলনত সিদ্ধান্ত কৰা হৈছিল যে ইয়াৰ লক্ষ্য হ'ব[২৪] ".. to prepare the students for citizenship, in order to take their due share in the struggle for complete national freedom, by arousing their political, social and economic consciousness " ১৯৩৬ চনৰ শেহৰ পিনে লাহোৰত শৰৎ চন্দ্ৰ বসুৰ পৌৰোহিত্যত নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ দ্বিতীয় অধিৱেশন অনুষ্ঠিত হয়। সভাপতিৰ ভাষণত বসুৱে সমবেত ছাত্ৰসকলক "সমাগত সৰ্বহাৰাৰ বিপ্লৱৰ প্ৰতি সজাগ" থাকিবলৈ আহ্বান জনাছিল।[২৫] তেওঁ আৰু সঁকিয়াই দিছিল,[২৬] " It is your duty to see that the activities of the intellectuals are linked up with those of the proletarian workers "

১৯৩৮ চনত মাদ্ৰাজত অনুষ্ঠিত নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ অধিৱেশনৰ সভাপতি আছিল মিনু মাছানী।এইখন আছিল নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ তৃতীয় অধিৱেশন। এই অধিৱেশনৰ অধিকাংশ প্ৰতিনিধিয়েই আছিল ছোভিয়েট পন্থী তথা কমিউনিষ্ট ভাৱাপন্ন। বিগত বিশ বছৰত সমাজতান্ত্ৰিক পুনৰ গঠনৰ ক্ষেত্ৰত লাভ কৰা কৃতকাৰ্যতা আৰু ফেচীবাদ বিৰোধী ভূমিকাৰ বিষয়ে উল্লেখ কৰি এই অধিৱেশনতেই ছোভিয়েট দেশ সম্পৰ্কীয় এটি প্ৰস্তাৱ উত্থাপন কৰা হৈছিল। প্ৰস্তাৱটোত কোৱা হৈছিল,[২৭] " This conference is of emphatic opinion that Soviet Russia is the one country in the whole world which is consistently following the policy of peace and progress whilst its very existence serves as a beacon light to the oppressed of all nationalities in general and the International Student movement in particular It calls upon all students in the different countries of the world to emphatically condemn any aggression by fascist or capitalist countries on the Soviet Union and help it morally and materially in the event of any attack. This conference congratulates the Union of Soviet Social-

ist Republics on its successful completion of twenty years of socialist construction in Russia and views with great satisfaction the inauguration of the new constitution, the most democratic in the world."

এই প্ৰস্তাৱে অধিৱেশনত তুমুল আলোড়নৰ সৃষ্টি কৰিছিল। প্ৰস্তাৱটোৰ ওপৰত ভোটৰ জৰিয়তে চূড়ান্ত সিদ্ধান্ত লোৱাৰ ব্যৱস্থা কৰাত দেখা গৈছিল যে এঘাৰটা প্ৰাদেশিক প্ৰতিনিধি গোটৰ ভিতৰত কেৱল দুটা গোটৰহে ভোটাধিকাৰ সাব্যস্ত কৰাৰ বাবে প্ৰয়োজনীয় যোগ্যতা আছিল যিহেতু সেই দুটা প্ৰাদেশিক গোটৰহে চাঁদা আদায় দিয়া আছিল। এনে পৰিস্থিতিত সভাপতি মাছানীয়ে পিছদিনালৈ সভাৰ কাৰ্যসূচী স্থগিত ৰাখে আৰু পিছদিনা সভা অনুষ্ঠিত হোৱাৰ লগে লগে তেওঁ অধিৱেশনটোই ভঙ্গ কৰি দিয়ে।[৮]

প্ৰণিধানযোগ্য যে এই সময়ত মাছানী কংগ্ৰেছ সমাজবাদী দলৰ যুটীয়া সম্পাদক আছিল আৰু সেই দলৰ ভিতৰতো তেওঁ সোপন্থী ৰূপে পৰিচিত আছিল। গতিকে মাছানীৰ দৰে সোপন্থী সমাজবাদী ৰাজনীতিক এজনৰ দ্বাৰা মাদ্ৰাজত অনুষ্ঠিত নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ অধিৱেশন ভঙ্গ কৰি দিয়াটো একো আচৰিত কথা হোৱা নাছিল। কিন্তু সচাৰচৰ ৰাজনীতিকসকলে কৰাৰ দৰে তেৰোঁ অধিৱেশন ভঙ্গ কৰাৰ অভিযোগ এটি কমিউনিষ্টসকলৰ ওপৰতহে জাপি দিছিল,[৯] – " as a result of communist indiscipline " তেওঁ আৰু কৈছিল,[১০] " The All India Students' Federation, which had till then been run by nationalists including students attracted towards the Congress Socialist Party, now begun to see a communist faction raise its head " সমাজবাদী নামধাৰী সোঁপন্থী ৰাজনীতিক মাছানীৰ এই ভাষ্য আছিল সত্যৰ অপলাপ মাত্ৰ। কিয়নো নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ সংগঠন গঢ়ি উঠিছিল মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি অনুৰক্ত ছাত্ৰ আৰু সাম্যবাদী সকলৰ উদ্যোগত।[১১]

আমি উল্লেখ কৰি অহা মাছানীৰ ভাষ্য যে ঐতিহাসিক সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয় তাক বিজয় চন্দ্ৰ শৰ্মাই লিখা কথা এষাৰেই প্ৰমাণ কৰে। বিজয় চন্দ্ৰ শৰ্মাই লিখিছে,[১২] " . ১৯৩৬ চনত কংগ্ৰেছৰ প্ৰতি কমিউনিষ্ট পাৰ্টিৰ নীতি সলনি হোৱাৰ কাৰণে কমিউনিষ্টসকলে কংগ্ৰেছ সমৰ্থক কৰ্মীসকলেৰে এই নিখিল ভাৰত ছাত্ৰ ফেডাৰেছন গঠন কৰাত বেছি সুবিধা হয়।... নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনত প্ৰথমে সকলো ৰাজনৈতিক মতাৱলম্বী ছাত্ৰই যোগ দিছিল-তাত প্ৰাধান্য আছিল কমিউনিষ্টসকলৰ . ।" তেওঁ আকৌ কৈছে,[১৩] "কমিউনিজমৰ প্ৰতি ছাত্ৰ সমাজৰ এটা ভাল ভাব আছিল– তাৰোপৰি কমিউনিষ্ট পাৰ্টিয়ে কংগ্ৰেছৰ সহযোগিতাত কাম কৰিছে – সেই কাৰণে দিনে দিনে কমিউনিষ্টসকলৰ প্ৰাধান্য বাঢ়ি আহিবলৈ ধৰিলে আৰু নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনো আন এখন সম্পূৰ্ণ ৰাজনৈতিক অনুষ্ঠানত পৰিণত হয়।"

গতিকে দেখা যায় নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ সংগঠন আৰু ইয়াৰ

ৰাজনৈতিক ভূমিকা কমিউনিষ্ট পাৰ্টিৰহে অৱদান আৰু সেই স্বীকৃতি কমিউনিষ্ট মতাৱলম্বী সকলৰহে প্ৰাপ্য। সি বি কি নহওক মাছানীৰ এই কাৰ্যৰ প্ৰতিবাদত ছাত্ৰসকলে লগে লগেই পৃথক অধিৱেশন এখন আহ্বান কৰিলে। এই অধিৱেশনে নতুন সভাপতি এজন নিৰ্বাচন কৰি মাছানীৰ ওপৰত অনাস্থা প্ৰস্তাৱ গ্ৰহণ কৰিলে।[৬৪] এইদৰে মাদ্ৰাজ অধিৱেশনতে নিখিল ভাৰত ছাত্ৰ ফেডাৰেছন- কমিউনিষ্ট আৰু অ-কমিউনিষ্ট– দুটা পৰস্পৰ বিৰোধী সংগঠনত বিভক্ত হৈ পৰে আৰু উভয়ে নিজকে নিখিল ভাৰত ছাত্ৰ ফেডাৰেছন বুলি দাবী কৰিবলৈ ধৰে। কিন্তু কংগ্ৰেছ সমাজবাদী দল আৰু কমিউনিষ্ট দলৰ মাজত যুক্ত ফ্ৰন্ট নীতি বৰ্তি থকা কালছোৱাত নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ—কমিউনিষ্ট অ-কমিউনিষ্ট—পৃথক অধিৱেশন অনুষ্ঠিত হোৱা নাছিল।

১৯৩৯ চনৰ ১/২ জানুৱাৰীত কলিকতাত নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ চতুৰ্থ অধিৱেশন অনুষ্ঠিত হয়। শৰৎ চন্দ্ৰ বসুৱে মুকলি কৰা আৰু কে.এম আশ্ৰফে সভাপতিত্ব কৰা এই অধিৱেশনত জৱাহৰলাল নেহেৰুৱেও ভাষণ দিছিল।[৬৫] দিল্লীত অনুষ্ঠিত পঞ্চম অধিৱেশনত ( জানুৱাৰী, ১৯৪০) সভাপতিত্ব কৰিছিল সুভাষ চন্দ্ৰ বসুৱে। মাদ্ৰাজ অধিৱেশন আৰু দিল্লী অধিৱেশনৰ মাজৰ কালছোৱাত নিখিল ভাৰত ছাত্ৰ ফেডাৰেছন-ত কমিউনিষ্ট মতাৱলম্বী ছাত্ৰৰ সংখ্যা অভূতপূৰ্বভাৱে বৃদ্ধি পায়।

এই খিনিতে কংগ্ৰেছৰ নেতৃত্বত চলা স্বাধীনতা আন্দোলনৰ বিষয়ে সম্যক আলোচনা কৰাতো প্ৰয়োজন।

১৯৩৯ চনৰ শেহৰ পিনে আন্তৰাষ্ট্ৰীয় ৰাজনীতিত যুদ্ধ পৰিস্থিতিয়ে দেখা দিয়ে। সেই বছৰৰে পহিলা ছেপ্তেম্বৰৰ দিনা জাৰ্মানীয়ে পোল্যাণ্ড আক্ৰমণ কৰে আৰু তিনি ছেপ্তেম্বৰত ইংল্যাণ্ড আৰু ফ্ৰান্সে যুটীয়াভাৱে পোল্যাণ্ডৰ সমৰ্থনত জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। ইংল্যাণ্ডে সিহঁতৰ পদানত দেশ ভাৰতবৰ্ষকো জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধৰত দেশ বুলি ঘোষণা কৰে। এই ঘটনাৰ লগে লগেই ইংল্যাণ্ডকপৰা স্বাধীনতাকাংক্ষী ভাৰতবৰ্ষৰ জাতীয় সন্মান আৰু মৰ্যদাও দ্বিতীয় বিশ্ব মহাৰণৰ সৈতে সংপৃক্ত হৈ পৰিল।

ভাৰতবৰ্ষৰ জাতীয় ৰাজনৈতিক দলসমূহৰ সন্মতি ব্যতিৰেকে ইংল্যাণ্ডে ভাৰতকো যুদ্ধৰত দেশ বুলি ঘোষণা কৰাৰ প্ৰতিবাদত নৱেম্বৰ মাহত ১৯৩৫ চনৰ ভাৰত শাসন বিধি অনুযায়ী১৯৩৭ চনত অনুষ্ঠিত নিৰ্বাচনৰ ফলস্বৰূপে প্ৰদেশসমূহত গঠিত কংগ্ৰেছ চৰকাৰ সমূহে পদত্যাগ কৰে। যুদ্ধৰ আৰম্ভণীতে যুদ্ধকালিন সময়ত দেশৰ স্বাধীনতাৰ প্ৰশ্নৰ বিষয়ত পোনপটীয়া আৰু আনুষ্ঠানিকভাৱে কংগ্ৰেছৰ নীতি নিৰ্দ্ধাৰণ নকৰি গান্ধী-নেহেৰুকে আদি কৰি কংগ্ৰেছ নেতৃবৃন্দই বৃটিশ সাম্ৰাজ্যৰ সম্ভাব্য বিপদৰ আশঙ্কাত ভীত বিহ্বল তথা শোকাভিভূত হৈ পৰিছিল।

৫ ছেপ্তেম্বৰ তাৰিখে গান্ধীয়ে ভাৰতস্থ বৃটিশ ৰাজপ্ৰতিনিধি লৰ্ড লিনলিথগোৰ সাক্ষাত কৰিছিল। যুদ্ধৰ আৰম্ভণীৰেপৰা গান্ধীৰ মনন-চিন্তনত দেশৰ স্বাধীনতাতকৈ ইংল্যাণ্ডৰ নিৰাপত্তাৰ প্ৰশ্নটোৱে বিশেষ গুৰুত্ব লাভ কৰি আহিছিল আৰু এতিয়া এই সাক্ষাতকাৰৰ সময়ত গান্ধীৰ সেই দৃষ্টিভঙ্গীৰ বহিঃ প্ৰকাশ ঘটিছিল। এই সাক্ষাতকাৰৰ সময়ত তেওঁৰ মনত উদয় হোৱা অৱস্থাৰ বিষয়ে তেওঁ কৈছিল,[৬৬] " I told him that

I could not contemplate without being stirred to the very depth the destruction of London which had hitherto been regarded as impregnable. And as I was picturing before him the Houses of Parliament and the West Minister Abbey and their possible destruction, I broke down."

*নেহেৰু আছিল গান্ধীৰ সঠিক অনুগামী। ৮ ছেপ্তেম্বৰত নেহেৰুৱে দিয়া এটি মন্তব্যত বৃটিশ সাম্ৰাজ্যবাদৰ প্ৰতি তেওঁৰ দৰদ উথলি উঠা দেখা পাওঁ,* "We do not approach the problem with a view to taking advantage of Britain's difficulties... In a conflict between democracy and freedom on the one side and Fascism and aggression on the other, our sympathies must inevitably lie on the side of democracy. I should like India to play her full part and throw all her resources into the struggle for a new order" *১৯৪০ চনৰ ২০ মে' তাৰিখে নেহেৰুৱে আকৌ দোহাৰিছিল,*
" Launching a civil disobedience campaign at a time when Britain is engaged in life and death struggle would be an act derogatory to India's honour"

*তেওঁৰ* ***Discovery of India*** *গ্ৰন্থত উল্লেখ থকা মতে নেহেৰুৱে সেই সময়ত স্বাধীনতা আন্দোলন পুনৰাৰম্ভ কৰাৰ বাৰম্বাৰ বিৰোধিতা কৰিছিল। কংগ্ৰেছক* "a semi-revolutionary organisation" *ৰূপে আখ্যায়িত কৰি তেওঁ লিখিছে,*
" Congress,which had been on the verge of civil disobedience, could not think in terms of any such movement while the very existence of free England hung in the balance." *বোধহয় সেই সময়তেই কমিউনিষ্ট সকলে স্বাধীনতা আন্দোলন পুনৰ আৰম্ভ কৰাৰ বাবে দাবী তোলাৰ প্ৰতি লক্ষ্য ৰাখি (যথাৰ্থতে কমিউনিষ্ট সকলে নিজা ধৰীয়াকৈ আন্দোলন আৰম্ভ কৰিছিলেই) তেওঁলোকৰ প্ৰতি কটাক্ষ কৰি নেহেৰুৱে পুনৰ লিখিছিল,* " There were some people, of course, who thought that England's difficulty and peril were India's opportunity, but the leaders of the Congress were definitely opposed to any such advantage being taken of a situation full of disastrous foreboding for England, and declared so publicly All talk of civil disobedience was given up for the time being." *গান্ধীও একেদৰেই কৈছিল,* " We do not seek our independence out of Britain's ruin That is not the way of non-violence "

*আচৰিত কথা যে গান্ধী-নেহেৰুৰ দৰে নিভাজ জাতীয়তাবাদী নেতাৰ চিন্তা আৰু কাৰ্য পদ্ধতিত দেশৰ জাতীয় স্বাধিকতকৈ ইংলেণ্ডৰ নিৰাপত্তাইহে অহৰহ বিশেষ অগ্ৰাধিকাৰ পাইছিল। তাৰ অৰ্থ আছিল, তেওঁলোকৰ মতে, ইংলেণ্ড যুদ্ধত লিপ্ত থকা অৱস্থাত সেই দেশৰ দ্বাৰা পদানত ভাৰতবৰ্ষৰ স্বাধীনতাৰ সংগ্ৰাম আৰম্ভ কৰা নহব, যুদ্ধ যিমান দিনলৈ চলি থাকিব বৃটিশ সাম্ৰাজ্যৰ স্বাধীন দেশ ইংলেণ্ডৰ পদানত হৈ*

থাকিব— এনে এটা ভাৱে কংগ্ৰেছ মহলত বাকচেত্ৰে ঠাই পাইছিল।
অৱশ্যে কংগ্ৰেছ সভাপতি মৌলানা আবুল কালাম আজাদৰ দৃষ্টিভংগী আছিল এই ক্ষেত্ৰত ব্যতিক্ৰম। বিশেষকৈ সেই সময়ত গান্ধীৰ ভূমিকা সম্পৰ্কে আজাদে লিখিছিল," " For him the issue was one of pacifism and not of India's freedom I declared openly that the Indian National Congress was not a pacifist organisation but one for achieving India's freedom To my mind, therefore, the issue raised by Gandhiji was irrelevant."

চৰকাৰ তথা ৰাষ্ট্ৰ ক্ষমতা দখল কৰাটোৱেই হ'ল স্বাধীনতা সংগ্ৰামীৰ মূল আৰু প্ৰাথমিক কৰ্তব্য। বিশ্বৰ বিভিন্ন দেশৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসে তাকেই প্ৰতীয়মান কৰিছে। ১৯৩৭ চনৰ নিৰ্বাচনৰ জৰিয়তে চৰকাৰ গঠন কৰি ক্ষমতাত অধিষ্ঠিত হৈ যুদ্ধকালিন সময়ত স্বাধীনতা ঘোষণা কৰাৰ সুযোগ পোৱা স্বত্তেও কংগ্ৰেছে সেই সুযোগ গ্ৰহণ নকৰি ১৯৩৯ চনত মন্ত্ৰীত্ব ত্যাগ কৰি সাম্ৰাজ্যবাদীৰহে স্বাৰ্থ পূৰণ কৰিছিল। গতিকে লোক দেখুওৱাকৈ মন্ত্ৰীত্ব ত্যাগ কৰি কংগ্ৰেছে বৃটিশ সাম্ৰাজ্যবাদীৰ লগতে দলীয় স্বাৰ্থ পূৰণ কৰিলেও জাতীয় স্বাৰ্থ হলে মুঠেও পূৰণ কৰা নাছিল। এই কৌশলে অৱশ্যে বৃটিশৰ সৈতে আপোচ কৰিবলৈ কংগ্ৰেছৰ বাবে ভৱিষ্যতলৈ অপৰ্যাপ্ত সুযোগ-সুবিধা উলিয়াই দিয়াৰ ব্যৱস্থা কৰিছিল। আৰু স্বৰূপাৰ্থত সেইটো হৈছিলো। এই সময়ছোৱাত বৃটিশ সাম্ৰাজ্যবাদীইতৰ লগত কেবাবাৰো আপোচ কৰিবলৈ গৈ ব্যৰ্থ হোৱাৰ পাছত কংগ্ৰেছৰ দ্বাৰা গান্ধীৰ নেতৃত্বত পুনৰ সীমিত আকাৰৰ আন্দোলনৰ পথ বাছি লোৱা হৈছিল।

এইটো আছিল চাউলো সিজক আৰু মিঠিবো ৰওঁক বিধৰ নীতি, আন্দোলনৰ ভেকোভাওনা পাতি দেশৰ স্বাধীনতা প্ৰত্যাশী অনুগামী সকলকো সন্তুষ্ট কৰি ৰখা হওক আৰু বৃটিশ শাসনকৰ্তা সকলকৰ বিশ্বাসতো থকা হওক। মুঠতে শাসন ব্যৱস্থাৰ প্ৰতি কোনো প্ৰত্যাহ্বানৰ সৃষ্টি নহলেই হ'ল, কথা সিমানেই। অৰা চাঁদৰ লিখনীত এষাৰ সুন্দৰ কথা পাও," " Gandhi had ruled out mass civil disobedience, for he did not wish to embarrass the Government. The only course open was individual civil disobedience which did not amount to a challenge to authority "

গান্ধীৰ নেতৃত্বত কংগ্ৰেছৰ এই একক সত্যাগ্ৰহ ১৯৪০ চনৰ ১৭ অক্টোবৰৰ পৰা ১৭ নবেম্বৰলৈ চলিছিল। ১৭ নবেম্বৰৰ পৰা ১৭ ডিচেম্বৰলৈ আন্দোলনৰ নতুন পৰ্যায় এটা চলিছিল আৰু সেইটো আছিল প্ৰতিনিধিত্বমূলক সত্যাগ্ৰহ।" ১৭ ডিচেম্বৰত গান্ধীৰ দ্বাৰা স্থগিত কৰা এই আন্দোলনৰ কাৰ্যসূচী পুনৰ ৫ জানুৱাৰীৰ পৰা(১৯৪১) আৰম্ভ কৰা হৈছিল। ঐতিহাসিক ৰমেশ চন্দ্ৰ মজুমদাৰে গান্ধীৰ দ্বাৰা পৰিচালিত এই লানি আন্দোলনে জনসাধাৰণৰ ওপৰত পেলোৱা প্ৰভাৱ সম্পৰ্কে কৈছে," "It had created little interest and less excitement among the masses " গান্ধীৰ দ্বাৰা পৰিচালিত এই একক সত্যাগ্ৰহৰ বিষয়ে তেওঁৰ বিশ্বস্ত অনুগামী নেহেৰুৱে লিখিছে," "... our object was not to create trouble." ৰজনী পাম দত্তৰ ভাষাত " " It

was to be no struggle for freedom but a symbolic stayagraha for asserting the right of free speech."

১৯৪০ চনৰ ১৭ অক্টোবৰৰ পৰা এবা ধৰা কৰি বিভিন্ন পৰ্যায়ৰ মাজেৰে চলা এই আন্দোলনত ১৯৪১ চনৰ ২৪ মে' পৰ্যন্ত সমগ্ৰ দেশতে ২০,০০০ সত্যাগ্ৰহীয়ে অংশ গ্ৰহণ কৰি কাৰাবৰণ কৰিছিল। তাৰ ভিতৰত আছিল ৩১৮ জন প্ৰাদেশিক বিধান সভা সমূহৰ সদস্য আৰু ২২ জন কেন্দ্ৰীয় বিধান পৰিষদৰ সদস্য।"

দ্বিতীয় বিশ্ব মহাৰণ আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত কংগ্ৰেছ নেতৃবৃন্দৰ ভূমিকা আৰু স্বাধীনতা আন্দোলনৰ গতিধাৰাই জনগণক আৰ্কষণ কৰাতো দূৰৰে কথা সংগঠনৰ ভিতৰতে বহুলোকক অসন্তুষ্ট তথা হতাশাগ্ৰস্ত কৰি তুলিছিল। এই সম্পৰ্কে ঐতিহাসিক মজুমদাৰে দিয়া মন্তব্য বিশেষ প্ৰণিধানযোগ্য," "The futility of such a campaign was recognised by most people, and even Congressmen who had suffered imprisonment for it joined with them in an appeal to call off the movement. But Gandhi would never withdraw it, nor convert it into a mass movement as a large section desired, for he feared that the mass action during the war would embarrass the Govemment" ৰজনী পাম দত্তয়ো একেই সুৰত লিখিছে," "The purely symbolic method of individual satyagraha was chosen in order to cause no embarrassment;and indeed the semi-official historian, Sir Reginal Coupland has admitted that " the campaign had not seriously embarrassed the Government".

কংগ্ৰেছ নেতৃত্বৰ এই আপোচকামী দৃষ্টিভঙ্গীৰ বিপৰীতে কমিউনিষ্ট পাৰ্টিৰ ৰাজনৈতিক দৃষ্টিভঙ্গী আৰু কৰ্মপন্থা আছিল সময়োপযোগী। কিয়নো" "At the end of 1940 the communists decided to capitalise on Britain's preoccupation with the war and seize the opportunity to overthrow the Raj in India."

সি যি কি নহওক, বৃটিশে যুদ্ধ আৰম্ভ হোৱাৰ প্ৰায় লগে লগেই যুদ্ধৰ বাবে অৰ্থ সংগ্ৰহৰ ব্যৱস্থা কৰে। ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত এফালে যুদ্ধৰ প্ৰতি জনসমৰ্থন লাভৰ আৰু আনফালে যুদ্ধ প্ৰদৰ্শনী পাতি তাৰ মাধ্যমত পুঁজি সংগ্ৰহৰ ব্যৱস্থা কৰিছিল। এই যুদ্ধ প্ৰদৰ্শনী পাতি ধন সংগ্ৰহৰ বিৰোধীতা কৰাৰ কাৰ্যপন্থা পোনতে নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনেই কৰিছিল। বিজয় চন্দ্ৰ শৰ্মাই লিখিছে," "ভাৰতবৰ্ষৰ ছাত্ৰ সম্প্ৰদায়ে এই যুদ্ধ প্ৰদৰ্শনীৰ বিক্ষোভ প্ৰদৰ্শন কৰাত আগভাগ লৈছিল। এই বিক্ষোভত ছাত্ৰ ফেডাৰেছনেই ছাত্ৰ সাধাৰণক নেতৃত্ব কৰিছিল। যুদ্ধৰ কালত অশান্তি দমনৰ নামত বৃটিছ সাম্ৰাজ্যবাদে পোন প্ৰথমেই আক্ৰমণ আৰম্ভ কৰিছিল ছাত্ৰ জনসাধাৰণৰ ওপৰত। ছাত্ৰ সাধাৰণৰ ওপৰত অত্যাচাৰ নিৰ্যাতন আৰম্ভ হ'ল। এই লাঞ্ছনাৰ প্ৰতিকাৰ বিচাৰি ছাত্ৰসকলে ঠায়ে ঠায়ে স্কুল-কলেজ ধৰ্মঘট আদিৰ জৰিয়তে চৰকাৰৰ বিৰোধীতা কৰিবলৈ ধৰিলে। ইয়াৰো নেতৃত্ব কৰিছিল ছাত্ৰ ফেডাৰেছনে।"

ছাত্ৰসকলৰ দ্বাৰা সংগঠিত যুদ্ধ বিৰোধী বিক্ষোভৰ পৰিপ্ৰেক্ষিতত চলা

সাম্ৰাজ্যবাদী দমন-নিপীড়নৰ পৰিবেশতেই ১৯৪০ চনৰ ২৫ ডিচেম্বৰ তাৰিখে নাগপুৰত নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ ষষ্ঠ অধিৱেশন অনুষ্ঠিত হৈছিল। এই অধিৱেশনতেই গান্ধীৰ একক সত্যাগ্ৰহৰ ক্ষেত্ৰত কমিউনিষ্ট ভাবাপন্ন ছাত্ৰ প্ৰতিনিধিসকলে বিৰোধীতা কৰিছিল। আনহাতে অ-কমিউনিষ্ট তথা জাতীয়তাবাদীসকলে ইয়াৰ প্ৰতি সমৰ্থন দিছিল। এই ঘটনাক কেন্দ্ৰ কৰিয়েই তৎকালেই নিখিল ভাৰত ছাত্ৰ ফেডাৰেছন দুভাগত বিভক্ত হয়, কে এম আশ্ৰফ আৰু হীৰেন মুখাৰ্জীৰ নেতৃত্বত থাকিল কমিউনিষ্ট পন্থীসকল আৰু এম এল শ্বাহ আৰু অৰবিন্দ বসুৰ নেতৃত্বত ৰ'ল অ-কমিউনিষ্ট তথা জাতীয়তাবাদী সকল। Overstreet আৰু Windmiller য়ে উল্লেখ কৰিছে যে সেই সময়ত গান্ধীয়ে ছাত্ৰসকলে ৰাজনীতি ত্যাগ কৰিব লাগে বুলি দিয়া পৰামৰ্শৰ পৰিপ্ৰেক্ষিততহে নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ বিভাজন সংঘটিত হৈছিল। একালৰ যুৱ-কংগ্ৰেছ কৰ্মী বিজয় চন্দ্ৰ শৰ্মাইয়ো উল্লেখ কৰিছে যে বৃটিছ "বিদ্বেষৰ ফল স্বৰূপে, দেশত গঢ় লৈ উঠা ছাত্ৰ সাধাৰণৰ ক্ৰমবৰ্দ্ধমান ধৰ্মঘট প্ৰীতিক গান্ধীজীয়ে অনুমোদন কৰিব নোৱাৰিছিল।" ফলশ্ৰুতিত নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ বিভাজন এক ঐতিহাসিক প্ৰয়োজনত পৰিণত হৈছিল।

প্ৰণিধানযোগ্য যে বিভাজনৰ সময়ত আশ্ৰফে গান্ধীৰ একক সত্যাগ্ৰহক " a very poor protest against the imposition of belligerency on India" বুলি অভিমত দিছিল। জাতীয়তাবাদী ছাত্ৰসকলে পিছত নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছ (All India Students' Congress) নামে এটি ছাত্ৰ সংগঠন গঢ়ি তুলিছিল। দেশে স্বাধীনতা পোৱাৰ পিছত ১৯৪৮ চনত ই ভাঙি যায়।

আমি পূৰ্বে উল্লেখ কৰি অহা অসম ছাত্ৰ সন্মিলনেই আছিল ১৯৩৯ লৈ সমগ্ৰ অসমৰে ছাত্ৰ সকলৰ প্ৰাদেশিক ছাত্ৰ সংগঠন। ১৯২৬ চনত গঠিত সুৰমা ভেলী ছাত্ৰ ফেডাৰেছনেই ছিলেট আৰু কাছাৰ জিলাৰ ছাত্ৰ সংগঠন আছিল। এই সুৰমা ভেলী ছাত্ৰ ফেডাৰেছনৰ ওপৰত " All Bengal Students' Association" আৰু " Bengal Provincial Students' Association" নামে বঙ্গীয় ছাত্ৰানুষ্ঠান দুটাৰ প্ৰভাৱ পৰিছিল। ১৯৩৭ চনত মধুসিংহৰ প্ৰচেষ্টাত সদৌ মণিপুৰ ছাত্ৰ ফেডাৰেছন গঠিত হয়।

১৯৩৯ চনৰ আদি ভাগত নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ যুটীয়া সম্পাদক বিশ্বনাথ মুখাৰ্জীৰ চেষ্টাত আৰু ছাত্ৰ নেতা দধি মহন্ত, কীৰ্তি বৰদলৈ, চিদানন্দ শইকীয়া, ধীৰেশ্বৰ কলিতা, ভদ্ৰকৃষ্ণ গোস্বামী, ৰমেশ শৰ্মা, নন্দেশ্বৰ তালুকদাৰ, মদন বৰপূজাৰী, শ্ৰীমান প্ৰফুল্ল গোস্বামী, যদু শইকীয়া, বিনয় চক্ৰবৰ্ত্তী, নীলমণি বৰঠাকুৰ, ধীৰেন দত্ত, পবিত্ৰ ৰায়, বিষ্ণু ৰাভা আদিৰ সহযোগত অসম ছাত্ৰ সন্মিলন নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ অন্তৰ্ভূক্ত হয় আৰু তেতিয়াৰ পৰাই ইয়াৰ নাম হয় অসম ছাত্ৰ ফেডাৰেছন।

সৰ্বভাৰতীয় প্ৰেক্ষাপটত ঘটাৰ দৰে অসমতো ছাত্ৰ ফেডাৰেছনৰ সংগঠনত সমাজবাদী আৰু কমিউনিষ্ট মতাদৰ্শৰ ছাত্ৰ সকলেই আগভাগ আৰু মুখ্য ভূমিকা লৈছিল। অসম ছাত্ৰ সন্মিলন অসম ছাত্ৰ ফেডাৰেছনলৈ অৰ্থাৎ কমিউনিষ্ট সকলৰ

নেতৃত্বত কমিউনিষ্ট প্ৰভাৱাধীন ছাত্ৰ সংগঠনলৈ পৰিৱৰ্তিত হোৱাৰ এক দীঘলীয়া কাহিনী আছে, সেই বিষয়ে বিশদভাৱে আলোচনা কৰাৰ আগতে আমি ১৯৩৯ চনত যোৰহাটত অনুষ্ঠিত অধিৱেশন সম্পৰ্কে গৌৰীশঙ্কৰ ভট্টাচাৰ্যই কোৱা কিছু কথাৰ উল্লেখ কৰিব বিচাৰিছোঁ। তেওঁ কৈছে,[৩০] "১৯৩৯ চনৰ এপ্ৰিল মাহত পূৰ্ণ পয়োভৰেৰে যোৰহাটত অসম ছাত্ৰ সন্মিলনৰ অধিৱেশন বহিল। অধ্যাপক তুলসী নাৰায়ণ শৰ্মা অভ্যৰ্থনা সমিতিৰ সভাপতি আৰু অধ্যাপক হুমায়ুন কবীৰ মূল সভাৰ সভাপতি। শ্ৰীমান প্ৰফুল্ল গোস্বামী আগতীয়াকৈ যোৰহাটলৈ বাওনা হ'ল। যাৱৰ সময়ত মোক দঢ়াই দঢ়াই কৈ গ'ল যে মই যেন দহোকুৰি কামৰ মাজতো তাত যথা সময়ত হাজিৰ হওঁগৈ। সুৰমা উপত্যকাৰ পৰা ৰায়বাহাদুৰ হেম দত্তৰ পুত্ৰ বিখ্যাত কমিউনিষ্ট ছাত্ৰ নেতা সত্যব্ৰত দত্ত, গোলাঘাটৰ পৰা কমিউনিষ্ট উকীল হৈ কাশী হিন্দু বিশ্ববিদ্যালয়ৰ পৰা অহা যদু শইকীয়া আৰু গোলাঘাটৰ কমিউনিষ্ট ভাবাপন্ন ছাত্ৰসকলে 'নিখিল ভাৰত ছাত্ৰ ফেডাৰেচন' নামৰ কমিউনিষ্ট প্ৰভাৱাধীন ছাত্ৰ ফেডাৰেচনৰ গোট গঢ়ি তুলিছিল।... এইদৰে 'অসম ছাত্ৰ সন্মিলনে' নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ শাখালৈ ৰূপান্তৰিত হৈ সৰ্বভাৰতীয় ৰূপ লয় আৰু অধ্যাপক হুমায়ুন কবীৰ তাৰ সভাপতি আৰু মই প্ৰধান সম্পাদক নিৰ্বাচিত হওঁ।"

এইখিনিতেই উল্লেখ কৰিব পাৰি যে যোৰহাট অধিৱেশনৰ পিছতেই কমিউনিষ্ট নেতা মণচুৰ হবিব আৰু বিশ্বনাথ মুখাৰ্জীয়ে বিষ্ণু বৰা, চিদা শইকীয়া, শিৱ সেন, মাধৱ ডেকা, হৰেন দুৱৰা, প্ৰফুল্ল শইকীয়া, নামেশ্বৰ পেগু আৰু বিমলা বৰপূজাৰীক লৈ অসম ছাত্ৰ ফেডাৰেচনৰ ভিতৰতেই এটি কমিউনিষ্ট ছাত্ৰ গোটৰ সংগঠন গঢ়ি তুলিছিল। বামপন্থী ভাবধাৰাৰ ছাত্ৰ-যুৱকৰ প্ৰচেষ্টাতেই প্ৰথম বাৰৰ বাবে অসমত ১৯৩৯ চনৰ ৭ নবেম্বৰ তাৰিখে গোলাঘাটত তাৰা প্ৰসাদ বৰুৱাৰ সভাপতিত্বত হোৱা সভাত মহান অক্টোবৰ বিপ্লৱৰ বাৰ্ষিক উৎসৱ অনুষ্ঠিত কৰা হৈছিল।[৩১]

১৯৩৯ চনৰ পিছে অসম ছাত্ৰ ফেডাৰেছনৰ এখন যৌথ অধিৱেশন অনুষ্ঠিত হয় শিলচৰত। ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় সমিতিৰ সদস্য খলি ৰাহ্‌মিৰালাই ভাষণ দিয়া এই অধিৱেশন উপলক্ষে উভয় ফেডাৰেছনৰ পৰা প্ৰায় ৬০০ প্ৰতিনিধিয়ে যোগদান কৰিছিল। এই অধিৱেশনতেই দুই সংগঠনে যুটীয়াভাৱে কাম কৰাৰো সিদ্ধান্ত লৈছিল আৰু দেশৰ স্বাধীনতা আন্দোলনত বৃটিশ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে জনসাধাৰণক নেতৃত্ব দিয়া আৰু তদানীন্তন অসমৰ ক্ষমতাসীন কংগ্ৰেছ দলৰ দ্বাৰা ডিগবৈৰ তেল কোম্পানীৰ ধৰ্মঘটকাৰী শ্ৰমিকৰ ওপৰত কৰা গুলি চালনাৰ প্ৰতিবাদ কৰি বৰদলৈ মন্ত্ৰীসভাৰ পদত্যাগৰ দাবী জনাইছিল।[৩২] ইতিপূৰ্বে শ্ৰীমান প্ৰফুল্ল গোস্বামী আৰু বিষ্ণু বৰাই অসম ছাত্ৰ ফেডাৰেছনৰ হৈ ডিগবৈ ভ্ৰমণ কৰি তাত প্ৰায় ১০,০০০ লোকৰ এক বিশাল জন সভাত ভাষণ দি বৃটিশ পুঁজিৰ স্বাৰ্থক সুৰক্ষা দিয়াৰ বাবে বৰদলৈ মন্ত্ৰীসভাক গৰিহণা দিয়াৰ লগতে ধৰ্মঘটকাৰী তেল শ্ৰমিকসকলৰ সৈতে সৌহাৰ্দ্য স্থাপন কৰি অসমৰ ছাত্ৰসকলৰ ফালৰপৰা সহযোগিতাৰ আশ্বাস দিছিল।[৩৩]

এইদৰে দেখা যায় ভাৰতবৰ্ষৰ অন্যান্য ঠাইৰ দৰে অসমতো ছাত্ৰসকলেই প্ৰথমতে বামপন্থী ৰাজনৈতিক চিন্তাধাৰাৰ প্ৰতি আকৰ্ষিত হয়। মাৰ্ক্সীয় দৰ্শনে তেওঁলোকক

সমাজবাদী তথা সাম্যবাদী আৰ্দশৰে ৰাজনৈতিক ক্ষেত্ৰত উদ্বুদ্ধ কৰি তুলিছিল। ৰাজনৈতিক স্বাধীনতাৰ কথা চিন্তা কৰাৰ লগে লগে তেওঁলোকে অৰ্থনৈতিক মুক্তিৰ আঁচনিও মাৰ্ক্সীয় দৰ্শনৰ আধাৰতে কৰি লৈ গণসংগঠনৰ কামত অগ্ৰসৰ হৈছিল। ইতিপূৰ্বে ১৯২৭ চনত কটন কলেজৰ কিছুমান ছাত্ৰই বঙ্গদেশৰ কৃষক আৰু শ্ৰমিক দলৰ (Bengal Peasants' and Workers' Party) লগত যোগাযোগ স্থাপন কৰিছিল।* এই কৃষক আৰু শ্ৰমিক দল বঙ্গদেশত কমিউনিষ্টসকলৰ আদি সংগঠন আছিল।

বৈপ্লৱিক জীৱনৰ শেহৰ পিনে ভগৎ সিং মাৰ্ক্সীয় দৰ্শনৰ সান্নিধ্যলৈ আহি কমিউনিষ্ট পাৰ্টিৰ সংস্পৰ্শলৈয়ো আহিছিল। এই কমিউনিষ্ট বিপ্লৱী জনাৰ আত্ম ত্যাগৰ কথা সুঁৱৰি ১৯৩১ চনৰ ১৯ এপ্ৰিল তাৰিখে ন-দুৱাৰত অনুষ্ঠিত যুৱলীগৰ অধিৱেশনত ভাষণ দি জ্যোতিপ্ৰসাদ আগৰৱালাই কৈছিল,* " the Assamese youths would follow Bhagat Singh and he(sic) did not care whether they obtained purna swaraj by theft or by dacoity or any other means " ১৯৩৪ চনৰ কালছোৱাত দৰং জিলাৰ আনকি কংগ্ৰেছ কৰ্মীসকলৰ ওপৰতো মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱ পৰিছিল বুলি তদানীন্তন জিলাধিপতিয়ে প্ৰতিবেদন দাখিল কৰিছিল,* "It has been obvious for years that the Congress has gradually been becoming more and more a revolutionary organisation and its leaders ( or some of them) more and more sympathetic (to put it mildly) to the communist propaganda "

দেশৰ ৰাজনৈতিক ঘটনা-পৰিঘটনাৰ অগ্ৰগতিৰ ছন্দে ছন্দে সচেতন ছাত্ৰ-যুৱক সকলে ক্ৰমান্বয়ে মাৰ্ক্সবাদৰ প্ৰতি আকৃষ্ট হয় আৰু আৰেই আলমত ৰাজনৈতিক সংগঠন গঢ়ি তুলিবলৈ নতুবা ইতিমধ্যে থকা সংগঠনৰ সংস্পৰ্শলৈ আহিবলৈ ধৰে। অসমৰ আলেমান প্ৰতিভাশালী আৰু মেধাবী ছাত্ৰই অধ্যয়ন কাৰ্যৰ সমান্তৰালভাৱে ৰাজনৈতিক কাম-কাজ কৰাৰ আহি-আদৰ্শ ৰূপে মাৰ্ক্সবাদক আদৰি লৈ যুগ চেতনাৰ পৰিচয় দিছিল। লক্ষ্য কৰিবলগীয়া কথা যে তেনেদৰে ওলাই অহা ছাত্ৰসকলৰ ভিতৰত সমাজৰ ৰক্ষণশীল আৰু বহু ক্ষেত্ৰতে আঢ্যৱন্ত পৰিয়ালৰ ল'ৰাও আছিল। সমাজত এটা ধাৰণা আছিল যে খাব নোপোৱা ভিকহুৱ পৰিয়ালৰ ছাত্ৰ-যুৱকেহে সাম্যবাদী ৰাজনীতিৰ মাধ্যমত সমাজত বিশৃঙ্খলাৰ সৃষ্টি কৰি চহকী তথা সম্পত্তিবান সকলৰ কষ্টোপাৰ্জিত ধন-সম্পত্তি খিনি কাঢ়ি আনি নিজেই সমপৰ্যায়ৰ লোকৰ মাজত ভাগ-বিতৰণ কৰি খোৱাৰ ব্যৱস্থা কৰে। তেনে প্ৰচাৰৰ ফলত যুগে যুগে চহকী সকলৰ শোষণ-নিৰ্যাতনৰ কথা-কাহিনীবিলাক উহ্য হৈ থাকে। ফলত দুখ-দুৰ্দশাৰ অথাই সাগৰত উটি-ভাহি লেলাই-থেন্দাই কালাতিপাত কৰা সকলে দুস্কৃতিবিনাশী কোনো অদৃষ্ট ভগৱানৰ অৱতাৰলৈ অপেক্ষা কৰে, কৰিবলৈ শিকোৱা হয়। অৱশ্যে চহকীসকলৰ অৱস্থা কিন্তু সেই বহু কল্পিত ভগৱানৰ আবিৰ্ভাৱ নোহোৱাকৈও ভালৰ পৰা ভাললৈ গৈ থাকে। এইদৰে যুগ যুগ ধৰি অৱনত, শোষিত, নিৰ্যাতিত সকলৰ মুক্তিৰ যথাৰ্থ পথ যে মাৰ্ক্সবাদেহে আৰু আৰেই আধাৰত সংগঠিত ৰাজনৈতিক সংগঠনে দিব পাৰে তাক সমাজৰ তীক্ষ্ণধী ছাত্ৰ-যুৱকসকলৰ একাংশই সময় মতে অনুধাৱন কৰিব পাৰি [illegible]

প্ৰবৃত্ত হ'ব পৰাতো বৰ সন্তোষৰ কথা আছিল।

বেনাৰছত পঢ়ি থকা অৱস্থাতে ১৯৩৬ চনতে জগন্নাথ ভট্টাচাৰ্য নামে এজন অসমীয়া ছাত্ৰই তাৰ স্থানীয় সমাজবাদী দলৰ জৰিয়তে সাম্যবাদী আন্দোলনৰ কৰ্মীসকলৰ সংস্পৰ্শলৈ আহে। সেই বছৰতে তেওঁ আনকি নিখিল ভাৰত কৃষক সভাৰ লক্ষ্ণৌ অধিৱেশনতো যোগদান কৰিছিল। হৰিধি মহন্তই উল্লেখ কৰিছে যে ১৯৩৪ চনত কাশী বিশ্ববিদ্যালয়ত অধ্যয়নৰত অৱস্থাতে জগন্নাথ ভট্টাচাৰ্যই কমিউনিষ্ট পাৰ্টিৰ সদস্যপদ লাভ কৰিছিল। বেনাৰছত জগন্নাথ ভট্টাচাৰ্যৰ ৰাজনৈতিক কাৰ্য-কলাপ সম্পৰ্কে প্ৰফুল্ল মিশ্ৰই কোৱা কথাখিনি এনেকুৱা ধৰণৰ; 'বেনাৰছত থাকোতে তেওঁ ছাত্ৰৰ সভা এখনত কমিউনিষ্ট নেতা হাচ্ছিলৰ ভাষণ শুনিবলৈ পাইছিল। তেওঁ ভাৰতবৰ্ষৰ কমিউনিষ্ট আন্দোলনৰ অন্যতম নেতা- সংগঠক বি.ডি.ভৰদ্বাজৰ সংস্পৰ্শলৈ আহি ভৰদ্বাজৰ দ্বাৰা পৰিচালিত চলমান মাৰ্ক্সীয় শিক্ষাৰ অধ্যয়ন চক্ৰত উপস্থিত থাকিছিল। ১৯৩৪ চনত বেনাৰছত তেওঁৰ বাসগৃহটো সেই চহৰৰ প্ৰথমটো ৭ জনীয়া গোপন কমিউনিষ্ট গোটটোৰ প্ৰায় কেন্দ্ৰ স্থলীত পৰিণত হৈছিল। তেওঁ অতি সোনকালেই শ্ৰমিক আন্দোলনৰ সৈতে জড়িত হৈ পৰে আৰু অন্যান্য সহকৰ্মীৰ সৈতে লগ লাগি বেনাৰছৰ কুলি-বনুৱা (porter), সামৰিক ছাউনী আৰু মোগলশৰাইৰ বনুৱা সংগঠনত মনপুতি লাগিছিল। পাৰ্টিৰ গোপন সাংগঠনিক কাম-কাজৰ প্ৰয়োজনত তেওঁক পাৰ্টি নেতৃত্বই লক্ষ্ণৌ কাৰ্যালয়লৈ বদলি কৰিছিল। অৱে মাজতেই পুলিচে দলৰ গোপন কেন্দ্ৰীয় কাৰ্যালয়ত অলাটী চলাই নথী-পত্ৰসমূহ হস্তগত কৰাৰ লগতে জগন্নাথ ভট্টাচাৰ্য আৰু তেওঁৰ সহকৰ্মী কেইজনমানক গ্ৰেপ্তাৰ কৰি পিছত তিনি বছৰলৈ জেইল দিছিল। লক্ষ্ণৌ জেইলত তেওঁ লাহোৰ ষড়যন্ত্ৰ মামলাত অভিযুক্ত বিপ্লৱী লোক শিৱ ভাৰ্মা, জয়দেৱ কাপুৰ, বিজয় সিন্‌হা আদি ভগৎ সিঙৰ সহযোদ্ধা সকলক লগ পোৱাৰ লগতে পেছোৱাৰত সংঘটিত গাড়োৱালী ৰেজিমেণ্টৰ বিদ্ৰোহৰ সৈতে জড়িত আৰু মাৰ্ক্সবাদত বিশ্বাসী বিপ্লৱী সৈনিক চন্দ্ৰ সিং গাড়োৱালীকো লগ পাইছিল।'

প্ৰায় সমসাময়িকভাৱে কটন কলেজৰ ছাত্ৰসকলৰ একাংশৰ মাজতো মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱ পৰিবলৈ ধৰে। গৌৰীশঙ্কৰ ভট্টাচাৰ্যই লিখিছে যে গোৱালপাৰা জিলাত জমিদাৰী শোষণ নিৰ্যাতনৰ বিৰুদ্ধে কৃষকসকলৰ আন্দোলন সংগঠিত কৰিবলৈ আহি থকা বঙ্গদেশৰ কমিউনিষ্ট কৰ্মী পবিত্ৰ ৰায়ে মাজতে গুৱাহাটীলৈ আহি কমল ঘোষ, অনিল দাস আদি ছাত্ৰ-যুৱকৰ সহযোগত পানবজাৰত প্ৰগ্ৰেছিভ ইউনিয়ন নামে এক প্ৰগতিশীল পুথিভঁৰাল আৰু পাঠাগাৰ প্ৰতিষ্ঠা কৰিছিল। তেওঁ কৈছে যে অত কমিউনিষ্ট তত্ত্ব সম্পৰ্কে প্ৰায়েই আলোচনা চক্ৰ বহিছিল। আৰু তেওঁ মাজে মাজে সেই আলোচনাত শ্ৰোতা হিচাপে উপস্থিত থাকিছিল। অৰ্থাত চতুৰ্থ দশকৰ মাজ ভাগৰপৰা গুৱাহাটীৰ কটন কলেজৰ একাংশ ছাত্ৰৰ মাজতো মাৰ্ক্সীয় দৰ্শনৰ ওপৰত আলোচনা, চিন্তা-চৰ্চা আদি হ'বলৈ ধৰিছিল।

শ্ৰীমান প্ৰফুল্ল গোস্বামীয়ে উল্লেখ কৰিছে যে তেওঁলোকে গুৱাহাটীত প্ৰগ্ৰেছিভ ইউনিয়ন এটা গঠন কৰি তাৰ যোগেদি ছাত্ৰসকলৰ মাজত মাৰ্ক্সীয় মতবাদ তথা সমাজবাদী চিন্তাধাৰা প্ৰচাৰ কৰাত আগভাগ লৈছিল। তেওঁৰ ভাষাত, "গুৱাহাটীত

আমি মাৰ্ক্সবাদ বা সমাজতন্ত্ৰবাদ শিকাৰ বাবে "প্ৰগ্ৰেছিভ ইউনিয়ন নামৰ এটি অনুষ্ঠান কৰিছিলোঁ— আৰু তাতেই বহু বহু ছাত্ৰ বা যুৱকসকলৰ পাঠ্যশ্ৰেণী, আলোচনা চক্ৰ আদি খোলা হৈছিল। সেই আলোচনা চক্ৰত অধ্যয়নৰ বাবে মাৰ্ক্সবাদ আৰু সমাজবাদৰ কিতাপ পত্ৰবোৰ বহুত চেষ্টা কৰি অনা হৈছিল আৰু এই আলোচনা চক্ৰ পৰিচালনা কৰিছিল বৰিশালৰ শ্ৰীঅমিয় কুমাৰ দাসগুপ্তই।মাৰ্ক্সবাদ সম্পৰ্কে তেওঁৰ অধ্যয়ন আছিল।"

১৯৩৭ চনত জৱহৰলাল নেহেৰুৰ অসম ভ্ৰমণ কালত তেওঁ কটন কলেজৰ ছাত্ৰ ইউনিয়নৰ সাধাৰণ সম্পাদক শ্ৰীমান প্ৰফুল্ল গোস্বামীৰ অনুৰোধ মৰ্মে কটন কলেজলৈ আহি ছাত্ৰসকলৰ সভাত যোগদান কৰি ৰাজনৈতিক ভাষণ দিয়ে।"এই কাৰ্যই ছাত্ৰসকলৰ মাজত যথেষ্ট আলোড়নৰ সৃষ্টি কৰিছিল। আনহাতে কটন কলেজৰ দৰে চৰকাৰী কলেজত নেহেৰুৰ দৰে উচ্চ খাপৰ ৰাজনৈতিক নেতাই ভাষণ দিয়াটো আছিল অসমৰ ক্ষেত্ৰত প্ৰথম উদাহৰণ। দধি মহন্তই লিখিছে,"" "অসমৰ ছাত্ৰ আৰু যুৱকৰ মাজত তেতিয়া অতিপ্ৰিয়. শ্ৰীমান প্ৰফুল্ল গোস্বামী একাদিক্ৰমে তিনিবাৰ কটন কলেজৰ ইউনিয়ন সম্পাদক নিৰ্বাচিত হয়। সেই সময়ত অসমত চৰকাৰী কলেজ মাত্ৰ দুখন, কটন কলেজ আৰু ছিলেটৰ মুৰাৰী চাঁদ কলেজ। কটন কলেজত শ্ৰীমান প্ৰফুল্ল গোস্বামী আৰু মুৰাৰীচাঁদ কলেজত সত্যব্ৰত দত্ত আদিৰ চেষ্টাত জাতীয় আন্দোলনৰ প্ৰতি একাংশ ছাত্ৰ সচেতনভাৱে আগবাঢ়ি আহে।"

এইদৰে দেখা যায় মাৰ্ক্সীয় দৰ্শনে অসমৰ ছাত্ৰসকলৰ মাজতো যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছিল। মাৰ্ক্সীয় ৰাজনৈতিক মতাদৰ্শৰ প্ৰতি আকৰ্ষিত কটন কলেজৰ ছাত্ৰ একাংশৰ বিষয়ে অসমৰ ৰাজনৈতিক ইতিহাসত" এজন শ্ৰমিক নেতাৰ উদ্ধৃতি দি লিখা হৈছে, " the young Cottonians listened to the new Gospel many, who educated themselves on the contraband political literature supplied by the club "

আনহাতে সেই সময়তেই অসমত বিশেষকৈ গুৱাহাটীত কমিউনিষ্ট লীগৰ (পিছত ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি ৰূপে খ্যাত) নেতা সৌমেন্দ্ৰ নাথ ঠাকুৰৰ চেষ্টাত কটন কলেজৰ অন্য একাংশ ছাত্ৰই কমিউনিষ্ট আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ পৰিছিল। ১৯৩৮ চনৰ নবেম্বৰ মাহত সৌমেন্দ্ৰ নাথ ঠাকুৰে অসম ভ্ৰমণ কৰে। তেওঁ এই ভ্ৰমণ কালত গুৱাহাটীৰ ব্যায়াম সংঘৰ কৰ্মকৰ্তা সকলৰ লগত লীগৰ অধীনত এটি ছাত্ৰ সংগঠন গঢ়ি তোলাৰ বিষয়ে আলোচনা কৰে আৰু তেওঁৰ সংস্পৰ্শলৈ অহা ছাত্ৰসকলৰ উদ্যোগতেই গুৱাহাটীত Radical Institute/Club গঢ়ি উঠে।" হৰিদাস ডেকাই লিখা মতে এইবাৰো শ্ৰীমান প্ৰফুল্ল গোস্বামীয়ে নেহেৰুক কটন কলেজৰ ছাত্ৰ সভাত ভাষণ দিবলৈ মতাৰ দৰে ঠাকুৰকো তালৈ ভাষণ দিবলৈ মাতি আনিলে। তেতিয়া ঠাকুৰে গুৱাহাটীৰ আৰ্ল ল' কলেজৰ অধ্যক্ষ আৰু তেওঁৰে সম্পৰ্কীয় জ্ঞানদাভিৰাম বৰুৱাৰ ঘৰত আলহী ৰূপে আছিল।"" ঠাকুৰৰ সৈতে প্ৰত্যক্ষভাৱে দেশীয় আৰু আন্তৰাষ্ট্ৰীয় ৰাজনৈতিক পৰিস্থিতি সম্পৰ্কে আলোচনা কৰা ছাত্ৰসকলৰ ভিতৰত প্ৰধান আছিল দেবেন্দ্ৰ নাথ শৰ্মা, উপেন্দ্ৰ নাথ শৰ্মা, হৰেন কলিতা, গোকুল মেধি, তাৰা চৰণ মজুমদাৰ,

নেৰপাল ৰাস আৰু হৰিদাস জেকা। ভাৰতৰ কমিউনিষ্ট আন্দোলনত ঠাকুৰৰ ভূমিকাৰ বিষয়ে জেকাই এইদৰে লিখিছে," "১৯২৮ চনত বহা কমিউনিষ্ট আন্তৰ্জাতিকৰ সভাত তেওঁ ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ হৈ প্ৰতিনিধিত্ব কৰিছিল। কমিউনিষ্ট আন্দোলনত জড়িত হোৱাৰ কাৰণে জাৰ্মানীত হিটলাৰৰ বন্দীশালত আবদ্ধ থাকিব লগীয়া হৈছিল। পিছত তাৰ পৰা মুক্ত হৈ আহি ৰোমা ৰোঁলা আৰু আঁৰি বাৰবুসৰ সৈতে মিলি ফ্যাচিজিম বিৰোধী সমিতি স্থাপন কৰি ফ্যাচিজিম-নাজিজিম বিৰোধী আন্দোলন চলাইছিল। পিছলৈ ষ্টালিনৰ লগত মতবিৰোধ হোৱাত ভাৰতলৈ ঘূৰি আহি কমিউনিষ্ট লীগ নামৰ কমিউনিষ্ট পাৰ্টি গঠন কৰে...।"

গতিকে ছাত্ৰ-যুৱকৰ মনত আকৰ্ষণ আৰু আলোড়ন সৃষ্টি কৰিব পৰাৰ জোখাৰে সৌম্যেন্দ্ৰ নাথ ঠাকুৰৰ ৰাজনৈতিক বিচক্ষণতা আছিল বুলি ধৰিব পাৰি। কটন কলেজত অথবা গুৱাহাটীত ঠাকুৰৰ উপস্থিতিয়ে ছাত্ৰসকলৰ মাজত সৃষ্টি কৰা প্ৰভাৱ সম্পৰ্কে উমা দাসে কৈছে," "খুব সম্ভৱ কলেজ ইউনিয়নৰ তৰফৰ পৰা তেওঁক এদিন কটন কলেজতো বক্তৃতা দিবলৈ মতা হৈছিল। তেওঁ যে এজন ভাল বক্তা আছিল, সেইটো সকলোৱে জানে। তেওঁ ফেচিজিম্, কমিউনিজম্, ভাৰতৰ স্বাধীনতা আন্দোলনৰ ধাৰা আদি সম্পৰ্কেই সাধাৰণতে বক্তৃতা দিছিল। সেই বক্তৃতাই মোৰ (হয়তো মোৰ দৰে আন বহুতৰে) ৰাজনৈতিক চেতনাৰ ক্ষেত্ৰত এটা নতুন পৰ্যায় আনি দিছিল।"

গতিকে দেখা যায় ঠাকুৰৰ প্ৰভাৱতে অহা ছাত্ৰসকলৰ প্ৰযত্নতেই গুৱাহাটীত মাৰ্ক্সীয় সাহিত্য তথা দৰ্শন অধ্যয়ন কৰে ৰেডিক্যাল ক্লাব অথবা ইনষ্টিটিউট গঢ়ি উঠিছিল। এই কালৰপৰা চাবলৈ গলে এই দুয়োটা অধ্যয়ন চক্ৰই— প্ৰগ্ৰেছিভ ইউনিয়ন আৰু ৰেডিক্যাল ইনষ্টিটিউট— অসমত বামপন্থী চিন্তা-চৰ্চাৰ পথটো প্ৰায় সমসাময়িক আৰু টায়াভাৱেই মুকলি কৰি দিছিল। এই প্ৰভাৱ অকল ৰাজনীতিতেই সীমাবদ্ধ হৈ নাথাকি সাহিত্য সংস্কৃতিৰ কৰ্ম ক্ষেত্ৰলৈও সম্প্ৰসাৰিত হৈ পৰিছিল। দ্বিতীয় বিশ্ব যুদ্ধ আৰু ইয়াৰ সমসাময়িক আৰু অব্যৱহিত পিছৰ কালছোৱাৰ সাহিত্যত তাৰ পৰিস্ফুৰণ হোৱা দেখা যায়। হয়তো তাৰ ঐতিহাসিক গুৰুত্ব সেই সময়ত কোনেও অনুভৱ কৰিব পৰা নাছিল। চক্ৰেশ্বৰ ভট্টাচাৰ্য, কলিকতাৰ সাম্প্ৰদায়িক দাঙ্গাত (১৯৪৬) অকালতে অমূল্যজীৱন পাত কৰা অমূল্য বৰুৱা, ভবানন্দ দত্ত আদি কবি সাহিত্যিক দাৰ্শনিক আছিল সকলেই অৱধাৰিত পৰিণতি আৰু কালজয়ী ফচল।

সি যি কি নহওক, ঠাকুৰৰ সংস্পৰ্শলৈ অহা ছাত্ৰসকলে ক্ৰমান্বয়ে ৰাজনৈতিক ভাৱে সংগঠিত হোৱাৰ মানসেৰে অতি সোনকালেই ৰেডিক্যাল ক্লাবক কেন্দ্ৰ কৰিয়েই কামত অগ্ৰসৰ হয়। অৱশ্যে পূৰ্বে উল্লেখ কৰি অহা ছাত্ৰসকলেই ঠাকুৰৰ সৈতে আনন্দৰাম বৰুৱাৰ ঘৰত কৰা আলোচনা মৰ্মেই অসমত কমিউনিষ্ট লীগৰ সংগঠন গঢ়ি তোলৰ প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ কৰিছিলেই, আৰু সেই মৰ্মে কলিকতাৰ পৰা চিন্ময় দাসগুপ্ত আহি যেনিবা হৰেন কলিতাক সম্পাদক আৰু ভালেমান ছাত্ৰক সদস্যপদ লৈ এটি দলীয় সংগঠন গঢ়ি তোলে।

ঠাকুৰপন্থী কমিউনিষ্ট লীগৰ ছাত্ৰসকল সেই সময়ত গুৱাহাটী তথা কটন কলেজ ইমান জনপ্ৰিয় হৈ উঠিছিল যে উপৰ্যুপৰি দলৰ দ্বাৰা মনোনীত সাধাৰণ

সম্পাদকৰ প্ৰাৰ্থীসকল কটন কলেজৰ ছাত্ৰ ইউনিয়নৰ নিৰ্বাচনত বাৰম্বাৰ বিপুল ভোটত জয়লাভ কৰিছিল। ১৯৩৮ চনৰ পৰা প্ৰায় পাচ বছৰ ধৰি কটন কলেজৰ ছাত্ৰ ইউনিয়নৰ সাধাৰণ সম্পাদকৰ পদত জয় লাভ কৰা কমিউনিষ্ট লীগ পন্থী ছাত্ৰনেতা সকল আছিল যথাক্ৰমে,– খগেন বৰবৰুৱা, ফণী তালুকদাৰ, উমা শৰ্মা, নাৰায়ণ দাস আৰু উপেন শৰ্মা। কটন কলেজত কমিউনিষ্ট লীগ পন্থী ছাত্ৰসকলৰ জয়জয়কাৰ অৱস্থাতেই ১৯৩৯ চনত ছাত্ৰ সভাৰ সংবিধানখনৰ সংশোধন কৰি ছাত্ৰসকলৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰা হয়। বোধহয় মাৰ্ক্সীয় দৰ্শনে ব্যাপক হাৰত ছাত্ৰসকলৰ মনত গণতান্ত্ৰিক চেতনাবোধ সৃষ্টি কৰাৰ ফলশ্ৰুতিতেই এই কাৰ্য সমাধা হোৱাতো সম্ভৱ হৈছিল।

সি যি কি নহওক, ঠাকুৰৰ সংস্পৰ্শলৈ অহা ছাত্ৰসকলৰ আহ্বানক্ৰমেই ১৯৩৯ চনৰ ৬ অক্টোবৰত সুভাষ চন্দ্ৰ বসু অসমলৈ আহে আৰু তেওঁৰ পৌৰাহিত্যত অনুষ্ঠিত হোৱা সভাতেই সদৌ অসম প্ৰগতিশীল যুৱক এছোচিয়েচন নাম ভূমিকাত অন এটি সংগঠন গঢ়ি তোলা হয়। এই সংগঠনৰ ১৫ জনীয়া কাৰ্যকৰী সমিতিৰ উদ্যোগত অসমত বাম ঐক্য স্থাপনৰ বাবেও চেষ্টা কৰা হৈছিল। কিন্তু সুভাষ বসুৰ অসমৰপৰা প্ৰত্যাবৰ্তনৰ লগে লগে এই সংগঠনটো বিলুপ্ত হৈ যায়, তাৰ কাৰণ হয়তো আছিল কৰ্মকৰ্তা সকলৰ সৰ্বতোপ্ৰকাৰে কমিউনিষ্ট লীগৰ ৰাজনৈতিক কাম-কাজত ব্যস্ত হৈ থকাতো আৰু তেওঁলোকৰ মাজত সাম্যবাদৰ প্ৰতি আনুগত্য আৰু আস্থা বৃদ্ধি পোৱাতো

এই খিনিতে লক্ষ্য কৰিবলগীয়া আৰু এটা কথা হ'ল লীগ পন্থী ছাত্ৰযুৱক সকলৰ নেতৃত্বত বিশেষকৈ অসমৰ ছাত্ৰ-যুৱকসকলৰ মাজত সাম্যবাদী মতাদৰ্শ প্ৰচাৰৰ উপযোগীকৈ গঢ়ি উঠা অসম প্ৰাদেশিক ছাত্ৰ সংগঠন। অতি কম সময়ৰ ভিতৰতে অসমৰ বিভিন্ন অঞ্চলত এই ছাত্ৰ সংগঠনৰ শাখা খোলা হৈছিল। হৰিদাস ডেকাই কোৱা মতে "এই অনুষ্ঠানৰ যোগেদি ছাত্ৰসকলৰ দাবী প্ৰচাৰ, আন্দোলন চলোৱাৰ উপৰিও স্বাধীনতাৰ দাবী আৰু কমিউনিষ্টৰ আদৰ্শ প্ৰচাৰৰ চেষ্টা চলোৱা হৈছিল আৰু ইয়াৰ যোগেদি বহু ছাত্ৰ পাৰ্টিৰো সভ্য-ভৰ্তি হৈছিল পিছৰ কালৰ '৪২ চনৰ আন্দোলন আৰু বিপ্লৱী কমিউনিষ্ট আন্দোলনত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল।"

অসমৰ বামপন্থী ৰাজনৈতিক ইতিহাসত কমিউনিষ্ট লীগ তথা ভাৰতবৰ্ষীয় বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে এই সময়ছোৱাত সাংগঠনিক দিশত দ্ৰুতভাৱে অগ্ৰগতি লাভ কৰিছিল। অসমৰ সেই সময়ৰ অন্যতম বিশিষ্ট কংগ্ৰেছ আৰু শ্ৰমিক আন্দোলনৰ সুদক্ষ নেতা কেদাৰ নাথ গোস্বামীয়ে এই দলৰ সদস্যভুক্ত নোহোৱাকৈও কোনো তাৰ আদৰ্শৰ প্ৰতি অনুৰক্ত হৈ সেই দলৰ সমৰ্থনত কাম-কাজ কৰিবলৈ আন্তৰিকতাৰে সৈতে ওলাই আহিছিল আৰু ১৯৪০ চনৰ মে' মাহৰ ২ তাৰিখে গুৱাহাটীত পাৰ্টি কৰ্মী সভা এখনত তেওঁক সভাপতি আৰু উপেন চন্দ্ৰ শৰ্মাক সম্পাদক হিচাপে কৃষক-বনুৱা দল (পিছত ইয়াক কৃষক-বনুৱা পঞ্চায়তলৈ পৰিবৰ্তিত কৰা হৈছিল) গঠন কৰা হৈছিল।

এই দৰে দেখা যায় দ্বিতীয় বিশ্ব যুদ্ধৰ আৰম্ভণীৰ প্ৰায় প্ৰাক্ মুহূৰ্তত গুৱাহাটীত বিশেষকৈ ছাত্ৰসকলৰ মাজত সাম্যবাদী মতাদৰ্শৰ দ্ৰুত সম্প্ৰসাৰণ ঘটিছিল আৰু

সেই আদৰ্শৰ আলমতেই ৰাজনৈতিক কাম-কাজ আগবঢ়াই নিয়াৰ প্ৰয়োজনত উপৰত উল্লেখ কৰি অহা ছাত্ৰ-যুৱকৰ সংগঠন সমূহ গঢ়ি উঠিছিল। অকল গুৱাহাটীৰ কটন কলেজ বা ছিলেটৰ মুৰাৰীচাঁদ কলেজতে ই নহয় তেতিয়াৰ অসমৰ একমাত্ৰ বেচৰকাৰী কলেজ যোৰহাটৰ জগন্নাথ বৰুৱা কলেজতো ছাত্ৰসকলৰ মাজত সাম্যবাদী ৰাজনৈতিক মতাদৰ্শই ব্যাপক প্ৰভাৱ বিস্তাৰ কৰিবলৈ লৈছিল। ১৯৩৬ আৰু ১৯৩৭ চনত যথাক্ৰমে দধি মহন্ত আৰু বিষ্ণু ৰাভা যোৰহাটৰ জগন্নাথ বৰুৱা কলেজৰ ছাত্ৰ সভাৰ নিৰ্বাচনত সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচিত হৈছিল। এই কাৰ্যই কলেজৰ ছাত্ৰসকলৰ মাজত প্ৰগতিশীল মতাদৰ্শৰ প্ৰভাৱৰ কথাই প্ৰতীয়মান কৰে। এই ঘটনা-পৰিঘটনা বিলাকে ইয়াকে সূচাইছে যে এই সময়ছোৱাত এক বিপুল পৰিমাণৰ ছাত্ৰ প্ৰগতিবাদী তথা মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি আকৰ্ষিত হৈছিল।

অকল কলেজৰ দৰে শিক্ষা প্ৰতিষ্ঠানেই নহয় গোলাঘাটৰ দৰে অঞ্চল বিশেষতো লাহে লাহে মাৰ্ক্সীয় দৰ্শনৰ আধাৰত ছাত্ৰ-যুৱকৰ চেষ্টা-প্ৰচেষ্টাত বামপন্থী সংগঠনৰ আবিৰ্ভাৱ হবলৈ ধৰিছিল। ১৯৩৮ চনত যদুনাথ শইকীয়া বেনাৰছত শিক্ষা সাং কৰি গোলাঘাটলৈ ওভতি আহে। পূৰ্বে উল্লেখ কৰি অহা জগন্নাথ ভট্টাচাৰ্যৰ দৰে যদু শইকীয়াইয়ো বেনাৰছত থাকোতেই মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱাধীন হয়। তাৰপৰা ওভতি আহোতে তেওঁ আইনৰ ডিগ্ৰীসহ নিপীড়িত শোষিত মানুহৰ ইহকালৰ মুক্তিৰ বাণী মাৰ্ক্সবাদকো আয়ত্ত কৰি লৈ আহিছিল।

মাৰ্ক্সবাদীসকল নিৰলে-নিৰৱে তপস্যা কৰি বহি থকা লোক নহয়, মাৰ্ক্সবাদৰ এটি ব্যৱহাৰিক বা প্ৰায়োগিক দিশ আছে আৰু যথাৰ্থভাৱে প্ৰচলিত সমাজৰ আমূল পৰিৱৰ্তনত বিশ্বাসী লোকেহে মাৰ্ক্সবাদ গ্ৰহণ কৰিব পাৰে। অৰ্থাৎ মাৰ্ক্সবাদ যথাৰ্থ সামাজিক লোকৰ পথ নিৰ্দেশক। আৰু এই অৰ্থতেই হয়তো জগন্নাথ ভট্টাচাৰ্য, যদু শইকীয়া আদি লোকে সেই তাহানিতে সাম্ৰাজ্যবাদী কঠোৰ শাসনতন্ত্ৰ চলি থাকোতে মাৰ্ক্সীয় দৰ্শনৰ আহিতপৰপদানত দেশৰ জনসাধাৰণৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক মুক্তিৰ পথৰ সন্ধানত অকতোভয় আৰু দৃঢ় পদক্ষেপেৰে আগবাঢ়িছিল। অসমৰ ৰাজনৈতিক ইতিহাসৰ এইবিলাক অত্যন্ত গুৰুত্বপূৰ্ণ আৰু প্ৰণিধানযোগ্য যোগাত্মক ঘটনা।

গতানুগতিকতা আৰু প্ৰচলিত ৰাজনৈতিক আহি-আদৰ্শৰ বিপৰীতে যদু শইকীয়াৰ এই ৰাজনৈতিক উত্তৰণৰ বিষয়ে দধি মহন্তই লিখিছে,[৮] "কমৰেড শইকীয়াই কাশীৰপৰা লগত কেৱল আইনৰ উপাধিকে লৈ ঘূৰি অহা নাছিল। এসময়ত ভাৰতৰ পৰকালৰ মুক্তি পোৱাৰ তীৰ্থস্থান কাশীত স্বদেশপ্ৰাণ পণ্ডিত মদন মোহন মালব্যই স্থাপন কৰা কাশী বিশ্ববিদ্যালয় হৈ পৰিছিল সেই সময়ৰ ভাৰতৰ বহু বিপ্লৱী তৰুণৰে মিলনৰ তীৰ্থস্থান আৰু কমৰেড় শইকীয়াই মাৰ্ক্সবাদী দৰ্শনৰ সেই বিপ্লৱী বাণীকো অসমলৈ কঢ়িয়াই আনিছিল।"

অসম ছাত্ৰ সন্মিলন নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ অন্তৰ্ভুক্ত হৈ অসম ছাত্ৰ ফেডাৰেছন ৰূপে পৰিগণিত হোৱাৰ বছৰটোতে যদু শইকীয়া আদিৰ উদ্যোগত গোলাঘাটত এটা প্ৰগতিশীল পাঠাগাৰ স্থাপিত হৈছিল। এই পাঠাগাৰত অধ্যয়ন আৰু আলোচনাত অংশ গ্ৰহণকাৰী ছাত্ৰসকলৰ ভিতৰত আছিল– চিদানন্দ শইকীয়া, সদানন্দ চলিহা,

হৰেন দুৱৰা, হৰেন শইকীয়া, তুলসী বৰদলৈ আদি।[৬]

১৯৪০ অসম ছাত্ৰ ফেডাৰেচনৰ লগত সুৰমা ভেলী ছাত্ৰ ফেডাৰেচন আৰু শ্বিলং ছাত্ৰ ফেডাৰেচনক একত্ৰিত কৰি " All Assam Students' Confederation" কৰা হৈছিল। আকৌ কিছুদিন পিছত এই একত্ৰিত সংগঠনটোৰ নামৰ Confederation ৰ ঠাইত Federation কৰি সংশোধন কৰা হৈছিল। এই তিনিওটা ছাত্ৰ সংগঠনৰ একত্ৰিকৰণৰ বাবে শ্বিলঙত অনুষ্ঠিত অভিৱৰ্তনখনত সভাপতিত্ব কৰিছিল অধ্যাপক হুমায়ুন কবিৰে। একত্ৰিত এই সংগঠনটোৰ যথাক্ৰমে সভাপতি আৰু সম্পাদক নিৰ্বাচিত হৈছিল গৌৰীশঙ্কৰ ভট্টাচাৰ্য আৰু প্ৰাণেশ চন্দ্ৰ বিশ্বাস।[৭]

এই অভিৱৰ্তনতেই চৰকাৰৰ দ্বাৰা দেশত ভাৰত ৰক্ষা বিধি (Defence of India Rules -DIR) প্ৰয়োগ কৰা কাৰ্যক গৰিহণা দিয়া হৈছিল আৰু ছাত্ৰসকলক বৃটিশৰ যুদ্ধ প্ৰচেষ্টাত কোনোপধ্যে সহায়-সহযোগ নকৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। এই প্ৰস্তাৱৰ কাৰ্যকৰীকৰণৰ উদ্দেশ্যে অভিৱৰ্তনৰ পিছতে প্ৰাণেশ চন্দ্ৰ বিশ্বাস, অঞ্জলি দাস আৰু বিষ্ণু বৰাই অসমৰ বিভিন্ন জিলাত ভ্ৰমণ কৰিছিল। পাৰ্টিৰ লগত ছাত্ৰ সংগঠনটোৰ নিৰন্তৰ সম্পৰ্ক আৰু যোগাযোগ ৰাখিছিল অমিয় দাসগুপ্তই।[৮] অসমৰ তদানীন্তন ছাত্ৰ ফেডাৰেচন আৰু তাৰেই মাধ্যমত চলা ৰাজনৈতিক কাম-কাজ সম্পৰ্কে সবিশেষ জনাই পাৰ্টিৰ উৰ্দ্ধতন কতৃপক্ষলৈ বিষ্ণু বৰাই দিয়া চিঠি এখনত এইদৰে কোৱা হৈছিল,[৯] " In Jorhat there were 4 study circles, 16 night schools, 27 primary committees and 13 libraries After J B College students' strike we are able to get many active student workers not only in colleges but in high schools also After your departure I attended no less than 150 meetings and tried my best to clear out (sic) about war, national struggle and students' duty Now there are many who support our party This year we enrolled 500 members (S F ) in Jorhat "

আমি পূৰ্বে উল্লেখ কৰি অহা অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেচন ১৯৪০ চনলৈ কোনো সৰ্বভাৰতীয় ছাত্ৰ সংগঠনৰ অন্তৰ্ভূক্ত হোৱা নাছিল।[১০] এই ছাত্ৰ সংগঠনৰ সৰ্বভাৰতীয় নেতা সনৎ কুমাৰ ৰায়চৌধুৰী আছিল নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ যুটীয়া সম্পাদক আৰু বঙ্গদেশৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ প্ৰতি অনুগত ছাত্ৰসকলো বঙ্গীয় প্ৰাদেশিক ছাত্ৰ ফেডাৰেচনৰ অন্তৰ্ভূক্ত হৈ ৰৈছিল[১১], আৰু তেনে এটা অৱস্থাত অসমত কিয় পৃথকে ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বাধীন ছাত্ৰ সংগঠন গঢ়ি তোলা হৈছিল ভাবিব লগীয়া কথা। আমি পূৰ্বে উল্লেখ কৰি অহা সকলৰ ওপৰিও এই ছাত্ৰ সংগঠনৰ সৈতে আৰম্ভণীৰে পৰা জড়িত হৈ থকা অন্যান্য নেতৃস্থানীয় ছাত্ৰসকল আছিল আনন্দ দাস, গোকুল মেধি, অৰবিন্দ ঘোষ, উমাকান্ত শৰ্মা, ভূপেন মহন্ত, লোকনাথ বৰুৱা, কামিনীকান্ত গোস্বামী আদি।[১২]

১৯৪০ চনত নাগপুৰত নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ অধিৱেশন অনুষ্ঠিত হৈছিল আৰু অৱশ্যেই, বিজয় চন্দ্ৰ শৰ্মাৰ মতে,[১৩] সৰ্বভাৰতীয় মতভেদৰ সুযোগ লৈ নাগপুৰত

উপস্থিত থকা অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেচনৰ ঠাকুৰ পন্থী প্ৰতিনিধিজনে এম.এল.শ্বাহৰ নেতৃত্বাধীন জাতীয়তাবাদী নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনত যোগদান কৰি প্ৰাদেশিক ছাত্ৰ সংগঠনটোকো তাৰ অন্তৰ্ভূক্ত কৰি লয়।

এই অৱস্থাই অৱশ্যে কমিউনিষ্টে কমিউনিষ্টৰ বিৰুদ্ধে যুজিব পৰাকে সুযোগ সুবিধা উলিয়াই দিছিল, আৰু যথাৰ্থতে সেইটো ঘটিছিলো। তদানীন্তন অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেচনৰ অন্যতম সংগঠক আৰু কটন কলেজৰ ছাত্ৰ সভাৰ প্ৰতন সম্পাদক উমা শৰ্মাই বৰ সুন্দৰ কথা এষাৰ কৈছে,[s] " সেই সময়ত নিখিল ভাৰত ছাত্ৰ ফেডাৰেচন দুভাগ হৈ দুখন ছাত্ৰ ফেডাৰেচন হৈছিল। মূলখনৰ নেতৃত্ব আছিল ভাৰতৰ কমিউনিষ্ট পাৰ্টি আৰু কালি আহি নতুনকৈ গঠন কৰাখনত আছিল আমাৰ পাৰ্টি আৰু অন্যান্য বন্ধুবোৰ পাৰ্টি। আনকি একাংশ কংগ্ৰেছী ছাত্ৰও আছিল। ফলত আমাৰ ছাত্ৰ আন্দোলনটো কমিউনিষ্ট পাৰ্টি বিৰোধীয়ে আছিল, অথচ আমি নিজেও আছিলো কমিউনিষ্ট।" উমা শৰ্মাৰ এই উপলব্ধি আৰু স্বীকাৰোক্তি অত্যন্ত তাৎপৰ্যপূৰ্ণ। সাম্প্ৰতিক কালৰ বামপন্থী ছাত্ৰ আন্দোলনৰ কাৰ্যক্ৰমণিকাৰ মাজতো এই ঐতিহ্য প্ৰায় অত্যন্ত উদাৰভাৱে সৈতে সংৰক্ষিত হৈ আহিছে, ফলত মুনফা লুটিছে প্ৰতিক্ৰিয়াশীল চক্ৰই। সময় আৰু শ্ৰমৰ অপচয় হৈছে শূণ্যত গদা ঘূৰাই থাকোতেই। ছাত্ৰ-যুৱক সকলে হেৰুৱাইছে জীৱনৰ সোণালী সময়।

সি যি কি নহওক, ১৯৪০ চনত নাগপুৰত অনুষ্ঠিত হীৰেন মুখাৰ্জী আৰু কে.এম আশ্ৰফৰ নেতৃত্বাধীন কমিউনিষ্ট ছাত্ৰসকলৰ নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ সভাত অসমৰ পৰা যোৱা ছাত্ৰ প্ৰতিনিধিসকলেও যোগ দিছিল। ফলত, বিজয় চন্দ্ৰ শৰ্মাই কোৱা মতে [s], অসম ছাত্ৰ সন্মিলন নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ অন্তৰ্ভূক্ত হৈ থাকিছিল। আদৰ্শগত আনুগত্য নাথাকিলে কেৱল প্ৰতিনিধিসকলৰ যোগদানেই যে অসমৰ ছাত্ৰ ফেডাৰেচন কমিউনিষ্ট নেতৃত্বাধীন নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ অন্তৰ্ভূক্ত হৈ ৰৈছিল তেনে এটি ধাৰণা লোৱাটো বিভ্ৰান্তিকৰ কথা। অসমৰ তদানীন্তন ছাত্ৰ ফেডাৰেচনৰ সাম্যবাদী আদৰ্শৰ প্ৰতি থকা আনুগত্যৰ বাবেহে নেতৃত্ব আৰু সাংগঠনিক দিশত সৰ্বভাৰতীয় কমিউনিষ্ট ছাত্ৰ সংগঠনৰ অনুগত হৈ ৰৈছিল। এই মৰ্ম সামগ্ৰিকভাৱে তৎকালিন অসমীয়া ছাত্ৰসকলৰ প্ৰগতিবাদী চিন্তাৰ পৰিচায়ক আছিল বুলিব পাৰি।

অকল ছাত্ৰ সংগঠন নতুবা ছাত্ৰসকলৰ মাজতে কাৰ্যপন্থা সীমিত কৰি নাৰাখি মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি অনুৰক্ত আৰু বিশ্বাসী অসমৰ ছাত্ৰসকলে পূৰ্ণ পৰ্যায়ৰ দলীয় ৰাজনৈতিক সংগঠন গঢ়ি তোলাৰো পোষকতা কৰি সেই দিশতো অগ্ৰণী ভূমিকা লৈছিল। তেতিয়া প্ৰকাশ্যভাৱে সাম্যবাদী সংগঠন গঢ়ি তোলাৰ ক্ষেত্ৰত সাম্ৰাজ্যবাদী চৰকাৰৰ কঠোৰ বাধা-নিষেধ চলি থকাত সাম্যবাদীসকলে সততে কংগ্ৰেছ সমাজবাদী দলভূক্ত হৈ সমগ্ৰ ভাৰতবৰ্ষতে কাম কৰিছিল। অসমত তেতিয়ালৈকে তেনে সুবিধা নথকাত মাৰ্ক্সবাদৰ প্ৰতি অনুগত ছাত্ৰসকলৰ উদ্যোগতেই ১৯৪০ চনৰ ২৯/৩০ জানুৱাৰীত গোলাঘাটৰ ওচৰত মিছামৰাত অসমৰ সমাজবাদী দলৰ সংগঠন গঢ়ি তোলা হৈছিল। সংগঠনৰ নাম কংগ্ৰেছ সমাজবাদী হলেও কৰ্মী তথা সংগঠকসকল মাৰ্ক্সীয় দৰ্শনত বিশ্বাসী সাম্যবাদী লোক আছিল।

অসমত সমাজবাদী দল গঠনৰ ক্ষেত্ৰত ছাত্ৰসকলৰ ভূমিকাৰ বিষয়ে দধি মহন্তই লিখিছে,[৯৬] (১৯৩৯ চনৰ)" নবেম্বৰ মাহৰ ২৭ তাৰিখত গুৱাহাটীত (সৰ্বশ্ৰী) প্ৰফুল্ল গোস্বামী, ধীৰেন দত্ত, যদু শইকীয়া, খগেন্দ্ৰ নাথ, পবিত্ৰ ৰায় আৰু ডাঃ বিনয় চক্ৰবৰ্তীৰ উপস্থিতিত এখন সভা হয় আৰু সভাই অসমত প্ৰাদেশিক ভিত্তিত কংগ্ৰেছ ছ'চিয়েলিষ্ট দল গঠনৰ প্ৰয়োজনীয়তা সম্পৰ্কে এখনি ৰাজনৈতিক আবেদন পত্ৰ জিলা সমূহৰ প্ৰতি প্ৰচাৰ কৰে। স্থিৰ হয় দুমাহ পিছত জানুৱাৰী মাহৰ ভিতৰতে ৰাজ্যিক সন্মিলন আহ্বান কৰা হ'ব।" ইতিমধ্যে অসমৰ বিভিন্ন ঠাইত আঞ্চলিকভাৱে কংগ্ৰেছ সমাজবাদী আৰু সাম্যবাদীসকলৰ উদ্যোগত সমাজবাদী দল সংগঠিত হৈছিল।[৯৭]

সি যি কি নহওক, অসমত সমাজবাদী দল গঠনত মাৰ্ক্সীয় দৰ্শনৰ দ্বাৰা উদ্বুদ্ধ যুৱ-ছাত্ৰই এক বিশেষ ভূমিকা লৈছিল। খগেশ্বৰ তামুলীয়ে লিখিছে,[৯৮] "বহুতো যুৱক-ছাত্ৰই মিছামৰা সন্মিলন কৃতকাৰ্য কৰাত দত্ত আৰু শইকীয়াক সহায় কৰিছিল।" মিছামৰাত সাম্যবাদী তথা সমাজবাদী অভিবৰ্তন বহুৱাই সমাজতন্ত্ৰী দল গঠন কৰা সম্পৰ্কত ছাত্ৰসকলৰ ভূমিকাৰ বিষয়ে চিদানন্দ শইকীয়াই লিখিছে,[৯৯] "ছাত্ৰসকলৰ মাজতো প্ৰগতিবাদী দৃষ্টিভঙ্গীৰ সংগঠনে গঢ় লয়। গোলাঘাটত দত্তই ছাত্ৰসকলৰ মাজত সংগঠন গঢ়াত সহায় কৰে। বহুতো ছাত্ৰ তেওঁৰ মতবাদৰ প্ৰভাৱত পৰে। নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ যুটীয়া সম্পাদক হিচাপে বৰ্তমানৰ কমিউনিষ্ট নেতা শ্ৰীবিশ্বনাথ মাখাৰ্জী অসম ভ্ৰমণ কৰিবলৈ আহে আৰু অসমত সিঁচৰিত হৈ থকা কমিউনিষ্ট ভাবাপন্ন লোকসকলক একত্ৰিত কৰি এটি সংগঠন গঢ়াৰ চেষ্টা কৰে।. এই ছ'চিয়েলিষ্ট দল গঠনত আগ-ভাগ লওঁতা অন্যতম এগৰাকী নেতা আছিল শ্ৰীমান প্ৰফুল্ল গোস্বামী। গোস্বামী সেই সময়ত কংগ্ৰেছৰ যুৱকসকলৰ নেতা আছিল। ছাত্ৰ, যুৱক, কংগ্ৰেছ কৰ্মী সকলোৰে মাজত সুপৰিচিত শ্ৰীমান গোস্বামীয়ে এই ছ'চিয়েলিষ্ট দল গঠনত আগ-ভাগ লোৱাত উজনি আৰু নামনি অসমৰ এটি শক্তিশালী যুৱক ছাত্ৰ দলে ছ'চিয়েলিষ্ট পাৰ্টিত যোগ দিয়ে।"

মিছামৰাত অনুষ্ঠিত সমাজবাদী অভিবৰ্তনৰ কথা সুঁৱৰি শ্ৰীমান প্ৰফুল্ল গোস্বামীয়ে লিখিছে,[১০০] সৰ্বভাৰতীয় বামপন্থী নেতা শ্ৰীসোমনাথ লাহিড়ী (তেতিয়া তেওঁ নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সদস্য) আৰু নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ নেতা বিশ্বনাথ মুখাৰ্জীক মতা হল। এই সন্মিলনলৈ আমাৰ লগত কাম কৰা বহুতো ছাত্ৰও আহিছিল। যোৰহাটৰ পৰা কমৰেড্ দধি মহন্তই এদল প্ৰগতিবাদী ছাত্ৰ নেতা লৈ আহিছিল।" কমিউনিষ্ট নেতা সোমনাথ লাহিড়ীয়ে মিছামৰা অভিবৰ্তনত সভাপতিত্ব কৰিছিল।[১০১] এই অভিবৰ্তনতেই শ্ৰীমান প্ৰফুল্ল গোস্বামীক সমাজবাদী দলৰ সাধাৰণ সম্পাদক আৰু যদু শইকীয়া আৰু পবিত্ৰ ৰায়ক যুটীয়া সম্পাদক নিযুক্ত কৰা হৈছিল।[১০২] অসমত ছাত্ৰসকলক লৈ বামপন্থী সংগঠন গঢ়ি তোলাৰ ক্ষেত্ৰত অমিয় দাসগুপ্তৰ অৱদান আছিল লেখত লবলগীয়া বিধৰ। এই সময়ছোৱাত তেওঁ ছাত্ৰসকলকলৈ পাৰ্টি শিক্ষা শিবিৰো পৰিচালনা কৰাৰ লগতে পাঠদানো কৰিছিল।[১০৩]

সাম্যবাদী আৰু সমাজবাদীসকলৰ এই মিছামৰা অভিবৰ্তনতেই অসমত "ভিতৰুৱাকৈ" কমিউনিষ্ট পাৰ্টিও গঠন কৰা হৈছিল। ধীৰেন দত্ত আৰু যদু শইকীয়াই

তেতিয়াই কমিউনিষ্ট পাৰ্টিত যোগ দিছিল।[illegible] ছাত্ৰসকলৰ মাজত কমিউনিষ্ট সংগঠন গঢ়ি উঠাৰ বিষয়ে যদু শইকীয়াই লিখিছে,[illegible] কমিউনিষ্ট পাৰ্টিৰ যোগেদি আমি পাৰ্টিৰ ফ্ৰণ্ট হিচাপে প্ৰথমে ছাত্ৰসকলৰ মাজতে কাম-কাজ আৰম্ভ কৰোঁ। ইতিমধ্যে ধীৰেন দত্ত, শ্ৰীচিদানন্দ শইকীয়া, শ্ৰীহৰেন দুবৰা আদি ভালেকেইজন ছাত্ৰ নেতাৰ লগত যোগাযোগ কৰিছিলোঁ আৰু অচিৰেই এই ছাত্ৰনেতাসকলৰ সহযোগত এখন শক্তিশালী ছাত্ৰ সন্মিলন গঠন কৰিবলৈ আমি সমৰ্থ হওঁ। লগে লগে শ্ৰীচিদানন্দ শইকীয়া আৰু হৰেন দুবৰাৰো পাৰ্টিত যোগ দিয়ে।"

গতিকে দেখা যায় অসমত সমাজবাদী আৰু কমিউনিষ্ট দল গঠনত ছাত্ৰসকলে মূখ্য ভূমিকা লৈছিল। সমাজবাদী আৰু সাম্যবাদী ৰাজনৈতিক মতাদৰ্শৰ প্ৰচাৰ আৰু তাৰ সম্প্ৰসাৰণে ক্ৰমাগতভাৱে অসমত বিভিন্ন গণ সংগঠন গঢ়ি উঠাত সহায় কৰিছিল। ছাত্ৰসকল আছিল তেতিয়া প্ৰগতিশীল চিন্তা- চৰ্চাৰ অগ্ৰণী বাহিনী। অৰ্থনৈতিক স্বাধীনতাও যে ৰাজনৈতিক স্বাধীনতাৰ সমানেই প্ৰয়োজনীয় অথবা অৰ্থনৈতিক স্বাধীনতা অবিহনে ৰাজনৈতিক স্বাধীনতা অৰ্থহীন আৰু তুৰা সেই কথাটো উপলব্ধি কৰিয়েই ছাত্ৰসকলে স্বাধীনতা যুজাৰুসকলক প্ৰস্তুত কৰি লৈছে স্বাধীনতা নিপীড়িত জনগণৰ কাৰণে অৰ্থবহ হ'ব বুলি অনুধাবন কৰিয়েই কাম কৰাটো কম গৌৰৱৰ কথা নাছিল।

'৪২ৰ আন্দোলনৰ প্ৰাক্-মূহূৰ্তত অসমৰ ৰাজনৈতিক মঞ্চৰ আন এক বিশেষ উল্লেখনীয় ঘটনা হ'ল শ্ৰমিক-কৃষকৰ ৰাজনৈতিকায়ন আৰু তেওঁলোকৰ মাজত শ্ৰেণী সংগঠনৰ আবিৰ্ভাৱ। অসমৰ ৰাজনৈতিক ইতিহাসত এইদৰে লিখা হৈছে[illegible] যে
" During the interim period of the two great world wars (1919-1939) a sense of class consciousness emerged amongst the wage earning and peasant population of Assam which was infused mainly by the Socialist and Communist groups As a result independent class organisation came into being to focus and resist exploitation of the labourers." ১৯২৭ চনত পাৰ্চেল(Purcell) আৰু হলছৱৰ্থ (Hullswai th) নামে দুজন বৃটিশ শ্ৰমিক নেতাই ভাৰত ভ্ৰমণ কালত অসমলৈ আহি অসমৰ চাহ বাগিচাৰ শ্ৰমিকৰ অৱস্থা সম্পৰ্কেও বুজ লৈছিল। এওঁলোকে গুৱাহাটীৰ কাৰ্জন হলত আহূত সভা এখনতো ভাষণ দিছিল। এই সভাতেই পাৰ্চেলে অসমৰ বুদ্ধিজীৱীসকলক শ্ৰমিক সংগঠন গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ প্ৰতি তেওঁলোকৰ দায়িত্বৰ কথা সোঁৱৰাই দিছিল আৰু কৈছিল,[illegible] " You, who are the intelligentsia of the people, it is upto you to work for organisation of all those men and women who are called coolies The word cooli ,. . should never be used in contempt for those who serve humanity with a certain standard of comfort. In the tea gardens of Assam they are also essentially a part of the community as anybody else It is upto you to encourage this whole people through organisation to link them up with combination Great things can be done All reform is secured by self-organisation Governments always side with the employers The

British worker is better fed, educated We want to instill this idea. Organise and organise, agitate and agitate and do not fear for the consequence "

গৌৰীশঙ্কৰ ভট্টাচাৰ্যই কৈছে,[১০৮] "ত্ৰিশৰ দশকলৈকে অসমৰ চাহ-শ্ৰমিক বাহিৰে আন আন শিল্পৰ শ্ৰমিকৰ কোনো শ্ৰেণী সংগঠন নাছিল। সময়ে সময়ে নানা সমস্যাৰ ওপৰত তেওঁলোকৰ মাজত স্বতঃস্ফূৰ্ত বিক্ষোভ হৈছিল। কোনো কোনো ক্ষেত্ৰত এই বিক্ষোভবোৰে সহিংস ৰূপো ধাৰণ কৰিছিল আৰু তাৰে সুযোগ লৈ চৰকাৰ আৰু মালিক পক্ষই তেওঁলোকক নৃশংসভাৱে দমন কৰিছিল। তেওঁলোকৰ হকে মাত মাতোতা কোনো নাছিল। ত্ৰিশৰ দশকত মুক্তি যুঁজাৰুসকলে এই দিশতো দৃষ্টিপাত কৰিবলৈ আৰম্ভ কৰে।"সুভাষ চন্দ্ৰ বসু, মানবেন্দ্ৰ নাথ ৰয়, আৰু শ্ৰমিকনেতা জালালুদ্দিন হাছিমি, মৌকা সিং, দিনকৰ মেহতা আৰু সুধীন্দ্ৰ প্ৰামানিক আদিৰ ভ্ৰমণেও অসমত ত্ৰিশৰ দশকত শ্ৰমিক সংগঠন গঢ়ি উঠাত উল্লেখযোগ্য বৰঙণি দিছিল।[১০৯]

এই সময়ছোৱাত অসমৰ বিভিন্ন কোম্পানী আৰু চাহ বাগিছাত শ্ৰমিক সংগঠন গঢ়ি উঠে। বিপিন চক্ৰৱৰ্তীৰ নেতৃত্বত সংগঠিত ধুবুৰীস্থিত অসম মেটচ্ কোম্পানীৰ শ্ৰমিক সংগঠন আৰু আন্দোলন (১৯৩৬-৩৭) , কেদাৰ নাথ গোস্বামীৰ নেতৃত্বত ডিব্ৰুগড়ৰ জাহাজ ঘাটৰ শ্ৰমিকৰ আন্দোলন, ডিগবৈত অসম অয়ল কোম্পানীৰ শ্ৰমিক আন্দোলন (১৯৩৮-৩৯), শ্বিলংৰ পৌৰ প্ৰশাসন কৰ্মীৰ আন্দোলন আদি এই সময়ছোৱাৰ উল্লেখযোগ্য শ্ৰমিক আন্দোলন আছিল। এই শ্ৰমিক আন্দোলন সমূহৰ প্ৰতি ছাত্ৰসকলৰ সহানুভূতি আছিল উল্লেখনীয় আৰু অনুকৰণীয় বিধৰ। ড° গুহৰ মতে,[১১০] " Throughout the year 1939, the organised students all over Assam had expressed their solidarity with the Digboi workers "

১৯৩৮ চনৰ ২২ ফেব্ৰুৱাৰীত অসম অয়ল কোম্পানীৰ শ্ৰমিক সংঘ গঠিত হয় আৰু ৭ আগষ্টত ১৯২৬ চনৰ ট্ৰেড ইউনিয়ন আইন মতে পঞ্জীভূক্ত হয়। বিনয় ভূষণ চক্ৰৱৰ্তী, কেদাৰ নাথ গোস্বামী, নীলমণি বৰঠাকুৰ আদিৰ চেষ্টাত অসম ৰেলওৱে আৰু ট্ৰেডিং কোম্পানীৰ শ্ৰমিক সংঘঠন গঢ়ি উঠে আৰু ১৯৩৯ চনৰ ২৯ মাৰ্চত পঞ্জীভূক্ত হয়। ১৯৩৯ চনত শ্বিলং পৌৰ প্ৰশাসন কৰ্মীসকলৰ ইউনিয়ন সংগঠিত হয় আৰু ১০ আগষ্টত পঞ্জীভূক্ত হয়। সেই একে বছৰতে অসমৰ চৰকাৰী প্ৰেছ কৰ্মী সকল -ৰো সংগঠন গঢ়ি উঠে আৰু ৭ আগষ্টত পঞ্জীভূক্ত হয়। শ্বিলঙত সংগঠিত আন দুটা শ্ৰমিক সংগঠন 'Shillong Drivers' and Mechanics' Association' 'Assam Provincial Shop Employees' Union'- যথাক্ৰমে ১৯৩৮ চনৰ ৫ ডিচেম্বৰ আৰু ১৯৪০ চনৰ ১৩ জুলাইত পঞ্জীভূক্ত হয়।[১১১]

১৯৩৬-৩৯ ৰ কালছোৱাত অসমৰ সংগঠিত উদ্যোগ শ্ৰমিকসকলে কৰা আন্দোলনৰ প্ৰভাব অসমৰ ছাত্ৰ আন্দোলন তথা সংগঠনৰ ওপৰতো অনিবাৰ্যভাৱেই পৰিছিল। শ্ৰমিকসকলৰ ন্যায্য দাবীৰ প্ৰতি সমৰ্থন দি ছাত্ৰসকলে শ্ৰমিক কৰ্মচাৰী আৰু ছাত্ৰসকলৰ মাজত সংহতি স্থাপন কৰাৰ মাজেৰে দেশত সাম্ৰাজ্যবাদ বিৰোধী যৌথ ফ্ৰন্ট গঠনত প্ৰভূত অৱদান যোগাইছিল।[১১২]

আলোচ্য সময়ছোৱাত অসমত চাহ শ্ৰমিক সংগঠনো কেইটাও গঢ়ি উঠে আৰু শ্ৰমিকসকলৰ বিভিন্ন দাবী পূৰণৰ বাবে এই শ্ৰমিক সংগঠন সমূহে আন্দোলন আদিৰ নেতৃত্ব লয়। ১৯৩৯-৪০ চনত সংগঠিত চাহ শ্ৰমিক সংগঠন সমূহ আছিল; উজনী অসম চাহ কোম্পানী শ্ৰমিক ইউনিয়ন, ৰাজমাই চাহ কোম্পানী শ্ৰমিক ইউনিয়ন, ছিলেট-কাছাৰ চাহ বাগান মজদুৰ ইউনিয়ন, গ্ৰীণউড্ চাহ কোম্পানী শ্ৰমিক ইউনিয়ন, আৰু মাকুম (অসম) চাহ কোম্পানী শ্ৰমিক ইউনিয়ন। চাহ শ্ৰমিক সংগঠন গঢ়ি উঠাৰ পিছৰে পৰাই অসমত চাহ শ্ৰমিকসকলৰ মাজত সুসংহত আন্দোলন মুখী ৰাজনীতিয়ে বাকইকেয়ে গাঢ় হবলৈ ধৰে আৰু আন্দোলনৰ সংখ্যাও ক্ৰমাগতভাৱে বৃদ্ধি পাবলৈ লয়। ১৯৩৭ চনত আন্দোলন সংঘটিত হোৱা চাহ বাগিছাৰ সংখ্যা আছিল মাত্ৰ ১৩ খন আৰু ১৯৩৮ আৰু ১৯৩৯ চনত তাৰ সংখ্যা হয়গৈ যথাক্ৰমে ১৭ আৰু ৩৫ খন। চাহ শ্ৰমিকৰ এই আন্দোলনৰ দ্বাৰাইয়ো ছাত্ৰসকল বহুল পৰিমাণে প্ৰভাৱান্বিত হৈছিল।[১১৩]

ত্ৰিশৰ দশকত অসমত ভালেমান কৃষক সংগঠনেও মূৰ দাঙি উঠে। বিশ্বজুৰি দেখা দিয়া পুঁজিবাদী সংকটেই ইয়াৰ বাবে প্ৰধানতঃ দায়ী আছিল। এনে সময়তে গান্ধীৰ দ্বাৰা উত্থাপিত ভূমি ৰাজহৰ ৫০ শতাংশ ৰেহাইৰ দাবীয়ে অসমৰ কৃষকসকলকো জোকাৰি গৈছিল আৰু ফলস্বৰূপে বিভিন্ন অঞ্চলত মধ্যবিত্ত শ্ৰেণীৰ লোক আৰু কংগ্ৰেছৰো একাংশৰ নেতৃত্বত ৰায়ত সভাৰ সংগঠন গঢ়ি উঠিছিল। বিশেষকৈ কামৰূপৰ সৰভোগ, দৰঙৰ চাৰি দুৱাৰ, ন-দুৱাৰ, ছয়-দুৱাৰ, বিশ্বনাথ, গমিৰি আদিত, আৰু শিৱসাগৰ জিলাত যোৰহাট জিলা ৰায়ত সভা, শিৱসাগৰত সাপেখাটী ৰায়ত সভা আদি সংগঠিত হৈছিল। গোৱালপাৰা জিলাতো ৰায়ত সভা গঠন কৰি কৃষকৰ অভাৱ অভিযোগ উপশম কৰাৰ প্ৰচেষ্টা চলোৱা হৈছিল।[১১৪]

কৃষকসকলক লৈ গঠন কৰা এই ৰায়ত সভাৰ সংগঠন সমূহে তৃণমূল পৰ্যায়ত সাম্ৰাজ্যবাদ বিৰোধী চেতনা জাগ্ৰত কৰাত যথেষ্ট সহায় কৰিছিল। ৰায়ত সভা সমূহ কৃষকৰ মাজত জনপ্ৰিয় হৈ পৰাত তাক আৰু সুসংহত আৰু কেন্দ্ৰীভূত নেতৃত্বৰ অধীনলৈ অনাৰ অভিপ্ৰায়েৰে ১৯৩৩ চনত সদৌ অসম ৰায়ত সভা গঠন কৰা হয়। এই প্ৰাদেশিক সংগঠনৰ অধীনত প্ৰায় তিনি শতাধিক ৰায়ত সভা একত্ৰিত হৈ পৰিছিল। সদৌ অসম ৰায়ত সভাৰ প্ৰথম আৰু দ্বিতীয় বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছিল যথাক্ৰমে নবীন চন্দ্ৰ বৰদলৈ আৰু হৰিকৃষ্ণ দাসৰ সভাপতিত্বত টিলিকিয়াম(১৯৩৩) আৰু দেৰগাওঁত (১৯৩৪)।[১১৫]

অৱশ্যে অসমত কংগ্ৰেছ মন্ত্ৰীসভা গঠন হোৱাৰ লগে লগে এই ৰায়ত সভাবোৰ কংগ্ৰেছ সংগঠনৰ অন্তৰ্ভুক্ত হৈ পৰিল, সুকীয়া সাংগঠনিক মৰ্যদাৰ অৱলুপ্তি ঘটিল। এই সম্পৰ্কে কৃষ্ণ শৰ্মাই কৈছে,[১১৬] "অসমত কংগ্ৰেছ মন্ত্ৰীসভা গঠন হোৱাৰ লগে লগে কংগ্ৰেছ কমিটিবোৰে ৰায়ত সভাবোৰ আঁকোৱালি ধৰিলে। ৰায়ত সভাৰ অনুষ্ঠানবোৰে কংগ্ৰেছৰ কাৰ্যক্ৰমণিকাত বিশ্বাস কৰি তেওঁলোকৰ দাবী কংগ্ৰেছ চৰকাৰে পূৰ্ণ কৰিব বুলি বিশ্বাস কৰিছিল। শ্ৰীযুত মোহন মহন্তদেৱে ৰায়ত সভাবোৰৰ কাৰ্য বৰ্তমান স্থগিত ৰখা উচিত বুলি জাননী দিয়াত ৰায়ত সভাৰ অনুষ্ঠানবোৰ নবহা হ'ল। অসম ৰায়ত

সভাৰ কাৰ্য একপ্ৰকাৰ বন্ধ হোৱাৰ দৰে হ'ল।" এইদৰেই কংগ্ৰেছ প্ৰভাৱাধীন অসমৰ ৰায়ত সভাৰ পৰিসমাপ্তি ঘটিছিল। কৃষক আন্দোলন তথা সংগঠনৰ ক্ষেত্ৰত দেখা দিয়া এই বিৰতিয়ে সাম্যবাদী আৰু সমাজবাদীসকলক সন্তুষ্ট কৰিব পৰা নাছিল।

সেয়ে কৃষকৰ এক নিজস্ব শ্ৰেণী সংগঠন গঢ়ি তোলাৰ বাবে বামপন্থীসকলে অহৰহ চেষ্টা চলাইছিল। এই চেষ্টাৰেই প্ৰথম পদক্ষেপ ৰূপে গঢ়ি উঠিছিল গোলাঘাটত হালোৱা সভা বা সংঘ। দধি মহন্ত, ধীৰেন দত্ত, যদু শইকীয়া আৰু খগেশ্বৰ তামুলী আদি বামপন্থী ব্যক্তিৰ প্ৰচেষ্টাত ৰক্ত পতকাৰ তলত এই কৃষক সংগঠন গঢ়ি উঠিছিল। ১৯৩৮ ইয়াৰ নাম কৃষক সভা কৰা হয়।[১১৭] পবিত্ৰ ৰায় আৰু অন্যান্য সাম্যবাদী আৰু সমাজবাদীসকলৰ চেষ্টাত গোৱালপাৰাত অনুষ্ঠিত অসম কৃষক সভাৰ অধিৱেশনত সহজানন্দ স্বৰস্বতীয়ে সভাপতিত্ব কৰিছিল।[১১৮] এইখিনিতে উল্লেখ কৰিব পাৰি যে ১৯৩৬ লক্ষ্ণৌত অনুষ্ঠিত নিখিল ভাৰত কৃষক সভাত অসমৰ পৰা বিষ্ণুৰাম মেধি আৰু শৰৎ চন্দ্ৰ সিংহই যোগদান কৰিছিল।[১১৯]

সি যি কি নহওঁক, কৃষকসকলৰ শ্ৰেণী সংগঠন গঢ়ি তোলাত সাম্যবাদী আৰু সমাজবাদীসকল আলোচ্য সময়ছোৱাত বিশেষ কৃতকাৰ্য হোৱা নাছিল, কিয়নো শিল্পায়নৰ অনুপস্থিতিত কৃষক জনসাধাৰণ মূলতঃ সদায়েই প্ৰায় অতীত মুখী আৰু সামাজিক ধ্যান-ধাৰণা, ৰীতি-নীতিৰ ক্ষেত্ৰত সামন্তীয় আহিঁ-আদৰ্শৰ প্ৰতি অনুগত আৰু সহানুভূতিশীল হৈ থাকিছিল। অৱশ্যে সেই দিশত আৰম্ভ কৰা কাম-কাজে নিশ্চয় পৰৱৰ্তী কালৰ বাবে আশাৰ বত্ৰা কঢ়িয়াই আনিছিল।

ওপৰত উনুকিয়াই অহা বিভিন্ন শ্ৰেণী সংগঠনে সাম্ৰাজ্যবাদী শোষণ নিপীড়নৰ বিৰুদ্ধে সংগঠিত কৰা আন্দোলন আদিৰ প্ৰতি অসমৰ ছাত্ৰসকলে সহযোগিতাৰ হাত আগবঢ়াইছিল। কৃষিজীৱী আৰু শ্ৰমজীৱী জনগণৰ অৰ্থনৈতিক সংগ্ৰামৰ প্ৰতি ছাত্ৰসকলে নিষ্ক্ৰিয় দৰ্শকৰ ভূমিকা লোৱা নাছিল। শ্ৰমজীৱী অগণিত লোকৰ মুক্তিৰ পথ যে মাৰ্ক্সীয় দৰ্শনৰ আধাৰতহে উন্মোচিত হ'ব পাৰে তাক ছাত্ৰসকলে অনুধাৱন কৰিব পাৰিছিল। ছাত্ৰসকলৰ মাজত সাম্যবাদী আৰু সমাজবাদী চিন্তা ধাৰাৰ ব্যাপক সম্প্ৰসাৰণৰো মূল কাৰণ আছিল সেইটোৱেই। ড° গুহই কৈছে,[১২০] "Socialist and communist thoughts that gripped the youth and the student intellegentsia in both the valley's bore relevance to the experiences of the toilers all around them." সেয়ে সাম্ৰাজ্যবাদী বৃটিশ পুঁজিৰ বিপক্ষে সংগঠিত শ্ৰমিক কৃষক আন্দোলনৰ প্ৰতি ছাত্ৰসকলে অকুণ্ঠ সমৰ্থন আগবঢ়াইছিল। তদুপৰি ছাত্ৰসকলৰ এক ব্যাপক অংশ আছিল বিশেষকৈ কৃষকসকলৰ পৰিয়ালৰপৰা।

পূৰ্বে উল্লেখ কৰি অহা হৈছে যে ইংল্যাণ্ড যুদ্ধত লিপ্ত হৈ পৰাৰ পাছৰেপৰাই বৃটিশ ভাৰত চৰকাৰে দেশৰ বিভিন্ন ঠাইত যুদ্ধ প্ৰদৰ্শনী পাতি এফালে জন সমৰ্থন আৰু আনফালে যুদ্ধ পুঁজি সংগ্ৰহ কৰিবলৈ চেষ্টা কৰিছিল। নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ নেতৃত্বত ছাত্ৰসকলে বৃটিশৰ এই যুদ্ধ প্ৰচেষ্টাৰ বিৰুদ্ধে বিক্ষোভ শোভাযাত্ৰা আদি সংগঠিত আৰু পৰিচালিত কৰিছিল। অসমতো ইয়াৰ ব্যতিক্ৰম হোৱা নাছিল।

১৯৪১ চনৰ ডিচেম্বৰ মাহ। গুৱাহাটীৰ জজ্ ফিল্ড পথাৰত আৰু কটন কলেজৰ

পদাৰ্থ বিজ্ঞানৰ বিজ্ঞানাগাৰত পৃথকে পৃথকে দুখন প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছিল। এই যুদ্ধ প্ৰদৰ্শনী এনে এটা সময়ত পতা হৈছিল যিটো সময়ত গুৱাহাটীৰ বিশেষকৈ কটন কলেজৰ ছাত্ৰসকলৰ মাজত ৰাজনৈতিক চেতনাবোধ আৰু কৰ্মতৎপৰতা যথেষ্ট বৃদ্ধি পাইছিল। সেই সম্পৰ্কে কটন কলেজৰ তদানীন্তন অধ্যক্ষৰ উদ্ধৃতিসহ **Cotton College Golden Jubilee Volume**ত এনেদৰে লিখা হৈছে,[১২১] " Towards the end of this period an unfortunate tendency had begun to develop due to the impact upon the student mind of the political movement and of growing political consciousness The Principal writes; 'A rather disquieting feature causing anxiety is the aloofness of the teachers and the pupils due to the feeling that the teachers are looked upon with suspicion and distrust "

গতিকে এনে উত্তপ্ত ৰাজনৈতিক পৰিৱেশত যুদ্ধ প্ৰদৰ্শনী পাতি চৰকাৰ পক্ষই ছাত্ৰসকলক সততে প্ৰৰোচিত কৰি তুলিছিল। সি যি কি নহওক, ৫ ডিচেম্বৰত পাণবজাৰ ছোৱালী হাই স্কুলৰ ছাত্ৰীসকলে শোভাযাত্ৰা কৰি আহি যুদ্ধ প্ৰদৰ্শনী চাইছিল। এইটো সম্ভৱ হৈছিল স্কুলৰ তদানীন্তন প্ৰধান শিক্ষয়িত্ৰী ৰাজবালা দাসৰ বাবে, কিয়নো তেওঁ আছিল বৃটিশ ৰাজভক্ত ব্যক্তি।[১২২] এই প্ৰদৰ্শনীৰ সমূখত ছাত্ৰ ফেডাৰেছনৰ কৰ্মীসকলে পিকেটিং কৰিছিল। ভৱিষ্যতে যাতে ছাত্ৰ-ছাত্ৰীৰ লগতে জনসাধাৰণৰ কোনেও প্ৰদৰ্শনীলৈ নাযায় ছাত্ৰ নেতাসকলে তাৰ ব্যৱস্থা স্বৰূপে প্ৰদৰ্শনীৰ ওচৰে-পাজৰে যুদ্ধ বিৰোধী পোষ্টাৰ লিখি আঁৰি দিছিল। চৰকাৰেও প্ৰদৰ্শনীলৈ অহা লোকক যাতে কোনেও বাধা দিব নোৱাৰে তাৰ ব্যৱস্থা স্বৰূপে কেইজনমান ছাত্ৰক গ্ৰেপ্তাৰ কৰিছিল। চৰকাৰ তাতেই ক্ষান্ত নাথাকিল। জিলাধিপতি হাম্‌ফ্ৰে চাহাবৰ লগত কটন কলেজৰ বিজ্ঞানাগাৰত প্ৰদৰ্শনী পতা কাৰ্যলৈ তৰ্ক-বিতৰ্ক লগাত তেওঁ নিজেই কলেজৰ ছাত্ৰ দিলীপ চক্ৰবৰ্তী আৰু উত্তম চন্দ্ৰ তহবিলদাৰক প্ৰহাৰ কৰি অপমানিত কৰে।[১২৩]

হম্‌ফ্ৰে চাহাবৰ কাৰ্যই জ্বলা জুইত ঘিউ ঢালিলে। গুৱাহাটীৰ ছাত্ৰ সমাজ জাগুৰ খাই উঠিল। তেওঁৰ এই কাৰ্যৰ প্ৰতিবাদ আৰু লগতে যুদ্ধ প্ৰচেষ্টাত বাধা দান কৰিবলৈ গুৱাহাটীত কটন কলেজৰ ছাত্ৰসকলৰ উদ্যোগ আৰু নেতৃত্বত পিছ দিনাখন অনুষ্ঠিত হ'ল দুশমান ছাত্ৰ-ছাত্ৰীৰ এক বিশাল শোভাযাত্ৰা। এই শোভাযাত্ৰাত কটন কলেজৰ ছাত্ৰ-ছাত্ৰীৰ লগতে কলেজিয়েত হাইস্কুল, পাণবজাৰ ছোৱালী হাইস্কুল আৰু বঙালী হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে যোগদান কৰি ছাত্ৰসকলৰ যুদ্ধ বিৰোধী আন্দোলনত প্ৰভূত অৰিহণা যোগাইছিল। শোভাযাত্ৰা আদিতে বন্ধ কৰিব নোৱাৰি হাম্‌ফ্ৰে চাহাবে দমন মূলক ব্যৱস্থাৰে ছাত্ৰ আন্দোলন ব্যৰ্থ কৰাত উদ্যোগ লৈছিল। আৰুই ফলশ্ৰুতিত পুলিচৰ নিৰ্মম লাঠীৰ প্ৰহাৰত অগণন ছাত্ৰ-ছাত্ৰী আহত হৈছিল।[১২৪]

৬ ডিচেম্বৰৰ দিনা অনুষ্ঠিত কৰা শোভাযাত্ৰা আৰু তাৰ ওপৰত জিলা প্ৰশাসনে কৰা নিৰ্মম লাঠী চালনাৰ বিষয়ে হৰিদাস ডেকাই লিখিছে,[১২৫] "ছোৱালী স্কুলৰ ছাত্ৰীসকল অহাত আমি পল্টান বজাৰৰ বঙালী হাইস্কুলৰ ছাত্ৰসকলক উলিয়াই লৈ [illegible]লি ডিপোৰ কাষেৰে কামৰূপ একাডেমি স্কুললৈ যাব ধৰোতে স্বয়ং ডি চিয়ে লাঠী

আৰু বন্দুকধাৰী পুলিচৰ সৈতে আমাক বাট আগচি ধৰিলে। আৰু শোভাযাত্ৰা বে-আইনী ঘোষণা কৰি দিহা-দিহি যাবলৈ হুকুম দিলে। আমি আদেশ অমান্য কৰিলো। তেতিয়া ডি. চিয়ে লাঠী চালনা কৰিবলৈ হুকুম দিলে। শোভাযাত্ৰাৰ দুয়ো মূৰৰ পৰা ভীষণ লাঠী চালনা হ'ল। ৭০/৮০জন ছাত্ৰই আঘাত পালে--১০/১২ জনৰ আঘাত গুৰুতৰ ধৰণৰ। ময়ো আঘাত পাই বাগৰি পৰিলো।" এই ঘটনা সম্পৰ্কে উমা শৰ্মাই লিখিছে,[১২৬] "বহুতৰ মূৰত, হাত ভৰিত আৰু কিছুমানৰ বুকুতো জখম হ'ল। অন্ততঃ এশমান ছাত্ৰ-ছাত্ৰীৰ জখম হৈছিল। সেই সময়ৰ ইউনিয়ন ছেক্ৰেটাৰী নাৰায়ণ দাস আৰু .ভূপেন ফুকনৰ (বুদু) আঘাত মাৰাত্মক হোৱা বুলি ডাক্তৰে কৈছিল। নেতৃস্থানীয় ছাত্ৰসকলৰ ভিতৰত হৰিদাস ডেকা, তৰুণসেন ডেকা, নন্দেশ্বৰ তালুকদাৰ আদিৰো জখম হৈছিল।"

আনকি এই ঘটনাৰ আলমতেই নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ উদ্যোগত সমগ্ৰ ৰাজ্য জুৰি "গুৱাহাটী দিবস"পালন কৰি যুদ্ধ প্ৰচেষ্টাত বাধা দিয়াৰ বাবে ৰাজ্যিক ভিত্তিত যুদ্ধ বিৰোধী বিক্ষোভ প্ৰদৰ্শন কৰা হৈছিল।[১২৭] সমগ্ৰ ৰাজ্যতে হোৱা এই ঘটনাৰ প্ৰতিক্ৰিয়া সম্পৰ্কে হৰিদাস ডেকাই কৈছে,[১২৮] "এই লাঠী চালনাৰ ফলত গুৱাহাটী তথা অসমত বিৰাট চাঞ্চল্যৰ সৃষ্টি হ'ল। সভা, শোভাযাত্ৰা, হৰতাল আদি কেইবা দিনলৈ পালন কৰা হ'ল। গুৱাহাটীত তিনিদিন সাধাৰণ ধৰ্মঘট ও হৰতাল হ'ল, আনকি আমিনগাওঁৰ ফেৰী জাহাজৰ কেণ্টিন পৰ্য্যন্ত তিনি দিনলৈ বন্ধ আছিল। এয়ে আমাৰ বিখ্যাত যুদ্ধ বিৰোধী ছাত্ৰ আন্দোলন আৰু ইয়াক '৪২ চনৰ আন্দোলনৰ Dress Rehearsal চূড়ান্ত আখৰা বুলি ক'ব পাৰি।"

যুদ্ধ বিৰোধী শোভাযাত্ৰা সংগঠিত কৰাৰ অভিযোগত কটন কলেজৰ ছাত্ৰ সভাৰ সাধাৰণ সম্পাদক ঠাকুৰপন্থী ছাত্ৰ নেতা নাৰায়ণ দাসকে ধৰি তৰুণ সেন ডেকা, হৰেন কলিতা আৰু কামিনী শৰ্মাক পুলিচে গ্ৰেপ্তাৰ কৰিছিল।[১২৯] যুদ্ধ বিৰোধী শোভাযাত্ৰাৰ ওপৰত লাঠী চালনা কৰা আৰু কিছুমান ছাত্ৰক গ্ৰেপ্তাৰ কৰাৰ প্ৰতিবাদত সমগ্ৰ অসমতে আন্দোলনৰ জোৱাৰ উঠিছিল। ছাত্ৰ-ছাত্ৰীসকলৰ শোভাযাত্ৰাৰ ওপৰত কৰা লাঠী চালনাৰ প্ৰতিবাদত পিচদিনা নীলমণি ফুকনৰ সভাপতিত্বত গুৱাহাটীত প্ৰায় ১৫/২০ হাজাৰ লোকৰ এক বিশাল জনসভা অনুষ্ঠিত হৈছিল।[১৩০] সেই সভাতে গৃহীত চতুৰ্থ প্ৰস্তাৱ মৰ্মে"কটন কলেজৰ অধ্যক্ষ বিজয় সেন, ডাক্তৰ জ্যোতিষ দাস, গাৰ্লছ্ হাইস্কুলৰ হেড্ মিষ্ট্ৰেস ৰাজবালা দাস, আৰু গুৱাহাটীৰ ডেপুটী কমিছনাৰ মিঃ হামফ্ৰেক এই ৰক্তপাতৰ গুৰি কাৰণে ৰাইজে গৰিহণা দিয়ে।"[১৩১]

৭ ডিচেম্বৰৰ ৰাতিপুৱাই গোপীনাথ বৰদলৈ, অৰুণ কুমাৰ চন্দ, বৈদ্যনাথ মুখাৰ্জী, অমিয় কুমাৰ দাস আদি কংগ্ৰেছী এম এল এ আৰু অসমৰ আই জি পি আৰু ডি.পি.আইয়ে চিকিৎসাধীন ছাত্ৰসকলক হাস্পাতলত সাক্ষাত কৰি সুকীয়া সুকীয়াকৈ ঘটনাৰ তদন্ত কৰে।[১৩২] সি যি কি নহওক, এই ঘটনাৰ প্ৰতিবাদত অসমৰ ভালেমান ঠাইতে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে ধৰ্মঘট, শোভাযাত্ৰা আদি সংগঠিত কৰি চৰকাৰী নিৰ্যাতনৰ প্ৰতিবাদ কৰিছিল।[১৩৩] এই ব্যাপক ছাত্ৰ বিক্ষোভ দমন কৰিবলৈ চৰকাৰে ১২ ডিচেম্বৰৰ দিনা ভাৰত ৰক্ষা বিধিৰ (Defence of India Rules) কবলত উমা শৰ্মা

আৰু হৰেশ কলিতাক, ১৫ ডিচেম্বৰত হৰিদাস ডেকা আৰু গকুল মেধিক গ্ৰেপ্তাৰ কৰি কাৰাবন্দী কৰে আৰু ৬ ডিচেম্বৰৰ পৰা ২ জানুৱাৰী (১৯৪২) পৰ্যন্ত গুৱাহাটীৰ সমুদায় স্কুল-কলেজ বন্ধ ৰখাৰ ব্যৱস্থা কৰে।[illegible]

এই আন্দোলনৰ ব্যাপকতা সম্পৰ্কে শশী শৰ্মাই কৈছে,[illegible] "-১৯৪২ চনৰ স্বাধীনতা সংগ্ৰামৰ আগে আগে সংঘটিত হৈছিল অসম জুৰি এক বিৰাট ছাত্ৰ আন্দোলন। এই আন্দোলনে অসমৰ ইংৰাজ চৰকাৰৰ সিংহাসন কঁপাই তুলিবলৈও সমৰ্থ হৈছিল।" গুৱাহাটীত ছাত্ৰ-ছাত্ৰীৰ ওপৰত হোৱা লাঠী চালনাৰ প্ৰতিবাদত যোৰহাটত হোৱা ছাত্ৰ বিক্ষোভ আছিল উল্লেখযোগ্য।[illegible] কোৱা বাহুল্য যে ছাত্ৰৰ এনে সাম্ৰাজ্যবাদ বিৰোধী আন্দোলনে জাতি-ধৰ্ম-ভাষা-নিৰ্বিশেষে সকলোৰে মাজত একতা আৰু সংহতিৰ বাতাবৰণ সৃষ্টি কৰিছিল।

দেশৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত গুৱাহাটীৰ ছাত্ৰসকলৰ ওপৰত লাঠী চালনাক কেন্দ্ৰ কৰি সমগ্ৰ ৰাজ্যখনতে সংঘটিত হোৱা আন্দোলনৰ তাৎক্ষণিক প্ৰভাৱ সম্পৰ্কে তদানীন্তন ছাত্ৰ নেতা উমা শৰ্মাই কৈছে,[illegible] "(১) সাধাৰণ অৱস্থাত ছাত্ৰ-ছাত্ৰীবিলাকক ৰাজনীতিৰ প্ৰতি অধিকাংশকে উদাসীন যেন লাগিলেও তেওঁলোকৰ ভিতৰত অৱচেতনভাৱে হ'লেও জাতীয় চেতনা আৰু সাহস, আছিল অত্যন্ত বেছি ; (২) সৰ্বসাধাৰণ ৰাইজে প্ৰথম বাৰৰ কাৰণে গুৱাহাটীত নিৰস্ত্ৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত চলোৱা লাঠি চালনা দেখি সকলো ভয়, সংকোচ, সুবিধাবাদ পৰিহাৰ কৰি সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সমবেত হৈছিল ; (৩) গুৱাহাটীৰ (চৰকাৰী চাকৰিয়ালখিনিৰ বাহিৰে) যি কেইজন স্থানীয় লোকে ব্ৰিটিছ সাম্ৰাজ্যবাদৰ যুদ্ধ পুঁজি সংগ্ৰহত নেতৃস্থানীয় ভূমিকা লৈছিল তেওঁলোকক এই ঘটনাৰ পিছত সৰ্বসাধাৰণ ৰাইজে সাধাৰণভাৱেই ঘৃণা কৰিবলৈ ধৰিলে। পিছত গৈ (স্বাধীনতাৰ পিছত) তেওঁলোকৰ বহুতে আহি কংগ্ৰেছত যোগ দিলে যদিও বহু বছৰলৈ জন মানসত তেওঁলোক ঘৃণীত হৈয়ে থাকি গৈছিল ; (৪) ছাত্ৰ আন্দোলনৰ সমাপ্তি যেনেকৈয়ে নহওক, যুদ্ধৰ কাৰণে পুঁজি সংগ্ৰহ কৰাৰ উদ্যোগে পতা প্ৰদৰ্শনীখন কিন্তু এই আন্দোলনে সম্পূৰ্ণভাৱে বিফল কৰি দিছিল ; (৫) পৰৱৰ্তী ১৯৪২ চনৰ আন্দোলন আৰু অন্যান্য গণতান্ত্ৰিক আন্দোলনবোৰৰ কাৰণে ছাত্ৰ-ছাত্ৰীবিলাকৰ ৰাজনৈতিক চেতনা দ্ৰুত গতিত বৃদ্ধি কৰিছিল ; (৬) এই আন্দোলনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰা, সাহসৰ পৰিচয় দিয়াসকলৰ ভিতৰত কলেজীয়া ছাত্ৰ-ছাত্ৰীসকলৰ সংখ্যাহে অধিক আছিল যেন লাগে ; (৭) চৰকাৰী চাকৰি কৰা ডাঙৰ ডাঙৰ অফিচাৰসকলৰ ল'ৰা-ছোৱালীবিলাকৰ বহুতেই আন্দোলনত সক্ৰিয়ভাৱে যোগ দিছিল, বহুতৰে লাঠি চালনাত জখমো হৈছিল। চৰকাৰী চাকৰিয়ালবিলাকৰ বেছিভাগেই এই ছাত্ৰ-আন্দোলনৰ প্ৰতি সহানুভূতিশীল থকাটোৱে পৰিলক্ষিত হৈছিল।"

এই ছাত্ৰ আন্দোলনৰ ফলশ্ৰুতিতেই ৰাজ্যখনৰ জনসাধাৰণৰ মাজত সাম্ৰাজ্যবাদ বিৰোধী চেতনা তীব্ৰ হাৰত বৃদ্ধি পাইছিল আৰু তবেই আপাহতে অসমত নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ সাংগঠনিক কাম-কাজো দ্ৰুত হাৰত বৃদ্ধি পাইছিল। প্ৰফুল্ল মিশ্ৰই উল্লেখ কৰা মতে,[illegible] ধীৰেশ্বৰ কলিতা, লোহিত লহকৰ, মাধৱ ডেকা, নন্দেশ্বৰ তালুকদাৰ, ফণী বৰা, কীৰ্তি বৰদলৈ, ৰমেশ শৰ্মা, বিষ্ণু বৰা, চুচেন ভূঞা, যোগেন

শইকীয়া, মদন বৰপূজাৰী, নগেন কাকতি, শামেশ্বৰ পেগু, আনন্দেশ্বৰ শৰ্মা, হীৰেণ ভট্টাচাৰ্য, এইচ. গুপ্ত, শ্যামপদ দত্ত, মনোৰঞ্জন নন্দী, অঞ্জলী দাস , প্ৰাণেশ বিশ্বাস, সত্যব্ৰত দত্ত, দেবেন শ্যাম, মহীতোষ পুৰকায়স্থ আদিৰ নেতৃত্বত অসম ছাত্ৰ ফেডাৰেছনৰ প্ৰভাৱ দ্ৰুতভাৱে বৃদ্ধি পায় আৰু ই অসমৰ এক জংগী ছাত্ৰ সংগঠন ৰূপে পৰিগণিত হয়।

বৃটিশ সাম্ৰাজ্যবাদ বিৰোধী ছাত্ৰসকলৰ এই জংগী সংগ্ৰামৰ কালছোৱাতেই অসমত এক বুজন পৰিমাণৰ ছাত্ৰী ৰাজনৈতিক কাম-কাজলৈ স্বেচ্ছাই ওলাই আহিছিল। কমিউনিষ্ট মতাদৰ্শত বিশ্বাসী এই ছাত্ৰীসকলক লৈ এক কমিউনিষ্ট ছাত্ৰী সংগঠন গঢ়ি তোলা হৈছিল। অসম ছাত্ৰ ফেডাৰেছনৰ সহযোগী সংস্থা ৰূপেই অঞ্জলী দাস, হেনা দত্ত, মায়া দত্ত, কমলা বৰঠাকুৰ, মণি দত্ত, ছান্ত্ৰা সেন আদি যুৱতীসকলক লৈ এটি সুকীয়া সমিতি গঠন কৰা হৈছিল। এই সকলৰ সহযোগত অঞ্জলী দাসে অসমৰ ভালেমান ঠাইত কমিউনিষ্ট ছাত্ৰী সংগঠন গঢ়ি তুলিছিল।[১৩১]

১৯৪১ চনত আন্তৰাষ্ট্ৰীয় ৰাজনীতি তথা যুদ্ধ পৰিস্থিতিৰ এক বিশেষ পৰিবৰ্তন সাধিত হয়। সেই বছৰৰে জুন মাহত হিটলাৰে বিশ্বৰ প্ৰথমখন সমাজতান্ত্ৰিক ৰাষ্ট্ৰ ছোভিয়েট দেশ আক্ৰমণ কৰে। জাৰ্মানীৰ দ্বাৰা সমাজতন্ত্ৰৰ পিতৃভূমি ছোভিয়েট দেশ আক্ৰান্ত হোৱাৰ ঘটনাই ভাৰতবৰ্ষত যথেষ্ট আলোড়নৰ সৃষ্টি কৰিছিল। বিশ্বৰ পৰপদানত আৰু নিপীড়িত জাতিসমূহে ছোভিয়েট সমাজতান্ত্ৰিক ৰাষ্ট্ৰক স্বাধীনতা আৰু অৰ্থনৈতিক মুক্তিৰ এক আলোকস্তম্ভৰূপে গণ্য কৰি আহিছিল। বৃটিশ সাম্ৰাজ্যবাদৰ দ্বাৰা পদদলিত দেশ ভাৰতবৰ্ষতো অসহযোগ আন্দোলনৰ কালৰপৰাই ছোভিয়েট সমাজতান্ত্ৰিক ৰাষ্ট্ৰৰ আদৰ্শত ৰাজনৈতিক স্বাধীনতাৰ লগতে বিপুল জনগণৰ অৰ্থনৈতিক মুক্তিৰ দিশতো নিৰ্দিষ্ট কাৰ্যসূচী দাঙি ধৰা হৈছিল। কমিউনিষ্ট অথবা সমাজবাদীসকলৰ কথা বাদেই আনকি জাতীয় বুৰ্জোৱাৰ নেতা নেহেৰুৱেও ছোভিয়েট দেশত সমাজতান্ত্ৰিক ৰাষ্ট্ৰীয় পুনৰ গঠন আৰু অৰ্থনৈতিক দিশত লাভ কৰা সাফল্যৰ প্ৰতি লক্ষ্য ৰাখি ৰাজহুৱা ভাৱে প্ৰশংসা বাণী উচ্চাৰণ কৰিছিল।

কংগ্ৰেছৰ ফৈজপুৰ অধিৱেশনত (১৯৩৬) সভাপতি নেহেৰুৱে তেওঁৰ ভাষণৰ মাজত বাৰম্বাৰ ছোভিয়েট সমাজতন্ত্ৰৰ আদৰ্শ ৰাজিক শ্ৰোতাৰ আগত দাঙি ধৰিছিল। গতিকে বিশ্বৰ পদদলিত তথা নিপীড়িতসকলৰ মুক্তিৰ আদৰ্শ স্বৰূপ সমাজতান্ত্ৰিক ৰাষ্ট্ৰ ছোভিয়েট দেশ জাৰ্মানীৰ দ্বাৰা আক্ৰান্ত হোৱাত ভাৰতবৰ্ষত ভীষণ ৰাজনৈতিক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। কংগ্ৰেছ কাৰ্যকৰী সমিতিয়ে ছোভিয়েট ৰাষ্ট্ৰৰ এই সংকট মুহূৰ্তত প্ৰস্তাৱাকাৰে গভীৰ উদ্বেগ আৰু সহানুভূতি প্ৰকাশ কৰিছিল;[১৩৩] " The Soviet Union has stood for certain human, cultural and social values which are of great importance to the growth and progress of humanity The working Committee consider that it would be a tragedy if the cataclysm of war involved the destruction of this endeavour and achievement. They have admired the astonishing self-sacrifice ,and heroic courage of the Soviet people in defence of their

country and freedom and send to them their warm sympathy."

১৯৪১ চনৰ শেহছোৱাত অৰ্থাৎ জুনৰপৰা নৱেম্বৰ মাহৰ ভিতৰত কমিউনিষ্ট পাৰ্টিৰ ফালৰপৰা স্বাধীনতাৰ বাবে দেশজোৰা ব্যাপক আন্দোলনৰ প্ৰস্তুতি চলোৱা হৈছিল। উল্লেখ কৰিব পাৰি যে স্বাধীনতাৰ বাবে গান্ধীৰ নেতৃত্বত কংগ্ৰেছে চলোৱা একক সত্যাগ্ৰহৰ পৰ্ব ইতিপূৰ্বে মে' মাহতে সমাপ্ত হৈছিল। আনহাতে ১৯৩৪ চনৰে পৰা কমিউনিষ্টসকলৰ ওপৰত চলি অহা নিৰ্যাতনৰো অন্ত পৰা নাছিল, পাৰ্টিও বে-আইনী হৈয়েই আছিল। তথাপিও এই কালছোৱাত পাৰ্টিৰ বিভিন্ন গণ সংগঠনৰ জৰিয়তে স্বাধীনতা আন্দোলন জোৰদাৰ কৰাৰ বাবে সদস্য আৰু কৰ্মীসকলে সচেষ্ট হৈ পৰিছিল। বৃটিশ বিৰোধী ভাষণ দিয়াৰ অপৰাধতেই ছেপ্তেম্বৰ মাহত নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ (কমিউনিষ্ট পন্থী) নেতা ফাৰুকীক গ্ৰেপ্তাৰ কৰা হৈছিল। মাদ্ৰাজ ষ্টুডেণ্টছ কনফাৰেন্সৰ দ্বিতীয় বাৰ্ষিক অধিৱেশনত (নৱেম্বৰ) কমিউনিষ্টসকলে স্বাধীনতাৰ বাবে দেশজোৰা ছাত্ৰ আন্দোলন আৰম্ভ কৰাৰ দাবী তুলিছিল।[১৩১]

সেই একে মাহতে হীৰেন মুখাৰ্জীয়ে পাঞ্জাব ষ্টুডেণ্টছ কনফাৰেন্সতো ঘোষণা কৰিছিল[১৩২] যে " Indian people must "do all in their power to win freedom for the country " কিন্তু জাৰ্মানীৰ দ্বাৰা ছোভিয়েট দেশ আক্ৰান্ত হোৱাৰ পিছৰেপৰাই বিশ্ব যুদ্ধত ৰোম-বাৰ্লিন-টকিও জোট তথা ফেছিষ্ট জোটৰ বিজয়ৰ সম্ভাৱনাই অকল যে বিশ্বত গণতন্ত্ৰৰে বিপদ চমু চপাই আনিছিল তেনে নহয়, লগতে সমাজতান্ত্ৰিক ৰাষ্ট্ৰ ছোভিয়েট দেশৰ ধ্বংসৰ আশংকাও ঘণীভূত কৰি তুলিছিল। আনহাতে ছোভিয়েট ৰাষ্ট্ৰৰ সহযোগ অবিহনে মিত্ৰ শক্তিৰো এই সময়ত অন্য কোনো গত্যন্তৰ নাছিল। গতিকে এফালে গণতন্ত্ৰ আৰু আনফালে সমাজবাদৰ উত্তৰোত্তৰ বিকাশ আৰু সংৰক্ষণৰ বাবেই ঘাইকৈ মিত্ৰ শক্তি আৰু ছোভিয়েট ৰাষ্ট্ৰৰ মাজত ফেছিষ্ট বিৰোধী ঐক্য মঞ্চ গঢ়ি উঠাতো প্ৰায় বাধ্যতামূলক হৈ পৰিছিল। আন্তৰাষ্ট্ৰীয় ৰাজনীতিৰ এই পুনৰ বিন্যাসৰ পৰিপ্ৰেক্ষিতত ভাৰতবৰ্ষতো কমিউনিষ্ট পাৰ্টিয়ে ফেছিষ্ট বিৰোধী গণতান্ত্ৰিক শক্তিসমূহৰ সমৰ্থনত যুদ্ধ প্ৰচেষ্টাত সহযোগিতাৰ নীতি হাতত লৈছিল। তাৰ দ্বাৰা কিন্তু কমিউনিষ্ট পাৰ্টিয়ে সাম্ৰাজ্যবাদীইঁতৰ হাতত দেশৰ স্বাধীনতাৰ দাবী বন্ধকত দিয়া নাছিল, কেৱল সাময়িকভাৱে সাম্ৰাজ্যবাদ বিৰোধী সক্ৰিয় ভূমিকা স্থগিত ৰাখি ১৯৪১ চনৰ ডিচেম্বৰ মাহৰ ১৫ তাৰিখে জনযুদ্ধ নীতি গ্ৰহণ কৰিছিল। সেইদিনা গৃহীত হোৱা পলিটবুৰ'ৰ প্ৰস্তাৱত কোৱা হৈছিল,[১৩৩] "We are a practical party, and in a new situation it is our task not only to evolve a new form of struggle for it, but also to advance new slogans appropriate to the new stage, suiting the new form of our national movement The key slogan for our party, which guides all our practical activity is·MAKE THE INDIAN PEOPLE PLAY A PEOPLE'S ROLE IN THE PEOPLE'S WAR "

পৰিৱৰ্তিত আন্তৰাষ্ট্ৰীয় ৰাজনৈতিক তথা যুদ্ধ পৰিস্থিতি সম্পৰ্কে ভি কে.কৃষ্ণ মেননৰ মন্তব্যৰ উল্লেখ কৰি ***Communism in India*** ৰ গ্ৰন্থাকাৰদ্বয়ে লিখিছে,[১৩৪] " The attack on the U S S R , he said, "calls for the fullest

mobilisation of all the forces of freedom everywhere." He declared that participation in the "world anti-Fascist front" was an "integral" part of Indian policy, but that the demand for freedom was "equally" a part of that policy " জৱহৰলাল নেহেৰুৱেও ১৯৪১ চনৰ ডিচেম্বৰ মাহত কৈছিল, " The progressive forces of the world are now aligned with the group represented by Russia, Britain, America and China "

আনকি ডিচেম্বৰ মাহৰ শেহৰ পিনে কংগ্ৰেছ কাৰ্যকৰী সমিতিত গৃহীত প্ৰস্তাৱতো এই দৃষ্টিভংগীয়েই প্ৰাধান্য লাভ কৰিছিল, " While there has been no change in British policy towards India, the Committee must nevertheless take into consideration the new world situation which has arisen by the developments of the war and its approach to india. The sympathies of Congress must inevitably lie with the peoples who are subject to aggression and are fighting for their freedm, but only a free and independent India can be in a position to undertake the defence of the country on a national basis " মন কৰিব লগীয়া কথা যে এই প্ৰস্তাৱ গৃহীত হোৱাৰ পৰিপ্ৰেক্ষিতত গান্ধীয়ে স্বেচ্ছাই কংগ্ৰেছৰপৰা অপসাৰিত হৈ পৰিছিল।

এইখিনিতে প্ৰণিধানযোগ্য যে ইয়োৰূপত ফেছিজিম্‌ৰ আগ্ৰাসনৰ প্ৰায় লগে লগেই তাক প্ৰতিৰোধ কৰিবলৈ পোনতে কমিউনিষ্টসকলেই কাৰ্যকৰী ব্যৱস্থা লৈ ৰাজনৈতিক সংগ্ৰামত অৱতীৰ্ণ হৈছিল। ১৯৩৫ চনৰ ২৫ জুলাই– ২১ আগষ্টত মস্কোত অনুষ্ঠিত তৃতীয় কমিউনিষ্ট আন্তৰ্জাতিকৰ সপ্তম বিশ্ব মহাসম্মিলনত ফেছিজিম্‌ক প্ৰতিহত কৰিবলৈ কাৰ্যকৰী ব্যৱস্থা ৰূপে ডমিট্ৰিভ থেচিচ গ্ৰহণ কৰি বিশ্বৰ বিভিন্ন দেশত ফেছিজিম্‌ বিৰোধী যুক্ত ফ্ৰন্ট গঠন কৰাৰ বাবে আহ্বান দিয়া হৈছিল। ব্যৱহাৰিক দিশত এই ব্যৱস্থা ফলপ্ৰসূও হৈছিল। উদাহৰণ স্বৰূপে ফ্ৰান্সত সমাজবাদী, ৰ‍্যাডিকেল সমাজবাদী আৰু কমিউনিষ্টসকলে গঢ়ি তোলা জনপ্ৰিয় ফ্ৰন্টৰ মাধ্যমত তাত ফেছিজিম্‌ৰ আগ্ৰাসনক বাধা দিয়াত সফলকাম হৈছিল। আনহাতে স্পেইনত এই ব্যৱস্থাই অন্ততঃ তিনি বছৰলৈ ফেছিজিম্‌ৰ আগ্ৰাসনক প্ৰতিহত কৰি ৰাখিব পাৰিছিল। চিলি, কিউবা, আৰ্জেন্টিনা, ব্ৰাজিল, মেক্‌সিকো আদি ল্যাটিন আমেৰিকাৰ দেশ আৰু এছিয়াৰ চীন, কোৰিয়া, ভিয়েতনাম, আদি দেশতো কমিউনিষ্টসকলৰ উদ্যোগত ফেছিজিম্‌ বিৰোধী যুক্ত ফ্ৰন্ট গঠন কৰা হৈছিল।

গতিকে দেখা যায় বিশ্বৰ বিভিন্ন দেশ আৰু ৰাষ্ট্ৰৰ প্ৰতি ফেছিজিমে সৃষ্টি কৰা ভাবুকি আৰু বিপদৰ পৰিপ্ৰেক্ষিততেই গণতান্ত্ৰিক আৰু সমাজবাদী দেশ আৰু শক্তি আৰু লগতে সাম্ৰাজ্যবাদৰ দ্বাৰা পদদলিত আৰু নিপীড়িত লোকৰ মুক্তিৰ প্ৰয়োজনতেই কমিউনিষ্টসকলে যুক্ত ফ্ৰন্টৰ নীতি গ্ৰহণ কৰি তাক তদানীন্তন ব্যৱহাৰিক ৰাজনীতিত প্ৰয়োগ কৰিছিল। আৰু সেইটো আছিল সময়ৰ ঐতিহাসিক দাবী। অৰ্থাৎ ফেছিজিম্‌ৰ অভ্যুদয় আৰু আগ্ৰাসনে বিশ্বৰ দেশ সমূহক দুটা প্ৰধান শিবিৰত বিভক্ত কৰি পেলাইছিল, এফালে আছিল সাম্ৰাজ্যবাদী- ফেছিষ্ট দেশসমূহ, (যেনে– ইটালী, জাৰ্মানী,

জাপান আৰু স্পেইন) আৰু আনফালে আছিল সাম্ৰাজ্যবাদী- গণতান্ত্ৰিক ( যেনে- ইংল্যাণ্ড, ফ্ৰান্স, আমেৰিকা যুক্তৰাষ্ট্ৰ) আৰু সমাজবাদী- গণতান্ত্ৰিক (যেনে - ছোভিয়েট ৰাছিয়া) আৰু গণতান্ত্ৰিক -সমাজবাদী আদৰ্শত বিশ্বাসী অথচ সাম্ৰাজ্যবাদৰ দ্বাৰা পদানত আৰু স্বাধীনতা প্ৰয়াসী দেশ সমূহ (যেনে – চীন, ভিয়েটনাম, কোৰিয়া, ভাৰতবৰ্ষ, আৰু ল্যাটিন আমেৰিকাৰ দেশসমূহ)।

গতিকে এই সময়ছোৱাৰ ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ ইতিহাস কোলাপথেই দ্ৰুত পৰিবৰ্তনশীল বিশ্ব ৰাজনীতিৰ এই সমীকৰণবপৰা আঁতৰাই আনি পৃথকে আৰু আচুতীয়াকৈ আলোচনা কৰিব নোৱাৰি। ভাৰতবৰ্ষৰ দৰে পদানত দেশৰ স্বাধীনতাৰ পূৰ্ব চৰ্তই আছিল ফেচিবাদ - সাম্ৰাজ্যবাদ বিৰোধী সাম্ৰাজ্যবাদী- গণতান্ত্ৰিক শিবিৰৰ সৈতে আপোচ আৰু যৌথ সংগ্ৰামৰ প্ৰস্তুতি আৰু তাৰ সফল ৰূপায়ন।। তাৎপৰ্যৰ কথা যে ভাৰতবৰ্ষত কমিউনিষ্ট পাৰ্টিয়ে ১৯৪১ চনৰ ডিচেম্বৰ মাহত জনযুদ্ধৰ নীতি গ্ৰহণ কৰাৰ আগলৈ কংগ্ৰেছকে ধৰি সকলোবোৰ ৰাজনৈতিক দলৰে সেইটোৱেই আছিল মূল ৰাজনৈতিক দৃষ্টিভঙ্গী।

সি যি কি নহওক, কংগ্ৰেছে কিন্তু নিজা বৰীয়াকৈ সময় সুবিধা বুজি ইংল্যাণ্ডৰ সৈতে দেশৰ স্বাধীনতাৰ প্ৰশ্নত আপোচ কৰাৰ নীতি চলাই আহিছিল। আনহাতে ইংল্যাণ্ডেও নিজৰ সুবিধাৰ অনুকূলে ভাৰতীয় ৰাজনৈতিক দল বিশেষকৈ কংগ্ৰেছৰ সৈতে আপোচ কৰাৰ পক্ষপাতী আছিল, বিশেষকৈ ইয়োৰোপৰ যুদ্ধ পৰিস্থিতিয়ে সেইটো কৰিবলৈ ইংল্যাণ্ডক বাধ্য কৰাইছিল। অৰ্থাৎ যুদ্ধ-প্ৰচেষ্টাত বৃটিশ পদানত দেশ ভাৰতবৰ্ষৰ সহায়-সহযোগ উপেক্ষা কৰাতো ইংল্যাণ্ডৰ পক্ষে এতিয়া আৰু সম্ভাৱৰ প্ৰশ্ন হৈ থকা নাছিল। সেয়ে ১৯৪১ চনৰ মাৰ্চ-এপ্ৰিল মাহত ভাৰতীয় ৰাজনৈতিক নেতাসকলৰ লগত আলোচনা কৰিবলৈ বৃটিশ গৃহ চৰকাৰৰ নিৰ্দেশত ছাৰ ষ্টেফৰ্ড ক্ৰিপ্‌ছে ভাৰত ভ্ৰমণ কৰে।

ভাৰতীয় জাতীয় বুৰ্জোৱাই সিহঁতৰ কংগ্ৰেছ নেতাসকলে ক্ৰিপছৰ সৈতে মোকাবিলাৰে ভাৰতৰ ৰাজনৈতিক প্ৰশ্নৰ এটি মীমাংসা কৰিব বুলি আশা কৰিছিল। কিন্তু ক্ৰিপ্‌ছৰ লগত হোৱা সকলোবোৰ আলোচনা ব্যৰ্থতাত পৰ্যবসিত হোৱাত কংগ্ৰেছ নেতৃবৃন্দৰ মাজত ভীষণ হতাশাই দেখা দিছিল। নেহেৰুৱেতো এই ঘটনাৰ বিষয়ে লিখিবলৈ গৈ তেওঁৰ **Discovery of India** গ্ৰন্থৰ এটা উপ-অধ্যায়ৰ নামেই দিছে '<u>Frustration</u>'। আনকি জুলাই মাহৰ কংগ্ৰেছৰ কাৰ্যকৰী সমিতিৰ প্ৰস্তাৱতো এই হতাশাৰ কথাই প্ৰাধান্য পাইছে। সেই প্ৰস্তাৱত কোৱা হৈছিল,[১৩৬] " This frustration has resulted in a rapid and widespread increase of ill-will against Britain and growing satisfaction at the success of Japanese arms."

সি যি কি নহওক, ক্ৰিপ্‌ছৰ লগত ৰাজনৈতিক মকাবিলাত ব্যৰ্থ হৈ কংগ্ৰেছে ১৯৪২ চনৰ জুলাই মাহৰ ১৪ তাৰিখে চৰকাৰৰ সৈতে অসহযোগৰ প্ৰস্তাৱ গ্ৰহণ কৰি বৃটিশ শাসনতন্ত্ৰক নিজ দেশলৈ প্ৰত্যাগমণৰ বাবে নিৰ্দেশ দিছিল। এই প্ৰস্তাৱৰ শেষাংশত কোৱা হৈছিল,[১৩৭] " In making the proposal for the withdrawal of British rule from India, the Congress had no desire whatsoever to embar-

rass Great Britain or the Allied Powers in their prosecution of the war, in any way to encourage aggression on India or increased pressure on China by the Japanese or any other Power associated with the Axis Group Nor does the Congress intend to jeopardise the defensive capacity of the Allied Powers The Congress is therefore agreeable to the stationing of the armed forces of the Allies in India, should they so desire, in order to ward off and resist Japanese or other aggression, and to protect and help China " *অৰ্থাৎ এতিয়ালৈ মিত্ৰ শক্তি অথবা ইংলেণ্ডৰ যুদ্ধ প্ৰচেষ্টাত বাধাৰ সৃষ্টি কৰাতো কংগ্ৰেছৰ কাম্য নাছিল। কিন্তু সেইটো হলেও এই প্ৰস্তাৱৰ মূল মৰ্ম আছিল* " .British rule in India must end immediately . "[151]

*মন কৰিব লগীয়া কথা যে এই প্ৰস্তাৱ এনে এটা সময়ত লোৱা হৈছিল যিটো সময়ত অসমকে ধৰি সমগ্ৰ পূৰ্ব- ভাৰত জাপানী আক্ৰমণৰ কবলত পৰিছিল। আনকি সমগ্ৰ ভাৰতবৰ্ষই জাপানৰ দ্বাৰা আক্ৰান্ত তথা পদানত হোৱাৰ আশংকা এটা ঘণীভূত হৈ পৰিছিল। ওপৰত উদ্ধৃতি দি অহা ১৪ জুলাইৰ প্ৰস্তাৱত দেখুওৱাৰ দৰে ভাৰতবৰ্ষৰ জনগণৰ বিশেষকৈ পূৰ্ব-ভাৰতৰ কিয়দংশ ৰাজনৈতিক নেতা আৰু লোকে ক্ৰিপ্‌ছৰ লগত হোৱা আলোচনা ব্যৰ্থ হোৱাৰ পৰিপ্ৰেক্ষিতত জাপানৰ প্ৰতি সহানুভূতিশীল হৈ পৰিছিল। আনহাতে ৰোম-বাৰ্লিন-টকিও —এই ফেছিষ্ট জোটৰ লগত সুভাষ চন্দ্ৰ বসুৰ সক্ৰিয় সহযোগে জনসাধাৰণৰ মনত সহানুভূতিৰ বাতাৱৰণ সৃষ্টি কৰাৰ লগে লগে স্বাধীনতা লাভৰ বাবে এক বিকল্প পথৰ ইংগিতো দিছিল। মালয়, চিঙ্গাপুৰ, ব্ৰহ্মদেশত বৃটিশৰ উপৰ্যুপৰি হোৱা যুদ্ধ বিপৰ্যয়েও বৃটিশ বিদ্বেষী ভাৰতীয় জনগণৰ একাংশক উজ্বলিত কৰি তুলিছিল। আনহাতে জাপানীসকলক আদৰি লোৱাৰ বাবে যে ভাৰতবৰ্ষৰ সুযোগ সন্ধানী বিত্তবান শ্ৰেণীটো সদায় প্ৰস্তুত আছিল তাক নেহেৰুৱেও স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল। তেওঁ কৈছিল,*[১৫২] " Indeed it was highly likely that chief among those who might collaborate with the invader would be many of the persons who had been collaborating with British rule and who proclaimed their loyalty to that rule from the house-tops They had perfected the art of collaboration and would find no difficulty in holding on to that basis even though the superstructure changed "

*নেহেৰুসহ কংগ্ৰেছী নেতাসকলৰ এই উপলব্ধিৰ পিছতো উপৰিউক্ত প্ৰস্তাৱ গ্ৰহণ কৰাতো জাতীয় স্বাৰ্থৰ পৰিপন্থী আছিল বুলি ক'ব পাৰি। সি যি কি নহওক, এই প্ৰস্তাৱটোকে পৰিশোধিত ৰূপত ৮/৯ আগষ্টত বোম্বে কংগ্ৰেছত ভাৰত ত্যাগ প্ৰস্তাৱ ৰূপে গৃহীত কৰা হৈছিল। ভাৰত-ত্যাগ প্ৰস্তাৱ আৰু তাৰেই পৰিপ্ৰেক্ষিতত সংঘটিত হোৱা আন্দোলনৰ বিষয়ে আলোচনা কিছু পিছলৈ থৈ আমি পুনৰ মূল বিষয়লৈ ওভতি যাব বিচাৰিছোঁ।*

*১৯৪১ চনৰ ডিচেম্বৰ মাহত পাটনাত জাতীয়তাবাদীসকলৰ নেতৃত্বাধীন নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ অধিৱেশন অনুষ্ঠিত হৈছিল ইউছুফ মেহৰালিৰ সভাপতিত্বত।*[১৫৩]

কমিউনিষ্ট পন্থী নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ অধিৱেশনো প্ৰায় একে সময়তে পাটনাতেই অনুষ্ঠিত হৈছিল। এইখনত সভাপতিত্ব কৰিছিল ইন্দুলিকাৰ উদ্দিনে।[illegible] এইখনত অসমৰপৰা গৌৰীশঙ্কৰ ভট্টাচাৰ্য, ৰমেশ শৰ্মা আদি কমিউনিষ্ট ভাবাপন্ন ছাত্ৰকেইজন সমানে যোগদান কৰিছিল।[illegible] নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ এই অধিৱেশনতেই জনযুদ্ধ প্ৰস্তাৱ গৃহীত হৈছিল। এই প্ৰস্তাৱে ছাত্ৰসকলৰপৰা বিপুল সমৰ্থন লাভ কৰিছিল যেন অনুভূত হয়। *Communism in India* ৰ গ্ৰন্থকাৰদ্বয়ে লিখিছে,[illegible] " By and large the line prevailed, and the Communist AISF gained steadily in organisational strength. At the end of the war it overshadowed the rival group " গতিকে দেখা যায় কমিউনিষ্টপন্থী নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ আগত জাতীয়তাবাদী নিখিল ভাৰত ছাত্ৰ ফেডাৰেচন মতাদৰ্শ আৰু সাংগঠনিক দিশত অত্যন্ত নিস্প্ৰভ হৈ পৰিছিল। কমিউনিষ্টপন্থী সকলৰ নেতৃত্বাধীন নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ সদস্য সংখ্যাৰ বৃদ্ধিৰ প্ৰতি দৃষ্টিপাত কৰিলেই এই কথা অধিক স্পষ্ট হৈ পৰিব। ১৯৪৬ চনত নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ সদস্য সংখ্যা আছিল ৬০,৫৯৮ আৰু পিছৰ বছৰত সি হৈছিলগৈ ৭৪,০০০।[illegible]

প্ৰসঙ্গক্ৰমে আমি পূৰ্বতে উল্লেখ কৰি আহিছো যে ১৯৪২ চনৰ ১৪ জুলাইৰ কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ প্ৰস্তাৱটোকে সংশোধন কৰি ৮ আগষ্টত বোম্বে কংগ্ৰেছত ভাৰত-ত্যাগ প্ৰস্তাৱৰূপে গৃহণ কৰা হৈছিল। মিত্ৰ শক্তিৰ স্বাৰ্থৰ বিপৰীতে যুদ্ধ পৰিস্থিতিৰ দ্ৰুত অৱনতিলৈ চাই কিছু কংগ্ৰেছ নেতাই অৱশ্যে এনে এটা প্ৰস্তাৱ লোৱাটো পছন্দ কৰা নাছিল। এই বিষয়ে আমি যথাস্থানত উল্লেখ কৰি আহিছো, আৰু সেয়ে ইয়াত এইটো কলেই যথেষ্ট হ'ব যে কংগ্ৰেছ সভাপতি মৌলানা আবুল কালাম আজাদেও সেই প্ৰস্তাৱ আদিতে আন্তৰিকতাৰে সমৰ্থন কৰা নাছিল। তেওঁ স্মৃতি-চাৰণত লিখিছে,[illegible] " Our sympathies were with the Allied powers but the British Government had taken up an attitude which made it impossible for us to cooperate with them We could side with the British only as a free country but the British wanted us as a mere camp followers On the other hand, the Japanese had occupied Burma and were advancing towards Assam I felt that we must refrain from any word or action which could offer encouragement to the Japanese It seemed to me that the only thing we could do was to wait upon the course and watch how the war situation developed Gandhiji did not agree " আৰু গান্ধীৰ উদ্দেশ্য সম্পৰ্কে আজাদে লিখিছে,[illegible] " Gandhiji held that the British would regard his move for an organised mass movement as a warning and not take any precipitate action "

গতিকে যিহেতু গান্ধীৰ মতে এই প্ৰস্তাৱ এটা 'সতৰ্কবাণী'হে আছিল সেয়ে আন্দোলনৰ কাৰ্যপন্থাৰ ফালৰপৰা চাবলৈ গলে তাত একোৱেই নাছিল। আন্দোলনৰ বাবে এই প্ৰস্তাৱৰ পৰিপ্ৰেক্ষিতত গান্ধীয়ে জনগণৰ ওচৰত যি কাৰ্যসূচী দাঙি ধৰিছিল তাৰ স্বৰূপেইবা আছিল কি? ৭ আগষ্টৰ কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ সভাত গান্ধীয়ে

আন্দোলনত অংশগ্ৰহণকাৰীসকলে কি কৰিব লাগিব তাৰ খচৰা এখন দাঙি ধৰিছিল। তাত আছিল;[১৬০] "(১) এটা নিৰ্দিষ্ট দিনত হৰতাল পালন কৰাৰ লগতে ২৪ ঘণ্টীয়া অনশন আৰু উপসনা কৰা, আৰু হৰতালৰ বাবে কোনো দোকানীকে জোৰ-জুলুম নকৰা, লগতে হৰতালৰ দিনা সভা, শোভাযাত্ৰা আদি অনুষ্ঠিত কৰি সত্যাগ্ৰহ সম্পৰ্কে ব্যাখ্যা দাঙি ধৰা। (২) আন্দোলন মূলতঃ লোণ আইন ভঙ্গ কৰি অবৈধভাৱে লোণ প্ৰস্তুত কৰাৰ দিশত পৰিচালিত হ'ব।(৩) ভূমি ৰাজহ আদায় নিদিয়া। তাৰো দুটা দিশ আছিল, জমিদাৰী এলেকাত জমিদাৰে আন্দোলনত অংশ গ্ৰহণ কৰিলে তেওঁৰ ৰায়তীয়াকে প্ৰাপ্য ৰাজহখিনি তেওঁক আদায় দিব কিন্তু চৰকাৰৰ অংশটো অনাদায় থাকিব; জমিদাৰে চৰকাৰৰ পক্ষ ললে ভূমি ৰাজহ সম্পূৰ্ণ আদায় দিয়া নহ'ব।"

কংগ্ৰেছ সভাপতি আজাদৰ মতে আন্দোলনৰ কাৰ্যসূচী তথা আঁচনি সম্পৰ্কে গান্ধীৰ কোনো স্পষ্ট ধাৰণা নাছিল। স্বাধীনতা আন্দোলনৰ দৰে গুৰুত্বপূৰ্ণ বিষয়ৰ ক্ষেত্ৰত সিদ্ধান্ত লোৱাৰ দায়িত্ব থকা নেতাৰ ক্ষেত্ৰত এনে অস্পষ্টতা বিপদজনক কথা। আজাদে লিখিছে,[১৬১] " When I pressed him to tell us what exactly would be the program(sic) of resistance, he had no clear idea The only thing he mentioned during our discussions was that unlike previous occasions, this time the people would not court imprisonment voluntarily They should resist arrest and submit to the Government only if physically forced to do "

সি যি কি নহওক, আন্দোলনত কেনে ধৰণৰ লোকে অংশ গ্ৰহণ কৰিব তাৰো নিৰ্দেশ গান্ধীয়ে দিছিল। "স্বাধীনতা অৰ্জনৰ বাবে সত্য অহিংসাত পূৰাদমে বিশ্বাসী কংগ্ৰেছী বা অ-কংগ্ৰেছীসকলো ভাৰতীয়ই আন্দোলনত অংশ গ্ৰহণ কৰিব পাৰিব। ভাৰতীয় বা ইংৰাজ ব্যক্তিৰ প্ৰতি বিদ্বেষভাব পোষণ কৰা কোনো ব্যক্তিয়েই সত্যাগ্ৰহ কৰাতো উচিত নহ'ব।"[১৬২]

"চৰকাৰী কাৰ্যালয়, চৰকাৰী ফেক্টৰী, ৰেল বিভাগ, ডাক বিভাগ আদিৰ কৰ্মচাৰীসকলে আন্দোলনত অংশ গ্ৰহণ নকৰিব যেতিয়ালৈ তেওঁলোকে অংশ গ্ৰহণ কৰাতো প্ৰয়োজনীয় হৈ নুঠে। বিধান সভা, মিউনিচিপালিটি আৰু অন্যান্য ৰাজহুৱা প্ৰতিষ্ঠানৰ সদস্যসকল আন্দোলনত ওলাই আহিব। চৰকাৰী আৰু চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত শিক্ষানুষ্ঠানত অধ্যয়নৰত সকলো ছাত্ৰ-ছাত্ৰীয়েই তেনে অনুষ্ঠান ত্যাগ কৰিব। ১৬ বছৰৰ ওপৰৰ বিলাকে সত্যাগ্ৰহত যোগ দিব। কিন্তু সেই ক্ষেত্ৰতে। জোৰ জুলুম কৰাতো অনুচিত হ'ব।"[১৬৩]

আমি পূৰ্বে উল্লেখ কৰি আহিছো যে বৃটিশ-ভাৰত চৰকাৰে ভাৰত-ত্যাগ প্ৰস্তাৱক সতৰ্কবাণী হিচাপে গণ্য কৰি কোনো ধৰণৰ দমনমূলক ব্যৱস্থা নল'ব বুলি গান্ধীয়ে বিশ্বাস কৰিছিল। কিন্তু ৮/৯ আগষ্টত প্ৰস্তাৱ গৃহীত হোৱাৰ পাছতেই গান্ধীকে আদি কৰি কংগ্ৰেছ নেতৃবৃন্দক চৰকাৰে গ্ৰেপ্তাৰ কৰিলে। নেতৃত্ববিহীন আন্দোলনৰ নামত ইয়াৰ পিছত যি ঘটিছিল তাৰ চাঁদৰ লিখনীত তাৰ উমান পাব পাৰি;[১৬৪] " What followed can not be dignified with the name of a movement, for it

was an outburst of blind anger- unorganised, unprepared and undi rected, of a harassed and distracted people. The leaderless masses were moved hither and thither swayed by a multiplicity of influence- the terrorists; the revolutionists, the Forward Bloc of Subhas Bose who had fled to Berlin, the Socialist followers of Jaiprakash Narayan who were in the Congress but were opposed to non-violence, and a number of nondescript anti-social elements, looking for opportunities for mischief The one force which ought to have guided them along the path of non-violent struggle had been eliminated by the action of Government."

অৱশ্যে তাৰা চাঁদৰ এই মন্তব্য একেবাৰেই সত্য বুলি ক'ব নোৱাৰি, কিয়নো বছৰৰ পিছত বছৰ ধৰি বিভিন্ন ৰাজনৈতিক দল-উপদলৰ জৰিয়তে চলি অহা ৰাজনৈতিক কাম-কাজে জনসাধাৰণক সততে সাম্ৰাজ্যবাদ বিৰোধী আৰু স্বাধীনতা প্ৰয়াসী কৰি তুলিছিল আৰু আন্দোলনত অংশ গ্ৰহণ কৰাৰ সুযোগ পোৱাৰ লগে লগে তেওঁলোকে তাৰ সৎ ব্যৱহাৰ কৰিছিল, নেতা বা আদৰ্শ যিয়েই নহওঁক লাগে। তাত আদৰ্শৰ সংঘাতিতকৈ বা নেতাৰ প্ৰয়োজনতকৈ লক্ষ্যত উপনীত হোৱাটোৱেই আছিল মুখ্য কথা। আৰু গণ বিপ্লৱৰ আদৰ্শৰ সৈতে পৰিচিত স্বাধীনতা প্ৰয়াসী ভাৰতীয়লোকৰ বাবে তাতকৈ আৰু বেছি কিহৰ প্ৰয়োজন। স্বাধীনতা সংগ্ৰামৰ ময়দানত গান্ধীৰ অনুপস্থিতিতো যে ভাৰতীয় লোকে স্বাধীনতাৰ বাবে আত্মাহুতি দিব পাৰে বিয়াল্লিশৰ আন্দোলনে তাকেই প্ৰমাণ কৰি থৈ গ'ল। সেইটো অৱশ্যে সমাগত শাসককুলৰ বাবে ভয়ৰো কাৰণ আছিল। আৰু বোধহয় সেই কাৰণেই গান্ধীয়ে বিয়াল্লিশৰ আন্দোলনৰ দায়িত্ব অস্বীকাৰ কৰিছিল। লগতে জৱহৰলাল নেহেৰু আৰু বল্লভভাই পেটেল আৰু গোবিন্দ বল্লভ পন্তে।

সি যি কি নহওক, এই আন্দোলনত যুৱ-ছাত্ৰই এক বিশেষ ভূমিকা লৈছিল। যুৱ-ছাত্ৰসকলৰ এই ভূমিকাৰ কথা উল্লেখ কৰি নেহেৰুৱে লিখিছিল, " All over India, the younger generation, especially university students, played an important part in both the violent and peaceful activities of 1942 " আনকি আন্দোলনত অংশ গ্ৰহণ কৰাৰ বাবে বহু ছাত্ৰই শাস্তি ভুগিব লগা হৈছিল। নেহেৰুৱে কৈছিল, " Vast numbers of students in schools and colleges were punished in various ways and thousands of youngmen were flogged " ৰাম গোপালেও ছাত্ৰসকলৰ ভূমিকাৰ কথা উল্লেখ কৰি লিখিছে, " Students came out of their colleges and universities and took to rebellious activities The movement was in the hands of those who had never been in the Congress." তেওঁ ছাত্ৰসকলৰ ওপৰত লোৱা শাস্তিমূলক ব্যৱস্থাৰ কথা উল্লেখ কৰি লিখিছে, " Students took a conspicuous part in the movement. Large numbers of them came out or were rusticated from their schools or colleges In Benares division alone

32,000 students were expelled from their institutions."

কংগ্ৰেছী নেতাসকলে ছাত্ৰসকলক আন্দোলনত যোগদান কৰিবলৈ অহৰহ নিৰ্দেশ দিছিল। আহমেদাবাদত বল্লভভাই পেটেলে ছাত্ৰসকলক আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল। কংগ্ৰেছী নেতাসকলৰ সেই সময়ৰ ভাষণ আৰু বিবৃতি সংগ্ৰহ কৰি প্ৰকাশ কৰা চৰকাৰী পুস্তিকাত কোৱা হৈছিল,"[৬৯]
"Vallabhbhai Patel, addressing a students' meeting in Ahmadabad, is reported to have asked them to pick any item from the struggle that had been tought so far, since 1919, and also to tell every Britishers to quit India immediately Congress would not come any more to tell them what to do and what not to do and they must take the initiative and do what seemed proper under the circumstances, they should consider themselves free men and disobey all Government's orders "

এইখিনিতে আৰু এটা উল্লেখনীয় আৰু তাৎপৰ্যপূৰ্ণ কথা হ'ল এই যে অহিংসাৰ পূজাৰী মহাত্মা গান্ধীয়েও বিয়াল্লিশৰ আন্দোলনৰ প্ৰাক্ মুহূৰ্তত দেশৰ স্বাধীনতা অৰ্জনৰ বাবে ৰাজনৈতিক অস্ত্ৰ হিচাপে অহিংসা পন্থাৰ প্ৰতি আস্থা হেৰুৱাইছিল। ক্ৰিপ্‌ছ মিছনৰ সৈতে আপোচমূলক আলোচনা-বিলোচনা চলি থকা সময়তে গান্ধীয়ে তেওঁৰ ৰাজনৈতিক সহকৰ্মী আৰু সহযোগীসকলক কৈছিল যে তেওঁলোকে বিচাৰিলে বা পছন্দ কৰিলে অহিংসাৰ বিকল্প যি কোনো পন্থাই তেওঁলোকে গ্ৰহণ কৰিব পাৰে। তেওঁ কৈছিল,"[৭০] "
. non-violence with me is a creed But it is never as a creed that I placed it before India I placed it before the Congress as a political method As a political method it can always be changed, modified, altered, or even given up in preference to another If you can not get what you want you will strike the bargain, and you may be sure that I will not shed a single tear " আৰু বিয়াল্লিশৰ আন্দোলনত যথাৰ্থতে গান্ধীৰ অহিংসা পন্থাৰো যতি পৰিছিল।

ৰেল-লাইন ভঙা, টেলিফোন, টেলিগ্ৰাফৰ লাইন কাটি যোগাযোগ বিচ্ছিন্ন কৰা আৰু গৃহদাহ, ৰেল বগৰাই কূটঘাটমূলক কাৰ্যৰ জৰিয়তে চৰকাৰক সততে বিপৰ্যস্ত কৰা আদিৰ বাস্তৱায়ন আন্দোলনৰ সাধাৰণ কাৰ্যসূচীত পৰিণত হৈছিল। অন্যান্যসকলৰ লগতে এই সমুদায় কূটঘাটমূলক কাৰ্যত জড়িত থকাৰ উপৰিও ছাত্ৰসকলৰ বস্তুতেই পিকেটিং, শোভাযাত্ৰা আদিত দেশৰ সৰ্বত্ৰ মুখ্য ভূমিকা লৈ আন্দোলন ব্যাপক আৰু তীব্ৰ কৰি তুলিছিল। পট্টাভি সীতাৰামায়াই লিখিছে,"[৭১] ".. there were hartals throughout India despite the ordinance, prohibiting them, in which the school and college students took a big hand in picketing Educational institutions and Universities very soon emptied and closed from one end of the country to another, from Dacca to Delhi excepting Aligarh and from Lahore to Madrass The

Benares University, however, was taken possession of by the military at an early stage in the movement " তাৰা চাঁদেও প্ৰায় একে সুৰতেই লিখিছে,"[১৪] "Among the agents who played an active role the students were conspicuous. They left their studies and came out of schools and colleges in thousands Their enthusi- -m was irrepressible, their courage in facing police charges with batons and even bullets unflinching They helped in the organisation of demonstration. They went out into villages with the massage of freedom Many a bright youngmen sacrificed his career, faced the wrath of his parents or guardians, lived in poverty, but stuck bravely to what he believed his country demanded." মাইকেল ব্ৰেছাৰেও (Michael Breacher) উল্লেখ কৰিছে,"[১৫] "Students were in the vanguard· They walked out of the Universities and started a campaign of sabotage- derailing trains, cutting telephone wires, instigating peasants to withhold payment of taxes "

আন্দোলনত বিপুল সংখ্যাক ছাত্ৰৰ অংশ গ্ৰহণৰ কাৰণ সম্পৰ্কে বৃটিশ ভাইচ্‌ৰয় লৰ্ড লিন্‌লিথ'গ'ই ১৯৪২ চনৰ ২২ আগষ্টত ভাৰত পৰিক্ৰমাৰ মন্ত্ৰী তথা ভাৰত-সচিব আমেৰীলৈ লিখিছিল,"[১৬] " In all the disturbances students have been prominent and, as a particular example, the Benares University has been working as an organising centre In this last fact we should ourselves be inclined at present to see that main key to the situation The volume of revolutionary propaganda spread throughout the country by communist and other organisations combined with the nationalist and anti-British preachings of Congress has had a commulative effect on the educated and impressionable youth of the country. To the younger generation the non-violent non-cooperation of Gandhi has never made a really strong appeal Either they have deliberately seized control and exceeded the instruction of Congress, or the Congress leaders may themselves have instigated and subsidised a revolt, the violence of which may have gone beyond their expectations, or there may have been more sinister forces at work What matters for the moment is that youth is in command and has been putting into execution a revolutionary programme which could hardly have sprung into existence at a moment's notice!"

এইবিলাকে প্ৰমাণ কৰে যে বিয়াল্লিশৰ আন্দোলনতো দেশৰ ছাত্ৰ-যুৱকসকলে এক সদৰ্থক আৰু সাহসী ভূমিকাৰে দেশ মাতৃৰ বন্ধন মুক্তিৰ প্ৰয়াসত ব্ৰতী হৈ পৰিছিল।

## সূত্র নির্দেশ

১ B.Pattabhi Sitaramayya, History of the Indian National Congress,Vol I, pp 558-59

২ Ibid ,p.562;D G.Tendulkar, Mahatma, Life of Mohandas Karamchand Gandhi, Vol III, p.208

৩ Ibid ,pp.208-09, Sitaramayya, op.cit.,p.562

৪ Ramesh Chandra Majumdar, History of the Freedom Move ment in India, Vol.III,pp 399-400

৫ quoted in Rajani Palme Dutt, India Today,pp.311-12, fn

৬ Sitaramayya, op cit ,p.573

৭ M Arumugam, Socialist Thought in India The Contribution of Ram Manohar Lohia,p 38

৮ Jayprakash Narayan, Towards Struggle, p 9

৯ Sitaramayya, op cit ,p 581, Tendulkar, op cit ,p 297

১০ Ibid , emphasis added, Sitaramayya, op cit ,p 581

১১ Arumugam, op cit ,p 40

১২ R C Majumdar, op cit ,pp 458-59

১৩ Ibid ,p 459

১৪ Ibid ,pp 459-60

১৫ Sitaramayya, op cit ,VoL II,p 11

১৬ Arumugam, op cit ,p 43

১৭ Jawaharlal Nehru, Discovery of India,p 390

১৮ Jawaharlal Nehru, Mahatma Gandhi, p 33

১৯ R P Dutt,op cit ,p 347

২০ Jayprakash Narayan, op cit ,p 10

২১ EMS Namboodiripad, "The Congress Socialist Party and the Communists", *The Marxist*, voL 2, No 1 pp 53-54

২২ Overstreet and Windmiller, Communism in India, p 395

২৩ Ibid

২৪ Ibid ,p 396

২৫ Ibid

২৬ Ibid

২৭ Ibid

২৮ Ibid

২৯ M R.Masani, Communist Party of India- A Short History,p.55

৩০ Ibid ,p.54

৩১ *চিদানন্দ শইকীয়া সম্পাদিত, ধীরেন দত্ত স্মৃতিগ্রন্থ, পৃ.১২৬*

৩২ *বিজয় চন্দ্র শর্মা, অসমৰ যুৱক আৰু ছাত্র আন্দোলন, পৃ.৬১*

৩৩ ঐ, তথ্যি চিহ্ন এই নিবন্ধৰ
৩৪ Overstreet and Windmiller, op.cit.,p.396
৩৫ Ibid.,p.397
৩৬ V B.Kulakarni, British Statesmen in India,pp.390-91
৩৭ Ibid.; also see R.C.Majumdar, op.cit.,p.493
৩৮ Ibid.,p.497
৩৯ Jawaharlal Nehru, n 17,p 382
৪০ Ibid
৪১ R C.Majumdar, op.cit.,p.497
৪২ Maulana Abul Kalam Azad, India Wins freedom, p.39
৪৩ Tara Chand, Histroy of the Freedom Movement in India, Vol.IV, pp 308- 09
৪৪ R.C Majumdar, op cit ,p 502
৪৫ Ibid.
৪৬ Jawaharlal Nehru, n.17, p 387
৪৭ R.P.Dutt, op.cit.,p 451
৪৮ Ibid.
৪৯ R C.Majumdar, op.cit ,p 502, emphasis added
৫০ R P Dutt, op cit ,p 460
৫১ Overstreet and Windmiller, op.cit.,p 397
৫২ বিজয় চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৩৪
৫৩ Overstreet and Windmiller, op cit ,p 187
৫৪ বিজয় চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৩৪
৫৫ Overstreet and Windmiller, op.cit.,p 397
৫৬ Ibid
৫৭ বিজয় চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৩৭
৫৮ ঐ
৫৯ চিদানন্দ শইকীয়া সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ২০,৯৩,১২৯,১৩০,১৩১, Prafulla Misra, "Communist Movement in Assam", *North-Eastern Affairs*, July-Sept.,1972,p.26, A.Guha, Planter Raj to Swaraj,p 251;গৌৰীশঙ্কৰ ভট্টাচাৰ্য, সবিনয় নিবেদন, পৃ ৩৬৪
৬০ ঐ, পৃ ৩৬৩-৬৪
৬১ Prafulla Misra, op cit ,p.26
৬২ চিদানন্দ শইকীয়া সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ২০; Prafulla Misra, op cit.,pp.26-27, A.Guha, op.cit., p.251
৬৩ Prafulla Misra, op cit ,p.26
৬৪ A C Bhuyan,ed ,et al ,Political History of Assam,Vol II, p.246
৬৫ Ibid ,p.271
৬৬ Ibid , p 247

৬৭ Ibid., Guha, op.cit ,p 187
৬৮ Ibid.; *চিদানন্দ শইকীয়া সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ. ১৩৫*
৬৯ Prafulla Misra, op.cit.,p.24
৭০ *গৌৰীশংকৰ ভট্টাচাৰ্য, উল্লেখিত গ্ৰন্থ, পৃ ৩৭২*
৭১ *চিদানন্দ শইকীয়া সম্পাদিত , উল্লেখিত গ্ৰন্থ, পৃ. ৭*
৭২ *হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যসকলৰ দ্বাৰা সম্পাদিত, ভাৰতৰ মুক্তি যুঁজত অসম,পৃ ১২৭*
৭৩ *চিদানন্দ শইকীয়া সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ. ১২৭*
৭৪ A C Bhuyan,ed et al., op.cit ,p 247
৭৫ *গৌৰীশংকৰ ভট্টাচাৰ্য, উল্লেখিত গ্ৰন্থ, পৃ ৩৭২ ; উমা শৰ্মা, বাট বুলি বুলি ভাগৰি পৰিলে, পৃ ৫৫ ; হৰিদাস ডেকা, জীৱন আৰু সংগ্ৰাম, পৃ ২৮*
৭৬ *ঐ, পৃ. ২৬-২৭*
৭৭ *ঐ, পৃ ২৬*
৭৮ *উমা শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৫৪-৫৫*
৭৯ *হৰিদাস ডেকা, উল্লেখিত গ্ৰন্থ, পৃ ২৮; অচিন্ত্য ভট্টাচাৰ্য, চৰকাৰী ইতিহাসত অসমৰ বাওঁপন্থী আন্দোলনঃ এটি পৰ্যালোচনা, নতুন পৃথিৱী, দ্বাদশ বছৰ, প্ৰথম সংখ্যা, আৰু তিনিদিনীয়া জনক্ৰান্তি, ১-৪ জুলাই,১৯৮৪*
৮০ *হৰিদাস ডেকা, উল্লেখিত গ্ৰন্থ, পৃ ৩২ ; গৌৰীশংকৰ ভট্টাচাৰ্য, উল্লেখিত গ্ৰন্থ, পৃ ৩৭৩*
৮১ Cotton College Golden Jubilee Volume, 19951-52,p 65
৮২ Guha, op cit ,p 253
৮৩ *হৰিদাস ডেকা, উল্লেখিত গ্ৰন্থ, পৃ ৩২*
৮৪ *ঐ, পৃ ৩২-৩৩*
৮৫ *চিদানন্দ শইকীয়া সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১২৩*
৮৬ *ঐ, পৃ ১২৯*
৮৭ *বিজয় চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ. ৩৭-৩৮* , Guha, op cit ,p 252
৮৮ *চিদানন্দ শইকীয়া সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১৪*,Guha, op cit ,p 252
৮৯ Ibid ,p.253
৯০ *বিজয় চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ. ৩৮*
৯১ *গৌৰীশংকৰ ভট্টাচাৰ্য, উল্লেখিত গ্ৰন্থ, পৃ ৩৭৩*
৯২ *ঐ*
৯৩ *বিজয় চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৩৮*
৯৪ *উমা শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৫৭-৫৮*
৯৫ *বিজয় চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৩৮*
৯৬ *চিদানন্দ শইকীয়া সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১৩১*
৯৭ *ঐ, পৃ ১৩০*
৯৮ *ঐ, পৃ ৩৪*
৯৯ *ঐ, পৃ. ১৮*
১০০ *ঐ, পৃ ৬*

১০১ ঐ, পৃ. ১৯

১০২ ঐ

১০৩ ঐ, পৃ ৯৪

১০৪ ঐ, পৃ ১০৪

১০৫ ঐ, পৃ ১০৫

১০৬ A C.Bhuyan,ed et al op cit.,p.235

১০৭ quoted in ibid ,p 243

১০৮ গৌৰীশঙ্কৰ ভট্টাচাৰ্য, উল্লেখিত গ্ৰন্থ, পৃ ৩৩০

১০৯ A C Bhuyan, ed et.al., op cit ,p 248

১১০ Guha, op cit ,p 252

১১১ Ibid ,pp 238, 241, 245, A C Bhuyan, ed et al op cit ,pp 263-66

১১২ Guha, op cit pp 244-45

১১৩ Ibid.,pp 242 and 246, A C Bhuyan,ed et al op cit ,p.252

১১৪ Guha, op cit ,pp 181-82,K N Dutt, Landmarks of the Freedom Struggle in Assam, pp 76-77; কৃষ্ণ শৰ্মা, কৃষ্ণ শৰ্মাৰ ডায়েৰী,পৃ ২৫১

১১৫ ঐ, পৃ ২০৩,২৪৯,২৫২, Guha, op cit ,p 182

১১৬ কৃষ্ণ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ২৫২

১১৭ চিদানন্দ শইকীয়া সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১০৫, ১২৩; Guha, op cit ,p 248

১১৮ A C Bhuyan,ed ,et al , op cit ,p 256

১১৯ R C Kalita,"Women and Agrarian Struggles in Assam An Empirio-Historical Approach,1946-73", Progs Volume, North East India History Association, Aijwal Session, 1995.

১২০ Guha, op cit ,p 249

১২১ Cotton College Golden Jubilee Volume, 1951-52,p 72

১২২ বিজয় চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৩৯ , শশী শৰ্মা, সময়ে যাক পাহৰি যাব, পৃ ৯৩, হৰিদাস ডেকা, উল্লেখিত গ্ৰন্থ, পৃ ৩৮- ৩৯ , উমা শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৯৫-৯৬

১২৩ বিজয় চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৪০-৪১ , হৰিদাস ডেকা, উল্লেখিত গ্ৰন্থ, পৃ ৩৮-৩৯

১২৪ ঐ, পৃ ৩৮-৩৯ , উমা শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৯৫-৯৭;বিজয় চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৪২-৪৩, Cotton College Golden Jubilee Volume, 1951-52,p 73 ;Guha, op cit ,p 268, K N Dutt, op cit.,p 93; হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যসকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ. ১৯৫

১২৫ হৰিদাস ডেকা, উল্লেখিত গ্ৰন্থ, পৃ ৩৯

১২৬ উমা শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৯৭

১২৭ বিজয় চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ.৪২-৪৩, Cotton College Golden

Jubilee Volume, 1951-52,p 73 ,Guha, op cit.,p 268, K N Dutt,op cit ,p 93, হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যসকলৰ দ্বাৰা সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১৯৫

১২৮ হৰিদাস ডেকা, উল্লেখিত গ্ৰন্থ, পৃ ৩৯ - ৪০

১২৯ Prafulla Misra, op cit ,p 27

১৩০ বুলেটিন নং ১ আৰু ২ , পৰিশিষ্ট এক চাওক

১৩১ বুলেটিন নং ২ , পৰিশিষ্ট এক চাওক

১৩২ ঐ

১৩৩ বুলেটিন নং ৩,৪,৫, পৰিশিষ্ট এক চাওক

১৩৪ বুলেটিন নং ৫ আৰু ৬ পৰিশিষ্ট এক চাওক

১৩৫ শশী শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৯৩

১৩৬ হৰেন্দ্ৰনাথ বৰুৱা আৰু অন্যান্যসকলৰ দ্বাৰা সম্পাদিত,উল্লেখিত গ্ৰন্থ, পৃ ১৩০

১৩৭ উমা শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৯৮-৯৯

১৩৮ Prafulla Misra, op cit ,p 27-29

১৩৯ Ibid 140 Overstreet and Windmiller, op cit ,p 191

১৪১ Ibid ,pp 196-97

১৪২ Ibid

১৪৩ P C Joshi,Communist Reply to Congress Working Committee's Charges, Part I, p 45, also see Overstreet and Windmiller,p 198

১৪৪ Ibid ,p 203

১৪৫ R P Dutt, op cit ,p 451

১৪৬ Ibid ,p 452

১৪৭ Anil Rajimwale,United Front Some Historical Experiences and Problems, pp 53-54

১৪৮ Ibid.,pp 70-75

১৪৯ Azad, op cit ,p.91

১৫০ Ibid ,p 92

১৫১ Ibid ,p 91

১৫২ Nehru,n.17, p 413

১৫৩ বিজয় চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৪৫-৪৬

১৫৪ ঐ

১৫৫ ঐ,পৃ ৪৬-৪৯

১৫৬ Overstreet and Windmiller, op cit p.208

১৫৭ Ibid.,p.398

১৫৮ Azad,op cit ,p 87

১৫৯ Ibid ,p 88

১৬০ Tara Chand, op cit ,p 376

১৬১ Azad, op cit pp 87-88

১৬২ Tara Chand, op cit ,p 376
১৬৩ Ibid ,p 377
১৬৪ Ibid ,p.378
১৬৫ Nehru, n 17,p 429
১৬৬ Ibid ,p 432
১৬৭ Ram Gopal, How India Struggled for Freedom,p.430
১৬৮ Ibid ,p 432
১৬৯ R C Majumdar, op cit ,p 548
১৭০ Dorothy Norman, Nehru The First Sixty Years, Vol.II, pp.89-90
১৭১ Sitaramayya, op cit ,Vol II, p 373
১৭২ Tara Chand, op cit ,p 380
১৭৩ Michael Breacher, Nehru:A Political Biography,p 141
১৭৪ A C Bhuyan, Quit India Movement:The Second World War and Indian Nationalism, p.87

৬

# সাম্ৰাজ্যবাদী কুট কৌশল ঃ
# সাম্প্ৰদায়িকতাবাদ আৰু দেশ বিভাজন

১৯৪২ চনৰ ছেপ্তেম্বৰ মাহৰ শেষৰপৰাই বিয়াল্লিশৰ আন্দোলনৰ ভাটা পৰিবলৈ লৈছিল। এফালে সাম্ৰাজ্যবাদী শাসন যন্ত্ৰৰ দমন-পীড়ন আৰু আনফালে আন্দোলনৰ সাংগঠনিক শিথিলতাই আৰু তৎসৃষ্ট দুৰ্বলতাই ইয়াৰ বাবে প্ৰধানতঃ দায়ী আছিল। 'ভাৰত-ত্যাগ' প্ৰস্তাৱ মৰ্মে নিৰ্দিষ্ট লক্ষ্যত উপনীত হবলৈ আন্দোলনৰ নেতাসকলে যি আঁচনি প্ৰস্তুত কৰি সমৰ ক্ষেত্ৰত অৱতীৰ্ণ হব লাগিছিল সেই দক্ষতা অথবা ৰাজনৈতিক নিপুণতা তেওঁলোকৰ নাছিল। আন্দোলন আৰম্ভ কৰিবলৈ নৌপাওঁতেই চৰকাৰে কংগ্ৰেছী নেতাসকলক গ্ৰেপ্তাৰ কৰা কাৰ্যই অকেই সূচায়। তেওঁলোকে জনসাধাৰণৰ ওচৰতো কোনো নিৰ্দ্ধাৰিত বা স্পষ্ট আঁচনি থৈ যাব পৰা নাছিল। স্বাধীনতাকাংক্ষী জনসাধাৰণে সেয়ে পৰিবেশ সাপেক্ষে আৰু সময় অনুকূলে নিজ নিজ আদৰ্শ আৰু নিজৰ পছন্দ অনুযায়ী স্বাধীনতা প্ৰাপ্তিৰ বাবে আনুমানিক তথা মনে বিচৰা কাৰ্যসূচীৰ ভিত্তিত আন্দোলনত অংশ গ্ৰহণ কৰিছিল। প্ৰদেশ আৰু অঞ্চল ভেদে আন্দোলনকাৰীসকলে হাতত লোৱা কাৰ্যসূচীও আছিল পৃথক পৃথক আৰু ভিন্ন ধৰণৰ। ই আছিল মূলতঃ স্বাধীনতাকামী জনসাধাৰণৰ এক সৰ্বাত্মক আৰু সৰ্বশেষ প্ৰচেষ্টা। ইয়াক স্বতস্ফূৰ্ত বুলি কলেও সঠিক কোৱা নহব, কিয়নো দীৰ্ঘদিনীয়া ৰাজনৈতিক মতাদৰ্শৰ প্ৰচাৰ আৰু কৰ্মৰাজিয়ে জনসাধাৰণক আন্দোলনৰ বাবে প্ৰস্তুত কৰি ৰাখিছিলেই। প্ৰশ্নটো আছিল কেৱল সময়ৰ আৰু সংগ্ৰামত নামি পৰাৰ আহ্বানৰ, সেইটো পোৱাৰ পিছত স্বাধীনতাৰ সেনানীসকল আৰু ৰৈ থকা নাছিল। বিভিন্ন ৰাজনৈতিক মতাদৰ্শত বিশ্বাসীসকলতো আছিলেই, আৰু যিহেতু স্বাধীনতাৰ ধাৰণাও অন্য এক মতাদৰ্শই আছিল সেয়ে আন্দোলনত অংশ গ্ৰহণকাৰীসকল পক্ষভুক্তলোকেই আছিল। তেওঁলোক আছিল সাম্ৰাজ্যবাদ বিৰোধী ভাৰতীয় জনগণ। ভাৰতীয় জনগণৰ এই সৰ্বাত্মক স্বাধীনতা বিদ্ৰোহেই আছিল বিয়াল্লিশৰ গণ বিপ্লৱ।

সৌমেন্দ্ৰনাথ ঠাকুৰৰ নেতৃত্বাধীন কমিউনিষ্ট লীগ (ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি), সুভাষ চন্দ্ৰ বসুৰ ফ'ৰৱাৰ্ড ব্লক, ভগৎ সিঙৰ হিন্দুস্থান ছচোয়েলিষ্ট ৰিপাব্লিকান আৰ্মি (এছোছিয়েচন) আৰু জয়প্ৰকাশ নাৰায়ণৰ নেতৃত্বাধীন কংগ্ৰেছ সমাজবাদী দলৰ কৰ্মী-সংগঠকসকল আৰু ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ একাংশই '৪২ৰ আন্দোলনত সক্ৰিয় ভূমিকাত অৱতীৰ্ণ হৈছিল। প্ৰসংগতঃ উল্লেখনীয় যে আন্দোলনত অংশ গ্ৰহণকাৰী এই কেইটা ৰাজনৈতিক দল আৰু ইয়াৰ কৰ্মীয়ে অহিংসা পন্থাক স্বাধীনতা সংগ্ৰামৰ একমাত্ৰ আদৰ্শ পন্থাৰূপে গণ্য কৰা নাছিল। আকৌ গান্ধীৰ অহিংসা পন্থাৰ প্ৰতি কংগ্ৰেছৰ যুৱকসকলৰো সহানুভূতি নাছিল। আনকি বিয়াল্লিশৰ আন্দোলনৰ প্ৰায় আগে

আগে ত্ৰিপুৰ মিলনৰ সৈতে আলোচনা চলি থকাৰ সময়তে গান্ধীয়ে তেওঁৰ বিশ্বস্ত ৰাজনৈতিক সহকৰ্মী আৰু সহযোগীসকলক তেওঁ ইয়াৰ দিনে প্ৰচাৰ কৰি অহা অহিংসা নীতিৰো এটি নতুন ব্যাখ্যা দিছিল। এই সম্পৰ্কে আমি ইয়াৰ আগৰ অধ্যায়ত উল্লেখ কৰি আহিছো। তাৰ দ্বাৰা নিশ্চয় গান্ধীয়ে তেওঁৰ অনুগামী-সহকৰ্মীসকলক তেওঁৰ নিজৰ দৰ্শনৰ বান্ধোনৰ পৰা মুক্তি দিছিল আৰু তাৰ দ্বাৰা ৰাজনৈতিক ক্ষেত্ৰত কিছু মুকলি-মূৰীয়াকৈ কাম কৰাৰ সিদ্ধান্ত লোৱাৰ সুৰুঙা উলিয়াই দিছিল। আৰু হয়তো তেওঁ বিগত সময়ছোৱাৰ অভিজ্ঞতাৰ ভিত্তিত একমাত্ৰ অহিংসা পন্থাকে হিংস্ৰ বৃটিশ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে স্বাধীনতা সংগ্ৰামৰ প্ৰশস্ত আহিলাৰূপে গণ্য কৰিবলৈ টান পাইছিল। তেওঁৰ দ্বাৰা পৰিচালিত পূৰ্বৰ আন্দোলন কেইটাত তেওঁ বৃটিশ সাম্ৰাজ্যবাদী শক্তিয়ে ভাৰতবৰ্ষৰ জনসাধাৰণৰ ওপৰত কৰা অত্যাচাৰ উৎপীড়নৰ এক প্ৰত্যক্ষ সাক্ষী আছিল। সেয়ে হয়তো তেওঁ তেওঁৰ অতি প্ৰিয় অহিংসা নীতিক সহযোগী আৰু সহকৰ্মীসকলে প্ৰয়োজন সাপেক্ষে, সময়-সুবিধা বুজি পৰিস্থিতিৰ অনুকূলে সামান্য, সংশোধন আৰু সলনি কৰি ল'ব পাৰিব বুলি দ্বিধাহীন ভাষাত ব্যক্ত কৰিছিল। বিয়াল্লিশৰ আন্দোলনৰ প্ৰাক্- মুহূৰ্তত অহিংসা নীতি সম্পৰ্কত অহিংসাৰ পূজাৰী স্বয়ং গান্ধীৰ এই ভাষ্যই কংগ্ৰেছৰ ভিতৰ মহলত আৰু সমসাময়িক আন্দোলনমুখী ৰাজনীতিত যথেষ্ট তাৎপৰ্য বহন কৰিছিল বুলি ভাবিব পাৰি।

গতিকে বিয়াল্লিশৰ আন্দোলন গান্ধীৰ অহিংসা নীতিৰ বিপৰীতে স্বয়ং গান্ধীৰ অনুমোদন মতেই হিংসা নীতিৰে চলিছিল। এই ঘটনাক্ৰম আগত নাৰাখিলে বিয়াল্লিশৰ আন্দোলনৰ গতি ধাৰা অনুধাৱন কৰাটো সহজ নহ'ব। ঐতিহাসিক ড° ৰমেশ চন্দ্ৰ মজুমদাৰৰ মতে স্বাধীনতা আন্দোলনৰ বাবে গান্ধীয়ে উদ্ভাৱন কৰা অহিংসা নীতিৰো ইয়াতেই যতি পৰিছিল। তেওঁ কৈছে,[1] " As soon as Gandhi and his followers were removed to prison, the cult of non-violence, as understood and preached by them, came to an end, never more to figure as a potent force in India's struggle for freedom." অৱশ্যে ড° মজুমদাৰে কোৱাৰ দৰে গান্ধী আৰু তেওঁৰ অনুগামীসকলক জেইললৈ আঁতৰাই পঠিওৱাৰ বাবেহে যে আন্দোলনে হিংসা ৰূপ পৰিগ্ৰহ কৰিছিল সেইটো নহয়। পাহৰিলে নচলিব যে অহিংসা নীতি সম্পৰ্কে গান্ধীয়ে সূচনা কৰা মতাদৰ্শগত স্থিতিৰ পৰিবৰ্তনেও তাত অৰিহণা যোগাইছিল।

বিয়াল্লিশৰ আন্দোলনত ছাত্ৰ-যুবকৰ অংশ গ্ৰহণক গান্ধীয়ে বৈপ্লৱিক ৰাজনীতিৰপৰা পৰিত্ৰাণৰ নিৰাপদ সুৰুঙা (Safety-valve) ৰূপে গণ্য কৰিছিল বুলি ডঃমজুমদাৰে উল্লেখ কৰিছে। তেওঁৰ মতে[2] " Gandhi himself admitted that one of his motives in undertaking non-violent *satyagraha* or civil disobedience was to ward off the evils he apprehended from the growing strength of the revolutionary ideas In other words, he regarded his movement as a safety-valve for youthful energy and patriotic ardour which would otherwise flow through a different channel of a violent kind " অৰ্থাৎ এই ক্ষেত্ৰত পুঁজিপতি শ্ৰেণীৰ স্বাৰ্থৰ প্ৰতিকূলে গঢ়ি

উগ্ৰ বৈপ্লৱিক তথা বিদ্ৰোহাত্মক ৰাজনীতিৰ প্ৰতি ছাত্ৰ-যুৱকৰ মাজত দেখা দিয়া ব্যাপক আৰু ক্ৰমবৰ্দ্ধমান অংশ গ্ৰহণ আৰু সহানুভূতিয়ে গান্ধীক সঁচকিত আৰু শঙ্কিত কৰি তুলিছিল আৰু কাজেই তেওঁ ভাৰতৰ মুক্তিকামী জনতাৰ গৰ্জনশীল ক্ৰোধক নিৰাপদ সুঁতিয়েদি আগবঢ়াই নিয়াৰ পৰিকল্পনা কৰিছিল। এই নিৰাপদ সুঁতি হ'ল ছোভিয়েট সমাজতান্ত্ৰিক ৰাষ্ট্ৰ ব্যৱস্থাৰ আদৰ্শৰে যাতে মানুহ ধাবিত নহৈ যুদ্ধৰ ওপৰত কিম্বা প্ৰকাৰে এটি আন্দোলনত লাগি থাকিব পৰাকৈ আৰম্ভ কৰা আন্দোলন। এই দৃষ্টিভংগীৰে চালে গান্ধী কংগ্ৰেছৰ প্ৰতিষ্ঠাপক এল্যান অক্টেভিয়ান হিউমৰ সাৰ্থক উত্তৰাধিকাৰী আৰু একান্ত অনুগত শিষ্য আছিল। লোক চকুৰ আঁতৰত গান্ধীৰ উদ্দেশ্য যিয়েই নাথকক লাগে বিয়াল্লিশৰ ঘটনাৱলীয়ে কংগ্ৰেছৰ নেতৃবৃন্দৰ ৰাজনৈতিক বিচক্ষণতাৰ অভাৱকেই সূচাইছে। এই ক্ষেত্ৰত ঐতিহাসিক মজুমদাৰৰ অভিমত হল," " The campaign of 1942 would go down in history as an instance of hopeless incompetence and utter mismanagement on the part of the Congress leaders " আন্দোলনৰ আগে পিছে কংগ্ৰেছে যি ধৰণে নিজৰ ৰাজনৈতিক স্থিতি সলনি কৰিছিল তালৈ লক্ষ্য কৰিলে আচৰিত মানিব লাগে।

বিয়াল্লিশৰ আন্দোলনৰ সময়ত সংঘটিত হোৱা ঘটনাৱলীৰ পৰা এই আন্দোলন হিংসা নীতিৰে পৰিচালিত হোৱাটো প্ৰমাণিত হোৱাৰ উপৰিও ই আদিৰেপৰাই বৃটিশ তথা মিত্ৰ পক্ষৰ যুদ্ধ প্ৰচেষ্টাত বাধা প্ৰদান কৰাৰ দিশতেই পৰিচালিত হৈছিল। তদানীন্তন ঐতিহাসিক প্ৰেক্ষাপটত সেইটো আছিল বিপদজনক। ভাৰতবৰ্ষৰ ক্ষেত্ৰত এই নীতিয়ে দেশৰ গৰাকী সলনি হোৱাৰ বিপদ মাতি আনিছিল। আমি পূৰ্বে উল্লেখ কৰি আহিছো যে কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ ১৯৪২ চনৰ ১৪ জুলাইৰ প্ৰস্তাৱত মিত্ৰ শক্তিৰ যুদ্ধ প্ৰচেষ্টাত বাধাদান কৰাৰ কোনো ইঙ্গিত নাছিল। আনকি ৮/৯ আগষ্টত বোম্বে কংগ্ৰেছত অনুমোদন জনোৱা সেই প্ৰস্তাৱৰ সংশোধিত ৰূপতো দোহৰা হৈছিল ' " The Committee is anxious not to embarrass in any way the defence of China or Russia, whose freedom is precious and must be preserved, or to jeopardise the defensive capacity of the United Nations "

এই খিনিতে ১৯৪৪ চনৰ ৪ জুলাই তাৰিখে লণ্ডনৰ **News Chronicle** ৰ সংবাদদাতা ষ্টিৱাৰ্ট গিল্ডাৰে (Stewart Gelder) গান্ধীৰ সৈতে হোৱা এটি সাক্ষাতকাৰৰ কথা উল্লেখ কৰিব পাৰি। আগষ্ট প্ৰস্তাৱৰ সম্পৰ্কত গান্ধীৰ সৈতে হোৱা আলোচনাৰ ভিত্তিত গিল্ডাৰে ১১ জুলাই তাৰিখে **Times of India** ত লিখা কথাখিনি আছিল এনে ধৰণৰ, তেওঁৰ উদ্দেশ্য আছিল ' " to help and not to hinder the allies " আৰু যিহেতু তেওঁ দেশখনক ১৯৪২লৈ ওভোতাই নিব নোৱাৰে, সেয়ে এতিয়া (১৯৪৪ চনৰ জুলাই মাহত) তেওঁ দেশত "a national Government in full control of civil administration" গঠনৰ পোষকতা কৰিছে আৰু কৈছে যে তেনে এখন চৰকাৰ গঠন কৰিলে তেওঁ কংগ্ৰেছক সেই চৰকাৰত অংশ গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিব।

মিত্ৰ শক্তিৰ যুদ্ধ প্ৰচেষ্টাত বাধা দিয়াটোৱেই এটা সময়ত দেশৰ সৰ্বত্ৰ

আন্দোলনকাৰীসকলৰ বাবে প্ৰধান কাৰ্যত পৰিণত হৈছিল। প্ৰসংগত উল্লেখ কৰিব পাৰি যে মিত্ৰ শক্তিৰ যুদ্ধ প্ৰচেষ্টাত সহায়-সহযোগ কৰি কমিউনিষ্ট পাৰ্টিয়ে যি ভূমিকা লৈছিল সি বহুলাংশই আছিল বাস্তৱানুগ আৰু বিশ্বৰ ফেচিষ্ট শক্তিৰ পতনৰ বাবে কাৰ্যকৰী পন্থা। লগতে উল্লেখ কৰিব পাৰি যে সেই একেই সময়তেই কমিউনিষ্ট পাৰ্টিয়ে দেশত জাতীয় চৰকাৰ গঠনৰ দাবীও তুলিছিল।* কিন্তু আন্দোলন শাম কটাৰ পিছত ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ বিৰুদ্ধে অনাহক 'দেশদ্ৰোহী' অভিযোগ আনি অহৰহ অপপ্ৰচাৰ চলোৱাৰ ব্যৱস্থা কৰিছিল– এতিয়াও এই বিকৃত আৰু উদ্দেশ্যপ্ৰণোদিত মিছা অপবাদ - অপযশ প্ৰচাৰৰ অন্ত পৰা নাই।

বিয়াল্লিশৰ আন্দোলনত কমিউনিষ্ট পাৰ্টিয়ে অংশ লোৱা নাছিল সেইটো ইতিহাস সম্মত কথা, কংগ্ৰেছে লৈছিল জানো? যদি লৈছিলেই তেনেহলে গান্ধীয়ে সেই আন্দোলনৰ দায়িত্ব লবলৈ কিয় অপৰাগ হৈছিল? তেওঁক অনুসৰণ কৰি জৱাহৰলাল নেহেৰু, গোবিন্দ বল্লভ পন্তে আৰু বল্লভভাই পেটেলেই বা কেলেই কৈছিল যে কংগ্ৰেছে আন্দোলন আৰম্ভও কৰা নাছিল নেতৃত্বও দিয়া নাছিল। আন্দোলন কৰিছিল আমি ওপৰত উল্লেখ কৰি অহা ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি, ফ'ৰৱাৰ্ড ব্লক, কংগ্ৰেছ সমাজবাদী আদি গান্ধী পন্থাৰ বিপৰীতে থকা ৰাজনৈতিক দল কেইটাই আৰু তেওঁলোকৰ অনুগামী আৰু অন্যান্য স্বাধীনতাকামী ভাৰতীয় জনগণে।

বিয়াল্লিশৰ আন্দোলনত অংশ গ্ৰহণ নকৰি দেশৰ জনসাধাৰণৰ আস্থা আৰু বিশ্বাসৰ পৰা ভাৰতৰ কমিউনিষ্ট পাৰ্টি বঞ্চিত হৈছিল ঠিকেই কিন্তু তদানীন্তন পৰিস্থিতি সাপেক্ষে তেওঁলোকৰ দৃষ্টিভঙ্গী আছিল অত্যন্ত বাস্তৱানুগ। সেই ঐতিহাসিক প্ৰেক্ষাপটলৈ আওকাণ কৰি ভাৰতৰ কমিউনিষ্ট পাৰ্টিক দেশদ্ৰোহীৰ শাৰীত থিয় কৰোৱাৰো এক পৰিকল্পিত উদ্দেশ্য আছিল। আৰু সেইটো হ'ল দেশৰ জাতীয় বুৰ্জোৱাৰ স্বাৰ্থৰ ৰক্ষণাবেক্ষণ দিয়া।

কমিউনিষ্টৰ বিপক্ষে সেই অপপ্ৰচাৰ আছিল দেশীয় বুৰ্জোৱাৰ অন্য এক ৰাজনৈতিক চাতুৰী, তাত সিহঁত কৃতকাৰ্য হৈছে বুলিব পাৰি। দেশৰ স্বাধীনতা যুঁজৰ ইতিহাস অধ্যয়ন কৰাৰ লগে লগে এইটোও আলোচনাৰ বাবে প্ৰাসংগিক বিষয় বুলি লব লাগে যে কংগ্ৰেছৰ নেতৃত্বত চলা এই সংগ্ৰামৰ সমান্তৰালভাৱে বিভিন্ন দল-উপদলৰ মাজত আগন্তুক স্বাধীন দেশ ভাৰতবৰ্ষৰ ৰাজনৈতিক ক্ষমতাৰ অধিকাৰী কোন হ'ব সেই যুঁজখনো অপ্ৰতিহতভাৱে আৰু নিৰন্তৰে আৰু জনতাৰ অগোচৰে চলি আহিছিল।

বৃটিশ সাম্ৰাজ্যবাদৰ বিপক্ষে চলা স্বাধীনতাৰ যুঁজৰ লগে লগেই আৰু অন্য এখন যুঁজো—ক্ষমতা দখলৰ যুঁজো—চলি আহিছিল। গতিকে দুয়োখন যুঁজতে কোনে কি ভূমিকা লৈছিল তাৰ প্ৰতি তৎকালীনভাৱে দেশৰ সাধাৰণ লোকে ইমান সূক্ষ্মভাৱে লক্ষ্য কৰা নাছিল বা কৰিলেও ইমান উৱাদিহ পোৱা নাছিল। সময়ে সময়ে, দেখা দিয়া আভ্যন্তৰীন ক্ষমতাৰ যুঁজৰ দৰে জটিল ৰাজনৈতিক ঘটনা-পৰিঘটনা বিলাক সততে লোক চকুৰ আঁতৰতেই থাকি গৈছিল। ফলত জাতীয় বুৰ্জোৱাৰ আশা ভৰসাৰ থলী কংগ্ৰেছ সংগঠনৰ বিৰোধী যি কোনো নীতি বা কাৰ্যপন্থাকেই দেশদ্ৰোহীৰ কাৰ্য বুলি প্ৰচাৰ কৰি এই সংগঠনে জনসমৰ্থন লাভৰ চেষ্টা কৰিছিল। তেওঁলোকৰ হাতত তথা

নিয়ন্ত্ৰণত থকা বিপুল ধন-বিত আৰু প্ৰচাৰ মাধ্যমৰ জৰিয়তে এইবিলাক প্ৰচাৰ কৰি অৱশ্যে জনসাধাৰণক পতিয়নো নিয়াব পাৰিছিল।

বিয়াল্লিশৰ আন্দোলন পৰিচালনা কৰিবলৈ গান্ধীকেই দায়িত্ব দিয়া হৈছিল, ১৪ জুলাইৰ কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ প্ৰস্তাৱত কোৱা হৈছিল,[৭] " Such a wide-spread struggle would inevitably be under the leadership of Gandhiji," আৰু ৮/৯ আগষ্টত গৃহীত প্ৰস্তাৱতো দোহৰা হৈছিল এইদৰে, " Such a struggle must inevitably be under the leadership of Gandhiji and the Committee request him to take the lead and guide the nation in the steps to be taken."

গতিকে দেখা যায় আন্দোলনৰ নেতা আছিল গান্ধী। কিন্তু আন্দোলনৰ নামত সমগ্ৰ দেশতে যি ব্যাপক ধ্বংসাত্মক আৰু হিংসাত্মক ঘটনা ঘটিছিল তাৰ দায়িত্ব লবলৈ গান্ধী তথা কংগ্ৰেছৰ নেতৃবৃন্দ অপৰাগ হৈছিল। কংগ্ৰেছেই আৰম্ভ কৰা আন্দোলন এটাৰ সন্দৰ্ভত যিবিলাক ঘটনা ঘটিছিল তাৰ লগত কংগ্ৰেছৰ কোনো সম্পৰ্ক নাছিল বুলি গান্ধী- নেহেৰু -পেটেল -পন্তে পোনছাটেই ঘোষণা কৰিছিল। চৰকাৰে কংগ্ৰেছ নেতৃবৃন্দক গ্ৰেপ্তাৰ কৰা কাৰ্যকে গান্ধীয়ে ব্যাপক ধ্বংসাত্মক তথা হিংসাত্মক ঘটনাৰ কাৰণ বুলি দেখুৱলাবলৈ বিচাৰিছে। বৃটিশ ভাইচ্‌ৰয়লৈ লিখা ১৯৪২ চনৰ ২৩ ছেপ্তেম্বৰৰ চিঠিত তেওঁ লিখিছিল,[৮] " Wholesale mass arrest of the Congress leaders seems to have made the people wild with rage to the point of losing selfcontrol I feel that the Government, not the Congress, are responsible for the destruction that has taken place " প্ৰায় একেখিনি কথাকেই তেওঁ ১৫ জুলাইত গৃহ দপ্তৰলৈ লিখা চিঠিতো উল্লেখ কৰিছিল।[৯] নেহেৰু, বল্লভভাই পেটেল আৰু গোবিন্দ বল্লভ পন্তৰ দ্বাৰা স্বাক্ষৰিত ১৯৪৫ চনৰ ২১ ছেপ্তেম্বৰত কংগ্ৰেছৰ এটা বিবৃতিতো প্ৰচাৰ কৰা হৈছিল [১০] " No movement had been officially started by the AICC or Gandhiji " সেই বছৰৰে ১১ ডিচেম্বৰৰ কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ এটা প্ৰস্তাৱতো কোৱা হৈছিল যে ১৯৪২-৪৫ ৰ কালছোৱাৰ ঘটনাৱলী আছিল [১১] "a series of impulsive and heroic albeit undirected aberrations "

গান্ধীক তথা কংগ্ৰেছ নেতৃবৃন্দক চৰকাৰে গ্ৰেপ্তাৰ কৰা কাৰণেই তেওঁলোকৰ অনুপস্থিতিত আন্দোলনৰ সময়ত ব্যাপক ধ্বংসাত্মক তথা হিংসাত্মক কাৰ্য সংঘটিত হৈছিল বোলা কথাটো মানিব নোৱাৰি। আন্দোলন আৰম্ভ কৰাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে যে নেতাসকলক গ্ৰেপ্তাৰ কৰাৰ কাৰণে প্ৰস্তুত আছিল সেই সম্পৰ্কে গান্ধীকে আদি কৰি অন্যান্য কংগ্ৰেছ নেতাসকল সম্পূৰ্ণ অৱহিত আছিল। ঐতিহাসিক ড মজুমদাৰৰ মতে [১২] " Gandhi and the Congress leaders must,or at least should, have been fully aware of the possibility, if not certainty, of the arrest of Gandhi as soon as the "Quit India" movement took a practical shape or was even resolved upon. That such a contingency was actually foreseen by the Congress leaders is clear from their

speeches.. urging upon everybody to act on his own initiative if the leaders were clapped into prison The absence of Gandhi can not therefore be accepted as a valid excuse for failure."

বোম্বে কংগ্ৰেছৰ প্ৰস্তাৱৰ শেষাংশতো তেনে এটা পৰিস্থিতিৰ আশঙ্কাত দেশৰ প্ৰত্যেক জন স্বাধীনতাকামী লোককেই নিজ নিজ আঁচনি মতে কাম কৰি যাবলৈ আহ্বান জনোৱা হৈছিল। গতিকে দেখা যায় আন্দোলনৰ বিফলতা, আৰু আন্দোলনৰ সময়ছোৱাত সংঘটিত সকলোবোৰ হিংসাত্মক আৰু ধ্বংসাত্মক কাৰ্যৰ বাবে গান্ধী তথা কংগ্ৰেছেই দায়ী আছিল। আলোচনা দীঘলীয়া নকৰি ঐতিহাসিক ড° মজুমদাৰৰ কথাৰেই[১৩] এই প্ৰসঙ্গটোৰ সামৰণি মাৰিব বিচাৰিছোঁ, " Incredible as it may seem to a layman, the great saint-cum-political leader in the year 1942 A D , launched a *dharma-yuddha* (Righteous War) of the Epic Age in which the adversary was trusted not to attack the enemy until he had time to fully prepare himself for it The British,however, were only politicians and not saints, and their military tactics were not derived from the *Mahabharata* and *Manusamhita* They struck hard and mercilessly, without caring for laws and morality, ancient or modern The people responded to the cry of "Do or Die",and flung themselves into the last battle for India's freedom as the Congress leaders themselves put it "

আন্দোলনৰ তীব্ৰতা কমি অহাৰ লগে লগে আৰু যুদ্ধ পৰিস্থিতি মিত্ৰ শক্তিৰ অনুকূলে অহাত বৃটিশ চৰকাৰে কংগ্ৰেছ নেতাসকলক ক্ৰমাগতভাৱে কাৰামুক্তি দিয়াৰ ব্যৱস্থা কৰে। চৰকাৰৰ দ্বাৰা কঠোৰ হাতেৰে আন্দোলন দমন কৰা হৈছিল যদিও কংগ্ৰেছ নেতৃবৃন্দৰ কালৰপৰা ১৯৪৪ চনতহে বিয়াল্লিশৰ আন্দোলনৰ আনুষ্ঠানিকভাৱে সামৰণি পেলোৱা হৈছিল।

বিয়াল্লিশৰ আন্দোলন আৰু যুদ্ধ পৰিস্থিতিৰ সমগ্ৰ কালছোৱাৰ (১৯৪২-৪৫) অসমৰ ৰাজনৈতিক মঞ্চৰ আটাইতকৈ আকৰ্ষণীয় দিশ হ'ল বামপন্থী সংগঠনৰ গোড়াপত্তন। স্থানান্তৰত আমি অসমৰ এক বিপুল পৰিমাণৰ ছাত্ৰ-যুৱকৰ ওপৰত মাৰ্ক্সীয় আৰু তাৰেই আধাৰত গঢ়ি উঠা যুৱ-ছাত্ৰ সংগঠনৰ কথা উল্লেখ কৰি আহিছো। ইয়াত এইখিনি কলেই যথেষ্ট হ'ব যে ১৯৪২-৪৩ ৰ ভিতৰতে অসমৰ কমিউনিষ্ট ভাবাপন্ন ছাত্ৰ তথা অন্যান্য লোকৰ প্ৰচেষ্টাত কমিউনিষ্ট পাৰ্টিৰ পূৰ্ণ পৰ্যায়ৰ সংগঠন গঢ়ি উঠে। গৌৰীশঙ্কৰ ভট্টাচাৰ্যই কৈছে,[১৪] "অসমত কমিউনিষ্ট পাৰ্টিৰ সংগঠন আৰম্ভ হয় ১৯৪৩ চনত গোলাঘাটক কেন্দ্ৰ কৰি আৰু কমিউনিষ্ট পাৰ্টিৰ বঙ্গীয় প্ৰাদেশিক কমিটীৰ শাখা হিচাপে। যদিও কেইগৰাকীমান নিষ্ঠাবান বুদ্ধিজীৱী তাৰ সদস্য হৈছিল, তেওঁলোকে লেখত লবলগীয়া পাৰ্টি বা গণসংগঠন গঢ়ি তুলিব পৰা নাছিল।"

এই সংগঠনৰ পূৰ্ব প্ৰস্তুতি স্বৰূপে ১৯৪২ চনৰ জুলাই- আগষ্ট মাহত যথাক্ৰমে যোৰহাট আৰু গোলাঘাটত দুটা শিক্ষা শিবিৰ পতা হৈছিল।[১৫] গোলাঘাটৰ শিক্ষা

শিবিৰ অনুষ্ঠিত হৈছিল মাৰ্ক্সীয় দৰ্শনত উদ্বুদ্ধ কেইজনমান ছাত্ৰকৰ্মীৰ প্ৰচেষ্টা আৰু অক্লান্ত কমিউনিষ্ট কৰ্মী-সংগঠক ধীৰেন দত্তৰ উদ্যোগত।[১৮] শিক্ষা শিবিৰ পৰিচালনা কৰিছিল প্ৰশান্ত সান্যালে। দধি মহন্তই এই শিবিৰৰ তাৎপৰ্য সম্পৰ্কে লিখিছে,[১৯] "তেতিয়াৰ একাংশ কংগ্ৰেছ নেতাৰ প্ৰৰোচনাত কিছু যুবকে এক্কাৰ ৰাতি অতৰ্কিতে আমাৰ শিক্ষা শিবিৰ আক্ৰমণ কৰে। কিন্তু তাৰ ফল হ'ল গোলাঘাটত স্থানীয় কংগ্ৰেছে ভবাৰ বিপৰীত। এই শিবিৰত আগৰ পৰা থকা কামিউনিষ্ট ভাবাপন্ন সকলৰ ওপৰিও নগাঁৱৰ উদীয়মান ছাত্ৰ নেতা ফণী বৰা, যোৰহাটৰ কীৰ্তি বৰদলৈ, শিৱসাগৰৰ ভদ্ৰকৃষ্ণ গোস্বামী, ডিব্ৰুগড়ৰ নগেন কাকতি আদিয়ে যোগদান কৰিছিল। গোলাঘাটৰ চিদা (নন্দ ?) শইকীয়া, হৰেন দুৱাৰা, হৰেন শইকীয়া প্ৰমুখ্যে কেবাজনো ছাত্ৰই যোগদান কৰিছিল। কলিকতা বিশ্ববিদ্যালয়ত পঢ়ি থকা অৱস্থাৰপৰা কালেজ এৰি এই লেখকেও সেই শিবিৰত যোগ দিছিল।"

প্ৰধানতঃ এই শিক্ষা শিবিৰত অংশ গ্ৰহণকাৰী ছাত্ৰকৰ্মীসকলৰ উদ্যোগতেই ইয়াৰ কিছুদিন পাছতেই অসমত প্ৰথম কমিউনিষ্ট পাৰ্টি গঠিত হয়। যদু শইকীয়া এই দলৰ সম্পাদক আছিল।[২৮] পাৰ্টিৰ সদস্য পদ পোৱা অন্যান্য লোকসকল আছিল,– জগন্নাথ ভট্টাচাৰ্য, ধীৰেন দত্ত, বিষ্ণু বৰা, বিনয় চক্ৰবৰ্তী, নীলমণি বৰঠাকুৰ, পবিত্ৰ ৰায় আৰু কীৰ্তি বৰদলৈ।[২৯]

আনহাতে ব্ৰহ্মপুত্ৰ উপত্যকাতকৈ অসমৰ সুৰমা উপত্যকা আৰু বৰাক উপত্যকাত ভালেমান বছৰ আগতে কমিউনিষ্ট পাৰ্টিৰ সংগঠন গঢ়ি উঠিছিল। এই সংগঠন বিলাক কমিউনিষ্ট পাৰ্টিৰ বঙ্গীয় প্ৰাদেশিক সমিতিৰ অধীন আছিল। ১৯৩৭ চনত ছিলেট জিলাত চন্দ্ৰ বিনোদ দাস, ৰাজেন্দ্ৰ কুমাৰ নন্দী, লালমোহন ৰায়, ৰোহিনী কুমাৰ দাস, দেবেন্দ্ৰ দত্ত, আদি সাতজন সদস্য লৈ জিলা সমিতি গঠিত হয় আৰু অতি সোনকালেই ভালেমান কংগ্ৰেছী লোকেও আহি এই সংগঠনত যোগ দিয়েহি। সেই সকলৰ ভিতৰত প্ৰধান আছিল ছিলেট জিলা কংগ্ৰেছৰ নেতা বিৰেশ মিশ্ৰ, অবলাকান্ত গুপ্ত, সুৰেশ দেব আদি।[৩০]

তাৰ পিছৰ বছৰত (১৯৩৮/৩৯ চনত) কাছাৰ জিলাতো পাৰ্টিৰ এটি গোট গঢ়ি উঠে, আৰু তাত মুখ্য ভূমিকা লৈছিল পূৰ্বৰ জাতীয় বিপ্লৱী নেতা ৰূপে খ্যাত সেই সময়ৰ কংগ্ৰেছ নেতা অচিন্ত্য ভট্টাচাৰ্য আৰু মতিলাল জাইগিৰদাৰে।[৩১] উল্লেখ কৰিব পাৰি যে অচিন্ত্য ভট্টাচাৰ্যসহ কমিউনিষ্ট কৰ্মীসকল তাত ইমান জনপ্ৰিয় আছিল যে কমিউনিষ্ট বুলি জনাৰ পিছতো অচিন্ত্য ভট্টাচাৰ্যক কংগ্ৰেছীসকলে বিনা প্ৰতিদ্বন্দ্বিতাৰে কাছাৰ জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত কৰিছিল।[৩২]

সি যি কি নহওক, এইদৰে সংগঠিত হোৱাৰ পিছৰপৰাই অসমৰ বিভিন্ন ঠাইত কমিউনিষ্ট পাৰ্টিৰ শাখা গঠিত হবলৈ ধৰে আৰু এই সংগঠনে শ্ৰমিক-ছাত্ৰ-কৃষকৰ মাজত ব্যাপক প্ৰভাৱ পেলাবলৈ সক্ষম হয় আৰু পাৰ্টিয়ে ফেছিবাদ বিৰোধী প্ৰচাৰত বিপুল জন সমৰ্থন লাভ কৰে। দধি মহন্তৰ লিখনীৰ মাধ্যমতেই সেই বিষয়ে কিছু আভাস পাব পাৰি,[৩৩] "গুৱাহাটীত কমৰেড গৌৰীশঙ্কৰ ভট্টাচাৰ্য, ধীৰেশ্বৰ কলিতা, মন্দেশ্বৰ তালুকদাৰ, নগাঁৱত ফণী বৰা, সুচেন ভূঞা, যোৰহাটত বিষ্ণু বৰা, কীৰ্তি বৰদলৈ,

মুক্তি বৰুৱা, হৰেন হাজৰা, প্ৰিয় বৰদলৈ, বিমলা বৰপূজাৰী, বীৰেন বৰুৱা, পৱন শইকীয়া, শিৱসাগৰত অদ্ৰকৃষ্ণ গোস্বামী, শিৱ বৰঠাকুৰ, ডিব্ৰুগড়ত নগেন কাকতি, মদন বৰপূজাৰী, তেজপুৰত ৰমেশ শৰ্মা, উত্তৰ লক্ষীমপুৰত মিনাৰাম শইকীয়া আদিক লৈ স্থানীয়স্তৰে পাৰ্টি সংগঠনৰ প্ৰস্তুতি চলে আৰু কংগ্ৰেছ ছ'ছিয়েলিষ্টৰ অপপ্ৰচাৰৰ কাৰণেই কমিউনিষ্ট সম্পৰ্কে জনাৰ আগ্ৰহ জনসাধাৰণৰ মাজত ইমান বেছি হয় যে মুষ্টিমেয় কমিউনিষ্ট ছাত্ৰসকলে ৰাজ্যজুৰি চলোৱা কেছি বিৰোধী প্ৰচাৰ অভিযানত দলে বিপুল সমাদৰ লাভ কৰিছিল আৰু পাৰ্টিৰ বিৰুদ্ধে চলা অপযশ কেৱল অপযশ ৰটনাকাৰীবিলাকৰ বাহিৰে আনসকলৰ মাজত তাৰ প্ৰভাৱ প্ৰায় নোহোৱাৰ দৰে হৈ পৰে। গতিকে সেই সময়তে অসমৰ বিভিন্ন ঠাইত পাৰ্টিৰ একোটি সৰু সৰু চক্ৰ বা গ্ৰুপ গঢ়ি উঠে।”

যদু শইকীয়াৰ নেতৃত্বত গঠিত অসমৰ কমিউনিষ্ট পাৰ্টিটোৱে বঙ্গদেশৰ প্ৰাদেশিক সমিতিৰ এক জিলা সাংগঠনিক সমিতি হিচাপে প্ৰায় এবছৰ ধৰি কাৰ্য নিৰ্বাহ কৰিছিল আৰু ১৯৪৩ চনলৈ ই তেনেদৰেই থাকিছিল। উক্ত বছৰত ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ বোম্বে কংগ্ৰেছৰ সময়ত অসমৰ কমিউনিষ্ট পাৰ্টি পুনৰ গঠিত হয় আৰু ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ পুনৰ গঠিত অসমৰ প্ৰাদেশিক সাংগঠনিক সমিতিৰ সম্পাদক নিৰ্বাচিত হয় বীৰেশ মিশ্ৰ। লগতে কাছাৰ আৰু ছিলেট জিলাসমিতিকো এই প্ৰাদেশিক সমিতিৰ অন্তৰ্ভুক্ত কৰা হয়।[৮]

গৌৰীশঙ্কৰ ভট্টাচাৰ্যই উল্লেখ কৰিছে[৯] যে “১৯৪৫ চনৰ আৰম্ভণিতে গুৱাহাটীত সদৰ কাৰ্যালয় পাতি কমিউনিষ্ট পাৰ্টিৰ প্ৰাদেশিক সংগঠন কমিটী পতা হয়। কেন্দ্ৰীয় কমিটীয়ে বীৰেশ মিশ্ৰক ইয়াৰ সম্পাদক মনোনীত কৰে আৰু জ্যোতিৰ্ময় নন্দী (ছিলেটৰ), চিত্তৰঞ্জন দাস (ছিলেটৰ), যদু শইকীয়া (গোলাঘাটৰ) আৰু মোক কমিটীৰ সদস্য নিয়োগ কৰে। বীৰেশ বাবুৱে ছিলেটৰ পৰা তেওঁৰ পূৰ্বৰ সহকৰ্মী প্ৰফুল্লৰঞ্জন ধৰ, কালীপ্ৰসন্ন দাস,বাৰিণ চৌধুৰী, প্ৰীতিৰঞ্জন দাস আৰু বংগদেশৰ পৰা নিতাই গাঙ্গুলী, মণি ভৌমিক আদিক আনি বিভিন্ন কামত লগায়। কিন্তু তেওঁলোক আটাইকেইজন অসম উপত্যকাত নতুন হোৱা হেতুকে স্থানীয় পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাই লোৱাত অসুবিধা পায়।”

এইখিনিতে উল্লেখ কৰিব পাৰি যে ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ পুনৰ গঠিত অসম প্ৰাদেশিক সমিতিত ব্ৰহ্মপুত্ৰ উপত্যকাৰ কেবাজনো অভিজ্ঞ কমিউনিষ্ট (অসমীয়া) লোকক অবজ্ঞা কৰি মূলতঃ তেওঁৰ পূৰ্বৰ ৰাজনৈতিক সহকৰ্মী হোৱাৰ সুবাদতেই প্ৰয়োজনাধিক বঙালী লোকক মনোনীত কৰি অসমত কমিউনিষ্ট পাৰ্টি আৰু তাৰ লগতে মাৰ্ক্সবাদক অসমীয়া মানুহৰ পৰা এলাগী কৰাৰ ব্যৱস্থা কৰিছিল। এই কাৰ্য বীৰেশ মিশ্ৰৰ অসচেতন মনোবাৱৰ পৰিচায়ক আছিল বুলি মনে নধৰে।

সময়ছোৱা আছিল বৰ জটিল, বিশেষকৈ বঙ্গভাষী পমুৱাৰ অবিৰত প্ৰব্ৰজনে সেই সময়ত অসমৰ জন-জীৱন উত্তাল কৰি ৰাখিছিল, গতিকে বীৰেশ মিশ্ৰ নেতৃত্বাধীন পুনৰ গঠিত অসম প্ৰাদেশিক কমিউনিষ্ট পাৰ্টিৰ ভূমিকা যে অসমৰ বৃহত্তৰ স্বাৰ্থৰ পৰিপন্থী হ'ব, অন্ততঃ সেই জটিল ঐতিহাসিক প্ৰেক্ষাপটত, অক অসমৰ সকলো সচেতন

লোকে হয়তো উপলব্ধি কৰাত অসুবিধা পোৱা নাছিল। এই পুনৰ গঠিত অসম প্ৰাদেশিক কমিউনিষ্ট পাৰ্টিৰ ভূমিকাক প্ৰধানতঃ অসমীয়া লোকে সন্দেহৰ চকুৰে চাবলৈ লৈছিল। আৰু হয়তো সেই কাৰণেই অসমৰ ভালেমান অভিজ্ঞ আৰু দক্ষ কমিউনিষ্ট কৰ্মী আৰু নেতা হতাশ হৈ লাহে লাহে মাৰ্ক্সবাদত বিশ্বাস ৰাখিও কমিউনিষ্ট পাৰ্টিৰপৰা নিৰৱে আঁতৰি আহিছিল। অৱস্থা নিশ্চয় তেওঁলোকৰ বাবে আছিল অত্যন্ত অশান্তিকৰ। আৰু হয়তো সেই বাবেই অসমত জাতীয়তাবাদী মতাদৰ্শই বিশেষকৈ ৰাজনৈতিক ক্ষেত্ৰত প্ৰয়োজনতকৈ অধিক সময় অত্যন্ত ক্ৰিয়াশীল আৰু বলিষ্ঠ ভূমিকা লৈ আহিবলৈ পাৰিছে।

সি যি কি নহওক, যুদ্ধ বিধস্ত দেশ মালয়-চিঙ্গাপুৰৰপৰা ১৯৪২ চনৰ আদি ভাগতে অসম আগত দুৰ্গতলোক আৰু বংগদেশৰ দুৰ্ভিক্ষ (১৯৪৩) পীড়িত নোৱাখালী, চট্টগ্ৰাম আৰু মৈমনসিংহ জিলাৰপৰা অহা লোকৰ উপস্থিতিয়ে সৃষ্টি কৰা অসমৰ খাদ্য সংকটৰ সময়ত কমিউনিষ্ট পাৰ্টিয়ে জনসাধাৰণৰ মাজত সীমিত গণ্ডীৰে হলেও দৃঢ়তা আৰু আত্মবিশ্বাসৰ ভাৱ গঢ়ি তুলিবলৈ সক্ষম হৈছিল। ৰাজ্যৰ বিভিন্ন ঠাইত এই দলে সভা-সমিতি পাতি জনসাধাৰণৰ মাজত নিয়মিত ভাবে নিয়ন্ত্ৰিত দৰত খাদ্য সামগ্ৰী যোগান ধৰাৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাইছিল। ১৯৪৪ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰাই দৰং জিলাত নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ (কমিউনিষ্ট পন্থী) কৰ্মীসকলে খাদ্য সামগ্ৰীৰ চোৰাং বজাৰত বাধা প্ৰদানৰ চেষ্টা কৰিছিল। এপ্ৰিল মাহত গুৱাহাটীৰ কাৰ্জন হলত অনুষ্ঠিত জনসভাত গৌৰীশঙ্কৰ ভট্টাচাৰ্য, শ্ৰীমান প্ৰফুল্ল গোস্বামী আৰু জ্যোতিৰ্ময় নন্দী আদিয়ে গুৱাহাটীত ৰেচনে প্ৰথা প্ৰবৰ্তনৰ দাবী উত্থাপন কৰিছিল। সেই একে মাহতে লক্ষীমপুৰত বীৰেশ মিশ্ৰই ৰাজ্যৰ সকলোবোৰ নগৰত ৰেচন প্ৰথা প্ৰবৰ্তন কৰা আৰু মজুতকাৰীৰ হাতৰপৰা খাদ্য সামগ্ৰী অধিগ্ৰহণ কৰাৰ দাবী জনাই গোহাৰি আদি বিতৰণ কৰিছিল।[২৬]

গাঁৱৰ কৃষকসকলৰ মাজতো এই সময়ছোৱাত কমিউনিষ্ট সংগঠনৰ ব্যাপক প্ৰভাৱ পৰে। গাঁও অঞ্চলত খাদ্য যোগানৰ বাবেও কমিউনিষ্টসকলে দাবী উত্থাপন কৰিছিল। ১৯৪৩ চনৰ মাৰ্চ মাহতেই গাঁও অঞ্চলত নিয়ন্ত্ৰিত দৰত বিভিন্ন সামগ্ৰী যোগান ধৰা আৰু চৰকাৰী ভঁৰাল স্থাপনৰ দাবী জনোৱা হৈছিল।[২৭] মণিপুৰৰ কমিউনিষ্ট নেতা ইৰাবত সিঙে ১৯৪৩ চনৰ শেহৰ পিনে কাছাৰত মণিপুৰী কৃষক সকলক 'কিষাণ 'দলত সংঘবদ্ধ কৰিছিল। এই সময়ত কমিউনিষ্টসকলে চৰকাৰী নীতি – অধিক খাদ্য উৎপাদন- ৰ প্ৰতি সমৰ্থন দি বিভিন্ন জনসভাত ভাষণ দিছিল। গোৱালপাৰাত এই দিশত কেদাৰ নাথ গোস্বামীয়ে কৃষকসকলৰ মাজত প্ৰচাৰ কাৰ্য চলাইছিল।[২৮]

ধুবুৰী মেটছ্ ফেক্টৰীৰ কৰ্মীসকলেও কমিউনিষ্টসকলৰ নিৰ্দেশতেই ৫০ শতাংশ মজুৰি বৃদ্ধিৰ বাবে দাবী উত্থাপন কৰিছিল।[২৯]

এই সংকটৰ কালছোৱাত কংগ্ৰেছ সমাজবাদীসকলেও অসমত কমিউনিষ্টসকলৰ দ্বাৰা নিৰ্দেশিত আৰু পৰিচালিত আন্দোলনতেই অংশ গ্ৰহণ কৰিছিল। অসমৰ ৰাজনৈতিক ইতিহাস ত লিখা হৈছে ,[৩০] "... the CSP as a political party had.no independent role during this period of crisis as most of its

leaders participated in the communist-led movements." এইবিলাকে সুচায় যে সেই সময়ত কমিউনিষ্টসকলৰ নীতি আৰু কাৰ্যপন্থা বাস্তৱানুগ আৰু জনসাধাৰণৰ দৈনন্দিন প্ৰয়োজন সাপেক্ষ আছিল।

আলোচিত সময়ছোৱাৰ অসমৰ ৰাজনৈতিক ইতিহাসৰ আন এটা উল্লেখনীয় ঘটনা হ'ল ১৯৩৩ চনত গঢ়ি উঠা ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সংগঠন। অসমত এই পাৰ্টিৰ প্ৰাৰম্ভিক কাম-কাজ সম্পৰ্কে আমি স্থানান্তৰত উল্লেখ কৰি আহিছো আৰু সম্প্ৰতি ইয়াত এইখিনি কলেই যথেষ্ট হ'ব যে ১৯৩৮ চনতে হৰেন কলিতাক সম্পাদক হিচাপে লৈ ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ এটি সাংগঠনিক সমিতি গঠন কৰা হৈছিল, অন্যান্য সদস্য আৰু সমৰ্থক সকল আছিল; উপেন শৰ্মা, আনন্দ দাস, হৰিদাস ডেকা, তাৰাচৰণ মজুমদাৰ, গোকুল মেধি, অৰবিন্দ ঘোষ, ত্ৰিপুৰেন্দ্ৰ দাসগুপ্ত, উমা(কান্ত) শৰ্মা, লোকনাথ বৰুৱা, ভূপেন মহন্ত, এন বুঢ়াগোহাঁই, কামিনী গোস্বামী আদি।[৩১]

পৰিবৰ্তিত পৰিস্থিতিত সাংগঠনিক কাম- কাজৰ প্ৰয়োজনত ১৯৪১ চনৰ শেহৰ ফালে পাৰ্টিৰ সৰ্বভাৰতীয় নেতা সৌমেন্দ্ৰনাথ ঠাকুৰ অসমলৈ আহে আৰু খগেন বৰবৰাৰ সৈতে সাংগঠনিক বিষয়ে বিতংভাৱে আলোচনা কৰে।[৩২] এইদলৰ প্ৰতি আনুগত্য থকা কিছুলোকে ১৯৪০-৪১ চনত সাম্ৰাজ্যবাদ বিৰোধী ছাত্ৰ আন্দোলনত নেতৃত্বৰ ভূমিকা লৈছিল। এই দলৰ ছত্ৰছায়াত গঢ়ি উঠা কৃষক বনুৱা পঞ্চায়তৰ নেতৃত্বত ১৯৪১ চনৰ অক্টোবৰ মাহৰ শেহৰ পিনে "হাজাৰ হাজাৰ খেতিয়কে ৰঙা পতকা লৈ মাটিৰ দাবীত আৰু সাম্ৰাজ্যবাদী যুদ্ধৰ বিৰুদ্ধে ধ্বনি দি কামৰূপ জিলাৰ উপায়ুক্তৰ অফিচ ঘেৰাও" কৰিছিল।[৩৩]

যিহেতু মতাদৰ্শৰ ফালৰপৰা এই দলে স্বাধীনতা অৰ্জনৰ বাবে প্ৰকাশ্যভাৱেই হিংসা পন্থাত বিশ্বাসী আছিল সেয়ে বিয়াল্লিশৰ আন্দোলনৰ সময়ত অসমত কংগ্ৰেছৰ একাংশ নেতাইও ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ হিংসাত্মক আন্দোলনৰ প্ৰতি সহানুভূতিশীল হৈ পৰিছিল আৰু তেওঁলোকক আন্দোলনত সৰ্বতোপ্ৰকাৰে অংশ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল।[৩৪] তৰুণ সেন ডেকাই আৰু উল্লেখ কৰিছে[৩৫] যে অসমৰ অন্যতম কংগ্ৰেছী নেতা সিদ্ধিনাথ শৰ্মাই বিয়াল্লিশৰ আন্দোলনৰ বিশেষ পৰিস্থিতিলৈ চাই তেওঁক যি পৰামৰ্শ দিছিল তাৰ অৰ্থ আছিল এনে ধৰণৰ (তেতিয়া) " হিংসা-অহিংসাৰ প্ৰশ্নত লাগি থাকিলে ভুল হব। দেখিছা বিজুলী তাৰ, ৰেল লাইন, ফোন-টেলিগ্ৰাফ তাৰ, দলং আদি দেশৰ চাৰিওফালে ধ্বংস কৰিছে। এই শেষ সংগ্ৰামত বৃটিছৰ বিৰুদ্ধে যি কোনো ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজক কবা–ইত্যাদি।" আনহাতে সেই সময়ত কংগ্ৰেছ নেতৃত্ব বোলা বস্তুটো সমগ্ৰ ভাৰতবৰ্ষতে অন্তৰ্হিত হৈছিল। ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সৰ্বভাৰতীয় নেতা সৌমেন্দ্ৰনাথ ঠাকুৰে কৈছিল,[৩৬] "Congress leadership was practically non-existent throughout the period of August mass-uprising Socialists, Revolutionary Communists and numerous individuals connected with various local organisations scattered throughout India and the rank and file Con-

gressmen who lived among the masses, supplied the mass-uprising with its plan of action Moreover, the masses threw up large number of leaders from their own ranks almost in all the places."

তাতে আকৌ জাপানীসকলৰ সহযোগত সুভাষ বসুৰ ভাৰতীয় জাতীয় সেনা বাহিনীৰ (Inidan National Army) অসম আক্ৰমণৰ সম্ভাৱনাই এই দলৰ কৰ্মীসকলক উৎসাহিত কৰি তুলিছিল। জাপানী সৈন্যৰ সহযোগত ভাৰতীয় জাতীয় সেনা বাহিনীয়ে ক্ৰমাগতভাৱে বৃটিশ কৱলৰপৰা মণিপুৰ, অসম আৰু চট্টগ্ৰাম মুক্ত কৰাৰ আঁচনি হাতত লৈছিল। আনকি ১৯৪৪ চনৰ মাৰ্চ মাহত এই যুটীয়া বাহিনীয়ে নাগাল্যাণ্ডৰ উখৰুল্ আৰু কহিমা দখলো কৰিছিল।[৩৮]

গতিকে এনে এটা পৰিস্থিতিত সাধাৰণ মানুহৰ মনো জাপানী আগ্ৰাসান আৰু সুভাষ চন্দ্ৰ বসুৰ নিয়ন্ত্ৰণাধীন ভাৰতীয় জাতীয় সেনা বাহিনীৰ প্ৰতি সহানুভূতিশীল হৈ পৰিছিল। আনকি দেৱকান্ত বৰুৱা, লক্ষ্মীপ্ৰসাদ গোস্বামী[৩৯] আৰু পূৰ্ণ চন্দ্ৰ শৰ্মাৰ[৩৯] দৰে অগ্ৰণী কংগ্ৰেছী নেতাইও ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ এই কাৰ্যাৱলীৰ প্ৰতি সমৰ্থন দিছিল, "মাজে মাজে জাপানী সৈন্যৰ পূৱ খণ্ডত আক্ৰমণ আৰু নেতাজী সুভাষ চন্দ্ৰ বসুৰ জাপানী বাহিনী লৈ ভাৰত অভিমুখে অহাৰ খবৰে আমাক বহুখিনি আশান্বিত থাকিব পাৰিছিল।"[৪০] ১৯৪৪ চনৰ ৩ জুনৰ নগাঁৱৰ এখন সভাত দেৱকান্ত বৰুৱাইতো ঘোষণাই কৰিছিল,"[৪১] "Independence could not be obtained by merely forming national guards, supplying foodstuff and resisting the Japs it could be obtained if the Japanese Army were invited to Assam Immediately after their entry it would be possible to capture all offices "

পূৰ্ণ চন্দ্ৰ শৰ্মাৰ বিশ্বাস আছিল[৪২] যে "জিলাৰ (নগাঁও)সম্পূৰ্ণ দায়িত্ব লব পৰা সামৰ্থ্য আমাৰ আছে আৰু সেই মতে জাপানী সৈন্যক জিলা পাৰ কৰি আগবাঢ়িবলৈ দিয়া হব আৰু নগাঁও জিলাৰ সম্পৰ্কে একো চিন্তা কৰিব নালাগিব। জিলা কংগ্ৰেছৰ সভাপতি হিচাপে ভূঞাদেৱক উপযুক্ত বুলি লৈ এখন কমিটি কৰি দিয়া হ'ব আৰু মই প্ৰতিৰক্ষা আৰু শান্তি ৰক্ষাৰ দায়িত্ব লৈ চলাম। ইংৰাজৰ সমৰ্থকসকলক বন্দী কৰি থব লাগিব আৰু যিসকল বিষয়াই বশ্যতা মানিব তেওঁলোকক বাচি বাচি নিজ নিজ দপ্তৰতে নিযুক্তি দিয়া হব।"কিন্তু জাপানৰ সহযোগত অসম মুক্ত কৰাৰ যি আঁচনি তথা আশা তেওঁলোকে কৰিছিল সি অচিৰেই দিবা স্বপ্নত পৰিণত হৈছিল। কাৰাবন্দীৰ পৰিকল্পনা মতে বাহিৰত ৰাজনৈতিক ঘটনাৱলীয়ে মোৰ নসলাই নতুবা উঠা-বহা নকৰে।

গতিকে দেখা যায় জাপানৰ ক্ষন্তেকীয়া আগ্ৰসান আৰু আক্ৰমণে আৰু ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে আৰু তেওঁলোকৰেই ৰাজনৈতিক কাম-কাজৰ প্ৰতি সহানুভূতিশীল একাংশ কংগ্ৰেছ কৰ্মীয়ে আশা কৰা মতে বিশেষ ৰাজনৈতিক পৰিবৰ্তন নঘটালে। বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ কৰ্মকৰ্তাসকল কিন্তু সেই বাবে হতাশ হৈ বহি থকা নাছিল। আন্দোলনে বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ প্ৰতি আলেমান লোকৰ দৃষ্টি আকৰ্ষণ

কৰিলে আৰু বহুতেই আহি পাৰ্টিৰ আদৰ্শৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি সদস্যভুক্ত হৈ পৰিল।

১৯৪৩ চনত অসমত বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সংগঠন শক্তিশালী কৰি গঢ়ি তোলাত পূৰ্বসুৰীসকলৰ সৈতে নতুনকৈ লগ লাগিছিল আহি তৰুণ সেন ডেকা, গোবিন্দ কলিতা, নীৰেন্দ্ৰ লীহিড়ী, ছত্ৰসিং টেৰণ, চিন্তাহৰণ কলিতা,শৰৎ ৰাভা, হেমা গাঙ্গুলী আৰু এওঁলোকেই এই সময়ত মুখ্য ভূমিকা লৈছিল।" ১৯৪৫ চনত বিষ্ণুপ্ৰসাদ ৰাভাই এই দলত যোগদান কৰিছিল।" ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে দেশে স্বাধীনতা পোৱাৰ পিছতো সেই স্বাধীনতাক ভূৱা স্বাধীনতা আখ্যা দি জনসাধাৰণৰ পূৰ্ণাঙ্গ মুক্তিৰ বাবে ভালেমান বছৰলৈ সংগ্ৰামৰ পথ ত্যাগ কৰা নাছিল।

স্বাধীনতা আন্দোলনৰ কালছোৱাতেই অসমৰ ৰাজনৈতিক মঞ্চৰ অন্যতম উল্লেখনীয় ঘটনা হ'ল ভয়াবহ সাম্প্ৰদায়িক ৰাজনীতিৰ অনুপ্ৰৱেশ। বিশেষকৈ কুৰিৰ দশকত আৰু তাৰ অব্যবহিত পিছৰ কালছোৱাত অসমৰ ৰাজনৈতিক মঞ্চত ক্ৰমাগতভাৱে জাতি - গোষ্ঠীক কেন্দ্ৰ কৰি ৰাজনৈতিক মেৰুকৰণ তথা ৰাজনীতিৰ সাম্প্ৰদায়িকীকৰণ প্ৰক্ৰিয়াৰ সুচনা হবলৈ ধৰে। মূলতঃ পূৰ্ববঙ্গৰ পৰা হোৱা অবিৰত জন প্ৰব্ৰজনৰ বাবেই বা ইয়াক কেন্দ্ৰ কৰিয়েই অসমত বিশেষতঃ সাম্প্ৰদায়িক ৰাজনীতিৰ সূত্ৰপাত হবলৈ লয়। কুৰিৰ দশকৰ পূৰ্বে ভাৰতবৰ্ষৰ অন্যান্য অঞ্চলৰ তুলনাত অসম আপেক্ষিকভাৱে সাম্প্ৰদায়িক ৰাজনীতিৰ পৰা মুক্ত আছিল, অৱশ্যে ইয়াৰ দ্বাৰা এইটো ক' বলৈ বিচৰা নাই যে অসম সদায়েই জাতি-ভেদ প্ৰথা আৰু তাক কেন্দ্ৰ কৰি সৃষ্টি হোৱা শোষণ-নিৰ্যাতনমুখী ৰাজনীতিৰ পৰা মুক্ত আছিল।

অস্বীকাৰ কৰাৰ উপায় নাই যে জনজাতি প্ৰধান পুৰাতন-ভৌগোলিক-ৰাজনৈতিক-সাংস্কৃতিক এই ভূখণ্ডতো বিভিন্ন জাতি-জনজাতিৰ লোকসকল কম-বেছি পৰিমাণে বৰ্ণ হিন্দু সমাজপতিৰ দ্বাৰা শোষিত, নিষ্পেষিত আৰু সততে নিৰ্যাতিত হৈ আহিছিল, কিন্তু শিক্ষা- দীক্ষাৰ অভাৱত সেই শোষণ- বঞ্চনাৰ দিশতোও জনজাতীয় জন-গোষ্ঠীসমূহৰ মনত পূৰ্ণ ৰূপত উন্মোচিত হোৱা নাছিল। পঞ্চদশ- ষোড়শ শতিকাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱে প্ৰচাৰ কৰা নৱ-বৈষ্ণৱ ধৰ্মই অন্যান্যসকলৰ লগতে অন্ততঃ জনজাতীয় জনগোষ্ঠীসমূহৰ মনত ধৰ্মীয় মায়াজালেৰে শোষণ- বঞ্চণাকো সহনীয় কৰি ৰাখিছিল। অৱশ্যে শিক্ষাৰ সম্প্ৰসাৰণ আৰু সম্প্ৰচাৰৰ লগতে স্বাধীনতা আন্দোলনৰ বিশেষকৈ গণতান্ত্ৰিক আৰ্হি- আদৰ্শৰ প্ৰচাৰৰ ফলত তেওঁলোকৰ মাজতো এই শোষণ-বঞ্চণাৰ চেতনাই সময়ত বিকাশ লাভ কৰাত চোগা- চোৰোকাকৈ তেওঁলোকৰ মাজতো আত্মবিকাশ আৰু সংৰক্ষণৰ প্ৰৱনতাই সময়ে সময়ে গা কৰি উঠি আহিছে।

বৃটিশৰ আমোলত বিংশ শতিকাৰ প্ৰায় আৰম্ভণীৰেপৰা পূৰ্ববঙ্গৰপৰা অসমলৈ আহিবলৈ লোৱা পমুৱাসকলক প্ৰধানতঃ জনজাতিপ্ৰধান এলেকাসমূহত নিৰ্বিবাদে পুনৰবাসন দিবলৈ লোৱা নীতিয়ে তেওঁলোকক তেওঁলোকৰ ভবিষ্যত সম্পৰ্কে সন্দিহান আৰু জীৱন- জীৱিকাৰ বাবে ভীত-সন্ত্ৰস্ত কৰি তুলিছিল। উত্তৰ-পূৰ্বাঞ্চলত সাম্প্ৰতিক কালত দেখা দিয়া গোষ্ঠী সংঘৰ্ষৰো উৎস তাতেই বুলি আমাৰ বদ্ধমূল ধাৰণা। পূৰ্ববঙ্গীয় পমুৱাক জনজাতি প্ৰধান এলেকাত পুনৰবাসন নিদিয়াহেঁতেন আৰু তেওঁলোকৰ বাবে

আচুতীয়াকে ৰখা 'ব্লক' আৰু 'বেল্টক' পমুৱা পুনৰবাসনৰ পৰা মুক্ত কৰি ৰখাহৈঁতেন আজি অসমৰ সমাজ-সভ্যতা সংস্কৃতি-ৰাজনীতি বিস্ফোৰণমূলক পৰিস্থিতিৰ পৰা বহুলাংশে নিৰাপদে থাকিলহেঁতেন।

সি যি কি নহওক, সাম্প্ৰদায়িক ৰাজনীতিৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ অন্যান্য অঞ্চলৰ সৈতে পাৰ্থক্যতো বৰ্তি আছিল কেৱল মাত্ৰ এটা বিষয়ত আৰু সেইটো হ'ল অসমত হিন্দু-মুছলমান সাম্প্ৰদায়িকতাৰ অনুপস্থিতি। ঐতিহাসিকভাৱে বৃটিশ পূৰ্ব অসমত কোনো কালেই ইছলাম ধৰ্মাৱলম্বীলোকে ৰাজনৈতিক ক্ষমতাত অধিষ্ঠিত নোহোৱাটোও হয়তো ইয়াৰ অন্যতম্ কাৰণ হব পাৰে। সেয়েহে ক'ব পাৰি অসমত হিন্দু-মুছলমান সাম্প্ৰদায়িক ৰাজনীতিৰ স্ৰষ্টা আছিল বৃটিশ সাম্ৰাজ্যবাদীসকল। লৰ্ড কাৰ্জনৰ বঙ্গভঙ্গ আঁচনিৰ কাৰ্যকৰীকৰণৰ সময়ৰপৰাই (১৯০৫-১১) অসমত সাম্প্ৰদায়িক ৰাজনীতিৰ আওহাৱা এটি গঢ়ি উঠিবলৈ ধৰে। কুৰিৰ দশকৰ এই আওহাৱাই লাহে লাহে অসমত সাম্প্ৰদায়িক ৰাজনীতিৰ পূৰ্ণ বিকশিত ৰূপ পৰিগ্ৰহ কৰে।

কাৰ্জনৰ আঁচনি মৰ্মে পূৰ্ববঙ্গ আৰু অসম নামে প্ৰদেশখন গঠিত হোৱাৰ পৰাই অমসলৈ পাবনা, বোগ্‌ৰা, মৈমনসিং, ৰংপুৰ আদি পূৰ্ববঙ্গৰ জিলাসমূহৰপৰা ভূমিহীন কৃষকৰ প্ৰব্ৰজন হবলৈ ধৰে।" এই প্ৰব্ৰজন প্ৰধানতঃ দুটা কাৰণত হৈছিল, প্ৰথমতে পূৰ্ববঙ্গত ভূমিৰ ক্ষেত্ৰত প্ৰচলিত জমিদাৰী প্ৰথা আৰু ভূমিহীন কৃষকৰ সংখ্যাধিক্য, জমিদাৰ আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল কৰ্মচাৰী আৰু মধ্যস্বত্ব ভোগীসকলৰ দ্বাৰা কৃষকৰ ওপৰত চলি অহা শোষণ-নিৰ্যাতন আৰু দ্বিতীয়তে অসমত জনসংখ্যা অনুপাতে ভূমিৰ প্ৰাচুৰ্যতা আৰু ভূমিৰ ক্ষেত্ৰত প্ৰচলিত প্ৰজাস্বত্ব আইন। বৃটিশৰ আমোলত অসমত এনে এটা অৱস্থা আছিল যে যিয়ে দখল কৰে তেঁৱেই মাটিৰ মালিক হব পাৰিছিল।

কাৰ্জনৰ বঙ্গভঙ্গ আঁচনিৰো অন্য এটা উদ্দেশ্য আছিলঃ জনসংখ্যা বহুল পূৰ্ববঙ্গৰপৰা অসমলৈ লোক প্ৰব্ৰজন ঘটোৱা। এই বিষয়ে আমি অন্যত্ৰ বিস্তৃতভাৱে আলোচনা কৰিছো।" বিশেষকৈ বৃটিশ উদ্যোগপতিৰ নিয়ন্ত্ৰণত বঙ্গদেশত গঢ়ি উঠা মৰাপাট কল তথা শিল্পৰ দ্ৰুত সম্প্ৰাসাৰণৰ লগে লগে সেইবোৰৰ চাহিদা পূৰাবলৈ প্ৰচুৰ পৰিমাণৰ কেঁচামালৰ প্ৰয়োজন হৈছিল, কিন্তু বঙ্গদেশ তথা পূৰ্ববঙ্গত মৰাপাট খেতিৰ ক্ষেত্ৰ সম্প্ৰাসাৰণৰ বাবে ভূমিক্ষেত্ৰৰ নাটনি হোৱাত কাৰ্জনে উল্লেখিত আঁচনিৰ মাধ্যমত অসমলৈ দক্ষ মৰাপাট খেতিয়কৰ প্ৰব্ৰজন ঘটোৱাৰ অভিসন্ধি কৰিছিল।

১৯২১ লোক পিয়লৰ প্ৰতিবেদনত কোৱা হৈছে," " The Assam valley hardly began to attract colonists from outside Assam till the decade 1901 to 1911, and the enumerations previous to that of 1911 show little immigration from across the Bengal borders " কিন্তু কাৰ্জনৰ আঁচনিয়ে এই অৱস্থাৰ দ্ৰুত পৰিবৰ্তন সাধন কৰিছিল। স্বাধীনতা আৰু দেশ বিভাজনৰ পূৰ্বে প্ৰায় বিগত অৰ্দ্ধ শতিকা জুৰি বৃটিশ সাম্ৰাজ্যবাদীইতৰ প্ৰত্যক্ষ উদ্যোগত আৰু বৃটিশৰ অনুগ্ৰহত বৰ্তি থকা অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ সহযোগত ভাৰতৰ বিভিন্ন প্ৰদেশ তথা অঞ্চলৰপৰা এক বৃহৎ পৰিমাণৰ লোক অসম আগত হয়।"

*কাৰ্জনৰ আঁচনি মৰ্মে পূৰ্ববঙ্গক অসমৰ লগত সাঙুৰি দি পূৰ্ববঙ্গ আৰু অসম নামে নতুন প্ৰদেশ সৃষ্টি কৰাত জমিদাৰী প্ৰথা প্ৰচলিত অঞ্চলৰপৰা ৰায়তৱাৰী ব্যৱস্থা প্ৰচলিত অঞ্চললৈকে লোক প্ৰব্ৰজন উজু হৈ পৰিছিল– সিয়ো একেখন প্ৰদেশৰ ভিতৰতেই। কাৰ্জনৰ উদ্দেশ্যও তেনেকুৱাই আছিল বুলি ভেলেন্টাইন চিৰোলে উল্লেখ কৰিছে,"*

" Partition was meant to pave the way for undoing the permanent settlement which governs the Land Revenue in Bengal, and, once the permanent settlement out of the way, Government would screw up the land tax As for the creation of the new province, it was intended to facilitate the compulsory emigration of the people from the plains, who would be driven to work on the Englishmen's tea plantations in the far-off jungles of Assam." ·

*সাম্ৰাজ্যবাদী শোষণ লুণ্ঠনৰ স্বাৰ্থতেই কাৰ্জনে তেনে ব্যৱস্থা লৈছিল। পূৰ্ববঙ্গত হিন্দু জমিদাৰসকলৰ শোষণৰ খুন্দাত তিষ্ঠিব নোৱাৰি অসমলৈ অহা এই মাটিহীন মুছলমান পমুৱাসকলক লৈ অসমতো অসমীয়া মহাজন শ্ৰেণীয়ে বঙ্গৰ লেখীয়া জমিদাৰী স্থাপনেৰে জমিদাৰ হোৱাৰ পাং পাতি পমুৱাৰ আগমনত উদগনি দিছিল। এসময়ত বৰপেটাত মাটি হাকিম হিচাপে কাৰ্যনিৰ্বাহ কৰা বৰেণ্য সাহিত্যিক শৈলধৰ ৰাজখোৱাৰ আত্মজীৱনী অতীতৰ সোঁৱৰণী য়ে এই দিশত চাঞ্চল্যকৰ ঐতিহাসিক সাক্ষ্য বহন কৰিছে।" পমুৱাৰ আগমনত বৰপেটীয়া মহাজন শ্ৰেণীৰ ভূমিকা সম্পৰ্কে ৰাজখোৱাই লিখিছে," "মৈমনচিঙীয়াবিলাক বৰপেটালৈ আহি প্ৰথমতে ব্ৰহ্মপুত্ৰৰ চৰবিলাকতে উঠিছিলহি। সেই কাৰণে বৰপেটাৰ মানুহে তেওঁবিলাকক চৰুৱা বোলে। বৰপেটাৰ বেপাৰীসকলৰ ভিতৰৰে কিছুমান মানুহে চৰুৱাবিলাকক চৰৰ পৰা আনি বৰপেটা চাৰ্কোলৰ দ' ঠাইবিলাকত বহুৱাই দিলে। কিছুমান বেপাৰীয়ে তেওঁলোকৰ নিজৰ একচনা পট্টাৰ মাটিবিলাক চৰুৱাইতক বেচিলে। কিছুমানে চৰকাৰী মাটি আৰু চৰণীয়া ৰিজাৰ্ভৰ মাটি বিলাককে তেওঁলোকৰ নিজৰ পট্টাৰ মাটি বুলি ভুৱা দি চৰুৱাইতৰপৰা টকা লৈ সিহঁতক তাত বহুৱাই দিলে। কিছুমানে নিজৰ একচনা পট্টাৰ মাটিত খাজনা লৈ চৰুৱা বহুৱাই দি জমিদাৰী কৰিবলৈ যাওঁতে লাভে-মূলে হেৰুৱাব লগা হ'ল।"*
*আনকি এই সময়তেই বৰপেটাত মাটিৰ ফটকা বেপাৰীৰ বিৰাট পয়োভৰ আছিল।*

*অন্য এজন লোক—জগন্নাথ বুজৰবৰুৱা—ৰপৰাও প্ৰায় একে ধৰণৰ সাক্ষ্য-প্ৰমাণ পোৱা যায়। এওঁ চাৰি বছৰমান কাল (১৯২৪-২৮) বৰপেটাত উপ-প্ৰতি সমাহৰ্তা ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। The Assam Provincial Banking Enquiry Committee (1929-30) ৰ ওচৰত সাক্ষী দি তেওঁ বৰপেটা অঞ্চলত পূৰ্ববঙ্গীয় পমুৱাৰ পুনৰ্বাসন আৰু সেই দিশত তাৰ থলুৱা অসমীয়া মহাজন শ্ৰেণীৰ লোকৰ ভূমিকা সম্পৰ্কে কোৱা কথাখিনিও সমানেই প্ৰণিধানযোগ্য; তেওঁ কোৱা কথাখিনিৰ " সাৰমৰ্ম আছিল এনেধৰণৰ—'১৯২০ চনৰপৰা আৰম্ভ হোৱা এই প্ৰব্ৰজনৰ ফলত অকল বৰপেটা চাৰ্কোলতেই প্ৰায় ৪০/৫০ হাজাৰমান পমুৱাই খিতাপি লৈছিল। বহু অসমীয়া লোকেই নিজৰ মাটি সম্পত্তি পমুৱাৰ ওচৰত অধিক দামত বিক্ৰি কৰি আকৌ হাবি- জঙ্গল*

জাতি নতুন ঠাইত পাম পাতি পিছত তাকো বিক্ৰি কৰি দিছিল। মৰাপাট খেতিৰ উপযোগী চৰ অঞ্চলৰ মাটি বিঘাই প্ৰতি প্ৰায় দুশ টকা দৰত বিক্ৰি কৰিছিল। তেতিয়া সেখাত অসমীয়া মানুহৰ অৱস্থা (এইদৰে মাটি বিক্ৰি কৰাৰ ফলত) ভাল হৈছিল যদিও পৰিশেষত তেওঁলোকেই যে ক্ষতিৰ সন্মুখীন হ'ব লাগিব সেইটো ধুৰাপ। পমুৱাসকলক মাটি কিনিবলৈ অসমীয়া (বৰপেটীয়া) আৰু কায়া মহাজনসকলৰ ওপৰিও মৈমনচিঙীয়া মাতব্বৰসকলেও টকাৰ যোগান ধৰিছিল।এইদৰে চলিলে এওঁলোক ভূমিহীন লোকত পৰিণত হ'ব। এওঁলোকৰ দখলত থকা ভূমিৰ পৰিমাণ এতিয়াই কমি আহিছে।'

গোৱালপাৰা আৰু অসমৰ অন্যান্য জিলালৈ হোৱা লোক প্ৰব্ৰজনতো যে পূৰ্ববঙ্গীয় পমুৱাসকল অগ্ৰণী আছিল আৰু সাম্ৰাজ্যবাদী বৃটিশ শাসকৰ লগতে অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ লোকেও সহায়ক ভূমিকা লৈছিল সেইটোও ইতিহাস সিদ্ধ কথা।" অসমীয়া ভাষা-সাহিত্যৰ বৰেণ্য ব্যক্তি কালিৰাম মেধিয়ে যথাক্ৰমে গোৱালপাৰাত মাটি হাকিম আৰু মঙ্গলদৈ মহকুমাত মহকুমাধিপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা কালতো বহু পূৰ্ববঙ্গীয় লোকে সেই সেই অঞ্চললৈ প্ৰব্ৰজন কৰি নিগাজীকৈ থিতাপি লৈছিল। বিশেষকৈ মঙ্গলদৈ মহকুমাত থলুৱা অসমীয়াসকলেই পমুৱাৰ ওচৰত মাটি বিক্ৰি কৰাৰ কাহিনী মেধিৰ তলতে চব-ডেপুটী কলেক্টৰৰ পদবীত সমাসীন ব্যক্তি কমলনাৰায়ণ মজুমদাৰে স্পষ্ট ভাষাত বিবৃত কৰিছে এইদৰে," "সেই সময়ত মৈমনসিংহ জিলাৰ অসংখ্যা মানুহ মঙ্গলদৈলৈ আহিবলৈ ধৰে। আজি যি অসমীয়াই মাটিহীন বুলি আপত্তি কৰে তেওঁলোকেই তেতিয়াৰ দিনত পানীৰ মূল্যত সেই পমুৱাসকলক মাটি বেচিছিল। পাচলৈ তেওঁলোক হ'ল জমিদাৰ আৰু স্থানীয় মানুহবোৰ হ'ল আধিখোৱা প্ৰজা।... তেতিয়া "লাইন" আদি কৰি সেই পমুৱাৰ সোঁত বন্ধ কৰিবলৈ চেষ্টা কৰা হৈছিল, কিন্তু বিশেষ ফল নহ'ল। তেতিয়া অসমৰ জনা-বুজা আৰু উচ্চ চৰকাৰী চাকৰিয়াল ভালেমান লোকে চেষ্টা কৰিবলৈ ধৰিলে যাতে এই ন-পমুৱাসকলে অসমৰ স্থানীয় মানুহৰ লগত মিলি যায়। এই কাৰ্যতো মেধি ডাঙৰীয়াই সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।"

১৯০১-১৯১১ ৰ দশকটোত যিখিনি লোক পূৰ্ববঙ্গৰপৰা আহিছিল তাৰো ৮৫ শতাংশ মুছলমান আৰু বাকী ১৫ শতাংশ হিন্দু হোৱাত" অসম তথা ব্ৰহ্মপুত্ৰ উপত্যকাত ধৰ্মীয় সমীকৰণত খেলি- মেলিয়ে দেখা দিছিল, সাম্প্ৰদায়িক সংহতিত প্ৰথম বাৰৰ বাবে বিভাজনে দেখা দিছিল। ধৰ্মক কেন্দ্ৰ কৰি ৰাজনৈতিক মেৰুকৰণ প্ৰক্ৰিয়াৰ সূত্ৰপাত হবলৈ লৈছিল। পূৰ্ববঙ্গত জমিদাৰসকলৰ ভিতৰত হিন্দু জমিদাৰৰ সংখ্যা আছিল অধিক, আৰু সাধাৰণ কৃষকৰ ভিতৰত মুছলমানেই প্ৰধান ও সংখ্যাগৰিষ্ঠ। এইখিনিতে ছিলেট তথা অসমৰ প্ৰখ্যাত কমিউনিষ্ট নেতা বীৰেশ মিশ্ৰৰ এষাৰ কথা প্ৰণিধানযোগ্য, অসমলৈ পূৰ্বঙ্গীয় পমুৱাৰ প্ৰব্ৰজন সম্পৰ্কত তেওঁ কৈছে," "ইংৰাজৰ তোলনীয় পো-জমিদাৰইতৰ চেপাখুন্দাত বঙ্গদেশ, ছিলেট আৰু গোৱালপাৰাত লাখ লাখ মাটিবাৰী লোকোৱা খেতিয়কৰ সৃষ্টি হয় আৰু জমিদাৰী শোষণৰ বিৰুদ্ধে তীব্ৰ আন্দোলন গঢ়ি উঠে। এই বাঢ়ি অহা আন্দোলনৰপৰা হাত সাৰিবৰ কাৰণে অসমত লাখ লাখ বিঘা মাটি খালি পৰি আছে বুলি আড়ুৱাভৰা বাতৰি প্ৰচাৰ কৰি দি মৈমনসিংহৰ জমিদাৰেই

অসমলৈ পমুৱা আহিবৰ কাৰণে উচটাই দিয়ে। কেৱল মুছলিম লীগৰ আক্ৰোশী নেতাবিলাকেই অসমলৈ পমুৱা আনিছে বুলি বহুতৰে ধাৰণা। কিন্তু ইয়াৰ কাৰণে প্ৰথম দায়ী হিন্দু জমিদাৰ ।"

গতিকে হিন্দু জমিদাৰ শোষণ-নিৰ্যাতনত অতিষ্ঠ পূৰ্ববঙ্গীয় মুছলমান কৃষকসকল মনস্তাত্বিকভাৱেই হিন্দু বিদ্বেষী আছিল, অৰ্থাৎ তাৰ আৰ্থ-সামাজিক বাস্তৱতাই আৰু প্ৰচলিত সাম্ৰাজ্যবাদী ভেদ-নীতিয়ে তেওঁলোকক সেই মনস্তত্বৰ অধিকাৰী কৰি তুলিছিল।

আনহাতে বঙ্গভঙ্গ আঁচনিৰ বিৰুদ্ধে সংগঠিত প্ৰতিৰোধ সংগ্ৰামৰ পৰিপ্ৰেক্ষিতত লৰ্ড কাৰ্জনে পূৰ্ববঙ্গ ভ্ৰমণ কৰি বিভিন্ন জনসভাত দিয়া ভাষণৰ মাধ্যমত মুছলমান জনসাধাৰণৰ মাজত এই বুলি প্ৰচাৰ কৰিছিল যে তেওঁ উক্ত আঁচনিৰ জৰিয়তে মুছলমান সকলক পূৰ্ববঙ্গ আৰু অসমত এখন সুকীয়া গৃহভূমি দিয়াৰহে ব্যৱস্থা কৰিছে ", গতিকে তেওঁলোকে নিজৰ স্বাৰ্থৰ প্ৰতি সচেতন হৈ তেওঁৰ আঁচনিৰ প্ৰতি সমৰ্থন দিব লাগে, তাৰ বিৰোধী আন্দোলনত ভাগ ল'ব নালাগে। কাৰ্জনৰ এই প্ৰচাৰে হয়তো তেওঁলোকৰ মনত এক নতুন ৰাজনৈতিক দিবা স্বপ্নৰ সৃষ্টি কৰিছিল। অসমলৈ প্ৰব্ৰজন কৰাৰ ক্ষেত্ৰত অন্যান্য বিষয়ৰ লগতে এই ৰাজনৈতিক দিবা স্বপ্নইও যে আংশিকভাৱে হলেও কাম কৰিছিল তাত সন্দেহ নাই। আকৌ ১৯০৬ চনত বঙ্গভঙ্গ বিৰোধী আন্দোলনৰ প্ৰায় আদিতেই সাম্ৰাজ্যবাদী ভেদ - নীতিৰে পৰিপুষ্টি লাভ কৰি গঢ়ি উঠা মুছলীম লীগ নামৰ ৰাজনৈতিক দলটোৱে মুছলমানসকলৰ মাজত সাম্প্ৰদায়িক ৰাজনৈতিক মাত্ৰা প্ৰদানত প্ৰভূত অৰিহণা যোগাইছিল। এইবিলাক ৰাজনৈতিক ঘটনা-পৰিঘটনাৰ পৰিপ্ৰেক্ষিততেই অসমতো অতি সোনকালেই ৰাজনৈতিক বাতাৱৰণ সাম্প্ৰদায়িক বিষ-বাষ্পেৰে কলুষিত হৈ পৰিছিল।

এনে এটা বিপদ-সঙ্কুল পৰিস্থিতিতো পূৰ্ববঙ্গৰপৰা অসমলৈ ভূমিহীন পমুৱাৰ প্ৰব্ৰজন অবিৰতভাৱে চলি আহিছিল। পিছৰ দশকৰ লোক গণনাৰ প্ৰতিবেদন মতে,"
" It thus appears that the Eastern Bengal settlers have increased more than fourfold in the decade to their present total of 2,58,000 in the Brahmaputra valley If we add the children born after arrival in Assam and there is a goodly proportion of women aged 15-40 among the immigrants- the total number of settlers in the valley must have come to at least, 3,00,000 In Goalpara nearly 20 per-cent of the population is made up of these settlers The next favourite district is Nowgong, where they form about 14 percent of the whole population "

বঙ্গ- ব্যৱচ্ছেদৰ কাল অৱধি চলা এই প্ৰব্ৰজনে অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ একাংশৰ মাজত এক তীব্ৰ প্ৰতিঘাত-প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। 'সাপ হৈ খুটি বেজ হৈ জৰা'- এই মধ্যবিত্ত শ্ৰেণীৰ একাংশ লোকে জাতিৰ ভাষা-সংস্কৃতি-অৰ্থনীতি বিপন্ন বুলি ৰাউচি জোৰাত চৰকাৰেও 'লাইন প্ৰথা'ৰ সৃষ্টি কৰি ১৯২০ চনৰ পৰাই বিভেদ আৰু বিভাজনৰ নীতি গ্ৰহণ কৰিলে। এই লাইন প্ৰথা মতে থলুৱা অসমীয়া গাঁৱৰ নিকটবৰ্তী অঞ্চলত মৈমনচিঙীয়া পমুৱাক পুনৰ্বাসন নিদি তেওঁলোকক বিশেষ এলেকাত

পুনৰ্বাসন দিয়াৰ ব্যৱস্থা কৰিছিল যাতে ভাষিক - সাংস্কৃতিক আৰু অৰ্থনৈতিক দিশত থলুৱা জনসাধাৰণৰ মনত কোনো আশংকাৰ সৃষ্টি নহয়। কিন্তু ইয়াৰ উদ্দেশ্য সন্দেহজনক আছিল, ফলো সেয়ে বিপদজনক হ'ল। থলুৱা অসমীয়া মানুহৰ কোনো উপকাৰত নাহিল, ই কেৱল অসমত আৰম্ভ হোৱা হিন্দু-মুছলমান সাম্প্ৰদায়িক ৰাজনীতিত নতুন মাত্ৰাহে প্ৰদান কৰিলে।

স্বৰূপাৰ্থত, লাইন প্ৰথাক কেন্দ্ৰ কৰি অসমত হিন্দু-মুছলমান সাম্প্ৰদায়িক ৰাজনৈতিক পৰিবেশ অধিক বিপদজনকহে হৈ পৰিল। পাণ্ডু কংগ্ৰেছৰ (১৯২৬) পূৰ্ব-মুহূৰ্তত অসম ভ্ৰমণ কৰা সৰ্বভাৰতীয় কংগ্ৰেছ নেতা ড° ৰাজেন্দ্ৰ প্ৰসাদে তেওঁৰ আত্মজীৱনীত অসমত দেখা দিয়া এই সাম্প্ৰদায়িক ৰাজনীতিৰ কিছু সম্ভেদ দিছে এইদৰে,[৮] " The communal feeling was uppermost in men's minds then and Assam was no exception the influx of Muslims from Mymensingh was upsetting the population ratio and the Assamese wanted to retain a majority in the Brahmaputra valley " অকল ৰাজেন্দ্ৰ প্ৰসাদৰে নহয় অসম কংগ্ৰেছৰ হিন্দু বৰ্ণবাদী নেতৃত্বৰো দৃষ্টিভংগী আছিল সমপৰ্যায়ৰ।

এইখিনিতে কমিউনিষ্ট নেতা বি টি ৰণদিভৰ এষাৰ কথা উল্লেখ কৰিব পাৰি,[৯] "কংগ্ৰেছ আছিল সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামৰ অগ্ৰণী সংগঠন। কৃষি বিপ্লৱৰ, জমিদাৰী উচ্ছেদৰ, আৰু প্ৰকৃত খেতিয়কৰ মাজত মাটি ভগাই দিয়াৰ হকে উমৈহতীয়া সংগ্ৰামৰ সূচনা কৰি অৰ মাজলৈ কৌটি কৌটি হিন্দু-মুছলমানক আকৰ্ষিত কৰি আনিব পৰাহেঁতেন কংগ্ৰেছে সাম্প্ৰদায়িক দৃষ্টিভংগীৰ মূৰত মাধমাৰ শোধাব আৰু মুছলমান জনগণক গোড়ামী আৰু জমিদাৰীৰ মাৰাত্মক প্ৰভাৱৰপৰা উদ্ধাৰ কৰিব পাৰিলেহেঁতেন। কিন্তু নিজৰ শ্ৰেণী স্বাৰ্থৰ হেতু বুৰ্জোৱা নেতাসকলে ঐতিহাসিকভাৱে সামন্তবাদী সম্পৰ্ক নিৰ্মূল কৰাৰ মাজেদি ক্ষমতা দখল কৰাৰ বাবে আগবাঢ়ি নাহিল, জমিদাৰ, জাতি প্ৰথা ধৰ্মীয় ভেদবাদৰ সতে আপোচ কৰিলে আৰু সাম্প্ৰদায়িক ভেদবাদৰ শোষণ নিৰ্মূল হোৱাৰ পথ ৰুদ্ধ কৰিলে।" কংগ্ৰেছৰ নেতৃত্বত চলা ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এইটোৱেই হ'ল চৰম ট্ৰেজেদী।

এই সময়ছোৱাতেই (১৯২৬-২৭) অম্বিকাগিৰী ৰায়চৌধুৰীয়ে অসমীয়া সংৰক্ষিণী সভা গঠন কৰি অসমীয়াৰ স্বাৰ্থ ৰক্ষা কৰাৰ চেষ্টা কৰিছিল। তাৰো পূৰ্বে (১৯১৯) তেওঁ বহিৰাগতৰ অবাধ প্ৰব্ৰজনৰ পৰিপ্ৰেক্ষিতত অসমীয়া লোকৰ আত্মৰক্ষাৰ বাবে আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ দৰে ৰাজনৈতিক ৰক্ষা কৱচৰ প্ৰয়োগৰ দাবী কৰিবলৈ লৈছিল।[১০] তেওঁৰ সৌহাত স্বৰূপে ওলাই আহিছিল নীলমণি ফুকন আৰু জ্ঞাননাথ বৰা। বিংশ শতিকাৰ দ্বিতীয় দশকৰ ভিতৰতেই অসমত বিশেষকৈ পূৰ্ববঙ্গীয় পমুৱা সমস্যাই বিপদসীমা চুইছিলগৈ আৰু তাৰেই সাৰ্থক প্ৰতিৰোধ-প্ৰতিকাৰ কল্পে বহু-ভাষিক বহু- জাতিক ভাৰতবৰ্ষৰ অংগ ৰাজ্য ৰূপে অসমৰ বাবে সেই আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ তত্ত্ব আকোৱালি লৈছিল। ৰায়চৌধুৰীৰ এই ৰাজনৈতিক ধ্যানধাৰণা যে যথাৰ্থ আছিল তাক ১৯৪০ চনত বহু-ভাষিক বহু-জাতিক ভাৰতবৰ্ষৰ বাবে সেই আদৰ্শক প্ৰয়োজনীয় ৰাজনৈতিক তত্ত্বৰূপে ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে গ্ৰহণ কৰা কাৰ্যটোৱে

সহজে প্ৰতীয়মান হয়।

সি যি কি নহওক, সেই সময়ৰ ৰাজনৈতিক ধামখুমীয়াত ৰায়চৌধুৰীৰ এই মতাদৰ্শই বিৰূপ প্ৰতিক্ৰিয়াৰহে সৃষ্টি কৰিছিল। ৰায়চৌধুৰীৰ নেতৃত্বত থলুৱাসকলৰ লক্ষ্য আৰু উদ্দেশ্য আছিল প্ৰব্ৰজন বন্ধ কৰা আৰু পূৰ্ববঙ্গীয় (পমুৱা)সকলৰ লক্ষ্য আৰু উদ্দেশ্য হৈ পৰিছিল বাধাহীনভাৱে অসমৰ সৰ্বত্ৰ মাটি দখল কৰি নিগাজী হৈ বসতি কৰা। এই দুই যুঁজমান শক্তিৰ টনা-আজোৰাৰ ফলত হিন্দু-মুছলমান ৰাজনৈতিক মতাদৰ্শই অজানিতে সাম্প্ৰদায়িক ৰূপ পৰিগ্ৰহ কৰিছিল। আৰু বেছি সুসংহত ৰূপ দিয়াত চি.এছ. মোলান [*] আদি বৃটিশ বিষয়াৰ ভেদবাদী ভূমিকাও কম ক্ৰিয়াশীল নাছিল।

বন্ধুত্ব আৰু ভ্ৰাতৃত্বৰ মনোভাৱেৰে ভাৰতবৰ্ষৰ সাম্ৰাজ্যবাদ বিৰোধী শিবিৰত যেতিয়াই হিন্দু-মুছলমানৰ মাজত একতাৰ ভিত্তি গঢ়ি উঠিছিল বা উঠাৰ উপক্ৰম হৈছিল, সেই সময়তে বৃটিশ সাম্ৰাজ্যবাদীয়ে এই দুই প্ৰধান ধৰ্মীয় সম্প্ৰদায়ৰ মাজত বিভেদৰ বীজ সিঁচি অনৈক্যৰ সৃষ্টি কৰি নিজৰ কায়েমী স্বাৰ্থ পূৰ্ণ কৰাৰ পাং পাতিছিল।

১৮৫৭ - ৫৮ চনৰ ভাৰতীয় মহাবিদ্ৰোহ তথা স্বাধীনতাৰ প্ৰথম যুঁজতেই বৃটিছে এই একতাৰ উমান পাইছিল। কাজে কাজেই জাতি, ধৰ্ম, ভাষাৰ নামত ভাৰতৰ বিভিন্ন জাতি- গোষ্ঠীৰ মাজত অনৈক্যৰ বীজ সিঁচাতো সিহঁতৰ সাম্ৰাজ্যবাদী স্বাৰ্থৰ ৰক্ষণাবেক্ষণৰ বাবে প্ৰাথমিক আৰু অপৰিহাৰ্য কাৰ্যত পৰিণত হৈছিল। তাৰো আগতেই বৃটিশ প্ৰশাসনিক বিষয়াই সাম্ৰাজ্যবাদী স্বাৰ্থৰ অনুকূলে এই বিশাল দেশ ভাৰতবৰ্ষৰ ইতিহাস ৰচনা-পদ্ধতিত এই বিভাজন নীতি সুক্ষ্ম আৰু সুকৌশলভাৱে প্ৰয়োগ কৰিছিল।

এই বিষয়া-বুৰঞ্জীবিদসকলে ভাৰতবৰ্ষৰ ইতিহাসৰ যুগ বিভাগো ধৰ্মৰ ভিত্তিতেই কৰি দেশৰ ইতিহাস ৰচনা-পদ্ধতিৰেই প্ৰভূত ক্ষতি সাধন কৰিছিল। শাসনৰ আদিতে সুচনা কৰা এই নীতি বা পদ্ধতি পৰৱৰ্তী যুগৰ চৰকাৰী টোকা, প্ৰতিবেদন বা কোনো ঐতিহাসিক ঘটনাৰ বিৱৰণীটো বিষয়াসকলে উৎসাহেৰে অনুসৰণ কৰিছিল। এই সামগ্ৰীক দৃষ্টিভঙ্গীৰ বাহিৰত তথাকথিত বিদ্বান চি এছ মোলান চাহাবৰ ১৯৩১ চনৰ অসমৰ লোক গণনাৰ প্ৰতিবেদনৰ ভাষ্য বোধগম্য হ'ব নোৱাৰে। 'ঈশ্বৰে ৰজাক কুশলে ৰাখক'—বৃটিশ ৰাজমুকুটৰ প্ৰতি অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ এই অবিচল ৰাজভক্তিৰ জয়জয়কাৰ অৱস্থাত মোলানৰ কু-অভিসন্ধিয়ে জোৰাইৰ আদৰ লোৱাটোত আচৰিত হ'ব লগীয়া একো নাছিল বা নাই।

সি যি কি নহওক, এনে এটি পৰিস্থিতিতেই মৌলনা আব্দুল হামিদ খাঁন ভাচানীয়ে [*] পমুৱা মুছলমান জনসাধাৰণৰ মাজত নিজৰ মুছলমান সাম্প্ৰদায়িক ৰাজনীতিৰ পৰিবেশ আৰু ভাৱমূৰ্তি এটি গঢ়ি তুলি লাইন প্ৰথা ৰদ কৰিবলৈ ১৯৩০-৩৫ চনৰ কালছোৱাত ব্যাপক গণ ভিত্তি প্ৰস্তুত কৰিছিল।[*] মুছলিম লীগৰ সদস্য আৰু জিন্নাৰ দ্বি-জাতি তত্ত্বৰ সমৰ্থক এইজন লোকে স্বধৰ্মী লোকসকলক তেতিয়া দবং জিলাত মাটি দখল কৰিবলৈ উচতনি দিয়াৰ বাবে উদ্ভাৱন কৰা শ্লোগানটি আছিল, "চলো চলো দৰং চলো, পতিত মাটি দখল কৰো।"[**]

এইজনা মৌলনা আব্দুল হামিদ খাঁন ভাচানীয়ে তদানীন্তন অসমত কৰা

ৰাজনৈতিক কৰ্মৰাজিৰ বিষয়ে মাৰ্ক্সবাদী পণ্ডিত ড° অমলেন্দু গুহই অত্যন্ত আত্মসন্তুষ্টিৰে সৈতে উৎসাহপূৰ্ণভাৱে লিখিছে,** " While still maintaining his contacts with Bengal during the years 1928-36, Bhasani used to move up and down the Brahmaputra to visit the river-side immigrant Muslim villages in inaccessible areas of Assam, and he articulated their demand for land . By 1936 Bhasani emerged as the accredited leader of the Muslim immigrants of Goalpara He stood as a candidate in 1937 election and was returned to the Assam Legislative Assembly He remained an important figure to reckon with in Assam Politics during the next ten years "

অসমত পূৰ্ববঙ্গীয় মুছলমান পমুৱাৰ পুনৰ্বাসনক কেন্দ্ৰ কৰি গঢ়ি উঠা সাম্প্ৰদায়িক ৰাজনৈতিক বাতাৱৰণত অসমৰ খিলঞ্জীয়া মুছলমানসকলেও একাত্ম বোধ কৰি সাম্প্ৰদায়িক ৰাজনীতিৰ পৰিসৰ বৃদ্ধি কৰিছিল। ড° অমলেন্দু গুহই লিখিছে,** " The Assamese Muslims in general welcomed immigrants with the hope that they would be Assamised in due course and numerically strengthen the base of Muslim communal politics in the province " অৱশ্যে এই সময়ছোৱাত ধৰ্মীয় গোড়ামীৰ উৰ্দ্ধত থাকি মহম্মদ তৈয়াবুল্লা, ফখৰুদ্দিন আলি আহমদ আদি ৰাজনৈতিক পুৰুষ জাতীয়তাবাদী মুছলমান ৰূপেই থাকি গৈছিল। আনহাতে ৰাজনৈতিক জীৱনৰ আৰম্ভণীতে জাতীয়তাবাদী ৰূপে প্ৰতিভাত হোৱা ব্যক্তি মহম্মদ ছাদুল্লাই ১৯৩৭ চনত মুছলীম লীগত যোগদান কৰিছিল।

ক্ৰমবৰ্দ্ধমান আৰু দ্ৰুত পৰিবৰ্তনশীল এই ৰাজনৈতিক ঘটনা-পৰিঘটনাৰ ফলশ্ৰুতিতেই ১৯৩৫ চনত অসমত মুছলমান সম্প্ৰদায় ভিত্তিক দুটা ৰাজনৈতিক দলে সংগঠিত ৰূপ লাভ কৰে – অসম উপত্যকা মুছলিম পাৰ্টি আৰু সুৰমা উপত্যকা মুছলিম পাৰ্টি। অৱশ্যে বোম্বেৰ আগাখান, ঢাকাৰ নবাব ছালিমুল্লা আৰু মহসীন-উল-মুলক্ আদিৰ চেষ্টা আৰু বৃটিশ সাম্ৰাজ্যবাদীৰ প্ৰৰোচনা আৰু পৃষ্ঠপোষকতাত ১৯০৬ চনৰ ডিচেম্বৰ মাহতেই গঠিত মুছলীম লীগ নামে সৰ্বভাৰতীয় সাম্প্ৰদায়িক-ৰাজনৈতিক সংগঠন থাকোতেই তাৰ ছত্ৰছায়াতে প্ৰাদেশিক সংগঠন গঢ়ি নুতুলি অসমত উপত্যকা ভিত্তিত দুটা সুকীয়া সংগঠন গঢ়ি তোলাতো তাৎপৰ্যৰ কথা।

আনহাতে ১৯২৮ চনতে ছিলেটত মনোৱাৰ আলিক সভাপতি হিচাপে লৈ অসমত মুছলীম লীগৰ যি শাখা সংগঠিত হৈছিল, ১৯৩৭ চনৰ সাধাৰণ নিৰ্বাচনৰ পূৰ্বে তাৰ কোনো প্ৰভাৱ অসমৰ ৰাজনীতিত পৰা নাছিল।** অসমৰ মুছলমানসকলৰ মাজত ৰাজনীতিৰ সাম্প্ৰদায়িকীকৰণত আমি পূৰ্বে উল্লেখ কৰি অহা মৌলনা আব্দুল হামিদ খাঁন ভাছানীয়ে মুখ্য ভূমিকা লৈছিল। ১৯৩৭ চনৰ নিৰ্বাচনত অন্যান্য ৩৪ জন মুছলমান সদস্যৰ ভিতৰত মুছলীম লীগেও ৯ জন সদস্য নিৰ্বাচিত কৰি অসমৰ ৰাজনীতিত লীগৰ সক্ৰিয় ভূমিকা প্ৰতিপন্ন কৰে। আনকি Assam Valley Muslim Party ৰ নেতা মহম্মদ ছাদুল্লাইও লাহে লাহে মুছলীম লীগৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিবলৈ ধৰে আৰু সেই বছৰৰে অক্টোবৰ মাহত লক্ষ্ণৌত অনুষ্ঠিত মুছলীম লীগৰ

সৰ্বভাৰতীয় সন্মিলনত যোগদান কৰে। ছাদুল্লাৰ এই ভূমিকাই অসমত মুছলীম লীগক মুছলমানসকলৰ মাজত এক শক্তিশালী ৰাজনৈতিক বিকল্প ৰূপে প্ৰতিষ্ঠা কৰে।

অন্যান্য ৰাজনৈতিক দলৰ দৰে মুছলীম লীগেও অসমত ছাত্ৰ ফ্ৰন্ট এটা গঠন কৰিবলৈ চেষ্টা চলাই আহিছিল আৰু সেই দিশত তেওঁলোক সফলো হৈছিল। বিয়াল্লিশৰ আন্দোলনৰ প্ৰাক্ মুহূৰ্তত অসমত মুছলীম লীগে মুছলমান ছাত্ৰসকলক আন্দোলনৰ পৰা আঁতৰাই আনিবলৈ চেষ্টা কৰিছিল। ১৯৩৯ চনৰ ৫ মাৰ্চত ছিলেটত অসম প্ৰাদেশিক মুছলীম ছাত্ৰ ফেডাৰেছনৰ প্ৰথম অধিৱেশন অনুষ্ঠিত হৈছিল।

বিশেষ মন কৰিব লগীয়া কথা এই যে অসমত ছাদুল্লাৰ মন্ত্ৰীসভাগুলৰ উত্থান-পতনক কেন্দ্ৰ কৰিয়েই এই কালছোৱাৰ অসমৰ মুছলমান সাম্প্ৰদায়িক ৰাজনীতিৰ বৰ নৌকাখনে লুইতৰ বৰবুকুৰেদি উজান-ভাটি কৰিছিল। অৱশ্যে কথাষাৰ কংগ্ৰেছ ৰাজনীতিৰ ক্ষেত্ৰতো সমানেই প্ৰযোজ্য।

বঙ্গদেশৰ এম.এল.এ.হাসিনা খুৰসিদৰ পৌৰাহিত্যত ১৯৪১ চনৰ ২৮/২৯ জানুৱাৰীত অনুষ্ঠিত অসম মুছলীম ছাত্ৰ ফেডাৰেছনৰ এখন সভাত সত্যাগ্ৰহ আন্দোলনৰ পৰা মুছলমান ছাত্ৰসকলক বিৰত থাকিবলৈ আবেদন জনোৱা হৈছিল। অসম প্ৰাদেশিক মুছলীম ছাত্ৰ ফেডাৰেছন সম্পৰ্কে অসমৰ ৰাজনৈতিক ইতিহাসত লিখা হৈছে, " It is significant to note that in almost all the meetings of the Muslim Students' Federation it were the Muslim League leaders who presided Subsequently, a number of meetings were held, such as one at Barpeta on 19th October 1942 and similar resolutions were adopted "

অকল যে মুছলমানসকলেই সাম্প্ৰদায়িক ৰাজনৈতিক সংগঠন আৰু তাৰ অনুগামী ছাত্ৰ সংগঠন গঢ়ি তুলিছিল তেনে নহয়, আহোম তথা অন্যান্য জনজাতীয় লোকেও গোষ্ঠী কেন্দ্ৰীক ৰাজনৈতিক সংগঠনৰ মাধ্যমে দিয়েই নিজ নিজ জাতি - গোষ্ঠীৰ স্বাৰ্থৰ সংৰক্ষণ আৰু সংবৰ্দ্ধণৰ বাবে চেষ্টা কৰিছিল। সাহিত্যিক পেন্সনাৰ পদ্মনাথ গোহাঁঞিবৰুৱা আদিৰ উদ্যোগত ১৮৯৩ চনতেই শিৱসাগৰত 'আহোম সভা'প্ৰতিষ্ঠিত হৈছিল " যদিও আমাৰ আলোচনাই সামৰি লোৱা সময়ছোৱাৰ ভিতৰত ইয়াৰ আনুষঙ্গিকভাৱে কোনো ছাত্ৰ সংগঠন গঢ়ি উঠা নাছিল। উল্লেখিত এই আহোম সভাই লাহে লাহে পৰৱৰ্তী কালৰ আসাম এছোচিয়েছনৰ আহিঁত সদৌ অসম আহোম এছোচিয়েছন (বা সভা বা সন্মিলন) ৰূপে ১৯১৫ চনৰপৰা সংগঠিত হৈ পৰিছিল আৰু ইয়াৰ জিলা ভিত্তিক সংগঠনো অসমৰ সৰ্বত্ৰ গা কৰি উঠিছিল। এই সংগঠন ৰাজানুগ্ৰহ প্ৰাপ্ত অনুষ্ঠান ৰূপে গঢ়ি উঠিছিল আৰু সেই কাৰণেই আহোম জন গোষ্ঠীৰ লোকে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ বাবে স্কুল-কলেজত মাচুলবিহীনভাৱে শিক্ষা আহৰণ কৰাৰ সুবিধা, চাকৰি আদিত নিযুক্তি পোৱাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ, মিউনিচিপালিটি, লোকেল বৰ্ড, হাইস্কুল আদিৰ পৰিচালনা সমিতি আৰু ব্যৱস্থাপক সভাত মনোনীত প্ৰতিনিধিৰ সুবিধা লাভ কৰিছিল।

আহোম সভাই অনুসৰণ কৰা গোষ্ঠী কেন্দ্ৰীক ৰাজনীতিকে গোহাঁঞিবৰুৱাই

বৃটিশ ৰাজানুগ্ৰহ লাভ কৰাৰ মূল কাৰণ বুলি উল্লেখ কৰিছে। কিন্তু তাৰ বিপৰীতে আহোম এছোচিয়েছনৰ ডিব্ৰুগড় অধিৱেশনৰপৰা (১৯৩৫) এই সংগঠনৰ ওপৰত "কংগ্ৰেছী আধিপত্য" আৰম্ভ হোৱাৰ ফলত "আহোমৰ সাম্প্ৰদায়িকতা ম্লান পৰাৰ লগে লগে, আহোমক বৃটিচ্ গৱৰ্ণমেণ্টে দিয়া ৰাজকীয় অনুগ্ৰহ (privileges) এটি এটিকৈ সমূলঞ্চে হেৰাবলৈ ধৰিলে" বুলি গোহাঁঞি-বৰুৱাই আক্ষেপ কৰিছিল। আনকি আহোমসকলৰ বাবে নিৰ্বাচনত পৃথক ভোটাধিকাৰৰ ভিত্তিত আসন সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিবলৈও এই সংগঠনৰ ফালৰপৰা চৰকাৰৰ ওচৰত আবেদন জনোৱা হৈছিল।

অৱশ্যে কংগ্ৰেছ মতাদৰ্শী আহোম এছোচিয়েছনৰ সদস্য কিছুমানে এই ধৰণৰ চিন্তা স্ৰোতৰ লগত সংশ্ৰৱ নাৰাখি মূল সংগঠনৰ পৰা ফালৰি কাটি আহি মূল সংগঠনৰ শিৱসাগৰ অধিৱেশনৰ (৫-৬ এপ্ৰিল, ১৯৪১) সময়তেই পদ্মেশ্বৰ গগৈৰ পৌৰাহিত্যত লাহিঙত জাতীয়তাবাদী আহোম সন্মিলন ( Nationalist Ahom Conference) অনুষ্ঠিত কৰিছিল। সভাপতি গগৈয়ে তেওঁৰ অভিভাষণত কোৱা কথাখিনি মূল সংগঠনৰ সাম্প্ৰদায়িক ৰাজনীতিৰ বিপৰীত মতাদৰ্শৰ আছিল। তেওঁ কৈছিল," " The assemblage of such large number of nationalist Ahom from all over the province at a short notice is in itself an unassailable proof, if proof is at all necessary, that however much our so-called leaders may try to sow the disruption and rank communalism amongst us, we stoutly and resolutely refuse to follow their lead or subscribe to their anti-national creed We will not take their challenge lying down, we will expose their sordid aims at self-aggrandisement and make it impossible for them to carry on their notorious activities They were out to barter away the real interest of the community and the country for a paltry share in the loaves and fishes of the Government The Ahoms have all along stood solidly behind the Congress because they are convinced that unless all communities are united on a common front under the flag India's independence will ever remain a far-off goal They are the enemies of the country who try to create dissensions between the communities and thereby weaken the common front The present decendents of the brave Ahoms who had until a hundred years ago ruled over Assam and defended it against powerful invaders, will not allow themselves to be led astray by a handful of self-seekers, nor will they lag behind in the struggle for country's independence "

কংগ্ৰেছ পন্থী জাতীয়তাবাদী আহোমসকলৰ এই আপোচহীন দৃষ্টিভংগীৰ প্ৰতি লক্ষ্য ৰাখিয়েই মূল সংগঠনৰ অধিৱেশনৰ সভাপতিয়েও বাক্যবান নিক্ষেপ কৰিবলৈ পাহৰা নাছিল ", " ডিব্ৰুগড় বৈঠকৰ পৰা আমাৰ এই জাতীয় মহা অনুষ্ঠানৰ ওপৰত কংগ্ৰেছৰ প্ৰভুত্ব বিস্তাৰৰ সূত্ৰপাত হয়। তেতিয়াৰ পৰাই এই এছোচিয়েচনৰ পুৰণি ৰীতি-নীতি সলাই কংগ্ৰেছীয়া ৰীতি - নীতি আচাৰিবলৈ কংগ্ৰেছৰ আহোম কৰ্মী

বৰ্ণ হোৱা আহোম জাতিক উন্নতি দিবলৈ ধৰে। সেই নতুন নীতিৰ অনুগামী হোৱাৰ ফলত, আহোমৰ শিক্ষিত ডেকা এদলে আপোন- পাহৰা হৈ বৃহত্তৰ অসমীয়া জাতি এটা গঢ়িবৰ উদ্দেশ্যে আহোমৰ সাম্প্ৰদায়িকতা বৰ্জন কৰা প্ৰচাৰ কাৰ্যত উদ্যতভাৱে আত্মনিয়োগ কৰিলে। ফলত, সেই সাম্প্ৰদায়িকতা যিমানেই সেৰেঙা হৈ আহিল, আহোমৰ অস্তিত্ব সিমানেই ম্লান পৰিবলৈ ধৰিলে। ”

নিজৰ গোষ্ঠীগত চিন্তা আৰু কাৰ্যত মনোনিবেশ কৰাৰ ওপৰিও আনকি সুবিধা বুজি মূল আহোম এছোচিয়েছনে মুছলীম লীগৰ সৈতেও বন্ধুত্ব স্থাপন কৰিছিল। মূল আহোম এছোচিয়েছনৰ এই তীব্ৰ সাম্প্ৰদায়িকতাবাদৰ বাবেই বলি নাৰায়ণ বৰুৱাই মন্তব্য কৰিছিল,[৩] “ It ( Ahom Association) is the most reactionary organisation in Assam systematically misleading the innocent village people It has taken the advantage of the Congress incarceration and patronage of Sir Saadullah who is out to make Assam a part of East Pakistan.” তাতকৈও বিপদজনক কথাটো আছিল এই যে এই সংগঠনে মুছলীম লীগৰ ইচ্ছা অনুযায়ী অসমকো মন্ত্ৰীদূতে আগ বঢ়োৱা জোঁট-শালীয়া ব্যৱস্থাৰ ‘গ’ শাখাত অন্তৰ্ভূক্ত কৰাৰ পোষকতা কৰিছিল।[৪] বৃটিশ মন্ত্ৰী দূতে আগবঢ়োৱা এই জোঁট-শালীয়া ব্যৱস্থা আছিল পাকিস্তানৰ নামান্তৰ।

সাম্প্ৰদায়িক ৰাজনৈতিক সংগঠন-প্ৰতিষ্ঠান আছিল বৃটিশ সাম্ৰাজ্যবাদী শোষণৰো ভিত্তিমূল। সেয়ে আহোম এছোচিয়েছনৰ প্ৰতি বৃটিশ শাসনকৰ্তাসকলৰো শুভ দৃষ্টি পৰিছিল। ১৯৩৫ চনৰ ২০/২১ এপ্ৰিল তাৰিখে ৰাধাকান্ত সন্দিকৈদেৱৰ সভাপতিত্বত অনুষ্ঠিত আহোম এছোচিয়েছনৰ ডিব্ৰুগড় অধিৱেশনত অসমৰ গৱৰ্ণৰ মাইকেল কীন চাহাবৰ উপস্থিতি এই ক্ষেত্ৰত উল্লেখনীয় ঘটনা। বিয়াল্লিশৰ আন্দোলনৰ সময়ত এই সংগঠনে বহু আহোম লোকক আন্দোলনৰপৰা বিৰত কৰি ৰখা কাৰ্যও এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি। পদ্মনাথ গোহাঁঞিবৰুৱাই তেতিয়াৰ অসমৰ মুখ্য সচিবলৈ দিয়া পত্ৰৰ উল্লেখ কৰি অসমৰ ৰাজনৈতিক ইতিহাসত লিখা হৈছে,[৫] .. the Association was able “ to maintain control over the mass of the Ahom community and to keep them away from the present heat and bustle of rebellious movements ”

আহোমসকলৰ দৰে অসমৰ অন্যান্য জন - জাতীয়লোকৰ মাজতো ৰাজনৈতিক সংগঠনৰ প্ৰক্ৰিয়াটো সাম্প্ৰদায়িক দৃষ্টিভংগীতেই হৈছিল। জন -জাতীয় লোকৰ ওপৰত এফালে হিন্দু বৰ্ণবাদীসকলৰ আৰ্থ- সামাজিক শোষণ- নিপীড়ন আৰু আনফালে পূৰ্ববঙ্গীয় মুছলমান পমুৱাৰ অসম আগমণ আৰু সেইসকল লোকক জনজাতি অধ্যুষিত এলেকাৰ সমীপৱৰ্তী অঞ্চলত পুনৰ্বাসন দিয়া ব্যৱস্থাই জন-জাতীয় লোকসকলকো সাম্প্ৰদায়িক-ৰাজনৈতিক সংগঠন গঢ়ি তুলিবলৈ পৰোক্ষভাৱে উৎসাহিত কৰিছিল। সেয়েহে ত্ৰিশৰ দশকত কছাৰী সন্মিলন, কোচ-ৰাজবংশী সন্মিলন, চুটীয়া সন্মিলন, মটক এছোচিয়েছন আদিৰ যুটীয়া প্ৰচেষ্টা তথা উদ্যোগত সদৌ অসম ভৈয়াম জনজাতি লীগ গঠিত হৈছিল।[৬] এই দিশত নেতৃত্বশালী ভূমিকা লৈছিল ভীমবৰ দেউৰী, ৰূপনাথ

ব্ৰহ্ম, যোগেন্দ্ৰনাথ হাজৰিকা, ৰবীচন্দ্ৰ কছাৰী, সীতানাথ ব্ৰহ্মচৌধুৰী আদিয়ে। অংপৰ্যৰ কথা যে যি সময়ত ৰাজনৈতিক ক্ষেত্ৰত আহোম এছোচিয়েছনৰ নীতি আছিল বৃটিশ সাম্ৰাজ্যবাদৰ প্ৰতি আনুগত্য সূচক আৰু মুছলীম লীগৰ প্ৰতি ভ্ৰাতৃত্বসুলভ প্ৰায় সেই একেই সময়তেই সদৌ অসম ভৈয়াম জনজাতি লীগৰ নীতি বা মনোভাৱ কংগ্ৰেছৰ প্ৰতি আছিল বন্ধুত্বপূৰ্ণ আৰু মুছলীম লীগৰ প্ৰতি বৈৰী ভাৱাপন্ন।

আহোম সমন্বিতে অসমৰ ভৈয়ামৰ জন-জাতীয় জন- গোষ্ঠীসমূহৰ মাজত গঢ়ি উঠা ৰাজনৈতিক চিন্তাধাৰা, সংগঠন তথা নিজ নিজ জাতি সত্বাৰ সংৰক্ষণ আৰু সংবৰ্দ্ধণৰ আকাংখাই বৃটিশ অসমৰ গিৰিজনসকলৰ মাজতো সেই দিশত ৰাজনৈতিক সংগঠন গঢ়ি তোলাৰ এক প্ৰৱনতাৰ সৃষ্টি কৰিছিল। বিয়াল্লিশৰ আন্দোলনৰ অব্যৱহিত পিছৰ কালছোৱাত অসমৰ সমগ্ৰ মঙ্গোলীয় জনগোষ্ঠীসমূহৰ স্বাৰ্থ সাপেক্ষে সমূহীয়া ৰাজনৈতিক মঞ্চ এখন গঢ়ি তোলাৰ চেষ্টা চলিছিল। এই প্ৰচেষ্টাৰ ফলশ্ৰুতিত ১৯৪৫ চনৰ মাৰ্চ মাহত শ্বিলঙত এল খাৰিন, খোংফাই, পদ্মেশ্বৰ গগৈ, মেক্‌ডোনাল্ড কোঙৰ আদিৰ নেতৃত্বশালী ভূমিকাৰ ফলস্বৰূপে **"Assam Tribes and Races Federation"** ৰ সংগঠন সম্ভৱ হৈ উঠে।"

এই সংগঠনৰ উদ্যোক্তাসকলৰ ভিতৰত খোংফাই আৰু গগৈয়ে স্বাধীনতা প্ৰাপ্তিৰ পৰিপ্ৰেক্ষিতত ভাৰতবৰ্ষৰপৰা অসমৰ ৰাজনৈতিক পৃথকীকৰণ তথা সুকীয়া ৰাষ্ট্ৰীয় সত্বা গঠনৰ মতাদৰ্শ এটি দাঙি ধৰিছিল। ভাৰতৰপৰা অসমৰ ৰাজনৈতিক পৃথকীকৰণ তথা সুকীয়া ৰাষ্ট্ৰ গঠনৰ প্ৰতি উৎসাহী এই সকল ব্যক্তিয়ে আগবঢ়োৱা যুক্তিৰ ভিত্তি আছিল বৃটিশ পূৰ্ব অসমে যুগ যুগ ধৰি লাভ কৰি অহা ৰাজনৈতিক স্বকীয়তা তথা স্বাধীনতা। শ শ বছৰ ধৰি বিভিন্ন জাতি সত্বা তথা মানৱ গোষ্ঠীৰ মিলন ভূমি অসমৰ বিভিন্ন জন গোষ্ঠীৰ মাজত সামাজিক আৰু সাংস্কৃতিক জীৱন ধাৰা আৰু মানৱীয় মূল্যবোধৰ ভিত্তিত মাহকাব্য মহাভাৰত- ৰামায়ণৰ যুগৰপৰাই ভাৰতবৰ্ষৰ লগত অসমৰ যি যোগসূত্ৰ তথা আত্মিক সম্পৰ্ক গঢ়ি উঠিছিল তাক শতিকা জোৰা সাম্ৰাজ্যবাদ বিৰোধী স্বাধীনতাকামী জনতাৰ নিৰবচ্ছিন্ন সংগ্ৰামে স্বাধীনতাৰ পথ সুগম কৰাৰ লগতে ভাৰতীয় মহাজাতীয় ঐক্য গঢ়ি তোলাতো সহায়ক ভূমিকা লৈছিল। এইখিনি কোৱাৰ উদ্দেশ্য এইটো নহয় যে বৃটিশ অসম তথা সম্প্ৰতি উত্তৰ-পূৰ্বাঞ্চল ৰূপে পৰিচিত এই ভূখণ্ডত ঐতিহাসিক যুগৰ পৰাই বিভিন্ন জাতি জন গোষ্ঠীৰ মাজত ৰাজনৈতিক আধিপত্য বিস্তাৰৰ বাবে পৰস্পৰৰ মাজত সংগ্ৰাম-সংঘৰ্ষ নোহোৱাকৈ থাকিছিল। বৰং এই জাতি জন গোষ্ঠী সমূহৰ মাজত ৰাজনৈতিক আধিপত্য বিস্তাৰৰ বাবে সময়ে সময়ে ঘোৰতৰ ৰক্তাক্ত আৰু ক্ষয়ঙ্কৰী যুদ্ধ সংঘৰ্ষ সংঘটিত হৈছিল। জয়- পৰাজয়, আদান-প্ৰদানৰ, সম্পৰ্ক-সম্প্ৰদানৰ মাজেদিয়েই এই বিশাল ভূখণ্ডৰ লোকে সভ্যতা-সংস্কৃতিৰ জন্ম দিছিল, সামূহিক জীৱন যাত্ৰা পদ্ধতিৰে জীৱনক মহীয়ান কৰি জীয়াই থকাৰ মৰ্ম আৰু অৰ্থ উপলব্ধি কৰিছিল। সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামে সেই উপলব্ধিক মহাভাৰতীয় মাত্ৰা আৰু মৰ্যদা দিছিল।

আনহাতে যি বৃটিশ অসম তথা উত্তৰ পূৰ্বাঞ্চলক তেওঁলোকে পৃথক ৰাজনৈতিক স্বত্বা প্ৰদানেৰে ভাৰতবৰ্ষৰপৰা পৃথকে স্বাধীন কৰি ৰাখিবলৈ আকাংখা কৰিছিল সেই

বিশাল ভূখণ্ড ভৌগোলিক আৰু ৰাজনৈতিকভাৱে আন চুবুৰীয়া দেশ তথা ৰাষ্ট্ৰৰ দ্বাৰা চাৰিওফালৰ পৰা পৰিবেষ্টিত আছিল। এইদৰে চাৰিওফালৰপৰা প্ৰতিবেশী দেশ তথা ৰাষ্ট্ৰৰ অৰ্থাৎ স্থলভাগৰ দ্বাৰা পৰিবেষ্টিত দেশ (Land locked country) এখন আধুনিক ৰাষ্ট্ৰ হিচাপে সুসম ৰূপে গঢ়ি উঠিব নোৱাৰে। গতিকে সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামত লিপ্ত মহাজাতীয় শক্তি আৰু একত্ৰিতহে যে ভাৰতবৰ্ষৰ নিপীড়িত জাতিসমূহৰ মুক্তিৰ পূৰ্ব- চৰ্ত আৰু খোংকাই-গগৈইতে যথাৰ্থভাৱে উপলব্ধি কৰিবলৈ পৰা নাছিল।

আমি পূৰ্বে উল্লেখ কৰি আহিছোঁ যে শ্বিলঙত অনুষ্ঠিত জাতি সমূহৰ অভিবৰ্তনতেই গগৈয়ে উত্থাপন কৰা প্ৰস্তাৱত কোৱা হৈছিল,[৯] " In view of the fact that the past history of Assam proper being never like that of the rest of India, this convention .. urges upon Government that Assam be separated from the rest of India, where there are a number of divisions like Pakistan, Hindustan etc , and let Assam's destiny be guided by the people of Assam " গগৈৰ এই প্ৰস্তাৱৰ পৰিপ্ৰেক্ষিতত এই খিনিতে আমাৰ মনলৈ আহিছে সাম্ৰাজ্যবাদী বৃটিশ আমোলাসকলৰ মস্তিষ্ক প্ৰসূত আঁচনি – অসম আৰু ব্ৰহ্মদেশৰ পাৰ্বত্য এলেকাসমূহ সামৰি লৈ– "ক্ৰাউন কলনি" (Crown Colony) প্ৰতিষ্ঠা কৰিবলৈ বিচৰা অভিসন্ধিৰ কথা, য'ত বৃটিশ সাম্ৰাজ্যবাদীইঁতৰ স্বাৰ্থ অক্ষুণ্ণ থাকিব, পূৰামাত্ৰাই। 'Assam Tribes and Races Federation' ৰ শ্বিলং অভিবৰ্তনত উত্থাপন কৰা পদ্মেশ্বৰ গগৈৰ এই প্ৰস্তাৱৰ সমৰ্থনত মঙ্গলদৈত অনুষ্ঠিত সদৌ অসম ভৈয়াম জনজাতি লীগৰ ১৯৪৫ এপ্ৰিল মাহৰ অধিৱেশনত ৰবিচন্দ্ৰ কছাৰী আৰু সেই একে বছৰৰে মে' মাহত অনুষ্ঠিত কছাৰী সন্মিলনৰ শিৱসাগৰ অধিৱেশনৰ সভাপতি সীতানাথ ব্ৰহ্মচৌধুৰীয়ে বক্তব্য ৰাখিছিল।[৯]

প্ৰবীন জনজাতীয় নেতাসকলৰ এই পৃথকত্ববাদী প্ৰৱনতাৰ বিপৰীতে 'All Assam Hills and Plains Tribal Students' Conference'সভাপতি আৰু সাধাৰণ সম্পাদক যথাক্ৰমে যোগেন্দ্ৰনাথ হাজৰিকা আৰু ছত্ৰসিং টেৰণে স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰাৰ পোষকতা কৰি অবিভক্ত ভাৰতবৰ্ষত অসমৰ স্বায়ত্ব শাসনৰ দাবী উত্থাপন কৰিছিল।[৯] হাজৰিকা আৰু টেৰণৰ এই দাবী প্ৰায় সমসাময়িকভাৱেই অম্বিকাগিৰী ৰায়চৌধুৰীয়ে উত্থাপন কৰা ভাৰতবৰ্ষৰ ভিতৰতে (পূৰ্ণ) স্বায়ত্ব শাসনৰ দাবীৰ সমপৰ্যায়ৰ আছিল।[৯]

আলোচিত সময়ছোৱাত অন্যান্য সাম্প্ৰদায়িক আৰু সংখ্যালঘু ৰাজনৈতিক সংগঠন- অনুষ্ঠানৰ ভিতৰত গুৰ্খা লীগ (Gurkha League) আৰু 'Assam Domiciled and Settlers' Association' প্ৰধান আছিল। সীতানাথ ব্ৰহ্মচৌধুৰীয়ে[৯] বঙ্গ দেশৰ পৰা কোচ বিহাৰ আৰু জলপাইগুৰি জিলা দুখন আঁতৰাই আনি অসমৰ লগত সংলগ্ন কৰাৰ দাবী তোলাৰ দৰে গুৰ্খা লীগেও " দাৰ্জিলিং জিলা খন অসমৰ সৈতে সংযুক্ত কৰাৰ পোষকতা কৰি দাবী তুলিছিল।

১৯৩৫ চনত সংগঠিত হোৱা 'Assam Domiciled and Settlers' Association'ৰ ১৯৪০ চনৰ মাৰ্চ মাহত অনুষ্ঠিত হোৱা নগাঁও অধিৱেশনত নিম্ন লিখিত

প্ৰস্তাৱটি গ্ৰহণ কৰিছিল,** " The state of Assam must be built upon a conception of common Assamese citizenship applicable equally to all nationality of the state of Assam irrespective of their difference in race, language and religion "

'Assam Domiciled and Settlers' Association' নামৰ এই সংগঠনটো বিশেষতঃ বঙালী হিন্দু আৰু পূৰ্ববঙ্গীয় পমুৱা মুছলমান লোকৰ দ্বাৰা আৰু তেওঁলোকৰ স্বাৰ্থ ৰক্ষাৰ বাবে গঠিত হৈছিল, আৰু সেই সংগঠনে লোৱা উপৰিউক্ত প্ৰস্তাৱটোৰ ক্ষেত্ৰত দেখাত আপত্তি কৰিব লগীয়া একো নাছিল যদিও প্ৰবাসী বঙালী সকলৰ অসমীয়া ভাষা-শিক্ষা-সাহিত্য-সংস্কৃতি - অৰ্থনীতি – বিশেষকৈ ব্যৱসায় আৰু চৰকাৰী চাকৰী- বাকৰি আদি প্ৰায় সকলো ক্ষেত্ৰতে আগ্ৰাসী ভূমিকাৰ বাবে অম্বিকাগিৰী ৰায়চৌধুৰীৰ নেতৃত্বাধীন অসম জাতীয় মহাসভাই তাৰ তীব্ৰ প্ৰতিবাদ কৰিছিল। বিশেষকৈ অবিৰত পমুৱাৰ সোঁতে অসমত ইতিমধ্যেই চৰম সীমা পাইছিল।

গতিকে সংগত কাৰণতেই ৰায়চৌধুৰীয়ে আৰু তেওঁৰ নেতৃত্বাধীন অসম জাতীয় মহাসভাই অসমৰ ভবিষ্যতৰ কথা ভাবিয়েই দাবী তুলিছিল "অসম অসমীয়াৰ" বুলি।** তদানীন্তন পৰিস্থিতিত এটা জাতীয়তাবাদী শক্তিয়ে নিজ গৃহভূমিত উদ্বাস্তু হৈ আনৰ দেশত পদাৰ্পণ কৰি সম্প্ৰাসাৰণৰ নীতি ললে থলুৱা জাতীয়তাবাদী শক্তিটোৱেও অভোটাই সেই একেই জাতীয়তাবাদী আদৰ্শৰে তাক প্ৰতিৰোধ কৰাৰ চেষ্টা কৰাটো কোনো অপৰাধৰ বিষয় হ'ব নোৱাৰে। তাতে আকৌ দেশে স্বাধীনতা পালে ৰাষ্ট্ৰ গঠনৰ পৰিকাঠামোৱেইবা কেনেধৰণৰ হ'ব তাৰো কোনো ইয়াত্তা নাছিল। মুছলীম লীগৰ 'পাকিস্তান'ৰ দাবী আৰু তাৰ বাস্তৱায়নৰ ভীতিটোতো লাগিয়েই আছিল। গতিকে আত্মসংৰক্ষণৰ চেষ্টা বা প্ৰৱনতা সময় সাপেক্ষে সুস্থ জাতীয়তাবাদৰ আত্মপ্ৰকাশো হ'ব নোৱাৰে বুলি ক'ব নোৱাৰি। আৰু সামগ্ৰীকভাৱে সমগ্ৰ ভাৰতবৰ্ষৰ ইতহাসৰ সেই সময়ছোৱা আছিল বুৰ্জোৱা জাতীয়তাবাদৰ যুগ।

ঊনবিংশ শতিকাত অসমীয়া ভাষাৰ বিপৰ্যয় আৰু সিয়ে সৃষ্টি কৰি থৈ যোৱা মনস্তাত্বিক ভীতি আৰু আশঙ্কা আৰু স্বাধীনতা আন্দোলনৰ অগ্ৰগতিৰ লগে লগে দ্বি-জাতি তত্বৰ দোহাই দি কৰা পাকিস্তানৰ দাবী আৰু অসমক সেই পাকিস্তানৰ অংশভূক্ত কৰিবলৈ কৰা দাবীৰ পৰিপ্ৰেক্ষিতত অসম জাতীয় মহাসভাই তুলি ধৰা "অসম অসমীয়াৰ"—এই শ্লোগানে অসমৰ বৰ্ণ হিন্দুকে ধৰি সকলো জাতি জন গোষ্ঠীকে স্বাভাবিকভাৱেই আকৰ্ষণ কৰিছিল। ফলত অসমৰ কোনো কোনো ঠাইত অসম জাতীয় মহাসভা জাতীয় কংগ্ৰেছৰ প্ৰতিসম আৰু প্ৰতিদ্বন্দ্বী ৰাজনৈতিক শক্তি ৰূপে দেখা দিছিল। আনকি ১৯৪৬ চনৰ সাধাৰণ নিৰ্বাচনৰ সময়ত কংগ্ৰেছেও অসমৰ ভাষা- সাহিত্য-সংস্কৃতিৰ ৰক্ষণাবেক্ষণ তথা অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ প্ৰতিশ্ৰুতি দি নিৰ্বাচনত নামিছিল আৰু এইদৰে কংগ্ৰেছে অসম জাতীয় মহাসভাৰ তুণৰ কাঁড়পাত আনি নিজৰ তুণত ভৰাই লৈছিল।

অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ ফালৰ পৰা প্ৰচাৰ কৰা ছয়দফীয়া নিৰ্বাচনী আবেদন বা ইস্তাহাৰত কোৱা হৈছিল,** "Unless the province of Assam be

organised on the basis of the Assamese language and Assamese culture, the survival of the Assamese nationality and culture will be impossible. The inclusion of Bengali-speaking Sylhet and Cachar (plains portion) and the immigration or importation of lacs of Bengali settlers on waste lands has been threatening to destroy the distinctiveness of Assam and has, in practice, caused many disorders in its administration For an appropriate solution and redress of this big problem, the Congress party should be installed as the Majority party in the Assembly"

গতিকে দেখা যায় অত্যন্ত কৌশলগতভাৱে আৰু ৰাজনৈতিক চাতুৰীৰে কংগ্ৰেছে অসম জাতীয় মহাসভাক নিৰস্ত্ৰ কৰি বিশেষকৈ খলুৱা তথা খিলঞ্জীয়া লোকৰ ভোটেৰে নিৰ্বাচন যুদ্ধ জিকাৰ ব্যৱস্থা কৰিছিল, আৰু কংগ্ৰেছ এই ক্ষেত্ৰত সফলো হৈছিল। তেতিয়ালৈ বৰ্তমানৰ দৰে 'ভোট বেঙ্ক'ৰ ৰাজনীতি অহা নাছিল। অসমৰ এই জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত নিৰ্বাচনৰ যোগে অসম বিধান সভাত সংখ্যা গৰিষ্ঠতা লাভ কৰিবলৈ অসম কংগ্ৰেছে বিৰলা আদি ভাৰতীয় বৃহৎ বুৰ্জোৱাৰ পৰা লাখ লাখ টকাৰ সহায় লৈছিল। প্ৰভূদয়াল হিমৎসিংকাই চৰ্দাৰ বল্লভভাই পেটেলালৈ অসমত নিৰ্বাচনৰ বাবে তিনি লাখ টকা বিচাৰি ১৯৪৫ চনৰ নৱেম্বৰ মাহত দিয়া চিঠিত লিখিছিল,[৯] " I have advanced money for the present and I shall arrange it with Sri B M Birla"

কিন্তু অসম কিয় সমগ্ৰ ভাৰতবৰ্ষৰে জাতি সমস্যা সমাধানৰ বাবে বৃহৎ তথা জাতীয় বুৰ্জোৱাৰ হাতত কোনো স্পষ্ট, বাস্তৱ ভিত্তি বিজ্ঞান সম্মত নীতি বা সমাধান সূত্ৰ নথকাত জাতি সমস্যা সমাধান আৰু তাৰেই আলমত বিভিন্ন জাতি- জন গোষ্ঠীৰ ভাষা- সাহিত্য- সংস্কৃতিৰ বিকাশৰ প্ৰশ্নটো আজিও প্ৰায় আকাশ কুসুম হৈয়েই থাকিল।

নিখিল ভাৰত ছাত্ৰ ফেডাৰেছন– জাতীয়তাবাদী আৰু কমিউনিষ্ট – এই দুই ভাগত বিভক্ত হোৱাৰ কথা আমি ইতিপূৰ্বে উল্লেখ কৰি আহিছোঁ। গতিকে বিয়াল্লিশৰ আন্দোলনৰ পৰৱৰ্তী কালত আন্দোলনৰ সময়ত সাংগঠনিক দিশত নিশকতীয়া হৈ পৰা জাতীয়তাবাদী ছাত্ৰসকলক কংগ্ৰেছৰ নিজা ৰাজনৈতিক মতাদৰ্শৰ আলমত কংগ্ৰেছ অনুগত ছাত্ৰানুষ্ঠান হিচাপে পুনৰ সংগঠিত কৰাৰ প্ৰৱণতাই দেখা দিছিল। এই সময়ছোৱাত ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত কমিউনিষ্ট পন্থী নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ প্ৰতিসম শক্তিৰূপে জাতীয়তাবাদীসকলৰ প্ৰাদেশিক ছাত্ৰ সংগঠন গঢ়ি উঠিছিল। এই দিশত কংগ্ৰেছে মুখ্য ভূমিকা লৈছিল। মাদ্ৰাজত 'Nationalist Students' Organisation', বোম্বেত 'Bombay Students' Union', আৰু বঙ্গদেশত ১৯৪৩ চনৰ ভিতৰতে 'United Students' Association' আৰু ১৯৪৪ চনৰ নৱেম্বৰ মাহত হেম বৰুৱাৰ (ত্যাগবীৰ ৰূপে আধ্যায়িতজন)পৰামৰ্শ মৰ্মে অসমতো 'সদৌ অসম ছাত্ৰ ইউনিয়ন' আদি জাতীয়তাবাদী ছাত্ৰানুষ্ঠান সংগঠিত হৈ উঠিছিল।[১০]

কিন্তু তেতিয়াও জাতীয়তাবাদীসকলৰ নেতৃত্বত ৰাষ্ট্ৰ জোৰা ছাত্ৰ সংগঠন গঢ়ি উঠা নাছিল। কেৱল ১৯৪৪ চনৰ এপ্ৰিল মাহত নাগপুৰত দেশৰ জাতীয়তাবাদী ছাত্ৰ

প্ৰতিনিধি কিছুমান মিলিত হৈ 'নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছ ' গঠনৰ সিদ্ধান্ত কৰে। বিজয় চন্দ্ৰ শৰ্মাই জনোৱা মতে [৯৭] প্ৰস্তাৱিত নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছৰ সংগঠক সকলৰ উদ্দেশ্যৰ মৰ্ম আছিল এনেধৰণৰ, "সেই অনুষ্ঠানত কোনো দলকেই দলগত মানোভাৱ লৈ সোমাবলৈ দিয়া নহয়। কোনো ৰাজনৈতিক দলৰ মুখপাত্ৰ হিচাপে নি ভা ছা কংগ্ৰেছে কাম নকৰে– একমাত্ৰ জাতীয় কংগ্ৰেছৰ নেতৃত্বত বিশ্বাসী ছাত্ৰসকলক লৈহে ছাত্ৰ কংগ্ৰেছ গঠিত হ'ব।"

ইয়াৰ পৰা এইটো স্পষ্ট হৈ পৰিছে যে মতাদৰ্শগতভাৱে কংগ্ৰেছী ছাত্ৰ তথা কংগ্ৰেছৰ প্ৰতি অনুগত ছাত্ৰসকলক লৈহে এই ছাত্ৰ সংগঠন গঢ়ি তোলাৰ পোষকতা কৰা হৈছিল। আৰু যিহেতু "জাতীয়তাবাদী নি ভা ছা ফেডাৰেছন সম্পূৰ্ণৰূপে আছিল কংগ্ৰেছ সমৰ্থক ছাত্ৰসকলৰ হাতত"[৯৮] সেয়ে এই সংগঠনৰেই এখন অধিৱেশন আহ্বান কৰি বোম্বাইত ১৯৪৪/৪৫ চনৰ ডিচেম্বৰ-জানুৱাৰী মাহত 'নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছ' নামে এক নতুন ছাত্ৰ সংগঠন আনুষ্ঠানিকভাৱে সংগঠিত কৰা হৈছিল।[৯৯]

জাতীয়তাবাদী আদৰ্শত বিশ্বাসী কংগ্ৰেছৰ অনুগত সদৌ অসম ছাত্ৰ ইউনিয়নৰ প্ৰথম অধিৱেশন অনুষ্ঠিত হৈছিল গুৱাহাটীত, ১৯৪৫ চনৰ মাজভাগত। এই অধিৱেশনত পৌৰাহিত্য কৰিছিল কংগ্ৰেছ নেতা বিজয় চন্দ্ৰ ভাগৱতীয়ে।[১০০] এই অধিৱেশনতেই দেবকান্ত বৰুৱা, পুষ্পলতা দাস, ৰবীন নবিচ আদি কংগ্ৰেছ নেতাই কমিউনিষ্ট বিৰোধী বক্তৃতা দি ছাত্ৰসকলক কংগ্ৰেছ তথা জাতীয়তাবাদী আদৰ্শত উদ্বুদ্ধ কৰিবলৈ চেষ্টা কৰিছিল।[১০১]

কংগ্ৰেছৰ অনুগত এই সদৌ অসম ছাত্ৰ ইউনিয়নৰ ৰাজনৈতিক চৰিত্ৰ অথবা আদৰ্শ কংগ্ৰেছৰ ৰাজনৈতিক মতাদৰ্শৰ পৰা তিলমানো পৃথক নাছিল। ইউনিয়নৰ গুৱাহাটীত অনুষ্ঠিত প্ৰথম অধিৱেশনৰ সময়ত প্ৰচাৰ কৰা ১ নং প্ৰচাৰ পত্ৰিকাৰ [১০২] কিয়দাংশ কথাৰ উল্লেখ কৰিলেই সেই কথা ওলাই পৰে, "কংগ্ৰেছ মহাসভাৰ জাতীয় নেতৃত্বত ছাত্ৰ ইউনিয়নৰ সম্পূৰ্ণ আস্থা আছে। এই আস্থাই কেৱল কংগ্ৰেছৰ ১৯৪২ চনৰ ৮ আগষ্টৰ ভাৰত ত্যাগ প্ৰস্তাৱৰ ওপৰতে আস্থা নুবুজায় – স্বৰূপতে ই ছাত্ৰ ইউনিয়নৰ গঠন আৰু চৰিত্ৰকো নিৰ্দ্দেশ কৰে। কিন্তু এইটো কথাও জনোৱা উচিত যে ছাত্ৰ ইউনিয়ন কংগ্ৰেছৰ দৰে এটা বেলেগ সমকক্ষ ( parallel) অনুষ্ঠান নহয়। কংগ্ৰেছৰ ঘোষিত সিদ্ধান্তৰ (declared decision) বিৰুদ্ধে ছাত্ৰ ইউনিয়ন নাযায়। সেই কাৰণে তেনেকুৱা ঘোষিত নীতিৰ বিৰুদ্ধে ছাত্ৰ ইউনিয়নৰ কোনো সভ্যই কাম কৰিব নোৱাৰিব। আৰু যদি কোনো সভ্যই তেনেকুৱা কোনো কাম কৰে, তেনেহলে নিয়ম অনুসাৰে তেনে সভ্যৰ ওপৰত শাস্তিমূলক ব্যৱস্থা ল'ব পাৰিব।

" অঃ প্ৰঃ কংগ্ৰেছৰ কাৰ্য্যনিৰ্বাহক সমিতিয়ে ছাত্ৰ ইউনিয়নৰ গঠনক সদৰি (welcome) কৰিছে আৰু আশা কৰিছে যাতে অসমৰ ছাত্ৰ সমাজে কংগ্ৰেছৰ পতকাৰ তলত একগোট হৈ জাতীয় স্বাধীনতাৰ যুদ্ধত কংগ্ৰেছক সহায় কৰে। ছাত্ৰ ইউনিয়নে জাতীয় স্বাধীনতাৰ সংগ্ৰামৰ সময়ত কংগ্ৰেছৰ নেতৃত্বকেই মানি চলিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছে। সেই কাৰণে ছাত্ৰ ইউনিয়নেও আশা কৰে যাতে, জিলা আৰু প্ৰাথমিক কংগ্ৰেছ অনুষ্ঠান বিলাকে ছাত্ৰ ইউনিয়নৰ বিৰোধী কোনো দলক সহায় নকৰি ছাত্ৰ ইউনিয়নকেই অধিকতৰ শক্তিশালী কৰাৰ চেষ্টা কৰে।"

আকৌ সেই প্ৰচাৰ পত্ৰিকাৰ জৰিয়তেই ছাত্ৰ ইউনিয়নক কোনো দলীয় ৰাজনৈতিক সংগঠনৰ “নেজ ” নহয় বুলিও ঘোষণা কৰা হৈছিল। এই স্ববিৰোধ আৰু অহেতুক দল নিৰপেক্ষতাৰ কাহিনী হাস্যস্পদ আছিল। উক্ত প্ৰচাৰ পত্ৰিকাত কোৱা হৈছিল,[১০৩] “ ছাত্ৰ ইউনিয়ন কোনো ৰাজনৈতিক দলৰ নেজ হোৱা ছাত্ৰ ইউনিয়নে বাঞ্ছা নকৰে। ছাত্ৰ ইউনিয়ন কোনো ৰাজনৈতিক দলৰ নেজ নহয়, ই এটা সম্পূৰ্ণ স্বাধীন অনুষ্ঠান। কোনো ব্যক্তি বিশেষ বা কোনো দল বিশেষৰ কোনো প্ৰভাৱ ছাত্ৰ ইউনিয়নে সহ্য নকৰে। তেনে কোনো চেষ্টা চলিলে তাত বাধা দিব।”

জৱহৰলাল নেহেৰুৱে তেওঁৰ অসম ভ্ৰমণ কালত (ডিচেম্বৰ,১৯৪৫) শ্বিলঙত সদৌ অসম ছাত্ৰ ইউনিয়নৰ কৰ্মকৰ্তাসকলৰ লগত প্ৰায় বিশ মিনিট সময় ৰাজনৈতিক কাম-কাজ সম্পৰ্কে আলোচনা কৰিছিল। সেই আলোচনা কালত তেওঁ ছাত্ৰ ইউনিয়নৰ কৰ্মকৰ্তাসকলক ৰাজনীতি কৰিবলৈ আৰু দুয়োটা কমিউনিষ্ট দলৰে— ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি আৰু ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ— সৈতে কোনো ধৰণৰ সম্পৰ্ক নাৰাখিবলৈ পৰামৰ্শ দিছিল।[১০৪] পিছৰ বছৰৰ জানুৱাৰী মাহত তেওঁৰ অসম ভ্ৰমণ কালত গান্ধীজীয়েও এই ছাত্ৰ সংগঠনক আশীৰ্বাদ দি ধন্য কৰিছিল।[১০৫]

ছাত্ৰ সংগঠনৰ ইতিহাসলৈ লক্ষ্য কৰিলে দেখা যায় যে এই সময়ত (১৯৪৫) অসমত সংগঠিত ছাত্ৰ সংগঠন আছিল পাঁচটা। সুৰেন্দ্ৰ নাথ শৰ্মা, উপেন্দ্ৰ নাথ শৰ্মা, ফনী বৰা, টি আলিবা ইমটী আও আৰু ছত্ৰসিং টেৰণে যথাক্ৰমে কংগ্ৰেছ নেতৃত্বাধীন সদৌ অসম ছাত্ৰ ইউনিয়ন, ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেছন, ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ অসম ছাত্ৰ ফেডাৰেছন (অসম ছাত্ৰ সন্মিলন), অসম পাৰ্বত্য ছাত্ৰ ফেডাৰেছন (Assam Hills Students' Federation) আৰু সদৌ অসম পাৰ্বত্য আৰু ভৈয়াম ছাত্ৰ সন্মিলন (All Assam Hills and Plains Students' Sanmilan)ৰ সম্পাদকৰ দায়িত্ব বহন কৰিছিল।[১০৬] অৱশ্যে কলিকতাৰ কলেজত অধ্যয়ন কৰি থকা ছাত্ৰ জি জি ছোৱেলেও কলিকতাতে ১৯৪৫ চনতে Assam Hills Studens' Association নামে এক ছাত্ৰ সংগঠন গঢ়ি তুলিছিল।[১০৭] প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে ছোৱেলে ইতিপূৰ্বে ১৯৪৩-৪৪ চনত বঙ্গীয় প্ৰাদেশিক ছাত্ৰ ফেডাৰেছনৰ কাৰ্যকৰী সমিতিৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।[১০৮]

এই সময়ত, ১৯৩৯ চনতে গঠিত, অসম প্ৰাদেশিক মুছলীম ছাত্ৰ ফেডাৰেছনৰ অস্তিত্ব সাংগঠনিক দিশ তথা প্ৰভাৱ সম্পৰ্কে সবিশেষ জনা নাযায়।

ঠাকুৰপন্থী অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেছনে সৰ্বভাৰতীয় ক্ষেত্ৰত ১৯৪০ চনত জাতীয়তাবাদীসকলৰ নেতৃত্বাধীন নিখিল ভাৰত ছাত্ৰ ফেডাৰেছনৰ নেতৃত্ব মানি লৈছিল। সেয়ে ১৯৪৫ চনতো পুনৰ গঠিত জাতীয়তাবাদী ছাত্ৰ সংগঠন নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছতো অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেছনৰ অন্তৰ্ভুক্তি স্বীকৃত হৈ ৰৈছিল।[১০৯] কিন্তু অসমত কংগ্ৰেছৰ নেতৃত্বাধীন ছাত্ৰ সংগঠন সদৌ অসম ছাত্ৰ ইউনিয়ন সংগঠিত হোৱাৰ পাছৰ পৰাই অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেছনৰ বিপৰীতে প্ৰাগোক্ত ছাত্ৰ সংগঠনক নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছৰ অন্তৰ্ভুক্তি দিয়াৰ চেষ্টা আৰম্ভ কৰা হৈছিল। ফলত ৰাজনৈতিক মতাদৰ্শগত পাৰ্থক্য তথা তীব্ৰ বিৰোধৰ অচিলা লৈ অসম প্ৰদেশ কংগ্ৰেছৰ

কাৰ্যনিৰ্বাহক সমিতিয়ে ১৯৪৫ চনৰ ৯ অক্টোবৰ তাৰিখে এক প্ৰস্তাৱ যোগে সদৌ অসম ছাত্ৰ ইউনিয়নক "কংগ্ৰেছৰ নেতৃত্ব আৰু কাৰ্যপন্থা মানি লোৱা"[১১০] ছাত্ৰানুষ্ঠান ৰূপে স্বীকৃতি দিয়াত ১৯৪৬ চনৰ ২৭ মাৰ্চত নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছৰ কাৰ্যনিৰ্বাহক সমিতিয়ে অসম প্ৰাদেশিক ছাত্ৰ ফেডাৰেছনৰ অন্তৰ্ভুক্তি বাতিল কৰে আৰু তাৰ ঠাইত প্ৰথমোক্ত ছাত্ৰ সংগঠনক অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত লয়।[১১১]

নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছৰ স্বীকৃতি পোৱাৰ পাছত সদৌ অসম ছাত্ৰ ইউনিয়নৰ দ্বিতীয় বাৰ্ষিক অধিবেশন অনুষ্ঠিত হয় ডিব্ৰুগড়ত, ১৯৪৬ চনৰ ১-২ জুন তাৰিখে। এই অধিবেশনতেই এক প্ৰস্তাৱ যোগে সদৌ অসম ছাত্ৰ ইউনিয়নৰ নাম সলাই অসম প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছ কৰা হয়।[১১২] হেমকান্ত বৰুৱাই (পিছত তেওঁ হেম বৰুৱা ৰূপে পৰিচিত হৈছিল আৰু লোকসভাৰো সদস্য হৈছিল) পৌৰাহিত্য কৰা এই অধিবেশনতেই নিৰ্দিষ্ট বক্তাৰূপে ভাষণ দি যোগীৰাজ বসুয়ে কৈছিল,[১১৩] "সদৌ অসম ছাত্ৰ ইউনিয়নে জাতীয় আন্দোলনৰ সময়ত কংগ্ৰেছক মানিবলৈ কৰা সিদ্ধান্তৰ কাৰণে মই সুখী হৈছোঁ। মই বিশ্বাস কৰোঁ, সদৌ অসম ছাত্ৰ ইউনিয়নে অসমৰ ছাত্ৰসকলক প্ৰকৃত পথত পৰিচালিত কৰিব পাৰিব।"

অধিবেশনৰ কৃষ্টি সভাত পৌৰাহিত্য কৰিছিল জ্যোতিপ্ৰসাদ আগৰৱালাই। আজিৰ প্ৰায় ৫৪/৫৫ বছৰ পূৰ্বে এই কৃষ্টি সভাৰ সভাপতিৰ আসনৰ পৰা দিয়া জ্যোতিপ্ৰসাদৰ অভিভাষণৰ প্ৰাসঙ্গিকতা আৰু যথাৰ্থতা সাম্প্ৰতিক কালৰ (বিশেষকৈ বিংশ শতিকাৰ শেষৰ সিকি শতিকাৰ পৰা চলি অহা) অসমৰ আৰ্থ-সামাজিক - ৰাজনৈতিক পৰিৱেশ- পৰিস্থিতিত পুৰামাত্ৰাই আছে বুলি আমাৰ বিশ্বাস।

"হেথায় আৰ্য, হেথা অনাৰ্য
হেথায় দ্ৰাবীড় চীন
শক হুন দল পাঠান মোগল
এক দেহে হল লীন

এই ভাৰতেৰ মহামানবেৰ সাগৰ তীৰে" —বুলি ৰবীন্দ্ৰনাথে ভাৰতীয় মহাজাতিৰ মহা মিলনৰ মহা সুঁতিৰ সম্ভেদ দিয়াৰ দৰে জ্যোতিপ্ৰসাদেও অসমীয়া জাতি গঠনৰ ঐতিহাসিক প্ৰক্ৰিয়াৰ যথাৰ্থ ইঙ্গিত দিছিল এই অভিভাষণৰ যোগেদিয়েই। তেওঁ কৈছিল,[১১৪] "আজি আমাৰ প্ৰদেশ বাগিছাৰ বনুৱা, মৈমনছিঙীয়া, নেপালী, মাৰোৱাৰী, আৰু আন আন প্ৰদেশৰ মানুহ আহি ইয়াত বসতি কৰি সিহঁতৰ নিজৰ নিজৰ প্ৰাদেশিক বিশিষ্টতাকে ৰাখি যাব লাগিছে। এতিয়া এই জন সংখ্যাৰ মানুহৰ সৰহ ভাগকেই যদি আমি ইয়াৰ ভাষা, কৃষ্টি আৰু সভ্যতা দি আমাৰ ভিতৰত সুমুৱাব নোৱাৰো তেন্তে আমাৰ বিপদ আছে।" এই বিপদৰ পৰা পৰিত্ৰাণৰ উপায়ো ভবিষ্যতদ্ৰষ্টা জ্যোতিপ্ৰসাদে দি গৈছে।

অসমীয়া জাতিটো যে বিভিন্ন জাতি জনজাতি তথা মানৱ গোষ্ঠীৰ সংমিশ্ৰণত হোৱা জাতি আৰু এক ক্ৰমবিকাশমান জাতি সেইটো তেওঁ লক্ষ্মীনাথ বেজবৰুৱাৰ এটা উক্তিৰ আলোকত তেওঁৰ যুক্তিৰ যথাৰ্থতা প্ৰমাণ কৰিছে,[১১৫] "অসমৰ বুৰঞ্জীয়ে দেখুৱাইছে যে অসমীয়া জাতিটো ভাৰতৰ আন আন প্ৰদেশৰ পৰা অহা নানা ভাৰতবাসী মানুহৰ

সোঁত আৰু অসমৰ থলুৱা মানুহৰ নানা উপজাতি লগ লাগিছে বৰ্তমানৰ এই অসমীয়া জাতি হৈছে। অসমীয়া জাতি এটা সংমিশ্ৰণৰ পৰা হোৱা জাতি। সেই কাৰণেই আমি চেষ্টা কৰি সেই সংমিশ্ৰিত অসমীয়া জাতিটোৰ কলেৱৰ বঢ়াব পাৰো। ই যুক্তিসিদ্ধ। সেই কাৰণে নিঃসন্দেহে আমি কামত লাগিব পাৰো। এইদৰে অসমীয়া জাতি গঢ়ি উঠাৰ বিষয়ে অসম সাহিত্য সভাৰ সপ্তম অধিৱেশনত সাহিত্যৰথী বেজবৰুৱাই কৈছে ; "আৰু এইদৰেই পিছৰ কালতোঁৱৰতো, আনকি আজিলৈকে অসমীয়া জাতিৰ বৰজালখন গোঁথা হৈ আহিব লাগিছে। কনৌজীয়া, হিন্দুস্থানী, পাঞ্জাবী, বঙালী, উৰিয়া, নেপালী, গুজৰাটী, আদিৰ পাহ পৰি অসমীয়া জাতিৰ কলেৱৰ বৃদ্ধি হোৱাটো কোনে নাজানে? কত বিজয়ী আহোম বংশৰ মানুহ, কত চিংফৌ, মৰাণ, নগা, মিকিৰ,মিৰি, দফলা, গাৰো, লাহে লাহে হিন্দু ধৰ্ম আৰু হিন্দুৰ প্ৰভাৱৰ ভিতৰলৈ আহি কোচ কেওট আদি জাতিৰ ভিতৰত সোমাই নাইকীয়া হৈ একেবাৰেই অসমীয়া হিন্দু হৈ অসমীয়া জাতি পৰিপুষ্ট বলিষ্ঠ কৰিছে, তাৰ সীমা সংখ্যা নাই। এইদৰে মুছলমানৰ অসম আক্ৰমণৰ কালৰ পৰা বহুতো বিদেশী মুছলমান আহি অসমত বাস কৰি অসমীয়া জাতিৰ সংখ্যা আৰু বল বৃদ্ধি কৰিব লাগিছে।"

"এই সকলোকে অসমীয়া কৰিবলৈ আৰু তেওঁলোকক আমাৰ কৃষ্টিৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত কৰিবলৈ হলে উপায় হৈছে সামাজিক সম্বন্ধ স্থাপন, ললিত কলা, শিল্প, সাহিত্য, স্থাপত্য আৰু সঙ্গীতৰ পোহৰেৰে তেওঁলোকক আমাৰ ভাষা কৃষ্টিলৈ আকৰ্ষণ কৰি অনাটো। এই অভ্যাগতসকলৰ মাজত আমাৰ কৃষ্টি প্ৰচাৰৰ বাহিৰে আন কাৰ্যকৰী উপায় নাই।"

তদানীন্তন অসমৰ তমসাচ্ছন্ন সাম্প্ৰদায়িক ৰাজনীতি, সাম্ৰাজ্যবাদী ভেদবাদ আৰু স্বাধীনতা আন্দোলনৰ এই যুগসন্ধিত কালৰ হৈয়ো কালজয়ী হোৱা ভবিষ্যতদ্ৰষ্টা জ্যোতিপ্ৰসাদৰ বাবেহে কেৱল ছাত্ৰসকলক তেনে এক প্ৰণালীবদ্ধ আৰু ইতিহাস সম্মত জাতি গঠনৰ উপায় দি যোৱাটো সম্ভৱপৰ হৈছিল।

দ্বিতীয় বিশ্ব যুদ্ধ আৰু বিয়াল্লিশৰ আন্দোলনৰ পৰা স্বাধীনতা প্ৰাপ্তিলৈ এই সময়ছোৱাত অসম ছাত্ৰ ফেডাৰেচনৰ ৰাজনৈতিক মতাদৰ্শগত প্ৰভাৱ আৰু সাংগঠনিক পৰিসৰ অন্যান্য ছাত্ৰ সংগঠনতকৈ তুলনামূলকভাৱে যথেষ্ট বৃদ্ধি পাইছিল। ১৯৪৫ চনৰ জুন মাহত নগাঁৱত অনুষ্ঠিত অসম ছাত্ৰ ফেডাৰেচনৰ সন্মিলনখনেই তাৰ অন্যতম সাক্ষী। এই সন্মিলন সৰ্বতোপ্ৰকাৰে সাফল্যমণ্ডিত কৰি তোলাত অভ্যৰ্থনা সমিতিক আকুণ্ঠ সহায় সমৰ্থন যোগাইছিল নগাঁৱৰ অন্যতম্ শীৰ্ষস্থানীয় কংগ্ৰেছী নেতা হলধৰ ভূঞাই।"[১৬] এই সন্মিলনত প্ৰায় ছয় শতাধিক প্ৰতিনিধি উপস্থিত আছিল আৰু ভ্ৰাতৃত্বমূলক ছাত্ৰ সংগঠন— পাৰ্বত্য ছাত্ৰ ফেডাৰেচনৰ (Hills Students' Federation)— সাধাৰণ সম্পাদক টি আলিবা ইমটি আওৱে ভাষণ দিছিল আৰু পৌৰাহিত্য কৰিছিল শ্ৰীমান প্ৰফুল্ল গোস্বামীয়ে। অসম ছাত্ৰ ফেডাৰেচনৰ এই সন্মিলনতেই চাৰু গোস্বামী আৰু ফনী বৰাক যথাক্ৰমে সংগঠনৰ সভাপতি আৰু সাধাৰণ সম্পাদক নিৰ্বাচিত কৰা হৈছিল।"[১৭]

চাৰু গোস্বামী, ফনী বৰা, ধীৰেশ্বৰ কলিতা, লোহিত লহকৰ, সুচেন ভূঞা,-কেশৱ মহন্ত, চিদানন্দ শইকীয়া, গোৱাল বৰুৱা, চন্দ্ৰ ভূঞা, বৰুণ ৰয়, দেবব্ৰত দত্ত, মায়া দত্ত,

হেনা দত্ত, অঞ্জলী দাস, প্ৰফুল্ল মিশ্ৰ, অৰুণ ৰয়, লীনা ৰয়, মধু সুধন ভট্টাচাৰ্য, আৰতি দাস আদিয়ে অসম ছাত্ৰ ফেডাৰেছনক নৌ- বিদ্ৰোহ, আজাদ হিন্দ্ ফৌজৰ যুদ্ধ বন্দীৰ বিনা বিচাৰে মুক্তিৰ দাবী, ডাক-তাঁৰ শ্ৰমিকৰ ধৰ্মঘট, ৰেল শ্ৰমিকৰ ধৰ্মঘট আদিৰ সমৰ্থনত ব্যাপক জনসভা শোভাযাত্ৰাৰে ছাত্ৰ- যুৱক আৰু জনসাধাৰণৰ মাজত জঙ্গী সাম্ৰাজ্যবাদ বিৰোধী কাম- কাজ অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হৈছিল।

অসম ছাত্ৰ ফেডাৰেছনৰ এই ধৰণৰ কাম- কাজৰ মাজেৰেই ভালেমান ছাত্ৰকৰ্মী সচেতন ভাৱে ওলাই আহিছিল, তাৰ ভিতৰত প্ৰমোদ গগৈ, গিৰিধৰ ঠেঙাল, বেণী মাধৱ মহন্ত, অৱনী বৰঠাকুৰ, কেহোঁৰাম হাজৰিকা, দুলাল খাউণ্ড, দেব প্ৰসাদ বৰুৱা আদি উল্লেখযোগ্য।[১১৮]

অসম বঙ্গ জোঁট-শালীয়া ব্যৱস্থা (Grouping Plan) সমন্বিতে বৃটিশ মন্ত্ৰীদূতৰ আঁচনিৰ বিৰোধীতা কৰি অসম ছাত্ৰ ফেডাৰেছনে তাৰ সাম্ৰাজ্যবাদ বিৰোধী চৰিত্ৰ অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছিল।

দ্বিতীয় বিশ্ব মহাৰণৰ সামৰণিৰ লগে লগেই (১৯৪৫) ইংল্যাণ্ডত অনুষ্ঠিত সাধাৰণ নিৰ্বাচনত ৰক্ষণশীল দলৰ পতন হয় আৰু চি আৰ. এটলীৰ নেতৃত্বত বনুৱা দল ক্ষমতাসীন হয়। যুদ্ধোত্তৰ কালৰ পুঁজিবাদী- সাম্ৰাজ্যবাদী ইংল্যাণ্ডৰ ৰাজনীতিত এই ঘটনাই এটি বৃহৎ পৰিবৰ্তনকেই সূচীত কৰে। আন্তৰাষ্ট্ৰীয় ৰাজনীতিতো দ্ৰুত পঁৰিবৰ্তনে দেখা দিছিল। জাৰ্মান- জাপান- ইটালীৰ সাম্ৰাজ্যবাদী- ফেচীবাদী জোঁটৰ পতনৰ পিছত কেৱল অৱশিষ্ট ৰৈছিল ইংগ-মাৰ্কিন সাম্ৰাজ্যবাদ। এই অৱশিষ্ট সাম্ৰাজ্যবাদী শক্তি দুটাইও ছোভিয়েটৰ মুখাপেক্ষী হবলৈ বাধ্য হৈছিল, "Anglo-American imperialism remained, but had to share world leadership with the Socialist Soviet Union in an uneasy partnership of the three world powers The Soviet Union despite the grim losses of the war whose main burden had fallen on the Red Army and the Soviet people, emerged from the war enormously strengthened in its world position and influence "[১১৯]

আৰু সাম্ৰাজ্যবাদীইতৰ পদানত উপনিবেশ বিলাকত মুক্তি আন্দোলনৰ দামামা বাজি উঠিছিল। ৰজনী পাম দত্তৰ মতে,[১২০] " All the colonial peoples were in movement, demanding their freedom for what their liberation movement had fought In this new world situation there could be no question of maintaining unchanged the old autocratic and bureaucratic regime in India, the greatest colonial territory of all and with the most powerfully developed national movement "

গতিকে এনে এটা পৰিস্থিতিত ভাৰতবৰ্ষৰ ক্ষেত্ৰত বৃটিশ প্ৰধানমন্ত্ৰী এটলীৰ উপলব্ধি আৰু সেই উপলব্ধি নিসৃত সিদ্ধান্ত আছিল [১২১] –"***Britain must quit***"– অৰ্থাৎ পদানত দেশ সমূহৰ স্বাধীনতাৰ স্পৃহা আৰু আন্দোলনক উপেক্ষা কৰাটো ইংলেণ্ডৰ বাবে অসম্ভৱ হৈ উঠিছিল।

বিশ্ব মহাৰণত ফেচীবাদী- সাম্ৰাজ্যবাদী শক্তিৰ পতনে ভাৰতবৰ্ষতো বিপুল আনন্দ

আৰু আশাৰ সঞ্চাৰ কৰিছিল। কিন্তু সুভাষ চন্দ্ৰ বসুৰ জাতীয় সেনা বাহিনী (INA) ৰ যুদ্ধ বন্দী কেইজনমানক বৃটিশ চৰকাৰে দিল্লীত বিচাৰ কৰিবলৈ লোৱাত জনসাধাৰণৰ মাজত ভীষণ উত্তেজনা আৰু ক্ষোভৰ সৃষ্টি হয় আৰু এই বিলাকৰ ফলতেই সমগ্ৰ দেশতে শ্ৰমিক- কৃষক, ছাত্ৰ- যুৱক আৰু চৰকাৰী কৰ্মচাৰী সকলৰ ঐক্যবদ্ধ প্ৰচেষ্টাত সাম্ৰাজ্যবাদ বিৰোধী বিক্ষোভ, শোভাযাত্ৰা, সভা- সমিতি আদি অনুষ্ঠিত হবলৈ ধৰে। হিন্দু- মুছলমান- শিখ আদি বিভিন্ন সম্প্ৰদায়ৰ লোকে অংশ গ্ৰহণ কৰা এই সাম্ৰাজ্যবাদ বিৰোধী আন্দোলনত সকলোৱে একত্ৰিতভাৱে কংগ্ৰেছ, মুছলীম লীগ আৰু কমিউনিষ্ট পাৰ্টিৰ পতকা হাতে হাতে লৈ ফুৰিছিল। [122]

অসমতো ছাত্ৰসকলে এই যুদ্ধ বন্দীসকলৰ মুক্তিৰ দাবীত আন্দোলন- শোভাযাত্ৰা আদি সংগঠিত কৰিছিল। ১৯৪৫ চনৰ ৬ নবেম্বৰ তাৰিখে সদৌ অসম ছাত্ৰ ইউনিয়নে জাতীয় সেনা বাহিনীৰ যুদ্ধ বন্দীসকলৰ ওপৰত কৰা অত্যাচাৰৰ প্ৰতিবাদ জনাই অনতিপলমে তেওঁলোকৰ মুক্তিৰ দাবী কৰিছিল।[123] নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনৰ অন্তৰ্গত অসম ছাত্ৰ ফেডাৰেছনে (অসম ছাত্ৰ সম্মিলনে) ও জাতীয় সেনা বাহিনীৰ সদস্যসকলৰ মুক্তিৰ দাবীত আন্দোলন, শোভাযাত্ৰা, জন সভা আদি অনুষ্ঠিত কৰিছিল।[124] ইউনিয়নৰ ফালৰ পৰা ডিব্ৰুগড় আদিত INA দিবস পালন কৰি যুদ্ধ বন্দীসকলৰ সাহাৰ্যৰ বাবে পুঁজি সংগ্ৰহ কৰা হৈছিল। ছাত্ৰ ইউনিয়নে ১৫ ডিচেম্বৰৰ দিনটো ব্ৰহ্মপুত্ৰ উপত্যকাত নিৰ্যাতন বিৰোধী দিবস হিচাপে পালন কৰিছিল।[125]

১৯৪৬ চনৰ জানুৱাৰী মাহত টেঙ্গাখাটৰ এটা ৰাস্তা "আজাদ হিন্দ আলি" নামেৰে নামাকৰণ কৰা হৈছিল আৰু ২৩ জানুৱাৰীত ছাত্ৰসকলৰ দ্বাৰা সমস্ত দেশতে সুভাষ চন্দ্ৰ বসুৰ ৫০ বছৰীয়া জন্ম বাৰ্ষিকী যথেষ্ট উলহ-মালহেৰে উদ্‌যাপন কৰা হৈছিল।[126] সেই মাহতে INA ৰ জেনেৰেল শ্বাহ নাৱাজ, ধিলন আৰু চেইগলক মুক্তি দিয়া কাৰ্যক সকলো ঠাইতে আনন্দেৰে গ্ৰহণ কৰা হৈছিল আৰু আনকি ধুবুৰীত বাসভৱন আৰু দোকান- পোহাৰত বন্তি প্ৰজ্বালন কৰা হৈছিল।[127] আজাদ হিন্দ ফৌজৰ সদ্য মুক্ত যুদ্ধ বন্দী উমেশ চন্দ্ৰ চৌধুৰীক বজালীত আৰু ৰামদাস তিৱাৰী আৰু উদায়ং সিঙক গুৱাহাটীত ৰাজকীয় ভাৱে সম্বৰ্দ্ধনা জনোৱা হৈছিল।[128] এই সময়ছোৱাত আজাদ হিন্দ ফৌজৰ যুদ্ধ বন্দীসকলৰ প্ৰতি সাধাৰণ ছাত্ৰসকল ইমানকৈ আকৰ্ষিত হৈছিল যে অসমত তেতিয়া Forward Bloc ৰ এটা স্বেচ্ছাসেৱক বাহিনীও গঢ়ি উঠিছিল।[129]

জাতীয় সেনাবাহিনীৰ যুদ্ধ বন্দীসকলক কেন্দ্ৰ কৰি সংঘটিত হোৱা সাম্ৰাজ্যবাদ বিৰোধী ব্যাপক গণ বিক্ষোভৰ ঢৌ নৌ-সাৰ যাওতেই ১৯৪৬ চনৰ ফেব্ৰুৱাৰী মাহত বোম্বে, মাদ্ৰাজ, কৰাচীত নৌ-বাহিনীৰ (Royal Indian Navy) মাজত বিদ্ৰোহে দেখা দিয়ে। টালৱাৰ প্ৰশিক্ষণ স্কুলত ১৮ ফেব্ৰুৱাৰীত আৰম্ভ হোৱা এই বিদ্ৰোহ ১৯ তাৰিখেই ব্যাপক নৌ-বিদ্ৰোহলৈ উন্নীত হয়। এই নৌ-বিদ্ৰোহ সম্পৰ্কে ৰজনী পাম দত্তই লিখিছে,[130]
" The rising of the Indian Navy in February 1946 laid bare in a flash all the maturing forces of the Indian Revolution. The memories of the Potemkin in Russia in 1905, of Kronstadt in Russia in 1917 or Kid in Germany in 1918 have all deeply impressed the significance of the Navy in the vanguard of great revolutions The Naval rising

in February, 1946, the mass movement of support within India and the heroic stand of the Bombay working people constituted the signal of the new era opening in India and one of the gtreat land-marks of Indian history."

বিদ্ৰোহীসকলে নৌ-বন্দৰবপৰা বৃটিশ সাম্ৰাজ্যবাদৰ প্ৰতীক 'ইউনিয়ন জ্যাক' আজুৰি পেলাই দি অৰ ঠাইত কংগ্ৰেছ আৰু মুছলীম লীগৰ পতকা উত্তোলন কৰিছিল। নৌ-বিদ্ৰোহীসকলৰ দ্বাৰা অনুষ্ঠিত বিক্ষোভসমূহৰ এক প্ৰধান বৈশিষ্ট্য আছিল এই যে তেওঁলোকে কংগ্ৰেছ, কমিউনিষ্ট আৰু মুছলীম লীগৰ পতকাৰ তলত সমবেত হোৱাৰ উপৰিও 'Jai Hind', 'Inquilab Zindabad', 'Hindus and Muslims Unite', 'Down with British Imperialism', 'Accept our Demands', 'Release the INA and Political Prisoners', 'Withdraw Indian Army from Indonesia', —আদি শ্লোগানেৰে লিখা প্লে-কাৰ্ড প্ৰদৰ্শন কৰিছিল।[১৩১] বিদ্ৰোহীসকলে নগৰবাসীসকলৰ পৰাও যথেষ্ট সহায়- সহানুভূতি লাভ কৰিছিল আৰু ই অচিৰেই এক ব্যাপক ৰাজনৈতিক উত্থানলৈ উন্নীত হৈছিল।[১৩২]

বিদ্ৰোহীসকলে আৰম্ভণীৰেপৰাই কংগ্ৰেছ আৰু মুছলীম লীগ নেতৃত্বৰ লগত যোগাযোগ ৰাখি আহিছিল। ইপিনে আন্দোলন পৰিচালনা কৰাৰ বাবে বিদ্ৰোহীসকলে 'Central Naval Strike Committee' গঠন কৰিছিল। বিদ্ৰোহ দমন কৰিবলৈ ভাৰতীয় সেনাই বিদ্ৰোহীসকলৰ ওপৰত গুলী চলাবলৈ নোখোজাত চৰকাৰে বৃটিশ সেনা আনিবলৈ বাধ্য হৈছিল। " Overwhelming forces at the disposal of the Government will be used to the utmost even if it means the destruction of the Navy"- এডমিৰেল গড্ফ্ৰেৰ এই ঘোষণাৰ পৰিপ্ৰেক্ষিতত 'Central Naval Strike Committee'য়েও বিদ্ৰোহীসকলৰ প্ৰতি সমৰ্থন জনাবলৈ জনসাধাৰণৰ প্ৰতি শান্তিপূৰ্ণ হৰতাল আৰু বিক্ষোভ প্ৰদৰ্শনৰ বাবে আবেদন জনাইছিল।[১৩৩] 'Strike Committee'ৰ এই আবেদনৰ প্ৰতি সঁহাৰি দি বোম্বেৰ শ্ৰমিক সংগঠনসমূহে কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত ২২ ফেব্ৰুৱাৰীত ব্যাপক বিক্ষোভত মিলিত হৈছিল। এই বিদ্ৰোহ দমন কৰিবলৈ যাওঁতে চৰকাৰে ২১-২৩ ফেব্ৰুৱাৰীৰ ভিতৰত ২৫০ জন ব্যক্তিক আৰু ১ জন নৌ-বাহিনীৰ লোকক গুলিয়াই হত্যা কৰিছিল।[১৩৪]

বিদ্ৰোহীসকলৰ প্ৰতি সমৰ্থন দিয়াৰ বিপৰীতে কংগ্ৰেছ আৰু মুছলীম লীগৰ নেতৃবৃন্দই সাম্ৰাজ্যবাদী বৃটিশৰ লগতহে সহযোগ কৰিছিল। এই ৰাজনৈতিক নেতাসকলে বিদ্ৰোহীসকলক আত্মসমৰ্পণৰ বাবে নিৰ্দেশ দিছিল। অৱশেষত স্বাধীনতা আন্দোলনৰ নেতৃত্ব লোৱা কংগ্ৰেছৰ দৰে ৰাজনৈতিক সংগঠনবপৰা সহায় সঁহাৰি নাপাই 'Strike Committee'ৰ সভাপতিয়ে " We surrender to India and not to Britain"- বুলি ঘোষণা দি বিদ্ৰোহৰ সামৰণি পেলাইছিল।[১৩৫]

গণ বিক্ষোভৰ প্ৰতি কংগ্ৰেছ আৰু মুছলীম লীগৰ নেতৃবৃন্দৰ এই দৃষ্টিভংগীৰ বিষয়ে ৰজনী পাম দত্তই কৈছে,[১৩৬] " The upper class leadership of the Congress and Muslim League found themselves in opposition to the mass movement and aligned with British imperialism as the

representative of law and order against the people." সি বি কি শহুত্তক, এই নৌ-বিদ্ৰোহে ভাৰতবৰ্ষত বৃটিশ সাম্ৰাজ্যবাদৰ ক্ষমতাৰ মূল উৎসটোকে অথালি-পথালিকৈ জোকাৰি পেলাইছিল। নৌ-বিদ্ৰোহ সংঘটিত হোৱাৰ পৰিপ্ৰেক্ষিতত দেখা দিয়া গণ বিক্ষোভ আৰু শ্ৰমিকৰ মাজত গঢ়ি উঠা সংগ্ৰামী ঐক্যই দেশীয় বুৰ্জোৱাক সচকিত - শংকিত কৰি তোলাৰ লগতে ভাৰতবৰ্ষত বৃটিশ শাসন শোষণৰ অন্তিম দশাও চমু চপাই আনিছিল।

১৯৪৬ চনৰ ১৮ ফেব্ৰুৱাৰীত বোম্বেত নৌ- বিদ্ৰোহ আৰম্ভ হোৱাৰ পিচ দিনাই বৃটিশ প্ৰধানমন্ত্ৰী চি. আৰ এটলীয়ে ভাৰতবৰ্ষৰ ৰাজনৈতিক সমস্যা সমাধান কৰিব ভাৰতবৰ্ষলৈ মন্ত্ৰীদূত পঠিওৱাৰ সিদ্ধান্তৰ কথা ঘোষণা কৰিছিল। ভাৰত- পৰিক্ৰমাৰ মন্ত্ৰী পেথিক লৰেন্সৰ নেতৃত্বত পঠিয়াবলৈ সিদ্ধান্ত কৰা এই মন্ত্ৰীদূতৰ দলটোত আন দুজন সদস্য আছিল ষ্টাফ'ৰ্ড ক্ৰীপ্‌ছ আৰু নৌ- অধীক্ষক এ. ভি আলেকজেণ্ডাৰ। ২৩ মাৰ্চত আহি এই মন্ত্ৰীদূতে ভাৰতবৰ্ষত (কৰাচীত) পদাৰ্পণ কৰে। মন্ত্ৰীদূতৰ ভাৰত আগমনৰ আগ মুহূৰ্তত ১৫ মাৰ্চত বৃটিশ প্ৰধানমন্ত্ৰী এটলীয়ে এই বুলি ঘোষণা কৰিছিল [১৩] যে " It is no good applying the formula of the past to the present position. The temperature of 1946 is not the temperature of 1920, 1930 or even 1942...

"Nothing increases the pace and movement of public opinion more than a great war Everyone who had anything to do with this question in the early days between the wars knows what effect the war of 1914-18 had on Indian aspirations and ideas. The idea that runs comparatively slowly in peace, becomes vastly accelerated in wartime, and especially directly afterwards, because that tide is to some extent banked up during war. I am quite certain that at the present time the tide of nationalism is running very fast in India and indeed all over Asia..

"India herself must choose as to what will be her future situation and her position in the world Unity may come through the United Nations or through the Commonwealth, but no great nation can stand alone by herself without sharing what is happening in the world.

"I hope that India may elect to remain within the British Commonwealth.. It is a free association of free peoples.

"If on the other hand she elects for independence- and in our view she has a right to do so- it will be for us to help make the transition as smooth and as easy as possible "

বহু অপেক্ষিত ভাৰতবৰ্ষৰ ৰাজনৈতিক সমস্যা সমাধানৰ ক্ষেত্ৰত মন্ত্ৰীদূতে অৱিবলম্বীয়া কাৰ্যাৱলী আছিল নিম্নৰূপ;[১৪]

ক) "সংবিধান প্ৰণয়ন ৰচনাৰ ক্ষেত্ৰত কেন্দ্ৰীয় বিধান পৰিষদ আৰু

প্ৰাদেশিক বিধান পৰিষদবোৰলৈ নিৰ্বাচিত প্ৰতিনিধিসকলৰ মাজত আলোচনা মৰ্মে বহল ভিত্তিত এক সূত্ৰ উদ্ভাৱন;

খ) 'সংবিধান ৰচনাৰ বাবে এখন পৰিষদ গঠন, আৰু

গ) 'প্ৰধান ৰাজনৈতিক দলসমূহৰ সমৰ্থনত এখন কাৰ্যকৰী পৰিষদ গঠন।'

ৰাজনৈতিক দল তথা সংগঠন সমূহৰ নেতা- নেত্ৰী আৰু চৰকাৰী বিষয়া আমোলাসকলৰ সৈতে আলোচনাৰ পিছত মন্ত্ৰীদূতে ১৬ মে'ত যি ঘোষণা দিছিল তাৰ মৰ্ম আছিল; — ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় ঐক্য অটুট ৰখা, আৰু তাৰ বাবে তিনি স্তৰপৰ (Three tier) সংবিধানৰ ভিত্তিত কেন্দ্ৰ, জোট ( Group) আৰু প্ৰদেশ সমূহৰ বাবে পৃথক পৃথক সংবিধানৰ ব্যৱস্থা কৰা আৰু সংবিধান ৰচনাৰ কাম শেষ নোহোৱালৈকে প্ৰধান ৰাজনৈতিক দলৰ সমৰ্থনত এখন অন্তৰ্ৱৰ্তীকালীন চৰকাৰ (Interim Government) গঠন কৰা। অৰ্থাৎ মন্ত্ৰীত্ৰৰ এই ঘোষণা মতে প্ৰদেশসমূহক তিনিটা শাখাত – ক, খ, আৰু গ – বিভক্ত কৰাৰ ব্যৱস্থা ৰখা হৈছিল। উল্লেখ কৰিব পাৰি যে ধৰ্মীয় দৃষ্টিভংগী আগত ৰাখিয়েই এই ৰাজনৈতিক- প্ৰশাসনিক বিভাজনবোৰ কৰা হৈছিল, – - হিন্দু সংখ্যা গৰিষ্ঠ (ক) শাখাত আছিল মাদ্ৰাজ, বোম্বে, উত্তৰ প্ৰদেশ, বিহাৰ, মধ্য প্ৰদেশ আৰু উৰিষ্যা; উত্তৰ পশ্চিম মুছলীম সংখ্যা গৰিষ্ঠ (খ) শাখাত আছিল পাঞ্জাব, উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ, সিন্ধু, আৰু বেলুচিস্তান, আৰু উত্তৰ পূবৰ মুছলীম সংখ্যা গৰিষ্ঠ (গ) শাখাত আছিল অসম আৰু বঙ্গদেশ।

ধৰ্মীয় সংখ্যা গৰিষ্ঠতাৰ ভিত্তিত প্ৰদেশ সমূহক এই শাখা বা জোটত সাঙুৰি দি জোট সমূহৰ সংবিধান আৰু সেই জোটৰ জৰিয়তেই প্ৰদেশ সমূহৰ পৃথক সংবিধান ৰচনা কৰিবলৈ ব্যৱস্থা কৰাৰ ফলত নামত নহলেও কাৰ্যতঃ মুছলীম লীগৰ পাকিস্তান দাবীকেই প্ৰকাৰান্তৰে মানি লোৱা হৈছিল। এইখিনিতে ১৯৪০ চনৰ মুছলীম লীগৰ লাহোৰ অধিৱেশনত গৃহীত পাকিস্তান প্ৰস্তাৱটো প্ৰণিধানযোগ্য;[১০৯] " Resolved that it is the considered view of this session of the All-India Moslem League that no constitutional plan would be workable in this country or acceptable to the Moslems unless it is designed on the following basic principles viz , that geographically contiguous units are demarcated into regions which should be so constituted, with such territorial adjustments as may be necessary, that the areas in which the Moslems are numerically in a majority as in the North-Western and Eastern Zones of India should be grouped to constitute independent States in which the Constituent Units shall be autonomous and sovereign."

এই প্ৰস্তাৱ গৃহীত হোৱাৰ পাছত মুছলীম লীগৰ নেতা জিন্নাই ক্ৰমাগতভাৱে লীগৰ পাকিস্তান দাবী অধিক স্পষ্ট আৰু দৃঢ়ভাৱে উত্থাপন কৰিবলৈ লৈছিল। ১৯৪৫ চনৰ ১০ ডিচেম্বৰত জিন্নাই কৈছিল,[১১০] " The deadlock in India is not so much between India and the British. It is between the Hindu

Congress and the Moslem League Nothing can or will be solved until Pakistan is granted There will have to be not one, but two constitution-making bodies- one to frame and decide on the constitution of Hindustan and the other to frame and decide on the constitution of Pakistan

"We could settle the Indian problem in ten minutes if Mr Gandhi would say. 'I agree that there should be Pakistan. I agree that one-fourth of india, composed of six provinces - Sind, Baluchistan, the Punjab, the North-West Frontier Province, Bengal and Assam- with their present boundaries, should constitute the Pakistan State "

১৯৪৬ চনৰ এপ্ৰিল মাহত অনুষ্ঠিত মুছলীম বিধায়কৰ অভিবৰ্তনতো পাকিস্তান দাবী সম্পৰ্কে এইদৰে দোঁহৰা হৈছিল,"[১৩১] " That these zones comprising Bengal and Assam in the North-East and Punjab, North- West Frontier Province, Sind and Baluchistan in the North-West India, namely Pakistan zones where the Moslems are in a dominant majority be constituted into a sovereign independent State "

মুছলীম লীগে উপর্যুপৰি কৰা পাকিস্তান দাবীৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰীদূতে ১৬ মে'ত ঘোষণা কৰা আঁচনিৰ সাদৃশ্য মন কৰিবলগীয়া। আনহাতে মুছলীম লীগৰ এই প্ৰস্তাৱ তথা দাবীৰ পৰিপ্ৰেক্ষিতত কংগ্ৰেছে মন্ত্ৰীদূতৰ পৰা স্বাধীনতাৰ বাবে পূৰ্ব প্ৰতিশ্ৰুতি আদায় কৰিবলৈ চেষ্টা নকৰাটোৱে মূলতঃ দেশৰ স্বাধীনতা আন্দোলনৰ অগ্ৰণী ভূমিকা লোৱা ৰাজনৈতিক সংগঠন কংগ্ৰেছৰ চৰম দুৰ্বলতাকেই সুচীত কৰে। হিন্দু- মুছলমান -- উভয় সম্প্ৰদায়ৰ জনসাধাৰণৰ মাজত গঢ়ি উঠা সাম্ৰাজ্যবাদ বিৰোধী ব্যাপক সংগ্ৰামী ঐক্যৰ— বিশেষকৈ দ্বিতীয় বিশ্ব মহাৰণৰ আৰম্ভণীৰপৰা অতি সম্প্ৰতি সংঘটিত হোৱা নৌ- বিদ্ৰোহলৈ— আধাৰত কংগ্ৰেছে নিশ্চয় ভাৰতবৰ্ষৰ ৰাজনৈতিক সমস্যা সমাধানৰ বাবে স্বাধীনতাই একমাত্ৰ পথ বুলি মন্ত্ৰীদূতক স্পষ্টভাৱে সঁকিয়াই দিব পাৰিলেহেঁতেন। তাৰ অন্যাথা কৰাত কেৱল লাভ হৈছিল সাম্ৰাজ্যবাদী বৃটিশৰহে। এই ক্ষেত্ৰত ৰজনী পাম দত্তৰ অভিমত উল্লেখনীয়,"[১৩২] " Unfortunately both the Congress and the League leadership were more ready to enter into close and confidential discussions with the Mission than with each other, and sought to win the support of the Mission for their conflicting claims against each other. Hence a situation arose in which British propaganda was able to present to the world the divisions of the Congress and the Moslem League as the only obstacle to Indian independence, and the British Government was able to present its imposed award as the consequent, inevitable and only solution for the future of Indian politics."

অন্যৰ কথা বাদেই মন্ত্ৰীদূতৰ এই আঁচনিৰ প্ৰতি গান্ধীৰো দৰদ উথলি উঠিছিল,

তেওঁ মন্ত্ৰীদূতৰ প্ৰস্তাৱ সমূহক "... the seed to convert this land of sorrow into one without sorrow and suffering" ৰূপে গণ্য কৰিছিল।[১৩৩] আৰু ৬ জুনত মুছলীম লীগেও মন্ত্ৰীদূতৰ আঁচনিখন মানি লৈছিল যিহেতু ".. the basis and foundation of Pakistan are inherent in the Mission's Plan "[১৩৪] বিশ দিন পিছত কংগ্ৰেছ কাৰ্যকৰী সমিতিয়েও অন্তৰ্বৰ্তীকালীন চৰকাৰত মুছলীম লীগৰ প্ৰতিনিধিত্বৰ যি ব্যৱস্থা দিয়া আছিল তাক নাকচ কৰি মূলতঃ মন্ত্ৰীদূতৰ আঁচনিখন গ্ৰহণ কৰিছিল।[১৩৫] আজাদে ইয়াক ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এক গৌৰৱোজ্জ্বল ঘটনা বুলি অভিমত দিছে। তেওঁৰ মতে,[১৩৬] " The acceptance of the Cabinet Mission Plan by both Congress and Moslem League was a glorious event in the history of the freedom movement in India It meant that the difficult question of Indian freedom had been settled by negotiation and agreement and not by methods of violence and conflict "

গতিকে দেখা যায় সকলো পক্ষৰ ফালৰ পৰা মন্ত্ৰীদূতৰ আঁচনিক ভাৰতবৰ্ষৰ মুক্তিৰ চনদ ৰূপে গ্ৰহণ কৰা হৈছিল। কংগ্ৰেছ কাৰ্যকৰী সমিতিয়ে এই আঁচনি গ্ৰহণ কৰি লোৱা প্ৰস্তাৱৰ প্ৰতি নিখিল ভাৰত কংগ্ৰেছ সমিতিৰ (AICC) অনুমোদন লাভাৰ্থে ৭ জুলাইত বোম্বেত নিখিল ভাৰত কংগ্ৰেছ সমিতিৰ সভা আহ্বান কৰিছিল। উক্ত আঁচনিৰ প্ৰতি কংগ্ৰেছ কাৰ্যকৰী সমিতিয়ে লোৱা সমৰ্থন সূচক প্ৰস্তাৱৰ সমৰ্থনত নিখিল ভাৰত কংগ্ৰেছ সমিতিৰ সভাত প্ৰস্তাৱ উত্থাপন কৰি আজাদে পুনৰ দোহাৰিছিল[১৩৭] যে মন্ত্ৰীদূতৰ আঁচনিয়ে " .. marked the achievement of independence without a violent and bloody uprising "

এই ফালৰ পৰাও দেখা যায় মন্ত্ৰীদূতৰ আঁচনিয়ে কংগ্ৰেছ আৰু মুছলীম লীগ উভয়কে সন্তুষ্ট কৰিব পাৰিছিল। কিন্তু ১০ জুলাইৰ সাংবাদিক মেলত কংগ্ৰেছ সভাপতি জৱহৰলাল নেহেৰুৱে দিয়া কিছু স্পষ্টীকৰণৰ পৰিপ্ৰেক্ষিতত, বিশেষকৈ " .. as President of the Congress, had every intention of modifying the Plan, " that there will be no grouping" আদিয়ে মুছলীম লীগৰ নেতৃত্বৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। কংগ্ৰেছ সভাপতি নেহেৰুৰ এই স্পষ্টীকৰণৰ পৰিপ্ৰেক্ষিতত মুছলীম লীগে পাকিস্তানৰ দাবী বেছি তীব্ৰভাৱে উত্থাপন কৰে আৰু সেই দাবী পূৰণৰ দিশত দৃঢ় পদক্ষেপৰূপে ১৬ আগষ্টৰ দিনটো 'Direct Action Day' হিচাপে সমগ্ৰ দেশতে পালন কৰাৰ আহ্বান দিয়ে। সৰ্বভাৰতীয় ক্ষেত্ৰত এই ঘটনা-পৰিঘটনাৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰীদূতৰ আঁচনিৰ কাৰ্যকৰীকৰণ প্ৰক্ৰিয়াও জটিলতাৰ দিশে অগ্ৰসৰ হয়।

মন্ত্ৰীদূতৰ আঁচনিৰ প্ৰতি সৰ্বভাৰতীয় ৰাজনৈতিক নেতা আৰু ৰাজনৈতিক সংগঠনে দেখুওৱা সম্মতিয়ে আপাহতে অসমত ৰাজনৈতিক পৰিস্থিতি অত্যন্ত জটিল আৰু সংকটজনক কৰি তুলিছিল। পূৰ্বতে কৈ অহা হৈছে যে মন্ত্ৰীদূতৰ আঁচনি মুছলীম লীগৰ পাকিস্তান প্ৰস্তাৱৰ নামান্তৰ আছিল আৰু সেয়ে তাৰ প্ৰতি পাৰ্টীকে আদি কৰি কংগ্ৰেছ

নেতাসকলে ব্যক্তিগতভাৱে আৰু কংগ্ৰেছে সাংগঠনিকভাৱে দিয়া সমৰ্থনে অসম পাকিস্তান ভুক্ত হোৱাৰ পথ সুগম কৰি তুলিছিল। ফলত এই আঁচনিক কেন্দ্ৰ কৰি অসমত ৰাজনৈতিক মহলত তীব্ৰ অসন্তুষ্টি আৰু বিৰোধীতাৰ সৃষ্টি হৈছিল। অৱশ্যে অসমৰ জীৱন-মৰণ সমস্যাৰ এই সংকট মূহুৰ্তত আহোম সভা বা এহোচিয়েছনে অসম- বঙ্গ 'গ 'জোটৰ ক্ষেত্ৰত মুছলীম লীগৰ প্ৰতি সমৰ্থন দিছিল।[১৮৮]

১৯৪৬ চনৰ ১৬ মে'ত মন্ত্ৰীদূতে জোট-শালীয়া ব্যৱস্থাৰ ঘোষণা কৰাৰ সময়ত গুৱাহাটীত অসম প্ৰাদেশিক কংগ্ৰেছ সমিতিৰ বৈঠক চলি আছিল। মন কৰিব লগীয়া কথা যে সৰ্বভাৰতীয় কংগ্ৰেছ নেতৃত্বই যিদৰে সামগ্ৰীকভাৱে মন্ত্ৰীদূতৰ আঁচনিৰ বিৰোধীতা নকৰি তাকেই স্বাধীনতাৰ চনদ বুলি মানি লৈছিল, ঠিক তেনেদৰে অসম প্ৰাদেশিক কংগ্ৰেছ নেতৃত্বইও মন্ত্ৰীদূতৰ আঁচনিৰ সামগ্ৰীক চৰিত্ৰটোৰ বিৰোধীতা নকৰি কেৱল অসম-বঙ্গৰ জোট-শালীয়া ব্যৱস্থাটোৰহে বিৰোধীতা কৰাৰ বাবে সোচ্চাৰ হৈ পৰিছিল। " There was unanimous opposition and resentment among the members against grouping with Bengal."[১৮৯]

অসম কংগ্ৰেছৰ এই বিৰোধীতাৰ কথা কংগ্ৰেছ কাৰ্যকৰী সমিতিকো (Congress Working Committee) অৱগত কৰিবলৈ তেতিয়া দিল্লীতে থকা গোপীনাথ বৰদলৈকো অসম প্ৰাদেশিক কংগ্ৰেছ সমিতিয়ে নিৰ্দেশ দিছিল।[১৯০] সেই মৰ্মে বৰদলৈয়ে ১৯ মে'ত কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ ওচৰত অসমত সৃষ্টি হোৱা জোট বিৰোধী মনোভাৱৰ সবিশেষ দাঙি ধৰে আৰু লগতে এখন স্মাৰক পত্ৰও দাখিল কৰে। বৰদলৈয়ে দাখিল কৰা স্মাৰক পত্ৰখনত লগতে এইটোও কোৱা হৈছিল [১৯১] যে " If the Working Committee do not stand up to safeguard them against the operations of these sinister proposals then Assam and her people will be compelled to think that the Working Committee in their anxiety to think of larger provinces have given this small province a go by It will not be a surprise if many in Assam will consider it to be a great betrayal."

গোপীনাথ বৰদলৈ দিল্লীৰপৰা ওভতি অহাৰ পিছত ২৬ মে'ত অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সমিতিৰ সভা অনুষ্ঠিত হয়। এই সভাতেই আগন্তুক ১০ জুনত অনুষ্ঠিত হ'ব লগীয়া কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ সভাত অসমৰ জোট বিৰোধী মনোভাৱৰ কথা দৃঢ়ভাৱে উত্থাপন কৰিবলৈ মহম্মদ তৈয়াবুল্লা, অমিয় কুমাৰ দাস, বিজয় চন্দ্ৰ ভাগৱতী, হৰেশ্বৰ গোস্বামী, মঈনুদ্দিন আলি আহম্মদ, কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, পুষ্পলতা দাস, অম্বিকাগিৰী ৰায়চৌধুৰী আদিৰে গঠিত এটি সঁজাতী দলক দায়িত্ব দিয়ে।[১৯২]

তদুপৰি উক্ত ২৬ মে'ৰ সভাতেই "শ্ৰীজগদীশ মেধিক আহ্বায়ক পাতি আৰু চাৰিজন সদস্যৰে এখন কৰ্মপৰিষদ গঠন কৰি অসমৰ ভিতৰত সংগঠন আৰু গ্ৰুপ বিৰোধী প্ৰচাৰ কাৰ্য কৰিবলৈ ভাৰ দিয়ে। জিলা কংগ্ৰেছ কমিটিবিলাকক তেওঁলোকৰ এলেকাত জনমত গঠন কৰিবলৈ আৰু আৱশ্যক হলে এই গ্ৰুপ ব্যৱস্থাৰ বিৰুদ্ধে সক্ৰিয় অসহযোগ আন্দোলন চলাবলৈ স্বেচ্ছাসেৱক বাহিনী আদি তৈয়াৰ কৰি প্ৰস্তুত হবলৈ

আহ্বান কৰা হয়। জুন মাহৰ প্ৰথম সপ্তাহটো গ্ৰুপ বিৰোধী প্ৰতিবাদ সপ্তাহ হিচাপে পালন কৰি ৰাজহুৱা সভা-সমিতি পাতি এই ব্যৱস্থাৰ প্ৰতিবাদ কৰি প্ৰস্তাৱ গ্ৰহণ কৰি প্ৰদেশ কংগ্ৰেছ কমিটিক জনাবলৈ নিৰ্দেশ দিয়া হয় আৰু অসমৰ সদৌ ৰাইজক এই বিষয়ত প্ৰদেশ কংগ্ৰেছৰ লগত সহযোগিতা কৰি একেলগে গ্ৰুপ ব্যৱস্থাৰ বিৰোধীতা কৰিবলৈ আহ্বান কৰা হয়। অসমে ছেক্‌সন বা শাখা পৰিষদত যোগাকে নিদিয়ে বুলি অৱশ্যে তেতিয়াও ঘোষণা নকৰিলে।"[১৫৩]

মন্ত্ৰীদূতৰ আঁচনিৰ অসম-বঙ্গ জোঁট-শালীয় ব্যৱস্থাই অসমৰ পৰা এক সৰ্বাত্মক বিৰোধীতাৰ সম্মুখীন হৈছিল। মে' মাহৰ শেহ ভাগৰপৰাই অসমৰ সৰ্বত্ৰ জোঁট বিৰোধী জনসভা অনুষ্ঠিত হবলৈ ধৰে। ২৩ মে'ত গুৱাহাটী আৰু গোলাঘাটত, ২৪ মে'ত মঙ্গলদৈত আৰু ২৫ মে'ত তেজপুৰত মন্ত্ৰীদূতৰ আঁচনিৰ জোঁট ব্যৱস্থাৰ প্ৰতিবাদত জনসভা অনুষ্ঠিত হৈছিল।[১৫৪] ২৬ মে'ত অসম প্ৰাদেশিক কংগ্ৰেছৰ কাৰ্যকৰী সমিতিয়ে দিয়া আহ্বানৰ লগে লগেই সদৌ অসম ছাত্ৰ ইউনিয়নৰ ফালৰপৰা সভাপতি বিশ্বদেৱ শৰ্মা আৰু সাধাৰণ সম্পাদক বিশ্বনাথ গোস্বামীয়ে (বিশ্ব গোস্বামী আৰু পিছত ৰাজ্য সভাৰ সদস্য) এখন আবেদন যোগে সঁহাৰি দিয়ে।[১৫৫] এই ছাত্ৰ সংগঠনে মে' মাহত ২৪ ৰ পৰা ২৭ অৱধিলৈ গুৱাহাটী, শিৱসাগৰ, গোলাঘাট, ৰহা আদি বিভিন্ন ঠাইত সভা শোভাযাত্ৰা আদি অনুষ্ঠিত কৰি জোঁট ব্যৱস্থাৰ বিৰুদ্ধে ছাত্ৰ শক্তিক ঐক্যবদ্ধ হৈ থাকিবলৈ আহ্বান জনায়।[১৫৬]

আমি ইতিমধ্যে উল্লেখ কৰি অহা সদৌ অসম ছাত্ৰ ইউনিয়নৰ ১/২ জুনত ডিব্ৰুগড়ত অনুষ্ঠিত দ্বিতীয় বাৰ্ষিক অধিৱেশনত সভাপতিত্ব কৰি হেম বৰুৱাই তেওঁৰ ভাষণত ছাত্ৰসকলক জোঁট বিৰোধী আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল। তেওঁ কৈছিল,[১৫৭] " ছাত্ৰসকলেই সমষ্টি গঠনৰ বিৰুদ্ধে আন্দোলন কৰাত আগভাগ লব লাগিব, কাৰণ তেওঁলোক এই সমস্য সম্বন্ধে যথেষ্ট সচেতন। ছাত্ৰসকল স্বভাৱতে বিপ্লৱী, সেই কাৰণে তেওঁলোকে সদায় দেশৰ কাৰণে সাজু থাকিব লাগিব, বিশেষকৈ অসমৰ এই দুৰ্দিনত তেওঁলোকে প্ৰকৃত বিপ্লৱী মনোবৃত্তিৰ পৰিচয় দিব লাগিব।"

সি যি কি নহওক, কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ ওচৰত অসমৰ জোঁট বিৰোধী মনোভাৱ অৱগত কৰোৱাৰ বাবে অসম কংগ্ৰেছৰ ফালৰপৰা পঠিওৱা সঁজাতী দলটোৱে ১০ জুনত সেই সমিতিৰ সদস্যসকলৰ লগত আলোচনা কৰে। এই আলোচনা কালত কংগ্ৰেছ সভাপতি আজাদে অসমৰ ক্ষেত্ৰত মন্ত্ৰীদূতৰ জোঁটশালীয় ব্যৱস্থা সম্পৰ্কে সঁজাতীদলৰ সদস্যসকলক কোৱা কথাখিনিৰ সাৰমৰ্ম অসম প্ৰাদেশিক কংগ্ৰেছৰ তদানীন্তন সভাপতি মহম্মদ তৈয়াবুল্লাই উল্লেখ কৰা মতে এনেধৰণৰ,[১৫৮] " The Congress fully supports the Assam case, Assam shall be free to frame her own constitution The Congress will see that proper arrangement is made and procedure laid down in that behalf CWC will issue definite directions to the Congress provinces not to go to the groups for the purpose Assam legislative Assembly will be called upon to pass a resolution and give a mandate to the Assam Con-

gress representatives of the Constituent Assembly not to participate in Group C for settling Assam's constitution "

কংগ্ৰেছ সভাপতি হিচাপে আজাদেই অসমৰপৰা পঠিওৱা এই সাঁজাতী দলৰ সৈতে আলোচনাৰ গুৰি ধৰিছিল। কিন্তু কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ সভাত জোট সম্পৰ্কে আলোচনা নকৰাটোৱে বিধেয় হ'ব বুলি আজাদ আদি একাংশ নেতাই উপলব্ধি কৰিছিল। আজাদৰ মতে,[১৭৯] "In the Working Committee , we felt that we should not reopen the question of grouping."

কিন্তু সেইটো হলেও আজাদৰ অনুমোদন মতেই যাতে অসম-বঙ্গ জোটশালীয় বিধান পৰিষদত অসমৰ কংগ্ৰেছ প্ৰতিনিধিসকলে যোগদান নকৰে বা নকৰাকৈ থাকিব পাৰে সেই বিষয়ে ১৬ জুলাইত আহ্বান কৰা অসম বিধান সভাত এটা প্ৰস্তাৱ উৎথাপন কৰা হৈছিল। বসন্ত কুমাৰ দাস আৰু বৈদ্যনাথ মুখাৰ্জীয়ে সমৰ্থন কৰা এই প্ৰস্তাৱটো উৎথাপন কৰিছিল গোপীনাথ বৰদলৈয়ে।[১৮০] বোধহয় এই প্ৰস্তাৱৰ পৰিপ্ৰেক্ষিতত্তেই মুছলীম লীগে ১৯৪৬ চনৰ ২৯ জুলাইত মন্ত্ৰীদূতৰ আঁচনি সম্পৰ্কত লোৱা পূৰ্বৰ সিদ্ধান্তৰ বিপৰীতে সেই দিশত তেওঁলোকৰ নতুন দৃষ্টিভঙ্গীৰ কথা উল্লেখ কৰে আৰু পাকিস্তান দাবীৰ কাৰ্যকৰীকৰণৰ দিশত পোনপটীয়া কাৰ্যপন্থা নিৰ্দ্ধাৰণৰ কথা সদৰি কৰে। ইপিনে সেই দিনাখনেই বৃটিশ ভাইচৰয়েও অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠনৰ বাবে কংগ্ৰেছ নেতৃবৃন্দক আহ্বান জনাই আৰু ১০ আগষ্টত কংগ্ৰেছ কাৰ্যকৰী সমিতিয়ে মন্ত্ৰীদূতৰ আঁচনি সম্পূৰ্ণৰূপে গ্ৰহণ কৰি নেহেৰুক অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠনৰ বাবে দায়িত্ব অৰ্পণ কৰে।

মহম্মদ আলি জিন্নাৰ নিৰ্দেশত মুছলীম লীগে অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠনত সহযোগ নকৰি ১৬ আগষ্টত পাকিস্তানৰ দাবীত চৰকাৰৰ বিৰুদ্ধে প্ৰত্যক্ষ সংঘৰ্ষ দিবস ( Direct Action Day) পালন কৰাৰ কথা ঘোষণা কৰে। গতিকে দেখা যায় এফালে কংগ্ৰেছ কাৰ্যকৰী সমিতিৰ দ্বাৰা মন্ত্ৰীদূতৰ আঁচনিৰ প্ৰতি পূৰ্ণ সমৰ্থন আৰু আনহাতে মুছলীম লীগৰ দ্বাৰা পাকিস্তানৰ দাবীৰ সন্দৰ্ভত পোনপটীয়া সংঘৰ্ষৰ সিদ্ধান্তই অসমত জোট ব্যৱস্থাক কেন্দ্ৰ কৰি চলি থকা ৰাজনৈতিক উত্তেজনা বৃদ্ধিত আৰু অধিক ইন্ধন যোগাইছিল।

অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠনৰ প্ৰতি কংগ্ৰেছ কাৰ্যকৰী সমিতিয়ে লোৱা সিদ্ধান্তৰপৰা এটা কথা পৰিষ্কাৰ হৈ পৰিছে যে তেওঁলোকে কেন্দ্ৰত ক্ষমতা দখলতকৈ অসমৰ তৎকালীন বিপদসংকুল ৰাজনৈতিক পৰিস্থিতিলৈ কোনো ধৰণৰ মন-কাণ দিয়া নাছিল, যিখিনি কৰিছিল সিও আছিল অসমৰ জনসাধাৰণক ভুৱা দিবলৈহে। কংগ্ৰেছৰ এই দৃষ্টিভঙ্গীয়ে লগতে আৰু এটা কথা স্পষ্ট কৰি দিছে যে মুছলীম লীগৰ তুলনাত মন্ত্ৰীদূতৰ আঁচনিৰ সন্দৰ্ভত কংগ্ৰেছৰ স্থিতি আছিল নিৰন্তৰ পৰিবৰ্তনশীল আৰু চূড়ান্ত সুবিধাবাদী।

আনহাতে অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুখ্য হিচাপে ৭ ছেপ্তেম্বৰত নেহেৰুৱে আকাশবাণীৰ জৰিয়তে দিয়া নিম্নোক্ত স্পষ্টীকৰণে অসমৰ ৰাজনৈতিক ভৱিষ্যত আৰু বেছি সংকটপূৰ্ণ কৰাৰ লগতে জনসাধাৰণ আৰু ৰাজনৈতিক নেতৃবৃন্দৰ মনত কংগ্ৰেছৰ

প্ৰতি যথেষ্ট সন্দেহৰ সৃষ্টি কৰিছিল,[৯১] " We are perfectly prepared to and have accepted, the position of sitting in sections which will consider the question of formation of groups. We seek agreed and integrated solutions with the largest measure of goodwill behind them "

এই পৰিস্থিতিত গোপীনাথ বৰদলৈসহ গণ পৰিষদলৈ নিৰ্বাচিত অসমৰ অন্যান্য প্ৰতিনিধিসকলে কংগ্ৰেছ সভাপতি নেহৰুৰ ওচৰত অসম-বঙ্গ জোঁটৰ বিৰোধীতা কৰি ৯ ডিচেম্বৰত এখন স্মাৰক পত্ৰ দাখিল কৰে। অৱশ্যে এই দিশত অকল কংগ্ৰেছ সভাপতি তথা অন্তৰ্বৰ্তীকালীন চৰকাৰৰ প্ৰধান মন্ত্ৰী জৱহৰলাল নেহৰুৰ ওপৰতে ভৰসা নকৰি বৰদলৈয়ে বিজয় চন্দ্ৰ ভাগৱতী আৰু মহেন্দ্ৰ মোহন চৌধুৰীক মহাত্মাৰ পৰামৰ্শ বিচাৰি তেওঁৰ ওচৰলৈ পঠিয়াইছিল। অসম-বঙ্গ জোঁট সম্পৰ্কে এই প্ৰতিনিধি দুজনৰ আগত গান্ধীয়ে ব্যক্ত কৰা মনোভাৱ তথা কথাখিনি এইখিনিতে প্ৰণিধানযোগ্য,[৯২] "এই বিষয়ে অভিমত দিবলৈ মোক এক মিনিটো সময় নালাগে। কাৰণ এই বিষয়ে মই চিন্তা কৰা আৰু স্পষ্ট সিদ্ধান্ত লোৱা আছে। মই নিজক হাড়েহিমজুৰে এজন কংগ্ৰেছীলোক বুলিয়ে ভাবোঁ। কংগ্ৰেছৰ বৰ্তমান গঠনতন্ত্ৰৰ ময়ে প্ৰধান ৰচয়িতা। কিন্তু মই বৰদলৈক আগুতে কৈছোঁ যে কংগ্ৰেছ ৱাৰ্কিং কমিটিয়ে যদি অসমক স্পষ্ট পথ নিৰ্দেশ নিদিয়ে, তেন্তে অসমে ছেক্সনত যোগ দিয়া উচিত নহ'ব। অসমৰ প্ৰতিনিধিসকলে গণ পৰিষদ বহাৰ লগে লগেই ইয়াৰ প্ৰতিবাদ কৰি গণ- পৰিষদৰ পৰা ওলাই আহিব লাগে। ই কংগ্ৰেছৰ ভালৰ কাৰণেই কংগ্ৰেছৰ বিৰুদ্ধে এক সত্যাগ্ৰহৰ দৰে হ'ব। গণ- পৰিষদৰ সভ্যসকলে ছেক্সন বা শাখা পৰিষদত বিভক্ত হোৱাৰ সময় উপস্থিত হোৱাৰ লগে লগেই তোমালোকৰ প্ৰতিনিধিসকলে থিয় দি ঘোষণা কৰিব ' ভদ্ৰ মহোদয়সকল, অসমে শাখা পৰিষদ বৰ্জন কৰিছে।' ভাৰতৰ স্বাধীনতা লাভৰ একমাত্ৰ চৰ্ত হৈছে এই যে ইয়াৰ প্ৰতিখন প্ৰদেশ বা প্ৰতিটো সমষ্টিয়ে নিজৰ ভৱিষ্যত সম্পৰ্কে নিৰ্দ্ধাৰণ কৰিব। মই আশা কৰোঁ অসমে এই বিষয়ত আদৰ্শ দেখুৱাব।"

ক্ষমতাৰ দখলৰ ধামখুমীয়াত গান্ধী মনস্তাত্বিকভাৱে কংগ্ৰেছৰ বাবে এলাগী হৈ পৰিছিল নেকি ভাবি চাবলগীয়া, কিয়নো ওপৰিউক্ত কথা খিনিত গান্ধীৰ কিছু মানসিক ক্ষোভৰো উমান পোৱা যায়। আৰু বোধহয় সেই কাৰণেই তেওঁ অসম- বঙ্গ জোঁটৰ বিৰোধীতা কৰিবলৈ অসমৰ কংগ্ৰেছ প্ৰতিনিধিসকলক পৰামৰ্শ দি অজানিতে আৰু পৰোক্ষভাৱে নিজৰ ব্যক্তিগত ক্ষোভকেই প্ৰকাশ কৰিছে , সেইটোও ভাবি চাবলগীয়া কথা। ব্যক্তিগত ক্ষোভেও বহু ক্ষেত্ৰত সামুহিক কল্যাণ সাধন কৰে।

মন্ত্ৰীদূতৰ আঁচনিৰ অসম- বঙ্গ জোঁটৰ ক্ষেত্ৰত গান্ধীৰ এই দৃষ্টিভঙ্গী আমি পূৰ্বে উল্লেখ কৰি অহা মন্ত্ৰীদূতৰ আঁচনিৰ প্ৰতি গান্ধীৰ পূৰ্বৰ মনোভাৱৰ সম্পূৰ্ণ বিপৰীত। প্ৰসঙ্গটো আৰু বেছি স্পষ্টভাৱে দাঙি ধৰাৰ বাবে এই খিনিতে গান্ধীয়ে পূৰ্বে মন্ত্ৰীদূতৰ আঁচনিৰ প্ৰতি ঘোষণা কৰা সিদ্ধান্তৰ কথা উল্লেখ কৰিব পাৰি। মন্ত্ৰীদূতৰ আঁচনিৰ প্ৰতি গান্ধীৰ এই সিদ্ধান্ত আৰু বৰ্তমান অসম- বঙ্গ জোঁটৰ বিৰোধীতা কৰা গান্ধীৰ ৰাজনৈতিক সিদ্ধান্তৰ মাজত এক গুৰুত্বপূৰ্ণ স্ববিৰোধ পৰিলক্ষিত হয়; *Harijan* কাকতত

তেওঁ দিয়া মন্তব্যটি আছিল এনেধৰণৰ "After four days of searching examination of the State paper issued by the Cabinet Mission and the Viceroy on behalf of the British Government, my conviction abides that it is the best document that the British Government could have produced in the circumstances."

আচৰিত কথা যে অসমত জোঁট বিৰোধী সংগ্ৰামত মুখ্য ভূমিকা লোৱা আৰু নেতৃত্ব দিয়া ৰাজনৈতিক ব্যক্তি গোপীনাথ বৰদলৈয়েও ১৯৪৭ চনৰ ৭ জানুৱাৰী তাৰিখে ঘোষণা কৰিছিল যে "We are prepared to sit in sections in the Constituent Assembly but Assam demands exactly what the Muslim League has apprehensions about the union centre forcing its brutal majority decisions on the minority, Assam has greater apprehensions about a brutal majority in grouping with Bengal."

অসম-বঙ্গ জোঁট বিৰোধী আন্দোলনত অসমত কংগ্ৰেছেই মুখ্য ভূমিকা লৈছিল সেই বিষয়ে কোনো সন্দেহ নাই আৰু অসম কংগ্ৰেছৰ এই ভূমিকাত বঙ্গৰেই দুজন আগশাৰীৰ ৰাজনৈতিক নেতাই যথেষ্ট সহায় কৰিছিল। তেওঁলোক আছিল শৰৎ চন্দ্ৰ বসু আৰু শ্যামা প্ৰসাদ মুখাৰ্জী। এই দুজন লোকৰ দিহা-পৰামৰ্শৰ দ্বাৰা তদানীন্তন অসমৰ বৰদলৈকে আদি কৰি জোঁট বিৰোধী আন্দোলনৰ অন্যান্য নেতাসকল কিদৰে উপকৃত হৈছিল তাক পুষ্পলতা দাসে সাবলীল ভাষাত বৰ্ণনা কৰিছে, "শৰৎ চন্দ্ৰ বসু আৰু শ্যামা প্ৰসাদ মুখাৰ্জীয়েতো অসমৰ নেতাসকলৰ বিশেষকৈ বৰদলৈ দেৱক 'গ' শাখাৰ বিৰুদ্ধে অসমৰ অভিমত ব্যক্ত কৰি চিঠি-পত্ৰ, প্ৰস্তাৱ আদি ৰচনা কৰোঁতে কেনেকুৱা অব্যৰ্থ যুক্তিৰে তাক গাঁথিব লাগিব সেই বিষয়ে দিহা-পৰামৰ্শ দি তেওঁবিলাকে নিজেও কিছুমান আহিঁ লেখি দিছিল। তেওঁবিলাকে কৈছিল, বঙ্গ দেশৰ লগতে অসম মৰিব নালাগে। অসমে যুঁজ দি এই আঁচনি ব্যৰ্থ কৰি দিয়ক। শৰৎ চন্দ্ৰ বসু আৰু শ্যামা প্ৰসাদ মুখাৰ্জীৰ মেধা সেই সময়ত বৰদলৈ দেৱৰ কাৰণে কিমান সহায়ক আছিল, সেই সময়ৰ কৰ্মীসকলে জানে। অসমে সেই দুগৰাকী ব্যক্তিত্বক ( মূলত যেনে আছে) কৃতজ্ঞতাৰে স্মৰণ কৰিবই লাগিব।"

সি যি কি নহওক, অসম কংগ্ৰেছৰ নেতৃত্বত চলা অসম-বঙ্গ জোঁট বিৰোধী আন্দোলনে মূলতঃ সাম্ৰাজ্যবাদ বিৰোধী ৰূপ পৰিগ্ৰহ নকৰি বহু ক্ষেত্ৰতে মুছলমান বিৰোধী, বঙালী বিৰোধী আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ কেন্দ্ৰীয় নেতৃত্বৰ বিৰোধী আন্দোলনৰ ৰূপ ধাৰণ কৰিছিল। ফলত দেশৰ বিভিন্ন ধৰ্মীয় জনগণৰ মাজত সাম্ৰাজ্যবাদ বিৰোধী ঐক্য মঞ্চ গঢ়ি তোলাত কংগ্ৰেছে যি ভূমিকা লব লাগিছিল সেই দিশত ই সম্পূৰ্ণৰূপে ব্যৰ্থ হৈ পৰিছিল আৰু ধৰ্মৰ ভিত্তিত দেশ বিভাজনৰ পথো ই বহুলাংশে উন্মুক্ত কৰি দিছিল। তেতিয়ালৈ দেশ বিভাজনৰ প্ৰশ্নটো নীতিৰ প্ৰশ্ন নহৈ হৈ পৰিছিল কেৱল মাত্ৰ সময়ৰ।

মুছলীম লীগে সৰ্বতো প্ৰকাৰে অসম-বঙ্গ জোঁট ব্যৱস্থাৰ প্ৰতি সমৰ্থন দিছিল। ১৯৪৬ চনৰ ১৬ জুলাই তাৰিখে অসম বিধান সভাত গণ পৰিষদলৈ নিৰ্বাচিত কংগ্ৰেছী প্ৰতিনিধিসকলক শাখা পৰিষদত নবহিবলৈ নিৰ্দেশ দিয়াৰ বাবে যি প্ৰস্তাৱ উত্থাপন

কৰা হৈছিল সেই প্ৰস্তাৱৰ পৰিপ্ৰেক্ষিতত লীগৰ নেতা হিচাপে ছাদুল্লাই অসম- বঙ্গ জোঁট ব্যৱস্থাত অসমে অৰ্থনৈতিক দিশত কিদৰে উপকৃত হ'ব সেই দিশত যুক্তি দৰ্শাইছিল। সকলোৱে হ'ব যে ছাদুল্লাৰ এই ভূমিকা বৃটিশ সাম্ৰাজ্যবাদী স্বাৰ্থৰ সহায়ক আছিল, আনকি সেই কথা বৃটিশেই স্বীকাৰ কৰিছে,[১৩] " The economic and administrative conveniences which he upheld to debate on behalf of grouping was but akin to a collaboration with British colonial interest "

ছাদুল্লা মনে-প্ৰাণে পাকিস্তানৰ সমৰ্থক নাছিল যেন বোধহয়, অসমৰ গৱৰ্ণৰ এণ্ড্ৰু ক্লৰ (Andrew Clow) মতেও[১৪] তেওঁ পাকিস্তানৰ সমৰ্থক নাছিল আৰু অসম-বঙ্গ জোঁট ব্যৱস্থাকো তেওঁ পাকিস্তানৰ নামান্তৰ বুলি বিশ্বাস কৰা নাছিল। অৱশ্যে এইটো স্বীকাৰ কৰিব লাগিব যে মন্ত্ৰীদূতৰ আঁচনিত যি অসম- বঙ্গ জোঁট ব্যৱস্থাৰ বিধান দিয়া আছিল সেইটোৱে মুছলীম লীগৰ পাকিস্তান প্ৰস্তাৱ তথা দাবীৰ নামান্তৰ আছিল আৰু অসমৰ জনসাধাৰণ আৰু মুছলীম লীগৰ লোকক বাদ দি সকলো ৰাজনৈতিক দলেই তেনেভাৱে বিশ্বাস কৰিছিল। গতিকে সেই অৱস্থাত জোঁট ব্যৱস্থাৰ প্ৰতি সমৰ্থন দিয়া মানেই পাকিস্তানৰ বাস্তৱায়নৰ প্ৰতি সমৰ্থন দিয়াটোকেই সূচাইছিল। সেয়ে এই ক্ষেত্ৰত ছাদুল্লাই ৰাজনৈতিকভাৱে মাৰাত্মক ভুল কৰিছিল। হয়তো বৃটিশৰ প্ৰতি থকা তেওঁৰ অগাধ বিশ্বাস আৰু আনুগত্যই বিচক্ষণ ৰাজনৈতিক পুৰুষ হোৱা স্বত্বেও তেওঁক ভুল পথে পৰিচালিত কৰিছিল। আৰু এই এটা মাত্ৰ ভুলেই তেওঁৰ ৰাজনৈতিক জীৱনৰ পৰালি পেলাইছিল।

মন্ত্ৰীদূতৰ আঁচনিৰ বিৰুদ্ধে ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ ভূমিকা আছিল অন্যান্য ৰাজনৈতিক দল- উপদলতকৈ অধিক বাস্তৱানুগ আৰু ঐতিহাসিকভাৱেই যথাৰ্থ। মাৰ্ক্সীয় দৰ্শনে জাতি সমূহৰ আত্মনিয়ন্ত্ৰণ আৰু তাৰেই মাধ্যমত পূৰ্ণ বিকাশৰ যি ইতিহাস সম্মত ব্যাখ্যা দিছে তাৰ লগত সঙ্গতি ৰাখিয়েই তাক ভাৰতবৰ্ষৰ কমিউনিষ্ট পাৰ্টিয়ে বহুজাতিক, বহু ভাষিক, ভাৰতবৰ্ষৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, ভাষিক, সাংস্কৃতিক উন্নয়নৰ পৰীক্ষিত পন্থা ৰূপে গ্ৰহণ কৰিছিল। মন্ত্ৰীদূত ৰ ভাৰতবৰ্ষ আগমনৰ ভালেমান বছৰৰ আগতেই যেতিয়া মুছলীম লীগে লাহোৰ অধিৱেশনত (১৯৪০) পাকিস্তান প্ৰস্তাৱ গ্ৰহণ কৰিছিল, তেতিয়াই ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে মুছলমানসকলৰ লগতে সমগ্ৰ ভাৰতবৰ্ষৰে বিভিন্ন ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্তাসমূহৰ স্বকীয়তা স্বীকাৰ কৰি সেই সকলোবোৰৰ বাবে আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ নীতি মানি লৈছিল।[১৫] ইয়াত এইখিনি কলেই যথেষ্ট হ'ব যে মন্ত্ৰীদূতৰ ওচৰতো ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে দাখিল কৰা টোকাত কোৱা হৈছিল,[১৬] " *The Communist Party stands for a free, voluntary, democratic Indian Union of sovereign units It is firmly convinced that the best interests of the Indian masses will be served by their remaining together in one common union, in a common brotherhood to defend the freedom and solve the problems of poverty which require the co-operation of all It is only on the basis of the application of the principle of self-determination, as indicated above, that the Indian unity can be preserved* "

মন্ত্ৰীদূতৰ আঁচনিৰ জৰিয়তে বৃটিশ সাম্ৰাজ্যবাদীইতে শোষণৰ যি নতুন জাল পেলাইছিল সেই কু- অভিসন্ধিও কমিউনিষ্ট পাৰ্টিয়েহে নিৰ্মোহভাৱে জনসাধাৰণৰ ওচৰত উদঙাই দেখুৱাবলৈ সক্ষম হৈছিল। সেয়ে অসম- বঙ্গ জোঁট বা 'গ' শাখাটো নাকচ কৰিলেই মন্ত্ৰীদূতৰ আঁচনি শুদ্ধ বা ই ভাৰতীয় মহাজাতিৰ মুক্তিৰ মহাচনদ হ'ব তেনে দৃষ্টিভঙ্গী ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে গ্ৰহণ কৰা নাছিল। মূলতঃ সামগ্ৰীকভাৱে গোটেই মন্ত্ৰীদূতৰ আঁচনিখনকেই নাকচ কৰাৰ দাবী তুলিছিল কমিউনিষ্ট পাৰ্টিয়ে;[১৭০] "আজি প্ৰত্যেক অসমীয়া আৰু বঙালী কমিউনিষ্টে আগতকৈও বেছি সাহস আৰু দৃঢ়তাৰে সাম্ৰাজ্যবাদী চক্ৰান্তৰ বিৰুদ্ধে থিয় দিছে। কাৰণ আজি সঁচাকৈয়ে অসমক নিজৰ ইচ্ছাৰ বিৰুদ্ধে বঙ্গদেশৰ লগত সাঙুৰি দিয়াৰ উপক্ৰম হৈছে। কেইই সপ্তাহমানৰ আগলৈকে যিটো আশঙ্কা আছিল সি আজি সৰ্বনাশী ৰূপ লৈ দেখা দিছে। কিন্তু কংগ্ৰেছ আৰু আন আন দলে অসমক বঙ্গৰ লগত চামিল কৰা এই গ্ৰুপৰ বিৰুদ্ধে যেনেদৰে আন্দোলন চলাইছে কমিউনিষ্ট পাৰ্টিৰ আন্দোলন তাৰ পৰা সম্পূৰ্ণ বেলেগ। অসমৰ কংগ্ৰেছে এই আন্দোলনক সম্পূৰ্ণ ভুল বাটেদি নিয়াৰ ব্যৱস্থা কৰি অসমৰ ভৱিষ্যত একেবাৰে আন্ধাৰ কৰি তুলিছে। কমিউনিষ্ট পাৰ্টিয়ে গ্ৰুপৰ বিৰুদ্ধে যিমান জোৰেৰে আন্দোলন কৰে গোটেই আঁচনিখনৰ বিৰুদ্ধেও ঠিক সমান জোৰেৰেই প্ৰতিবাদ কৰে। কাৰণ গোটেই আঁচনিখন নাকচ কৰিব নোৱাৰিলে ভাৰত স্বাধীন নহয় আৰু স্বাধীন ভাৰতত স্বাধীন অসম বা স্বাধীন বঙ্গও স্থাপন হ'ব নোৱাৰে।"

ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে যি কোনো মূল্যৰ বিনিময়ত মন্ত্ৰীদূতৰ সমগ্ৰ আঁচনিখনকেই যাতে নাকচ কৰিব পাৰি তাৰেই চেষ্টাত আছিল। সেই কথা তেওঁলোকে স্পষ্ট ভাষাত প্ৰকাশো কৰিছিল,[১৭১] " কমিউনিষ্টৰ আন্দোলন একমাত্ৰ সাম্ৰাজ্যবাদী চক্ৰান্তৰ বিৰুদ্ধে। কাৰণ এই চক্ৰান্ত অসমীয়া-বঙালী, হিন্দু- মুছলমান, কংগ্ৰেছ- লীগ সকলোকে বঞ্চিত কৰি সাম্ৰাজ্যবাদী শাসন- শোষণৰ কাৰণে অবাধ সুবিধা তৈয়াৰ কৰাৰ চক্ৰান্ত।"

মন্ত্ৰীদূতৰ এই আঁচনি যে বৃটিশ সাম্ৰাজ্যবাদী শাসন- শোষণ অব্যাহত ৰখাৰ এক কূটনৈতিক অভিসন্ধি তাক ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে স্পষ্ট আৰু দৃঢ়ভাৱে অনুধাৱন কৰিব পাৰিছিল। গতিকে সাম্ৰাজ্যবাদীৰ লগত আপোচৰ প্ৰশ্নই নুঠে ; সেয়ে তেতিয়াই পাৰ্টিয়ে সঁকিয়াই দিছিল [১৭২] যে "সাম্ৰাজ্যবাদীৰ গোটেই চক্ৰান্তটোকে ওফৰাব নোৱাৰিলে 'গ্ৰুপ' গঠন যে নাকচ কৰিব পৰা নহয় এই সাধাৰণ মেৰ- জালৰ কথাটিও অসমৰ কংগ্ৰেছ সেৱীসকলে ধৰিব নোৱাৰাটোহে আচৰিত কথা। সাম্ৰাজ্যবাদীইতে গোটেই ভাৰত তথা অসম- বঙ্গৰ ওপৰত সিহঁতৰ অবাধ শোষণ আৰু শাসন চলাই যাবৰ কাৰণেহে এই জাল পেলাইছে। আমি যদি গোটেই জালখন নেদেখি কেৱল জালৰ এচুকত লগা অসম-বঙ্গ সমষ্টি গঠনৰ বিৰুদ্ধেই আন্দোলন কৰোঁহক তেনেহলে সাম্ৰাজ্যবাদী বৃটিছ চকুৰ আঁৰতে থাকি যাব আৰু আমাৰ আন্দোলন একমাত্ৰ নিজৰ ভাইৰ বিৰুদ্ধেহে কৰা হ'ব।

"জাল পেলাওঁতা সাম্ৰাজ্যবাদী চকুৰ আগত নথকাত অসমৰ কংগ্ৰেছ সেৱীসকলে ভাবিছে যে হয় বঙালী, নহয় মুছলমানইতৰে কোনোবা দলৰ কাৰণেহে এই 'গ্ৰুপ'

হ'বলৈ পালে কাৰণ বাঙালী আৰু মুছলমানসকলেহে ইয়াৰপৰা লাভবান হ'ব। সেই কাৰণে এতিয়ালৈকে ইয়াৰ বিৰুদ্ধে অসমত যি প্ৰতিবাদ আন্দোলন চলিছে সেই আন্দোলনে হয় বঙালী বিৰোধী, নহয় মুছলমান বিৰোধী নাইবা দুয়োৰে বিৰোধী আন্দোলনৰ ৰূপহে লৈছে। সাম্ৰাজ্যবাদী মাজতে সাৰি গৈছে।"

অসম- বঙ্গ সংযুক্ত ৰাজ্যৰ আইন সভাত ইংৰাজ প্ৰতিনিধিৰ ওপৰতে যে কংগ্ৰেছ আৰু লীগ প্ৰতিনিধিসকল নিৰ্ভৰশীল হৈ থাকিব লাগিব আৰু তাৰ দ্বাৰা যে বৃটিছৰ স্বাৰ্থহে পূৰণ হ'ব তাকো কমিউনিষ্ট পাৰ্টিয়ে দৃঢ়ভাৱে উল্লেখ কৰিছিল;[১৩] "অসম-বঙ্গত ইংৰাজ সাম্ৰাজ্যবাদৰ ঘাই শিপা চাহ বাগিচা আৰু মৰাপাতৰ কল। ইয়াৰ ইংৰাজ মালিকহঁতে হিন্দু- মুছলমানৰ কোনো বাচ নোহোৱাকৈ সকলোকে সমানভাৱে শোষণ কৰিছে আৰু দুয়ো জাতিকে মূৰ ডাঙিব নোৱাৰাকৈ হেঁচা মাৰি ৰাখিছে। মন্ত্ৰীদূতৰ ঘোষণা মতে অসম- বঙ্গৰ যি জোঁটাশলীয়া আইন সভা হ'ব তাত মুঠ সভ্য থাকিব ৭০ জন। লীগ- কংগ্ৰেছ আদি ৰাজনৈতিক দলৰ ফালৰপৰা কোনে কেইজন সভ্য পাব পাৰিব তাক হিচাব কৰি চালে দেখা যায় লীগে কোনো পধ্যেই ৩৫ জনৰ বেছি পাব নোৱাৰে। গতিকে লীগৰ পক্ষে সংখ্যাত বেছি হৈ গাৰ বলেৰে কাম কৰিবৰ কোনো উপাই নাই। মুছলমান আৰু অ- মুছলমানৰ ফালৰপৰা বিচাৰ কৰিলেও দেখা যায় ৭০ জনৰ ভিতৰত ৩৬ জন মুছলমান বাকী ৩৪ জন অ-মুছলমান। এটা ভোটৰ ইফাল সিফাল হলেই অচল অৱস্থা। এই অৱস্থাত ইংৰাজ দলৰ ফালৈকে কংগ্ৰেছ আৰু লীগ উভয়ে চাই থাকিব লগাত পৰিব। ঘোষণা মতে অসম আৰু বঙ্গৰ চাহাবহঁত লগ লগাৰ আৰু বেছি সুবিধা হ'ল। ভবিষ্যত শাসনতন্ত্ৰ ৰচনা কৰাত নিজৰ স্বাৰ্থৰ ওপৰত যাতে কোনো প্ৰকাৰে হাত পৰিব নোৱাৰে তাৰ কাৰণে সিহঁতে মুঠ বান্ধিব। অসম- বঙ্গ বিভাগীয় আইন সভাৰ ইহঁতৰ স্বাৰ্থৰ ওপৰত হাত দিয়াৰ কোনো ক্ষমতা নাথাকিব।"

অসম -বঙ্গৰ জোঁটশালীয় বিধানৰ পৰিপ্ৰেক্ষিতত বঙ্গৰ জমিদাৰী ব্যৱস্থা অক্ষুণ্ণ থকা আৰু তাৰেই স্বাভাবিক পৰিণতি স্বৰূপে কৃষকৰ ওপৰত চলি অহা নিৰ্মম শোষণ নিপীড়নৰ তীব্ৰতা বৃদ্ধি আৰু সেই শোষণৰ পৰা অব্যাহিতি বিচাৰি বঙ্গৰপৰা অসমলৈ মাটিহীন লোক তথা পমুৱাৰ আগমনৰ ভয়াবহ পৰিণতি আৰু অসমীয়া- বঙালীৰ সাম্ভাব্য বিৰোধ সম্পৰ্কে দাঙি ধৰা কমিউনিষ্ট পাৰ্টিৰ বক্তব্য আছিল যথেষ্ট বাস্তৱানুগ। জমিদাৰী শোষণ নিপীড়নৰ বিৰুদ্ধে সংগঠিত কৃষক বিদ্ৰোহতো এই জোঁট-শালীয় ব্যৱস্থাই ভাটাৰ সৃষ্টি কৰিব বুলি কমিউনিষ্ট পাৰ্টিয়ে আশঙ্কা কৰিছিল;[১৪] " 'গ্ৰুপ' বিধানত জমিদাৰীতো যেনে আছিল তেনে থাকিলেই তদুপৰি অসম- বঙ্গ একে এলেকা হৈ পৰাত পমুৱা অহা বন্ধ হোৱা দূৰে থাওক জমিদাৰ আৰু আক্ৰোহী লীগ নেতাৰ উচটনিত তাৰ সোঁত বেছি কোবেৰেহে ব'বলৈ ধৰিব। ইয়াৰ ফলত এফালে বঙ্গদেশত জমিদাৰীৰ বিৰুদ্ধে আন্দোলন দুৰ্বল হৈ পৰাৰ আগন্তুক, আনফালে অসমত পমুৱা আৰু অসমীয়া খেতিয়কৰ মাজত খৰিয়ালো অনেক গুণ বেছি হৈ পৰিব। এতিয়াই বাঙালী আৰু অসমীয়া খেতিয়ক মিলি কোনো যুটীয়া আন্দোলন সম্ভৱ হোৱা নাই। পিছলৈ ই আৰু দুৰুহ হৈ পৰিব। তাৰ ফল হ'ব অসমীয়া আৰু বাঙালী মাটি নোহোৱা খেতিয়কৰ মাজৰ আজি যি খৰিয়াল কাইলৈ তাক অসম আৰু বঙ্গ দুই দেশৰ জাতীয়

বিৰোধ কৰি তুলি মাজতে নিজৰ স্বাৰ্থ নিৰ্দ্বিধাৰে বহি পূৰণ কৰি ল'বলৈ স্বাৰ্থপৰ ধুৰন্ধৰহঁতে সুবিধা পাব। ইয়াৰ পৰিণাম হ'ব বঙ্গদেশৰ আজিৰ যি হাঁ ভাত হাঁ মাটি অৱস্থা সি আৰু বেছি হ'ব আৰু অসমতো সেই একে অৱস্থাই দেখা দিব। এই দিকদাৰ অৱস্থাই আৰু লাখ লাখ নিছলা খেতিয়কক ওৰ নপৰা আকালত লোলাই মাৰিব।"

লিখিত তথা প্ৰচাৰমুখী প্ৰতিবাদতেই সন্তুষ্ট নাথাকি ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে মন্ত্ৰীদূতৰ আঁচনিৰ বিৰুদ্ধে অসমত ঠাইয়ে ঠাইয়ে জনসভা আহ্বান কৰি তাতো প্ৰতিবাদৰ তীব্ৰ জোঁৱাৰ তুলিছিল। জোঁট-শালীয় ব্যৱস্থা বিৰোধী আন্দোলনৰ সময়ত ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ নেতা বিশ্বনাথ মুখাৰ্জী আৰু ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ নেতা সৌমেন্দ্ৰনাথ ঠাকুৰ আদিয়ে অসম ভ্ৰমণ কৰি বিভিন্ন অঞ্চলৰ জনসভাত মন্ত্ৰীদূতৰ আঁচনিৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ আন্দোলন গঢ়ি তুলিবলৈ জনসাধাৰণক আহ্বান জনাইছিল।[১৫] তেজপুৰৰ প্ৰবীন কমিউনিষ্ট নেতা ৰমেশ শৰ্মাই এই লিখকক জনোৱা মতে[১৬] "কমিউনিষ্ট পাৰ্টিয়ে গ্ৰুপিঙৰ বিৰুদ্ধে আন্দোলন কৰাৰ কাৰণেই অসম কংগ্ৰেছে তেতিয়াৰ নেতৃত্বই কংগ্ৰেছৰ দ্বাৰা আহ্বান কৰা তেতিয়াৰ কাৰ্জন হল প্ৰাঙ্গনৰ ৰাজহুৱা সভাত এজন নিৰ্দিষ্ট বক্তাৰূপে কমৰেড বিশ্বনাথ মুখাৰ্জীয়েও সুদীৰ্ঘ বক্তৃতাৰ যোগে এই চক্ৰান্তৰ মুখা খুলি তাৰ বিৰুদ্ধে ঐক্যবদ্ধ সংগ্ৰামৰ আহ্বান দিছিল।"

এই জোঁট-শালীয় ব্যৱস্থাৰ বিৰুদ্ধে সংগঠিত আন্দোলনত ছাত্ৰ ফেডাৰেছনৰ ভূমিকাৰ কথা উল্লেখ কৰি শৰ্মাই লিখিছে,[১৭] "ছাত্ৰ ফেডাৰেছনেও প্ৰত্যেক জিলাতে নিজস্ব প্লেটফৰ্মৰ যোগে মন্ত্ৰী মিছনৰ চক্ৰান্তৰ মুখা খুলি প্ৰতিবাদ আন্দোলন গঢ়ি তুলিছিল।"

ভাৰতবৰ্ষৰ ৰাজনৈতিক সমস্যা সমাধান কল্পে মন্ত্ৰীদূতে আগবঢ়োৱা আঁচনিৰ সন্দৰ্ভত দেশৰ বিভিন্ন ৰাজনৈতিক দল- উপদল আৰু জনসাধাৰণৰ মাজত দেখা দিয়া ক্ৰিয়া- প্ৰতিক্ৰিয়াৰ ফলস্বৰূপে ইয়াৰ কাৰ্যকৰীকৰণ সম্ভৱ হৈ নুঠিল। মূলতঃ মন্ত্ৰীদূতে ভাৰতৰ ৰাজনৈতিক সমস্যা সমাধান কৰিবলৈ ব্যৰ্থ হোৱাত বৃটিশ গৃহ চৰকাৰে ১৯৪৮ চনৰ জুন মাহৰ ভিতৰতে ভাৰতবৰ্ষ ত্যাগ কৰাৰ কথা ঘোষণা কৰে। বৃটিশ প্ৰধান মন্ত্ৰী চি আৰ এটলীয়ে ১৯৪৭ চনৰ ২০ ফেব্ৰুৱাৰী তাৰিখে কমন্‌ছ সভাত (House of Commons) দিয়া ভাষণৰ কিয়দাংশ প্ৰণিধানযোগ্য,[১৮] "His Majesty's Government desire to hand over their responsibility to authorities established by a constitution approved by all parties in India in accordance with the Cabinet Mission's plan But unfortunately there is at present no clear prospect that such a constitution and such authorities will emerge The present state of uncertainty is fraught with danger and cannot be indefinitely prolonged His Majesty's Government wish to make it clear that it is their definite intention to take the necessary steps to effect the transference of power to responsible Indian hands by a date not later than June 1948 "

এই ক্ষমতা হস্তান্তৰৰ লক্ষ্য আগত ৰাখিয়েই বৃটিশ গৃহ চৰকাৰে ভাৰতস্থ বৃটিশ ভাইচৰয় লৰ্ড ওৱাভেলৰ ঠাইত লৰ্ড মাউণ্টবেটেনক নিযুক্তি দি ভাৰতবৰ্ষলৈ পঠিয়ায়।

২২ মাৰ্চত ভাৰতবৰ্ষত উপনীত হৈয়ে লৰ্ড মাউণ্টবেটেনে ২৪ মাৰ্চত কাৰ্যভাৰ গ্ৰহণ কৰে আৰু প্ৰায় লগে লগেই কংগ্ৰেছ, লীগ আৰু শিখ নেতৃবৃন্দৰ সৈতে ক্ষমতা হস্তান্তৰৰ বিষয়ে উপৰ্যুপৰি আলোচনা চলায়। এই আলোচনাৰ জৰিয়তে তেওঁ পোনতে মন্ত্ৰীদূতৰ আঁচনিৰ কাৰ্যকৰীকৰণৰ বাবে পুনৰ চেষ্টা চলাই ব্যৰ্থ হয়।[১৭৯] সেয়ে তাৰ পিছতে তেওঁ দেশ বিভাজনৰ দিশত অগ্ৰসৰ হয়। পৰিস্থিতি তেওঁৰ বাবে অনুকূল আছিল। এই ক্ষেত্ৰত তেওঁ পোনতে কংগ্ৰেছৰ জৱহৰলাল নেহেৰু আৰু বল্লভভাই পেটেলৰ সম্মতি আদায় কৰে।[১৮০]

আজাদে ধৰ্মৰ ভিত্তিত দেশ বিভাজনৰ নীতি গ্ৰহণ কৰা নাছিল। তেওঁ কৈছিল,[১৮১] "The partition of India would be harmful not only to Moslems but to the whole country ." কিয়নো ধৰ্মীয় মতবিৰোধতকৈ অৰ্থনৈতিক সমস্যাহে দেশৰ প্ৰকৃত সমস্যা বুলি তেওঁ স্বীকাৰ কৰিছিল,[১৮২] " The real problems of the country were economic,not communal The differences related to classes, not to communities Once the country became free, Hindus, Moslems and Sikhs would all realize the real nature of the problems that faced them and commmunal differences would be resolved "

কিন্তু ক্ষমতাৰ লোভত মত্তলীয়া ৰাজনীতিকে কাৰ কথালৈ কৰ্ণপাত কৰে? বিভাজনৰ ভিত্তিত দেশৰ স্বাধীনতাৰ নীতি ভাৰতীয় বুৰ্জোৱা নেতৃবৰ্গৰ দ্বাৰা সমৰ্থিত হোৱাত বৃটিশ গৃহ চৰকাৰে ১৯৪৭ চনৰ জুলাই মাহত বৃটিশ সংসদত ভাৰতবৰ্ষৰ স্বাধীনতাৰ বিলখন গ্ৰহণ কৰি তাক আইনত ৰূপ (Indian Independence Act, 1947) দিয়ে আৰু সেই আইন মৰ্মেই ১৪ আৰু ১৫ আগষ্টত যথাক্ৰমে পাকিস্তান আৰু ভাৰতবৰ্ষই দীৰ্ঘদিনৰ আন্দোলন আৰু তাৰেই সমান্তৰালভাৱে চলাই অহা আপোচৰ ফল স্বৰূপে স্বাধীনতা লাভ কৰে।

---

সূত্ৰ নিৰ্দেশ


১ Ramesh Chandra Majumder, History of the freedom Move ment in India, vol III, p 534

২ Ibid , p 550

৩ Ibid ,p.559

৪ B Pattabhi Sitaramayya, The History of the Indian National Congress ,vol.II, p 345, Maulana Abul Kalam Azad, India Wins Freedom, p 92

৫ Majumder, op.cit ,p 572, Tendulkar, D.G , Mahatma Lfe of Mohandas Karamchand Gandhi, vol VI, pp 254 -56

৬ Subodh Roy, ed , Communism in India Unpublished Documents 1935-45, p.303

৭ Sitaramayya, op cit ,pp 342 & 345

৮ Quoted in R P Dutt, India Today, p 464
৯ Ibid
১০ Ibid
১১ Majumder, op cit ,pp 555-56
১২ Ibid ,p 557
১৩ Ibid ,p 559
১৪ গৌৰীশঙ্কৰ ভট্টাচাৰ্য, সবিনয় নিবেদন, পৃ ৫৭০
১৫ A C Bhuyan,ed ,et al , Political History of Assam, vol III,p 168
১৬ চিদানন্দ শইকীয়া সম্পাদিত, ধীৰেন দত্ত স্মৃতি গ্ৰন্থ, পৃ ১৩৫
১৭ ঐ
১৮ ঐ, পৃ ১৩৬
১৯ ঐ
২০ চঞ্চল শৰ্মা, শ্ৰীহট্টৰ বিপ্লববাদ ও কমিউনিষ্ট আন্দোলনঃ স্মৃতিকথা, পৃ ১৭৪-৭৫ , দখি মহন্ত, অসমত কমিউনিষ্ট আন্দোলনৰ জন্ম আৰু বিকাশৰ সম্বন্ধে, পৃ ৭০
২১ ঐ, চঞ্চল শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ১৭৫
২২ দখি মহন্ত, উল্লেখিত গ্ৰন্থ, পৃ ৭৬
২৩ চিদানন্দ শইকীয়া সম্পাদিত, উল্লেখিত গ্ৰন্থ, পৃ ১৩৬
২৪ ঐ, পৃ ১৩৭
২৫ গৌৰীশঙ্কৰ ভট্টাচাৰ্য, উল্লেখিত গ্ৰন্থ, পৃ ৫৭০
২৬ A C Bhuyan, ed , et al , pp 169-70
২৭ Ibid ,p 171
২৮ Ibid
২৯ Ibid
৩০ Ibid ,p 172
৩১ হৰিদাস ডেকা, জীৱন আৰু সংগ্ৰাম,পৃ ২৮ - ২৯
৩২ A C Bhuyan, ed , et al , p 178
৩৩ হৰিদাস ডেকা, উল্লেখিত গ্ৰন্থ, পৃ ৩৬
৩৪ তৰুণ সেন ডেকা, মুক্তি সংগ্ৰামৰ আধাৰত জীৱন কথা, পৃ ৫৭
৩৫ ঐ, পৃ ৬৪
৩৬ Saumyendranath Tagore, Revolution and Quit India,pp 36-37
৩৭ A C Bhuyan, ed , et al , p 176
৩৮ Ibid ,p 179
৩৯ পূৰ্ণ চন্দ্ৰ শৰ্মা, মোৰ অতীত সোঁৱৰণী আৰু নগাঁও জিলাত মুক্তি সংগ্ৰাম, দ্বিতীয় খণ্ড, পৃ ১৫০ - ১৫৪
৪০ ঐ
৪১ A C.Bhuyan, ed , et al , p 179
৪২ পূৰ্ণ চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ১৫৩

৪৩ A C Bhuyan, ed , et al , p 178

৪৪ হৰিদাস ডেকা, উল্লেখিত গ্ৰন্থ, পৃ ৫৯

৪৫ Census of India, 1921, vol I, India, Part I, Report, p.86

৪৬ Kaustavmoni Baruah, Foreigners in Assam and Assamese Middle Class, Social Scientist, vol.8, No 11, June, 1980, pp 44 -57; R.C Kalita, Immigration to Assam British Policy and Assamese Middle Class (1826-1900),Progs vol of the North East India History Association,1993, pp 178 - 86, R.C.Kalita, Immigration to Assam . British Policy and Assamese Middle Class (1900-47), Progs.Vol of the North East India History Association, 1993,pp 230-41

৪৭ Census of India, 1921, vol I, India, Part I, Report, p 86

৪৮ Kaustavmoni Baruah,op.cit

৪৯ Valentine Chirol, The Indian Unrest, p 82

৫০ শৈলধৰ ৰাজখোৱা, অতীতৰ সোঁৱৰণী, পৃ ১১৭ - ১৮

৫১ ঐ

৫২ The Assam provincial Banking Enquiry Committee, 1929-30,Evidence, Vol II, pp 508 - 09, 510 , 513

৫৩ Kaustavmoni Baruah,op cit ,R C Kalita, Immigration to Assam British Policy and Assamese Middle Class (1826-1900),Progs vol of the North EastIndia History Associa tion,1993, pp 178 -86, R C Kalita, Immigration to Assam British Policy and Assamese Middle Class (1900-47), Progs Vol of the North East India History Association, 1993,pp 230-41

৫৪ ৰামচৰণ ঠাকুৰীয়া সম্পাদিত, কালিৰাম মেধি স্মৃতিগ্ৰন্থ, পৃ ৮৩

৫৫ Census of India, 1921, vol I, India, Part I, Report, p 86

৫৬ হীৰেণ মিশ্ৰ, মন্ত্ৰীদ্বয়ৰ ষড়যন্ত্ৰত অসম, পৃ ১৫

৫৭ Report on Bengal and Assam,pp 249, 255

৫৮ Census of India, 1921, vol I, India, Part I, Report, pp 86 - 87

৫৯ Rejendra Prasad, Autobiography,p 260

৬০ বি টি ৰণদিভে, সাম্প্ৰদায়িকতাবাদ, নতুন পৃথিৱী, একাদশ বছৰ, দ্বিতীয় সংখ্যা, ১৯৮২ , পৃ ১৭২

৬১ Ramesh Chandra kalita,The Lure of Self-determination Ambikagiri and the CPI, *The North East Times*, Septem ber,19,20,&21,1999

৬২ Census Report, Assam, 1931, p 52

৬৩ এই পূৰ্ববঙ্গীয় অসম প্ৰবাসী লোক জনে ধুবুৰীৰ ওচৰৰ ভাষানীৰ চৰ নামে ব্ৰহ্মপুত্ৰৰ চৰ এখনত থাকিবলৈ লৈছিল বাবেই লোকে তেওঁক ভাষানীৰ মৌলানা বুলিছিল। তেওঁ মুছলীম লীগৰ সদস্য আছিল।

৬৪ *শাহৰিয়াৰ কবিৰ সম্পাদিত, মওলানা ভাসানী– ৰাজনৈতিক জীৱন ও সংগ্ৰাম,পৃ.৩২- ৩৩*

৬৫ A Life in Politics, An Interview with Sarat Chandra Singha, *The North East Times*, 26 November , 2000

৬৬ Amlendu Guha, Planter Raj to Swaraj, p.215

৬৭ Ibid.,p.211

৬৮ A C.Bhuyan,ed ,et.al.,op.cit.,p.251

৬৯ Ibid.,p.254

৭০ Ibid.,p 259

৭১ Ibid

৭২ Ibid.,p.260

৭৩ Ibid.

৭৪ *পদ্মনাথ গোহাঞিবৰুৱা, মোৰ সোঁৱৰণী, পৃ ৪৮ ; গোহাঞিবৰুৱা ৰচনাৱলী, পৃ.১৩৫*

৭৫ *ঐ, পৃ. ১৩৫- ৩৭*

৭৬ *ঐ, পৃ ১৪১*

৭৭ *ঐ, পৃ. ১৪০*

৭৮ A C Bhuyan,ed ,et.al ,op cit ,pp. 302-03

৭৯ *The Assam Tnbune*, 2 May 1941, quoted in ibid

৮০ *গোহাঞিবৰুৱা ৰচনাৱলী, পৃ ১৪১*

৮১ *The Assam Tribune*, 26 October 1945, quoted in A C Bhuyan,ed ,et al ,op cit ,p 309

৮২ Ibid., p 309

৮৩ Quoted in ibid ,p 306

৮৪ Ibid ,p 311

৮৫ Ibid ,p 315

৮৬ Ibid

৮৭ Ibid ,p.316

৮৮ Ibid.,pp 316- 17

৮৯ R.C Kalita,n̊o 61

৯০ A C Bhuyan,ed ,et.al ,op cit ,p 316

৯১ Ibid ,p 320

৯২ Ibid.,p 321

৯৩ Ibid ,p.322

৯৪ Quoted in Amalendu Guha, op.cit.,p.303

৯৫ Quoted in ibid ,p 302

৯৬ *বিজয় চন্দ্ৰ শৰ্মা, অসমৰ যুৱক আৰু ছাত্ৰ আন্দোলন, পৃ. ৫৫ - ৫৮*

৯৭ *ঐ, পৃ. ৫৬*

৯৮ *ঐ*

৯৯ ঐ,পৃ ৫৭
১০০ ঐ, পৃ. ৫৮
১০১ A C Bhuyan,ed.,et.al ,op.cit ,pp 185-86
১০২ বিজয় চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ. ৫৯ - ৬০
১০৩ ঐ, পৃ ৬১
১০৪ ঐ, পৃ ৬২ - ৬৩ ; A.C Bhuyan,ed ,et.al ,op cit ,p 186
১০৫ Ibid., বিজয় চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৫৯
১০৬ A.C Bhuyan,ed.,et al.,op cit ,p 185,Guha, op cit ,p.323
১০৭ Ibid
১০৮ Ibid
১০৯ বিজয় চন্দ্ৰ শৰ্মা, উল্লেখিত গ্ৰন্থ, পৃ ৬৫
১১০ ঐ, পৃ ৬৪ - ৬৫
১১১ ঐ, পৃ ৬৭
১১২ ঐ, পৃ ৬৭ - ৬৮
১১৩ ঐ, পৃ ৬৮
১১৪ জ্যোতিপ্ৰসাদ আগৰৱালা, জ্যোতি ধাৰা, পৃ ৫৯
১১৫ ঐ, পৃ ৫৯ - ৬০ ( বেজবৰুৱাৰ লিখনিখিনিৰ বাবে চাওক, বেজবৰুৱা গ্ৰন্থাৱলী, দ্বিতীয় খণ্ড, পৃ ১৮৪৯)
১১৬ Prafulla Misra, Communist Movement in Assam, North Eastern Affairs, July-September 1972,p 32
১১৭ Ibid
১১৮ Ibid
১১৯ R P Dutt, op cit ,p 468
১২০ Ibid
১২১ Quoted in Tara Chand, History of the Freedom Movement in India, vol IV,p 456
১২২ Amlendu Guha, op cit ,pp 306 - 07, R P Dutt, op cit ,p 470
১২৩ A C Bhuyan,ed ,et al ,op cit ,p 186
১২৪ লিখকলৈ ৰমেশ শৰ্মাৰ চিঠি, ১০/৬/১৯৮১ , Prafulla Misra, op cit ,p 32
১২৫ A C Bhuyan,ed ,et al ,op cit ,p 186
১২৬ Ibid ,p 182
১২৭ Ibid
১২৮ Ibid.,pp 182- 83
১২৯ Ibid
১৩০ R.P Dutt, op cit ,p 471
১৩১ Ibid
১৩২ Amlendu Guha, op cit ,p.307
১৩৩ R P Dutt, op cit ,p.471

১৩৪ Ibid ,p.472 , Amlendu Guha, op.cit.,p.308
১৩৫ R P.Dutt, op.cit.,p.473
১৩৬ Ibid.,p.474
১৩৭ Quoted in ibid.,pp 6-7
১৩৮ Ibid ,pp.476-77
১৩৯ Ibid ,p 385
১৪০ Ibid ,p 386
১৪১ Ibid
১৪২ Ibid ,p 479, emphasis added
১৪৩ Quoted in ibid ; Azad, op cit.,p 201
১৪৪ Quoted in R.P.Dutt, op.cit.,p 483
১৪৫ D C.Gupta, Indian National Movement, p.258;Azad, op cit ,p 177
১৪৬ Ibid
১৪৭ Ibid ,p 180
১৪৮ A C Bhuyan, ed , et.al op cit ,p 309
১৪৯ Ibid ,p 345
১৫০ Ibid ,p 346
১৫১ Ibid ,p.347
১৫২ Ibid ,p 351; চন্দ্ৰ প্ৰসাদ শইকীয়া সম্পাদিত, গোপীনাথ বৰদলৈ, পৃ ১১২-১৪,গান্ধীজীৰ সোঁৱৰণত, অসম প্ৰকাশন পৰিষদ, পৃ ২৬
১৫৩ ঐ
১৫৪ A C Bhuyan, ed , et al op cit ,p 356
১৫৫ Ibid ,pp 352-53,গান্ধীজীৰ সোঁৱৰণত, অসম প্ৰকাশন পৰিষদ, পৃ ২৬-২৭
১৫৬ A C Bhuyan, ed , et al op cit ,p 357
১৫৭ বিজয় চন্দ্ৰ শৰ্মা, উল্লিখিত গ্ৰন্থ, পৃ ৬৭
১৫৮ A C Bhuyan, ed , et al op cit ,p 362
১৫৯ Azad, op cit ,p 201
১৬০ A.C Bhuyan, ed , et al , op cit ,p 367
১৬১ Tara Chand, op cit ,pp 485-86
১৬২ গান্ধীজীৰ সোঁৱৰণত, অসম প্ৰকাশন পৰিষদ, পৃ ৩৩-৩৯
১৬৩ Quoted in Azad, p 201
১৬৪ Statesman, 8 January, 1947, quoted in A.C Bhuyan, ed.,et al ,op cit ,p 386,fn
১৬৫ চন্দ্ৰ প্ৰসাদ শইকীয়া সম্পাদিত, উল্লিখিত গ্ৰন্থ, পৃ ১৯৩
১৬৬ A C Bhuyan, ed , et al ,op cit ,p 369
১৬৭ Ibid ,p 370
১৬৮ T G Jacob,ed , National Question in India·CPI Docu-

ments,1942-47,p 49

১৬৯ Memorandum of the Communist Party of India to the Brit ish Cabinet Mission, April,1946, quoted in ibid ,p.238, em phasis added.

১৭০ বীৰেশ মিশ্ৰ, উল্লেখিত গ্ৰন্থ, পৃ ৩-৪

১৭১ ঐ, পৃ ৫-৬

১৭২ ঐ, পৃ ৫

১৭৩ ঐ, পৃ ১৩-১৪

১৭৪ ঐ, পৃ ১৫-১৬

১৭৫ A C Bhuyan, ed , et al , op cit , p 353

১৭৬ লিখকলৈ ৰমেশ শৰ্মাৰ চিঠি, পূৰ্বে উল্লেখিত , Prafulla Misra, op cit , p 33

১৭৭ লিখকলৈ ৰমেশ শৰ্মাৰ চিঠি, পূৰ্বে উল্লেখিত

১৭৮ Tara Chand, op cit ,p 496

১৭৯ D C Gupta, op cit ,p 267

১৮০ Azad, op cit ,p 216

১৮১ Ibid

১৮২ Ibid

৭

# উপসংহাৰ

স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকাৰ এই দীঘলীয়া আলোচনাৰ পৰা আমাৰ সন্মুখত কেইটাও কথা পৰিষ্কাৰ হৈ পৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ পিছতে ভাৰতবৰ্ষই হ'ল দ্বিতীয়খন দেশ যিয়ে ইংল্যাণ্ডৰ বিৰুদ্ধে আন্দোলন কৰি স্বাধীনতা লাভ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ স্বাধীনতা ৰণৰ নেতৃত্ব লৈছিল মূলতঃ ইংল্যাণ্ডৰ তলতীয়া তেৰখন উপনিবেশ দেশে একত্ৰে আৰু এই ৰণে আৰম্ভণীৰ পৰা ( ১৭৭৪ চন) শেষলৈ (১৭৮৩) লৈছিল মাত্ৰ ৯ বছৰ কাল। স্বাধীনতা ৰণৰ নেতৃত্ব দিছিল সেইসকল লোকে যিসকলে নতুন মহাদেশখন আবিষ্কৃত হোৱাৰ পিছৰপৰাই ৰুচ দেশকে আদি কৰি ইয়োৰূপৰ বিভিন্ন দেশৰপৰা তালৈ প্ৰব্ৰজন কৰি গৈছিল।

বৃটিশে ভাৰতবৰ্ষত প্ৰথম খিতাপি লোৱাৰ পৰাই বিভিন্ন প্ৰান্তত দেশীয় জনসাধাৰণৰ সৈতে বিক্ষিপ্তভাৱে হোৱা প্ৰতিৰোধ সংগ্ৰাম সমূহৰ কথা বাদ দি কেৱল ১৮৫৭-৫৮ চনত সংঘটিত হোৱা মহা বিদ্ৰোহকেই দেশৰ স্বাধীনতাৰ প্ৰথম সংগ্ৰাম বুলি ধৰি ললে আমাৰ দেশে স্বাধীনতা প্ৰাপ্তিলৈ (১৯৪৭) মুঠতে ৯০ বছৰ জোৰা এক সুদীৰ্ঘ কালৰ সংগ্ৰামত লিপ্ত আছিল। অৰ্থাৎ আমাৰ দেশৰ স্বাধীনতা সংগ্ৰামৰ কাল আছিল প্ৰায় ৯০ বছৰ। বৃটিশ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংঘটিত স্বাধীনতা সংগ্ৰামৰ এই ব্যাপ্তি তথা দীৰ্ঘতাই ভাৰতবৰ্ষৰ দৰে বহু ভাষিক বহু জাতিক বহু ধৰ্মীয় এই পুৰাতন আৰু বিশাল দেশখনৰ জনসাধাৰণৰ মাজত বিশেষকৈ ধৰ্মীয় দিশত বিভাজন আনিবলৈ সাম্ৰাজ্যবাদী বৃটিশক যথেষ্ঠ সুযোগ সুবিধা উলিয়াই দিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে আমাৰ দেশৰ স্বাধীনতা সংগ্ৰামখনো ক্ষীপ্ৰ আৰু খৰতকীয়া হোৱাহেঁতেন আমাৰ দেশৰ বৰ্তমানৰ ইতিহাসো নিতান্তই পৃথক হ'লহেঁতেন। আনহাতে যি ধৰ্মীয় পৃথকত্ববাদে দেশখনক ৰাজনৈতিকভাৱে বিভাজিত কৰাত সাম্ৰাজ্যবাদী বৃটিশক সহায় কৰিলে তাতো দেশৰ বিপুল সংখ্যাক ধৰ্ম ভীৰু তথা ধাৰ্মিক লোকৰ কোনো ভূমিকাই নাছিল, ধৰ্মৰ গহীনা লৈ বা তাৰেই ভিত্তিত দেশ বিভাজনত যিসকলে সন্মতি দিছিল, তেওঁলোক কোনো ধৰ্ম গুৰুও নাছিল, নতুবা দেশে স্বাধীনতাৰ বাবে কোনো ধৰ্ম যুদ্ধতো লিপ্ত হ'ব লগা হোৱা নাছিল, ধৰ্মৰ ভিত্তি কটা-মাৰা চলিছিল দেশ বিভাজনৰ লগে লগেহে। দেশৰ স্বাধীনতা আন্দোলনৰ এইটোৱেই হ'ল ডাঙৰ ট্ৰেজেদি। এইটো আছিল স্বাধীনতা আন্দোলনৰেই তত্ত্বগত (ideological) দীনতা বা দুৰ্বলতা।

আনহাতে ১৯২০ ৰ পৰা ১৯৪২ চনৰ ভিতৰত গান্ধীৰ নেতৃত্বত হোৱা আৰু তেওঁৰ দ্বাৰা পৰিচালিত আন্দোলনৰ লক্ষ্য আৰু উদ্দেশ্যও আছিল দ্ব্যৰ্থক, কোনো কোনো সময়ত ঘোষিত লক্ষ্য আৰু উদ্দেশ্যতকৈ কৰ্ম ক্ৰমণিকা আছিল বেলেগ, অৰ্থাৎ পৰ্দাৰ পিছ পিনে পৃথক মতলবে কাম কৰিছিল। বিশেষকৈ আসহযোগ আন্দোলনৰ

লক্ষ্য আৰু উদ্দেশ্য কি আছিল, এই আন্দোলন কিয় আৰম্ভ কৰা হৈছিল, এই আন্দোলন বৃটিশৰ কিবা ক্ষতি বা অনিষ্ট কৰিবলৈ কৰা হৈছিল নে, আন্দোলন আৰম্ভ কৰাৰ পিছতো বৃটিশ বিৰোধী (?) লোক গান্ধীৰ প্ৰতি চৰকাৰৰ কি দৃষ্টিভঙ্গী আছিল — এই সকলোবোৰ প্ৰশ্নৰ উত্তৰ স্বয়ং গান্ধীৰ লিখনীৰ তথা সময়ে সময়ে তেওঁ চৰকাৰলৈ লিখা চিঠি - পত্ৰৰ পৰাই দিব পাৰি। অসহযোগ আন্দোলন আৰম্ভ কৰাৰ প্ৰায় এবছৰ মান পূৰ্বে বৃটিশ ভাইচৰয়ৰ ব্যক্তিগত সচিবলৈ লিখা চিঠি এখনত (১৮ জুন, ১৯১৯) গান্ধীয়ে সত্যাগ্ৰহ আন্দোলনৰ প্ৰয়োযোগিতা সম্পৰ্কে কৈছিল,[১] " The awful experiences of the past two months and a half have shown me that there is nothing save satyagraha of which civil disobedience is an integral part, that can possibly save India from Bolshevism and even worse fate *satyagraha alone can smooth the relations between Englishmen and Indians* "

১৯২০ চনৰ ৩ এপ্ৰিল তাৰিখে *Times of India* ত প্ৰকাশিত চিঠি এখনত তেওঁ লিখিছিল,[২] " The country requires some definite action And nothing can be better for the country than non-co-operation as some definite action *The forces of violence cannot be checked otherwise* "

১৯২১ চনৰ ১৮ জুন তাৰিখে বোম্বেত অনুষ্ঠিত সভা এখনত গান্ধীয়ে আনন্দেৰে দাবী কৰিছিল ' যে তেওঁ পৰিচালনা কৰা অসহযোগ আন্দোলন আছিল, " a great bulwark against Bolshevism "

অসহযোগ আন্দোলন আৰম্ভ কৰাৰ আগমুহূৰ্তত গান্ধীয়ে কৈছিল,[৩] " the movement (proposed non-co-operation) is not anti-English It is not even anti-Government "

আমি যথা স্থানত উল্লেখ কৰি আহিছোঁ যে তুৰস্ক আৰু সেই দেশৰ খলিফাৰ প্ৰতি ১৯১৯ চনৰ ভাৰ্ছাই শান্তি চুক্তিৰ জৰিয়তে মিত্ৰ শক্তিয়ে কৰা অন্যায়ৰ প্ৰৰিপ্ৰেক্ষিতত সমগ্ৰ বিশ্বৰে ইছলাম ধৰ্মাৱলম্বী লোকসকল ভীষণভাৱে অসন্তুষ্ট হৈ পৰিছিল, ভাৰতবৰ্ষতো তাৰ কোনো ব্যতিক্ৰম হোৱা নাছিল। গতিকে ভাৰতবৰ্ষৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ বৃটিশ বিৰোধী ক্ষোভ প্ৰশমিত কৰাৰ বাবেই গান্ধীয়ে অসহযোগ আন্দোলনৰ অৱতাৰণা কৰিছিল বুলি নিজেই স্বীকাৰ কৰিছে,[৪] " I am convinced that, had there been no move for non-co-operation, violence would long since have broken out It is non-co-operation which has prevented violence The Muslims are boiling over, but they have kept their patience in the belief that the Hindus are with them "

বৃটিশ চৰকাৰ তথা বৃটিশ সাম্ৰাজ্যবাদৰ প্ৰতি গান্ধীৰ সদৰ্থক দৃষ্টিভঙ্গী আৰু সহায়ক ভূমিকা সম্পৰ্কে চৰকাৰো সঠিকভাৱেই অৱহিত আছিল, আৰু সেয়ে গান্ধীয়ে মাজে সময়ে কৰা অনশণ কাৰ্যই তেওঁৰ স্বাস্থ্যৰ ক্ষতি সাধন কৰিব পাৰে বুলি তেওঁলোক শংকিত হৈ পৰিছিল, আৰু তেনে কাম নকৰিবলৈ ভাইচৰয়ৰ ব্যক্তিগত সচিবে ১৯১৯

চনৰ ২০ এপ্ৰিল তাৰিখৰ চিঠি এখনৰ জৰিয়তে গান্ধীক পৰামৰ্শ দিছিল,* " Don't do too much fasting ! You are not strong enough yet and I am sure yours is an influence which we shall all want at full horse power."

গতিকে এই বিলাকৰ পৰা দেখা যায় গান্ধীয়ে অসহযোগ আন্দোলনৰ জৰিয়তে এবছৰৰ ভিতৰতে দেশৰ বাবে স্বৰাজ আনিবলৈ বিচৰা নাছিল, নতুবা দেশৰ ইছলাম ধৰ্মাবলম্বী লোকসকলৰ প্ৰতি সমৰ্থন দি তুৰস্ক আৰু সেই দেশৰ প্ৰতি বৃটেইনকে আদি কৰি মিত্ৰ শক্তিয়ে কৰা অন্যায়ৰ প্ৰতিকাৰো বিচৰা নাছিল, বিচাৰিছিল ভাৰতবৰ্ষত বৃটিশ চৰকাৰৰ নিৰাপত্তা, আৰু বিচাৰিছিল যাতে ভাৰতবৰ্ষত ৰুচ দেশৰ বলছেভিজিমৰ ভূতে খিলাফত-খিলাব লোৱাৰে আৰু বৃটিশ চৰকাৰৰ বাবে কোনো বিপদৰো সৃষ্টি কৰিব নোৱাৰে।

১৯৩০ চনত আৰম্ভ কৰা আইন অমান্য আন্দোলনৰ মাজতেই তেওঁ হৰিজন সেৱাত মনোনিবেশ কৰাৰ অজুহাতত আন্দোলন স্থগিত ৰাখিছিল।

আনহাতে বিয়াল্লিশৰ আন্দোলনটো আৰম্ভ কৰা হৈছিল দেশৰ ক্ৰমবৰ্দ্ধমান বৈপ্লৱিক ৰাজনৈতিক মতাদৰ্শৰ সম্প্ৰচাৰ আৰু সম্প্ৰসাৰণক প্ৰতিহত কৰাৰ বাবে। উল্লেখ কৰিব পাৰি যে বিয়াল্লিশৰ আন্দোলনত ব্যাপক কুটঘাটমূলক কাৰ্যই অগ্ৰাধিকাৰ তথা প্ৰাধান্য পাইছিল। আন্দোলনৰ প্ৰায় আগ মুহূৰ্তত গান্ধীয়ে ৰাজনৈতিক অস্ত্ৰ হিচাপে অহিংসাৰ বিপৰীতে অন্য পন্থাও প্ৰয়োজন হলে ব্যৱহাৰ কৰিব পাৰিব বুলি ঘোষণা কৰিছিল যদিও আন্দোলন পূৰা-পুৰি হিংসাত্মক হোৱাত গান্ধীয়ে আনকি সেই আন্দোলনৰ দায়িত্বও অস্বীকাৰ কৰিছিল। গান্ধীকে অনুসৰণ কৰি কংগ্ৰেছৰ অন্যান্য শীৰ্ষ স্থানীয় নেতা জৱহৰলাল নেহেৰু, বল্লভভাই পেটেল, গোবিন্দ বল্লভ পন্ত আদিয়ে আন্দোলনটো গান্ধী অথবা এ.আই ছি ছি য়ে (A I C C ) অৰ্থাৎ কংগ্ৰেছে আৰম্ভ কৰা নাছিল বুলিয়েই ঘোষণা কৰিছিল। তেনেহলে আমি কি বুজিব লাগিব যে কংগ্ৰেছৰ ভিতৰত আৰু বাহিৰত থকা দেশৰ স্বাধীনতা প্ৰয়াসী বিপুল জনসাধাৰণ আৰু অন্যান্য বিভিন্ন ৰাজনৈতিক দল- উপদলৰ নিৰন্তৰ চেষ্টা আৰু পুৰুষাৰ্থৰ ফলশ্ৰুতিতেই দেশে স্বাধীনতা লাভ কৰিছিল। হয়তো কথাটো আংশিকভাৱে সত্য।

দেশে স্বাধীনতা লাভ কৰাৰ ক্ষেত্ৰত বৃটিশ সাম্ৰাজ্যবাদৰ শক্তি টুটি অহা অৱস্থাইয়ো পৰোক্ষভাৱে অৰিহণা যোগাইছিল।

আকৌ ১৯১৭ চনত ৰুচ দেশত সংঘটিত হোৱা অক্টোবৰ সমাজতান্ত্ৰিক বিপ্লৱেও ইংল্যাণ্ড আৰু ভাৰতবৰ্ষ উভয় দেশতে চৰকাৰৰ মনত সদায়েই এটি ৰাজনৈতিক শঙ্কাৰ সৃষ্টি কৰি ৰাখিছিল। বিশাল দেশ ভাৰতবৰ্ষও ৰাজনৈতিকভাৱে ৰুচ দেশৰ অনুগামী হোৱাৰ ভয় এটি নিশ্চয় ইংল্যাণ্ডৰ আছিল। দ্বিতীয় বিশ্ব যুদ্ধৰ শেষৰ পিনে পূৰ্ব ইয়োৰোপত সংঘটিত দ্ৰুত ৰাজনৈতিক পৰিবৰ্তনে তেনে এটি সম্ভাৱনা আৰু বেছি ঘনীভূত কৰিছিল যেন লাগে।

তদুপৰি বিজয়ৰ জয়মাল্য পৰিধান কৰিলেও দ্বিতীয় বিশ্ব যুদ্ধই ইংল্যাণ্ডৰ কঁকাল ভাঙিছিল, তেনে অৱস্থাত তেওঁলোকে যে ভাৰতবৰ্ষত ভৱিষ্যতে ৰাজনৈতিক আন্দোলন, সংঘৰ্ষ, সংগ্ৰাম পূৰ্বৰ দৰে নিয়াৰিকৈ চম্ভালিব পাৰিব তাৰো ইয়াত্তা নাছিল।

গতিকে ভাৰতবৰ্ষক স্বাধীনতা প্ৰদানৰ বাদে ইংল্যাণ্ডৰ হাতত কোনো বিকল্প নাছিল। সেয়ে তেওঁলোকে দানকৰ্তাৰ আত্মতুষ্টিতাৰে সদা গৌৰবান্বিত হৈ থাকিবলৈ তেওঁলোকৰ সংসদত গ্ৰহণ কৰা এখন আইনৰ মাধ্যমত ভাৰতবৰ্ষক স্বাধীনতা প্ৰদান কৰিছিল। লগতে পাকিস্তানকো। স্বাধীনতা সংগ্ৰামী ভাৰতবৰ্ষৰ ৰাজনৈতিক নেতাসকলৰ সৈতে ইংল্যাণ্ডে কৰা কোনো চুক্তিৰ মাধ্যমত দেশে স্বাধীনতা লাভ কৰা নাছিল। অপ্ৰিয় হলেও সত্য কথা যে দেশে আপোচৰ মাধ্যমতহে স্বাধীনতা লাভ কৰিছিল। কংগ্ৰেছৰ বুৰ্জোৱা নেতৃত্বৰ বাবেই সেইটো সম্ভৱ হৈছিল।

এই প্ৰসংগতে উপস্থাপিত আমাৰ আলোচনাৰ মূল বিষয়-বস্তু আছিল স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা আৰু সেয়ে উক্ত আলোচনাৰ মাজেৰে ওলাই অহা আন কেইটামান প্ৰাসংগিক কথাও এই খিনিতে উনুকিয়াই যোৱাতো বিধেয় হ'ব যেন লাগিছে। বিদ্যায়তনিক কাৰ্যত ব্যস্ত হৈ থাকিলেও ছাত্ৰসকল প্ৰবাহমান ৰাজনৈতিক ঘটনা পৰিক্ৰমাৰপৰা আঁতৰি থাকিব নোৱাৰে বা নাথাকে। ছাত্ৰসকলো সমাজৰেই লোক, একাংশ, গতিকে সমাজ বা দেশত কি ঘটিছে বা ঘটি আছে তাৰ পৰা ছাত্ৰসকল নিৰপেক্ষ বা নিৰ্বিকাৰ হৈ থাকিব নোৱাৰে। যৌৱনৰ অদম্য শক্তিয়ে ছাত্ৰসকলক সততে কৰ্ম চঞ্চল কৰি ৰাখে, তাতে আকৌ এই সময়ত ভাল- বেয়া যি কোনো আদৰ্শই তেওঁলোকক আকৰ্ষণ কৰাৰ সম্ভাৱনা থাকে। কিয়নো ছাত্ৰ-যুৱকসকল স্বাভাৱিকতে আদৰ্শবান হোৱাতো পছন্দ কৰে, সংসাৰৰ জটিল মায়া-মোহেও তেওঁলোকক চুব নোৱাৰে। সেয়ে দেশৰ প্ৰবহমান ৰাজনৈতিক ঘটনাস্ৰোতত তেওঁলোক সচেতনভাৱেই জড়িত হৈ পৰে।

যিসকল বুৰ্জোৱা পণ্ডিত- বুদ্ধিজীৱীয়ে ছাত্ৰসকল ৰাজনীতিত জড়িত হ'ব নালাগে বুলি নীতি - বচন আওৰাই থাকে তেওঁলোকেও দেখা যায় নিজৰ কায়েমী স্বাৰ্থ পূৰণৰ বাবে ছাত্ৰসকলক ৰাজনৈতিক কাম-কাজত সততে নিয়োজিত কৰে। আমি আমাৰ আলোচনাৰ মাজত দেখা পাই আহিছোঁ যে সুৰেন্দ্ৰনাথ বেনাৰ্জী, গান্ধী, পদ্মনাথ গোহাঁঞিবৰুৱা, তৰুণ ৰাম ফুকন, কৃষ্ণকান্ত সন্দিকৈ আদি কৰি কেবাজনো লোকে ছাত্ৰসকলক ৰাজনৈতিক আন্দোলনত জড়িত হৈ পৰাতো বিচাৰিছিল।

"পঢ়াই, পুঠৰে, ৰোৱেই পাথ, এই তিনিওয়ে নিচিন্তে আন" নতুবা "ছাত্ৰানাং অধ্যয়নং তপঃ"– ছাত্ৰ সম্পৰ্কে এসময়ত প্ৰচলিত ভাবাদৰ্শৰ কোন কাহানিবাই অন্ত পৰিল। স্বাধীনতা আন্দোলনৰ ইতিহাসে তাক পৰিষ্কাৰ কৈ প্ৰমাণ কৰিলে।

আমাৰ আলোচনাৰ আদিছোৱাত প্ৰথমতে অসংগঠিত আৰু পিছত সংগঠিত ৰূপ লোৱালৈ (১৮২৬ - ১৯১৬) সমাজ বা জাতি গঠনত অসমৰ ছাত্ৰসকলৰ মুখ্য ভূমিকা আৰু কাৰ্যক্ৰমণিকাৰ পৰিমণ্ডল আছিল ভাষা- সাহিত্য-সংস্কৃতিৰ পুনৰুজ্জীৱনতেই সীমাবদ্ধ আৰু কেন্দ্ৰীভূত। তেওঁলোকৰ আদৰ্শ আছিল মূলতঃ ভাষিক -সাংস্কৃতিক জাতীয়তাবোধ বা জাতীয়তাবাদ ( Linguistic cultural nationalism)। ঐতিহাসিক প্ৰেক্ষাপটৰ পিনে দৃষ্টি ৰাখিলে দেখা যায় এই ভূমিকা আছিল সদৰ্থক ( Positive)। এই জাতীয়তাবোধ বা জাতীয়তাবাদ ৰাজনৈতিক মতাদৰ্শ পুষ্ট নাছিল, ই তেতিয়াও সাম্ৰাজ্যবাদ বিৰোধী চৰিত্ৰ পৰিগ্ৰহ কৰা নাছিল। বৰং অসমত বৃটিশ

সাম্ৰাজ্যবাদ সমাজ বিকাশৰ আহিঁ আদৰ্শ ৰূপেহে পৰিগণিত হৈছিল। আমি বিশেষকৈ আনন্দৰাম ঢেকিয়াল ফুকন , গুণাভিৰাম বৰুৱা, চন্দ্ৰ কুমাৰ আগৰৱালা,অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য, আনন্দ চন্দ্ৰ আগৰৱালা, হেম চন্দ্ৰ গোস্বামী আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ লিখনীলৈ দৃষ্টিপাত কৰিলেই কথাষাৰ স্পষ্ট হৈ পৰিব। তেওঁলোকে প্ৰধানতঃ বৃটিশ সাম্ৰাজ্যবাদী শাসনৰ পৰিকাঠামোৰ ভিতৰত থাকিয়েই অসমৰ সমাজখনে পুঁজিবাদী বিকাশৰ পথত নিৰন্তৰ আগবাঢ়িব পাৰিব বুলি আন্তৰিকতাৰে সৈতে বিশ্বাস কৰিছিল। তেওঁলোকে অসমৰ বিকাশৰ উন্নতিৰ একমাত্ৰ চাবি-কাঠি ৰূপে বিশ্বাস কৰিছিল বৃটিশৰ লেজত ধৰি অসমলৈ অহা পুঁজিবাদী বিকাশৰ আহিঁ-আদৰ্শক। দেশৰ স্বাধীনতাৰ কল্পনা আছিল তেওঁলোকৰ বৌদ্ধিক চিন্তা- চৰ্চা- কৰ্ম পৰিমণ্ডৰ বাহিৰত।

গতিকে এফালে ভাষা-সাহিত্য- সংস্কৃতিৰ প্ৰতি সেৱা আৰু আনফালে সাম্ৰাজ্যবাদী শাসনৰ প্ৰতি আনুগত্য আৰু তাৰ সৈতে সহযোগিতা— এই দুটাই আছিল সেই জাতীয়তাবোধ বা জাতীয়তাবাদৰো মূল সূঁতি । এই মতাদৰ্শও অসমীয়া ছাত্ৰৰ সুকীয়া মতাদৰ্শ নাছিল, ই আছিল বৃটিশ শাসনৰ সহযোগী মিত্ৰ উদীয়মান অসমীয়া মধ্যবিত্ত শ্ৰেণীৰেই অৱদান।

সাম্ৰাজ্যবাদী শাসনৰ প্ৰতি থকা এই অবিতৰ্কিত আনুগত্যৰ বাবেই তেওঁলোকৰ ভালেমানে অসমীয়া ভাষা- সাহিত্য- সংস্কৃতিৰ বিপৰ্যয়ৰ বাবে সাম্ৰাজ্যবাদী শাসকৰ ভূমিকাক দোষাৰোপ নকৰি তাৰ বাবে দায়ী কৰিছিল স্বদেশীয় প্ৰান্তীয় ভাষাৰ লোক সমষ্টি বঙালীসকলক, যিটো কোনো পধ্যেই ইতিহাস সম্মত আৰু সমৰ্থন যোগ্য নহয়।" অসমত অসমীয়া ভাষাৰ বাবে ভাষিক দুৰ্যোগৰ সৃষ্টি কৰিছিল বৃটিশ শাসনকৰ্তাসকলেই, আৰু তাৰ বাবে তেওঁলোকহে দায়ী। কিন্তু এই ক্ষেত্ৰত তেওঁলোকৰ ভূমিকাক দোষাৰোপ নকৰি বঙালী আমোলাসকলকহে দোষাৰোপ কৰিবলৈ লোৱা কথাই বৃটিশৰ কুৰভিসন্ধিৰ কথাহে প্ৰতীয়মান কৰে। এই ক্ষেত্ৰত সঠিক দৃষ্টিভঙ্গী লোৱাত উদীয়মান অসমীয়া মধ্যবিত্ত শ্ৰেণী চূড়ান্তভাৱে বিফল হৈছিল। এইটো অসমীয়া ৰেনেছাঁৰো অন্যতম বিফলতা।

১৯২০ ৰ পৰা ১৯৪৭ চনলৈ স্বাধীনতা আন্দোলনৰ এই কালছোৱাক মূলতঃ ভাৰতীয় বুৰ্জোৱা জাতীয়তাবাদৰ যুগ আৰু লগতে সাম্ৰাজ্যবাদ বিৰোধী যুগ বুলিও ক'ব পাৰি। ১৯২০ চনৰপৰা জাতীয়তাবাদী চিন্তা-স্ৰোতৰ লগত সাম্ৰাজ্যবাদ বিৰোধী মতাদৰ্শৰ মিলনৰ সলতেই স্বাধীনতা আন্দোলনে ক্ৰমাগতভাৱে শক্তি সঞ্চয় কৰিবলৈ ধৰে। যি ক্ষেত্ৰত পূৰ্বসুৰীসকলে স্বাধীনতাৰ কথা কল্পনাই কৰিব পৰা নাছিল তেনে ক্ষেত্ৰত নতুন প্ৰজন্মৰ লোকে দেশৰ স্বাধীনতাৰ প্ৰশ্নটোক বাস্তৱায়িত কৰিব পৰা এক ৰাজনৈতিক প্ৰপঞ্চলৈ উন্নীত কৰি কৰ্ম ক্ষেত্ৰত আগবঢ়াত অন্দোলনৰ কাৰ্যসূচীয়ে ব্যাপক জন সমৰ্থন লাভ কৰিবলৈ সমৰ্থ হৈছিল। লগতে স্বাধীনতা আন্দোলনত ছাত্ৰসকলৰ অংশ গ্ৰহণে আন্দোলনৰ গণ ভিত্তি প্ৰস্তুত কৰাত প্ৰভূত সহায় কৰিছিল। ছাত্ৰসকলৰ অংশ গ্ৰহণে স্বাধীনতা আন্দোলনৰ ৰাজনৈতিক কাৰ্যসূচীৰ সম্প্ৰচাৰ আৰু সম্প্ৰসাৰণৰ ক্ষেত্ৰতো ব্যাপক অৰিহণা যোগাইছিল। প্ৰগতিশীল ৰাজনৈতিক মতাদৰ্শইও পোনতে

ছাত্ৰসকলৰ মাজতেই খিতাপি লৈছিল আৰু বিদেশী সাম্ৰাজ্যবাদৰ পদানত দেশৰ জনসাধাৰণৰ সাধাৰণ ৰাজনৈতিকায়নতো ছাত্ৰসকলৰ অংশ গ্ৰহণে প্ৰভূত সহায় কৰিছিল।

পাশ্চাত্য শিক্ষাত শিক্ষিত ভাৰতীয় মধ্যবিত্ত শ্ৰেণীৰ নেতৃত্বতেই মূলতঃ এই স্বাধীনতা আন্দোলন চলিছিল আৰু স্বাধীনতা আন্দোলনৰ অগ্ৰণী সংগঠন কংগ্ৰেছ হৈ পৰিছিল প্ৰায় ১৯০৫ চনৰ বঙ্গভঙ্গ আন্দোলনৰ সময়ৰ পৰাই দেশৰ বিভিন্ন ৰাজনৈতিক দল-উপদলৰ এক উমৈহতীয়া ৰাজনৈতিক মঞ্চ, অন্ততঃ ইয়াৰ পৰৱৰ্তী তিনিটা বৃহৎ গণ অভ্যুত্থানৰ সময়তো ইয়াৰ সামগ্ৰীক চৰিত্ৰ তথা গাঁঠনি তেনেকুৱা হৈয়েই ৰৈছিল। অৱশ্যে এই মঞ্চৰ নেতৃত্বশালী ভূমিকা লোৱা অংশটোৱে সদা সৰ্বদা চেষ্টা কৰি আহিছিল যাতে এই ব্যাপক গণ আন্দোলনবিলাক স্বাধীনতাৰ কাৰ্যসূচী ব্যতিৰেকে দেশীয় জমিদাৰ-মহাজন-পুঁজিপতি শ্ৰেণীৰ স্বাৰ্থৰ ক্ষতি সাধন কৰিব পৰা কোনো পৰ্যায়লৈ নাযায়। এই শ্ৰেণীসমূহৰ স্বাৰ্থত আন্দোলন সমূহক 'ৰিমোট কন্ট্ৰোল'ৰ সহায়ত নিয়ন্ত্ৰণ কৰি ৰখা হৈছিল। মুঠতে আন্দোলন যাতে সামন্তীয় ভাবাদৰ্শ আৰু দেশীয় জমিদাৰ -মহাজন- পুঁজিপতি শ্ৰেণীৰ স্বাৰ্থৰ বিপৰীতে নাযায় বা পৰিচালিত নহয় তাৰ বাবে নেতৃত্ব সদায়েই সতৰ্ক থাকিছিল।

বৃটিশ সাম্ৰাজ্যবাদীসকলৰ দ্বাৰা লালিত-পালিত ধৰ্মীয় আৰু ভাষিক সাম্প্ৰাদায়িকতাৰ মূলোচ্ছেদ নকৰি বৰং নিজ নিজ শ্ৰেণী স্বাৰ্থৰ প্ৰয়োজনতেই সিহঁতে সেইবিলাকক সাৰ পানী দি আটোমটোকাৰীকৈ জীয়াই ৰাখিছিল। বিশেষকৈ হিন্দু আৰু মুছলমান এই উভয় সম্প্ৰদায়ৰ ভূ-স্বামী, জমিদাৰ-মহাজন-নৱাব-জাইগীৰদাৰ আৰু কল-কাৰখানাৰ মালিক শ্ৰেণীয়ে তেওঁলোকৰ নিজ নিজ শ্ৰেণী স্বাৰ্থৰ খাটিৰতেই উভয় সম্প্ৰদায়ৰেই শ্ৰমজীৱী-কৃষিজীৱী মেহনতী জনসাধাৰণক ঐক্যবদ্ধ হবলৈ এৰি দিয়াতো বিপদজনক গণ্য কৰিছিল। ইয়াৰ ক্ৰিয়া- প্ৰতিক্ৰিয়া স্বাধীনতা আন্দোলনত পৰাৰ লগতে ছাত্ৰ সংগঠন আৰু আন্দোলনতো পৰিছিল। উভয় সম্প্ৰদায়ৰেই তথাকথিত বুৰ্জোৱা শ্ৰেণীয়ে ধৰ্মীয় ভেদবাদৰ আশ্ৰয় লৈছিল।*

কিন্তু তথাপিও স্বাধীনতা আন্দোলনৰ বিভিন্ন স্তৰৰ ভালেমান কাৰ্যসূচীত অংশ গ্ৰহণ কৰি অভিজ্ঞতা আৰু অধ্যয়নৰ জৰিয়তে একাংশ ছাত্ৰই প্ৰথম বিশ্ব যুদ্ধৰ প্ৰায় অব্যবহিত পিছৰ কালছোৱাতেই ৰুচ বিপ্লৱ আৰু সাম্যবাদী আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত আৰু উদ্বুদ্ধ হৈ সাম্ৰাজ্যবাদী ষড়যন্ত্ৰ, ধৰ্মীয় তথা সাম্প্ৰদায়িক ভেদবাদ পৰিহাৰ কৰি শোষণ বিহীন আৰু শ্ৰেণীহীন সুন্দৰ সুখময় সমাজ প্ৰতিষ্ঠাৰ ইতিহাস সিদ্ধ পৰীক্ষিত পথেৰে দৃঢ় পদক্ষেপেৰে ওলাই অহাতো নিতান্তই সুখ আৰু সন্তোষৰ কথা আছিল। সামন্তীয় ভাবাদৰ্শ, সাম্ৰাজ্যবাদী আৰু দেশীয় পুঁজিপতি-জমিদাৰ-মহাজন-নৱাব-জাইগীৰদাৰ শ্ৰেণীৰ নিৰ্মম শোষণ নিৰ্যাতনৰ মেটমৰা বোজাৰ নিকৰুণ বলীসকলক যোপমৰা আন্ধাৰ পথত জোৰৰ পোহৰ যোগাব পাৰিছিল একমাত্ৰ সাম্যবাদী আদৰ্শত উদ্বুদ্ধ প্ৰবল উৎসাহী দেশপ্ৰাণ ছাত্ৰ কৰ্মীসকলেহে।

স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰসকলৰ ভূমিকাৰ আলোচনাত আমি দেখি আহিছোঁ যে এই আন্দোলনৰ শেহৰ পিনে প্ৰধানতঃ এটা ছাত্ৰ সংগঠনেই অসমৰ

ছাত্ৰ সমাজক নেতৃত্ব দিবলৈ থাকি গৈছিল, আৰু সেইটোৱেই আছিল ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বাধীন ছাত্ৰ সংগঠন – অসম ছাত্ৰ ফেডাৰেচন (অসম ছাত্ৰ সন্মিলন)। দেশীয় বুৰ্জোৱাৰ অগ্ৰণী বাহিনী হিচাপে বৃটিশৰ স্বাৰ্থাভিমিত হৈ কংগ্ৰেছৰ দ্বাৰা ক্ষমতা লাভে কংগ্ৰেছ নেতৃত্বাধীন ছাত্ৰ সংগঠনৰ কৰ্মী আৰু অনুগামীসকলৰ মনত আত্ম সন্তুষ্টি আৰু অৱসাদৰ ভাব আনি দিছিল আৰু এই সময়তেই তেওঁলোকৰ মতাদৰ্শও শাসকৰ মতাদৰ্শলৈ উন্নীত হৈছিল। জ্যোতিপ্ৰসাদে কোৱা 'যাহুনিৰপৰা কাপেটলৈ উত্তৰ' কাহিনীৰ মাজতে আছে সেই পৰিৱৰ্তনৰ সাক্ষী।

আনহাতে কমিউনিষ্ট পন্থী ছাত্ৰ সংগঠনৰ কৰ্মী আৰু সমৰ্থকসকলৰ মাজত মতাদৰ্শগত নিষ্ঠা আৰু কৰ্ম-প্ৰেৰণা দুগুণেহে বৃদ্ধি পাইছিল। সেয়ে শাসকীয় মৰ্যদা আৰু দাম্ভিকতাৰে তাৰ ওপৰত বাধা-নিষেধ আৰোপ কৰাৰ সাম্ৰাজ্যবাদী কায়দা-কৌশল আমদানি কৰা হ'ল। উদাহৰণ স্বৰূপে চাকৰীত নিয়োগৰ ক্ষেত্ৰত প্ৰৱৰ্তন কৰা পুলিচ ৰিপৰ্টৰ ব্যৱস্থাই ছাত্ৰৰ তথা স্বাধীন দেশৰ নাগৰিকৰ নাগৰিক অধিকাৰৰ মৰ্মটোকেই অৰ্থহীন কৰি তুলিলে। আৰু তাৰ অৰ্থই হ'ল ছাত্ৰক বামপন্থী ৰাজনীতিৰ পৰা আঁতৰাই ৰখাটো।

শ্ৰেণী বিভক্ত সমাজত ছাত্ৰৰ কোনো সুকীয়া সমস্যা থাকিব নোৱাৰে, থাকিলেও তাৰ সমাধানো ছাত্ৰ সমাজক কেন্দ্ৰ কৰিয়েই হ'ব নোৱাৰে। শোষণ- নিপীড়নত পিষ্ট-ক্লিষ্ট সমাজৰ বিপুল শ্ৰমিক- কৃষক- কৰ্মচাৰীৰ যি সমস্যা তাৰ সামগ্ৰীক পৰিমণ্ডলৰ ভিতৰতেই ছাত্ৰ সমাজৰ সমস্যাও নিহিত হৈ আছে , গতিকে সমাজৰ এই বিপুলাংশ লোকৰ সমস্যাৰ সমাধান কৰিলেহে ছাত্ৰ সমাজৰ সমস্যা সমাধান কৰাতোও সম্ভৱ। মহাকবি কালিদাসে কৈ গৈছে,–

" দৰিদস্য গুণাঃ সৰ্বে ভস্মাচ্ছাদিত বহ্নিবৎ ।
অন্নচিন্তা চমৎকাৰা কাতৰে কবিতা কুতঃ ।।"

অৰ্থাৎ অভাৱ- অনাটনে ভুকুলা কৰা দৰিদ্ৰজনৰ প্ৰতিভাৰ বিকাশ সম্ভৱ নহয়, ভাতৰ চিন্তাই আনকি কবিৰ কবিত্ব গুণকো নিশেষ কৰি পেলায়। গতিকে এনে শ্ৰেণী ভিত্তিক সমাজত শোষণ নিপীড়নৰ মুখা-মুখী হৈ আজিৰ ছাত্ৰসকলেইবা অধ্যয়নত মনোনিবেশ কৰে কেনেকৈ? বিশ্লেষণ কৰিলে দেখা যায় যে এই শ্ৰমিক- কৃষক- কৰ্মচাৰীসকলৰ পৰিয়ালৰ পৰাই আহে ছাত্ৰ সমাজৰ বৃহৎ অংশটো। সেয়ে কেৱল প্ৰগতিশীল ৰাজনৈতিক মতাদৰ্শৰে পৰিচালিত আৰু এই সকলো শ্ৰেণীৰ ঐক্যবদ্ধ আন্দোলন-সংগ্ৰামৰ মাধ্যমতহে এই সদৌটি শ্ৰেণীৰে সমস্যা সমাধান হ'ব পাৰে। তেনে আন্দোলন-সংগ্ৰামৰ বাণীও হ'ব লাগিব – স্বাধীনতা, গণতন্ত্ৰ আৰু সমাজতন্ত্ৰ।

স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকাৰ বিষয়ে আলোচনা কৰোঁতে আমি দেখিছোঁ যে কমিউনিষ্ট পন্থী ছাত্ৰসকলেহে এই বৃহৎ অংশৰ শোষিত শ্ৰমিক-কৃষক-কৰ্মচাৰীৰ জীৱন-জীৱীকাৰ আন্দোলনৰ প্ৰতি সততে সহযোগিতাৰ হাত সম্প্ৰসাৰিত কৰিছিল। কিন্তু পৰাধীন কালতেই কংগ্ৰেছে বৃটিশ শাসনৰ দান স্বৰূপে সীমিত গণ্ডীৰ ভিতৰত য'ত যি অলপ-অচৰপ ক্ষমতাৰ অংশ পাইছিল, তাৰেই বলত বলৱান হৈ তেওঁলোকে শ্ৰমিক-কৃষক-কৰ্মচাৰীৰ দ্বাৰা জীৱন-জীৱীকাৰ প্ৰয়োজনৰ ভিত্তিত

সংগঠিত আন্দোলন-সংগ্ৰাম সমূহ মচিমুৰ তথা বিফল কৰাত মুখ্য ভূমিকা লৈছিল। ভাৰতবৰ্ষত এনে এটা শ্ৰেণীৰ উদ্ভৱ হৈছিল যিয়ে... ভাৰতবৰ্ষত থকা নিজৰ পুঁজিৰ বাবে সদা সচেতন বৃটিশ সাম্ৰাজ্যবাদীহঁতে এই বিলাকক নিশ্চয় স্বস্তিৰ নিশ্বাস পেলাইছিল। নিজ শ্ৰেণী স্বাৰ্থৰ প্ৰতি সচেতন কংগ্ৰেছৰ এই ভূমিকা নিতান্তই স্বাভাৱিক আছিল।আমাৰ আলোচনাত এই বিলাকৰ বিষয়ে বিস্তৃত বিৱৰণ দি অহা হৈছে।

সন্দেহ নাই যে স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰি অসমীয়া ছাত্ৰই দেশৰ অন্যান্য অঞ্চলৰ ছাত্ৰৰ দৰে এক আদৰ্শনীয় গৌৰৱোজ্জ্বল ভূমিকা তথা দায়িত্ব পালন কৰিছিল। স্বাধীনতা আন্দোলনত ছাত্ৰৰ অংশ গ্ৰহণ কাৰ্য আছিল সক্ৰিয় ৰাজনীতিত অংশ গ্ৰহণৰ নামান্তৰ মাত্ৰ ।

আগত দিনত এই দিশত পূৰ্বসুৰী ছাত্ৰসকলৰ ভূমিকা অসমীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে আলোচনা- অধ্যয়নৰ বিষয় হোৱাৰ লগতে পথ- নিৰ্দেশক – বিশেষকৈ প্ৰগতিশীল ৰাজনৈতিক ক্ৰিয়া- কাণ্ডৰ ক্ষেত্ৰত – হ'ব বুলিয়েই আমাৰ গভীৰ বিশ্বাস।

## সূত্ৰ নিৰ্দেশ


১ Complete Works of Mahatma Gandhi, vol XV, quoted in Suniti Kumar Ghosh, India and The Raj, 1919-1947,pp 199-200

২ CWMG, vol XVII, quoted in ibid ,p 204

৩ CWMG, vol XX, quoted in ibid ,p 205

৪ CWMG, vol XVII, also, XX, quoted in ibid ,p 207

৫ CWMG, vol XVII, quoted in ibid ,p.206

৬ J L Maffey to Gandhi, 20th April,1919, S N No 6551, quoted in ibid ,p 200

৭ Frederick S Downs, Missionaries and the Language Con troversy in Assam, Journal of the University of Gauhati, vol XXVIII-XXIX, No I, 1977-78,pp 122-159 , এই লিখকৰ অধুনা লুপ্ত 'সাদিনীয়া নাগৰিক'ত প্ৰকাশিত চিঠি চাওক, শিৱনাথ বৰ্মন আৰু প্ৰসেনজিৎ চৌধুৰী সম্পাদিত, বাস্তৱ নে বিভ্ৰম, পৃ.৯৫-৯৮

৮ বি টি,ৰণদিভে, সাম্প্ৰদায়িকতাবাদ, নতুন পৃথিৱী, একাদশ বছৰ, দ্বিতীয় সংখ্যা, ১৯৮২, পৃ ১৬২

# গ্ৰন্থপঞ্জী

## ১ অসমীয়া


আগৰৱালা, হৰিবিলাস ; হৰিবিলাস আগৰৱালা ডাঙৰীয়াৰ আত্মজীৱনী, গুৱাহাটী, ১৯৬৭

আগৰৱালা, জ্যোতিপ্ৰসাদ ; জ্যোতিপ্ৰসাদ আগৰৱালা ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী,১৯৮৬

আগৰৱালা, জ্যোতিপ্ৰসাদ জ্যোৰ্তিধাৰা , অতুল চন্দ্ৰ হাজৰিকা সম্পাদিত,

কলিতা, দণ্ডিনাথ, কৰ্মবীৰ চন্দ্ৰনাথ, তেজপুৰ, ১৮৪৬/ ১৯২৪

কলিতা, সমীন , লোকনায়ক অমিয় কুমাৰ , গুৱাহাটী, ১৯৭৮

কলিতা, বেণুধৰ , ফুলগুৱিৰ ধেঁৱা, নগাঁও , ১৯৬১

কটকী, সৰ্বেশ্বৰ , হেম চন্দ্ৰ বৰুৱাৰ জীৱন চৰিত্ৰ , অসম সাহিত্য সভা, যোৰহাট, পুনৰ মুদ্ৰণ,১৯৮২

গোহাঁই , হীৰেন, সাহিত্য আৰু চেতনা, গুৱাহাটী বুক ষ্টল, গুৱাহাটী ,১৯৭৬

গোহাঁাঞিবৰুৱা, পদ্মনাথ, মোৰ সোঁৱৰণী, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী , ১৯৭১

গোহাঁাঞিবৰুৱা, পদ্মনাথ, গোহাঁাঞিবৰুৱা ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী১৯৭১

গোহাঁাঞিবৰুৱা, পদ্মনাথ, জীৱনী- সংগ্ৰহ, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৬৯

গোস্বামী, হেম চন্দ্ৰ, অসমীয়া সাহিত্যৰ চানেকী, তৃতীয় খণ্ড, প্ৰথম ভাগ, কলিকতা বিশ্ববিদ্যালয়,কলিকতা, ১৯২৪

গোস্বামী, যতীন্দ্ৰ নাথ , জগন্নাথ বৰুৱা, অসম সাহিত্য সভা, যোৰহাট, ১৯৭৬

গোস্বামী,প্ৰফুল্লদত্ত ,মাণিক চন্দ্ৰ বৰুৱা, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৭৭

গোস্বামী,প্ৰফুল্লদত্ত সম্পাদিত,কমলাকান্ত ভট্টাচাৰ্য ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৮২

গোস্বামী, প্ৰতাপ চন্দ্ৰ, জীৱন স্মৃতি আৰু কামৰূপী সমাজ, গুৱাহাটী, ১৯৭১

চলিহা,পদ্মধৰ, জীৱন বীণাৰ সুৰ, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, ১৯৭৩

চলিহা, সদানন্দ, ভাৰত বুৰঞ্জী, গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৭৩

ছাত্তাৰ, আব্দুছ, বাহাদুৰ গাঁওবুঢ়া, যোৰহাট,১৯৬৯

ছাত্তাৰ, আব্দুছ, কৃষ্ণকান্ত সন্দিকৈ, গ্ৰন্থপীঠ, যোৰহাট, ১৯৭৫

ঠাকুৰীয়া, ৰাম চৰণ, আৰু অন্যান্যৰ দ্বাৰা সম্পাদিত, কালীৰাম মেধি স্মৃতিমাল্য, অসম সাহিত্য সভা, যোৰহাট, ১৯৭৮

ঠাকুৰীয়া, ৰাম চৰণ, সম্পাদিত, তৰুণ স্মৃতি, অসম সাহিত্য সভা, যোৰহাট, ১৯৭৭

ডেকা, হৰিদাস, জীৱন আৰু সংগ্ৰাম, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, ১৯৯২

ডেকা, তৰুণ সেন, মুক্তি সংগ্ৰামৰ আধাৰত জীৱন কথা, আৰ. ডি প্ৰিন্টাৰ্চ এণ্ড পাব্লিচাৰ্চ, গুৱাহাটী, চন তাৰিখ নাই

তালুকদাৰ, নন্দ, জীৱন-স্মৰণ, ভৱানী পাব্লিছিং কনচাৰ্ণ, কলিকতা, ১৯৭৮

তালুকদাৰ, নন্দ, সম্বাদ পত্ৰৰ ৰদ কাঁচলিত এসমীয়া সাহিত্য, বৰুৱা এজেঞ্চী, গুৱাহাটী, ১৯৭৫

তালুকদাৰ, নন্দ , বৰদলৈ ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ, ১৯৭৫
তামুলী, লক্ষ্মীনাথ, ভাৰতৰ স্বাধীনতা সংগ্ৰামত অসমৰ অৱদান, ৰূপহী প্ৰকাশন, ১৯৮৮
দত্ত, ভৱানন্দ, অসমৰ জাতীয় সমস্যাৰ বিবৰ্ত্তন, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী,১৯৮৭
দাস, যোগেশ, আৰু অন্যান্যৰ দ্বাৰা সম্পাদিত, অম্বিকাগিৰী ৰায়চৌধুৰী, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী,১৯৮৬
দাস, অমিয় কুমাৰ, জীৱন-স্মৃতি, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৮৩
দাস, নৱকান্ত, স্বাধীনতা যুঁজত বজালী, বামাখাটা, ১৯৮৭
দাস, ৰমেশ, সম্পাদিত, স্মৃতি গ্ৰন্থ :স্বাধীনতাৰ ৰূপালী জয়ন্তী, বৰপেটা, ১৯৭২
দাস, তিলক, বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি, গুৱাহাটী বুক ষ্টল, গুৱাহাটী, ১৯৭৭
দাস, মহিকান্ত, মোৰ জীৱন সোঁৱৰণ আৰু ভাৰতৰ মুক্তি সংগ্ৰাম, তেজপুৰ, ১৯৮২
নাথ, খগেন্দ্ৰনাথ, স্বাধীনতা সংগ্ৰামত গোৱালপাৰাৰ অৱদান, অসম বুক ডিপো, গুৱাহাটী,১৯৭১
নাথ, ধনীৰাম, বিয়াল্লিছৰ বিপ্লৱৰ সোঁৱৰণত, জহামাৰী, তেজপুৰ, ১৯৭২
নাথ, মহেশ্বৰ, বিয়াল্লিছৰ মুক্তি আন্দোলনত ঢেকিয়াজুলি, তেজপুৰ, ১৯৭৫
নেওগ, হেৰম্বপ্ৰসাদ, সম্পাদিত, হেৰম্বপ্ৰসাদ বৰুৱা, গোলাঘাট, ১৯৬৮
ফুকন, লক্ষ্মীনাথ, মহাত্মাৰপৰা ৰূপকোঁৱৰলৈ, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, (চন - তাৰিখ নাই)
বৰা, হেম আৰু ৰাজখোৱা, হেম, কমৰেড যদুনাথ শইকীয়া সোঁৱৰণী গ্ৰন্থ, গোলাঘাট,১৯৮২
বৰা, নিবাৰণ, লুকিং বেক, পূৰ্বাঞ্চল প্ৰকাশক, গুৱাহাটী, ১৯৮৭
বৰা, লক্ষ্মীধৰ, মুক্তিযুঁজৰ সোঁৱৰণ, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৮৪
বৰদলৈ, নিত্যানন্দ, পুৰণি দিনৰ বেঙনী, গুৱাহাটী,১৯৭৪
বৰপূজাৰী, হেৰম্বকান্ত, আমেৰিকান মিছনাৰীসকল আৰু ঊনবিংশ শতিকাৰ অসম, অসম সাহিত্য সভা, যোৰহাট, ১৯৮৩
বৰঠাকুৰ, পদ্মনাথ, স্বাধীনতা ৰণৰ সংস্পৰ্শত, ডিব্ৰুগড,১৯৬৮
বৰুৱা, হেম চন্দ্ৰ, কানীয়াৰ কীৰ্ত্তন, ১৮৬১, হেমকোষ প্ৰকাশন, গুৱাহাটী,১৯৮৪
বৰুৱা,গুণাভিৰাম, আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত্ৰ, ১৯১৫, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৭১
বৰুৱা, গুণাভিৰাম, আসাম বুৰঞ্জী, ১৮৮৪, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী,১৯৭২
বৰুৱা, হৰেন্দ্ৰনাথ, সম্পাদিত, তৰুণ ৰাম ফুকন ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ,গুৱাহাটী,১৯৭৭
বৰুৱা, হৰেন্দ্ৰনাথ, আৰু অন্যান্যৰ দ্বাৰা সম্পাদিত, ভাৰতৰ মুক্তি যুঁজত অসম, গুৱাহাটী,১৯৭২
বৰুৱা, হেমচন্দ্ৰ, কংগ্ৰেছৰ বুৰঞ্জী, গুৱাহাটী, ১৯৩৩
বৰুৱা, সত্যনাথ, সম্পাদিত, ভাৰতৰ মুক্তি সংগ্ৰামত মঙ্গলদৈ, মঙ্গলদৈ, ১৯৭৪
বেজবৰুৱা, লক্ষ্মীনাথ, বেজবৰুৱা গ্ৰন্থাৱলী, প্ৰথম আৰু দ্বিতীয় খণ্ড, সাহিত্য প্ৰকাশ,গুৱাহাটী,১৯৬৮
বৰ্মন, শিৱনাথ, চৌধুৰী, প্ৰসেনজিৎ, বাস্তৱ নে বিভ্ৰম, ষ্টুডেন্টচ্ এম্পোৰিয়াম, ডিব্ৰুগড়, ১৯৮৬
বিশ্বাস, হেমাঙ্গ, জীৱন শিল্পী জ্যোতিপ্ৰসাদ, জৰ্নাল এম্প'ৰিয়াম, নলবাৰী,১৯৮৩
ভট্টাচাৰ্য, বীৰেন্দ্ৰনাথ, সম্পাদিত, কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা স্মৃতি-গ্ৰন্থ, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৮৩
ভট্টাচাৰ্য, গৌৰীশঙ্কৰ, সবিনয় নিবেদন, সাহিত্য প্ৰকাশ,গুৱাহাটী, ১৯৯৯

ভূঞা, সূৰ্য কুমাৰ, আনন্দৰাম বৰুৱাঃজীৱন চৰিত, লয়ার্ছ বুক ষ্টল, গুৱাহাটী, ১৯৬৬
ভূঞা, যোগেন্দ্ৰ নাৰায়ণ, আনন্দৰাম ঢেকিয়াল ফুকনৰ অসমীয়া লৰাৰ মিত্ৰ, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম,গুৱাহাটী,১৯৯৯
ভূঞা, যোগেন্দ্ৰ নাৰায়ণ, সম্পাদিত, বাগ্মীবৰ নীলমণি ফুকন, অসম সাহিত্য সভা, যোৰহাট,১৯৮০
ভূঞা, নকুল চন্দ্ৰ, ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া, অসম সাহিত্য সভা, যোৰহাট, ১৯৭৬
মহন্ত, দবি, অসম কমিউনিষ্ট আন্দোলনৰ জন্ম আৰু বিকাশৰ সম্পৰ্কে, গুৱাহাটী, ১৯৯৩
প্ৰফুল্ল মহন্ত, অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ইতিহাস, পূৰ্বাঞ্চল প্ৰকাশ, গুৱাহাটী,১৯৯১
মিশ্ৰ, বীৰেশ, মন্ত্ৰীদূতৰ ষড়যন্ত্ৰত অসম,গুৱাহাটী, ১৯৪৬
ৰাজখোৱা, শৈলধৰ, অতীতৰ সোঁৱৰণী, ডিব্ৰুগড়, ১৯৬৯
ৰাজখোৱা, বেণুধৰ, মোৰ জীৱন দাপোন, গুৱাহাটী, ১৯৬৯
ৰায়চৌধুৰী, অম্বিকাগিৰী, মোৰ জীৱন ধুমুহাৰ এছাটি, গুৱাহাটী, ১৯৭৩
ৰায়চৌধুৰী,অম্বিকাগিৰী,অম্বিকাগিৰী ৰায়চৌধুৰী ৰচনাৱলী, সত্যেন্দ্ৰনাথ শৰ্মা, সম্পাদিত, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৮৬
শইকীয়া, চন্দ্ৰ প্ৰসাদ, সম্পাদিত, গোপীনাথ বৰদলৈ, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী,১৯৭৯
শইকীয়া, চন্দ্ৰ প্ৰসাদ, সম্পাদিত, বিমলা প্ৰসাদ চলিহা, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৭২
শইকীয়া, চন্দ্ৰ প্ৰসাদ, সম্পাদিত, তৰুণ ৰাম ফুকন, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৭৭
শইকীয়া, চন্দ্ৰ প্ৰসাদ, সম্পাদিত, লক্ষ্মীনাথ বেজবৰুৱা, অসম প্ৰকাশন পৰিষদ, ১৯৬৮
শইকীয়া, চন্দ্ৰ প্ৰসাদ, সম্পাদিত, ৰাধানাথ চাংকাকতী, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী,১৯৭১
শইকীয়া, চিদানন্দ, ধীৰেন দত্ত স্মৃতি-গ্ৰন্থ, গোলাঘাট, ১৯৭৪
শৰ্মা, বেণুধৰ, মণিৰাম দেৱান, গুৱাহাটী, ১৯৬৬
শৰ্মা, বেণুধৰ, গঙ্গাগোবিন্দ ফুকন, গুৱাহাটী, ১৯৪৮
শৰ্মা, বেণুধৰ, অৰ্ঘ্যাৱলী, গুৱাহাটী, ১৯৭০
শৰ্মা, বেণুধৰ, দুৰ্ণৰি, গুৱাহাটী, ১৯৬০
শৰ্মা, বেণুধৰ, বেজদলৈ ভাণ্ডাৰী বৰুৱাৰ ইতিবৃত্ত, জাহ্নবী প্ৰকাশন, শিৱসাগৰ, ১৯৬০
শৰ্মা, বেণুধৰ, কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত,গুৱাহাটী, চন-তাৰিখ নাই
শৰ্মা, বেণুধৰ, সম্পাদিত,পণ্ডিত হেম চন্দ্ৰ গোস্বামী ৰচনাৱলী, অসম সাহিত্য সভা, যোৰহাট,১৯৭২
শৰ্মা, কৃষ্ণনাথ, কৃষ্ণ শৰ্মাৰ ডায়েৰী, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৭২
শৰ্মা, পূৰ্ণ চন্দ্ৰ, মোৰ অতীতৰ সোঁৱৰণী আৰু নগাঁও জিলাত মুক্তি সংগ্ৰাম, প্ৰথম আৰু দ্বিতীয় খণ্ড, নগাঁও, ১৯৭৩
শৰ্মা, দেবেশ্বৰ, হেৰাই যোৱা দিনবোৰ, গুৱাহাটী, ১৯৮০
শৰ্মা, তীৰ্থনাথ, কৰ্মযোগী কামাখ্যাৰাম বৰুৱা, কামৰূপ সাহিত্য পৰিষদ, গুৱাহাটী,১৯৭৫
শৰ্মা, দীনেশ্বৰ, মঙ্গলদৈৰ বুৰঞ্জী, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৭৪
শৰ্মা, দীনেশ্বৰ, পাথৰুঘাটৰ ৰণ, ছিপাঝাৰ, ১৯৫৭
শৰ্মা, বিজয় চন্দ্ৰ, অসমৰ যুৱক আৰু ছাত্ৰ আন্দোলন, অসম প্ৰদেশ যুৱক কংগ্ৰেছ, গুৱাহাটী, চন-তাৰিখ নাই
শৰ্মা, সত্যেন্দ্ৰনাথ, সম্পাদিত, ত্যাগবীৰ হেমবৰুৱা স্মৃতি-গ্ৰন্থ, গুৱাহাটী, ১৯৭১

শৰ্মা, মহাদেৱ, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, গুৱাহাটী, ১৯৫৬
শৰ্মা, দেবেন্দ্ৰনাথ, ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাস, গুৱাহাটী, ১৯৮৩
শৰ্মা, শশী, সময়ে যাক পাহৰি যাব, নলবাৰী,১৯৭৬
শৰ্মা, দুৰ্গেশ্বৰ, জীৱনী-চয়ন,
শৰ্মা, উমা, বাট বুলি বুলি ভাগৰি পৰিলে, নতুন সাহিত্য পৰিষদ, গুৱাহাটী, ১৯৮৯
শৰ্মা, ব্ৰজনাথ, বিপ্লৱী, বাণী প্ৰকাশ, গুৱাহাটী, ১৯৭৩ সৱিতা সভা, জীৱনী- মালা, প্ৰথম খণ্ড
হাজৰিকা, অতুল চন্দ্ৰ, সম্পাদিত, ভাৰতমালা, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৬০
হাজৰিকা, অতুল চন্দ্ৰ, সম্পাদিত, দেশভক্ত ফুকন স্মৃতিমাল্য, অসম সাহিত্য সভা, যোৰহাট,১৯৭৭
হাজৰিকা, মহেন্দ্ৰনাথ, বিয়াল্লিছৰ বিপ্লৱত নগাঁও, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী,১৯৭৭
হাজৰিকা, টুনীৰাম, স্বাধীনতা আন্দোলনত উত্তৰ লক্ষীমপুৰ, (আগছোৰা), উত্তৰ লক্ষীমপুৰ,১৯৬৩
হাজৰিকা, টুনীৰাম, গণবিপ্লৱত উত্তৰ লক্ষীমপুৰ, উত্তৰ লক্ষীমপুৰ, ১৯৭১

## ২ বঙালী

উমৰ, বদ্ৰুদ্দিন, ভারতীয় জাতীয় আন্দোলন, চিরায়ত প্রকাশন, কলিকতা, ১৯৮৪
উমৰ, বদ্ৰুদ্দিন ,বঙ্গভঙ্গ ও সাম্প্রদায়িক রাজনীতি, চিরায়ত প্রকাশন, কলিকতা, ১৯৮৭
কবির, শাহরিয়ার, সম্পাদিত, মওলানা ভাসানী—রাজনৈতিক জীবন ও সংগ্রাম, ঢাকা, ১৯৭৮
ঠাকুর, রবীন্দ্রনাথ, রাশিয়ার চিঠি, বিশ্বভারতী গ্রন্থন বিভাগ, কলিকতা, ১৯০৪ শক
ঠাকুর, রবীন্দ্রনাথ, সঞ্চয়িতা, বিশ্বভারতী, চতুর্থ সংস্করণ , ১৩৫০,
রায়, সুপ্রকাশ, ভারতের বৈপ্লবিক সংগ্রামের ইতিহাস, প্রথম খণ্ড, ডি এন বি এ ব্রাদার্ছ, কলিকতা,১৯৭০
রায়, সুপ্রকাশ, বিদ্রোহী ভারত, বুক ওরার্ড, কলিকতা, ১৯৮৩
শৰ্মা, চঞ্চল, শ্রীহট্টে বিপ্লববাদ ও কমিউনিষ্ট আন্দোলনঃ স্মৃতি কথা, কলিকতা, ১৯৮৪

## আলোচনী, বাতৰি কাকত

অসম বাণী, ১৯ জুন,১৯৭০
অসম সাহিত্য সভা স্মৃতিগ্ৰন্থ, বজিয়া, ১৯৭৩
অগ্ৰদূত, শাৰদীয় বিশেষ সংখ্যা,১৯৭৮
নতুন পৃথিবী, একাদশ বছৰ, দ্বিতীয় সংখ্যা, ১৯৮২ , দ্বাদশ বছৰ, প্ৰথম সংখ্যা, ১৯৮৪
জনক্ৰান্তি, ১ আৰু ৪ জুলাই সংখ্যা,১৯৮৪
প্ৰকাশ, চতুৰ্থ বছৰ, সপ্তম সংখ্যা,১৯৭৯
ডেউকা,, দ্বিতীয় বছৰ নৱম সংখ্যা, জুন-আগষ্ট,১৯৯৩
আজিৰ বাতৰি, ১৫ আৰু ২২ আগষ্ট সংখ্যা, ১৯৯৩ আৰু ৫ আৰু ১২ এপ্ৰিল সংখ্যা, ১৯৯৫
গৰিয়সী, অক্টোবৰ, নবেম্বৰ,ডিচেম্বৰ সংখ্যা, ১৯৯৩
নতুন পদাতিক, আগষ্ট আৰু ছেপ্তেম্বৰ সংখ্যা, ২০০০

প্ৰবন্ধ আৰু ৰচনা

স্বাধীনতা আন্দোলনত অসমীয়া বুদ্ধিজীৱীৰ ভূমিকা,
সাম্প্ৰদায়িকতাবাদ আৰু ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰাম
অম্বিকাগিৰী ৰায়চৌধুৰীঃ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ আৰু ভাৰতৰ কমিউনিষ্ট পাৰ্টি
উনবিংশ শতিকাৰ অসমৰ কৃষক বিদ্ৰোহ আৰু অসমীয়া মধ্যবিত্ত শ্ৰেণী

**3 English**

Government Reoprts

Report on the Province of Assam, Mills, A J Moffatt,Calcutta,1854 AssamPublicationBoard,Guwahati 1984,reprint
Report on Bengal and Assam, 1906, D K.F Trust, Delhi, 1983
Quit India Movement British Secret Documents, P N Chopra,ed , Interprint, New Delhi, 1986
India's Major Non-violent Movements,1919-1934 (British Secret Reports on Indian People's Struggle for Political Liberation), P N Chopra,ed , Vision Books, New Delhi, 1979
The Assam Provincial Banking Enquiry Committee, (Reoprt) 1929-30,Vol II, Evidence,Govt of Assam,Shillong,1930
CensusReports of Assam , 1901, 1911, 1921,1931
Census of India, 1921, Vol I, India, Part-I, Report
Assam District Gazetteers, Sibsagar District,Shillong,1967

Documents of the Communist Party of India

Adhikari, G ,ed , Documents of the History of the Communist Party of India, Vols I-II, People's Publishing House,New Delhi,1972
Roy,Subodh,ed.,CommunisminIndia.Unpublished Documents, Vols I-II, National Book Agency,Calcutta,1980/85 reprint
Jacob,T.G ,ed., National Question in India :CPI Documents1942-47, Odyssey Press, New Delhi,1988

Documents of Congress Socialist Party (in Assam)

Papers Relating to the Missamara Socialist Convention, courtesy Dadhi Mahanta, Guwahati

Documents of Assam Students' Conference

The Rules of The Assam Students' Conference, 1916

**Books**

Arumugam, M Socialist Thought in India The Contribution of Ram Manohar Lohia,Sterling Publishers, New Delhi,1978
Ashraf, Ali, and Syomin, G A , October Revolution and India's In dependence, Sterling Publishers, New Delhi,1977
Azad,Maulana Abul Kalam, India Wins Freedom,Longmans,1960
Banerjea, Sir Surendranath, A Nation in Making,Humphrey Milford, Oxford University Press, Calcutta,1925
Barpujari, H K ,Assam In the Days of the Company,1826- 58, Lawyer's Book Stall, Guwahati 1963
Barpujari,H K and others,ed ,Political History of Assam,vol.I,Govt of Assam, Guwahati, 1977
Baruah,Surendranath,Kanaklata-A Heroine and Martyr,Tezpur,1974
Baruah, Apurba Kumar, Social Tensions in Assam Middle Class Politics,Purbanchal Prakash,Guwahati,1991
Basavapunniah, M , Quit Inida Call and the Role of theCommunists, National Book Centre, New Delhi,1984
Bhuyan, S K , Anglo-Assamese Relations, 1771-1826,1949, Lawyer's Book Stall, Guwahati,1974
Bhuyan, A C , ed , et al ,Political History of Assam,Vols I-II,Govt of Assam,Guwahati, 1978 and1980
Bhuyan,A C ,Quit India Movement Second World War and Indian Independence, Manas Publications,New Delhi,1975
Bora, S Student Revolution in Assam, Mittal Publications,New Delhi, 1992
Brecher,Michael, Nehru A Political Biography,Jaico Publishing House,Bombay, abridged edn., 1969
Chand,Tara, History of the Freedom Movement In India,Vols.I-IV, Publications Division, Govt. of India, 1970-74, reprint
Chandra,Bipan,Rise and Growth of Economic Nationalism in India,People's Publishing House,New Delhi,1986, reprint
Chandra,Bipan, Modern India,NCERT,New Delhi,1986 reprint
Chirol,Valentine, The Indian Unrest, Light and Life Publishers,New Delhi,1979

Das,Durga, India From Curzon to Nehru and After,Collins, London, 1969

Deka,Meeta, Student Movements in Assam, Vikas Publishing House,New Delhi,1996

Desai, A.R , Social Background of Indian Nationalism,Popular Prakashan, Bombay, 5th edn , 1976

Dutt, Rajani Palme, India Today, 1940, People's Publishing House,Bombay, 1947

Dutt,K N ,Landmarks of the Freedom Struggle in Assam,Lawyer's Book Stall,Guwahati,1969,reprint

Dutt, R C ,The Economic History of India, Vols I-II,1901-03, Publications Division, Govt of India,1970

Fraser, Lovat, India Under Curzon and After, Sagar Publications, New Delhi, 1911

Gadgil,D R ,The Industrial Evolution of India in Recent Times,1860-1939,OUP, New Delhi,1974

Gait, Sir Edward, A History of Assam,1905, LBSPublications, Guwahati,2nd edn , 1981

Gandhi,M K., Capital and Labour, Bharatiya Vidya Bhavan,Bombay, 1970

Ghosh,Suniti Kumar,India and the Raj, 1919-1947,Vol.I, Prachi, Calcutta, 1989

Ghose,Sankar,The Renaissance to Militant Nationalism in India, Allied Publishers, Calcutta, 1969

Gopal, Ram, How India Struggled for Freedom, The Book Centre, Bombay, 1967

Goswami, P.C., The Economic Development of Assam,Asia Publishing House, Bombay, 1963

Griffiths, Sir Percival, The British Impact on India, Frank Cass & Co., London, 1965

Griffiths, Sir Percival, The History of the Indian Tea Industry, London,1967

Grover,B.L., A Documentary Study of British Policy towards Indian Nationalism,1885-1909,National Publications,New Delhi, 1967

Guha,Amalendu, Planter Raj to Swaraj:FreedomStruggle and Electoral Politics in Assam,1826-1947,ICHR,New Delhi,1977

Gupta,D C.,Indian National Movement, Vikas Publishing House, New Delhi, 1970

Gupta,A K ,ed , Myth and Reality The Struggle forFreedom in India,1945-47, Nehru Memorial Museum and Library,New Delhi, Manohar, 1987

Joshi, P C , Communist Reply to Congress Working Committee's Charges, Part-I, People's Publishing House, Bombay,1945

Masani,M R ,The Communist Party of India A Short History, Bharatiya Vidya Bhavan, Bombay, 1967

Majumdar,R C ,History of the Freedom Movement in India, Vols I-III, Firma K L Mukhopadhyay,Calcutta, 1971,1975, 1977

Mazumdar, Ambika Charan, Indian National Evolution,1915, Michiko and Panjathan, Delhi, 1974 reprint

Medhi, S B ,Transport System and Economic Development in Assam, Assam Publication Board, Guwahati,1978

Namboodiripad, E M S A History of Indian Freedom Struggle,Social Scientist Press, Trivandrum, 1986

• Narayan, Jayprakash, Towards Struggle,Padma Publications, Bombay, 1946 ( NAI )

Narayan,Jayprakash, Why Socialism? The All India Congress Socialist Party, Benares, 1936

Nehru,Jawaharlal, An Autobiography, The Bodley Head, London,1955 reprint

Nehru, Jawaharlal, Discovery of India, The Signet Press, Calcutta, 2nd edn , 1946

Nehru,Jawaharlal,India'sIndependence and Social Revolution, Vikas Publishing House, New Delhi,1984

Norman, Dorothy, ed , Nehru The First Sixty Years, Vols I-II, Asia Publishing House, Bombay/New Delhi,1965

Overstreet, General D , & Windmiller, Marshal, Communism in India, The Perennial Press, Bombay,1960

Prasad,Rajendra, Autobiography, Asia Publishing House,1957

Raichoudhury, Satyabrata, Leftist Movements in India,1917-47, Minerva Associates, Calcutta, 1977

Ramamoorthy, P, The Role of the Communists in India's Struggle for Freedom, Madras, 1985

Ray,Nitish Ranjan, ed , et al ,Challenge A Saga of India's Struggle for Freedom, People's Publishing House, New Delhi,1984

Ray,B.Datta, ed.,The Emergence and Role of Middle Class in North-East India, Uppal Publishing House, New Delhi,1983

Robinson, William, A Descriptive Account of Asam (sic), 1841, Sanskaran Prakashak, Delhi, 1975 reprint
Sarkar, Sumit, Modern India, 1885-1947, Macmillan India, New Delhi, 1983
Sareen, Tilak Raj, Russian Revolution and India, 1917-21, Sterling Publishers, New Delhi, 1977
Sitaramayya, Pattabhi, History of the Indian National Congress, Vols I-II, S.Chand & Co., New Delhi, 1969
Tagore, Saumyendranath, Revolution and Quit India, Ganavani Publishing House, Calcutta, 1946
Tayebullah, Md, Between the Symbol and the Idol at Last, Allied Publishers, New Delhi, 1964
Tendulkar, D.G, Mahatma. Life of Mohandas Karamchand Gandhi, Vols III, VI, & VII, Publications Division, Govt of India, 1961, 1962, & 1962

## Journals and News-Papers

Assam Quarterly, B Baruah, ed, Vol IV, Nos 2-3, 1967
Eastern Horizon, Vol I, No I, New Delhi, 1970
The Indian Historical Review, Vol. III, No 2
Cotton College Golden Jubilee Volume, H K. Barpujari, ed, 1951-52
Cotton College Diamond Jubilee Volume, Anandeswar Sarmah, ed, 1962
Social Scientist, November 1978
Social Scientist, June 1980
Journal of the University of Gauhati, vols. XXVIII-XXIX, No I, 1977-78
Journal of Historical Research, Department of History, Dibrugarh University, Vol V, 1994
North Eastern Affairs, July-September, 1972
The Marxist, Vol.2, No.1, 1984
The Assam Tribune, Select Issues
The North East Times, Select Issues

## Papers, Articles and Essays

Foreigners in Assam and Assamese Middle Class

Lure of Self-determination: Ambikagiri and the CPI
Nineteenth Century Peasant Movements and the Assamese Middle Class
Immigration to Assam British Policy and the Assamese Middle Class, 1826-1900
Immigration to Assam· British Policy and the Assamese Middle Class. 1900-1947
Anti-imperialist Upsurge· Assam 1942-43
Quit Inida Movement· Some Observations

## পৰিশিষ্ট এক *

### ১ নম্বৰ বুলেটিন

যোৱাকালি ৭ ডিচেম্বৰ ডেওবাৰে গুৱাহাটীৰ ছাত্ৰসকলৰ বিৰাট জনসভাত তলত দিয়া দাবীবোৰ গৰ্বণমেণ্টে মানি নোলোৱালৈকে ছাত্ৰসকলৰ ধৰ্মঘট চলাই থাকিব বুলি সকলো ছাত্ৰই মানি লয়।

১। গুৱাহাটীৰ সকলো ছাত্ৰ-ছাত্ৰীৰ বিৰাট শান্তিপূৰ্ণ আৰু অহিংসভাৱে কৰা শোভাযাত্ৰাৰ ওপৰত অমানুষিক আৰু জঘন্যভাৱে লাঠি আৰু বেয়নেটৰ প্ৰহাৰৰ যেতিয়ালৈকে গৰ্বণমেণ্টে এখন বেচৰকাৰী নিৰপেক্ষ তদন্ত কমিটিৰ দ্বাৰা ইয়াৰ সুবিচাৰ অনতিপলমে নকৰে।

২। কৰ্তৃপক্ষই ধৰ্মঘটত যোগ দিয়া ছাত্ৰসকলৰ ওপৰত কোনো সাস্তিমূলক ব্যৱস্থা লব নোৱাৰিব। যদি কোনো ছাত্ৰ উপৰোক্ত সংগ্ৰামত লিপ্ত থকা অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে সেইসকলক বিনা বিচাৰে মুক্তি দিব লাগিব আৰু ভবিষ্যতেও তেওঁলোকৰ ওপৰত কোনো আইনমূলক ব্যৱস্তা লব নোৱাৰিব।

৩। ধৰ্মঘটত সহযোগ কৰা ছাত্ৰসকলৰ Percentage শিক্ষাবিভাগৰ কৰ্তৃপক্ষই সম্পূৰ্ণ দিব লাগিব।

৪। হোষ্টেলবাসী, বিনাবেতনে পঢ়া আৰু স্কলাৰচিপ্‌ধাৰী কোনো ছাত্ৰকে এই ধৰ্মঘটত সহযোগিতা অপৰাধত শাস্তি বিধান কৰিব নোৱাৰিব।

৫। হাইস্কুলৰ দশমমান আৰু আই.এ. শ্ৰেণীৰ আহত হোৱা পৰীক্ষাৰ্থীসকলক বিনা শৰ্তে অহা ফাইনেল পৰীক্ষা দিবলৈ অনুমতি দিব লাগিব।

৬। বেচৰকাৰী তদন্ত কমিটিৰ বিচাৰ সিদ্ধান্ত সকলো প্ৰকাৰে মানি লবলৈ ছাত্ৰসকল প্ৰস্তুত হব লাগিব আৰু সেই সিদ্ধান্ত অনতিপলমে কাৰ্যকৰী কৰিব লাগিব। বিচাৰত সাব্যস্ত কৰা অপৰাধীসকল আইন অনুসাৰে বৰ, সৰুৰ ভেদাভেদ নাৰাখি উপযুক্ত শাস্তি বিহিব লাগিব।

চৰকাৰী আস্পাতালত প্ৰতিমূৰ্হুতে মৃত্যু অপেক্ষা কৰি থকা আৰু যন্ত্ৰনাত অস্থিৰ হৈ থকা চাত্ৰসকলক গৰ্বণমেণ্টে গ্ৰেপ্তাৰ কৰি ৰাখিছে বুলি খবৰ পোৱা গৈছে।

ছাত্ৰসকল সঙ্ঘবদ্ধ হওক। আপোনালোকৰ মাজৰ বিৰাট শক্তিক জাগ্ৰত কৰক আমাৰ উদ্দেশ্য পূৰ্ণ নোহোৱালৈকে যুঁজিবলৈ সাজু হওক। ইতি –

৮/১২/৪১ শ্ৰী উমা শৰ্মা

### ২ নং বুলেটিন

যোৱা ৭/১২/৪১ তাৰিখে ৰাতিপুৱা শ্ৰীযুত গোপীনাথ বৰদলৈ, অৰুণ কুমাৰ চন্দ, বৈদ্যনাথ মুৰ্খাৰ্জী, অমিয় কুমাৰ দাস আদি বহুত কংগ্ৰেছ এম.এল.এ আহি ৬/১২/৪১ তাৰিখৰ ছাত্ৰ-ছাত্ৰীসকলৰ শোচনীয় ৰক্তপাতৰ সাক্ষীআদি লৈ তদন্ত কৰে। তাৰ অলপ পিছতে আই জি. পিয়ো আহি ৫ মিনিট মানৰ ভিতৰতে তদন্ত কৰি ডি.চিৰ লগত হাস্পাতালত গৈ আঘাত পোৱা ছাত্ৰসকলক চাই ফুচফাচকৈ দুয়ো কিবা আলোচনা কৰে।

সেইকথা আমাৰ অজ্ঞাত। আসামৰ ডি পি আই ডাঙৰীয়াও আহি শয্যাগত ছাত্ৰসকলক চাই যায়হি।

আবেলি প্ৰায় ৩/৪ টা বজাত পৰি থকা ছাত্ৰসকলক আৰু অন্যান্য দুজন মানক গ্ৰেপ্তাৰ কৰে। সকলোকে জামিনত এৰি দিছে।

আবেলি ৫ বজাত শ্ৰীযুত নীলমণি ফুকন ডাঙৰীয়াৰ সভাপতিত্বত ইউনিয়ন ফিল্ডত এখন বিৰাট ৰাজহুৱা সভা হয়। এই সভাত মতা-মাইকী, বুঢ়া-বুঢ়ী, ল'ৰা- ছোৱালী নিৰ্বিশেষে প্ৰায় ১৫/২০ হাজাৰ মান মানুহ উপস্থিত থাকে। তাত তলত লিখা বিষয়ে প্ৰস্তাৱ গৃহীত হয়।

১। ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত কৰা অমানুষিক ৰক্তপাতৰ প্ৰতিবাদ কৰে, আৰু তাৰ কাৰণে অতি শীঘ্ৰে এটা বেচৰকাৰী তদন্ত কমিটিৰ দাবী কৰে।

২। ছাত্ৰ-ছাত্ৰীসকলৰ ধৰ্মঘট যাতে কৃতকাৰ্য হয় সেই কাৰণে অভিভাৱকসকলক নিজৰ ল'ৰা-ছোৱালীক স্কুল-কলেজত নপঠাবলৈ অনুৰোধ কৰে।

৩। আঘাত পোৱা ছাত্ৰ-ছাত্ৰীসকলক গ্ৰেপ্তাৰ কৰা কাৰণে নিন্দা কৰে।

৪। কটন কলেজৰ অধ্যক্ষ বিজয় সেন, ডাক্তৰ জ্যোতিষ দাস, গাৰ্লছ হাইস্কুলৰ হেড্ মিষ্ট্ৰেস ৰাজবালা দাস আৰু গুৱাহাটীৰ ডেপুটী কমিচনাৰ মিঃ হাম্‌ব্লেক এই ৰক্তপাতৰ গুৰি কাৰণে ৰাইজে গৰিহণা দিয়ে। অৱশেষত ৰাইজে সকলো চাত্ৰ-ছাত্ৰীকে মুক্তহস্তে টকা পইচা আদি দি সহায় কৰিবলৈ প্ৰতিশ্ৰুতি দিয়ে।

আশাকৰো সকলো ছাত্ৰ-ছাত্ৰীয়ে ৰাইজৰ আৰু অভিভাৱকসকলৰ এই সহানুভূতিৰ লগত নিজৰ মনোবলৰ ঐক্যতা ( মূলত যেনে আছে) আনি আমাৰ উদ্দেশ্য পথত সকলো বাধা বিঘিনি অতিক্ৰম কৰি আগবাঢ়িব। বিপ্লৱ-দীৰ্ঘজীৱী হওক ।

শ্ৰী মদন বৰপূজাৰী
শ্ৰী উমা শৰ্মা

### ৩ নং বুলেটিন

অসমৰ বিভিন্ন ঠাইৰ স্কুল-কলেজবিলাকত ধৰ্মঘট আৰু শোভাযাত্ৰা হোৱা বুলি খবৰ পোৱা গৈছে। আমাৰ আন্দোলন আৰু একতাত দুৰ্বল কৰিবলৈ গৰ্ভণমেণ্টে গুৱাহাটীৰ স্কুল কলেজ বিলাক এসপ্তাহ বন্ধ দিছে।

আমি এই বন্ধৰ সদব্যৱহাৰ কৰিব লাগিব। গৰ্ভণমেণ্টৰ আশাৰ মূৰত কুঠাৰ মাৰিব লাগিব। আমি এই ছয় দিনৰ ভিতৰতে গোটেই অসমৰ ছাত্ৰ-ছাত্ৰীসকলক একতাবদ্ধ কৰি আমাৰ ন্যায় যুদ্ধৰ কাৰণে আগবঢ়াই আনিব লাগিব।

একতাবদ্ধ ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীৰ মনৰ বলৰ আগত গৰ্ভণমেণ্টৰ সৈন্যবলে পৰাজয়

মানিবই লাগিব।

সকলো চাত্ৰ-ছাত্ৰীকে আমাৰ উদ্দেশ্যত অচল অটল হৈ থাকিবলৈ আৰু গুৱাহাটীত হোৱা ছাত্ৰ সভাবোৰত মহা সমাৰোহেৰে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীকে যোগ দিবলৈ অনুৰোধ কৰা হ'ল। সভা সন্মিলিত মানুহ কম হলে গৰ্ভণমেণ্টে আমাক দুৰ্বল হোৱা বুলি ভাবিব পাৰে। কিন্তু আমি গৰ্ভণমেন্টক দেখুৱাব লাগিব যে আমাৰ বল দিনে দিনে বাঢ়িহে আহিছে।

বিপ্লবী ছাত্ৰ শক্তিৰ জয় অনিৰ্বাৰ্য্য।

শ্ৰীউমা শৰ্মা
শ্ৰীমদন ব ৰপূজাৰী

৪ নং বুলেটিন

অসমৰ মন্ত্ৰী সভাৰ ভঙ্গা পতাৰ লগত ছাত্ৰসকলৰ কোনো সম্বন্ধ নাই। আমাৰ দাবী গৰ্ভণমেণ্টে মানি নোলোৱালৈকে আমাৰ ধৰ্মঘট চলাই থাকিবই লাগিব। অসমৰ বিভিন্ন ঠাইৰ ছাত্ৰ-ছাত্ৰীসকলে ধৰ্মঘট কৰিছে বুলি শুনি আমাৰ ধন্যবাদ জ্ঞাপন কৰিছো। আশাকৰো আমাৰ দাবী মানি নোলোৱালৈকে গোটেই অসমতে ধৰ্মঘট চলি থাকিব।

৯/১২/৪১ তাৰিখে গুৱাহাটী মহিলা সমিতিৰ এখন বিশেষ অধিবেশনত ছাত্ৰসকলক সকলো প্ৰকাৰে সৰ্মথন কৰি কেবাটোও( মূলৰ দৰে আছে) প্ৰস্তাৱ লয় আৰু সকলো প্ৰকাৰে সহায় কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে।

৯/১২/৪১ তাৰিখে তাটলিমুদ্দিন আহ্মদ নামৰ ৯ম মান শ্ৰেণীৰ ছাত্ৰ এজনক যুদ্ধ ভৰাল প্ৰৰ্দশনীৰ এচৰত ঘুৰি থাকোতে পুলিচ এজনে মূৰত এটা কোব মাৰি দিয়ে। হেড্ মাষ্টৰক কোৱাত হেড্ মাষ্টৰে একো কৰিব নোৱাৰে বুলি কৈছে। এই অন্যায় কাৰ্যবো দাবী কৰো।

১০/১২/৪১ তাৰিখে আবেলি ৪ বজাৰ ছাত্ৰ সভাত Class X আৰু 2nd year ছাত্ৰ সকলত বাহিৰে সকলো ছাত্ৰকে স্কুল, কলেজৰ মাগুল দিবলৈ বন্ধ কৰা হয়। মেট্ৰিক আৰু I.A.Class ৰ ছাত্ৰ-ছাত্ৰীসকলক Test পৰীক্ষাৰ Result নোচোৱাকৈয়ে পৰীক্ষাত পাছ কৰি দিবলৈ দাবী কৰা হয়। বডদিন বন্ধৰ আগতে ধৰ্মঘট উঠাই লোৱা নহলে বি এ আৰু বি এস্‌চি ক্লাচৰ Test পৰীক্ষা হব নোৱাৰে আৰু সকলো ছাত্ৰ-ছাত্ৰীকে পাছ কৰি দিব লাগিব।

মাগুল নিদিয়া ছাত্ৰ-ছাত্ৰীসকলক কোনো ৰকমৰ জৰিমনা কৰিব নোৱাৰে। অসমৰ গাঁৱে গাঁৱে সকলো অসমবাসীকে জগাই তুলিবলৈ ছাত্ৰসকলক অনুৰোধ কৰা হ'ল।

হে বীৰ বীৰাঙ্গ নাৰ দল, আগবাঢি আহক — আপোনালোকৰ শক্তিৰ চানেকি দিয়ক— গৰ্ভণমেণ্টে আমাৰ দাবী মানি লবই লাগিব।

Long Live revolution, Success to the Student's Strike

হিন্দুস্থান প্ৰেছ, পানবজাৰ

উমা শৰ্মা
মদন ৰৰপূজাৰী

## ৫ নং বুলেটিন

অসমৰ ছাত্ৰ-ছাত্ৰী আজি একেতাল লোলৰ বাবত হিন্দু, মুছলমান, ল'ৰা-ছোৱালী সকলো একটাবদ্ধ ( মূলৰ দৰে)। গোটেই অসমৰে স্কুল, কলেজতে ধৰ্মঘট হৈছে। সকলো ছাত্ৰ-ছাত্ৰীয়ে মনত অসীম সাহস লৈ নামি আহিছে। কোনেও পিচপৰা নাই। গুৱাহাটীৰ ছাত্ৰ-ছাত্ৰীয়ে ধৰ্মঘট বন্ধ নকৰাকৈ অন্য কোনো স্কুল, কলেজে বন্ধ নকৰে। গোটেই অসমতে এদিনৰ কাৰণে হৰতাল হৈছে।

হে প্ৰাগ্‌জ্যোতিষৰ বীৰ বীৰাঙ্গনাৰ দল। আপোনালোকৰ ওপৰতেই আজি গোটেই অসমৰ ছাত্ৰ-ছাত্ৰীয়ে নেতৃত্ব এৰি দিছে। আপোনালোক সাজু হওঁক। আকৌ আমাৰ সংগ্ৰামৰ দিন আহিছে। অহা সোমবাৰে স্কুল, কলেজ বিলাক খুলিব। কোনো ছাত্ৰ-ছাত্ৰীয়ে যেন স্কুল, কলেজলৈ নেযায় আৰু সকলোৱে যেন নিজৰ স্কুল, কলেজৰ ওচৰত পিকেটিং কৰে। প্ৰাইমাৰী স্কুল বিলাকত ধৰ্মঘট কৰিবৰ কোনো প্ৰয়োজন নাই।

শনিবাৰে আৰু ৰবিবাৰে আবেলি ৪ বজাৰ মিটিঙত সকলো ছাত্ৰ-ছাত্ৰীকে উপস্থিত থাকিবলৈ অনুৰোধ কৰা হল। আমাৰ কাউন্সিল অৱ্‌ এক্‌সনৰ চেয়াৰম্যান কমৰেড উমাকান্ত শৰ্মাক আৰু কৰ্মী হৰেণ কলিতাক ১২/১২/৪১ তাৰিখে ভাৰতৰক্ষা আইনৰ বলত গ্ৰেপ্তাৰ কৰি বিনা জামিনে জেইলত ৰাখিছে।

তৰুণ অসমৰ জয় অনিৰ্বাৰ্য্য।
অসম মূলা গাভৰুৰ দেশ।
অসম ৰাধা ৰুক্মিণীৰ দেশ।
তৰুণ তৰুণী দেশৰ ধৰণী।

হিন্দুস্থান প্ৰেছ, পানবজাৰ

শ্ৰীমদন বৰপূজাৰী
শ্ৰীহৰি দাস ডেকা

## ৬ নং বুলেটিন

গুৱাহাটীৰ স্কুল কলেজ ৬ তাৰিখৰ পৰা ১৩ ডিচেম্বৰলৈ বন্ধ থকাৰ পিচতো গুৱাহাটীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চাঞ্চল্যৰ সাম না কাটিল। পূৰ্বৰ দৰেই ছাত্ৰ-ছাত্ৰী সকলে ধৰ্মঘট চলাই তাকিবলৈ দৃঢ়-সংকল্পিত (মূলৰ দৰে) হৈয়ে থাকিল। পুনৰ সোমবাৰে ধৰ্মঘটৰ ব্যৱস্থা পূৰ্ণদমে চলাবলৈ আৰু কি ভাবে ছাত্ৰ সকলে অংশ গ্ৰহণ কৰিব সেই উদ্দেশ্যে দেওবাৰে এক বিৰাট সভাৰ আয়োজন কৰা হৈছিল। কিন্তু দুখৰ বিষয় গৰ্ৱণমেণ্টে সেই বিষয়ে গম পাই দেওবাৰে ভাৰত ৰক্ষা আইনৰ ৫৬ (২) ধাৰা গোটেই গুৱাহাটী মহকুমাত জাৰী কৰি সভা শোভাযাত্ৰা আদি বন্ধ কৰি দিছে। তদুপৰি সেই দিনা ৰাতি ১১ বজাত কটন কলেজৰ অধ্যক্ষৰ পৰা এক অদ্ভুত আদেশ আহি পৰিল যে তাৰ পিচদিনাই অৰ্থাৎ সোমবাৰৰ দিনা হোষ্টেলবাসী সকলো ছাত্ৰই হোষ্টেল এৰি ঘৰলৈ গুছি যাব লাগে। লগে লগে গুৱাহাটী মহকুমাৰ স্কুল কলেজবোৰ অনিৰ্দ্দিষ্ট কাললৈ বন্ধ কৰি দিয়ে।

সেইদিনাই (সোমবাৰে) ছাত্ৰ কৰ্মী শ্ৰীযুত হৰিদাস ডেকা আৰু শ্ৰীযুত গোকুল মেধিক ভাৰত ৰক্ষা আইনৰ বলেৰে গ্ৰেপ্তাৰ কৰি জেইলত থৈ দিয়ে।

বৰ্তমান ছাত্ৰসকলৰ ধৰ্মঘট পূৰ্ণমাত্ৰায় চলি আছে আৰু যেতিয়ালৈকে তেওঁলোকৰ দাবী গৰ্ৱণমেণ্টে মানি নলয়, তেতিয়ালৈকে এই ধৰ্মঘট আৰু তীব্ৰভাবে চলি থাকিব।

অসমৰ বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা খবৰ পোৱা হৈছে যে তেওঁলোকে শান্তিপূৰ্ণভাবে ধৰ্মঘট চলাই আছে।

ছাত্ৰ বন্ধুসকলৰ ওচৰত আমাৰ নিবেদন যে তেখেত সকলে যেতিয়ালৈকে কেন্দ্ৰীয় কাউন্সিল-অব-একচনৰ নিৰ্দ্দেশ নাপায় তেতিয়ালৈকে যেন পূৰ্বৰ দৰে ধৰ্মঘট চলায় থাকে।

ছাত্ৰসকল। দৃঢ় প্ৰতিজ্ঞ হৈ কামত আগবাঢ়ক, জয় অবশ্যম্ভাৱী।

হিন্দুস্থান প্ৰেছ, পাণবজাৰ মদন বৰপূজাৰী

৭ নং বুলেটিন

অন্যায় আৰু অবিচাৰৰ বিৰুদ্ধে ছাত্ৰ-শক্তিৰ শান্তিপূৰ্ণ ধৰ্মঘট আজি ১৩ দিনত উপস্থিত হৈছেহি। এতিয়াও গুৱাহাটীৰ ধৰ্মঘট পূৰ্ণ উদ্যমে চলিয়েই আছে আৰু যেতিয়ালৈকে এই অন্যায় অবিচাৰৰ সুমীমাংসা নহব তেতিয়ালৈকে এই ধৰ্মঘট চলাবলৈ ছাত্ৰশক্তি দৃঢ়প্ৰতিজ্ঞ।

ডিচেম্বৰৰ ৮ তাৰিখৰ পৰা ১৩ তাৰিখলৈকে স্কুল কলেজবোৰ বন্ধ দিয়াৰ উপৰিও ১৫ ডিচেম্বৰৰ পৰা ২ জানুৱাৰীলৈ গুৱাহাটীৰ সকলো স্কুল- কলেজ আকৌ বন্ধ কৰি দিছে, তাৰ উপৰি ছাত্ৰৰ ধৰ্মঘটক দুৰ্বল আৰু তেওঁলো কৰ নৈতিক শক্তিক খৰ্ব কৰি দিবৰ অভিপ্ৰায়েৰে "ভাৰত ৰক্ষা আইনৰ ৫৬ (২) ধাৰা" গোটেই গুৱাহাটী মহকুমাত জাৰী কৰি সভা শো ভাযাত্ৰা আদি বন্ধ কৰি দিছে। কিন্তু কৰ্তৃপক্ষৰ উদ্দেশ্য বিফল হৈছে। বৰং স্কুল- কলেজ বন্ধ কৰি দিয়াৰ পৰাই প্ৰমাণিত হৈছে যে আমাৰ নৈতিক জয়লাভ হৈছে কাৰণ ইয়াৰ পৰা কৰ্তৃপক্ষৰ দুৰ্বলতা প্ৰকাশ পাইছে।

২ জানুৱাৰীৰ আগতে আমাৰ দাবী পূৰণ নহলে ধৰ্মঘট আকৌ পূৰ্ণ উদ্যমে চলোৱা হব। তাৰ কাৰণে আমা সকলো ছাত্ৰ-ছাত্ৰী যেন প্ৰস্তুত থাকে।

গুৱাহাটীৰ বাহিৰে গুৱাহাটীৰ ঘটনালৈ যিবিলাক ঠাইত সহা(নু)ভূতিসূচক ধৰ্মঘট হৈছিল সেইবিলাক ঠাইত বৰ্তমানে কেন্দ্ৰীয় কাউন্সিল অব্ একচনৰ নিৰ্দ্দেশমতে সাময়িক ভাবে ধৰ্মঘট স্থগিত ৰাখিবলৈ দিয়া হৈছে। কিন্তু কৰ্তৃপক্ষই আমাৰ দাবী স্বীকাৰ কৰি নললে আকৌ সকলো ঠাইতে ধৰ্মঘট আৰম্ভ কৰা হব, তাৰ কাৰণে সকলো ছাত্ৰ- ছাত্ৰী প্ৰস্তুত হৈ থাকে যেন। কিন্তু স্কুল- কলেজত সহানুভূতিসূচক ধৰ্মঘট কৰাৰ কাৰণে যদি কৰ্তৃপক্ষই শাস্তিমূলক ব্যবস্থা লৈছে তেনেহলে সেইবিলাক স্কুল কলেজত শাস্তিমূলক ব্যবস্থা উঠাই নোলোৱালৈকে ধৰ্মঘট চলায়ে থাকিব।

৫ নং বুলেটিনত স্কুল কলেজৰ ফিজ নিদিবলৈ অনুৰোধ কৰা হৈছিল কিন্তু বৰ্তমান পৰিস্থিতি চাই কটন কলেজৰ বাহিৰে সকলো শিক্ষানুষ্ঠানকে ফিজ দিয়াবলৈ স্থিৰ কৰা হৈছে। ফিজ দিয়াত পলম হোৱাৰ বাবে কোনোৱে যেন জৰিমনা নিদিয়ে।

আমাৰ প্ৰচাৰ কাৰ্য্য আৰু মৰ্কদ্দমা চলাবৰ কাৰণে অনেক অৰ্থৰ আৱশ্যক হৈছে। সেই কাৰণে ছাত্ৰ-ছাত্ৰীসকলে নতুন উৎসাহেৰে সৈতে অৰ্থ সংগ্ৰহ কৰে যেন।

ব্যক্তিগত মতামতত যেন কোনোৱে ভুল পথে পৰিচালিত নহয়, এই সম্পৰ্কে কেন্দ্ৰীয় কাউন্সিল অব্ একচনৰ নিৰ্দেশ অনুসাৰেহে যেন সকলো কাম পৰিচালিত কৰে।

হে বীৰ বীৰাঙ্গনাৰ দল সন্মুখত এতিয়াও আমাৰ মহান কৰ্তব্য পৰি আছে, তাৰ কাৰণে প্ৰস্তুত হওক। ছাত্ৰশক্তিৰ জয় অনিৰ্বাৰ্য্য।

হিন্দুস্থান প্ৰেছ, গুৱাহাটী। শ্ৰীমদন বৰপূজাৰী।

শ্ৰীবিপিনচন্দ্ৰ বায়মেধি।

## ৮ নং বুলেটিন

অন্যায়- অত্যাচাৰৰ বিৰুদ্ধে সুবিচাৰ পাবৰ নিমিত্তে ছাত্ৰ-ছাত্ৰী সকলে শান্তিপূৰ্ণ ধৰ্মঘট চলাবৰ আজি ২২ দিন হল। সদৌ অসমৰ ছাত্ৰ-ছাত্ৰীয়ে তুমুল অভিজান (মুলৰ দৰে) চলাইছে আৰু ভাৰতীয় সকলো ছাত্ৰই তাত সহযোগিতা কৰিছে। অভিভাবক আৰু অসমৰ জনসাধাৰণে গুৱাহাটীৰ পুলিচে নিৰপৰাধ ছাত্ৰ-ছাত্ৰীৰ ওপৰত কৰা অমানুষিক অত্যাচাৰৰ প্ৰতিবাদ কৰিছে আৰু এটা বেচৰকাৰী তদন্ত কমিটি ঘঠন কৰিবলৈ গৰ্বণমেন্টক টানি ধৰিছে। অসমৰ জন নেতাসকলে বাতৰি কাকতত এই র্নিমম অত্যাচাৰৰ বিষয়ে বিবৃত্তি দিছে; এচেম্বলীৰ বিৰুদ্ধ দলৰ দলপতিয়ে পৰিষদ স্থগিতৰ প্ৰস্তাৱ দি বক্তৃতা দিছিল। তথাপি গৰ্বণমেন্টে সকলোকে হেয় জ্ঞান কৰিছে। গৰ্বণমেন্টে নিজৰ দুৰ্বলতা বুজিয়ে বাতৰি কাকতত ওলোৱা বিবৃত্তি আৰু পৰিষদ স্থগিত প্ৰস্তাৱৰ বিৰুদ্ধে একো বিবৃত্তি আজিলৈ দিব পৰা নাই, স্কুল কলেজ আদি বন্ধ দিছে, ভাৰত ৰক্ষা আইনৰ ৫৬ (২) ধাৰা জাৰী কৰি গুৱাহাটী মহকুমাত সভা আদি পতা বন্ধ কৰিছে, নানা ফন্দি পাতি বিনাদোষত প্ৰধান ছাত্ৰ-কৰ্মী কিছুমানক গ্ৰেপ্তাৰ কৰি ৰাখি থৈছে, আনকি আহত ছাত্ৰ সকলৰ সাহায্যাৰ্থে পতা অভিনয় আদিকো বন্ধ কৰি দিছে। যি উপায়ে নহওক ছাত্ৰ শক্তিক গৰ্বণমেন্টে মৰিমূৰ কৰিবলৈ বিচাৰিছে।

অহা ২ জানুৱাৰী তাৰিখে স্কুল কলেজ বিলাক খুলিব।

যোৱা ২৫ ডিচেম্বৰ তাৰিখে গুৱাহাটীৰ অভিভাবক সকলৰ এখন সভা হয়। ছাত্ৰ-ছাত্ৰী সকলক ধৰ্মঘট স্থগিত ৰাখিবলৈ তেওঁলোকে কোৱা নাই, ২ জানুৱাৰীৰ আগতে ছাত্ৰ আৰু গৰ্বণমেন্টৰ মাজত সন্তোষজনক মীমাংসো কৰাই দিবলৈ এটা কমিটিহে গঠন কৰি দিছে। ইয়াৰ ভিতৰত উক্ত কমিটিয়ে যদি কৰ্তৃপক্ষৰ পৰা সন্তোষজনক কোনো সমিধান নাপায় তেনেহলে ন্যায্য দাবী পূৰণ নোহোৱালৈকে তেওঁলোকে আমাৰ লগত সহযোগিতা কৰি থাকিব বুলি আমাক আশ্বাস দিছে।

ভাই-ভনীসকল, যি মহান প্ৰতিজ্ঞা কৰি আমি স্কুল কলেজৰ পৰা ওলাই আহিছো, সেই প্ৰতিজ্ঞা পূৰণ নোহোৱালৈকে আমি আমাৰ কৰ্তব্য কৰিবই লাগিব। এই কেইদিনৰ ভিতৰত যে কিবা মীমাংসা হব তাৰ আশা কম। ২ জানুৱাৰী তাৰিখ আমাৰ অগ্নি পৰীক্ষাৰ দিন। গুৱাহাটীৰ ছাত্ৰ-ছাত্ৰীয়ে এই অগ্নি পৰীক্ষাত উৰ্ত্তীণ হব বুলি সদৌ অসমৰ তথা ভাৰতৰ ছাত্ৰ-ছাত্ৰীয়ে চাই আছে। আমাৰ ওপৰতেই আমাৰ অভিভাবক সকলৰ, অসমৰ জনসাধাৰণৰ আৰু ছাত্ৰশক্তিৰ সন্মান নিৰ্ভৰ কৰিছে, আমি সেই সন্মান অটুট ৰাখিবই লাগিব।

ছাত্ৰ-ছাত্ৰীসকল ২ জানুৱাৰী তাৰিখলৈ সাজু হওক। হে বীৰ বীৰঙ্গনাৰ দেশৰ ডেকা গাভৰুৰ দল, মনত ৰাখিব গুৱাহাটীৰ ছাত্ৰ-ছাত্ৰীৰ জয় মানে গোটেই পৃথিবীৰ ছাত্ৰ শক্তিৰ জয়। ছাত্ৰ-ছাত্ৰীৰ ন্যায্য দাবী গৰ্বণমেন্টে মানি লবই লাগিব।

ধৰ্মঘট আমাৰ মহা অস্ত্ৰ।

ধৈৰ্য্য ধৰা

কৰ্তব্য কৰা

জয় অনিৰ্বায্য।

হিন্দুস্থান প্ৰেছ, গুৱাহাটী — শ্ৰীবিপিন চন্দ্ৰ ৰায়মেধি।

গুৱাহাটী– ২৭/১২/৪১ — শ্ৰীমদন বৰপূজাৰী।

৯ নং বুলেটিন

দাবী পূৰণ নোহোৱালৈকে পূৰ্ণ উদ্যমে ধৰ্মঘট চলাই থাকক। জয় অনিৰ্বাৰ্য্য।

হিন্দুস্থান প্ৰেছ, গুৱাহাটী — শ্ৰীমদন বৰপূজাৰী।

১/১/৪২ ইং — শ্ৰীবিপিন ৰায়মেধি।

১০ নং বুলেটিন

ছাত্ৰৰ মৰ্য্যদা ৰক্ষাৰ্থে আৰু অন্যায়ৰ সুবিচাৰ পাবৰ নিমিত্তে পূৰ্ণ ধৰ্মঘট চলাই থাকক। জয় আৱশ্যম্ভাৱী।

হিন্দুস্থান প্ৰেছ, গুৱাহাটী — শ্ৰীবিপিন ৰায়মেধি।

৩/১/৪২ ইং — শ্ৰীমদন বৰপূজাৰী।

* ১৯৪১ চনৰ ডিচেম্বৰ মাহত গুৱাহাটীত সংঘটিত হোৱা ছাত্ৰ আন্দোলনৰ সময়ত ছাত্ৰ নেতাসকলে প্ৰচাৰ কৰা এই গোহাৰি পত্ৰসমূহ আমাক দি সহায় কৰাৰ বাবে গুৱাহাটীৰ শ্ৰদ্ধেয় লক্ষ্মীপ্ৰসাদ চৌধুৰীৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। লিখক

## পৰিশিষ্ট খ

১৯৩৫ চনৰ ভাৰত শাসন বিধিমতে অসম বিধান সভাৰ গাঠনি। ইয়াৰ ভিত্তিতেই ১৯৩৭ চনৰ নিৰ্বাচন অনুষ্ঠিত হৈছিল।

| সমষ্টি | আসনৰ সংখ্যা | ভোটাৰৰ সংখ্যা |
|---|---|---|
| ১। অনা-মুছলমান সমষ্টি (ইয়াৰ ভিতৰত সাতোটা সংৰক্ষিত- অনুসূচীত জাতিৰ বাবে) | ৪৭ | ৪৫,৬২৬ |
| ২। মুছলমান সমষ্টি | ৩৪ | ২,৭৭,৬৭৭ |
| ৩। মহিলা সমষ্টি | ১ | ২,১৯৯ |
| ৪। ভাৰতীয় খৃষ্টীয়ান | ১ | ৫,৭৪৩ |
| ৫। ইয়োৰূপীয়া | ১ | ২,৩৫৭ |
| **বিশেষ সমষ্টি** | | |
| ১। (ক) পিছপৰা ভৈয়াম জনজাতি | ৪ | ২৭,৫৮৮ |
| (খ) পিছপৰা পাহাৰী এলেকা | ৫ | ১৮,৩৩৮ |
| ২। (ক) ইয়োৰূপীয়া চাহ খেতিয়ক | ৭ | ৯৭৫ |
| (খ) ভাৰতীয় চাহ খেতিয়ক | ২ | ৩৪৪ |
| ৩। (ক) বাণিজ্য আৰু উদ্যোগ (ইয়োৰূপীয়া) | ১ | ১৮ |
| (খ) " " " (ভাৰতীয়) | ১ | ১৯৭ |
| ৪। চাহ বাগিছাৰ বনুৱা | ৪ | ৩৪,২৭৯ |
| মুঠ সমষ্টি | ১০৮ | মুঠ ভোটাৰ = ৮,১৫,২৪১ |

Source: Political History of Assam, Vol.II,p.332